# শেষ পৃষ্ঠা

ভবেন্দ্র নাথ শইকীয়া

লয়াৰ্ছ বুক ষ্টল
পানবজাৰ, গুৱাহাটী-১

A collection of essays written by Dr Bhabendra Nath Saikia published by Sri K N Dutta Barua Lawyer s Book Stall Guwahati 781001

প্ৰকাশক ঃ

খগেন্দ্ৰ নাৰায়ণ দত্তবৰুৱা

লয়াৰ্ছ বুক ষ্টল

গুৱাহাটী-১ (অসম)

মূল্য ১৩০ টকা

মুদ্ৰক ঃ

শ্ৰীকান্ত প্ৰেছ

৭৫ বৈঠকখানা ৰ'ড

কলিকতা-৭০০ ০০৯

# লেখকৰ এআষাৰ

১৯৮১ চনৰ ছেপ্টেম্বৰ/অক্টোবৰ মাহৰ প্ৰান্তিক আলোচনীখনৰ আৰ্হি প্ৰস্তুত কৰোতে শেষৰ পৃষ্ঠাটোৰ নাম শেষ পৃষ্ঠা'ই ৰখা হৈছিল, সিদ্ধান্ত কৰা হৈছিল সেই পৃষ্ঠাটোত মই লিখিম। সেই মতেই কাম আৰম্ভ কৰা হৈছিল। সেই বছৰৰে ডিচেম্বৰ মাহৰ ১ তাৰিখৰ পৰা আলোচনীখন প্ৰকাশিত হৈছিল। প্ৰথম চাৰিটা সংখ্যাৰ শেষ পৃষ্ঠাৰ লেখা খিনিৰ তলত মোৰ নাম ছপা হোৱা নাছিল। কিন্তু এদিন প্ৰান্তিকৰ কাৰ্যালয়তে এটা কথা ওলাল - মই নিজৰ নামত নিয়মীয়াকৈ কিবা এটা লিখাটো বাঞ্ছনীয়। সেই কথা মানি লৈ পঞ্চম সংখ্যাৰ পৰা শেষ পৃষ্ঠাৰ কথাখিনিৰ তলত নিজৰ নাম প্ৰকাশ কৰিবলৈ ললো।

প্ৰান্তিকৰ আৰ্হিটোত 'সম্পাদকীয় নামৰ শিতান এটাৰ কথা নাছিল আৰু সম্পাদকীয় ছপা কৰাও হোৱা নাছিল। ফলত লাহে লাহে পাঠক-পাঠিকাৰ বহুতে শেষ পৃষ্ঠাটোকে সম্পাদকীয় বুলি গণ্য কৰিবলৈ ধৰিলে। এসময়ত মই অনুভৱ কৰিলো - শেষপৃষ্ঠাৰ কথাখিনিক পাঠক-পাঠিকাই সম্পাদকীয় বুলি গণ্য কৰিলে শেষপৃষ্ঠাটো সম্পৰ্কে মোৰ কি ধাৰণা সেই ধাৰণাটো সময়ে সময়ে সলনি কৰিবলগীয়া হয়। গতিকে শ্ৰীপ্ৰদীপ বৰুৱাৰ লগত আলোচনা কৰি ঠিক কৰিলো - প্ৰান্তিকত সম্পাদকীয় নামৰ শিতান এটা আৰম্ভ কৰা হওক আৰু শেষপৃষ্ঠাৰ কথাখিনি যে সম্পাদকীয় নহয় সেইটো দেখদেখকৈ ওলাই থাকক। সেইমতেই কাম হ'ল। একাদশ বছৰৰ প্ৰথম সংখ্যাৰ পৰা প্ৰান্তিকত 'সম্পাদকীয় আৰম্ভ হ'ল।

শেষ পৃষ্ঠাৰ কথাবোৰ গোটাই কিতাপ আকাৰে প্ৰকাশ কৰাত পৰামৰ্শ ভালেমামন লোকৰ পৰা মাজে-মাজে পাই থাকোঁ কিন্তু হৈ কামটোত মন দিবলৈ যে মই সময়-সুবিধা কৰিব পৰা নাই। যিমান যি লিখিলো সকলোবোৰ তাৰিখ অনুক্ৰমে সজাই কিতাপ আকাৰে উলিওৱা ভাল হ'ব নে বাছি বাছি কিছুমান লেখাহে গোটোৱা ভাল হ'ব এই কথাটোৰ ক্ষেত্ৰতে মই সিদ্ধান্ত লব পৰা নাছিলো। হয় কিছুমান শেষপৃষ্ঠাৰ বিষয়বস্তুৰ গুৰুত্ব নিতান্ত সাময়িক সেইবোৰ কিতাপৰ পৰা বাদ পৰাই ভাল কিন্তু বাদ পৰিলে সেইবোৰ লেখা আকৌ কেতিয়া ক'ত সংকলিত হয়? হেৰায়েই যায় নে কি? মই নিজে একো ঠিক কৰিব নোৱাৰি শ্ৰীপ্ৰদীপ বৰুৱাকে বিষয়টো গতাই দিলো। তেওঁ যি সিদ্ধান্ত ললে সেইমতে শেষপৃষ্ঠাৰ এই প্ৰথম খণ্ডটো প্ৰকাশ পাইছে। ছপাকৰা কামৰ তত্ত্বাৱধান কৰিলে শ্ৰীপুলক লাহিড়ী আৰু ইমৰান হুছেইনে। এওঁলোক তিনিওজন আৰু প্ৰকাশক শ্ৰীখগেন্দ্ৰ নাৰায়ণ দত্তবৰুৱাক মই আন্তৰিক ধন্যবাদ জনাইছোঁ।

২৮/১০/৯৭ ভবেন্দ্ৰ নাথ শইকীয়া

# সূচীপত্ৰ

ইয়াত সন্নিবিষ্ট লেখাবোৰৰ নাম ভিতৰৰ আলোচনাৰ লগত সম্পৰ্ক ৰাখিয়েই দিয়া হৈছে যদিও কিছুমান নামৰ পৰা আলোচ্য বিষয়টো ধৰিব নোৱাৰি। কিন্তু সূচীপত্ৰৰ পৰাই পাঠক-পাঠিকাই বিষয়বোৰৰ আভাস পোৱাটো বাঞ্ছনীয়। সেই কাৰণে যিবোৰ নামৰ পৰা আলোচ্য বিষযটো ধৰিব নোৱাৰি সেইবোৰৰ লগত বিষয়টোৰ আভাস দি দিয়া হৈছে। যিবোৰ লেখাৰ নামটোৱেই বিষয়টোৰ আভাস দিয়ে সেইবোৰত বিষযটোৰ কথা উল্লেখ কৰা হোৱা নাই।


| লেখাটোৰ নাম | বিষয় | পৃষ্ঠা |
|---|---|---|
| কামৰ কথা | বৰগীত আৰু জ্যোতিপ্ৰসাদৰ গীত চৰিত্ৰ সংৰক্ষণ | ১ |
| সৰু ছিনেমা হ'ল | অসমত কিছুমান সৰু ছিনেমা হলৰ প্ৰয়োজনীয়তা | ৩ |
| 'বাহিৰা কিতাপ'ৰ বিজ্ঞাপন | 'বাহিৰা কিতাপ'ৰ বিজ্ঞাপনৰ বাবে প্ৰকাশকৰ উদ্যোগ | ৬ |
| সৰ্বভাৰতীয় প্ৰতিযোগিতা আৰু আমাৰ প্ৰাৰ্থী | | ৮ |
| বোংকনিভাষীৰ সংগ্ৰাম | | ১০ |
| ওচৰৰ মানুহজন | কাষৰ যাত্ৰীজন একোটা প্ৰবন্ধৰ দৰে উপকাৰী হ'ব পাৰে | ১২ |
| অসম সাহিত্য সভা | অসম সাহিত্য সভাৰ চৰিত্ৰ আৰু ৰাজ্য চৰকাৰৰ লগত ইয়াৰ সম্পৰ্ক | ১৪ |
| আনন্দ | ১৯২৮ চনত প্ৰকাশিত অসমীয়া সংগীতমালাৰ গীত | ১৬ |
| জাতিৰ দোভাষী আৰু অনুবাদ | ভালকৈ ইংৰাজী ক'ব আৰু লিখিব পৰা মানুহ | ১৯ |
| আমাৰ গাঁও | গৰম পানীৰ উহ | ২২ |
| ভূমিকা | পাঁচমাৰিৰ বিহাৰ্ছেল | ২৪ |

| | | |
|---|---|---|
| দাপোণ | সম্পাদকলৈ চিঠি। সম্পাদকৰ দৃষ্টিভংগী | ২৬ |
| বন্ধুসকল | মদেই শেষ কৰিলে। গুণী মানুহৰ ব্যক্তিগত অভ্যাসৰ প্ৰতি সমাজৰ দৃষ্টি | ২৮ |
| জ্যোতি চিত্ৰবনক কাম লাগে | | ৩০ |
| সাধাৰণ-অসাধাৰণ | আলোচনী চলচ্চিত্ৰ আদিৰ ক্ষেত্ৰত সাধাৰণ মানুহৰ ছবি (কি ভাল পায়?) | ৩২ |
| বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম হিচাপে মাতৃভাষা | | ৩৪ |
| লাৱণ্য | পবিত্ৰ তালুকদাৰৰ মনৰ সৌন্দৰ্য | ৩৬ |
| প্ৰভাৱ আৰু দূৰদৰ্শিতাৰ অভাৱ | বন্ধ আৰু চৰকাৰৰ দৃষ্টিভংগী | ৩৮ |
| সৰ্বোচ্চ নম্বৰ পোৱা বহীবোৰ | | ৪০ |
| অসমৰ সুৰদি মাত | অ মোৰ গীতটোৰ মৰ্যাদা | ৪২ |
| এই ভয়ংকৰ পৰিস্থিতিৰ মাজতো | আন্দোলনৰ সময়ত বিভিন্ন জনগোষ্ঠী সম্পৰ্কে সংবাদ | ৪৪ |
| শ্ৰদ্ধেয় কাম | নন্দ তালুকদাৰৰ সংগ্ৰহ | ৪৬ |
| ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষাসমূহ | | ৪৮ |
| আচৰণৰ স্বাভাৱিক মাধুৰ্য | ড যোগেন্দ্ৰ নাথ বৰুৱাক গ্ৰেপ্তাৰ কৰা কাৰ্য সম্পৰ্কে | ৫০ |
| দুঃসাহস | যোগ্য লোক ৰাজনীতি লেতেৰা বুলি আঁতৰি থকা | ৫১ |
| 'অপৰাজেয় | জন আৰ্ণষ্ট ষ্টাইনবেকৰ 'দি মুন ইজ ডাউন'ৰ এটা চৰিত্ৰৰ সৌন্দৰ্য | ৫৩ |
| কিছুমান বিষয় কিছুমান 'সমস্যা | অসমৰ সমস্যা/মেখেলা-চাদৰ পিন্ধা-নিপিন্ধাৰ সমস্যা | ৫৫ |

| | | |
|---|---|---|
| খনন-কাৰ্য | আমৰাবীৰ খনন কাৰ্য আৰু অসমৰ বিজ্ঞানী | ৫৭ |
| আবিষ্কাৰ | ৰাজ্যৰ দুৰ্যোগৰ সময়ত সাংস্কৃতিক কাৰ্যকলাপৰ চৰ্চা | ৫৯ |
| সভ্যতা-সংস্কৃতিৰ ভাগ্যলিপি | একোটা ভাষাৰ কাৰণে 'লিপি গ্ৰহণ'ৰ ক্ষেত্ৰত উদাৰতা আৰু দূৰদৃষ্টি | ৬১ |
| অৱক্ষয় | চৰকাৰ-ৰাজনীতিকৰ মিথ্যাভাষণ | ৬৩ |
| সহায় | যুৱক-যুৱতীক প্ৰতিযোগিতাৰ বাবে প্ৰস্তুত কৰাৰ ব্যৱস্থা | ৬৫ |
| পাণ্ডুলিপি আৰু বেটুপাত | পাঠ্যপুথিত থকা তথ্য ভাষা আদিৰ দোষ | ৬৭ |
| গৃহস্থৰ আদৰ | অসমৰ বুৰঞ্জীপ্ৰসিদ্ধ ঘৰ-দুৱাৰৰ সংৰক্ষণ আৰু সৌন্দৰ্যবৰ্ধন | ৬৯ |
| আত্মনিয়ন্ত্ৰণ | অসমৰ আন্দোলন আৰু পৰীক্ষা ঘৰৰ দুৰ্নীতি | ৭১ |
| লোকৰ দায়িত্ব আৰু নিজৰ দায়িত্ব | দূৰদৰ্শনৰ 'অসমীয়া অনুষ্ঠানৰ মান | ৭৩ |
| অভিনন্দন | বিশ্ববিদ্যালয়ৰ অধ্যাপক নিযুক্তিৰ বিচাৰ পদ্ধতি | ৭৫ |
| অভিজ্ঞতা অনুযায়ী কৰ্ম | মাধ্যমিক পৰ্যায়ৰ শিক্ষা-আঁচনিত 'কৰ্ম-অভিজ্ঞতা'ৰ অৱস্থা | ৭৭ |
| অভিজ্ঞতা আৰু দায়িত্ব | নবীন কবি আৰু গল্প লেখকৰ বিষয়ে | ৭৯ |
| প্ৰতিষ্ঠানৰ মৰ্যাদা আৰু ব্যক্তিৰ আচৰণ | থানাত মানুহৰ প্ৰতি পুলিচৰ আচৰণ | ৮১ |
| অনুদ্ঘাটিত সম্পদ বিৰাট শক্তি | কলেজৰ 'ছাত্ৰসভা'ৰ কামৰ আঁচনি | ৮৩ |

| | | |
|---|---|---|
| শিকালৈহে শিকে | অসমৰ ভ্ৰাম্যমান থিয়েটাৰৰ নৃত্যৰ কাৰ্যসূচী | ৮৫ |
| নিজৰ বিচাৰ আৰু শক্তি | সৰ্বভাৰতীয় ৰাজনৈতিক দল আৰু অসমৰ সমস্যা | ৮৭ |
| আত্মসমৰ্পণ | উগ্ৰপন্থীৰ কাৰ্যকলাপ আৰু অসমৰ ভাবমূৰ্তি | ৮৯ |
| কাছাৰ | অসমৰ পৰা কাছাৰক বেলেগ কৰাৰ প্ৰসংগ | ৯১ |
| শিশুশিল্পীৰ লগৰীয়া | মঞ্চত গীত পৰিৱেশন কৰাৰ সংস্কৃতি | ৯৩ |
| নিৰ্দিষ্ট শ্ৰোতা বিশিষ্ট শ্ৰোতা | নিৰ্দিষ্ট বক্তা নিৰ্দিষ্ট অতিথি আদিৰ ভাষণ আৰু শ্ৰোতাৰ অৱস্থা | ৯৫ |
| জ্ঞানৰ বিশালতা আৰু শিক্ষাৰ্থীৰ সময় | স্কুল-কলেজত বিজ্ঞানশিক্ষাৰ পাঠ্যক্ৰম | ৯৭ |
| মন ভঙা কাম | অসমৰ অবৈধ বিদেশী আৰু কিছুমান স্থানীয় ৰাজনৈতিক নেতাৰ কাৰ্যকলাপ | ৯৯ |
| দৰ্শকৰ দায়িত্ব | ভাল চলচ্চিত্ৰ আৰু দৰ্শক | ১০১ |
| খোলা মন খোলা কথা | অসমৰ বাঙালীসকলৰ বৌদ্ধিক চিন্তা-চৰ্চা | ১০৩ |
| সৰু সৰু আলোচনী | | ১০৫ |
| আশা-ভৰসাৰ থল | পাঠক-পাঠিকা বিচাৰবুদ্ধি | ১০৭ |
| ভ্ৰাম্যমান থিয়েটাৰ গঢ়োঁতাসকল | | ১০৯ |
| দৰিদ্ৰৰ ধনবল | ৰাজনীতিৰ পথাৰত টকাৰ বল | ১১২ |
| পৰিত্ৰাণৰ উপায় | নিযুক্তিৰ ক্ষেত্ৰত টকাৰ বল | ১১৪ |
| বেমাৰীৰ প্ৰাথমিক শান্তি আৰু অৱস্থা | চিকিৎসালয়ৰ প্ৰাথমিক সা-সুবিধা | ১১৬ |

| | | |
|---|---|---|
| দোষণীয় কামৰ সম্প্ৰসাৰণ | আকাশবাণী-দূৰদৰ্শনৰ প্ৰচাৰ নীতি | ১১৯ |
| ভেটিটোৰ মাটিৰ সমস্যা | চেমনীয়া ডেকা ল'ৰাৰ আচৰণ আৰু মাত-কথা | ১২২ |
| বৃদ্ধা হায় হায় | ভাল চৰিত্ৰৰ পৃষ্ঠপোষক নীতি | ১২৪ |
| পাৰস্পৰিক বিশ্বাস প্ৰতিষ্ঠাৰ এটা সুযোগ | অসমত বাস কৰা বঙালী আৰু অসমৰ ভোটাৰ তালিকা | ১২৬ |
| ঘৰুৱা শিক্ষক | প্ৰাইভেট টিউছন আৰু অভিভাৱক | ১২৮ |
| মিছা অপবাদ সঁচা অপবাদ | অসমত অসমীয়া মানুহৰ কৰ্মপটুতা | ১৩০ |
| শুভাকাংক্ষীৰ কৰ্তব্য | সুৰাসক্ত বন্ধুৰ প্ৰতি শুভাকাংক্ষীৰ কৰ্তব্য | ১৩২ |
| ৰ-টোৰ ব্যৱহাৰ | | ১৩৪ |
| প্ৰযোজন অনুসৰি বিধি-বিধান | শিক্ষাৰ ক্ষেত্ৰত গুণী লোকৰ প্ৰকৃত বিচাৰ | ১৩৬ |
| জ্যোতি-স্তৰ—বিষ্ণু-স্তৰ | সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত 'যুগ 'স্তৰ আদিৰ নামকৰণ | ১৩৮ |
| শ্ৰদ্ধাভাজন প্ৰতিবেশী | মণিপুৰৰ সাংস্কৃতিক কৃতকাৰ্যতা | ১৪০ |
| কাৰ্নিভেলৰ দৰ্শক | দুৰ্নীতি অভিযোগ উত্থাপনৰ পদ্ধতি | ১৪২ |
| কেছেট | অসমীয়া গীত মাতৰ কেছেট সম্পৰ্কে | ১৪৪ |
| সংৰক্ষণ সম্পৰ্কীয় আলোড়ন | | ১৪৬ |
| মানসিক বিকাৰ | বেনামী চিঠিৰ ঘৃণনীয় ব্যৱহাৰ | ১৪৮ |
| পত্ৰলেখকৰ চোকা দৃষ্টি | কাকতৰ সম্পাদকলৈ লিখা চিঠিৰ কাৰ্যকাৰিতা। | ১৫১ |
| 'ছহিদ'ৰ প্ৰতি শ্ৰদ্ধা | ছহিদ আখ্যা দিয়াৰ ক্ষেত্ৰত বিচাৰ | ১৫৩ |
| হতাশা | অসমৰ সমস্যা আৰু আচৰণ | ১৫৫ |
| 'কমাৰ্ছ' আৰু প্ৰকৃত ব্যৱসায়ী | কলেজ-বিশ্ববিদ্যালয়ত বাণিজ্য পাঠ্যক্ৰম | ১৫৭ |

| | | |
|---|---|---|
| ভাবাভিত্তিক ৰাজ্যৰ ভাষা | অসমত অসমীয়া ভাষাৰ মৰ্যাদা আৰু গুৰুত্ব | ১৫৯ |
| স্থায়ী বাসিন্দাৰ দুশ্চিন্তা | অসম চুক্তি কাছাৰ জিলা আৰু অসমৰ বাঙালীসকল সম্পৰ্কে | ১৬১ |
| একেখন খেল দুখন পথাৰ | হোষ্টেল আৰু ঘৰত থাকি পঢ়া ছাত্ৰ-ছাত্ৰীৰ এটা দিশ | ১৬৩ |
| শ্ৰদ্ধা-মৰম অৰ্জনৰ সময় | ছাত্ৰ-ছাত্ৰীৰ সুশৃংখল আচৰণ | ১৬৬ |
| মন ভঙা ঘটনা | অসমৰ ভোটাৰ তালিকা আৰু ভাৰতীয় নাগৰিক | ১৬৮ |
| ভোট দিয়ক | নাগৰিকৰ ক্ষমতাৰ ব্যৱহাৰ | ১৭০ |
| মহত্বৰ প্ৰতিদান | অসম আন্দোলনৰ কৰ্মীৰ অগপৰ পৰা প্ৰত্যাশা | ১৭৩ |
| বয়স-বুদ্ধি-অভিজ্ঞতা | চৰকাৰৰ উচ্চপদস্থ আমোলা আৰু নতুন ৰাজনৈতিক নেতা | ১৭৪ |
| কেঁচা সামগ্ৰী | কল-কাৰখানাত কৰ্মীসকলৰ ভূমিকা | ১৭৬ |
| কামৰ সময় | মন্ত্ৰী-বিধায়ক আৰু সমৰ্থকসকলৰ মাজৰ সম্পৰ্ক | ১৭৮ |
| অসম সাহিত্য সভাৰ এটা কাম | চৰ আৰু চাহ-বাগিচা অঞ্চলৰ লোকৰ ক্ষেত্ৰত | ১৮০ |
| সকৰ পৰা ডাঙৰলৈ | শিক্ষা প্ৰতিষ্ঠানৰ বন্ধৰ দিন | ১৮৩ |
| নেতৃত্বৰ আদিপাঠ | দান-বৰঙণি সাহায্য পুঁজি আদিৰ অপব্যৱহাৰ | ১৮৫ |
| পঢ়াশালি | প্ৰাইভেট স্কুল আৰু চৰকাৰৰ কৰ্তব্য | ১৮৭ |
| শ্ৰীবৃদ্ধি | বিধায়ক বিষয়া-কৰ্মচাৰীৰ দৰমহা আৰু খেতিয়কৰ উপাৰ্জন | ১৮৯ |
| পোহনীয়া শোষণযন্ত্ৰ | ধৰ্মীয় অনুষ্ঠান আৰু দৰিদ্ৰ মানুহ | ১৯১ |

| | | |
|---|---|---|
| কোটিটকীয়া ক্ষুদ্ৰ ব্যৱসায় | স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিনামূলীয়া সাজ-পাৰ | ১৯৩ |
| পৰিহাৰ্য অপবাদ | অসমত বাংলা ভাষাৰ চলচ্চিত্ৰৰ প্ৰদৰ্শন | ১৯৫ |
| দায়িত্ব গ্ৰহণ দায়িত্ব বৰ্জন | সমাজ বিৰোধী দুষ্কৃতিকাৰীৰ ওপৰত দোষ জাপি দিয়া ফৰ্মুলা | ১৯৭ |
| বুৰঞ্জীৰ শিক্ষা | ডাক্তৰী ইঞ্জিনিয়াৰিং পঢ়াৰ প্ৰৱণতা আৰু সমাজৰ প্ৰকৃত প্ৰয়োজন | ১৯৯ |
| আছাম টাইপ | সত্ৰীয়া নৃত্যৰ চৰ্চা আৰু শিক্ষা | ২০১ |
| আমোলাৰ অৱদান | | ২০৩ |
| সহযোগিতাৰ বাবে পৰিকল্পনা | চৰকাৰৰ আঁচনি আৰু গাঁও-ভুঁইৰ ৰাইজৰ সহযোগিতা | ২০৫ |
| নগ্নপ্ৰায় | যুৱ-নেতাৰ নিন্দনীয় কাম | ২০৭ |
| মৃত্যু আৰু জন্ম | আন্দোলন আৰু হত্যাকাণ্ড | ২০৯ |
| অপদস্থ গ্ৰাহক অপদস্থ দাতা | অসমৰ বাটে-পথে দান-বৰঙণি বিচৰা লোকৰ উপদ্ৰৱ | ২১১ |
| বৃহৎ আঁচনিৰ ভেটি | জীৱনী কোষ প্ৰণয়ন কৰাৰ নীতি | ২১৩ |
| কাপুৰুষৰ অস্ত্ৰ | বেনামী চিঠি | ২১৫ |
| চৰকাৰী বন্ধৰ সংখ্যা | | ২১৭ |
| দেশৰে বিদেশ? | বাংলাদেশী লোকৰ ভ্ৰমণ/প্ৰব্ৰজন | ২২০ |
| ড্ৰাগছ আৰু পিতৃ-মাতৃসকল | | ২২২ |
| বিনা খৰচৰ ছেমিনাৰ | কাৰ্যালয়বোৰৰ দক্ষতা বঢ়োৱাৰ উপায় | ২২৫ |
| কৰ্মী আৰু কৰ্মচাৰী | ৰাজনৈতিক দলৰ প্ৰতি সমৰ্থন থকা চাকৰিয়াল | ২২৮ |
| গৌৰৱ অৰ্জনৰ অংক | বিদেশলৈ সাংস্কৃতিক দল পঠোৱাৰ প্ৰস্তুতি | ২৩১ |

| | | |
|---|---|---|
| অত্যাৱশ্যকীয় বস্তু : আন্দোলনৰ সময়তো | আন্দোলনৰ কাৰ্যসূচী আৰু ছাত্ৰ-ছাত্ৰীৰ শিক্ষা আহৰণ | ২৩৪ |
| যি খেলত অসমৰ সুনাম হৈছে | অসম আৰু টেবুল টেনিছ | ২৩৭ |
| পদযাত্ৰা | ৰাজনৈতিক উদ্দেশ্যৰ পদযাত্ৰা | ২৪০ |
| টেলিভিছনৰ পৰ্দা জাতিৰ দাপোণ | গুৱাহাটী কেন্দ্ৰৰ কাৰ্যসূচী | ২৪৩ |
| সাধাৰণ সৎ লোকৰ হতাশা | শীৰ্ষস্থানীয় লোকৰ দুৰ্নীতিমূলক কাম | ২৪৬ |
| শিক্ষক-সমাজৰ নেতৃত্ব | চাকৰিয়ালৰ দাবী আৰু ৰাইজৰ সেৱাৰ মনোভাব | ২৪৯ |
| এটা দুৰ্ঘটনা আৰু সামগ্ৰিক পৰিৱেশ | দুষ্কৃতিকাৰীৰ কাৰ্য-কলাপ আৰু ছাত্ৰ সংগঠনৰ কৰ্তব্য | ২৫২ |
| ফিজি শ্ৰীলংকা আৰু আমি | বিদেশী নাগৰিকৰ প্ৰতি দৃষ্টিভংগী | ২৫৫ |
| দিনটোৰ সৰু-সুৰা শাস্তিবোৰ | আমাৰ খিংখিঙীয়া মেজাজ | ২৫৮ |
| ঘনিষ্ঠ শত্ৰু | দালাল জাতীয় মানুহৰ কুপৰামৰ্শ | ২৬১ |
| সাঁজ লাগি ভাগিবৰ হ'ল | অবিবেচক সন্তান আৰু মাতৃসকল | ২৬৩ |
| মাৰ্কশ্বিট | শিক্ষকৰ যোগ্যতাৰ বিচাৰ | ২৬৬ |
| ৰাজনীতি উদাৰতা | বিৰোধ পক্ষৰ গুণী লোকৰ প্ৰতি আচৰণ | ২৬৯ |
| থলুৱাৰ ব্যৱসায় | থলুৱা লোকৰ অকৰ্মণ্যতা | ২৭২ |
| সাংস্কৃতিক সজ্জিযাৰ কথা | প্ৰকৃত সংস্কৃতি (Cultured) মানুহৰ পৰিচয | ২৭৫ |
| শিশু-বিজ্ঞান | সাধাৰণ মানুহৰ ধৰ্মীয় অনুভূতি আৰু জনবিজ্ঞান যাত্ৰাৰ কৃতকাৰ্যতা | ২৭৭ |
| পাতল কথা | উচ্চপদস্থ চৰকাৰী বিষয়াৰ সময়ৰ মূল্য | ২৮০ |

# কামৰ কথা

একোজন শিল্পীৰ গীতসমূহ যেতিয়া ৰস চৰিত্ৰ, গুণ আদিৰ বলত এক বিশিষ্ট শ্ৰেণীৰ অন্তৰ্ভুক্ত হৈ পৰে, নাইবা গীতসমূহক এক বিশিষ্ট শ্ৰেণী বুলি স্বীকাৰ কৰা হয় তেতিয়া সেই গীতসমূহ চৰ্চা কৰা বা পৰিৱেশন কৰা লোকসকলৰ দায়িত্ব আৰু নিষ্ঠায়ো এক বিশেষ চৰিত্ৰ গ্ৰহণ কৰা উচিত। এনে ধৰণৰ গীতৰ কথা সুৰ অন্তৰ্নিহিত ভাব স্থান-কাল-পৰিৱেশ — এই সকলোৱে মিলি এক সামগ্ৰিক সৌন্দৰ্যৰ সৃষ্টি কৰে। এই সৌন্দৰ্য ৰক্ষা কৰাটো এক ঐতিহাসিক আৰু সাংস্কৃতিক গুৰুত্বৰ কাম। এনে গীতৰ এটা শব্দ সলনি কৰিলে যি ভুল হয়, কোনো এঠাইত সুৰৰ সলনি কৰিলেও একে ভুলেই কৰা হয়। সময়ৰ গতিৰ বাবে বা আন কোনো কাৰণত মূল গীতৰ এটা শব্দ আমাৰ ভাল নালাগিব পাৰে কিন্তু সেই বুলি সেই শব্দটো সলনি কৰা নহয়। পৰবৰ্তীকালৰ শ্ৰেষ্ঠতম গীতিকাৰেও সেই কামটো নকৰে। সুৰৰ ক্ষেত্ৰতো ঘটনাটোৰ গুৰুত্ব একে। পঞ্চাছ বছৰৰ আগতে ৰচনা কৰা এগৰাকী বিশিষ্ট লেখকৰ এখন উপন্যাস আজিৰ এগৰাকী কৃতী লেখকে সালসলনি কৰি অধিক আকৰ্ষণীয় কৰি তুলিব পাৰে কিন্তু প্ৰকাশিত উপন্যাস এখনৰ ক্ষেত্ৰত এই কাম কৰা নহয়। গীতৰ কথা আৰু সুৰৰ ক্ষেত্ৰতো কথাটো একে।

কিন্তু কথা হ'ল এটা গীতৰ এটা শব্দৰ সালসলনি কৰিলে সেই কামটো আমাৰ চকুত পৰে আমি সেই কামৰ সমালোচনা কৰোঁ কিন্তু সেই একেটা গীতৰে সুৰৰ ক্ষেত্ৰত কোনোবাই এঠাইত সামান্য সালসলনি কৰিলে আমি একো নকৰোঁ। ইয়াৰ কাৰণ হ'ল প্ৰথমতে — গীতৰ কথাবোৰ লিপিবদ্ধ থাকে ভুলটো ধৰা পেলোৱাৰ দেখ-দেখ উপায় থাকে দ্বিতীয়তে — সুৰৰ ক্ষেত্ৰত আমি বেছি ভাগেই 'ভাল লগা'ৰ ওপৰতে নিৰ্ভৰ কৰোঁ শুদ্ধতা গভীৰতা প্ৰকৃত সৌন্দৰ্যৰ প্ৰতি লক্ষ্য ৰাখি বিচাৰ কৰাৰ ক্ষমতা আৰু মানসিকতা আমাৰ বহুতৰে নাই তুলনামূলক বিচাৰ কৰিবলৈ আমাৰ হাতত লিপিবদ্ধ আহিলাও নাই আমাক সহায় কৰিবলৈ যেন কোনো 'অথৰিটি' ও নাই। এনে পৰিস্থিতিৰ ফলত বিশেষ চৰিত্ৰৰ গীতসমূহৰ চৰিত্ৰ নষ্ট হয়। বৰগীতৰ ক্ষেত্ৰত এনে হৈছে, জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীতসমূহৰ ক্ষেত্ৰত এনে হ'ব বুলি ভয় হৈছে।

বৰগীত আৰু জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীতসমূহক এনে পৰিস্থিতিৰ পৰা উদ্ধাৰ কৰিবলৈ একে ধৰণৰ প্ৰচেষ্টাৰেই প্ৰয়োজন। বৰগীত সম্পৰ্কীয় কামখিনি কৰিবলৈ আয়োজনটো অলপ ডাঙৰ কৰিব লাগিব, খৰচৰ পৰিমাণো অলপ বেছি হ'ব, কিন্তু জ্যোতিপ্ৰসাদৰ গীতসমূহৰ কামটো অনতিপলমে আৰম্ভ কৰিব পাৰি। জ্যোতিপ্ৰসাদৰ প্ৰত্যক্ষ সান্নিধ্যলৈ অহা সংগীতজ্ঞ আজিও ভালেমান আছে, গতিকে কামটো কৰাত কিছু অতিৰিক্ত সুবিধা আছে। কামটো হ'ল ঃ প্ৰথমতে এটা দুদিনীয়া শিবিৰৰ আয়োজন কৰিব লাগে। তাত জ্যোতিপ্ৰসাদৰ গীত নিষ্ঠাৰে গোৱা সকলো বিশিষ্ট গায়কক গোট খুৱাব লাগে। তাত এখেতসকলে গোৱা গীতবোৰ ৰেকৰ্ড কৰিব লাগে। এগৰাকীয়ে গাওতে বাকী সকলোৱে শুনিব লাগে আৰু আনে গোৱা প্ৰতিটো গীত সম্পৰ্কে প্ৰত্যেকেই নিজৰ মতামত লিখিতভাৱে শিবিৰৰ সঞ্চালকক দিব লাগে। শিবিৰৰ পাছত তিনিগৰাকীমান সংগীতজ্ঞৰ এখন সমিতি গঠন কৰিব লাগে আৰু তেখেতসকলক ৰেকৰ্ড কৰা গীতৰ একোটা কেছেট-কপি আৰু লিখিত মতামতৰ কপি দিব লাগে। তেখেতসকলে প্ৰত্যেকে অকলে গীতবোৰ শুনি অন্যান্য গায়ক-গায়িকাৰ মতামত পঢ়ি একোটা টোকা প্ৰস্তুত কৰিব লাগে। এমাহমানৰ পাছত সমিতিৰ বৈঠক পাতিব লাগে। সেই বৈঠকত সদস্য কেইগৰাকীয়ে নিজ-নিজ টোকাৰ সহায়ত মতামত বিনিময় কৰি শুদ্ধ-সুৰ আৰু শুদ্ধ-গায়ক বাছি উলিয়াব লাগে। তাৰ পাছত সেই নিৰ্বাচিত গায়কসকলক দ্বিতীয় শিবিৰলৈ মাতি আনিব লাগে তেখেতসকলক শেহতীয়া পৰামৰ্শেৰে সহায় কৰিব লাগে আৰু যি গৰাকীয়ে যিটো গীত শুদ্ধকৈ গায় তেখেতৰ হতুৱাই সেই গীতটো ৰেকৰ্ড কৰাব লাগে। তাৰ পাছত কেইগৰাকীমান স‌ংগীতজ্ঞই এই শেষ পৰ্যায়ত ৰেকৰ্ড কৰা গীতসমূহৰ স্বৰলিপি প্ৰস্তুত কৰিব লাগে। স্বৰলিপিৰ শুদ্ধতা প্ৰতিপন্ন কৰাৰ পাছত সেইখিনি কিতাপ আকাৰে ছপাই উলিয়াব লাগে আৰু শেষ পৰ্যায়ৰ ৰেকৰ্ডিংখিনি সংৰক্ষণ কৰিব লাগে।

এই কামটোত মুঠতে পোন্ধৰ হাজাৰমান টকা খৰচ হ'ব — গুৱাহাটীৰ জজ খেল পথাৰত তিনিঘণ্টীয়া সভা একোখনৰ বাবে চুণ দিয়া বাঁহৰ বেষ্টনীত যিমান খৰচ হয় তাতকৈ বোধকৰোঁ কম।

জ্যোতিপ্ৰসাদ আগৰৱালাৰ তেজপুৰৰ ঘৰটোক কেন্দ্ৰ কৰি যিটো চৰকাৰী প্ৰতিষ্ঠান গঢ়ি তোলা হৈছে, সেই প্ৰতিষ্ঠানে ঠিক এনে ধৰণৰ কামকে কৰিব লাগে। কিন্তু কথা হ'ল এনে ধৰণৰ কামৰ বাবে চিন্তা, উদ্যম, পৰিশ্ৰম আৰু আন্তৰিকতা বেছি লাগে, ফাইল মেমো নাম্বাৰ ইত্যাদি ইত্যাদি কম লাগে।

১১।১।৮২

# সৰু ছিনেমা হল

ছিনেমাক আনন্দ ৰস চিন্তাৰ বাহক কৰি তুলিবলৈ, আৰু সামাজিক গুৰুত্ব থকা মাধ্যম হিচাপে গঢ়ি তুলিবলৈ ভাৰতৰ বিভিন্ন প্ৰান্তত উদ্যম পৰিলক্ষিত হৈছে। কিন্তু এই উদ্যম, এই সৎ প্ৰচেষ্টাৰ সন্মুখত প্ৰকাণ্ড বাধা হিচাপে কাম কৰি আছে প্ৰেক্ষাগৃহসমূহ নিয়ন্ত্ৰণ কৰা ব্যৱসায়ী চক্ৰটো। কেৱল টকা উপাৰ্জন কৰাৰ বাহিৰে এই চক্ৰটোৰ আন কোনো (সামাজিক কল্যাণমূলক) উদ্দেশ্য নাই। ভাল ছবি আৰু ৰাজ্যখনৰ চলচ্চিত্ৰ শিল্পৰ উন্নয়নৰ স্বাৰ্থত পশ্চিম বংগ চৰকাৰে কেইগৰাকীমান কৃতী পৰিচালকৰ হতুৱাই বহুলাখ টকা খৰচ কৰি কেইখনমান ছবি নিৰ্মাণ কৰালে কিন্তু দৰ্শকৰ আগলৈ ছবি কেইখন উলিয়াই দিব পৰা নাই প্ৰেক্ষাগৃহৰ অভাৱত। সেই ব্যৱসায়ী চক্ৰ ইমান শক্তিশালী যে এখন ৰাজ্যৰ চৰকাৰো তাৰ সন্মুখত নিৰুপায়। ভাৰতৰ তথ্য আৰু অনাতাঁৰ মন্ত্ৰীয়ে নিজে প্ৰেক্ষাগৃহৰ সংখ্যা বঢ়োৱাৰ সপক্ষে প্ৰচুৰ আগ্ৰহ প্ৰকাশ কৰিছে আৰু উক্ত ব্যৱসায়ী চক্ৰটো নিৰ্মূল কৰাৰ প্ৰয়োজনীয়তাৰ কথা স্বীকাৰ কৰিছে। ৰাষ্ট্ৰীয় চলচ্চিত্ৰ উন্নয়ন নিগমে নতুন প্ৰেক্ষাগৃহ নিৰ্মাণৰ বাবে অৰ্থ সাহায্য দিয়াৰ কথা ওলাইছে। ৰাজ্য চৰকাৰসমূহৰ জনতা ছিনেমা ঘৰৰ আঁচনিৰ কথা বহুদিনৰ পৰা শুনি আছোঁ। নিশ্চিতভাৱে কাম হাতত লোৱাৰ ভিতৰত আছে পশ্চিম বংগ চৰকাৰে বেংকৰ সহযোগিতাত প্ৰেক্ষাগৃহ সাজিবলৈ লোৱাটো।

এফালৰ পৰা চাবলৈ গ'লে যেতিয়ালৈকে কেনেকুৱা ছবি প্ৰদৰ্শিত হ'ব, সেই সম্পৰ্কে নিৰ্দিষ্ট বিধি-বিধানৰ ব্যৱস্থা নহয় আৰু তেনেধৰণৰ ছবি যথেষ্ট পৰিমাণে নিৰ্মিত নহয় তেতিয়ালৈকে গাঁৱে-ভুঁয়ে বৰ্তমানৰ চৰিত্ৰৰ প্ৰেক্ষাগৃহৰ সংখ্যা নবঢ়াই ভাল। কিন্তু ব্যৱসায়িক প্ৰেক্ষাগৃহৰ বৰ্তমানৰ চৰিত্ৰটোৱেই চূড়ান্ত আৰু শেষ চৰিত্ৰনে? 'ছিনেমা হল'ৰ চৰিত্ৰ ৰবীন্দ্ৰ ভৱন বা ৰাজ্যিক পুথিভঁৰালৰ প্ৰেক্ষাগৃহসমূহৰ নিচিনা ভদ্ৰ হ'বই নোৱাৰে নে কি? ভদ্ৰলোক-ভদ্ৰমহিলাই ছিনেমা চায়, কিন্তু সেই কামটো কৰিবৰ বাবে তেওঁলোক বজৰুৱা অঞ্চল এটালৈ যাবই লাগিব নে কি? কেইশমান মানুহ, কিছু সংখ্যক যানবাহনৰ অহা-যোৱা আৰু উপস্থিতিয়েই এটা ঘৰক 'ভদ্ৰলোকৰ চুবুৰিত স্থান নোহোৱা' ঘৰ কৰি পেলায়নে? ছাপ্পাই অফিছতোতো

সেই ভিৰ হয়। কিন্তু ভদ্ৰলোকৰ চুবুৰিৰ মাজতে ঘৰ এটা ভাৰা লৈওতো ছাপ্পাই অফিছ পতা হয়। আনহাতে আমি মহানগৰীৰ মাজমজিয়াত সৈন্যবাহিনীয়ে নিয়ন্ত্ৰণ কৰা এনে ছিনেমা হল দেখিছোঁ যাৰ পৰিবেশ গীৰ্জাঘৰৰ দৰেই শান্ত আৰু গুৰু গম্ভীৰ। গতিকে ছিনেমা হলৰ চৰিত্ৰ নিৰ্ণয় কৰে তাত কি চৰিত্ৰৰ ছবি দেখুউৱা হয় আৰু কি চৰিত্ৰৰ মানুহ আৰু নীতি-নিয়মে সেইবোৰ নিয়ন্ত্ৰণ কৰে তাৰ ওপৰত। এটা প্ৰেক্ষাগৃহত দিনৰ পাছত দিন ভাৰতৰ বা বিদেশৰ কৃতী পৰিচালকসকলৰ ভাল-ভাল ছবিসমূহ দেখুউৱাৰ আয়োজন কৰা হওক— এমাহৰ ভিতৰতে সেইটো প্ৰেক্ষাগৃহৰ চৰিত্ৰই সলনি হৈ যাব।

সদ্যহতে আমাৰ চহৰসমূহত দুশ-তিনিশ মানুহে শান্তিৰে ভাল ছবি এখন চাব পৰা প্ৰেক্ষাগৃহৰ প্ৰয়োজন হৈছে। ব্যৱসায়িক প্ৰেক্ষাগৃহসমূহে দৰ্শকৰ সংখ্যা এশমানলৈ নামিলে সেইখন ছবি চলাই নাৰাখে ইমান কম দৰ্শকে তেওলোকক নোপোচায। চাম চাম বুলি ভাবি থকা বহু দৰ্শকক নিৰাশ কৰি তেওলোকে একোখন ভাল ছবি উলিয়াই পঠিযায। কিন্তু দুশ তিনিশ আসন থকা এটা হলৰ কাৰণে এশ দৰ্শক অপ্ৰতুল নহয়। ৰাষ্ট্ৰীয চলচ্চিত্ৰ উন্নয়ন নিগমে অৰ্থ সাহায্য দি নিৰ্মাণ কৰোৱা বা কিনি লোৱা দেশী-বিদেশী ছবি পুনাৰ আৰ্কাইভৰ ছবি ফিল্ম ছছাইটিৰ ছবি ব্যৱসাৰী চক্ৰৰ বাবে লোকচানজনক অথচ ভাল ছবি — এনেবোৰ (৩৫ মি মি আৰু ১৬ মি মি) ছবিৰেই এনে ধৰণৰ এটা প্ৰেক্ষাগৃহ চলাই ৰাখিব পাৰি। সমালোচক বা চিত্ৰ-নিৰ্মাতাসকলে একোখন ছবিৰ বিশেষ প্ৰদৰ্শনৰ বাবে এই প্ৰেক্ষাগৃহটো ব্যৱহাৰ কৰিব পাৰিব। ছবি প্ৰদৰ্শনৰ বাহিৰেও কলা-শিল্প সম্পৰ্কীয অন্যান্য সৎ-কামৰ কেন্দ্ৰ হিচাপেও প্ৰেক্ষাগৃহটো ব্যৱহাৰ কৰিব পৰা যাব। মূলধনৰ প্ৰত্যাবৰ্তন আৰু প্ৰেক্ষাগৃহটো চলাই ৰখাৰ খৰচৰ ফালৰ পৰা বিচাৰ কৰিলেও এই আঁচনি লোকচানজনক নহয়। আঞ্চলিক ভাষাৰ ছবিৰ ক্ষেত্ৰতো এই প্ৰেক্ষাগৃহক বিশেষ ধৰণে ব্যৱহাৰ কৰিব পৰা যাব।

ভাল ছবিৰ স্বাৰ্থ আৰু সামগ্ৰিকভাৱে ছিনেমা শিল্পৰ উন্নয়নৰ বাবে দেশত এটা জাগৰণৰ সৃষ্টি হোৱাৰ সময়ত, চৰকাৰ নিগম আদি আগবাঢি অহাৰ সময়ত আমাৰো চৰকাৰী বা বেচৰকাৰী নিগম-প্ৰতিষ্ঠান আদিয়ে এই কামটোৰ কথা গুৰুত্বৰে ভবা উচিত। মাটি টকা আৰু সৎকামৰ প্ৰতি আগ্ৰহ থকা একোজন ব্যক্তিয়ে এই কামটো কৰিবলৈ ললেও বিভিন্ন দিশৰ পৰা তেখেতলৈ সহায়-সহযোগ আহিব।

চৰকাৰৰ কথা উল্লেখ কৰাৰ বিশেষ কাৰণ হ'ল— চৰকাৰে কোটি-কোটি টকা ছিনেমাৰ পৰা আমোদকৰ হিচাপে সংগ্ৰহ কৰে, কিন্তু ছিনেমাৰ কাৰণে বিশেষ একো নকৰে বুলি ভাৰতৰ তথ্য আৰু অনাতাঁৰ মন্ত্ৰীয়ে নিজেই অস্বস্তি প্ৰকাশ কৰিছে।

২৫/১/৮২

শেঃ পৃঃ ২

# 'বাহিৰা কিতাপ'ৰ বিজ্ঞাপন

গোলাঘাটৰ পৰা শ্ৰী গোলোক চন্দ্ৰ দত্ত নামে এজন লোকে প্ৰান্তিকৰ সম্পাদকলৈ অসমীয়া কিতাপৰ বিজ্ঞাপন সম্পৰ্কে এখন চিঠি লিখিছে। তেখেতৰ চিঠিৰ মূল কথাখিনি হ'ল আন আন ভাষাৰ আলোচনীবিলাকত ন-পুৰণি পুথিৰ বতৰা বিজ্ঞাপনৰ যোগে পোৱাৰ সুবিধা আছে। অসমত ভালেমান প্ৰসিদ্ধ লেখকৰ কিতাপ প্ৰকাশ হোৱা বতৰাটো পাঠকে পাবলৈ বহুদিন লাগে। উদাহৰণস্বৰূপে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি সুসাহিত্যিক শ্ৰী ত্ৰৈলোক্য নাথ গোস্বামী ডাঙৰীয়াৰ 'নন্দনতত্ত্ব— প্ৰাচ্য আৰু পাশ্চাত্য নামৰ গভীৰ অধ্যয়নপুষ্ট গ্ৰন্থ এখন গুৱাহাটী বিশ্ববিদ্যালয়ে ছপা কৰিছে। কিন্তু সেই গ্ৰন্থখনৰ বিষয়ে বিজ্ঞাপন নাই। সেইদৰে যোৰহাটৰ শ্ৰী গোলাপ চন্দ্ৰ শাস্ত্ৰীদেৱে প্ৰণয়ন কৰা প্ৰায় সাতশ পৃষ্ঠাৰ 'উপনিষদ কথামৃত গ্ৰন্থৰো বিজ্ঞাপন দেখা নাই।

চিঠিখনৰ শেষৰ ফালে শ্ৰী দত্তই বিজ্ঞাপনৰ অভাৱত পাঠকৰ অসুবিধাৰ কথা দোহাৰি প্ৰান্তিকৰ প্ৰতি দুটামান পৰামৰ্শ আগবঢ়াইছে।

কিতাপৰ ক্ষেত্ৰত আন ভাষাৰ আলোচনী সম্পৰ্কে শ্ৰী দত্তই কোৱা কথাষাৰৰ যথাৰ্থতা পৰীক্ষা কৰিবলৈ হাততে পোৱা সাপ্তাহিক আলোচনী এখন চালো — তাত দুখন কিতাপৰ সুদীৰ্ঘ আলোচনাৰ বাহিৰেও একছল্লিছখন কিতাপৰ বিজ্ঞাপন আছে। কিতাপৰ বাহিৰেও আলোচনীখনত চাৰে ওঠৰ পৃষ্ঠাৰ অন্যান্য বস্তুৰ বিজ্ঞাপন আছে কিন্তু কিতাপখিনিৰ বিজ্ঞাপনে আলোচনীখনক এক বিশেষ সাহিত্যসুলভ সৌন্দৰ্য দান কৰিছে এটা জাতিৰ জ্ঞান-বুদ্ধি-চিন্তা-চৰ্চাৰ সক্ৰিয় ৰূপটো সেই পৃষ্ঠাকেইটাত স্পন্দিত হৈছে। সেই পৃষ্ঠাকেইটাই আলোচনীখনৰ প্ৰকাশকক আৰ্থিকভাৱে যিমান সহায় কৰিছে, কিতাপবোৰৰ প্ৰকাশক লেখক অগণন পাঠকক আৰু জাতিটোৰ সামগ্ৰিক চৰিত্ৰত সহায় কৰিছে তাতকৈ বহু বেছি।

অসমত প্ৰকাশিত কিতাপৰ সংখ্যা বহু ৰাজ্যৰ তুলনাত কম, পাঠকৰ সংখ্যাও কম আনহাতে প্ৰকাশৰ খৰচ বেছি। একোখন কিতাপ ছপা কৰা হয় সাধাৰণতে দুই-তিনি হাজাৰ কপি। এইবোৰ কথাকে হিচাপত ধৰি

হ'বলা —এগৰাকী প্ৰকাশকে এদিন কৈছিল,— বিজ্ঞাপনত খৰচ হোৱা পইচাখিনিৰ প্ৰতিদান বৰ কম, বৰঞ্চ সেইখিনি পইচা কমিছন বঢ়োৱাত ব্যৱহাৰ কৰি খুচুৰা ব্যৱসায়ীসকলক উৎসাহিত কৰাই ভাল। প্ৰকাশকগৰাকীৰ এই যুক্তি গ্ৰহণযোগ্য নহয়। তদুপৰি তেখেতৰ কথাখিনিৰ লগত তুলনা কৰিব লাগিব— পাঠ্যপুথি আৰু ন'ট বুকৰ বিজ্ঞাপনৰ ব্যৱস্থা তেখেতে কিমান তত্তাতৈয়াকৈ আৰু বাহুল্যকৈ কৰে তাৰ লগত। পাঠ্যপুথিৰ ব্যৱসায় চৰকাৰৰ নিগম, বিশ্ববিদ্যালয়ৰ সমিতি আদিৰ হাতলৈ যোৱাৰ পাছত প্ৰকাশকসকলৰ অৰ্থাগমৰ পথ সংকীৰ্ণ হৈছে, সেইটোও বিবেচনাৰ কথা, কিন্তু 'বাহিৰা কিতাপ' তেখেতসকলে প্ৰকাশ কৰি আছেই যেতিয়া লেখক, পাঠক, পুথিভঁৰাল, সৰ্বসাধাৰণ লোক, আৰু সাহিত্য আৰু চিন্তাৰ পৰিবেশক সহায় কৰিবলৈ এটা কম খৰচৰ প্ৰচাৰৰ পথ তেখেতসকলে উলিয়াই লোৱা উচিত। প্ৰকাশকসকলৰ এটা সংগঠন আছে। সেই সংগঠনটোৱে সদস্যসকলৰ প্ৰকাশিত কিতাপসমূহৰ সমূহীয়া বিজ্ঞাপন নিয়মীয়াকৈ প্ৰচাৰ কৰি থাকিব নোৱাৰেনে? সংগঠনটোৱে দুখনমান আলোচনীৰ এটা পৃষ্ঠা দীঘলীয়া দিনৰ বন্দবস্তত সংৰক্ষিত কৰি লব পাৰে তাত সদস্যসকলে প্ৰকাশ কৰা কিতাপৰ নাম লেখকৰ নাম, দাম, প্ৰকাশকৰ নাম পোন্ধৰটামান শব্দৰে কিতাপখনৰ এটা বৰ্ণনা,— এইখিনি কথাৰ একোটা সৰু (এক কলমৰ তিনি বা চাৰি ছেণ্টিমিটাৰ ঠাই জোৰা) বিজ্ঞাপন প্ৰকাশ কৰিব পাৰে , যি প্ৰকাশকৰ বিজ্ঞাপন প্ৰকাশিত হ'ল, সেই প্ৰকাশকৰ পৰা খৰচখিনি সংগঠনটোৱে সংগ্ৰহ কৰি আলোচনীৰ প্ৰকাশকক দিব পাৰে। আনহাতে আলোচনীৰ প্ৰকাশকে সেই পৃষ্ঠাটোৰ বাবে অন্যান্য বস্তুৰ বিজ্ঞাপনতকৈ কম পইচা লৈ প্ৰকাশকসকলক সহায় কৰিবপাৰে। মোৰ হিচাপত অসমৰ এখন আলোচনীত এখন কিতাপৰ এই ধৰণৰ বিজ্ঞাপন এটাত ত্ৰিছ টকা খৰচ পৰিব। নিয়মীয়াকৈ প্ৰকাশ হৈ থাকিলে কিছুদিনৰ ভিতৰতে এই পৃষ্ঠা টোৱে প্ৰতিষ্ঠা লাভ কৰিব পাঠক পৃষ্ঠাটোৰ প্ৰতি সচেতন হ'ব আৰু তেতিয়া এখন কিতাপ সম্পৰ্কে তিনি বা চাৰি ছেণ্টিমিটাৰ ঠাই জোৰা খবৰেই সকলোৰে বাবে যথেষ্ট হ'ব। প্ৰকাশকৰ সংগঠনটোৱে নকৰিলে আলোচনীৰ তৰফৰপৰাই সদ্যহতে এটামান পৃষ্ঠা এই কামৰ বাবে আগবঢ়াব পৰা যায়। মোৰ বিশ্বাস বহু লেখক আৰু প্ৰকাশকে ব্যক্তিগতভাৱে এই পৃষ্ঠাটোৰ সুবিধা লব।

উল্লেখযোগ্য, পুথি-সমালোচনাৰ বাহিৰেও এখন আলোচনীয়ে 'প্ৰাপ্তি স্বীকাৰ' কৰি কিছুমান কিতাপৰ খবৰ পাঠকক দিব পাৰে, কিন্তু 'প্ৰাপ্তি স্বীকাৰ' পদ্ধতিটো সকলো লেখক আৰু প্ৰকাশকৰ বাবে আনন্দেৰে গ্ৰহণ কৰিব পৰা বিধৰ নহয়।

১১/২/৮২

# সৰ্বভাৰতীয় প্ৰতিযোগিতা আৰু আমাৰ প্ৰাৰ্থী

এই সংখ্যাত দুগৰাকী পত্ৰ-লেখকে চাকৰিৰ ক্ষেত্ৰত সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষা আৰু অসমীয়া প্ৰাৰ্থীৰ কথা আলোচনা কৰিছে। এই সন্দৰ্ভত এখন দৈনিক কাকতত প্ৰকাশিত আন এখন চিঠিৰ কথা মনত পৰিছে। তেতিয়া বিদেশী সংক্ৰান্ত আন্দোলন আৰম্ভ হোৱা কেইবামাহো হৈ গৈছে। বাতৰি-কাকতসমূহত উচ্চ পৰ্যায়ৰ বিভিন্ন ভাগৰ বিষয়াৰ বাবে সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষাৰ জাননী প্ৰকাশিত হৈছে। এইবোৰ জাননী প্ৰকাশিত হোৱাৰ কেইদিনমানৰ পাছতে ছপা হোৱা চিঠিখনৰ বক্তব্য আছিল ° সৰ্বভাৰতীয় পৰীক্ষাসমূহত বহু সংখ্যক অসমীয়া যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰাটোক আন্দোলনৰে অংশ বুলি ধৰিব লাগে। শিক্ষকসকলে ইচ্ছুক পৰীক্ষাৰ্থীক বিশেষ ধৰণে ক'চিং কৰি সহায় কৰিব লাগে সাজু কৰিব লাগে। প্ৰয়োজন হ'লে পৰীক্ষাৰ্থীক ছাত্ৰ-সন্থাই কিতাপ-পাতি আনকি টকা-পইচাৰেও সহায় কৰিব লাগে। শেষত পত্ৰ-লেখকে অনুৰোধ কৰিছিল— তেখেতে কিছুমান ল'ৰা-ছোৱালীক আন্দোলনৰপৰা ফালি নিবলৈ চেষ্টা কৰিছে, এনে নীচ সন্দেহ যেন কোনেও নকৰে। হাজাৰ-হাজাৰ ল'ৰা-ছোৱালীৰ মাজৰ পাঁচশ ল'ৰা-ছোৱালী কেইমাহমান আঁতৰি থাকিলে সদ্যহতে আন্দোলনটোৰ ক্ষতি নহয় কিন্তু ভৱিষ্যতে ৰাজ্যখনৰ লাভ হোৱাৰ সম্ভাৱনা আছে।

ৰাজ্য এখনৰ উচ্চ পৰ্যায়ৰ বিষযাসকল সেই ৰাজ্যৰ থলুৱা লোক হ'লে তেওঁলোকে ৰাজ্যখনৰ মংগলৰ কাৰণে কিমান বেছি কৰিব আন ৰাজ্যৰ বিষয়াই কিমান কম কৰিব সেইটো নিশ্চিতভাৱে কৈ দিব পৰা কথা নহ'ব পাৰে কিন্তু মাতৃভূমিৰ প্ৰতি শ্ৰদ্ধা আৰু মৰম থকাটো মানুহৰ গুণৰ ভিতৰত পৰে কাৰণেই জনসাধাৰণে বিশ্বাস আৰু আশা কৰে যে শাসন যন্ত্ৰটোৰ বিভিন্ন অংগত থলুৱা লোকৰ উল্লেখযোগ্য প্ৰতিনিধিত্বই ৰাজ্যখনৰ অধিক মংগল কৰিব। এই বিশ্বাস আৰু আশা অমূলক নহয়। তদুপৰি শাসন যন্ত্ৰটোত থলুৱা লোকৰ যথাযথ প্ৰতিনিধিত্বই জাতিটোৰ সামগ্ৰিক বুদ্ধিমত্তাৰ পৰিচয় বহন কৰে। এইটো গুৰুত্বপূৰ্ণ কথা।

শুনা যায়, অহা পোন্ধৰ বছৰৰ ভিতৰত অসমৰ লোক অসমৰ চিফ ছেক্ৰেটেৰি হোৱাৰ সম্ভাৱনা নাই বা অহা পাঁচিছ বছৰৰ ভিতৰত কোনো অসমীয়া লোক ৰেলৰ জেনেৰেল মেনেজাৰ হোৱাৰ আশা নাই। যোৱা মাহত দিল্লীত এগৰাকী বিষয়া লগ পাইছিলোঁ — কেন্দ্ৰীয় চৰকাৰৰ জইন্ট ছেক্ৰেটেৰি হোৱা তেখেতেই হেনো একমাত্ৰ অসমীয়া লোক। গতিকে আমাৰ পত্ৰলেখক দুগৰাকীৰ দুখ যদি এতিয়াৰ

পৰাই আঁতৰিবলৈ আৰম্ভ কৰে, তেন্তে তাৰ আশানুৰূপ মোচন হ'ব পোন্ধৰ-বিছ বছৰমানৰ পাছত। কিন্তু এতিয়াই যদি প্ৰক্ৰিয়াটো আৰম্ভ নহয় তেন্তে আকাংক্ষিত দিনবোৰ আৰু পিছুৱাই গৈ থাকিব।

এক শ্ৰেণীৰ বুদ্ধিমান ল'ৰাই আই এ এছ, আই এফ এছ আদিৰ পদবী গ্ৰহণ কৰাটোৰ লগত ইষ্টাব্লিছমেণ্ট সম্পৰ্কে থকা এক ধৰণৰ চিন্তাধাৰা সংযুক্ত কৰে কিন্তু বৰ্তমানৰ অসমীয়া প্ৰাৰ্থীৰ দৈন্য এই চিন্তাৰ ফল নহয়। এই দৈন্যৰ সম্পৰ্ক প্ৰধানকৈ চোকা ল'ৰা-ছোৱালীৰ সংখ্যা তেওঁলোকৰ উদ্যম আৰু ৰাজ্যখনত এনে ধৰণৰ প্ৰতিযোগিতাৰ পৰিবেশৰ লগত। চোকা ল'ৰা-ছোৱালীখিনিৰ বহুতো হয়তো ইঞ্জিনিয়াৰিং, ডাক্তৰী আদি 'নিশ্চিত আৰু নিশ্চিন্ত ভৱিষ্যত'ৰ প্ৰতিশ্ৰুতি থকা শিক্ষাক্ৰমৰ প্ৰতি আকৃষ্ট হয় আন বহুতো আকৃষ্ট হয় ইলেকট্ৰনিকছ, কম্পিউটাৰ ছায়েন্স ষ্টেটিষ্টিকেল ইকনমিকছ আদি সাম্প্ৰতিক কালৰ গুৰুত্বপূৰ্ণ বিষয়ৰ প্ৰতি। আনহাতে প্ৰশাসনীয় কামৰ ক্ৰমবৰ্ধমান জটিলতা, সৰ্বভাৰতীয় প্ৰতিযোগিতাত কৃতকাৰ্যতাৰ অনিশ্চয়তা আদিযে বহুতো আগ্ৰহ থকা বুদ্ধিমান ছাত্ৰ-ছাত্ৰীকো সেইবোৰ প্ৰতিযোগিতাৰ প্ৰতি বিমুখ কৰে।

এই অৱস্থাত আমি যদি সঁচাকৈয়ে এই স্তৰৰ চাকৰিত যথেষ্ট সংখ্যক থলুৱা লোকক দেখাটো বিচাৰোঁ, তেনেহ'লে প্ৰয়োজনীয় পৰিবেশ আগ্ৰহ আৰু উদ্যমৰ সৃষ্টি কৰিব পাৰে ছাত্ৰ-ছাত্ৰীৰ শিক্ষিত পিতৃ-মাতৃ আৰু কলেজ-বিশ্ববিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে। এখেতসকলে বিশেষকৈ শিক্ষকসকলে বুদ্ধিমান ছাত্ৰ-ছাত্ৰীসকলৰ মানসিকতা লক্ষ্য কৰি সেই অনুসৰি কিছু ছাত্ৰ-ছাত্ৰী বাছি লৈ সক্ৰিয়ভাৱে সহায় কৰিব পাৰে। গুৱাহাটী বিশ্ববিদ্যালয়ত এই ধৰণৰ প্ৰতিযোগিতাৰ বাবে ছাত্ৰ-ছাত্ৰীক সাজু কৰোৱাৰ এটা সুকীয়া বিভাগ আছে , এই বিভাগটোৰ অৱস্থিতি বা উপস্থিতি সমগ্ৰ ৰাজ্যখনক উপলব্ধি কৰোৱাব লাগে। কোনো-কোনো ৰাজ্যত অকল উচ্চস্তৰৰ চাকৰিৰ বাবে কিয় সৰু-সুৰা চাকৰিৰ বাবেও প্ৰাৰ্থীক সাজু কৰোৱাৰ দায়িত্ব গ্ৰহণ কৰা প্ৰতিষ্ঠান আছে। আমাৰ ইয়াত চাকৰিৰ বাবে পৰীক্ষা বা সাক্ষাৎকাৰলৈ সাজু হোৱা কোনো প্ৰাৰ্থীয়ে কোনো ধৰণৰ প্ৰণালীবদ্ধ সহায় নাপায়। শিক্ষকসকলক মুখ্য সহায়ক হিচাপে লৈ ৰাজ্যখনৰ বিভিন্ন অঞ্চলত যথেষ্ট সংখ্যক সহায়কাৰী তত্ত্বাৱধায়ক অনুষ্ঠান-প্ৰতিষ্ঠান গঢ়ি উঠাটো প্ৰয়োজনীয় হৈছে। সৰ্বভাৰতীয় প্ৰতিযোগিতাৰ প্ৰত্যক্ষ অভিজ্ঞতা থকা আমাৰ বিষয়াসকলে এই ক্ষেত্ৰত দিহা-পৰামৰ্শেৰে নিশ্চয় সহায় কৰিব।

২৬।২।৮২

# কোংকনিভাষীৰ সংগ্ৰাম

যোৱা ২৭ ফেব্ৰুৱাৰিৰ পৰা গোৱাৰ পানাজি চহৰত নিখিল ভাৰত কোংকনি সাহিত্য পৰিষদৰ চতুৰ্দশ অধিবেশন আৰম্ভ হৈছিল। এই অধিবেশনৰ সৌষ্ঠৱ আৰু পাতনি হিচাপে কোংকনি সাহিত্য পৰিষদে ২৫ আৰু ২৬ তাৰিখে সেই চহৰতে সাহিত্য অকাডেমিৰ কাৰ্যকৰী সমিতিৰ সভা সাধাৰণ সভা আৰু ১৯৮১ চনৰ অকাডেমিৰ পুৰস্কাৰ বিতৰণ অনুষ্ঠান পতাৰ দায়িত্ব লৈছিল। ফলত নাগালেণ্ডৰ পৰা গুজৰাটলৈকে, কাশ্মীৰৰ পৰা কেৰালালৈকে ভাৰতৰ সকলো অঞ্চলৰ বাইছটা ভাষা প্ৰতিনিধিত্ব কৰা প্ৰায় আশী গৰাকী সাহিত্যৰ শীৰ্ষস্থানীয় লোকে কোংকনি সাহিত্য পৰিষদ আৰু কোংকনিভাষী লোকৰ ভাষা আৰু সাহিত্য সম্পৰ্কীয় কাৰ্যকলাপ পৰ্যবেক্ষণ কৰাৰ সুবিধা পাইছিল।

অকাডেমিৰ অনুষ্ঠানসমূহৰ লগত জড়িত প্ৰতিটো কাম পৰিষদে যি আন্তৰিকতা আৰু দক্ষতাৰে সম্পন্ন কৰিছিল তেনে আন্তৰিকতা আৰু দক্ষতা আজিকালি ভাৰতীয় সংঘ-সমিতি-প্ৰতিষ্ঠানবোৰৰ ক্ষেত্ৰত সাধাৰণতে দেখা নাযায়। ইয়াৰ বাবে পৰিষদ সমবেত সকলোৰে প্ৰশংসা আহৰণ কৰিবলৈ সক্ষম হয়। কেনেকৈ পৰিষদে এই কৃতকাৰ্যতা অৰ্জন কৰিব পাৰিলে, কেনেকৈ ই দুদিনতে ভাৰতৰ বিভিন্ন প্ৰান্তৰ এচাম মানুহৰ মনত কোংকনি মানুহ, ভাষা আৰু সাহিত্যৰ প্ৰতি এটা সহানুভূতিৰ সাঁচ বহুৱাব পাৰিলে, সেই প্ৰশ্নবোৰৰ বিশ্লেষণ কৰি উপলব্ধি কৰিলো— ধনী-দুখী নিৰ্বিশেষে কোংকনি-সকলৰ নিজৰ ভাষাটোক যথাযোগ্য আসনত প্ৰতিষ্ঠা কৰিবলৈ এটা আন্তৰিক প্ৰচেষ্টা আছে। মেনেজিছ ব্ৰেগেনজা ইনষ্টিটিউটেই হওক, গোৱা-দমন-ডিউৰ মুখ্যমন্ত্ৰী শ্ৰী প্ৰতাপসিং ৰাণেই হওক বা লক্ষপতি ইনছিঅ'ৰেন্সৰ ব্যৱসায়ী শ্ৰী এম এছ প্ৰভুৱেই হওক,— ধনে-জনে সকলো প্ৰকাৰে পৰিষদৰ কাৰ্যসূচীক সহায় কৰিবলৈ সকলো যেন উন্মুখ। এই উন্মুখতা সৃষ্টি কৰিছে কোংকনিসকলৰ এক বহুদিনীয়া সংগ্ৰামে।

কোংকনি সাহিত্য পৰিষদৰ জন্ম হয় ১৯৩৯ চনত। সেই বছৰতে পৰিষদে নিৰ্ণয় কৰা লক্ষ্য আছিল— দেশখনত সিঁচৰতি হৈ থকা কোংকনিভাষীসকলৰ

মাজত ঐক্য স্থাপন কৰা, কোংকেনি ভাষা সম্পৰ্কে থকা ভ্ৰান্ত ধাৰণা দূৰ কৰি সমগ্ৰ পৃথিৱীৰ মানুহক ভাষাটোৰ গৌৰৱ আৰু মাহাত্ম্য সম্পৰ্কে অৱগত কৰোৱা কোংকনি ভাষাৰ বিভিন্ন আঞ্চলিক ৰূপৰ সমন্বয় সাধন কৰি এক ভাষাগত ঐক্য স্থাপন কৰা কোংকনিৰ বাবে দেৱনাগৰী লিপি গ্ৰহণ কৰা, আৰু কো‌ংকনি ভাষা সাহিত্য আৰু সংস্কৃতিৰ প্ৰসাৰ ঘটোৱা।

১৯৩৯ চনৰ পৰা আজিলৈকে কোংকনিসকলে এইকেইটা উদ্দেশ্য সমুখত ৰাখি সংগ্ৰাম কৰি আহিছে। কিন্তু সংগ্ৰাম কৰিবলগীয়া হৈছে কিয়? কো‌ংকনি ভাষা সম্পৰ্কে 'ভ্ৰান্ত ধাৰণা নো কি? একে আষাৰে ক'বলৈ হ'লে তেওঁলোকৰ সংগ্ৰাম জীযাই ৰাখিছে আন এক ভাষাই—পশ্চিম ভাৰতৰ শক্তিশালী ভাষা মৰাঠীযে আৰু অনেক মৰাঠীভাষীৰ মতে যে কোংকনি মৰাঠীৰ বাহিৰৰ এটা সুকীযা ভাষা নহয় সেইটোৱেই হ'ল ভ্ৰান্ত ধাৰণা।

কো‌ংকনিসকলৰ এই অবিৰত সংগ্ৰামৰ এটা উল্লেখযোগ্য ফল হ'ল— ১৯৭৫ চনৰ ফেব্ৰুৱাৰি মাহত ভাৰতৰ সাহিত্য অকাডেমিয়ে কোংকনি ভাষাক এটা সুকীযা ভাষা বুলি স্বীকৃতি দিযে। তেওঁলোকৰ নিজৰে এজনৰ ভাষাত a grateful Konkani world learnt with unbounded joy that the Sahitya Akademi had at last given recognition to its sweet tongue Konkani had arrived উল্লেখযোগ্য কথা, সাহিত্য অকাডেমিৰ বাহিৰেও কো‌ংকনিসকল কৃতজ্ঞ ড সুনীতি কুমাৰ চাটাৰ্জীৰ প্ৰতি। এই প্ৰসিদ্ধ ভাষাবিদ গৰাকীৰ মন্তব্য আৰু বক্তব্যই তেখেতসকলক বৰ সহায কৰিছিল।

তাৰ পাছত সংগ্ৰাম অধিক শক্তিশালী ৰূপত চলি আছে। Konkani's battle royal is still ahead কো কনিসকলৰ মতে ভাৰতীয সংবিধানৰ অষ্টম অনুসূচীত কো‌ংকনি ভাষা অন্তৰ্ভুক্ত হোৱাটোকহে তেওঁলোকে সেই সমুখ-সমৰত জযী হোৱা বুলি গণ্য কৰিব।

সমুখত সংগ্ৰাম আছে বুলি কোংকনিসকলে আশংকা কৰাৰ কাৰণ আছে। এটা উদাহৰণ উল্লেখ কৰোঁ। সাহিত্য অকাডেমিয়ে ভাষাটোক স্বীকৃতি দিয়াৰ সময়ত যিগৰাকী মৰাঠী সদস্যই অকাডেমিৰ সভাত প্ৰচণ্ড বিৰোধিতা কৰিছিল তেওঁৰ লগত গোৱা বিমান বন্দৰত কথা পাতিছিলো। কথা প্ৰসংগত তেও কলে— এওঁলোকে এইবোৰ আযোজন কৰি আপোনালোকৰ ওপৰত এটা সাঁচ বহুৱাবৰ চেষ্টা কৰিছে। পিছে কৰিলে কি হ'ব? গোৱাৰ ৩৯৬ খন পাঠশালা স্কুলৰ মাধ্যম মৰাঠী ৬ খনৰহে কোংকেনি।'

১১/৩/৮২

# ওচৰৰ মানুহজন

এনেকুৱা কিছুমান সৰু-সৰু কথা থাকে মন নকৰিলে একো নাই কিন্তু এবাৰ মন কৰোঁ বুলি কৰিলে দেখা যায় — সেই সৰু-সৰু কথাবোৰতো এক ধৰণৰ আমোদ পোৱা যায়। অকল আমোদ পোৱাই নহয়, লাভো হয়।

অলপতে এটা ভ্ৰমণ কৰিবলৈ ওলাওঁতে এনেয়ে ঠিক কৰিলো, মোৰ ওচৰৰ মানুহজনৰ লগত কথা পাতিমেই। গুৱাহাটী কলিকতা এই ছোৱাত মোৰ কাষত এগৰাকী মহিলা। কথা পাতি জানিব পাৰিলো, মহিলাগৰাকীয়ে কামৰূপৰ এখন গাঁৱত উনৈছজনী শিপিনীক বোৱা-কটাৰ কামত নিযুক্ত কৰিছে। তেওঁলোকক মহিলাগৰাকীয়ে সূতা দিয়ে চানেকী দিয়ে, তেওঁলোকে কাপোৰ বৈ দিয়ে সেই কাপোৰ দেশৰ বিভিন্ন বজাৰলৈ যায়। এতিয়া মহিলাগৰাকী OXFAM-এ এই ধৰণৰ আঁচনি সম্পৰ্কে আয়োজন কৰা এটা অনুষ্ঠানলৈ আহিছে। আধাঘণ্টা সময় অসমৰ বোৱা-কটা সম্পৰ্কীয় আলোচনা।

কলিকতা -বোম্বাই, এই ছোৱাত ওচৰৰ মানুহজন এক বিড়ি কোম্পানিৰ মালিক। তেওঁৰ বিড়ি ডিমাপুৰ-তিনিচুকীয়া অঞ্চলত ভাল চলে। বিড়ি তৈয়াৰ কৰা হয় চিৰাজগঞ্জত। তাৰ এদল মানুহক তেও ধপাত আৰু পাতৰ যোগান ধৰে, মানুহবোৰে ঠিকা বন্দবস্তত বিড়ি বনাই মালিকক জমা দিয়ে। পাত আহে উৰিষ্যাৰপৰা, ধপাত আহে আহমেদাবাদৰ সিফালৰ আনন্দ নামৰ ঠাইৰপৰা। এতিয়া তেওঁ আনন্দলৈ যাব ধপাতৰ বন্দবস্ত কৰিবলৈ। বিড়িৰ লগত জড়িত বহুতো বিষয় সম্পৰ্কে ডেৰ ঘণ্টা আলোচনা।

বোম্বাই-গোৱা, এই ছোৱাত মোৰ ওচৰৰ মানুহজনে কাজু বাদামৰ ব্যৱসায় কৰে। বুজা গ'ল ডাঙৰ ব্যৱসায়ী। বেছি কাৰবাৰ বিদেশৰ লগত। তেওঁ মোক বুজাই দিলে— আচলতে কাজু চবিছ বিধ। সেই সকলো ধৰণৰ কাজু সাধাৰণ গ্ৰাহকে নেদেখে। বেছি দিনলৈ সাঁচি খাবলৈ হ'লে নভজা, ৰঙা বাকলি থকা কাজু কিনাই ভাল। কাজু সম্পৰ্কে ছত্ৰিছ মিনিট।

উভতিবৰ সময়ত (গোৱা-বোম্বে) মোৰ কাষত এগৰাকী ফ্ৰক পিন্ধা, মিঠা বৰণীয়া মহিলা। তেওঁৰ গিৰিয়েক আৰু ল'ৰা-ছোৱালী থাকে আমেৰিকাত। গোৱাত তেওঁৰ ঘৰ-মাটি আছে। সেই ঘৰ-মাটিত তেওঁ তেওঁৰ ভায়েকৰ নামত এটা বৃদ্ধ-

নিবাস খুলিব। সেই কামৰ কাৰণে তেওঁ ভাৰততে আছে। তেওঁৰ ভায়েক আছিল যাত্ৰীবাহী প্লেনৰ কেপ্টেইন। যিখন প্লেন দুৰ্ঘটনাত ধ্বংস হোৱাৰ ফলত ভাৰতৰ বিখ্যাত বিজ্ঞানী ভাবা আৰু অসমৰ ফ্লাইট ইঞ্জিনিয়াৰ ৰমেশ বৰুৱাৰ মৃত্যু হৈছিল, সেইখন প্লেনৰ কেপ্টেইন আছিল মহিলাগৰাকীৰ ভায়েক। ইটালিত হোৱা সেই দুৰ্ঘটনাৰ বাবে পাছত কেপ্টেইনকে দোষী কৰা হৈছিল, কিন্তু মহিলাগৰাকীয়ে এতিয়াও বিশ্বাস কৰে— ঘটনাটো ঘটিছিল কূটাঘাতমূলক কাৰ্যৰ বাবে। ইটালিৰ কাগজত প্ৰকাশিত বহু খবৰৰ কাটিং তেওঁ এতিয়াও বৰ আদৰেৰে ৰাখি থৈছে।

বোম্বাইৰ পৰা কলিকতালৈ মোৰ ওচৰত ৰবীন্দ্ৰ ভাৰতী বিশ্ববিদ্যালয়ৰ ভূতপূৰ্ব উপাচাৰ্য ড ৰমা চৌধুৰী। ইংৰাজী আৰু বাংলা দুয়ো ভাষাৰে তেখেতে কথা পাতে সংস্কৃতেৰে আশীৰ্বাদ দিয়ে। হঠাতে এবাৰ তেখেতে সুধিলে, "মিৰাকল দেখিছা মিৰাকল? মই কলো — নাই দেখা। তেখেতে দেখিছে সুদীৰ্ঘ জীৱনত মাত্ৰ দুবাৰ। এবাৰ তেখেতসকল দুই বাই ভনী বহি আছে, সন্মুখত কাগজৰ ওপৰত পেন্সিল। দূৰত থিয় হৈ থকা এক সিদ্ধ পুৰুষে হুকুম দিলে — উঠা লিখা। পেন্সিলডালে নিজে-নিজে থিয় হৈ কাগজখনত লিখিবলৈ আৰম্ভ কৰিলে। কাগজখন এতিয়াও তেখেতে থৈ দিছে।

আন এবাৰ তেখেত গাড়ীত গৈ আছে। সন্মুখত চকিদাৰ নথকা লেভেল ক্ৰছিং। হঠাতে সম্পূৰ্ণ বগা সাজ পিন্ধা এজনী তিৰোতা হাত মেলি গাড়ীৰ আগত আবিৰ্ভাৱ হ'ল —ক'ৰ পৰা কোনেও নেদেখিলে। তৎক্ষণাত ব্ৰেক মাৰি গাড়ী ৰখোৱা হ'ল। লগে-লগে তিৰোতাজনী অন্তৰ্ধান। পিছ মুহূৰ্ততে এখন ৰেল প্ৰচণ্ড গতিৰে সন্মুখেদি পাৰ হ'ল। তিৰোতাজনী নোলোৱা হলে ড চৌধুৰীৰ গাড়ী ৰেলৰ ইঞ্জিনৰ তলত সোমালহেঁতেন। মিৰাকল।

শেষ পৰ্যায় কলিকতা-গুৱাহাটী। কথাবোৰ কোনোবাই মিলাই দিয়া যেন লাগে। ওচৰৰ মানুহজন মাদ্ৰাজৰ ব্যৱসায়ী। ব্যৱসায় কৰে অসমৰ হস্তশিল্পৰ। বেছিভাগ বস্তু বিদেশলৈ পঠিয়ায়। আকৌ বোৱা-কটাৰ কথা। পূৰ্বশ্ৰীৰ মালিকৰ যিটো ক'ৰপৰেশ্যন সেই ক'ৰপৰেশ্যনটোৱে হেনো বন্দবস্ত মতে বস্তু যোগান ধৰাত কিবা গণ্ডগোল কৰিছে, তাকে মিটাবলৈ মানুহজন গুৱাহাটীলৈ আহিছে। হস্তশিল্পজাত সামগ্ৰী আৰু বিদেশৰ বজাৰ সম্পৰ্কে আধা ঘণ্টা আলোচনা।

দেখাত একো নাই তথাপি। পঢ়িবলৈ ললেই ওচৰৰ মানুহজন একোটা প্ৰবন্ধ হৈ যায় নপঢ়িলেই ওচৰৰ প্ৰবন্ধটো একোজন অচিনাকি পেছেঞ্জাৰ হৈ যায়।

২৬।৩।৮২

# অসম সাহিত্য সভা

প্ৰান্তিকৰ দ্বিতীয় সংখ্যাৰ (১৬-৩১ ডিচেম্বৰ, ১৯৮১) শেষ পৃষ্ঠাতে লিখা হৈছিল

"হেলিকপ্টাৰৰ পৰা নমা ৰাষ্ট্ৰপতি, মঞ্চত মন্ত্ৰীৰ ভিৰ— ইত্যাদি দেখি এটা সময়ত সাহিত্য সভাত চৰকাৰ বৰ বেছিকৈ সোমাল' বা 'সাহিত্য সভা চৰকাৰৰ বৰ বেছি ওচৰ চাপিছে' বুলি সমালোচনা আৰম্ভ হৈছিল। চৰকাৰ আৰু সভাৰ সম্পৰ্ক সেই অৱস্থাৰপৰা— ডিফু অধিবেশনত এটা শিক্ষানুষ্ঠানৰ ঘৰ, চৌহদ আদি ব্যৱহাৰৰ পথত চৰকাৰৰ ফালৰ পৰা বাধাৰ সৃষ্টি— এই অৱস্থালৈ পতন হোৱাটো এটা ডাঙৰ পৰিবৰ্তন। এই পৰিবৰ্তনৰ ৰূপ আৰু পৰিমাণ সদায় একে নাথাকিব, কাৰণ ই কোনো গভীৰ চিন্তা আৰু আদৰ্শ অনুসৰণ কৰাৰ ফলস্বৰূপে সংঘটিত হোৱা নাই। বিদেশী স্থানান্তৰৰ আন্দোলন সন্দৰ্ভত সভাৰ বৰ্তমানৰ কাৰ্যসূচী আৰু দৃষ্টিভংগী বৰ্তমান শাসনত থকাসকলৰ মন পূত হোৱা নাই, পৰিবৰ্তনৰ কাৰণ সিমানেই। এই আন্দোলনো চিৰদিন নাথাকে, এই চৰকাৰো চিৰদিন নাথাকে। সৎ উদ্দেশ্য আৰু আদৰ্শৰে, ৰাইজৰ সমৰ্থনেৰে পুষ্ট হ'ব পাৰিলে সভাও কোনো এক বিশেষ শক্তিৰ মুখাপেক্ষী হোৱাৰ প্ৰয়োজন নাই।"

অসম সাহিত্য সভাৰ ডিফু অধিবেশনলৈ মাত্ৰ আঠদিন বাকী থাকোঁতে এই কথাখিনিৰ পুনৰুল্লেখৰ প্ৰয়োজন হ'ল। এই কথাখিনি কোৱাৰ চাৰে তিনিমাহৰ পাছত দেখা গ'ল সভা আৰু বৰ্তমানৰ চৰকাৰৰ সম্পৰ্কৰ পৰিবৰ্তনে এটা পৰিষ্কাৰ ৰূপ গ্ৰহণ কৰিছে। এই পৰিবৰ্তন দুয়ো পক্ষৰ পৰিবৰ্তনৰ কাৰণে হ'ব পাৰে। বৰ্তমানৰ ভাৰতবৰ্ষত চৰকাৰৰ পৰিবৰ্তনৰ প্ৰকৃতিৰ ওপৰত গুৰুত্ব দি সাহিত্য সভা সম্পৰ্কীয় সমস্যা আলোচনা কৰাত লাভ নাই। বাকী থাকিল সাহিত্য সভাৰ পৰিবৰ্তনৰ কথা। ঠিক এই কাৰণতেই আমি সভাৰ লগত ওতপ্ৰোতভাৱে জড়িত ব্যক্তি শ্ৰী নগেন শইকীয়াক সভাৰ চৰিত্ৰগত পৰিবৰ্তনৰ কথা সুধিছিলো। শইকীয়াৰ বক্তব্যৰ (এই সংখ্যাতে প্ৰকাশিত) মূল কথাটো হৈছে সভাৰ যদি কিবা চৰিত্ৰগত পৰিবৰ্তন সাধিত হৈছে, (তেন্তে) সি ঐতিহাসিক প্ৰয়োজনতহে হৈছে।

কি এই ঐতিহাসিক প্ৰয়োজন ? কি এই পৰিবৰ্তনৰ ৰূপ ? সময়ৰ লগে-লগে যি কোনো বস্তুৰ যি পৰিবৰ্তন হয় সি স্বাভাৱিক পৰিবৰ্তন। অসমৰ কোনো বিশেষ সমস্যা সমাধানৰ সংগ্ৰামত জড়িত নোহোৱা হ'লেও যোৱা এশ বছৰৰ ভিতৰত সাহিত্য সভাৰ কিছু পৰিবৰ্তন হ'লহেঁতেন। হৈছে। এই স্বাভাৱিক পৰিবৰ্তনৰ

বাহিৰেও সভাৰ ইতিহাসৰ ৰেখাত বিশেষ ধৰণৰ ভাঁজ কেতিয়াও পৰা নাইনে ? ১৯৭২ চনৰ শিক্ষাৰ মাধ্যম আন্দোলনতো পক্ষ দুটা আছিল অসমৰ জনসাধাৰণ আৰু চৰকাৰ। তেতিয়া সাহিত্য সভা আন্দোলনত জড়িত হোৱা নাছিলনে ? তাৰ পাছতোতো সাহিত্য-সভাথলীত হেলিকপ্টাৰ নামিছিল ! এই সংখ্যাত প্ৰকাশিত পোন্ধৰ বছৰৰ আগৰ সাহিত্য সভাৰ সভাপতি এগৰাকীৰ ভাষণৰ অংশবিশেষ আজিৰ আন্দোলনৰ লগত জড়িত এগৰাকীৰ ভাষণৰ পৰা মূলতঃ কিমান বেলেগ ? সাহিত্য-সংস্কৃতিৰ বাহিৰৰ ক্ষেত্ৰত কিবা কৰাৰ অপৰাধত চৰকাৰে সাহিত্য সভাক টকা আৰু সুবিধা নিদিও বুলি আগতে কেইবাবাৰো সিদ্ধান্ত লব পাৰিলেহেঁতেন। গতিকে ক'ব পাৰি, এইবাৰৰ সংকটৰ মূল কাৰক দুটা বৰ্তমানৰ আন্দোলনৰ ৰূপ আৰু বৰ্তমানৰ চৰকাৰৰ ৰূপ।

অসম সাহিত্য সভাৰ বৈশিষ্ট্যও আছে, সমস্যাও আছে। অন্যান্য ঠাইত সাহিত্য-সংস্কৃতিমূলক প্ৰতিষ্ঠানে সাহিত্য-সংস্কৃতিৰ কামেই কৰি থাকিব পাৰে, কাৰণ তাত জাতিটোক ৰক্ষা কৰাৰ দায়িত্ব পালন কৰা ৰাজনৈতিক দল আছে। সৰ্বভাৰতীয়েই হওক স্থানীয়েই হওক এই দলসমূহৰ কাৰ্যপন্থাই সাহিত্য-সংস্কৃতিৰ প্ৰতিষ্ঠানক ৰক্ষণাবেক্ষণ আৰু সকাহ দি ৰাখে। জাতিটোৰ স্বাৰ্থৰ অনুকূলে ৰাজনৈতিক দলসমূহে যদি সাহিত্য-সংস্কৃতিৰ ৰাজনৈতিক দিশসমূহৰ জঞ্জাল মাৰি থাকিলহেঁতেন, তেনেহ'লে সাহিত্য সভাৰ চৰিত্ৰ বৰ্তমানতকৈ বেলেগ হ'ব পাৰিলেহেতেন। কিন্তু জাতিটোক সেই ধৰণৰ ৰক্ষণাবেক্ষণ দিব পৰা সুসংগঠিত দল, অন্ততঃ সাহিত্য সভাৰ নিচিনা প্ৰতিষ্ঠান, অসমত নাই। আনকি ছাত্ৰসংস্থা আৰু গণ সংগ্ৰাম পৰিষদৰ সলনি এই আন্দোলনৰ গুৰি সাহিত্য সভাই ধৰিব লাগিছিল আৰু উক্ত দুটা সংগঠনে সাহিত্য সভাক সমৰ্থন দিব লাগিছিল বুলি যিসকলে কয়, তেওলোকৰ কথাও যুক্তিহীন বুলি উৰাই দিব নোৱাৰি। এনেকুৱাই আছিল সাহিত্য সভাৰ অৱস্থান আৰু অসমৰ সমস্যাৰ ৰূপ। বহুতৰ মতে সাহিত্য সভাই আন্দোলনৰ কালত সুচিন্তা আৰু দূৰদৰ্শিতাৰ ওপৰত ভেটি কৰি নিজৰ অৱস্থান সপ্ৰমাণ (assert) কৰিব নোৱৰাটোহে দোষৰ কথা হৈছে।

সাহিত্য সভাৰ নিচিনা এটা প্ৰতিষ্ঠানৰ ক্ষেত্ৰত চাৰি লাখ সাত হাজাৰ চৰকাৰী টকা আৰু অধিবেশনৰ সময়ৰ চৰকাৰী সুবিধা তুচ্ছ বুলি প্ৰমাণিত হোৱাই ভাল। কিন্তু সাহিত্য সভাই বিভিন্ন দিশৰ বিভিন্ন চৰিত্ৰৰ ধুমুহাৰ মাজত দেশী-বিদেশী বিভিন্ন জাহাজক শুদ্ধভাৱে সংকেত দিব পৰা, অথচ দেশৰ মাটিতে সুদৃঢ়ভাৱে থিয় হৈ থকা আলোক স্তম্ভ আৰু ৰাডাৰৰ চৰিত্ৰ আহৰণ কৰাটো বাঞ্ছনীয়।

১২/৪/৮২

# আনন্দ

ডিব্রুগড়ৰ পূৰ্বণি প্ৰকাশন প্ৰতিষ্ঠান ভট্টাচাৰ্য্য এজেন্সিযে সাহিত্য সভাৰ ৪৯তম অধিবেশন উপলক্ষে অনুষ্ঠিত প্ৰদৰ্শনীলৈ কিছুমান পুৰণি পুথি আনিছিল। খবৰটো পাই কিতাপখিনি চালোঁগৈ। ১৯২২ চনত প্ৰকাশিত সিংহদত্ত দেৱ অধিকাৰীৰ কবিতা পুথি ৰেণু (দ্বিতীয় তাঙৰণ) একে বছৰতে প্ৰকাশিত সত্যনাথ বৰাৰ 'সাহিত্য বিচাৰ (চতুৰ্থ তাঙৰণ), ১৯৩৩ চনত প্ৰকাশিত ধনাই বৰাৰ 'কবিতা-চন্দ্ৰিকা (একাদশ তাঙৰণ)— ইত্যাদি। কিতাপবোৰৰ কাগজ ৰঙচুৱা হৈ গৈছে, ভালেমান কিতাপত মূল পাতখিনি নতুনকৈ বন্ধাই নতুন বেটুপাত লগোৱা হৈছে। মই সংগ্ৰহ কৰা কিতাপ কেইখনৰ এখন হ'ল ৰামেশ্বৰ চক্ৰৱৰ্তীযে সংকলন কৰা ১৯২৮ চনত প্ৰকাশিত 'অসমীয়া সংগীতমালা (দ্বিতীয় তাঙৰণ)। ৩৩৪ পৃষ্ঠাৰ কিতাপ দাম থকা পৃষ্ঠাটো নাই। খ্যাতনামা অসমীয়া লিখকৰ লিখা আৰু থিয়েটৰত অভিনয় কৰা ভাল সুৰ তালৰ বছা বছা গানবিলাকহে কিতাপখনত দিয়া হৈছে (পাতনি)। উমেশ চন্দ্ৰ দাস আৰু সত্যনাথ বৰাই সংকলনৰ কামত সহায় কৰিছিল বুলি পাতনিত উল্লেখ আছে।

কিতাপখনত শংকৰ-মাধৱৰ পাঁচোটা বৰগীতকে ধৰি মুঠতে ৪৬৩টা গীত সন্নিবিষ্ট কৰা হৈছে। কবি-গীতিকাৰসকলৰ ভিতৰত আছে দুৰ্গানাথ চাংকাকতি যতীন্দ্ৰনাথ দুৱৰা, লক্ষেশ্বৰ শৰ্মা দুৰ্গেশ্বৰ শৰ্মা, দেবেন্দ্ৰ নাথ বৰুৱা বিষ্ণু প্ৰসাদ দুৱৰা চন্দ্ৰধৰ বৰুৱা দুৰ্গা প্ৰসাদ দত্ত বেনুধৰ ৰাজখোৱা পূৰ্ণকান্ত দেৱশৰ্মা জগৎ বড়দলৈ (জগত বৰদলৈ) পদ্মনাথ বৰুৱা, হেমচন্দ্ৰ গোস্বামী, নীলমণি ফুকন বি এ পদ্মধৰ চলিহা, লক্ষ্মীৰাম বৰুৱা, সদানন্দ দুৱৰা চেনীচন্দ্ৰ দুৱৰা, সিংহদত্ত দেৱ অধিকাৰী ৰাধানাথ ফুকন, বিনন্দীৰাম বৰুৱা বসন্ত কুমাৰ বড়দলৈ কুলনাথ কটকী আৰু ৰজনীকান্ত বড়দলৈ। (নাম আৰু উপাধিসমূহ কিতাপখনত ছপা কৰা মতে উল্লেখ কৰা হৈছে।)

কবি-গীতিকাৰসকলৰ নামৰ তালিকাৰ পৰাই অনুমান কৰিব পাৰি — এইখন এখন উল্লেখযোগ্য কিতাপ। কিমানৰ হাতত এই কিতাপখন আছে ক'ব নোৱাৰোঁ। কিন্তু অদূৰ ভৱিষ্যতে কিতাপখনৰ বহুল প্ৰচাৰৰ

সম্ভাৱনা বোধকৰোঁ নাই। সেইকাৰণে, এবাৰ লৰালৰিকৈ চাওঁতে গীত কেইটামানৰ যিটো আমোদজনক ৰূপ মোৰ চকুত ধৰা পৰিছে, প্ৰান্তিকৰ পাঠকক (যিসকলৰ এতিয়ালৈকে কিতাপখনৰ লগত সম্পৰ্ক ঘটা নাই) তাৰ এটা চিনাকি দিবলৈ মন গৈছে।

ঈশ্বৰ প্ৰেম, মানৱীয় প্ৰেম, দেশ প্ৰেম, সামাজিক পৰিবেশ, চৰিত্ৰ আদি হ'ল গীতসমূহৰ আধাৰ। এইসকল লেখকৰ সাহিত্যকৰ্মৰ লগত যাৰ পৰিচয় আছে, তেখেতসকলৰ কাৰণে গীতসমূহৰ ভাষা আৰু প্ৰকাশভংগী অন্ততঃ অনুমেয়।

উদাহৰণ ঃ নাহেতো মলয় সমীৰ ফুলে ফুলে চুমি যায় (যতীন্দ্ৰ নাথ দুৱৰা), কোনে কয় জীৱন গ'লে/মৰণ কাৰো ভাল নেলাগে (দুৰ্গেশ্বৰ শৰ্মা) দিয়া দেবি পোহৰ সুন্দৰ (চন্দ্ৰধৰ বৰুৱা) হৰি, কৰ্ম নদীৰ মাজৰ পৰা তাৰিবা ইবেলি (বেনুধৰ ৰাজখোৱা) আৰু কাকো হিয়া নিবিলাও (লক্ষ্মীৰাম বৰুৱা) উঠা বীৰ সবে উঠা কাচি পাৰি/সমুখ ৰণত হোৱাঁ শাৰী শাৰী (ৰজনী কান্ত বৰদলৈ) গই আহোঁ বুলি নাহিলে সৰ্মূলি/কিয়নো সি সখি এনুবা নিষ্ঠুৰ? (সিংহদত্ত দেৱ অধিকাৰী) ——ইত্যাদি।

কিন্তু সংকলনটোত এনে কেইটামান গীত আছে, যি কেইটাৰ অস্তিত্ব সম্পৰ্কে মইতো অজ্ঞই আনকি তেনেকুৱা গীত ৰচনা কৰা হৈছিল বুলি মোৰ অনুমান কৰাৰো উপায় নাছিল। পুৰণি গীত বহু শুনিছোঁ কিন্তু কিয় আৰু কেনেকৈ এই গীতবোৰ একেবাৰে কাণত নপৰাকৈ থাকিল ক'ব নোৱাৰোঁ।

উদাহৰণ ঃ বেণুধৰ ৰাজখোৱাৰ এই গীতটো

হিন্দুস্থানী - গজল

সবেৰে মে আসামীয়া আনন্দ কৰোঁ হো।
আনন্দ কৰোঁ হো আনন্দ কৰোঁ হো।।
ৰাত কাটালিয়া সূৰ্জ নিকাল গিয়া
অভি পেৰেষাণ মত হো দিল্ খোস কৰোঁ হো।

আটাইতকৈ আমোদ পাইছোঁ জগত ৰবদলৈৰ গীত পঢ়ি। কুৰি শতিকাৰ অসমীয়া কবিতাত [নীলমণি ফুকন (সৰুজন) সম্পাদিত] ১৯১৪ চনত প্ৰকাশিত কবিতা এটাৰ বাহিৰে জগৎ চন্দ্ৰ ৰবদলৈয়ে লিখা আন একো মই পঢ়িবলৈ পোৱা নাই। এই ৰবদলৈয়েই 'সঙ্গীত মালা'ৰ ৰবদলৈ গৱাকী

হয়নে নহয় তাকো ধৰিব পৰা নাই। 'সঙ্গীত মালা'ত জগৎ চন্দ্র শর্মাবৰদলৈ, জগৎ বৰদলৈ আৰু জগত বড়দলৈ এই তিনিওটা নাম দেখিছোঁ। সি যি কি নহওক, জগত বৰদলৈৰ গীতসমূহৰ প্রকাৰ দেখি পুলকিত হৈছোঁ।

তুমি যদি প্রেম-বন বাঞ্চিত জ্যোতিমালা
তুমি প্রীতি চন্দন বঞ্চিত ফুল মালা
বা, নীল নবীন নীৰদ কিৰণে ধীৰে ধীৰে চুমে ধৰণী
বা জয় ৰাধা গোবিন্দ মুকুন্দ মুৰাৰী
জয় শ্রীমোহন বংশী ধাৰী।

——এই শাৰীবোৰ পঢ়ি গীতিকাৰৰ চিন্তা আৰু শক্তি সম্পর্কে এটা ধাৰণা মনলৈ আহে। কিন্তু সেই একেজন গীতিকাৰৰে আন এটা গীতৰ আৰম্ভণি হ'ল

তুমি আহিবা মাজে মাজে খিলি খাবলই
খিলি খাবলই নহয মইনা মিলি যাবলই।

বৰ আমোদজনক। সংকলনটোত দেখাত বৰদলৈৰ গীতৰ স‚খ্যাই বেছি যেন লাগিছে। তাৰ ভিতৰত তলৰ গীতটো কেইবাবাৰো পঢ়ি আছোঁ এতিযাও একো সিদ্ধান্তলৈ অহা নাই।

ৰিফর্মাৰ আহিছে চাই ল মুৰুখৰ দল
প্রথমে ফ্রি লভত ধৰিছে
হুলাই দে ফুর্ত্তি
'হিব হিব হোৰা
ৰিফর্মাৰ ষ্টেজত নামিছে।
দেম ব্লডি জাত কুল
খুলি লভৰ স্কুল
নিজৰে স্বার্থকো এৰিছে।।
অ'ল্ড ফেল ছোড বাৎ
বাঃ বা কেয়া বাৎ
নেতিভৰ চব কাম এৰিছে
স্কুল ফিজ ফ্রি কৰি
প্রেজেণ্টৰ মণি ধাৰি
মোলেকে বুলি ধীৰে আনিছে।

# জাতিৰ দোভাষী আৰু অনুবাদক

ষাঠিৰ দশকৰ মাজ ভাগ। শিক্ষা বিষয়ক কোঠাৰি কমিছনৰ কাম-বন তেতিয়া পূৰ্ণ গতিত চলিছে। ছাত্ৰ-ছাত্ৰীৰ কল্যাণ আৰু তেওঁলোকৰ পাঠ্যক্ৰম-বহিৰ্ভূত ক্ৰিয়া-কৰ্ম সম্পৰ্কে কমিছনৰ বিপৰ্টত কি পৰামৰ্শ থাকিব, সেই বিষয়ে সিদ্ধান্ত লবলৈ এক উপসমিতিৰ বৈঠক বহিছে। লক্ষ্য কৰিলো,— আলোচনাৰ প্ৰথম দিনাই তামিলনাডুৰ ছাত্ৰ এজনে সকলোৰে মনোযোগ আকৰ্ষণ কৰিছে। মন কৰিলো,— তেওঁৰ কথাৰ যুক্তি আৰু পৰামৰ্শৰ ধৰণেহে যে সকলোৰে মনোযোগ আকৰ্ষণ কৰিছে সেইটো নহয় কৰিছে তেওৰ ইংৰাজী কোৱাৰ ধৰণটোৱে। শুদ্ধ কথাকে কওক বা ভুল কথাকে কওক তেও বলিষ্ঠ মাতেৰে থোতা-মোজা নলগোৱাকৈ ভাল-ভাল শব্দ ব্যৱহাৰ কৰি নিৰ্ভীকভাৱে আত্মবিশ্বাসৰ ওপৰত সম্পূৰ্ণ ভাৰসা ৰাখি কথাবোৰ এনেকৈ কৈছিল যে ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা অহা প্ৰবীণ, অভিজ্ঞ শিক্ষাবিদ ভাৰত চৰকাৰৰ শিক্ষা আৰু সাংস্কৃতিক বিভাগৰ বৰমূৰীয়াসকলে কাণ থিয় কৰি কথাবোৰ শুনিছিল। পাছৰ কেইদিন অৱস্থাটো এনেকুৱা হৈছিল যে এটা বিষয়ত বিভিন্নজনে মন্তব্য প্ৰকাশ কৰাৰ পাছত চেয়াৰমেনে সেই ছাত্ৰজনক সুধিছিল— 'তুমি এইবিষয়ে কি কোৱা?

সত্তৰৰ দশকৰ আগ ভাগ। সংগীত নাটক অকাডেমিৰ জেনেৰেল কাউন্সিলৰ সভা। সদস্যসকল দেশৰ গুণী-জ্ঞানী লোক। সভাৰ কাৰ্যসূচীৰ বিভিন্ন বিষয়ে আলোচনা হয় আৰু প্ৰত্যেক বিষয়তে সকলোৰে চকু ঘূৰে মহাৰাষ্ট্ৰৰ নাটশিল্পী শ্ৰী দুবেৰ ফালে। দুবে আধুনিক কালৰ খণ্ডাল মানুহ, কিন্তু তেও সভাবোৰত নিৰংকুশ প্ৰভুত্ব বিস্তাৰ কৰে ভাল ইংৰাজীৰে, সলসলিয়াকৈ জোৰেৰে নিজৰ মত প্ৰকাশ কৰিব পৰা গুণেৰে। সভাৰ সিদ্ধান্তসমূহত দুবেৰ মতৰ প্ৰভাৱ সুস্পষ্ট হৈ থাকে।

আশীৰ দশকৰ আৰম্ভণি। সাহিত্য অকাদেমিৰ সভাত ওড়িয়া কবি সীতাকান্ত মহাপাত্ৰ, আকাশবাণীৰ সভাত লেখিকা আৰু নাটসমালোচক উমা বাসুদেৱ চলচ্চিত্ৰৰ সভাত শান্তি চৌধুৰী বা ভি নাদকাৰ্ণি— এইসকলৰ কাৰ্যসম্পাদনৰ কৃতকাৰ্যতাৰ ক্ষেত্ৰতো লক্ষ্য কৰিলো,— এখেতসকলৰ carrier

গুণটো— বাহক গুণটো হ'ল নিয়াৰিকৈ নিজৰ বক্তব্য ইংৰাজীৰে প্ৰকাশ কৰিব পৰাটো। এখেতসকলতকৈ বেছি বুদ্ধিমান বেছি চিন্তাশীল আৰু জনা মানুহ যে সদস্যসকলৰ মাজত নাই এনে নহয় কিন্তু সেইসকল নিষ্প্ৰভ হৈ থাকে ইংৰাজীৰে কথা কব নোৱৰা কাৰণে। কিন্তু সভাৰ বাহিৰত এনেয়ে কথা পতাৰ সময়ত লক্ষ্য কৰিছোঁ নিজৰ আয়ত্তত থকা বা মাতৃভাষাত কথা ক'বলৈ এখেতসকলে লক্ষ্যণীয় প্ৰগলভতাৰে সভাত হোৱা আলোচনাতকৈও গভীৰ আৰু যুক্তিসন্মত ৰূপৰ আলোচনা কৰিব পাৰে।

তিনিটা দশকৰ কথা উল্লেখ কৰাৰ কাৰণে হ'ল, এই তিনিটা দশকত সৰ্বভাৰতীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ আলাপ-আলোচনাত ইংৰাজীভাষাৰ বিকল্প ওলোৱাৰ কোনো লক্ষণ দেখা নাই আৰু অদূৰ ভৱিষ্যতে ওলোৱাৰ কোনো সম্ভাৱনা নাই। আনহাতে আলোচ্য সমস্যাসমূহৰ জটিলতাৰ বাবেই হওক বা মানুহৰ ক্ৰমবৰ্ধমান কুটিলতাৰ বাবেই হওক আজি ইংৰাজী ভাষা অধিক জটিল ৰূপত ব্যৱহাৰ কৰা হৈছে, মানুহে ভাষাটোৰ মেৰপাকৰ ওপৰত বেছি ভাৰসা কৰি কথা কোৱাত ধৰিছে।

বহু বছৰ ধৰি দেশখনত ইংৰাজী ভাষাৰ স্থান সম্পৰ্কে বিস্তৰ আলোচনা বাদ-বিসম্বাদ চলি আছে। যোৱা কেইমাহমানৰ ভিতৰত অসমৰ বাতৰিকাকত-আলোচনী আদিত ইংৰাজী স্কুল আৰু অসমীয়া মাধ্যমৰ স্কুলৰ বিষযে মতামত ব্যক্ত কৰা হৈছে। বিশ্ববিদ্যালয পৰ্যায়ত শিক্ষাৰ মাধ্যম হিচাপে অসমীয়া ভাষাৰ প্ৰচলন আৰু তাৰ বাবে অসমীয়া ভাষাত পাঠ্যপুথি প্ৰস্তুত কৰাৰ আঁচনিৰ লগত অতি ঘনিষ্ঠভাৱে জড়িত থকাৰ কাৰণে এই সম্পৰ্কীয় মতামতৰ লগত মোৰ ব্যক্তিগত পৰিচয় কম নহয়। ইয়াৰ ভিতৰত বহু মতামতৰ প্ৰতি (আমাৰ ভাষা আৰু মানুহৰ মংগলৰ স্বাৰ্থত) শ্ৰদ্ধা ৰাখিও এটা কথা আমি উপলব্ধি কৰা উচিত আমাক ভাল ইংৰাজী ক'ব পৰা আৰু লিখিব পৰা যথেষ্ট সংখ্যক মানুহ লাগে। ৰাজনীতিৰ বাবেই হওক সাহিত্যৰ বাবেই হওক সংস্কৃতিৰ বাবেই হওক, সকলো গোটৰ বাবেই এনে লোক অপৰিহাৰ্য। উদ্দেশ্যহীনভাৱে অনিচ্ছুক বা অসমৰ্থজনৰ ওপৰত ইংৰাজীৰ বোজা জাপি দিয়াৰ কথা হোৱা নাই, কিন্তু নিৰ্দিষ্ট উদ্দেশ্যেৰে এচাম ছাত্ৰ-ছাত্ৰী, যুবক-যুৱতীক ভাল ইংৰাজী লিখা আৰু ভাল ইংৰাজী ভালকৈ কোৱাৰ প্ৰশিক্ষণত ব্ৰতী কৰাব লাগে। অন্ততঃ সমগ্ৰ জাতিটোৰ দোভাষী আৰু অনুবাদক হিচাপে কাম কৰিবলৈকে এওঁলোকৰ অত্যন্ত প্ৰয়োজন। ক্ৰুশ্চভে অকল ৰুছ ভাষা কৈয়েই ভাৰত-ভ্ৰমণ কৰি গ'ল দিল্লীৰ অমুক মন্ত্ৰীয়ে ইংৰাজীৰ নামত মুখেই মেলিব নোৱাৰে— এইবোৰ যুক্তি এই

ক্ষেত্ৰত অবান্তৰ। যি ওপৰৰপৰা ইয়েছ-ন বুলিলেই বহুত কথা কোৱা হৈ যায় তেওঁলোকৰ কাৰণে ভাষাৰ প্ৰশ্নটো অবান্তৰ। যি তলৰ পৰা অহৰহ সংগ্ৰাম কৰি ওপৰলৈ যোৱা বাট কাটি উলিয়াব লাগে তেওঁলোকৰ কাৰণে ই বৰ প্ৰয়োজনীয় অস্ত্ৰ।

১১/৫/৮২

শেঃ পৃঃ ৩

# আমাৰ গাঁও

ছেকোশ্ল'ভাকিয়াৰ ৰাজধানী প্ৰাগ (প্ৰাহা) নগৰৰ পৰা প্ৰায় দুশ কিল'মিটাৰ দূৰৰ চহৰ কাৰলভি-ভেৰি। সৰু-সৰু পৰ্বত, টিলা, সমভূমি, জান-জুৰিয়ে চহৰখনৰ উপবিভাগক চিত্ৰ-বিচিত্ৰ কৰি ৰাখিছে। পৰ্বতৰ গাত ঠাক ঠাককৈ সজোৱা পুৰণি ইউৰোপীয় আৰ্হিৰ ঘৰবোৰ, পৰিষ্কাৰ পৰিচ্ছন্ন ঠেক ৰাস্তাবোৰ, বিভিন্ন ধৰণৰ গছ-গছনিবোৰ, ৰঙীন সাজ-পাৰেৰে মানুহবোৰ, শীতল জলবায়ু— সকলোৱে মিলি কাৰলভি-ভেৰিক — পৰ্যটকৰ বাবে আকৰ্ষণীয় ঠাই বুলিলে প্ৰকৃততে যি বুজায়,— তেনেকুৱা কৰি ৰাখিছে। তাৰ বাহিৰেও গ্ৰীষ্মকালত সমগ্ৰ পৃথিৱীৰ হাজাৰ হাজাৰ লোক এই চহৰলৈ ফুৰিবলৈ আহে।

জলবায়ু আৰু প্ৰাকৃতিক সৌন্দৰ্যৰ বাহিৰেও কাৰলভি-ভেৰিৰ এটা প্ৰধান আকৰ্ষণ হ'ল ইয়াত থকা গৰমপানীৰ উহবোৰ। দ্বাদশ শতিকাতেই ৰজা-প্ৰজাই এই উহবোৰৰ পানীৰ ৰোগ নিৰাময়ৰ গুণ ধৰা পেলায। বিভিন্ন ধৰণৰ পেটৰ অসুখ, গাৰ আৰু গাঁঠিৰ বিষ আদি ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত উহবোৰৰ পানীৰ গুৰুত্ব নিৰ্ণয় কৰা হয়। যোৱা এহাজাৰ বছৰৰ ভিতৰত কাৰলভি-ভেৰিৰ উহৰ গৰমপানীৰ শক্তি সম্পৰ্কে অজস্ৰ অবিশ্বাস্য কাহিনীৰো সৃষ্টি হৈছে , তাৰ কিছুমান বৰ্তমান ভাৰতৰ নৰ-ঈশ্বৰসকলৰ লগত জড়িত কাহিনীৰ নিচিনাই বিস্ময়কৰ, কিন্তু বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষাত উত্তীৰ্ণ হৈ বৰ্তমান কাৰলভি-ভেৰিৰ উহৰ গৰম পানীৰ গুণ সুপ্ৰতিষ্ঠিত।

যেতিয়াই এই গুণ স্বীকৃত হ'ল, তেতিয়াই পানীৰ উহবোৰ এটা ৰাষ্ট্ৰীয় সম্পত্তিত পৰিণত হ'ল, আৰু সেই সম্পত্তিৰ প্ৰতি থকা দায়িত্ব সম্পৰ্কে ৰজা-প্ৰজা সকলো সচেতন হ'ল। ফলস্বৰূপে

যিটো অঞ্চলত পানীৰ উহবোৰ আছে, তাতেই সজা হ'ল চহৰখনৰ, বোধকৰো ছেকোশ্ল'ভাকিয়াৰ ভিতৰতে এখন অতি বৃহৎ আৰু আধুনিক ধৰণৰ হোটেল— থাৰ্মছ। অঞ্চলটোৰ বাটেদি গৈ থাকিলে কোনো এঠাইত হঠাতে এটা পানী ওলাই থকা টেপ পোৱা যায়। টেপটোৰ কাষতে এখন সৰু দোকানত এটা অকণমান মগ কিনিবলৈ পোৱা যায়। সামান্য দামত পৰ্যটকে মগটো কিনে আৰু তাৰে ওচৰৰ টেপটোৰ পৰা ধৰি পানী খায়। মগটো দেখিবলৈ এনেকুৱাকৈ সজোৱা হৈছে যে প্ৰায়বোৰ পৰ্যটকে সেইটো স্মৃতিচিহ্ন হিচাপে লগত লৈ যায়।

কিছুদূৰ আগুৱাই যোৱাৰ পাছত ভালেমান উহ একেলগে থকা ঠাইডোখৰ

পোৰা যায়। সেই সকলো উহৰ ওপৰেদি ছালি দি, এটা প্ৰকাণ্ড ঘৰ সজা হৈছে। উহবোৰ একোটা সুদৃশ্য ফোৱাৰালৈ ৰূপান্তৰিত কৰা হৈছে। শ শ মানুহ ফোৱাৰাবোৰৰ চাৰিওকাষে ঘূৰি ফুৰিব পাৰে, ভাগৰ লাগিলে কাষৰ আৰামদায়ক চকীবোৰত বহিব পাৰে। ফোৰাৰাবোৰত নম্বৰ দিয়া আছে। এমূৰত এটা সৰু কোঠালিত (বুথৰ নিচিনা) এজন চিকিৎসক বহি থাকে। মানুহবোৰে তেওঁক অসুখৰ বৰ্ণনা দিয়ে। অসুখ অনুসৰি তেওঁ একো-একোজনক একো-একোটা নম্বৰ কয়, আৰু মানুহজনে মগ এটা কিনি সেই নম্বৰৰ ফোৱাৰাৰ পৰা পানী ধৰি খায়।

থাৰ্মছ হোটেলৰপৰা আৰম্ভ কৰি গৰম পানীৰ উহ থকা গোটেই অঞ্চলটোৰ বাট-পথবোৰ বিভিন্ন ধৰণৰ গোলাপ ফুলৰ গছেৰে ভৰা। ইমান ডাঙৰ-ডাঙৰ আৰু ইমান বেলেগ-বেলেগ ৰঙৰ গোলাপ ফুল ইমান বাজহুৱা পৰিমাণত মই অন্ততঃ ক'তো দেখা নাই। গোলাপ ফুলৰ মাজে-মাজে দুজন-তিনিজন বহিব পৰা বেঞ্চ। ৰাস্তাৰ কাষত ছেকোশ্ল'ভাকিয়াৰ বৈশিষ্ট্যপূৰ্ণ বস্তুৰ দোকান আৰু খোৱাৰ ঠাই। অতি গুৰুত্বৰে মন কৰিবলগীয়া কথা, সেই গোটেই অঞ্চলটোত যান-বাহনৰ চলাচল সম্পূৰ্ণভাৱে নিষেধ। নিশ্চিন্ত মনে, স্বচ্ছন্দে মানুহে ফুলৰ মাজে-মাজে খোজ কাঢ়ে।

এই কথাখিনি মনলৈ আহিল যোৱা সংখ্যা প্ৰান্তিকত শ্ৰী পূৰ্ণ বৰাই গোলাঘাটৰ গৰমপানীৰ উহ সম্পৰ্কে লিখা প্ৰবন্ধটো পঢ়োঁতে। ভাৰতবৰ্ষই এই দিশত কিমান কি কৰিব পাৰে তাৰ আভাস এটা এই সংখ্যাতে বিভা গোস্বামীয়ে দিয়া এছিয়ান গেমছৰ গাঁওখনৰ বৰ্ণনাটোত পাই আৰু উৎসাহিত হৈছোঁ।

আৰু এটা কথা মনত পৰিছে। কাৰলভি-ভেৰিৰ সেই অঞ্চলটোৰ মাজেদি এটা জুৰি অকাই-পকাই বৈ গৈছে। এঠাইত দলং এখনৰ ওপৰেদি পাৰ হ'লে দেখি,— জুৰিটোৰ তলিৰ বালিবোৰ বগা, চিকমিকাই থাকে। সৰু-সৰু মাছে পানীত খেলি ফুৰে। আৰু মানুহবোৰে,— কিয় জানো,— সেইখিনিতে জুৰিৰ পানীত সৰু-সৰু পইচা (মুদ্ৰা) পেলায়। বালিৰ ওপৰত অসংখ্য পইচা।

চাৰিওফালে চালে যেতিয়া সুখ আৰু শান্তিৰে মনটো ভৰি যোৱাকৈ কোনোবাই কাম কৰিছে বুলি ধাৰণা হয়, তেতিয়া কেইটামান পইচা পানীত পৰি থাকিলেও দেখি বেয়া নালাগে।

১। ৬। ৮২

# ভূমিকা

প্ৰায় ওঠৰ বছৰৰ আগৰ কথা। ভাৰত চৰকাৰে বিশ্ববিদ্যালয়সমূহৰ কিছুসংখ্যক শিক্ষক গোটাই নাট্যাভিনয়ৰ প্ৰশিক্ষণ শিবিৰ এটাৰ আয়োজন কৰিছিল। শিবিৰটো পতা হৈছিল মধ্যপ্ৰদেশৰ পাচমাৰি নামে ঠাই এখনত। শিবিৰৰ পৰিচালক হ'ল দিল্লীৰ নাট প্ৰযোজক-পৰিচালক হবিব তনবীৰ, তেখেতৰ পত্নী মণিকা তনবীৰ আছিল আলোক-সম্পাতৰ দায়িত্বত, অভিনয়ৰ মুখ্য সহকাৰী আৰু মুখ্য অভিনেত্ৰী হিচাপে কাম কৰিছিল সুষমা মেহৰাই (বৰ্তমানৰ সুষমা শেঠে)।

পুৱা চাৰে চাৰি বজাত এটা ঘণ্টা বাজে, সকলো প্ৰশিক্ষাৰ্থী বগা কাপোৰৰ জোতা পিন্ধি ভৱনটোৰ সমুখৰ মুকলি ঠাইত ব্যায়ামৰ বাবে গোট খাব লাগে। এঘণ্টা ধৰি ককাল, আঠু, বাহু ইত্যাদিৰ জোৰা লবি যোৱা ব্যায়াম কৰিব লাগে, টেটু ফালি একৰ পৰা এশলৈকে সংখ্যাবোৰ চিঞৰিব লাগে। তাৰ পাছত তাতে এটা ইমপ্ৰ'ভাইজেছনৰ প্ৰশিক্ষণ আৰু পৰীক্ষা চলে। ধৰি লওক এইখিনিতে এটা মটৰৰ টায়াৰ পৰি আছে। সেইটো থিয় কৰি, চলাই-চলাই সৌখিনিলৈ লৈ যাব লাগে। টায়াৰটো নাই, কিন্তু কামটো কৰোতে এনেকুৱা দেখা যাব লাগিব যেন টায়াৰটো আছে, আমি দেখাহে নাই। গাঁওখনত খোৱা পানীৰ ভীষণ অভাৱ, বাটৰ কাষত এজাক মানুহে পিয়াহত হাহাকাৰ কৰি বহি আছে। মানুহবোৰ আপোনাৰ ঘোৰ শত্ৰু। আপুনি এভাৰ পানী লৈ সেই ফালেদি গৈছে। সেইখিনিতে বৈ, আপুনি মানুহবোৰৰ প্ৰতি কেনে ব্যৱহাৰ কৰিব দেখুৱাব লাগে।

পুৱা আঠ বজাৰ পৰা নাটক পঢ়া, বুজা, প্ৰতিটো শব্দ, প্ৰতিটো বাক্য, দাড়ি, কমা, দেছৰ গুৰুত্ব বিশ্লেষণ কৰাৰ কাম। শিবিৰত অভিনয়ৰ বাবে বাছি লোৱা মূল নাটকখন আছিল বাৰ্ট'ল্ট ব্ৰেখটৰ 'দি গুড ৱ'মেন অব ছেটজুৱান'। অভিনয় হ'ব ইংৰাজী ভাষাত। প্ৰত্যেক প্ৰশিক্ষাৰ্থীৰ হাতত একো কপিকৈ ছাইক্ল'ষ্টাইল কৰা নাটক। এটা-এটা চৰিত্ৰ এজন-এজনে পঢ়ি যায়, তাৰ লগে-লগে পৰিচালকে প্ৰশিক্ষাৰ্থীসকলৰ প্ৰতিভাও বিচাৰ কৰে। এই কাম চলে দুপৰীয়া চাৰে বাৰ, এক বজালৈ। আঢ়ৈ বজাৰ পৰা আৰম্ভ হয় থিয়বিৰ ক্লাছ। দিল্লীৰ পৰাও অতিথি-বক্তা আহে, পোহৰ, শব্দ, দৃশ্যসজ্জা, অংগসজ্জা, নাট্যাভিনয়ৰ ইতিহাস আদিৰ বিষয়ে বক্তৃতা-আলোচনা চলে। গধূলি চাৰে ছয় বজাৰ পৰা আকৌ নাটক পঢ়া।

সাতদিনমানৰ পাছত পৰিচালকে চেহেৰা, গা-গাবি, পুৱাৰ ব্যায়ামৰ পৰা বাতিৰ

এৰা-এৰি হোৱালৈকে এই গোটেই সময়ছোৱাত ধৰা পৰা গুণ আদি বিবেচনা কৰি মূল নাটকখনৰ ভাও ভগাই দিলে আৰু আখৰা আৰম্ভ কৰিলে। তাৰ বাহিৰেও প্ৰশিক্ষাৰ্থীসকলক চাৰি ভাগত ভগাই, প্ৰতি ভাগতে এজনক (ইতিমধ্যে ধৰা পৰা প্ৰতিভাৰ ভিত্তিত) পৰিচালক পাতি চাৰিখন একাংক নাটক মঞ্চস্থ কৰাৰ দায়িত্ব দিয়া হ'ল।

তাৰ পাছৰ দিনবোৰত শিক্ষকসকলৰ অৱস্থা লক্ষ্য কৰিবলগীয়া ধৰণৰ হ'ল। চাৰে চাৰি বজাততো ঘন্টা বাজেই, কিন্তু সিফালে ৰাতি এৰা-এৰি হোৱাৰ সময়-সীমা অদৃশ্য হৈ গ'ল। মূল নাটক আৰু গ্ৰুপৰ নাটকৰ আখৰাৰ জোৰ যিমানেই বেছি হ'ল, টেকনিকেল দিশৰ প্ৰশিক্ষণৰ জোৰো সিমানে বাঢ়িল। মানুহবোৰৰ চাহ-ভাত খোৱাৰ সময়ো কোচ খাই আহিল। তেওলোকৰ ৰাতি বিছনাত পৰোঁতে ৰাতি ডেৰ-দুই বজা হ'ল। ৰাতি বাৰ বজাত একোকাপ কফিৰ ব্যৱস্থা হ'ল। প্ৰশিক্ষাৰ্থীসকলে প্ৰায়েই উচপিচাই থাকে, কিন্তু সন্মুখত পাইপটো মুখত লৈ নিৰ্বিকাৰ হৈ বহি থাকে স্বয়ং তনবীৰ। দিনে দিনে তেখেত কঠোৰ, কক্ষ, নিৰ্মম হৈ আহিছে। তেখেতৰ ভাবি ধমকি গালি শপনিযে একো একোজন শিক্ষক শিক্ষয়িত্ৰীক হ'প্ড-অল বাঙো বাঙো অৱস্থাত পেলাইছে।

এদিন ৰাতি আখৰা শেষ হওতে আঢ়ৈ বাজিল। তনবীৰ নিজৰ কোঠালৈ গ'ল, কিন্তু প্ৰশিক্ষাৰ্থীসকল ভৱনটোৰ বাহিৰলৈ আহি চিৰিবিলাকত বহিল। এখন মিটিঙেই হ'ল। আমি কি এলাপেচা মানুহ নে কি ? তেখেতে যেনেকৈ মন যায় আমাক তেনেকৈ খটুৱাব নে কি ? মুখত যি আহে তাকে ক'ব নেকি ? তিনি বজাত ঠিক হ'ল, পুৱা আমাৰ তিনিজনে তনবীৰৰ ওচৰত আপত্তি দাখিল কৰিব। তেখেতে যেন মনত ৰাখে এই প্ৰশিক্ষাৰ্থীবোৰ বিশ্ববিদ্যালয়ৰ অধ্যাপক (!)।

আচৰিত কথা, পুৱা চাহ খোৱাৰ পাছতে ঠিক সেই তিনিজন প্ৰশিক্ষাৰ্থীকে তনবীৰে তেখেতৰ কোঠালৈ মতাই নিলে। পাইপডাল মুখৰ পৰা আতৰাই তেখেতে গম্ভীৰ সুৰেৰে ক'লে, "যেতিয়া আপোনালোক ইউনিভাৰ্ছিটিলৈ উভতি যাবগৈ, তেতিয়া তাত আপোনালোক প্ৰফেছাৰ হৈ যাব। মই তালৈ নাযাও। ইয়াত মই নাটকৰ পৰিচালক, মই আপোনালোকক শিকাম। আপোনালোক ক'ৰ পৰা আহিছে, তাত আপোনালোক কি আছিল,সেইবোৰৰ মোৰ কোনো প্ৰয়োজন নাই। আপোনালোকেও সেইবোৰ পাহৰি থাকক।"

২৫। ৭। ৮২

# দাপোণ

এবাৰ এখন সৰ্বভাৰতীয় ইংৰাজী কাকতৰ সহকাৰী সম্পাদক এজনৰ লগত তেওঁৰ কাৰ্যালয়তে বহি কথা পাতিছিলো। মানুহজনে কথা পাতি আছিল যদিও লগে-লগে কামো কৰি আছিল। মেজখনত তেওঁৰ বাঁওফালে এদ'ম চিঠি। অলপ পাছতে মই ধৰিব পাৰিলো, তেওঁ 'সম্পাদকলৈ চিঠি' শিতানটোৰ বাবে প্ৰকাশযোগ্য চিঠি বাছিছে। তেওঁ এখন চিঠি হাতলৈ লয়, পাঁচ ছেকেণ্ডমান সময় চিঠিখনৰ আখৰৰ ওপৰত দৃষ্টি ৰাখে। তাৰ পাছত চিঠিখন তললৈ এৰি দিয়ে। তলত 'বেষ্টৰ পেপাৰ বাস্কেট'ও নাই, মেজ আৰু বেৰৰ মাজত তেওঁ এৰি দিয়া চিঠিবোৰ সিঁচৰতি হৈ পৰি গৈছে। বুজিলো, মজিয়া চাফা কৰা মানুহে এসময়ত সেইবোৰ আঁতৰাই নিব। এই কাম কৰি থাকোঁতে মানুহজনে মোৰ কথাবোৰ শুনিছিল, দুই-এবাৰ অলপ পলম কৰিলেও উত্তৰ দিছিল আৰু প্ৰশ্নও সুধিছিল। মই থকা সময়খিনিৰ ভিতৰত তেও চল্লিছখনমান চিঠি তললৈ পেলাইছিল আৰু তিনিখন চিঠি মেজৰ ওপৰত থৈছিল। সেই কেইখনো তেওঁ নিশ্চয় দ্বিতীয়বাৰ পঢ়িবলৈহে থৈছিল, কাৰণ পাচ চেকেণ্ডত একোখন চিঠি ভালকৈ পঢ়াটো তেওঁৰ কাৰণে সম্ভৱপৰ নাছিল।

প্ৰান্তিকলৈ অহা এখন চিঠি পঢ়োঁতে সেইদিনাৰ সেই দৃশ্যটো মনলৈ আহিল। আমাৰ পত্ৰলেখকজনে তেওঁৰ মূল বক্তব্য শেষ কৰাৰ পাছত লিখিছে— 'মোৰ মনত উদয় হোৱা ভাব চিঠিৰ আকাৰে পঠাওঁ, প্ৰকাশ হলে হ'ব, নহ'লে নহ'ব। প্ৰকাশ নহ'লেও (চিঠিখন) সম্পাদনাৰ দায়িত্বত থকা এজনেতো অন্তত পঢ়িব।'

পত্ৰলেখকজনে চিঠিৰ শেষত টোকা হিচাপে লিখা দুয়োটা কথাই তেওঁৰ মূল চিঠিখনৰ বিষয়বস্তুতকৈও বেছি গুৰুত্বপূৰ্ণ। কোনো এখন আলোচনীৰ সম্পাদকীয় মহলৰ ওপৰত আস্থা ৰাখি পত্ৰলেখকসকলে 'প্ৰকাশ হ'লে হ'ব, নহ'লে নহ'ব' বুলি চিঠি লিখিবলৈ ললে এটা শক্তিশালী সম্পৰ্ক আৰু বাতাবৰণৰ সৃষ্টি হয়। আনহাতে, পত্ৰলেখকৰ মনত এই আস্থাৰ সৃষ্টি কৰে সম্পাদকীয় মহলে ইতিমধ্যে আলোচনীৰ পাতত ছপা আখৰেৰে প্ৰকাশ কৰা দৃষ্টিভংগীৰ নমুনাই। গতিকে এই নমুনাৰ বিশ্লেষণ কৰাটো পত্ৰলেখকৰ বাবে প্ৰয়োজনীয়।

প্ৰকাশ কৰিব পৰা হওক নহওক, বিভিন্ন দিশৰ, বিভিন্ন জনৰ প্ৰতিখন চিঠিয়ে এখন আলোচনীয়ে নিজক আৰু দেশক চাবলৈ সমুখত ৰখা দাপোণ বা পৰ্দাত একোটা সংকেত-বিন্দুৰ নিচিনাকৈ কাম কৰে। বাতাৰ যন্ত্ৰৰ পৰ্দাত উদ্ভাসিত প্ৰতিটো সংকেত

বৈশিষ্ট্যপূৰ্ণ, গুৰুত্বপূৰ্ণ নহ'ব পাৰে, কিন্তু পৰ্দাত অনবৰত চকু ৰখাটো দায়িত্বত থকা কৰ্মীজনৰ কৰ্তব্য। এনে সচেতনতাইহে সামগ্ৰিক পৰিবেশ অধ্যয়ন কৰাটো সম্ভৱপৰ কৰে। আমাৰ পত্ৰলেখকগৰাকীয়ে চিঠিখন সম্পাদনাৰ দায়িত্বত থকা এজনেতো অন্ততঃ পঢ়িব বুলি যে আশা কৰিছে, তেওঁ নিশ্চয় এনে সচেতনতাকে আশা কৰিছে। আনহাতে তেওঁৰ সচেতনতাও লক্ষ্যণীয়।

চিঠি প্ৰকাশ নোহোৱাৰ কাৰণ বহুত থাকে , সেইটো বেলেগ কথা। কিন্তু প্ৰকাশ নোহোৱা চিঠিৰ প্ৰতিক্ৰিয়াও কেতিয়াবা লেখক-পাঠকৰ অলক্ষিতে ঘটি থাকে , কেতিয়াবা তেনে চিঠিয়ে অপ্ৰত্যাশিত অভিজ্ঞতা বহন কৰি আনে। এটা সাধাৰণ উদাহৰণ দিওঁ। এটা সময়ত বলিয়া কুকুৰে বাটে পথে মানুহ কামোৰাৰ ঘটনা বেছি হৈছিল। তথ্য-পাতি যোগাৰ কৰি যি দেখা গ'ল, এই সম্পৰ্কে ৰাইজক সজাগ কৰি দিয়াৰ বাবে এটা সৰু প্ৰবন্ধ প্ৰকাশ কৰাৰ যুক্তিযুক্ততা আছে। গতিকে, এখন ছবিকে ধৰি মাত্ৰ এটা পৃষ্ঠাত এটা প্ৰবন্ধ প্ৰকাশ কৰা হ'ল। প্ৰবন্ধটোৰ নাম হ'ল,— বলিয়া কুকুৰৰ পৰা সাৱধান। আমি ভাবিছিলোঁ, সাধাৰণভাৱে প্ৰসংগটো পাঠকৰ আগত উত্থাপন কৰা হ'ল, মোটামুটি এটা ভাল কামেই হৈছে। তাৰ পাছত আমি সংশ্লিষ্ট মহলৰ ব্যক্তিৰ পৰা শুধৰণিও পাইছো, বলিয়া কুকুৰ সম্পৰ্কে লিখা দুটামান প্ৰবন্ধও পাইছোঁ। ভাল কথা। কিন্তু তাৰ মাজতে এখন চিঠি পালোঁ ,— পত্ৰ লেখকৰ বক্তব্য অতি কম— আমি বলিয়া কুকুৰৰ পৰা সাৱধান হ'লেই হ'ব, বিদেশীৰ পৰা সাৱধান হোৱাৰ কোনো দৰকাৰ নাই! উল্লেখযোগ্য, সেই সংখ্যাটোত 'বেদখলকাৰীৰ পৰা অসমৰ বনাঞ্চল মুক্ত হ'বনে ?' শীৰ্ষক এটা প্ৰবন্ধৰ সৈতে মুঠতে চৈধ্যটা পৃষ্ঠাত প্ৰকাৰান্তৰে বিদেশীৰ অৱস্থাটোও আলোচনা কৰা হৈছিল।

আজি ইমান দিনেও সেই চুটি চিঠিখনৰ কথাটো মনৰ পৰা নাতৰাৰ কাৰণটো হ'ল, সেইখন কেৱল এখন চিঠি নহয়, সি এটা অভিজ্ঞতা। পাচ চেকেণ্ডত এখনকৈ চিঠি মেজৰ তলত পেলোৱাৰ অভিজ্ঞতাতকৈ এনে অভিজ্ঞতাৰ প্ৰতি আমাৰ আগ্ৰহ বেছি। আমাৰ প্ৰথমোক্ত পত্ৰলেখকৰ প্ৰতি সদ্যহতে এয়াই আমাৰ আশ্বাস।

১১। ৮। ৮২

# বন্ধুসকল

বিশেষ কাৰণ নাথাকিলে মানুহৰ ব্যক্তিগত অভ্যাসৰ কথা ৰাজহুৱাভাৱে আলোচনা কৰা নহয়। সমাজৰ জটিলতা বাঢ়ি অহাৰ লগে-লগে মানুহে নিজৰ চিন্তা বেছিকৈ কৰিবলৈ লোৱাৰ লগে-লগে প্ৰয়োজনীয় ক্ষেত্ৰতো মানুহে লোকৰ ব্যক্তিগত অভ্যাসৰ কথা কামত লগা ধৰণে পাতিবলৈ এৰিছে। প্ৰাপ্তবয়স্ক ভায়েক-দেওৰেকৰ কিবা এটা বেয়া অভ্যাস দেখিলে ককায়েক-নবৌয়েকে নিজৰ কোঠালিৰ ভিতৰতে আলোচনা তৰ্জন-গৰ্জন কৰি থাকে কিন্তু শেষত— 'যি কৰে কৰি থাকক, আমি কৈ মিছাতে বেয়া হও কিয়? জঞ্জালত সোমাও কিয?' —— বুলি বাহিৰত মনে-মনে থাকে—— এনেকুৱা ঘটনাৰ সংখ্যা বাঢ়ি আহিছে। শেষত সেই কোঠালিৰ বাহিৰেও বহু কোঠালিত সেই ডেকাজনৰ বিষয়ে আলোচনা হয়, বাটে-ঘাটে বিয়াই-সবাহে, আড্ডা-মেলত তেওঁৰ অভ্যাসৰ আলোচনা চলিবলৈ ধৰে আৰু ডেকাজন অবাধ গতিৰে নিজৰ অভ্যাসৰ আৰু গভীৰ অঞ্চললৈ গৈ থাকে। শেষত এদিন এনেকুৱা ভাব হয় সময় থাকোঁতেই অন্তত তেওৰ শুভাকাংক্ষীসকলে ডেকাজনে শুনাকৈ আলোচনা কৰাই ভাল আছিল নে কি।

যোৱা কিছু বছৰৰ ভিতৰত অসমত কেইজনমান গুণী লোকৰ অভাৱনীয়-ভাৱে,অপ্ৰত্যাশিতভাৱে শোকাবহভাৱে মৃত্যু হৈছে। কিন্তু উল্লেখযোগ্য কথা হৈছে, মৰিশালিত শেষকৃত্য সমাপন হোৱাৰ আগৰে পৰা আজিলৈকে বিভিন্ন ভিতৰুৱা মেল-আলোচনাত মৃত ব্যক্তিগৰাকীৰ কথা ওলালে এটা কথাই দুখ বেদনা খং বিৰক্তিৰে কোৱা হৈছে,— মদেই মানুহটোক শেষ কৰি দিলে। মৃত ব্যক্তিগৰাকীৰ মৰণোত্তৰ বাতৰিৰ লগতে এই কথাষাৰ ছপা আখৰত প্ৰকাশ হোৱা হলে ৰাজ্যখনৰ যিমান মানুহে পঢ়িলেহেঁতেন তাতোকৈ বেছি মানুহে আজি কথাটো জানে। আনকি অতিৰঞ্জিত ৰূপত সত্যাসত্যৰ বিচাৰ নোহোৱা ৰূপত জানে। অজস্ৰ আলোচনাৰ ধৰণ-কৰণ দেখি সেইটোৱেই অনুমান হয়।

অলপতে কেইজনমান লোকৰ তেনে এটা আলোচনাত এজনে 'মদে শেষ কৰা সাতজন গুণী লোকৰ তালিকা এখন দিলে। লগতে তেখেতে এটা ভয়ংকৰ কাম কৰিলে সেই লাইনত থকা আৰু পাঁচজনৰ তালিকা এখন দি তেখেতে

কলে — 'চাই থাকিবা এওলোকৰো একে গতি হয়নে নহয়।"

ভিতৰুৱা মেলৰ কথা হ'লেও এইবাৰ গা শিয়ঁৰি উঠা কথা, দুখ লগা কথা। কাৰণ তালিকাখনৰ পাঁচোজন লোকেই গুণী লোক আমি হেৰুৱাবলৈ নিবিচৰা লোক।

সুৰা সম্পৰ্কে বহুতৰ নিজস্ব দৃষ্টিভংগী আছে। আমাৰ দেশৰ সুৰা-নিবাৰণী অভিযানৰ প্ৰচাৰ-পত্ৰিকাৰ লগত আমাৰ সকলোৰে কথা আখৰে-আখৰে নিমিলিব। পৃথিৱীৰ বহুত দেশত সুৰা পাৰিবাৰিক খাদ্যৰ লগৰ বস্তু, এইখন দেশত চৰকাৰৰ সৈন্য বিভাগতে সুৰাৰ পয়োভৰ বেছি, বাগানৰ বনুৱা হৰিজনসকলৰ অৱস্থা সুৰাই কি কৰিছে, — ইত্যাদি কথাৰ বিস্তৃত আলোচনাৰ প্ৰসংগটো সুকীয়া। কিন্তু ইয়াত সুনিৰ্দিষ্টভাৱে উত্থাপিত প্ৰসংগটো হ'ল — সুৰাই আমাৰ কেইগৰাকীমান গুণী লোকৰ মৃত্যু ঘটাইছে বুলি বহুলভাৱে প্ৰচলিত চৰ্চা আৰু ভৱিষ্যতেও তেনে শোকাবহ ঘটনা ঘটিব বুলি কৰা আশংকা।

যিহেতুকে ৰাজ্যখনৰ মানুহে এইসকল গুণী ব্যক্তিৰ সুদীৰ্ঘ সক্ৰিয় জীৱনৰ পৰা উল্লেখযোগ্য বৰঙণি আশা কৰে সেই কাৰণে ভালেমান নিস্বাৰ্থ লোকে তেখেতসকলৰ ব্যক্তিগত অভ্যাস সম্পৰ্কে বিপদজনক কথা শুনিলে চিন্তা কৰে (দুৰ্ভাগ্যবশত এনে ধৰণে চিন্তা কৰা লোকৰ সংখ্যা বৰ কম বেছিভাগ লোকেই মৰে মৰক আমাৰ কি? — জাতীয় চিন্তাৰে পৰিপুষ্ট।) কিন্তু এই গুণী লোকসকলেতো বহু কথা আমাৰ বহুততকৈ বেছিকৈহে জানে আৰু বুজে। গতিকে তেওলোকক উপদেশ দিয়ে কোনে? বা উপদেশ দিয়াৰ প্ৰয়োজন আছেনে? বা আটাইতকৈ গুৰুত্বপূৰ্ণ কথা যদি সুৰাই তেওলোকক গ্ৰাস কৰাটো সঁচা তেনেহ'লে উপদেশ দি লাভ আছেনে?

এই কথাটোলৈ আহিলে আমাৰ গুণী ব্যক্তিসকলৰ চিকিৎসকসকলৰ বাহিৰেও আন এক শ্ৰেণী মানুহৰ কথা মনলৈ আহে। তেখেতসকল হ'ল গুণী ব্যক্তিসকলৰ ঘনিষ্ঠ বন্ধুসকল। আমাৰ বোধেৰে এজন লোকৰ সুৰাপানৰ ক্ষেত্ৰত তেখেতৰ ঘনিষ্ঠ বন্ধুসকল অতি শক্তিশালী লোক ভালৰ কাৰণেও বেয়াৰ কাৰণেও। তেখেতসকল সংশ্লিষ্ট ব্যক্তিগৰাকীৰ পিতৃ-মাতৃ চিকিৎসকতকৈও শক্তিশালী লোক। তেখেতসকলৰ প্ৰকৃত বন্ধুত্বই আমাক সম্ভাব্য ৰাজহুৱা ক্ষতিৰপৰা বচাব পাৰে।

এগৰাকী ব্যক্তি যেতিয়া তেখেতৰ গুণৰ বাবে ৰাইজৰ মানুহ হৈ পৰে তেতিয়া তেখেতৰ ব্যক্তিগত অভ্যাসৰ প্ৰতিও ৰাইজৰ দৃষ্টি আকৰ্ষিত হোৱাটো স্বাভাৱিক। কিন্তু তেখেতৰ সুহৃদসকল সক্ৰিয় হৈ পৰাটো বৰ প্ৰয়োজনীয়।

২৬।৮।৮২

# জ্যোতি-চিত্ৰবনক কাম লাগে

ভাৰতীয় চলচ্চিত্ৰৰ প্ৰকৃত সৌন্দৰ্যৰ প্ৰতি উল্লেখযোগ্য অৰিহণা আহিবলৈ আৰম্ভ কৰে আঞ্চলিক ভাষাৰ চিত্ৰ-নিৰ্মাতাসকলৰ পৰা। এই কথাটো উপলব্ধি কৰি, আৰু লগে'তে আঞ্চলিক ভাষাৰ চলচ্চিত্ৰ উদ্যোগৰ বিকাশ আৰু উন্নয়নৰ প্ৰয়োজনীতা উপলব্ধি কৰি বিভিন্ন ৰাজ্যৰ চৰকাৰে নিজ নিজ অঞ্চলৰ ভাষাত অধিক সংখ্যক ভাল ছবি নিৰ্মাণৰ বাবে বিভিন্ন উৎসাহমূলক ব্যৱস্থা গ্ৰহণ কৰিছে। পশ্চিম বংগ চৰকাৰে কেইগৰাকীমান কতী চিত্ৰ পৰিচালকৰ হতুৱাই, নিৰ্মাণৰ সম্পূৰ্ণ খৰচ বহন কৰি ভালেমান ছবি তৈয়াৰ কৰাইছে। এই ছবিবোৰৰ প্ৰায় প্ৰতিখনেই ভাল ছবি বুলি পৰিগণিত হৈছে আৰু কেইবাখনো ছবিয়ে চৰকাৰলৈ (প্ৰযোজক কাৰণে) সন্মান আৰু নগদ ধনৰ পুৰস্কাৰ আনিছে।

অসমত চৰকাৰে অসমীয়া চলচ্চিত্ৰক উদগনি দিয়াৰ ব্যৱস্থা মুখ্যত তিনিটা। প্ৰথম, এখন ছবিয়ে প্ৰথম বছৰটোত প্ৰেক্ষাগৃহৰ জৰিয়তে সংগ্ৰহ কৰা আমোদকৰখিনি নিৰ্মাতাক ওভোতাই দিয়া, দ্বিতীয়, ৰাজ্যিক চলচ্চিত্ৰ বিত্ত আৰু উন্নয়ন নিগমৰ জৰিয়তে উপযুক্ত চিত্ৰৰ নিৰ্মাতাক টকা ধাৰলৈ দিয়া, আৰু তৃতীয়, চৰকাৰৰ জ্যোতি চিত্ৰবন ফিল্ম ষ্টুডিঅ' ব্যৱহাৰ কৰি নিৰ্মাণ-ব্যয় কমোৱা।

চৰকাৰে এবছৰৰ আমোদকৰ ওভোতাই দিয়াৰ ব্যৱস্থাটো নি সন্দেহে নিৰ্মাতাসকলৰ বাবে ডাঙৰ সহায় হৈ আহিছে। অৱশ্যে ব্যৱস্থাটোৰ বিধি বিধানসমূহ সকলো দিশ সামৰি লোৱা বিধৰ হৈ উঠা নাই কাৰণে দিন যোৱাৰ লগে-লগে কিছুমান জটিলতাই দেখা দিছে আৰু ব্যৱস্থাটোৰ ফলাফলৰ কেইটামান দিশ সম্পৰ্কে সন্দেহে দেখা দিছে। এইটো সুকীয়াকৈ আলোচনা কৰিবলগীয়া বিষয়। যি কোনো উপায়েৰে ছবি এখনৰ নিৰ্মাণ কাৰ্য শেষ কৰাৰ পাছতহে আমোদকৰ ওভোতাই পোৱাৰ প্ৰশ্ন উঠে, কিন্তু ছবিখন নিৰ্মাণ কৰি থকা অৱস্থাতে পোনপটীয়াকৈ জড়িত হৈ পৰে বিত্ত আৰু উন্নযন নিগম আৰু ষ্টুডিঅ'টো।

নিগমৰ কৰ্তব্য আৰু উদ্দেশ্যসমূহৰ ভিতৰত ভালেমান উন্নয়নমূলক সজ ব্যৱস্থা আছে যদিও, এতিয়ালৈকে এই নিগমে কেৱল নিৰ্মাতাই বিচাৰিলে আৰু চৰ্তসমূহ পূৰণ কৰিব পাৰিলে শতকৰা পোন্ধৰ টকা হাৰৰ সুদত টকা ধাৰে দি আহিছে। সুদৰ হাৰ আৰু চৰ্তাৱলীৰ কঠিনতাৰ বাবে বা আন কোনো কাৰণত কোনো নিৰ্মাতা যদি নিগমৰ ওচৰলৈ নাযায়, তেনেহ'লে নিগমৰ কৰিবলগীয়া কাম (দিয়া ধন আদায়

কৰাৰ চেষ্টাৰ বাদে) একোৱেই নাথাকে। আনহাতে জ্যোতি চিত্ৰবন ষ্টুডিঅ'ৰ অৱস্থাটো হৈছে প্ৰায় এনেকুৱা   এফালৰ যুক্তি— ষ্টুডিঅ'টোৰ পৰা উপাৰ্জন হোৱা নাই , তাক সকলো দিশৰ পৰা সম্পূৰ্ণ কৰি তুলিলেও কামৰ অভাৱত সি লাভ-ক্ষতি নোহোৱাকৈ চলি থাকিব পাৰিবনে নোৱাৰে সন্দেহ। আনফালৰ যুক্তি— ষ্টুডিঅ'টো পূৰাদমে চলা নাই কাৰণে ইয়াৰ কামৰ মানো (সৰ্বভাৰতীয় মানদণ্ডত) এটা গ্ৰহণযোগ্য পৰ্যায়লৈ উঠা নাই। তদুপৰি এফাল কামৰ কাৰণে বাহিৰলৈ যাব লগেই যেতিয়া এটা ভাল মানৰ কাম পাৰলৈ একেবাৰে বাহিৰলৈ যোৱাই ভাল।

এনে অৱস্থাত অনতিবিলম্বে কৰিবলগীয়া কাম হৈছে ষ্টুডিঅ'টোক সকলো দিশৰ পৰা চিত্ৰ-নিৰ্মাতাৰ বাবে নিৰ্ভৰযোগ্য কৰি তোলা। লেবৰেটৰি আৰু শব্দৰ বিভাগ স্বয়ংসম্পূৰ্ণ কৰি তোলাৰ ব্যৱস্থা হৈছে বুলি জানিছোঁ , এতিয়া চিত্ৰ গ্ৰহণৰ বিভাগটোৰ অভাৱখিনিও পূৰণ কৰিব লাগে। ধৰা হওক, এইদৰে ষ্টুডিঅ'টোক সম্পূৰ্ণ আৰু নিৰ্ভৰযোগ্য কৰি তোলা হ'ল। কিন্তু তাৰ পাছতোতো অসমৰ নিচিনা ঠাইত এটা ষ্টুডিঅ'ক ব্যস্ত কৰি ৰাখিবলৈ, আৰ্থিকভাৱে 'জীয়াই' ৰাখিবলৈ যথেষ্ট কাম নোলাব পাৰে। গতিকে দ্বিতীয় প্ৰধান কামটো হৈছে— ষ্টুডিঅ'টোৰ বাবে প্ৰয়োজনীয় পৰিমাণৰ কামৰ যোগাৰ কৰা। কোনো প্ৰযোজকক জ্যোতি চিত্ৰবন ফিল্ম ষ্টুডিঅ' ছহাইটিয়ে জোৰকৈ ইয়াত ছবি কৰিবই লাগিব বুলি বাধ্য কৰাব নোৱাৰে। (আমোদকৰ ওভোতাই দিয়া আৰু নিগমে ধাৰ দিয়াৰ বিধি-বিধানেৰে অসমীয়া ছবিৰ প্ৰযোজকক জ্যোতি চিত্ৰবন ষ্টুডিঅ'ৰ লগত সাঙোৰাটোও এটা বিবেচ্য বিষয়)। গতিকে ছহাইটিয়ে নিজে চিত্ৰ নিৰ্মাণৰ আঁচনি লব লাগে, যাতে কোনো প্ৰযোজক নাহিলেও ষ্টুডিঅ'টো ব্যস্ত হৈ থাকে। এই আচনিত তথ্যচিত্ৰ, সংবাদ-চিত্ৰ, পূৰ্ণদৈৰ্ঘ্য চিত্ৰ, টেলিভিছনৰ বাবে চুটি ছবি, নানান ধৰণৰ ছবি সোমাব পাৰে। ইয়াৰ বাবে পুঁজিৰ প্ৰয়োজন। চলচ্চিত্ৰ বিত্ত আৰু উন্নয়ন নিগমৰ হাতত থকা পুজিখিনিৰে এই কামলৈ আগুৱাই আহিব লাগে। আচলতে, এই নিগম আৰু ছহাইটিয়ে লগ লাগি এটা প্ৰতিষ্ঠান গঢ়ি তুলিব লাগে।

১১। ৯। ৮২

# অসাধাৰণ-সাধাৰণ

আলোচনী, চলচ্চিত্ৰ, বৰ্তমানৰ অসমৰ ভ্ৰাম্যমান থিয়েটাৰ আদি চলাই আৰু জীয়াই ৰাখিবলৈ বহুসংখ্যক লোকৰ আৰ্থিক সহযোগিতাৰ প্ৰয়োজন। এইবিলাক প্ৰস্তুত কৰিবলৈ বহু পৰিমাণৰ টকা লাগে , সেই টকা খটুৱায় একোটা প্ৰতিষ্ঠানে বা একোজন ব্যক্তিয়ে , আৰু টকাখিনি কিছু লাভেৰে সৈতে উভতি আহে গ্ৰাহক, পাঠক আৰু দৰ্শকৰ পৰা। বিনিয়োগ কৰা ধনৰ পৰিমাণ যিমানে বেছি হয়, সিমানে বেছি সংখ্যক গ্ৰাহক আৰু দৰ্শকৰ প্ৰয়োজন হয়। আৰু বেছি সংখ্যক গ্ৰাহক আৰু দৰ্শকৰ প্ৰয়োজন হ'লেই আমাৰ মাজত সদায় এটা প্ৰশ্ন উত্থাপিত হয়— আলোচনীখন, চলচ্চিত্ৰখন বা নাটকখন— কেনেকুৱা হ'লে সিমান সংখ্যক গ্ৰাহক আৰু দৰ্শক পোৱা যায় ?

এনেকুৱা সময়ত সদায় 'সাধাৰণ মানুহ' বা 'mass people'অৰ কথা উল্লেখ কৰা হয়। আলোচনীখনৰ আচনিৰ বিষয়ে বা চলচ্চিত্ৰ বা নাটকৰ কাহিনী আৰু উপস্থাপনৰ বিষযে শুনিলেই বহুতে একমুখে "এইটো mass people অৰ কাৰণে নহয়" বুলি কৈ দিয়াটো এটা সাধাৰণ ঘটনা হৈ পৰিছে। চৰকাৰী ধন, ৰাজহুৱা ধন বা কোনো সদিচ্ছা প্ৰণোদিত, অৰ্থবান, দানী লোকৰ ধন বিনিয়োগ কৰি এইবোৰ কাম কৰাটো এটা সুকীয়া কথা, কিন্তু ধন বিনিয়োগকাৰীয়ে যেতিয়া এনে কামৰ জৰিয়তে জীৱন নিৰ্বাহো কৰিব লাগে, তেতিয়া প্ৰস্তুত কৰা বস্তুটো mass people অৰ কাৰণে হ'ব নে নহ'ব— এই প্ৰশ্নটোৱে বিনিয়োগকাৰীক সদায় চিন্তাত পেলাবলৈ লৈছে। এফালে যেতিয়া ৰুচি, ৰস, মান, জাতীয় চৰিত্ৰ, জাতি গঠন আদি প্ৰশ্নই গা কৰি উঠিছে, সেই সময়তে আনফালে "সাধাৰণ মানুহৰ কাৰণে হয়নে নহয়" প্ৰশ্নটোও শক্তিশালী হৈ উঠিছে।

কিন্তু সাধাৰণ মানুহে আলোচনী, চলচ্চিত্ৰ, নাটক আদিত কি বিচাৰে, সেইটো বিচাৰ কৰা পদ্ধতিটোতেই কেৰোণ আছে। সাধাৰণ মানুহে 'এনেকুৱা বস্তুহে বিচাৰে' বুলি তেনেকুৱা বস্তুকে দি থাকোতে-থাকোঁতে তেওঁলোকৰ ৰুচিবোধ, ৰসবোধ, বিচাৰ শক্তি সেই তেনেকুৱা বস্তুৰ পৰ্যায়তে ৰৈ গৈছে, আৰু তেওঁলোকৰ ৰসবোধ আদিক সন্তুষ্ট কৰিবলৈ আকৌ তেনেকুৱা বস্তুকে প্ৰস্তুত কৰি থকা হৈছে। এইটো দুটা পক্ষই সমিল-মিলৰ ভাবেৰে পৰস্পৰক ভুলকৈ সহায় কৰি থকাৰ নিচিনা হৈছে। তদুপৰি বৰ্তমানৰ "সাধাৰণ মানুহৰ"ৰ বহুতো ভিতৰি ভিতৰি কিমান ' অসাধাৰণ"

হৈ উঠিছে, তাৰ খবৰো বহুতো সৃষ্টিকৰ্তাই সঠিকভাৱে লোৱা নাই। এতিয়া অসংখ্য লোকে, অপ্ৰত্যাশিতভাৱে, এনেকুৱা বুদ্ধিমত্তা, ৰুচিবোধ, ৰসবোধৰ পৰিচয় দিছে যে বিস্ময় আৰু আনন্দত অভিভূত হৈ পৰিব লাগে। তেতিয়া এনেকুৱা লাগে যেন আৰু অলপ সহায় কৰিলেই, সৃষ্টিকৰ্তাসকলে এইসকল লোকৰ কথা অলপ সাৱধানে মনত ৰাখিলেই তেওলোকৰ সংখ্যা বহু পৰিমাণে বঢ়াই তুলিব পাৰি আৰু এসময়ত সাধাৰণ মানুহে বিচৰা-নিবিচৰাৰ প্ৰশ্নটোৰ চৰিত্ৰই সলাই দিব পাৰি।

এটা প্ৰত্যক্ষ অভিজ্ঞতাৰ কথা কওঁ। প্ৰান্তিক এতিয়া এটা গঠনশীল, বৰ্ধনশীল অৱস্থাত আছে। আৰম্ভণিৰ পৰাই ইয়াৰ ৰূপ আৰু চৰিত্ৰ সম্পৰ্কে চিন্তা-চৰ্চা কৰি থকা হৈছে, কষ্টোপাৰ্জিত, সুস্থিৰ গ্ৰাহক-পাঠকৰ পৃষ্ঠপোষকতা কামনা কৰি থকা হৈছে। ইয়াৰ মাজতে, ১ ছেপ্টেম্বৰৰ সংখ্যাৰ বেটুপাতৰ ভিতৰফালে এগৰাকী ছোভিয়েট দেশৰ ইষ্ট'নিয়ান মডেলৰ ছবি ছপা কৰা হ'ল। ডিস্ক'কে আদি কৰি আধুনিক সাজ-পাৰৰ ক্ষেত্ৰতো সেই দেশত লোক-কাহিনী, লোক-শিল্পৰ ওপৰত কেনেকৈ গুৰুত্ব দিয়া হয়, সেই কথাটো ছবিখনে বহন কৰিছে বুলি আমি ভাবিছিলো। কিন্তু অসম ইঞ্জিনিয়াৰিং কলেজৰ এজন পাঠকে সেই ছবিখন ছপোৱাৰ বাবে ঘোৰ আপত্তি কৰি আমালৈ চিঠি লিখিছে। তেখেতে লিখিছে, "টকা তিনিটা খৰচ কৰি প্ৰান্তিক কিনাটো আমাৰ বিলাস বুলি ভাবিলে ভুল হ'ব। আমি প্ৰান্তিকৰ প্ৰতিকণ খালী ঠাই সুন্দৰকৈ পূৰণ হোৱাটো বিচাৰো।"

আমাৰ আৰু পাঠকজনৰ বিচাৰত অলপ অমিল হ'ল, সেইটো ডাঙৰ কথা নহয়, ডাঙৰ কথা হ'ল ৰুচি আৰু সৌন্দৰ্য সম্পৰ্কে সচেতন লোকে আমাক বেৰি আছে, আৰু ই আনন্দত অভিভূত হবলগীয়া কথা।

১১। ১০। ৮২

# বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম হিচাপে মাতৃভাষা

যোৱা সংখ্যাৰ প্ৰান্তিকত শ্ৰী ভুবন বৰুৱাই অসমত বিশ্ববিদ্যালয়ৰ পৰ্যায়ত অসমীয়া ভাষা প্ৰচলিত হ'বলৈ আৰম্ভ হোৱাৰ পাছৰ এটা দশকৰ অভিজ্ঞতা আৰু সংশয়ৰ কথা লিখিছে। এই বিষয়ে প্ৰথম লক্ষণীয় কথা হ'ল, শিক্ষাৰ ওপৰ মহলাত মাতৃভাষা মাধ্যম হিচাপে ব্যৱহাৰ কৰাৰ ফলত হোৱা লাভ-লোকচান, সুবিধা-অসুবিধাৰ প্ৰকাৰ আৰু পৰিমাণ ভাৰতত এই কাম কৰা সকলো ৰাজ্যৰ ক্ষেত্ৰতে প্ৰায় একে। উচ্চ শিক্ষাৰ মাধ্যম ভাৰতত ইংৰাজীৰ ঠাইত মাতৃভাষা হ'ব লাগে নে নালাগে, হ'ব পাৰে নে নোৱাৰে এই বিষয়ে আলোচনা যুক্তি-তৰ্ক সুদীৰ্ঘ কাল ধৰি চলিছে, আৰু চলিব। কিন্তু কিমান দিনলৈ চলিব তাৰ যে কোনো নিশ্চয়তা নাই, সেইটোহে গুৰুত্বপূৰ্ণ কথা। সংসদ, বিধান সভা, ৰাজনৈতিক মহল বা মঞ্চত এই আলোচনা শেষ হোৱাও এক কথা, কিন্তু যি পঢ়ে, যি পঢ়ায়, যাৰ ল'ৰা-ছোৱালীয়ে পঢ়ে তেওঁলোকৰ 'মনত' শেষ হোৱাও অন্য এক কথা। এই প্ৰশ্নৰ সম্মুখত ভাৰতৰ লক্ষ -লক্ষ মানুহ আজিও "তুমি দেউতাক বেছি ভাল পোৱা নে মাক বেছি ভাল পোৱা" বুলি সুধিলে নিৰুত্তৰ হৈ আঙুলি চোহা শিশুৰ নিচিনাকৈ থিয় হৈ আছে। ১৯৬৯-৭৫ চনৰ কালছোৱাত অসমীয়া ভাষাত কলেজৰ পাঠ্যপুথিসমূহ প্ৰস্তুত কৰাৰ কাম প্ৰায় যুদ্ধৰ গতিৰে চলিছিল। সেই সময়তো, পাণ্ডুলিপি প্ৰস্তুত কৰাসকলৰ এজনেই খণ্ড-খণ্ডকৈ পাণ্ডুলিপি জমা দিয়াৰ সময়ত প্ৰায়েই কৈছিল, এইবোৰ চব মিছা, পণ্ডশ্ৰম। তেখেতে হয়তো কামটোৰ কাঠিন্য, নিজৰ আলস্য, অপাৰগতা, উদাসীনতা, মূল নীতিটোৰ লগতেই মতৰ অমিল আদি কেইবাটাও কাৰণত সেইদৰে অনাস্থা আৰু সন্দেহ প্ৰকাশ কৰিছিল। আচলতে কিন্তু সেইটো এগৰাকী ব্যক্তিৰ উক্তি বা মনোভাব নাছিল, সেইটো আছিল সাধাৰণ অৱস্থাটোৰ প্ৰতিফলন আৰু আংশিকফলাফলৰ আগজাননী। জড়িত ব্যক্তিসকলৰ বহুতৰে মনৰ খুদুৱনি আতৰ নহ'ল, অথচ তেখেতসকলৰ কোনেও মাতৃভাষা কলেজৰ শিক্ষাৰ মাধ্যম হ'ব নালাগে বুলি কৈও সিদ্ধান্তটোৰ প্ৰতি কোনো অৰিহণা যোগাব নোৱাৰিলে। ফলত লেজুত ধৰি বল নিদিয়া অৱস্থা এটাৰ আৰম্ভ হ'ল আৰু সি আজিও চলি আছে।

ধৰি ললো, এটা দশকৰ শেষৰ ফালে অৱস্থাটোৱে কি ৰূপ লৈছে সেইটো চাব পৰা নগ'ল বৰ্তমানৰ বিদেশী সংক্ৰান্ত আন্দোলনৰ বাবে। উপযুক্ত পৰিবেশৰ সৃষ্টি হ'লেই ইয়াৰ বিচাৰ হ'ব। কিন্তু তেনে বিচাৰ কৰিবলৈ কিছুমান তথ্যপাতি আগতীয়াকৈ

যোগাৰ কৰি লব লাগে। অতি প্ৰয়োজনীয় তথ্যপাতিবোৰ হ'ল এনে ধৰণৰ :

(১) কিমান ছাত্ৰ ছাত্ৰীয়ে প্ৰাক-বিশ্ববিদ্যালয় আৰু স্নাতক মহলাত অসমীয়া ভাষাত পৰীক্ষাৰ উত্তৰ লিখিছে ? (২) মাতৃভাষা অসমীয়া হোৱা সত্ত্বেও কিমান ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত মাতৃভাষা ব্যৱহাৰ কৰা নাই, নকৰাৰ কাৰণ কি ? (৩) অসমীয়া ভাষা ব্যৱহাৰ কৰা আৰু নকৰা ছাত্ৰ-ছাত্ৰীসকলে পোৱা নম্বৰৰ পাৰ্থক্য কেনেকুৱা ? (৪) মাতৃভাষা অসমীয়া নোহোৱা সত্ত্বেও কিমান ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত অসমীয়া ভাষা ব্যৱহাৰ কৰিছে, আৰু কিয় কৰিছে ? (৫) মাতৃভাষা ব্যৱহৃত হোৱাৰ পাছৰ পৰা পৰীক্ষাবোৰৰ ফলাফলৰ কি পৰিবৰ্তন হৈছে ? (৬) একোটা বিষয়ত সৰ্বোচ্চ নম্বৰ পোৱা ছাত্ৰ-ছাত্ৰীসকলে কি ভাষা ব্যৱহাৰ কৰিছিল ? (৭) পৰীক্ষাত ভাল ফলাফল দেখুউৱা ছাত্ৰ ছাত্ৰীসকলে (ধৰি লওক প্ৰথম বিভাগত পাছ কৰাসকলে) কি ভাষা ব্যৱহাৰ কৰিছিল, বা অসমীয়া আৰু ইংৰাজী ভাষা ব্যৱহাৰ কৰাসকলৰ তুলনামূলক ফলাফল কেনেকুৱা ? — ইত্যাদি।

এই তথ্যসমূহ গ্ৰহণ কৰা কামটো দুবছৰমানৰ কাৰণে জলপানি দি এগৰাকী গৱেষকৰ হতুৱাই কৰাব লাগে। আনকি বিষয়টোক এম ফিল বা তাতোকৈ ডাঙৰ ডিগ্ৰিৰ বাবেও গ্ৰহণ কৰিব পাৰি, কিন্তু চূড়ান্ত প্ৰতিবেদনখন (বা থিছিছখন) বিশ্ববিদ্যালয়ৰ দ্বাৰা গৃহীত বা স্বীকৃত হ'ব লাগিব। এই তথ্য-পাতিবোৰৰ বিশ্লেষণ কৰোতে আৰু "কিয় এনে হৈছে" সেইটো নিৰ্ণয় কৰোতে গৱেষকগৰাকীয়ে লগে-লগে পাঠ্যপুথি শিক্ষক, ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু বিশ্ববিদ্যালয়ৰ মূল নীতিৰ লগত জড়িত সমস্যাসমূহ বিচাৰ কৰিব লাগিব। তেখেতে বিভিন্ন কলেজলৈ গৈ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ মতামত লব লাগিব, প্ৰতিখন পাঠ্যপুথি সম্পৰ্কে বহুজন সংখ্যক সংশ্লিষ্ট শিক্ষক ছাত্ৰৰ অভিমত লব লাগিব।

এই গৱেষণামূলক প্ৰতিবেদন সমুখত ৰাখি অৱস্থাটো বিচাৰ কৰিলে ফলাফল ভাল হ'ব, সিদ্ধান্তত উপনীত হোৱাত সহজ হ'ব।

শ্ৰীবৰুৱাই উল্লেখ কৰা পাঠ্যপুথি সম্পৰ্কীয় কেইটামান প্ৰয়োজনীয় কথাৰ আলোচনা পাছলৈ থলো।

২৫। ১০। ৮২

# লাৱণ্য

কেইবছৰমানৰ আগতে, ইংৰাজী বছৰৰ প্ৰথম সপ্তাহত ডাকযোগে এটা লেফাফা পালো, ভিতৰত এখন চেক। ভালকৈ চাই দেখো ঠিক বেংকৰ চেকৰ ধৰণতে ছপা কৰা আৰু লিখা আছে The Bank of Almighty (Incorporated in Heaven) Pay to or order Three hundred sixty six days of peace prosperity and happiness তলত গুৱাহাটীৰ লাৱণ্য প্ৰেছৰ পবিত্ৰ তালুকদাৰৰ চহী। এনে ধৰণৰ চেক আগেয়ে মই দেখা নাছিলো, কিন্তু তালুদাৰৰ চিন্তা আৰু কামৰ ধৰণ সম্পৰ্কে মোৰ এটা ধাৰণা আছিল। এইকণ কষ্ট কৰি আকৌ এটা আনন্দ দিয়াৰ বাবে তেখেতক সেইদিনা ধন্যবাদ জনাইছিলো।

বিভিন্ন ধৰণৰ গুণৰ অধিকাৰী ভালেমান লোক লগ পাইছো, কিন্তু তালুকদাৰৰ কিছুমান গুণৰ কথাই মনক বেলেগ ধৰণে স্পৰ্শ কৰে। বোধকৰো সেই গুণবোৰ সাধাৰণ মানুহৰ মাজত সহজে বিয়পিব পৰা আৰু বিয়পিবলগীয়া,— সেই কাৰণেই। কামত আৰু লেনদেনত অত্যন্ত পৰিপাটি, ব্যৱসায়ত অত্যন্ত সংযমী আৰু হিচাপী, ভালেমান সজকামত আত্মনিয়োগ কৰা তালুকদাৰৰ মনটোত অনবৰত এটা আনন্দই ক্ৰিয়া কৰি আছিল,— আৰু সেইটোৱেই আছিল তেখেতৰ সংস্পৰ্শলৈ অহা বহুতৰে বাবে আনন্দৰ কথা। তেখেতৰ কামবোৰ পৰীক্ষা কৰিলে ধৰা পৰে — তেখেতৰ প্ৰিয় মন্ত্ৰবোৰৰ এটা আছিল Live with humour তেখেতৰ প্ৰেছত মেজৰ কাচখনৰ তলত বিভিন্ন সময়ত নিজে ছপাই লোৱা কাৰ্ড কিছুমান থাকে। এদিন এখন কাৰ্ডত পঢ়িছিলো চিন্তা কৰা কিয়? তোমাৰ চিন্তা কেৱল দুটা। হয় তুমি ভালে আছা, নহয় তোমাৰ অসুখ। যদি তুমি ভালে আছা, তেন্তে চিন্তা কৰিবই নালাগে। যদি তোমাৰ অসুখ, তেন্তে তোমাৰ চিন্তা দুটা, হয় তুমি ভাল হ'বা, নহয় তুমি মৰিবা। যদি তুমি ভাল হোৱা, তেন্তে চিন্তা কৰিবই নালাগে। যদি তুমি মৰা, তেন্তে তোমাৰ চিন্তা দুটা, হয় তুমি স্বৰ্গলৈ যাবা, নহয় তুমি নৰকলৈ যাবা। যদি তুমি স্বৰ্গলৈ যোৱা, তেন্তে চিন্তা কৰিবই নালাগে, কিন্তু যদি তুমি নৰকলৈ যোৱা তেন্তে তুমি তোমাৰ বন্ধুসকলৰ লগত হেণ্ড শ্বেক কৰি ফুৰোতেই ইমান ব্যস্ত হৈ পৰিবা যে চিন্তা কৰিবলৈ তুমি সময়েই নাপাবা। উল্লেখযোগ্য কথা, এনে ধৰণৰ কথাবোৰ ছপা কৰি তালুকদাৰে মানুহৰ মাজত বিলাই আনন্দ পাইছিল। দেউতাকৰ নামত তালুকদাৰে গৌৰী সদন নামে এটা সভা সমিতি পাতিব পৰা ঘৰৰ ব্যৱস্থা কৰিলে। ঘৰটোৰ দুৱাৰমুখৰ সক

খালী ঠাইকণত তেও কেইজোপামান গছ বোৱালে। মাজত এখন ছাইন ব'ৰ্ডত তেওঁ লিখাই থৈছে এটা "ফুলনিৰ প্ৰাৰ্থনা" ঃ হে ঈশ্বৰ ব'দ, আৰু বৰষুণৰ বাবে তোমালৈ ধন্যবাদ। এইবোৰৰ জৰিয়তেই তুমি মোৰ লগত কথা পাতা।"

তালুকদাৰে লক্ষ্য কৰিছিল, শ্মশানত মৃতদেহ চিতাত তুলি দিয়াৰ পাছত চিতা প্ৰদক্ষিণ কৰোঁতে গোৱা মন্ত্ৰটো শুদ্ধকৈ জনা মানুহৰ অভাৱ হয়। গতিকে তেওঁ মন্ত্ৰটো ছপা কৰি শ্মশানৰ ওচৰৰ খৰি বেচা দোকানখনত জমা দিছিল, খৰিৰ লগতে যেন মন্ত্ৰ থকা কাগজখনবো একপি সকলোৱে বিনা-পইচাত পায়। তালুকদাৰে ছপাই বিলোৱা "আহাৰৰ আগতে কৰা প্ৰাৰ্থনা"টো হ'ল,— হে প্ৰভু, আমাক আশীৰ্বাদ কৰা, নিৰন্নক অন্নৰ যোগান ধৰা, তোমাৰ প্ৰেম আৰু কৰুণা অনুভৱ কৰিবলৈ সকলো সন্তানকে সমৰ্থ কৰা।"

ইউৰোপ ভ্ৰমণ কৰি আহি তালুকদাৰে লিখা কিতাপখনৰ বিষয়ে তেখেতৰ মেজত এখন ছপোৱা কাৰ্ড আছে পাছপৰ্ট নালাগে, ভিছা নালাগে, মাত্ৰ দহ টকাত ইউৰোপ ভ্ৰমণ।

তালুকদাৰৰ কিছুমান কাম "ধেমেলীয়া" বুলি পাতল কৰি পেলাব পাৰি, কিন্তু জেপৰ পইচা খৰচ কৰি কাৰো অপকাৰ নকৰাকৈ, কিন্তু অন্ততঃ কিছুলোকক আনন্দ দিব পৰাকৈ ধেমালি কৰাৰ যিটো মন, সেই মনটোৰ বৈশিষ্ট্য মন নকৰাকৈ থাকিব নোৱাৰি। চিৰাচৰিত অৰ্থত তালুকদাৰ প্ৰখ্যাত লোক নহয়, কিন্তু তেওঁৰ নিচিনা যথেষ্ট সংখ্যক কম খ্যাত লোক হলেও আমাৰ বহুত লাভ।

স্বৰ্গীয় তালুকদাৰৰ প্ৰতি শ্ৰদ্ধা জনাইছো।

১২/১১/ ৮২

শেঃ পৃঃ ঃ

# প্ৰভাৱ আৰু দূৰদৰ্শিতাৰ অভাৱ

এটা দল বা সংগঠনে 'বন্ধ'ৰ আহ্বান দিছে। চৰকাৰৰ দৃষ্টিত এই আহ্বান চৰকাৰৰ সপক্ষে বা অনুকূলে নহয়। জনসাধাৰণৰ মাজত বন্ধটো সমৰ্থন নকৰা লোক আছে। এনে অৱস্থাত বন্ধৰ দিনা কেনে ধৰণৰ ঘটনা ঘটিব পাৰে, তাৰ মাত্ৰ এবিধ ঘটনা,— উদাহৰণস্বৰূপে দোকান-পোহাৰ বন্ধৰ ঘটনাটো সাধাৰণ জ্ঞানেৰে, কোনো ধৰণৰ পক্ষপাতিত্ব নোহোৱাকৈ বিচাৰ কৰি চোৱা যাওক।

১) দল বা সংগঠনটোৰ জনসাধাৰণৰ ওপৰত 'প্ৰভাৱ' যিমান বেছি, সিমানে বেছি সংখ্যক দোকানীয়ে স্বেচ্ছাই দোকান বন্ধ ৰাখিব, আৰু 'অনিচ্ছুক' দোকানীয়ে দোকান খুলিবলৈ চেষ্টা কৰাৰ ঘটনাও সিমানে ক'ম হ'ব। গণতান্ত্ৰিক পদ্ধতিত এই 'প্ৰভাৱ'ৰ মূল্য বৰ বেছি।

(২) কোনোবা 'অনিচ্ছুক' দোকানীয়ে যদি দোকান খুলিবলৈ লয়, তেনেহ'লে তেওঁৰ ইচ্ছাকো মূল্য দিব লাগিব, আৰু কিয় তেওঁলোকৰ তেনে ইচ্ছা হ'ল, তাৰ কাৰণ দল বা সংগঠনকাৰীয়ে বিশ্লেষণ কৰিব।

(৩) 'অনিচ্ছুক' দোকানীয়ে দোকান খোলাৰ সময়ত দল বা সংগঠনৰ লোকে তেওঁক দোকান নুখুলিবলৈ অনুৰোধ কৰিব, এই কামটোৰ মূল্য আছে, ই দল বা সংগঠন এটাই ঘৰে-ঘৰে ভোট দিবলৈ অনুৰোধ কৰা কামৰ সমতুল্য।

(৪) যদি অনিচ্ছুক দোকানী আৰু দল বা সংগঠনৰ লোকৰ মাজত ক্ষতিকৰ অশান্তিৰ সৃষ্টি হয়, তেনেহ'লে শাসনকৰ্তাৰ তৰফৰ লোকে হস্তক্ষেপ কৰিব আৰু 'দোষী'ৰ দোষ অনুযায়ী ব্যৱস্থা লব।

(৫) দোকান-পোহাৰ বন্ধ থকাৰ কাৰণে জনসাধাৰণৰ যি অসুবিধা হয় বুলি চৰকাৰে ভাবে, সেই অসুবিধা'বাৰ দূৰ কৰিবৰ কাৰণে, চৰকাৰৰ যদি নিজা কিবা ব্যৱস্থা থাকে, তেনেহ'লে তাক ইচ্ছুক ব্যক্তিৰ সহযোগত ব্যৱহাৰ কৰিব।

এই সন্দৰ্ভত এটা চূড়ান্ত অৱস্থাৰ কথাও ভবা যাওক। জনসাধাৰণৰ, সুখ সুবিধাৰ কাৰণে চৰকাৰৰ এটা দায়িত্ব আছে। তেওঁলোকে ভাবিলে যে বহু লোকে বজাৰ-সমাৰ কৰিব খোজে, কিন্তু দোকান খোলা নাই কাৰণে সেই মানুহবোৰৰ অসুবিধা হৈছে, গতিকে তেওঁলোকৰ কাৰণে কিছু বেচৰকাৰী দোকান খোলাই ৰখাটো চৰকাৰৰ দায়িত্ব। গতিকে চিপাহী চন্ত্ৰীয়ে গৈ দুৱাৰত খুন্দিয়াই কিছুমান দোকানীক দোকান খোলা ৰাখিবলৈ বাধ্য কৰালে।

অত্যন্ত সাধাৰণ জ্ঞানেৰে ইয়ানখিনি হ'ব পাৰে বুলি ধৰি ললো। ধৰি ললো— এওলোকে দোকান-পোহাৰ বন্ধ ৰাখিবলৈ কৈছে, আমি সেইটো হ'বলৈ নিদিওঁ"— এনেধৰণৰ কোনো জিদ বা বন্ধ অকৃতকাৰ্য কৰাৰ চেষ্টা চৰকাৰৰ নাই। কিন্তু "কালি কিয় দোকান বন্ধ ৰাখিছিলি ? কালি বন্ধ ৰাখিছিলি যেতিয়া আজিও খুলিব নোৱাৰ, বন্ধ কৰ।"— এইবুলি বন্ধৰ পাছদিনা, তাৰো পাছদিনা চৰকাৰৰ তৰফৰ পৰা জোৰকৈ কিছুমান দোকান বন্ধ কৰি ৰখা,— এনে কামৰ যুক্তিযুক্ততা সাধাৰণ জ্ঞান কিয়, অত্যন্ত জটিল সাংবিধানিক জ্ঞানেৰেও বিচাৰি উলিয়াব নোৱাৰি। আইনতঃ নিষিদ্ধ সংগঠনৰ কথা সুকীয়া, কিন্তু তেনেকৈ নিষিদ্ধ নকৰা দল বা সংগঠনৰ কাৰ্যকলাপ প্ৰকাৰান্তৰে মৰিমূৰ বা স্থবিৰ কৰিবলৈ জিদ কৰা বা প্ৰতিশোধমূলক আৰু হিংসাত্মক ব্যৱস্থা লোৱাটো সভ্য আৰু উন্নত কোন ৰাজ্য বা দেশৰ চৰকাৰৰ কাৰণে সম্ভৱ আমি নাজানো। আমি বাৰে-বাৰে দল বা সংগঠন বুলি কৈ থকাৰ কাৰণ হ'ল, 'বন্ধ'ৰ আহ্বান আজি হয়তো এটা সংগঠনে দিছে, কিন্তু কাইলৈ কোনো দলে দিব পাৰে। কথাবোৰ সকলোৰে ক্ষেত্ৰত প্ৰযোজ্য।

যোৱা দুই তাৰিখে অসম বন্ধৰ দিন আছিল, তিনি তাৰিখে মাৰৰ ভয়ত পলাই ফুৰা অসহায়, নিৰুপায় দোকানীকেইজনমানক দেখি ধাৰণা হ'ল, দল বা সংগঠনৰ 'প্ৰভাৱ' নষ্ট কৰাৰ এইটো উপায় হ'বই নোৱাৰে। সিদিনা অকণ খোৰিয়ে কোৱা এষাৰ কথাৰ অৰ্থ হ'ল— চৰকাৰ যে ইমানলৈকে যাবলগীয়া হৈছে তাৰ পৰাই বুজা যায় বন্ধৰ আহ্বান দিয়াসকলৰ প্ৰভাৱ আৰু জয়ৰ পৰিমাণ কিমান। কথাষাৰ প্ৰণিধানযোগ্য।

বিদেশী-সংক্ৰান্ত সমস্যাটো অতি জটিল। ইমান জটিল সমস্যা এটাৰ লগত বন্ধৰ পাছদিনা বিচাৰি-বিচাৰি দোকানী পিটাৰ নিচিনা ঘটনাহে জড়িত হ'লহি ?

১২/১২/৮২

# সৰ্বোচ্চ নম্বৰ পোৱা বহীবোৰ

এটা নতুন কথা মনলৈ আহিলে, আৰু কথাটোৰ দুটামান ভাল দিশ থাকিলে, তাক ৰাজহুৱাকৈ চিন্তা কৰাত বাধা নাই। আশা কৰা যায় এনেকৈ চিন্তা আৰু আলোচনা আৰম্ভ কৰিলেই এসময়ত কিবা এটা ভাল কাম হ'বগৈও পাৰে।

শিক্ষাৰ ক্ষেত্ৰত বিভিন্ন কাৰণত জটিলতা ইমান বাঢ়িছে যে প্ৰায় প্ৰতিটো কথা, প্ৰতিটো ঘটনা আজিকালি তৰ্কৰ বিষয় হৈ পৰিছে। শিক্ষা, ছাত্ৰ, কিতাপ, পঢ়োৱাৰ ধৰণ, পঢ়াৰ ধৰণ, পৰীক্ষাৰ ব্যৱস্থা, প্ৰশ্নৰ ধৰণ, উত্তৰৰ বহী পৰীক্ষা কৰাৰ ধৰণ,— এইবোৰৰ কোনো এতিয়া সমালোচনাৰ উৰ্ধত নহয়। এসময়ত "বজাৰৰ ন'ট"ৰ প্ৰতি সজ শিক্ষাবিদৰ বিৰূপ ভাব আছিল, এতিয়া মূল পাঠ্যপুথিবোৰেই বহুতৰে অসন্তুষ্টিৰ কাৰণ। এসময়ত পৰীক্ষকে পৰীক্ষাত দিয়া নম্বৰ ছাত্ৰ-অভিভাৱক উভয়েই শ্ৰদ্ধাৰে গ্ৰহণ কৰিছিল, এতিয়া সৰু ল'ৰা-ছোৱালীয়েও ছাৰ-বাইদেউসকলৰ নম্বৰ দিয়া বিচাৰ সম্পৰ্কে সন্দেহ প্ৰকাশ কৰে। এসময়ত শিক্ষকৰ এচাৰি অতি শক্তিশালী সামগ্ৰী বুলি হাজাৰ-হাজাৰ অভিভাৱকে বিশ্বাস কৰিছিল, এতিয়া হাজাৰ-হাজাৰ অভিভাৱকে "শিশু-মনোবিজ্ঞান"ৰ বহুতো কথা শিক্ষকসকলতকৈ বেছি জানে। এই ধৰণৰ সৰু-ডাঙৰ নানান সমস্যা নানান বৈজ্ঞানিক আৰু মনোবৈজ্ঞানিক প্ৰথাৰে ৰাষ্ট্ৰীয়-আন্ত ৰাষ্ট্ৰীয় দৃষ্টিভংগীৰে সমাধান কৰাৰ প্ৰচেষ্টা চলি থাকিব, তাৰ ফলাফল আমি ভোগ কৰি থাকিম।

কিন্তু কিছুমান সৰু-সৰু কথা স্থানীয়ভাৱেও বিচাৰ কৰি আমি ছাত্ৰ-ছাত্ৰীসকলক সহায় কৰি থাকিব লাগে। উদাহৰণস্বৰূপে এটা সমস্যাৰ কথা উল্লেখ কৰোঁ। সকৰে পৰা ভালকৈ পঢ়া-শুনা কৰি অহা কেইজনমান ছাত্ৰই এইবাৰ হাইস্কুলৰ শিক্ষান্ত পৰীক্ষাটো দিব। যোৱা সাত বছৰে বিভিন্ন পৰীক্ষকৰ হাতত বিভিন্ন নম্বৰ পাই তেওঁলোক এতিয়া দুশ্চিন্তাত পৰিছে— উত্তৰবোৰ কেনেকৈ লিখিলে তেওলোকে আটাইতকৈ ভাল নম্বৰ পাব। তেওলোকৰ এজনে এবাৰ নিল আৰ্মষ্ট্ৰঙে চন্দ্ৰত ভৰি দিয়াৰ বহু দিনৰ পাছত চন্দ্ৰ আৰু পৃথিৱীৰ দূৰত্বৰ শেহতীয়া সংখ্যাটো লিখি নম্বৰ নাপালে, কাৰণ কিতাপত সেইটো সংখ্যা নাছিল। এজনে কেইবাখনো কিতাপ গোটাই একোটা প্ৰশ্নৰ উত্তৰ লিখি উলিয়াইছিল, কিন্তু পৰীক্ষাত সেইটো লিখিও ভাল নম্বৰ পোৱা নাই। গতিকে তেওলোকৰ দুশ্চিন্তা, কেনেকৈ লিখিলে 'মেট্ৰিক'ত ভাল নম্বৰ পাব।

এওঁলোকক এটা আভাস দিবৰ কাৰণে এটা কাম কৰিব নোৱাৰিনে ? প্ৰতি বছৰে কিসকল ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন বিষয়ত সৰ্বোচ্চ নম্বৰ পায়, তেওঁলোকৰ সেই উত্তৰৰ

বহীবোৰ ছপাই ছাত্র-শিক্ষকৰ মাজত বিতৰণ কৰিব নোৱাৰিনে ? সেইবোৰ পঢ়ি অন্ততঃ সকলোৰে এটা ধাৰণা হ'ব— সৰ্বোচ্চ নম্বৰ পোৱা গৰাকীয়ে কিমান ভালকৈ লিখে, কেনেকৈ লিখিলে ভাল নম্বৰ পাব পাৰি, ইত্যাদি। মোৰ ধাৰণা এই কামটোৱে বহু ছাত্র-শিক্ষকক সহায় কৰিব।

অৱশ্যে এই কামটো কৰিলে শিক্ষা পৰিষদৰ বা পৰীক্ষকৰ দুৰ্বলতা, বা দুৰ্বোধ লগীয়া কিবা থাকিলে ওলাই পৰিব বুলি সংশ্লিষ্ট মহলে চিন্তা কৰিব পাৰে। কিন্তু এই কামে পৰীক্ষকসকলক আৰু পৰিষদক সাৱধান হোৱাত সহায়ো কৰিব,— এইটোও এটা ভাল দিশ। প্ৰয়োজন হ'লে সৰ্বোচ্চ নম্বৰ পোৱা উত্তৰৰ বহীবোৰ ফলাফল ঘোষণা কৰাৰ আগতে ভালকৈ আৰু এবাৰ চোৱাই ল'ব লাগে। পৰীক্ষকসকলে ছপা কৰাৰ আগতে ছাত্র বা ছাত্রী গৰাকীয়ে কৰা ভুলবোৰ তলত আঁচ টানি দেখুৱাই দিব লাগে আৰু সেইবোৰো ছপা কৰিব লাগে। সেইটোও হাজাৰ-হাজাৰ ভাল ছাত্র-ছাত্রীৰ কাৰণে উপকাৰৰ কথা হ'ব। পাৰিলেতো পৰীক্ষকসকলে শেষত বহীখন সম্পৰ্কে টোকা এটাও সন্নিবিষ্ট কৰিব লাগে। মই ভাবো, এনেধৰণে ছপা কৰি উলিওৱা বহীবোৰ ভাল ছাত্র-ছাত্রী আৰু সকলো শিক্ষকৰ বাবে ভাল 'গাইডেন্স' হ'ব। এই কামৰ বাবে আৰ্থিক দিশত কোনো সমস্যায়েই নাই। বৰঞ্চ এই দিশত পৰিষদ লাভৱানহে হ'ব। সমস্যাটো একাডেমিক।

১১/১/৮৩

# অসমৰ সুৱদি মাত

'অ' মোৰ আপোনাৰ দেশ' গীতটোক অসমৰ লোকে এটা সুকীয়া মৰ্যাদা দি আহিছে। এইখন ৰাজ্যত 'জন গণ মন' গীতটোক ৰাষ্ট্ৰীয় সংগীত আৰু 'অ' মোৰ আপোনাৰ দেশ' গীতটোক জাতীয় সংগীত বুলি গোৱা হয়। 'অ' মোৰ আপোনাৰ দেশ' গীতটোৰ ব্যৱহাৰ সম্পৰ্কে বহুতো সভা-সমিতি, সাংস্কৃতিক অনুষ্ঠানৰ কাৰ্যসূচী-প্ৰণেতাসকলৰ মনত অস্থিৰসংকল্পতা, দ্বিধাভাব দেখা যায়। অনুষ্ঠানৰ শেষত এইটো গোৱা ভাল হ'ব নে সেইটো গোৱা ভাল হ'ব— এই বিষয়ে বহু ঠাইত বহু আলোচনা-বিলোচনা হয়। কেৱল ৰাজনৈতিক দৃষ্টিভংগীৰে বিচাৰ কৰিলে এই আলোচনা-বিলোচনা বহুদূৰ আগুৱায়, কিন্তু শুদ্ধ সাংস্কৃতিক দিশৰ পৰা বিচাৰ কৰিলে ইয়াৰ এটা আদৰণীয় পৰিসমাপ্তি ঘটে। 'অ' মোৰ আপোনাৰ দেশ' গীতটোৰ যথাযথ ব্যাখ্যাই সমস্যা নাইকিয়া কৰে, ৰাজনৈতিক জিদে সমস্যাৰ সৃষ্টি কৰে।

সদ্যহতে আন এটা দিশৰ পৰা গীতটোৰ অৱস্থা চাবলৈ লৈছো। ৰাজহুৱাভাৱে গ্ৰহণ কৰা, জাতীয় মৰ্যাদা আৰোপিত এই গীতটো অসমত যিমান অৱহেলাৰে, যিমান বেয়াকৈ গোৱা হয়, আন কোনো সম্ভ্ৰান্ত গীত তেনেকৈ গোৱা নহয় বুলি ধাৰণা হৈছে। স্কুলৰ তল শ্ৰেণীৰ পাঠ্যপুথিতে এই গীতটো সন্নিবিষ্ট কৰা হয়। থপিয়াই-থপিয়াই এঘাৰটা ল'ৰা-ছোৱালীক সুধি চালো, সিহঁতৰ তিনিটাৰ এই গীতটো ঠিকমতে মুখস্থ আছে। এবাৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰেক্ষাগৃহত শিশুসকলৰ সাংস্কৃতিক অনুষ্ঠান এটা পতা হৈছিল। অনুষ্ঠানৰ শেষত 'অ' মোৰ আপোনাৰ দেশ' গোৱাৰ আয়োজন। সকলো দৰ্শক থিয় হ'ল। প্ৰথম পাঁচ শাৰী গোৱাৰ পাছত এদল শিশুৱে আকৌ প্ৰথম শাৰী গাবলৈ ললে, বাকীখিনিয়ে ষষ্ঠ শাৰী আৰম্ভ কৰিলে। তাৰ পাছত সকলোৱে মুখ চোৱা-চুই কৰি আকৌ প্ৰথম শাৰী গোৱাকে ঠিক কৰিলে। 'অ' মোৰ সুৰীয়া মাত' বুলি চিঞৰোঁতে ল'ৰা-ছোৱালীহঁতৰ মাত টিঁ টিঁকৈ ফাটি গ'ল, দৰ্শকৰ মাজত থকা সিহঁতৰ লগৰীয়াবিলাকে খিক-খিক কৰিলে। সপ্তম শাৰীৰ পাছত এদলে আৰম্ভ কৰিলে 'পৃথিৱীৰ ক'তো', বাকীখিনিয়ে আৰম্ভ কৰিলে 'চাই লও তোমাৰ'। অলপ পাছতে অৱস্থাটো ইমান বিশৃংখল আৰু লজ্জাজনক হ'ল যে প্ৰথম শাৰীত থিয় হৈ থকা উপাচাৰ্যই 'হ'ব দিয়া, হ'ব' বুলি ডাঙৰকৈ কোৱাত অনুষ্ঠান শেষ হ'ল। সেই ঘটনাৰ বহু বছৰৰ পাছত, আজিৰপৰা কিছুদিনৰ আগতে, এখন কলেজত দেখিলো : সভাপতিয়ে ঘোষণা কৰিলে— 'এতিয়া জাতীয় সংগীত।' তৰ পাছত সকলোৱে ইফালে-

সিফালে চাইছে,— মাইক্র'ফোনৰ আগলৈ কোন ফালৰ পৰা কোন আহে। ভালেমান সময় গ'ল,— কোনো নাই। শেষত উইংছৰ আৰৰপৰা তিনিজন ডেকা ওলাই আহিল। তেওঁলোকে নিজ-নিজ পছন্দৰ স্কেলত গীতটো আৰম্ভ কৰিলে আৰু 'এনেখন মৰমৰ দেশ' ৰ পাছত তিনিও অৱৰ্ণনীয় বিপদত পৰিল। কেইমুহূর্তমান সুৰীয়া মাত, সুৰদি মাত (কথা) আৰু বিশৃংখল মাতৰ (কাম) কচৰৎ চলিল, তাৰ পাছত দৰ্শকৰ আগভাগত থিয় দি থকা অইন এখন কলেজৰ অধ্যক্ষ এগৰাকীয়ে খঙেৰে কলে, "আকৌ গোৱা। ভালকৈ গোৱা।" পৰিস্থিতিটো বৰ দুখজনক হ'ল। অলপ পাছতে এজন জনজাতীয় ছাত্ৰ "মই গাম" বুলি মঞ্চলৈ উঠি আহিল আৰু প্ৰায় অকলেই উপস্থিত সকলোকে উদ্ধাৰ কৰিলে।

প্ৰত্যক্ষদৰ্শী হিচাপে মাত্ৰ এই দুটা ঘটনাৰ উল্লেখ কৰি দেখুৱাব খুজিছোঁ যে বছৰৰ পাছত বছৰ, সকৰ পৰা ডাঙৰলৈকে সকলোৰে মাজত এই গীতটোৰ এনে দুৰৱস্থা চলি আছে। এই দুৰৱস্থা শেষ হোৱাটো প্ৰয়োজনীয়। যি গুৰুত্বৰে এটা নৃত্য, এটা আধুনিক গীত, এখন একাংক নাটকৰ আখৰা কৰা হয়, সেই গুৰুত্বৰেই এই গীতটোৰো আখৰা হ'ব লাগে,— যদি গীতটো শেষত গাব লাগিব বুলি ঠিক কৰা হয়। গাব নালাগে বুলি ঠিক কৰিলে বেলেগ কথা। প্ৰতিটো শাৰী মাত্ৰ এবাৰকৈ গাই গীতটো শেষ কৰিব লাগে,— যাতে গীতটোৰ বাবে সময় কম লাগে। কোনটো স্কে'লত আৰম্ভ কৰিলে 'অ' মোৰ সুৰীয়া মাত' শাৰীটো গায়ক-গায়িকাসকলে 'টানিব' পাৰিব, সেইটো ঠিক কৰি ল'ব লাগে। এই বিষয়ে সংগীতজ্ঞসকলে এটা সুচিন্তিত বিধান দিব লাগে। মুঠতে গীতটোৰ মৰ্যাদা ৰক্ষা কৰি গাব লাগে।

বৰ্তমানে প্ৰতি ক্ষেত্ৰতে আমাৰ গভীৰ শৃংখলাবোধৰ প্ৰয়োজন হৈছে। সেই কথা ভাবোতে এই 'সৰু' কথাটো মনলৈ আহিল।

২৮/১/৮৩

# এই ভয়ংকৰ পৰিস্থিতিৰ মাজতো

গুলীবৰ্ষণ, সংঘৰ্ষ বা হিংসা কাৰ্যৰে নিৰপৰাধ জীৱন, ঘৰ-দুৱাৰ, সা-সম্পত্তি ধ্বংস কৰাটো নিন্দনীয়। প্ৰতিজন সৎ ব্যক্তিয়ে নিশ্চয় এনে ঘটনাক বাধা দিবলৈ নিজৰ শক্তি সামৰ্থ্য অনুসৰি চেষ্টা কৰিব।

এই ভয়ংকৰ পৰিস্থিতিৰ মাজতো ইয়াৰ অৱসান আৰু এটা ভাল ভৱিষ্যতৰ কথা চিন্তা কৰিবই লাগিব।

গাৰ্ডিয়ান কাকতৰ এটা নিবন্ধত কোৱা হৈছে,— ৰাজনৈতিক দূৰদৃষ্টিৰ অভাৱেই অসমক বিশৃংখলতাৰ চৰম অৱস্থালৈ আগুৱাই নিছে। গাৰ্ডিয়ানত প্ৰকাশিত নিবন্ধৰ কথা উল্লেখ কৰা হৈছে কেৱল দূৰ-দূৰণিৰ লোকৰ উপলব্ধিৰ উদাহৰণ দিবলৈহে, আচলতে এইষাৰ কথাৰ সত্যতাৰ কাৰণে বিদেশৰ কাকতলৈ হাত মেলাৰ কোনো প্ৰয়োজন নাই। অসমৰ মংগল কামনা কৰা প্ৰত্যেক চিন্তাশীল লোকেই এই সত্য আজি মৰ্মে-মৰ্মে উপলব্ধি কৰিছে। অসমৰ সমস্যাটো অতি জটিল। এই সমস্যা সমাধানৰ উপায় উলিওৱা কামটো অতি উচ্চ-মানৰ দবা খেলৰ লগত তুলনীয়। প্ৰতিটো গুটি লৰাবৰ সময়ত বহুত পাছলৈকে তাৰ কি পৰিণাম হ'ব, সেইটো 'চাল' দিলে ব'ৰ্ডখনৰ কোনটো গুটি কিমান দূৰলৈ সুবিধা-অসুবিধাত পাৰিব, শেষ পৰ্যন্ত কোনটো লাভৰ কাৰণে নিজৰ কোনটো গুটি বিসৰ্জন দিব বা ত্যাগ কৰিব লাগিব, এই সকলো কথা প্ৰখৰ বুদ্ধিৰ দ্বাৰা পৰিচালিত দূৰদৃষ্টিৰে চাব লাগে। আৰম্ভণিতে নিজৰ শক্তি আৰু অৱস্থা, আৰু ৰাজ্যখনৰ বিভিন্ন সমস্যা আৰু সেইবোৰৰ লগত জড়িত শক্তিসমূহক ব'ৰ্ডখনত সজাই লবই লাগিব। অসমৰ সমস্যা অত্যন্ত জটিল কাৰণে ইয়াৰ বিচাৰ, বিশ্লেষণ আৰু সমাধানৰ উপায়ো অত্যন্ত জটিল। বোধশক্তি আৰু বুদ্ধিমত্তাৰ ওপৰত হেচা নেপেলোৱাকৈ এই জটিলতা উপলব্ধি কৰাটো সম্ভৱ নহয়, আৰু জটিলতাৰ পৰা গা বচাই থাকি সমাধান লাভ কৰাটো সম্ভৱ নহয়। আজিৰ পৰা প্ৰায় এবছৰৰ আগতে (১৬।২।৮২ তাৰিখৰ) প্ৰান্তিকত শ্ৰী ভবেন বৰুৱাই লিখা এটা প্ৰবন্ধৰ সংক্ষিপ্ত অনুবাদ প্ৰকাশ হৈছিল। প্ৰবন্ধটো জটিল আছিল, পাতলভাৱে পঢ়িবলৈ ললে কিছুদূৰ পঢ়াৰ পাছত 'দুৰ্বোধ্য', খেলিমেলি লাগি যোৱা বিধৰ আছিল। সেই কাৰণেই নে কি,— প্ৰবন্ধটোৰ কেইটামান অতি গুৰুত্বপূৰ্ণ বিষয়ত ক্ৰিয়া-প্ৰতিক্ৰিয়া দেখা নগ'ল। তেনে অৱস্থাত স্বাভাৱিকতে ধাৰণা হয়,— আমি হয়তো সমস্যাটোৰ গভীৰতালৈ প্ৰৱেশ কৰিব পৰাকৈ নিৰপেক্ষ বৌদ্ধিক পৰিশ্ৰম কৰা নাই।

বৰ্তমানৰ পৰিস্থিতিত সমস্যাটোৰ ওপৰৰ কিছুমান তৰপ এৰাই গৈছে, জটিলতা আৰু ভয়াবহতা উন্মুক্ত হৈছে। নিৰ্বাচন ঘোষণা কৰাৰ পাছৰ পৰা আজিলৈকে ৰাজ্যখনত নিৰ্বাচনৰ লগত জড়িত ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যাই বিভীষিকাৰ সৃষ্টি কৰিছে। এই সংখ্যাটো এদিন শুদ্ধভাৱে প্ৰতিষ্ঠিত হ'ব লাগিব। আৰোপিত কৰ্তব্যক সহজ-সৰলভাৱে গ্ৰহণ কৰা শ শ নিৰীহ লোকৰ মৃত্যুৰ বিশ্লেষণে আমাক দূৰদৃষ্টি দিবই লাগিব। এই দূৰদৃষ্টিৰ বাবে তেওঁলোকৰ পূৰ্ণ খতিয়ানৰ প্ৰয়োজন। সংক্ৰমণ বন্ধ কৰা, নিয়ন্ত্ৰণ কৰা আদি কাৰণত সংঘৰ্ষবোৰ কাৰ-কাৰ মাজত হৈছে, সেই কথা পৰিষ্কাৰভাৱে প্ৰকাশ হোৱা নাই। অসমৰ কেইখনমান বাতৰি-কাকতৰ ওপৰত এই ক্ষেত্ৰত আদালতৰ নিয়ন্ত্ৰণ আছে, কিন্তু বাহিৰৰ সংবাদ মাধ্যমত কিছুমান দল বা গোষ্ঠীৰ নাম উল্লেখ কৰা হৈছে। সেইবোৰ শুদ্ধ নে ভুল সেইটো এই মুহূৰ্তত নিৰ্ণয় কৰাৰ উপায় নাই, কিন্তু কথাবোৰে বিভ্ৰান্তিৰ সৃষ্টি কৰিছে। অতি সোনকালে আমাৰ নেতৃবৃন্দই এই সম্পৰ্কে শুদ্ধ তথ্যপাতি সংগ্ৰহ কৰিব লাগিব আৰু সেইবোৰৰ সহায়ত ৰাজ্যখনৰ সমস্যাৰ জটিলতাৰ ভয়াবহ ৰূপটো বিচাৰ কৰিব লাগিব। উৰা বাতৰি অপকাৰী বস্তু, কিন্তু শুদ্ধ বাতৰি নীতি আৰু কৰ্মপন্থা নিৰ্ধাৰণৰ বাবে প্ৰয়োজনীয় বস্তু।

ইয়াৰ পাছত সমস্যা সমাধানৰ আৰু এটা পৰ্যায় অতি সোনকালে আৰম্ভ হ'বই লাগিব। ভাষা, সংস্কৃতি আৰু ৰাজনৈতিক ক্ষমতাৰে এই জাতিটো জীয়াই থাকিবই লাগিব। এই পৰ্যায়ত বুদ্ধি, দূৰদৃষ্টি আৰু দেশপ্ৰেমৰ অধিকাৰী প্ৰত্যেকেই যেন শক্তি আৰু শক্তিশালী নেতৃত্বৰ সৃষ্টি কৰে। ৰাজ্যখনৰ বিভিন্ন থলুৱা জনগোষ্ঠীৰ কাৰো-কাৰো মনত সোমোৱা সংশয় আতৰ কৰাটো এই পৰ্যায়ৰ এটা প্ৰধান কাম বুলি ল'ব লাগে।

১৮/২/৮৩

# শ্ৰদ্ধেয় কাম

স্বৰ্গীয় নন্দ তালুকদাৰে কৰা আটাইতকৈ বেছি উল্লেখযোগ্য কামটো আছিল কিতাপ-আলোচনী আদিৰ সংগ্ৰহ আৰু সংৰক্ষণ। এই কামৰ গুৰুত্ব উপলব্ধি কৰি প্ৰান্তিকে এটা সাক্ষাৎকাৰৰ জৰিয়তে কামটোৰ প্ৰতি পাঠকৰ দৃষ্টি আকৰ্ষণ কৰিছিল (১৬।৪।৮২)। শ্ৰী তালুকদাৰৰ আকস্মিক মৃত্যু বেদনাদায়ক আৰু ক্ষতিকাৰক। ইয়াৰ বাবে আমি শোক প্ৰকাশ কৰিছোঁ আৰু তেখেতৰ পৰিয়ালৰ প্ৰতি সমবেদনা জ্ঞাপন কৰিছোঁ।

সংগ্ৰহ আৰু সংৰক্ষণ কাৰ্য সম্পৰ্কে শ্ৰী তালুকদাৰে নিজে কৈ যোৱা কথা কেইটামান বিচাৰ কৰিলেই, তেখেতৰ মৃত্যুৰ পাছত সংগৃহীত গ্ৰন্থ-আলোচনী আদি সম্পৰ্কে অসমৰ বাইজৰ কৰ্তব্যৰ ৰূপটোও ওলাই পৰে। তেখেতে কৈছিল (শ্ৰী তালুকদাৰে নিজক বুজাবলৈ 'মই-মোৰ' আদিৰ সলনি 'আমি-আমাৰ' ব্যৱহাৰ কৰিছিল)

(১) উনবিংশ শতিকাৰ প্ৰকাশসমূহৰ প্ৰতি আমাৰ আগ্ৰহ বেছি।

(২) সংগৃহীত কিতাপ-আলোচনীৰ এতিয়াও সঠিক হিচাপ দিব পৰা হোৱা নাই। বৰ্তমান আমাৰ হাতত ৫-৬শ খন বিভিন্ন আলোচনী, সংবাদ-পত্ৰ, ১০ হাজাৰৰ ওপৰ গ্ৰন্থ আছে। ইয়াৰ ভিতৰত অনুমান— ১,২০০ ন-পুৰণি কাব্য আৰু ৬০০ খন নাটক।

(৩) দিনে-দিনে কিতাপৰ সংখ্যা বাঢ়ি যোৱাত সম্পূৰ্ণ শৃংখলাবদ্ধভাৱে ৰাখিব পৰা নাই। কোনো বিজ্ঞানসন্মত উপায় উলিওৱা দূৰৰ কথা, বিজ্ঞানসন্মত পন্থাও গ্ৰহণ কৰিব পৰা নাই। কিন্তু বিজ্ঞানসন্মত পন্থাৰ বৰ প্ৰয়োজন অনুভৱ কৰিছো। ভৱিষ্যতলৈ প্ৰণালীবদ্ধ, শ্ৰেণীবদ্ধ আৰু বিজ্ঞানসন্মত ব্যৱস্থা কৰিবলৈ মনতে পাঙি আছো। পিছে সময় হয় কেতিয়া ?

(৪) (চৰকাৰ, বেচৰকাৰী প্ৰতিষ্ঠান, কোনো লোক বা ৰাইজৰ সহায় সম্পৰ্কে) মুক্ত আৰু স্বাধীনভাৱে কাম কৰিবলৈ আমি ভাল পাও। সহায় বিচাৰি বা কাৰোবাৰ ওচৰত হাত পাতি বান্ধোনৰ মাজত সোমোৱাৰ ইচ্ছা নাই। মৃত্যুৰ আগমুহূৰ্তত ৰাইজৰ হাততেই গতাই যাম বুলি ভাবিছোঁ।

(৫) দুখ, কষ্ট আৰু সীমিত উপাৰ্জনৰ পৰাই গাঠিৰ ধন ভাঙি এনেবোৰ কামত লাগি আছোঁ।

(৬) নিজৰ বাবে স‚গ্ৰহ সংৰক্ষণ কৰা নাই । ভাষা সাহিত্যৰ প্ৰয়োজনীয়তাৰ বাবেহে কৰিছো । সেই কথা বাইজে বুজিবলৈ চেষ্টা কৰিলে সন্তোষ পাম ।

(৭) (সমগ্ৰ বস্তুখিনিৰ দাম আৰু মূল্য সম্পৰ্কে) কিতাপ-আলোচনীৰ মূল্য আপুনি কেনেদৰে নিৰ্ণয় কৰিব খুজিছে ? আপুনি আমাতকৈ বেছিকৈ নিৰ্ণয় কৰিব পাৰিব ।

(৮) অসমত যদি আমি এনে এটি অনুষ্ঠান গঢ়ি তুলিব পাৰো, তেনেহ'লে সি নিশ্চয় উত্তৰসাধকসকলৰ বাবে জয়দৌলৰ সোণৰ কলচীসদৃশ হ'ব ।

(৯) কোনো কিতাপ-আলোচনী ঘৰৰ বাহিৰলৈ নিবলৈ নিদিওঁ ।

ভবামতে কাম কৰিবলৈ শ্ৰী তালুকদাৰৰ সময় নহ'ল । তেখেতৰ লগত হোৱা সাক্ষাৎকাৰ প্ৰস‚গত আমি উল্লেখ কৰিছিলো "দিন যায় মানে প্ৰকাশিত কিতাপ, আলোচনী, হাতে লিখা চিঠি আদিৰ মূল্যই ৰূপ সলায় । সদায় এইবোৰৰ সাহিত্যিক মূল্য নাবাঢ়ে, কিন্তু বেছিভাগৰ ক্ষেত্ৰত ঐতিহাসিক মূল্য বাঢ়ে ।" এইখিনি কথাৰ লগতে শ্ৰী তালুকদাৰৰ কথাখিনি অনুধাবন কৰি তেখেতৰ সংগৃহীত বস্তুখিনিৰ এটা সুব্যৱস্থা কৰাটো প্ৰয়োজনীয় । এই প্ৰসংগত অসম সাহিত্য সভাৰ কথাই প্ৰথমে মনলৈ আহে । সভাই ইতিমধ্যে কিতাপ-আলোচনী সংগ্ৰহৰ এখন আঁচনি লৈছেই । সভাই অতি সোনকালে শ্ৰী তালুকদাৰৰ পৰিয়ালৰ লগত আলোচনা কৰিব লাগে । তেখেতসকলৰ সন্মতি পালে, সভাই বস্তুখিনি উপযুক্ত পদ্ধতিৰে সংৰক্ষণ আৰু ব্যৱহাৰৰ ব্যৱস্থা কৰাৰ দায়িত্ব লব লাগে । এই ক্ষেত্ৰত আৰ্থিক দিশটোৰ ওপৰত সমুচিত গুৰুত্ব দিব লাগে । আমাৰ বিচাৰত শ্ৰী তালুকদাৰৰ বস্তুখিনি তেখেতৰ পৰিয়ালৰ বাবে, আৰ্থিক আৰু সামাজিক দুয়ো দিশতে, চিৰাচৰিত জীৱন বীমা, ভৱিষ্যনিধি, সঞ্চয় আদিতকৈ অধিক নিৰ্ভৰযোগ্য সুৰক্ষা-ব্যৱস্থা হোৱা উচিত ।

১২/৩/৮৩

# ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষাসমূহ

এইটো বিভিন্ন পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীৰ গুৰুত্বপূৰ্ণ পৰীক্ষাসমূহ আৰম্ভ হোৱাৰ সময় । ৰাজ্যখনৰ সাম্প্ৰতিক পৰিস্থিতিৰ কাৰণে ইতিমধ্যে স্নাতকোত্তৰ মহলাৰ পৰীক্ষাবোৰৰ দিন সলনি আৰু অনিশ্চিত হৈছে । প্ৰাক-বিশ্ববিদ্যালয় মহলাৰ পৰীক্ষা পিছুৱাই দিয়াৰ ফলত হাইস্কুলৰ শিক্ষান্ত পৰীক্ষাও পাছলৈ যাব । প্ৰা বি মহলাৰ পৰীক্ষা পাছ কৰি বহু ছাত্ৰ-ছাত্ৰীয়ে ৰাজ্যৰ বাহিৰৰ আৰু ভিতৰৰ শিক্ষানুষ্ঠানত পঢ়িব । সেইবোৰ শিক্ষানুষ্ঠানৰ পাঠ্যক্ৰম আৰম্ভ হোৱাৰ একোটা নিৰ্দিষ্ট সময় থাকে । অসমৰ ভিতৰৰ শিক্ষানুষ্ঠানসমূহত ছাত্ৰ-ছাত্ৰীৰ ভৰ্তিৰ সময় পৰিস্থিতিসাপেক্ষে সালসলনি কৰা হ'ব পাৰে, কিন্তু বাহিৰৰ শিক্ষানুষ্ঠানত সেইটো কৰা সম্ভৱ নহয় । আনহাতে, "এনে অৱস্থাত কেইজনমান ছাত্ৰ-ছাত্ৰীনো বাহিৰলৈ পঢ়িবলৈ যাব লাগিছে কিয় ?"— বুলি ভবাটো আমাৰ ভৱিষ্যতৰ বাবেই ক্ষতিকৰ । গতিকে এই প্ৰা বি পৰীক্ষাটো এটা নিৰ্দিষ্ট সময়ত অনুষ্ঠিত হোৱা আৰু এটা নিৰ্দিষ্ট সময়ৰ আগতে তাৰ ফলাফল ঘোষণা হোৱাটো প্ৰয়োজনীয় । তদুপৰি এই পৰীক্ষাটো হৈ নগ'লে, বিশেষকৈ পৰীক্ষা-কেন্দ্ৰৰ বাবে প্ৰয়োজনীয় ঘৰৰ অভাৱত, হাইস্কুল শিক্ষান্ত পৰীক্ষাসমূহ পাতিব পৰা নাযাব বুলি কোৱা শুনিছোঁ ।

পৰীক্ষা পতাৰ কথা আলোচনা কৰিলে ঘাইকৈ উত্থাপিত হোৱা কথা কেইটামান হ'ল . পৰীক্ষাৰ্থীৰ পঢ়া-শুনা কৰাৰ মন আৰু পৰিবেশ সকলো ঠাইতে সাধাৰণভাৱে, আৰু অশান্ত অঞ্চলত গুৰুতৰভাৱে বেয়া হৈছে, বহু শিক্ষানুষ্ঠানৰ ঘৰ ক্ষতিগ্ৰস্ত হৈছে বা চৰকাৰৰ শক্তি-বাহিনীৰ দখলত আছে, কিছুমান লোকৰ মতে এইটো চৰম ত্যাগৰ সময়, জাতিটোৰ ঘাই সমস্যাৰ তুলনাত বৰ্তমানে পৰীক্ষা পাছ কৰা-নকৰাটো সৰু কথা, এতিয়া পৰীক্ষা পাতিলে সক্ৰিয়ভাৱে আন্দোলনৰ লগত জড়িত ছাত্ৰ-ছাত্ৰীসকলৰ ফলাফল আশানুৰূপ নহ'ব । এনে ফলাফলে তেওঁলোকৰ ভৱিষ্যতৰ ওপৰত প্ৰতিকূল প্ৰভাৱ পেলাব । গতিকে পৰীক্ষা পাতিলে তেওঁলোকৰ কথাও বিবেচনা কৰিব লাগিব ।

এতিয়া, এইখিনি কথাৰ লগতে আৰু কেইটামান কথা বিচাৰ কৰিব লাগিব । সামগ্ৰিক উন্নয়ন আৰু মংগলৰ বাবে একে সময়তে ছাত্ৰ-ছাত্ৰীসকলৰ বিভিন্ন অংশই বিভিন্ন দিশত দক্ষতা আৰু যোগ্যতা অৰ্জন কৰিবই লাগিব । প্ৰতিভা আৰু ক্ষমতা অনুসৰি, এই সময়ছোৱাত, এদল ছাত্ৰ-ছাত্ৰীয়ে আৰু শিক্ষক-

শিক্ষয়িত্ৰীয়ে অতিৰিক্ত পৰিশ্ৰম কৰিবই লাগিব। সময় আৰু আৰ্থিক ব্যয়ৰ দিশটো হাজাৰ-হাজাৰ দুখীয়া অভিভাৱকৰ দৃষ্টিকোণৰ পৰাও চাব লাগিব। বৰ্তমানৰ এই ক্ষতিকৰ অৱস্থাৰ মাজতেই ক্ষতিৰ পৰিমাণ যিমান পৰা যায় কমাই ৰখাটোও আমাৰ কৰ্তব্য। এ'নেকৈ ৰথাবোৰ বিচাৰ কৰিলে দেখা যায়,— পৰীক্ষাসমূহ যিমান দূৰ সম্ভৱ সময়মতে অনুষ্ঠিত কৰাটোও এটা সামগ্ৰিক আন্দোলনৰে অংশ হ'ব লাগে।

ইতিমধ্যে পাঠ্যপুথি আদি সংগ্ৰহ কৰি ক্ষতিগ্ৰস্ত ছাত্ৰ-ছাত্ৰীক দিয়াৰ কাম আৰম্ভ হৈছে। আন্দোলনৰ কাৰ্যসূচী স্থগিত ৰাখি শান্তি স্থাপন, ক্ষতিগ্ৰস্তলোকৰ পুনৰসংস্থাপন আদি কামৰ আৰ্চনি লোৱা হৈছে। এই কামত অংশ লবলৈ বিশেষকৈ ছাত্ৰ ছাত্ৰীক অনুৰোধ কৰা হৈছে। এইখিনি কাম কৰোতে পৰীক্ষাৰ্থীসকলৰ প্ৰতি বিশেষ চকু ৰাখিব লাগে। শিক্ষানুষ্ঠানৰ ঘৰবোৰৰ পৰা চৰকাৰৰ শক্তি বাহিনীৰ লোকক আতৰাবই লাগিব। আন্দেলন পক্ষই এই সময়ত যদি শিক্ষা-জীৱনৰ মংগলৰ কাৰণে চিন্তা আৰু শক্তি ব্যয় কৰে, তাক চৰকাৰে দুৰ্বলতা বুলি গণ্য কৰিব নালাগিব। (এইয়ে আন্দোলন পক্ষই আন্দোলনৰ কাৰ্যসূচী স্থগিত ৰাখিব খুজিছে, তাক নব নিৰ্বাচিত চৰকাৰৰকৃতিত্ব বুলি বুজাবলৈ ইতিমধ্যে চেষ্টাচলোৱা হৈছেই।)

এনে পৰিস্থিতিত পৰীক্ষা পতা কৰ্তৃপক্ষসমূহেও অতিৰিক্ত চিন্তা আৰু কাম কৰাটো প্ৰয়োজনীয়। উদাহৰণস্বৰূপে, হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ সাধাৰণতে এটা ছাপ্লিমেণ্টেৰি পৰীক্ষা হয়। প্ৰযোজন হ'লে একে বছৰতে দুটা সম্পূৰ্ণ পৰীক্ষা পাতি বিশেষ পৰিস্থিতিৰ জোৰা মাৰিব পৰা যায় নে কি সেইটোও বিবেচনা কৰিব লাগিব।

২৮/৩/৮৩

# আচৰণৰ স্বাভাৱিক মাধুৰ্য

যোৰহাটৰ আঞ্চলিক গৱেষণা কেন্দ্ৰৰ সঞ্চালক ড. যোগেন্দ্ৰ নাথ বৰুৱাই যোৱা এপ্ৰিল মাহৰ দুই তাৰিখে নতুন দিল্লীৰ বিজ্ঞান ভৱনত বিজ্ঞান আৰু কাৰিকৰী দিশৰ গৱেষণাত কেন্দ্ৰটোৱে কৰা কামৰ স্বীকৃতি হিচাপে দিয়া এটা বঁটা গ্ৰহণ কৰে। বৈজ্ঞানিক কামত এই অঞ্চলৰ এটা প্ৰতিষ্ঠানে এনে স্বীকৃতি পোৱাটো আশা আৰু আনন্দৰ কথা। বাতৰি-কাকতৰ প্ৰথম পৃষ্ঠাৰ মুখ্য স্থানত ড বৰুৱাই বঁটা গ্ৰহণ কৰা এই ছবিখন দেখিয়েই ভাল লাগিছিল। কিন্তু তাৰ কেইদিনমানৰ আগতে এই সঞ্চালক গৰাকীক অসমৰ আন্দোলন-সংক্ৰান্ত ঘটনাত গ্ৰেপ্তাৰ কৰা হৈছিল। ঘটনাটো কি, গ্ৰেপ্তাৰ কৰাৰ কাৰণ কি সেই বিষয়ে আজিলৈকে আমি সবিশেষ জনা নাই। গতিকে সেই বিষয়ে এতিয়াই মন্তব্য দিয়াৰ কথাও হোৱা নাই। কিন্তু যিটো কথাই তৎক্ষণাৎ আমাক চিন্তিত কৰে, সেইটো হ'ল এই গ্ৰেপ্তাৰ কৰা কামটো। গ্ৰেপ্তাৰ এটা চূড়ান্ত পৰ্যায়ৰ কাম। এগৰাকী অতি উচ্চস্থানত,মৰ্যাদাসম্পন্ন স্থানত থকা চৰকাৰী বিষয়াক "গ্ৰেপ্তাৰ" কৰাৰ আগতে কি-কি কৰিব পৰা যায়, সেইবোৰ আমি সাধাৰণ জ্ঞানেৰে বিচাৰ কৰিব পাৰোঁ। ড বৰুৱাৰ অপৰাধ (যদি তেখেতে কৰিছে) সম্পৰ্কে জনাৰ লগে-লগে তেখেতক চোৰাংচোৱাই ঘেৰিব পাৰে, লগে-লগে দিল্লীৰ পৰা জ্যেষ্ঠ বিষয়াৰ দল আহিব পাৰে, অনুসন্ধান আৰু জেৰা চলিব পাৰে, তাৰ পাছত সঞ্চালকজন নিলম্বিত হ'ব পাৰে, বা চূড়ান্ত পৰ্যায়ত গ্ৰেপ্তাৰো হ'ব পাৰে। নাইবা অপৰাধৰ উমান পোৱাৰ লগে-লগে কেন্দ্ৰই সঞ্চালকজনক দিল্লীলৈ মতায়ো নিব পাৰে। কিন্তু পোনে-পোনেই গ্ৰেপ্তাৰ,—ঘটনাটো উদ্বেগজনক। আগৰ ৰাজ্যপাল শ্ৰীলালন প্ৰসাদ সিঙে এটা প্ৰসংগত হেনো কৈছিল— এই দেশখনত grace বোলা বস্তুটো নাইকিয়া হ'ল। আইনৰ বাহিৰেও এই grace অৰ প্ৰশ্নটো সদায় ৰাজনীতি আৰু সমাজনীতিত জড়িত হৈ থাকিব লাগে। আৰু এটা কথা, দৰাচলতে এই কথাখিনি কেৱল উচ্চপদস্থ ব্যক্তিগৰাকীৰ ক্ষেত্ৰতেই নহয়, নিম্নবৰ্গৰ চাকৰিয়ালৰ ক্ষেত্ৰতো খাটিব লাগে, কিন্তু, তথাপি, ৰিজিঅ'নেল ৰিছাৰ্চ লেবৰেটৰিৰ ডাইৰেক্টৰ গৰাকীক গ্ৰেপ্তাৰ কৰা হ'ল— এই ঘটনাটোৰ গুৰুত্বটো বেলেগ ধৰণৰ আৰু ইয়াৰ ফলাফলো সুদূৰপ্ৰসাৰী।

নিজৰ কৃতকৰ্ম যুক্তিযুক্ত বুলি প্ৰমাণ কৰিবলৈ যিকোনো এজন লোকক অপৰাধী সাব্যস্ত কৰাটো আজিৰ ভাৰতত সাধাৰণ কথা হৈ পৰিছে কাৰণে এনে ধৰণৰ ঘটনা অধিক ভয়াবহ।

১২/৪/৮৩

# দুঃসাহস

ৰাজনীতিত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাটো সকলোৱে কাম নহয় আৰু হ'ব নালাগেও। প্ৰত্যেকৰে নিজৰ নিজৰ গুণ অনুসৰি কৰ্মক্ষেত্ৰ আছে, সেই ক্ষেত্ৰৰ কামখিনি নিয়াৰিকৈ কৰা আৰু সেই গুণৰ উৎকৰ্ষৰ বাবে চেষ্টা কৰাও দেশসেৱা। কিন্তু ৰাজনীতিৰ সামগ্ৰিক ক্ষমতা ইমান প্ৰবল আৰু ব্যাপক যে সেই ক্ষেত্ৰত কেনে গুণৰ লোকে কাম কৰিছে, সেই কথাই অন্যান্য ক্ষেত্ৰৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰে। সেই কাৰণেই আশা কৰা হয়,— চিন্তাশীল, কৰ্মক্ষম, সৎ, সংস্কৃত মনৰ লোকে ৰাজনীতি কৰক।

কিন্তু পৃথিৱীৰ ভালেমান অনুন্নত, দুখীয়া দেশৰ লগতে ভাৰততো ৰাজনীতি ইমান লেতেৰা বুলি প্ৰতিপন্ন হৈছে যে সৎভাৱে ৰাজনীতিৰ কাম কৰিবলৈ প্ৰতিভাসম্পন্ন, দক্ষ, গুণী, শান্তিপ্ৰিয় লোক আগবাঢ়ি নহা হৈছে। অসমৰ ক্ষেত্ৰত অৱস্থাটো বৰ্তমানে আৰু বেছি সংগীন। অভিজ্ঞ, নিস্বাৰ্থ আৰু নিৰপেক্ষ পৰ্যবেক্ষকসকলৰ মন্তব্যৰ সাৰাংশ বৰ্তমানে এনেকুৱা গোপীনাথ বৰদলৈৰ শাৰীৰ ৰাজনীতিবিদ আৰু কৰ্মী অসমত আৰু নোলাল, তথাপি ষাঠিৰ দশকৰ শেষ মানলৈকে ক্ষমতাৰ আসনৰ পৰা ৰাজনীতি কৰাসকলৰ প্ৰতি জনসাধাৰণৰ এটা মোটামুটি সমীহৰ ভাব আছিল, কিন্তু যোৱা দহবছৰমানত অৱস্থাটোৰ বৰ বেছিকৈ পতন ঘটিছে, এনে বহুলোক ৰাজনীতি ক্ষেত্ৰৰ আগশাৰীলৈ আহিছে— যিসকলৰ গুণ, দক্ষতা আদিৰ সম্পৰ্কত সাধাৰণভাৱে শ্ৰদ্ধাৰ ভাব পোষণ কৰাই টান। বৰ্তমানৰ আন্দোলনৰ ফলত গৰিষ্ঠসংখ্যক লোকৰ দলীয় ৰাজনীতিৰ প্ৰতি কি ভাব হ'ল, বা যোৱা নিৰ্বাচনত কেনেকুৱা লোক দলীয় ৰাজনীতিৰ আগশাৰীলৈ আহিল, সেইবোৰ কথাই অৱস্থাটো উৎকটহে কৰিলে, কিন্তু তাৰ আগৰ পৰাই এটা অশ্ৰদ্ধামূলক অৱস্থাৰ আৰম্ভ হৈছিল।

ফলত হৈছে কি,— দক্ষতা থকা, চিন্তাশীল, সৎ মানুহে ৰাজনীতি লেতেৰা বস্তু বুলি তাৰ পৰা আঁতৰি থাকিব খুজিছে, সেই ঠাই পূৰাইছে অযোগ্য লোকে, অযোগ্য লোকে ঠাই বেছি লেতেৰা কৰিছে, গতিকে অধিকসংখ্যক চাফা মানুহ আৰু বেছি দূৰলৈ আঁতৰি গৈছে। শেষত বহুতৰ কাৰণে ৰাজনীতি ঘৃণনীয়েই হৈ পৰিছে। কোনোবা এজন লোকক তেখেতৰ চিন্তা-চৰ্চা, কৰ্মক্ষমতা আদি দেখি যদি কওঁ,— আপুনি ৰাজনীতিৰ কামত যোগ দিয়ক, সদস্য হওক, অমুক বাবটো লৈ

কাম কৰক, তেতিয়া উত্তৰটো প্ৰায়েই একে ধৰণৰ হয় "গোটেই যন্ত্ৰটোৱেই এনেকুৱা যে তাৰ মাজত কোনেও ভাল কাম কৰিব নোৱাৰে। আদৰ্শবান হৈ, নিস্বাৰ্থভাৱে ভাল কাম কৰিবলৈ শপত খাই আৰম্ভ কৰক, আপুনি উফৰি পৰিব লাগিব।"

কিন্তু জনসাধাৰণৰ জীৱন সঞ্চালিত কৰা আটাইতকৈ প্ৰভাৱশালী শক্তি ৰাজনীতিক সেই ক্ষেত্ৰত অৰ্হতা থকা, দক্ষতাসম্পন্ন, নিস্বাৰ্থভাৱে কাম কৰিব খোজা সৎ লোকসকলে এনেকৈ লেতেৰা বস্তু বুলি আতৰাই ৰাখিলে অৱস্থাটো শোচনীয় হৈ পৰিব আৰু তাৰ ফলত জনসাধাৰণৰেই দুৰ্ভোগ হ'ব। গতিকে, দুঃসাহস কৰি হ'লেও তেনে চৰিত্ৰৰ এদল লোক আগবাঢ়ি অহাটো প্ৰয়োজনীয়। সেই লোকসকলে মৰো-জীও-সো-আধিকৈ এবাৰ যুদ্ধ কৰি চাব লাগে। লেতেৰা, অযোগ্য লোকৰ নৈতিক বল নাথাকে, ভিতৰি ভিতৰি তেওঁলোক কাপুৰুষ। তেওঁলোকে সদায় সকলোকে ওফৰাই পেলাব নোৱাৰে। এই কথাটোৰ সত্যাসত্যৰো এটা পৰীক্ষা হ'ব লাগে।

২৮/৪/৮৩

# 'অপৰাজেয়'

ডেকাসকলক বিপথে পৰিচালিত কৰা, প্ৰচলিত ধৰ্মীয় চিন্তাৰ বিৰোধিতা কৰা, নতুন চিন্তাধাৰাৰ প্ৰবৰ্তন কৰা,— এনেবোৰ দোষত ছক্ৰেটিছক মৃত্যুদণ্ড বিহা হৈছিল। সত্য, আদৰ্শ আৰু আত্ম-সংহতিৰ প্ৰতি থকা অবিচলিত নিষ্ঠা আৰু গভীৰ নীতিবোধে এই দাৰ্শনিক গৰাকীক মৃত্যুৰ দুৱাৰডলিত থকা সময়কণতো মহত্বৰ সৌন্দৰ্যৰে সুন্দৰ কৰি তুলিছিল। তেওঁক দণ্ড দিয়া হৈছিল,— হেমলক বিষ পান কৰি তেওঁ মৃত্যুবৰণ কৰিব লাগিব। সেই মুহূৰ্ত্তটো অহাৰ আগে-আগে ছক্ৰেটিছে গা ধুলে। তেওঁৰ পৰিয়ালৰ মানুহবিলাক আহিল, শিষ্য ক্ৰিটোৰ উপস্থিতিত তেওঁ তেওঁলোকক দিহা-পৰামৰ্শ দিলে। বিষয়াসকলৰ যিজনৰ ওপৰত বিষখিনি দিয়াৰ দায়িত্ব আছিল, তেওঁ আহি ছক্ৰেটিছৰ সমুখত অনুতাপ কৰিলে। যথা সময়ত ছক্ৰেটিছে হেমলকৰ পিয়লা হাতত তুলি ললে আৰু শান্তভাৱে বিষখিনি পান কৰিলে। অলপ পৰ খোজ কঢ়াৰ পাছত তেওঁৰ ভৰি দুখন অবশ হৈ আহিল। তেওঁ বিছনাত শুলে। শেষ মুহূৰ্তটো ওচৰ চাপি আহিল। তেওঁ ক্ৰিটোক ক'লে, "ক্ৰিটো, মোৰ এছক্লেপিয়াছক এটা কুকুৰা দিবলৈ থাকিল। তুমি ধাৰটো শুজিবানে ?"

ক্ৰিটোৱে ক'লে, "ধাৰটো শুজা হ'ব। আৰু কিবা থাকিল নে ?"

ক্ৰিটোৰ প্ৰশ্নৰ উত্তৰ নাহিল। ছক্ৰেটিছৰ চকু-মুখ থৰ হৈ গ'ল।

জন আৰ্নষ্ট ষ্টাইনবেকৰ (জন্ম ১৯০২, নোবেল বঁটা ১৯৬২, মৃত্যু ১৯৬৮) উপন্যাস 'দি মুন ইজ ডাউন'ৰ মুখ্য চৰিত্ৰ মেয়ৰ অৰ্ডেনৰ শেষৰ সময়খিনিৰ বৰ্ণনা, আৰু প্ৰকাশভংগীয়ে লেখকৰ চিন্তা আৰু প্ৰতিভাক শ্ৰদ্ধেয় কৰি তুলিছে। নিজৰ ঠাইডোখৰ, নিজৰ মানুহখিনিক গভীৰভাৱে ভাল পোৱা, নিজৰ দায়িত্ব সম্পৰ্কে সজাগ, মানুহৰ মুক্ত অৱস্থা সম্পৰ্কে এক অবিচলিত নীতি পোষণ কৰা এই নেতাজনক এখোজ-এখোজকৈ স্বাধীনতা হৰণ কৰা প্ৰতিপক্ষৰ গৰালৈ আগবঢ়াই নিয়া হৈছিল। নিজৰ জীৱন-দৰ্শন আৰু চাৰিওফালৰ মানুহৰ প্ৰতি থকা তেওঁৰ বিচাৰ-বুদ্ধিৰ ফলত তেওঁ শেষ সময়ত কেনেকৈ লাহে-লাহে ছক্ৰেটিছৰ লগত একাত্ম হৈ পৰিল, সেইখিনি লেখকে বৰ মুগ্ধকৰ ৰূপত ৰচনা কৰিছে। অন্যায়ভাৱে মেয়ৰক বন্দী কৰা হৈছে, অন্যায়ভাৱে তেওঁক দণ্ড দিয়াৰ আয়োজন চলিছে, আৰু

সেই সময়ত মনত পৰো-নপৰোঁকৈ অথচ শুদ্ধভাৱে তেওঁৰ মনত পৰিছে ছয়ছল্লিছ বছৰৰ আগতে পঢ়া ছক্ৰেটিছৰ উক্তিসমূহ। ছক্ৰেটিছৰ পৰিয়ালৰ মানুহৰ ৰূপত আবিৰ্ভূত হৈছে মেয়ৰৰ পৰিবাৰ আৰু পৰিচাৰিকা। নিজৰ স্বাৰ্থত অন্যায় কৰি, বিবেকৰ খোচত শংকিত, বিভ্ৰান্ত, অস্থিৰ হৈ পৰা বিষয়াজনৰ চৰিত্ৰত ধীৰে-ধীৰে বিলীন হৈছে কৰ্নেল লেন্সাৰ। অন্যায় দণ্ডত দণ্ডিত হোৱাজনৰ দায়িত্ব, কৰ্তব্য, গৌৰৱৰ চিনৰূপে ডিঙিত ওলমিছে মেডেলিয়ন থকা চেইনডাল।

সময় যিমানে পাৰ হ'ল, জ্ঞান চিন্তা দৰ্শন আৰু সংকটে মেয়ৰক সিমানে ছক্ৰেটিছৰ অতি ওচৰ চপাই নিলে, আৰু শেষ মুহূৰ্তত তেওঁ ছক্ৰেটিছৰ লগত কেৱল একাত্ম হৈয়েই নৰ'ল, তেওঁ নিজেই ছক্ৰেটিছ হৈ পৰিল। সেই মুহূৰ্তত তেওঁৰ ঘনিষ্ঠতম বন্ধু ড উইন্টাৰ হৈ পৰিল প্ৰিয় শিষ্য ক্ৰিটো, আৰু তেওঁৰ মুখেদি ওলাই আহিল— "ক্ৰিটো, মোৰ এছক্লেপিয়াছক এটা কুকুৰা দিবলৈ থাকিল।"

সাহিত্যত এনে অনুভূতি আৰু প্ৰকাশ সদায় এক গভীৰ অনন্দৰ উৎস হৈ থাকে। উপন্যাসখন অনুবাদ কৰি প্ৰান্তিকক দিয়াৰ বাবে শ্ৰী যোগেশ দাস আমাৰ ধন্যবাদৰ পাত্ৰ। ছক্ৰেটিছৰ জীৱনৰ শেষ সময়ৰ কথাখিনি কেনেবাকৈ কাৰোবাৰ মনলৈ নাহিলে 'অপৰাজেয়'ৰ শেষৰ সৌন্দৰ্যখিনিও হেৰাব পাৰে,— ওপৰৰ কথাখিনি লিখাৰ সেইটোও এটা কাৰণ।

১২/৫/৮৩

# কিছুমান বিষয়, কিছুমান "সমস্যা"

আমাৰ মেজত থকা চিঠি পত্ৰ, প্ৰবন্ধ আদিত চকু ফুৰালে ৰাজ্যখনৰ সমস্যাবোৰৰ সংখ্যা, গভীৰতা, জটিলতা আদিৰ লগত সশৰীৰে মুখামুখি হোৱা যেনেই লাগে। বাংলাদেশৰ বিষয়াই কৈছে— ভাৰতত এজনো বাংলাদেশী নাই। অসম-অৰুণাচলৰ সীমা লৈ বিবাদ আছেনে ? আছে। মীমাংসা ? নাই হোৱা। অসম নগালেণ্ডৰ সীমা সম্পৰ্কে ? বিবাদ আছে, মীমাংসা নাই হোৱা। অসম-মেঘালয়ৰ সীমা সম্পৰ্কে বিবাদ আছে, মীমাংসা হোৱা নাই। অসম-বাংলাদেশ সীমা ? বোধহয় সীমাই নাই, সেই কাৰণে বিবাদো নাই মীমাংসাও নাই। আৰু ৰাজ্যখনৰ ভিতৰত ? কাছাৰত ৰাজধানীৰ একাংশ ? একাউন্টেন্ট জেনেৰেলৰ অফিছৰ একাংশ ? কেন্দ্ৰীয় বিশ্ববিদ্যালয় ? কাৰবি আংলং, উত্তৰ কাছাৰ জিলা, কামৰূপ, গোৱালপাৰা, দৰঙৰ একাংশ স্বায়ত্ত শাসিত অঞ্চল ? পূৰ্বোক্তৰ সীমা ৰেলৰে মানে ৰাজ্যখনৰ ভিতৰতে আন এখন ৰাজ্য ? ৰাজ্যখনৰ উন্নয়ন ? যোৱা নিৰ্বাচনটো মন আৰু বিবেকৰ মূৰত ভিতৰফালে কাইট থকা টুপীৰ নিচিনাকৈ উঠি আছে ? বহুতো সমস্যা। প্ৰত্যেকটো সমস্যাই জটিল। যুগপৎ, সমান্তৰালভাৱে নিশ্চয় এই সকলো সমস্যাৰ সমাধানৰ চেষ্টা চলি থাকিব। এই চেষ্টাত এইখন ৰাজ্যৰ মানুহেই মুখ্য ভূমিকা লব লাগিব। কিন্তু আমাৰ কাৰ্যক্ষম, শক্তিশালী, প্ৰতিভাশালী মানুহৰ সংখ্যা কম। আমাৰ সমস্যাৰ সংখ্যাও কম হ'ব লাগে। গতিকে একোটা বিষয়ক "সমস্যা"ৰ পৰ্যায়লৈ তোলাৰ আগতে আমি সাৱধান হ'ব লাগে। উদাহৰণস্বৰূপে, আমাৰ মেজত থকা কেইবাখনো চিঠি, কেইবাটাও প্ৰবন্ধৰ বিষয়বস্তু হ'ল মেখেলা-চাদৰ। এই লেখাসমূহৰ মূল সুৰটো হৈছে— অসমীয়া মানুহে মেখেলা-চাদৰক প্ৰাপ্য মৰ্যাদা দিয়া নাই। আমাৰ কৃষ্টি-সংস্কৃতি-বৈশিষ্ট্য লাহে-লাহে কালৰ গৰ্ভত— ইত্যাদি। সুৰত খং, হতাশা, আক্ৰমণৰ স্বৰ।

এইটো উদাহৰণকে ফঁহিয়াই চোৱা যাওক। আচলতে অসমীয়া মানুহে মেখেলা-চাদৰক অনাদৰ কৰিবলৈ লৈছেনে ? মইতো ব্যক্তিগতভাৱে এইবিধ সাজক অনাদৰ-অৱহেলা-অৱজ্ঞা কৰা অসমীয়া মহিলাৰ মুখামুখি এতিয়াও হোৱা নাই। গাঁও অঞ্চলতটো অসমীয়া তিৰোতাৰ গাত মেখেলা-চাদৰৰ বাহিৰে আন সাজ কাচিৎহে চকুত পৰে, "সমস্যা"টো হৈছে গাৱঁৰ সামান্য সংখ্যক পঢ়া-শুনা কৰা ছোৱালী আৰু চহৰৰ মানুহখিনিক লৈ। কিন্তু এই মানুহখিনিয়ে বিভিন্ন কাৰণত (আৰু এই কাৰণবোৰৰ আটাইবোৰ অযুক্তিকৰ নহয়) যিয়েই নিপিন্ধক, মেখেলা চাদৰৰ প্ৰতি অশ্ৰদ্ধা, সেই

সাজবোৰ বেয়া বুলি ভবা,— এইটো এটা কাৰণ বুলি তেওলোকৰ কোনেও গণ্য কৰা নাই। আনকি দিল্লী-বোম্বাই লণ্ডনতো একোটা বিশেষ উপলক্ষ্যত ভালৰো ভাল মেখেলা-চাদৰযোৰহে পিন্ধাটো এতিয়াও প্ৰায় প্ৰত্যেক অসমীয়া তিৰোতাৰ প্ৰিয় অভ্যাস হৈ আছে। বিয়া-সবাহ-শ্ৰাদ্ধত অসমীয়া মহিলাই মেখেলা চাদৰৰ বাহিৰে আন সাজ পিন্ধিবলৈ লাজ পায়। এটা সময়ত যিমানেই জিন-কুৰ্তা-মেক্সি নিপিন্ধক, আন এটা সময়ত আমাৰ ছোৱালীয়ে গভীৰ প্ৰীতি আৰু শ্ৰদ্ধাৰে মেখেলা-চাদৰ গ্ৰহণ কৰে। অৱশ্যে অন্তৰেৰে মেখেলা-চাদৰ বেয়া পোৱা অসমীয়া তিৰোতা, ভাৰতীয় সাজ বেয়া পোৱা ভাৰতীয় তিৰোতা— তেনেকুৱা এভাগ মানুহ সকলোতে সদায় আছে, থাকিবই। মাক দেউতাকক দেখিব নোৱৰা মানুহো কিমান আছে! কিন্তু এই ভাগটোৰ বাহিৰে বাকীসকলৰ সৌন্দৰ্যবোধ, ৰুচি, কাপোৰৰ দাম, সুবিধা আদি এনেকুৱা কিছুমান কাৰণ আছে,যিবোৰৰ শ্ৰদ্ধা-মৰমৰ লগত কোনো বিবাদ নাই। গতিকে, মেখেলা চাদৰৰ নিচিনা কিছুমান বিষয়ক "সমস্যা"ৰ পৰ্যায়লৈ তুলি ল'লে সদ্যহতে আমাৰ ক্ষতি হ'ব। বৰঞ্চ এনেকুৱা বিষয়বোৰক আনধৰণেহে চাব লাগে। পোন্ধৰ বছৰৰ আগতে এখন মুগাৰ মেখেলাৰ দাম আছিল বিছ টকা, আজি এশ টকা। অসমৰ বিভিন্ন ঠাইৰ পৰা ভাৰে-ভাৰে মুগাৰ লেটা বাহিৰৰ কাপোৰ-কললৈ গুচি যায়। মুগা-পাটৰ উৎপাদন অসমত বিপদজনকভাৱে কমি গৈছে। কপাহী কাপোৰৰ শিপিনীৰ দুৰ্দশা হৈছে। অসমৰ প্ৰতিখন গাঁৱত যদি মাত্ৰ চাৰিজনমান ডেকা-গাভৰুৱে আজিৰ পৰা এই কথাবোৰলৈ লক্ষ্য ৰাখিবলৈ আৰম্ভ কৰে, আৰু প্ৰয়োজনীয় কাম কৰে, এওলোকৰ কামৰ ফলস্বৰূপেই যদি এসময়ত উচিত মূল্যত, দিনটোৰ বিভিন্ন সময়ত পিন্ধাৰ উপযোগী মেখেলা-চাদৰ প্ৰচুৰ পৰিমাণে বজাৰত পোৱা যায়, তেনেহ'লে কেইবাটাও দিশত আমাৰ মংগল হয়।

ঠিক এনেকুৱা ভালেমান বিষয় আছে, যিবোৰক "সমস্যা" বুলি গ্ৰহণ নকৰি আমাৰ বিশ্লেষণ আৰু কৰ্তব্যৰ কেন্দ্ৰ বুলিহে ধৰিব লাগে।

দেশৰ এই পৰিস্থিতিত ইমান "সৰু" কথা এটাৰ কাৰণে এই পৃষ্ঠাটো খৰচ কৰিছো,— আন কেইটামান পৃষ্ঠা বাচিব বুলিহে।

২৭। ৫। ৮৩

# খনন-কাৰ্য

আমবাৰীৰ টেক্সটাইল ইনষ্টিটিউটৰ বহু আকাংক্ষিত ঘৰ এটা সজাবলৈ মাটি খান্দোতে মূৰ্তি এটা ওলাইছে।

বহু বছৰৰ আগতে গুৱাহাটী বিশ্ববিদ্যালয় চৌহদৰ এটা টিলাৰ কাষত মাটি খান্দোতে নাওৰ আকৃতিৰ বস্তু এটা ওলাইছিল। খবৰটো বিয়পি পৰাৰ লগে-লগে কেইবাদিনলৈকে চাৰিওফালৰ পৰা অগণন মানুহ "নাওখন" চাবলৈ আহি আছিল। সেই কেইদিন ঠাইডোখৰত মেলা বহা যেন দেখা গৈছিল। বস্তুটো কি হ'ব পাৰে, কেতিয়াৰ বস্তু হ'ব পাৰে—এই লৈ সেই কেইদিন দৰ্শকৰ মাজত নানান আলোচনা চলিছিল। শৰাইঘাটৰ যুঁজৰ সময়ত সেনাৰ চাউনিত খাদ্য থোৱা পাত্ৰ ? মনসা দেৱীৰ লগত সম্পৰ্ক থকা যান-বাহন জাতীয় বস্তু ?

শেষ পৰ্যন্ত বিশ্ববিদ্যালয় কৰ্তৃপক্ষই "নাওখন" সুৰক্ষিত কৰিবলৈ ঠাইডোখৰৰ ওপৰত এটা ঘৰ সজাই দিলে। এতিয়া সেই অঞ্চলৰ নতুন চাম লোকৰ বহুতেই বোধকৰোঁ সেই ঘৰটোৰ সবিশেষ নাজানে। লাহে-লাহে যেন "নাওখন"তো বাদেই, সেই ঘৰটোনো কেতিয়া কিয় সজোৱা হৈছিল, সেইবোৰহে সুধিবলগীয়া কথা হৈ আহিছে। "নাওখন"ৰ ইতিবৃত্ত নিৰ্ণয় কৰা হ'ল বুলি এতিয়াও শুনা নাই।

চৈধ্য বছৰমানৰ আগতে গুৱাহাটীৰ আমবাৰীত ৰিজাৰ্ভ বেংকৰ ঘৰ সাজিবলৈ মাটি খান্দোতে ভালেমান পুৰণি বস্তু-বাহানি, মূৰ্তি আদি ওলাল। তাৰ পাছৰ কিছুদিনৰ বাতৰিকাকত খানিলে গম পোৱা যাব—সেই ঘটনাটো লৈ কিমান ডাঙৰ হুলস্থুল হৈছিল। দৰ্শকৰ ভিৰ, বিজ্ঞানীৰ ভিৰ , নেতৃস্থানীয় লোকৰ ভিৰ, সভা-সমিতি, প্ৰস্তাৱ-পৰামৰ্শ। শেষ পৰ্যন্ত ৰিজাৰ্ভ বেংক কৰ্তৃপক্ষই বুৰঞ্জী-সংস্কৃতিৰ স্বাৰ্থত সেই ঠাইডোখৰেই এৰি দিলে। "আমবাৰীৰ খনন-কাৰ্য" বহুদিনৰ কাৰণে এটা গুৰুত্বপূৰ্ণ কথা হৈ পৰিল। ভাৰত চৰকাৰৰ সংশ্লিষ্ট বিভাগে খনন-কাৰ্য চলাবলৈ গুৱাহাটী বিশ্ববিদ্যালয়ক অনুমতি-পত্ৰ দিলে। বন্দবস্ত হ'ল,—অসমৰ প্ৰত্নতত্ত্ব বিভাগৰ লগত বিশবিদ্যালয়ে যুটীয়াভাৱে খনন-কাৰ্য চলাব। অলপ খনন-কাৰ্য চলিল। এসময়ত মাটি জাপি ঠাইডোখৰ বন্ধ কৰি পেলোৱা হ'ল। ঠাইডোখৰ আজিলৈকে ঠিক তেনেকৈয়ে আছে। একালত সেইডোখৰ ঠাইত কি আছিল, সেই বস্তুবোৰ কাৰ দিনৰ, সেইবোৰৰ ঐতিহাসিক-সাংস্কৃতিক গুৰুত্ব কিমান, —এইবোৰ কথা ৰাইজে আজিও সঠিকভাৱে কাৰো পৰা নাজানিলে। খনন-কাৰ্য বন্ধ হোৱাৰ গুৰিত বিশ্ববিদ্যালয় আৰু প্ৰত্নতত্ত্ব বিভাগৰ মাজত টনা-আঁজোৰা বা ছছিয়েল এনথ্ৰ'প'লজি আৰু ফিজিকেল এনথ্ৰ'প'লজি— এই দুটা বিষয়ৰ লোকৰ মাজত টনা-

আজোৰা,—এনেকুৱা বহুত অসাংস্কৃতিক কথা শুনা যায়, কিন্তু সেইবোৰ কাৰণ বিচাৰি বেলেগ এটা খনন-কাৰ্য চলোৱাৰ প্ৰতি কোনো সংস্কৃত মনৰ লোকৰ ইচ্ছা নাই, কিন্তু বহুতৰে আশা,—যি গুৰুত্ব উপলব্ধি কৰি বিজাৰ্ভ বেংক কৰ্তৃপক্ষই কাম বন্ধ কৰি ঠাইডোখৰ এৰি দিছিল, যি গুৰুত্ব উপলব্ধি কৰি ইমানবোৰ গুণী-জ্ঞানী লোকে নানান দিহা-পৰামৰ্শ দিছিল, সেই গুৰুত্বক সন্মান জনাই আমাৰ বিজ্ঞানীসকলে যোৱা চৈধ্য বছৰত আমবাৰী সম্পৰ্কীয় কামখিনি শেষ কৰিব লাগিছিল। মাটিৰ তলত কিবা এটা ওলালেই যে সেই ঠাইডোখৰ মূল্যবান প্ৰত্নতাত্ত্বিক ঠাই হৈ পৰে, সেইটো সদায় সঁচা নহয়। এনেকুৱাও হ'ব পাৰে যে তাত ওলোৱা বস্তু-বাহানিৰ নিচিনা বস্তু আন বহুত ঠাইত পোৱা গৈছে, সেইবোৰৰ ইতিবৃত্ত জনা গৈছে, প্ৰতিনিধিত্বমূলক বস্তুবোৰ সংৰক্ষিত কৰা হৈছে, গতিকে এইডোখৰ ঠাইত অধিক খনন কৰা প্ৰয়োজন নাই, এইডোখৰ ঠাই সংৰক্ষিত কৰি অৰ্থব্যয় আৰু ঠাই বন্ধ কৰাৰ প্ৰয়োজন নাই, ঠাইডোখৰৰ কিছু বস্তু নমুনা হিচাপে সংগ্ৰহ কৰি ৰখা হ'ল, তাৰ ইতিবৃত্ত লিপিবদ্ধ কৰা হ'ল—এতিয়া ঠাইডোখৰ প্ৰত্নতাত্ত্বিক দিশৰ পৰা এৰি দিয়া হ'ল, তাত পাৰ্ক কৰা, ভলিবলৰ পথাৰ কৰা—কি কৰা কৰিব পাৰা। কিন্তু তাকোতো ক'ব লাগিব ! আমবাৰী সম্বন্ধে যদি তেনেকুৱা এটা সিদ্ধান্ত লৈ থোৱা থাকিলহেঁতেন, তেনেহ'লে আজি টেক্সটাইল ইনষ্টিটিউটৰ ঘৰ সাজিবলৈ মাটি খান্দোতে মূৰ্তি এটা পোৱাৰ পাছত ঠাইডোখৰ সম্বন্ধে সিদ্ধান্ত লবলৈ সহজ হ'লহেঁতেন।

কি কাৰণে আমাৰ ইয়াত এইবোৰ কাম কৰা নহয় ? গভীৰ আগ্ৰহ থকা, যোগ্যতা থকা, প্ৰতিভা থকা, ৰাজনৈতিক কূটবুদ্ধি নথকা বিজ্ঞানী আমাৰ মাজত নাই,—এইটোৱেই প্ৰধান কাৰণ নে কি ? ধৰি ললো, তেনে বিজ্ঞানী আছে। কিন্তু আবেলি পৰত, ফৰকাল বতৰত, খেলপথাৰৰ মাজত ফুটবল এটা থৈ সুদক্ষ, নিৰোগী ফুটবল খেলুৱৈ কেইজনমানক লাইনৰ বাহিৰত বহুৱাই থোৱাটো তেওঁলোকৰ কাৰণে যি ধৰণৰ শাস্তি, আমবাৰীৰ ক্ষেত্ৰত সেই বিজ্ঞানীসকলেও তেনে শাস্তিৰ যন্ত্ৰণা অনুভৱ কৰিব লাগিছিল।

১২/৬/৮৩

# আবিষ্কাৰ

নাটক, নাট্যমঞ্চ আৰু অন্যান্য সাংস্কৃতিক কাৰ্যত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিবলৈ লোৱা এজন যুবকে কিছুদিনৰ আগতে কলে : আমি একোখন নতুন নাটক লিখি মঞ্চস্থ কৰিছিলো, কেতিয়াবা আবৃত্তিৰ অনুষ্ঠানৰ আয়োজন কৰিছিলো। এইবোৰৰ পৰা আমাৰ কিছুমানৰ মাজত অন্তত এটা চৰ্চাৰ পৰিৱেশ আৰু মানসিকতা গঢ়ি উঠিছিল। এতিয়া সেইবোৰ বন্ধ হ'ল। একো নকৰোঁতে-নকৰোঁতে এতিয়া আমাৰ সেই কিবা এটা সৃষ্টি কৰাৰ শক্তিটোত মামৰে ধৰা যেন হ'ল। এনে হোৱাৰ কাৰণ হিচাপে তেও স্বাভাৱিকতে ৰাজ্যখনৰ সামগ্ৰিক পৰিস্থিতিটোৰ কথা উল্লেখ কৰিলে।

তাৰ কিছুদিনৰ ভিতৰতে আৰু দুজনমান যুৱকৰ লগত একেটা বিষয়ৰে আলোচনা হ'ল। এই আলোচনাবোৰৰ পৰা ওলোৱা মূল কথাকেইটা হ'ল প্ৰথমতে, কিবা এটাৰ আয়োজন কৰিলে অন্তত অনুপ্ৰেৰণা আৰু খৰচখিনিৰ আংশিক উদ্ধাৰৰ কাৰণে কিছু দৰ্শক লাগে। কিন্তু আজিকালি কিবা এটা চাবলৈ ওলাই আহিবলৈ সাধাৰণতে দৰ্শকৰ মনটো মুকলি নহয়। বিশেষ কিবা এটা হ'লেহে কিছুসংখ্যক দৰ্শক ওলাই আহে। কিন্তু এই যুবক-যুবতীসকলে যি কৰে, সি পোনে-পোনেই "বিশেষ" নহ'বও পাৰে। "সন্ধিয়াৰ পাছত ওলাবলৈ ভয়" কৰা কামটো লাহে-লাহে যিসকলৰ অভ্যাসত পৰিণত হৈছে, এওলোকৰ দৰ্শকসকলৰ বেছিভাগ সেইসকলৰ ভিতৰতে আছে। দ্বিতীয়তে, ৰাজ্যখনৰ এই ভয়াবহ পৰিস্থিতিত সদ্যহতে যিবোৰ কৰিবলগীয়া কাম, তাৰ ভিতৰত তেওলোকে কৰিব খোজা কামবোৰ নপৰে বুলি যদি কোনোবাই সমালোচনা কৰে ? তৃতীয়তে, মঞ্চাভিনয় আবৃত্তি আদিৰ বাবে নাটক কবিতা আদি ৰচনা কৰিলে সেইবোৰত বৰ্তমান পৰিস্থিতিৰ প্ৰত্যক্ষ ছাব নাথাকিলে অনাদৰৰ সন্মুখীন হ'বলগীয়া হ'ব নে কি ? আৰু যদি থাকে, তেনেহলে ৰাজৰোষত পৰিবলগীয়া হ'ব নে কি ?

যুবকসকলৰ এই কথাবোৰ বিবেচনাযোগ্য। এটা দিশৰ পৰা বিবেচনা কৰি —'ৰাজ্যখন আৰু জাতিটোৰ হকে মানুহৰ দুৰ্ভোগ হৈছে, মৃত্যু হৈছে, সা-সম্পত্তিৰ ক্ষতি হৈছে, গতিকে এতিয়া এনেবোৰ কামত শক্তি-সময় অৰ্থ ব্যয় কৰিব নালাগে'— বুলি আলোচনা শেষ কৰি থব পাৰি। ক'ব পাৰি— ৰাজ্যখনৰ অন্যান্য উন্নয়নমূলক কামবোৰো স্থবিৰ বা বাধাপ্ৰাপ্ত হৈছে, গতিকে নাটক-কবিতা, গীত মাতৰ কথাবোৰেও এতিয়া অপেক্ষা কৰিব পাৰে। কিন্তু আন কেইবাটাও দিশৰ পৰা বিবেচনা কৰি ক'ব

পাৰি, তেনেকৈ আলোচনা বন্ধ কৰাটো শুদ্ধ কাম নহ'ব। জাতিৰ দেহ-মনৰ যা আৰু জাতিৰ প্ৰাণশক্তি-স্পন্দনৰ মাজত পাৰ্থক্য আছে। অধিক গভীৰভাৱে বিচাৰ কৰিলে ধৰা পৰিব যে সাংস্কৃতিক সোঁতটো ছিমেন্ট টকা-উদ্যমৰ অভাৱত আধা সজাকৈ ৰখা দলং বা ৰেল-লাইনৰ নিচিনাকৈ স্তব্ধ হৈ নাথাকে। বৰঞ্চ কুপৰিচালনাৰ প্ৰভাৱত সেই সোঁতটোৱে অবাঞ্ছিত দিশতহে গতি কৰিব পাৰে। সজীৱ মনৰ প্ৰতিভাসম্পন্ন লেখকৰ কাৰণে এই পৰিস্থিতিটোৱে এটা জটিল সমস্যাৰ ৰূপ লব নালাগে। সামাজিক-ৰাজনৈতিক ৰচনাৰ ক্ষেত্ৰতেই হওক বা সৃষ্টিধৰ্মী ৰচনাৰ ক্ষেত্ৰতেই হওক, আনকি জেলৰ বাহিৰ-ভিতৰো সাহিত্যিকৰ কাৰণে একাকাৰ হোৱাৰ অলেখ উদাহৰণ আছে। শিল্পকৰ্মৰ অন্যান্য দিশৰ লগত জড়িতসকলৰ বাবেও সেই দৃষ্টিভংগীৰ প্ৰতিয়েই আঙুলিয়াব পাৰি। এটাই মাত্ৰ উল্লেখযোগ্য পাৰ্থক্য— এই শিল্পীসকলৰ সৃষ্টিৰ মূল্যায়ন লগে-লগে নহ'ব পাৰে। বহু নদীৰ এটা অংশ অৰণ্য, পৰ্বতৰ মাজেদি ব'ব পাৰে, সেই অংশ মানুহৰ দৃষ্টিৰ আঁৰত পৰিব পাৰে, কিন্তু শুকাই নাযায়। বহুক্ষেত্ৰত তেনে অংশ পাৰ হ'লে সোতৰ গতিও প্ৰবল হয়। এইখিনি সাধাৰণ বিচাৰৰ কথা , কিন্তু এই যুবক কেইজনৰ সমস্যাৰ এতিয়াই কামত খটুৱাব পৰা সমাধান এটাৰ প্ৰয়োজন। এনে অৱস্থাত মনলৈ এটা কথা আহে। পৰিস্থিতিয়ে কিছুমান মূল্যবান বস্তুৰ সৃষ্টি কৰে। ৰাজহুৱা মঞ্চ, সৰহ দৰ্শক, আৰু বেছি খৰচ বাদ দি কিছুমান সৰু-সৰু অনুষ্ঠানৰ আয়োজন কৰিব পাৰি নে কি ? দৃশ্যসজ্জা, বস্তু-বাহানি, অংগসজ্জা, আলোক-সম্পাত আদিৰ বাহুল্য বাদ দি, চুবুৰিটোৰ মাজৰে এডোখৰ নিৰ্বাচিত ঠাইত এক নতুন ধৰণে নাটক একোখন উপস্থাপন কৰিব পৰা যায়। এনে কামে নাট্যকাৰ, পৰিচালক, অভিনেতা আদিক যেনেকৈ প্ৰত্যাহ্বান জনাব, দৰ্শককো তেনেকৈয়ে জনাব। এনে প্ৰত্যাহ্বানৰ সম্মুখত সৃষ্টিৰ গুণগত দিশৰ মংগল হোৱাৰ সম্ভাৱনাও বেছি। অকল নাটক বুলিয়েই নহয়, গীত-মাত, আবৃত্তি আদিৰ ক্ষেত্ৰতো এনে এক ব্যৱস্থাৰ কথা ভাবিব পাৰি। কোনে জানে, — বিশেষ পৰিস্থিতিৰ হেঁচাত অসমত কিজানি এক ধৰণৰ অনুষ্ঠানেই গঢ় লৈ উঠে। –

২৭। ৬। ৮৩

# সভ্যতা-সংস্কৃতিৰ ভাগ্যলিপি

কিছুদিনৰ আগতে আমাৰ কাৰ্যালয়লৈ এখন আলোচনী আহিল। লগতে অহা এখন ইংৰাজী পুস্তিকাৰ পৰা গম পোৱা গ'ল— সেইখন ওড়িয়া ভাষাৰ আলোচনী, নাম Samas প্ৰকাৰান্তৰে আৰু গম পোৱা গ'ল,—তাত এটা অসমীয়া গল্পৰ ওড়িয়া অনুবাদ ছপা হৈছে। পাত লুটিয়াই-লুটিয়াই এঠাইত লেখকৰ নামটোৰ দৈৰ্ঘ্য, নামটোত থকা শব্দৰ সংখ্যা আদি মিলাই ঠিক কৰিলো—এইটোৱেই অসমীয়া গল্পটো হ'ব। কিন্তু গল্পটোৰ নাম কি, অৰ্থাৎ লেখকজনৰ কোনটো গল্প অনুবাদ কৰা হৈছে, আমি সেইটোকে নিৰ্ণয় কৰিব নোৱাৰিলো। অথচ এজন ওড়িয়া লোকে লাহে-লাহে তেওঁৰ ভাষাত কথা ক'লে আমি কথাবোৰ মোটামুটিভাৱে বুজি পাওঁ, আমাৰ কথাও তেওঁলোকে তেনেকৈয়ে বুজে। কিন্তু তেওলোকৰ আখৰবিলাক তেওলোকৰ সাহিত্য আৰু আমাৰ মাজত দুৰ্লংঘ্য প্ৰাচীৰ হৈ থিয় দি আছে। এইটো এটা লোকচানৰ কথা। অকল ওড়িয়া ভাষা বুলিয়েই নহয়, আখৰবোৰ পৰিচিত হোৱা হ'লে আমি কেইবাটাও ভাৰতীয় ভাষাৰ লগত অধিক ঘনিষ্ঠ হ'ব পাৰিলোহেতেন। সেই কাৰণেই বহু লোকে বহু সময়ত সমগ্ৰ ভাৰতত সকলো ভাষাৰ কাৰণে মাত্ৰ এবিধ লিপিৰ প্ৰচলনৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰিছিল। সেইটো এতিয়া হয়তো আৰু সম্ভৱ নহ'ব। কিন্তু যেতিয়া কোনো এটা ভাষা, দোৱান, উপভাষা আদিৰ বাবে নতুন 'লিপি গ্ৰহণ'ৰ প্ৰশ্ন উঠে, তেতিয়া জ্ঞানৰ প্ৰসাৰ আৰু বিজ্ঞানসুলভ সুবিধাৰ কথা মনত ৰাখি অত্যন্ত বহল দৃষ্টিভংগীৰে কথাবোৰ বিবেচনা কৰিব লাগে।

এনে ধৰণৰ বিবেচনাত যি কোনো এটা 'লিপি গ্ৰহণ'ৰ সপক্ষে আৰু বিপক্ষে বহুতো যুক্তি দাঙি ধৰিব পাৰি, আৰু এটা উপকাৰী সিদ্ধান্তত উপনীত হ'বলৈ হ'লে সকলো দিশৰ পৰা কথাটো খৰচি মাৰি আলোচনা কৰা উচিতো। এই সকলো যুক্তিৰ প্ৰতি নিৰপেক্ষ মানুহৰ তেতিয়ালৈকে শ্ৰদ্ধা থাকে,— যেতিয়ালৈকে সেইবোৰ অন্ততঃ ঠেক ৰাজনৈতিক দৃষ্টিভংগী আৰু বিদ্বেষৰ কবলৰ পৰা মুক্ত হৈ থাকে। অসমীয়া ভাষাটো যে বাংলা ভাষাৰ পৰা বেলেগ, সেইটো কথা আৰু বেছি জলজল-পটপটকৈ প্ৰমাণ কৰিবৰ কাৰণে অসমীয়া ভাষাৰ লিপি দেৱনাগৰী কৰি পেলাব লাগে বুলি কোৱা মানুহো আছিল। অসমীয়া ভাষাৰ লিপি অধিক বিজ্ঞানসম্মত কৰিবলৈ কিছু পৰিবৰ্তনৰ প্ৰয়োজন হ'ব পাৰে, কিন্তু কেৱল আন এটা ভাষাৰ পৰা বেলেগ বুলি প্ৰমাণ কৰিবলৈকে বেলেগ চেহেৰাৰ একেখিনি আখৰকে গ্ৰহণ কৰাৰ যুক্তিটো উপকাৰী নহয়। (অসমীয়া ভাষাৰ লিপিৰ নিজস্ব বুৰঞ্জী আৰু মৰ্যাদাৰ কথাটো যেনিবা এই মুহূৰ্তত বাদ দিয়েই থলো।)

অসমৰ এক জনগোষ্ঠীৰ নতুন লিপি গ্ৰহণৰ সম্পৰ্কত এগৰাকী বিশিষ্ট ভাষাবিদ ড দেৱীপ্ৰসন্ন পট্টনায়কে অলপতে কৈছিল,—তেখেতসকলে যিটো লিপি গ্ৰহণ কৰিব, সেইটোক অসমীয়া লিপি, বাংলা লিপি ইত্যাদি বুলি ক'ব লাগিছে কিয় ? 'আদি লিপি' বুলি নকয় কিয় ? কথাটো বিবেচনাযোগ্য। বিশিষ্ট উচ্চাৰণ প্ৰকাশ কৰিবলৈ প্ৰয়োজন হোৱা অতিৰিক্ত আখৰ বা সংকেতচিহ্ন কেইটামান সংযোজন কৰি, স্থানীয় সভ্যতা-সংস্কৃতিৰ পৰা উদ্ভূত, আৰু সেই সভ্যতা-সংস্কৃতিৰ দ্বাৰাই প্ৰতিপালিত এবিধ 'লিপি গ্ৰহণ কৰি তাক 'আদি লিপি' বুলি আখ্যা দিয়া নহয় কিয় ? আমিতো অসমীয়া লিপিক বাংলা লিপি বা মণিপুৰী লিপি বুলি নকও। আমিতো আখৰবোৰ অসমীয়া, বাংলা, মণিপুৰী লিপিৰে একে হোৱা সত্ত্বেও, 'ৰ' এই চিন থকা লিপিক বড়ো লিপি বুলিয়েই কৈছিলো।

এফালৰ পৰা চাবলৈ গ'লে 'লিপি গ্ৰহণ' প্ৰক্ৰিয়াটোৱেই নতুন। সভ্যতা-সংস্কৃতিৰ ক্ৰমবিকাশৰ লগে-লগে লিপিৰ উদ্ভাৱন আৰু প্ৰচলনো এক কথা, 'লিপি গ্ৰহণো' আন এক কথা। এই বিষয়ে যুক্তি-তৰ্কৰ অন্ত নাই। এতিয়া ইয়াত সেই যুক্তি-তৰ্কলৈ যাব খোজা নাই, কেৱল এটা কথাহে ক'ব খুজিছো—"তোমালোকৰ পৰা আমি বেলেগ"—কেৱল এই কথাষাৰৰ জোৰ বঢ়াবলৈ লিপিক ব্যৱহাৰ কৰিব নালাগে। অন্তত আখৰখিনি পৰিচিত হ'লে বিভিন্ন ভাষাভাষী লোকৰ পাৰস্পৰিক সুবিধা কিমান বেছি, সেইটো উদাৰতা আৰু দূৰদৃষ্টিৰে বিবেচনা কৰিব লাগে। ভাষা অনাদি-অনন্তকাললৈ থাকে স্বাৰ্থপৰ ৰাজনীতিক তেওৰ স্বাৰ্থ যিমান দিনলৈ নিৰ্বিঘ্নে পূৰ হৈ থাকে, সিমান দিনলৈহে থাকে।

১২/৭/৮৩

# অৱক্ষয়

দুখন দেশৰ মাজত যুদ্ধ চলি থকাৰ সময়ত দুয়োখন দেশৰে অনাতাঁৰ প্ৰচাৰ শুনিলে সচা-মিছা সম্পৰ্কে কিছুমান নতুন অভিজ্ঞতা হয়। আমাৰ বিমান বাহিনীয়ে শত্ৰু ৰাজ্যৰ ভিতৰত প্ৰৱেশ কৰি অমুক বন্দৰটোৰ ওপৰত বোমাবৰ্ষণ কৰি সেইটো সম্পূৰ্ণৰূপে ধ্বংস কৰে। আক্ৰমণত অংশ গ্ৰহণ কৰা কেউখন বিমান নিৰাপদে উভতি আহে। সিখন দেশৰ বতৰি   অমুক বন্দৰটোৰ ওপৰত আক্ৰমণ চলাবলৈ অহা তিনিখন বিমান আমাৰ বিমান-বাহিনীয়ে গুলীয়াই ভূপতিত কৰে। বন্দৰটোৰ বা আমাৰ বিমান-বাহিনীৰ কোনো ক্ষয়-ক্ষতি হোৱা নাই। সেনা-বাহিনীৰ লোক বা প্ৰজাৰ মনোবল ঠিকে ৰাখিবলৈ, সমৰ কৌশলৰ অংগ হিচাপেই দেখদেখকৈ এখন নহয় এখন দেশে মিছা কথা কয়, সেইটো যুদ্ধৰ বিভীষিকা, হিংস্ৰতা আদিৰ অংগ হিচাপেই আমি গ্ৰহণ কৰো। সেইবোৰৰ সত্যাসত্য বুৰঞ্জীয়েও বিচাৰ নকৰে।

আৰু এবিধ বাতৰি থ'কে, — সেইবোৰত সত্যাসত্য বিচাৰ কৰি একো ফল পোৱা নাযায়। এইখন দেশৰ মুৰব্বীজনে কৈছে, — আমাৰ ওচৰ-চুবুৰীয়া সেইখন ৰাষ্ট্ৰৰ লগত আমি বন্ধুত্ব স্থাপন কৰি মিলাপ্ৰীতিৰে থাকিব খোজো। সেইখন দেশৰ মুৰব্বীজনেও কৈছে, — আমাৰ ওচৰ চুবুৰীয়া সেইখন ৰাষ্ট্ৰৰ লগত আমি বন্ধুত্ব স্থাপন কৰি মিলাপ্ৰীতিৰে থাকিব খোজো। দুয়োখন দেশৰ মুৰব্বী দুজনে ঠিক একে কথাকে বাৰম্বাৰ কৈ থকা সত্ত্বেও দেশ দুখনৰ মাজত বন্ধুত্ব নহয়। এইবোৰ উক্তিক জটিল ৰাজনৈতিক সংলাপৰ অংগ হিচাপেই গ্ৰহণ কৰা হয় আৰু ৰাজনৈতিক আবৰ্জনাৰ স্তূপত গোট খাবলৈ এৰি দিয়া হয়।

বিশ্বশান্তি নালাগে বুলি কোৱা ৰাষ্ট্ৰ বা ৰাষ্ট্ৰনেতা পৃথিৱীত এখনো, এজনো নাই। আণবিক যুদ্ধ হ'ব লাগে আৰু পৃথিৱী ধ্বংস হৈ যাব লাগে বুলি কোৱা ৰাষ্ট্ৰ বা ৰাষ্ট্ৰনেতাও নাই। মাৰণাস্ত্ৰৰ বিৰুদ্ধে নোকোৱাও কোনো নাই। সকলোৱেই শুনাত একেবোৰ কথাকে কৈছে, কিন্তু আণৱিক বোমা আৰু অন্যান্য মাৰণাস্ত্ৰৰ লগত জড়িত সংকট আৰু বিভীষিকা দিনে দিনে বাঢ়ি গৈছে। সেই পৰ্যায়ৰ যুদ্ধ লাগিলে যিসকল ক্ষতিগ্ৰস্ত হ'ব, সেই সাধাৰণ লোকসকলৰ কাৰণে শান্তি, অস্ত্ৰ নিয়ন্ত্ৰণ আদি সম্পৰ্কে মুৰব্বীসকলে কোৱা কথাৰ সত্যতা আৰু সততা বিচাৰৰ সীমাৰেই বাহিৰত।

সৰ্বসাধাৰণৰ ওপৰত সচা-মিছাৰ এই জটিল আৰু কুটিল খেলৰ কিন্তু গভীৰ প্ৰভাৱ পৰে। মানুহৰ বিশ্বাস, নীতি আৰু সত্যৰ প্ৰতি থকা শ্ৰদ্ধা ধীৰে-ধীৰে আহত

আৰু বিকৃত হয়। শেষত এই প্ৰক্ৰিয়াটোৱে নৈতিকতাক আঘাত কৰে। শিক্ষিত,চিন্তা-ভাবনা কৰা, বুদ্ধি বৃত্তিৰ দিশৰ পৰা সচেতন লোকৰ মন ব্যৰ্থতা, হতাশেৰে ভৰি পৰে।

তাতোকৈ তলৰ স্তৰত এনে ঘটনাৰ ফলাফল অধিক ক্ষতিকৰ। সংসদ বা বিধান সভাৰ মজিয়াত ৰাইজৰ প্ৰতিনিধিয়ে মিছা কথা কলে বা মাৰপিট কৰিলে আমাৰ সম্মুখত থকা এজন যুবকৰ পৰা সত্য আৰু নীতি সম্পৰ্কে শুদ্ধ ধাৰণা আশা কৰাৰ বাট নাথাকে। ৰেগান-এন্দ্ৰপভৰ বৰ ওপৰ পৰ্যায়ৰ ৰাজনৈতিক কুটিলতাতকৈ তেওঁ দেখি থকা জনৰ দৈনন্দিন কুটিলতাই তেওক বেছি ঘনিষ্ঠভাৱে স্পৰ্শ কৰে। সমগ্ৰ ৰাজ্যজুৰি হোৱা দোপালপিটা বৰষুণৰ প্ৰভাৱো এক, শোৱনি কোঠাত সেই বৰষুণৰপানী ছালৰ ফুটাইদি টপটপকৈ পৰি থকাৰ প্ৰভাৱো এক। পানীৰ উৎস হয়তো একেটাই,— সমগ্ৰ আকাশতে তাৰ ব্যাপ্তি।

এই তলৰ পৰ্যায়ৰ এটা ঘটনাৰ পৰা এই কথাখিনি মনলৈ আহিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়কে কৈছে— এজন উপমন্ত্ৰী তেওঁৰ ঘৰলৈ নিশা দুই বজাত গৈছিল। উপমন্ত্ৰী জনৰ হৈ চৰকাৰে কৈছে— উপমন্ত্ৰীজন গধূলি আঠবজাতহে গৈছিল। এইবোৰ কথা ভিতৰুৱা হৈ থকা হ'লে কথাটো বেলেগ আছিল, কিন্তু কথাবোৰ বাতৰি-কাকতত সবিস্তাৰে প্ৰকাশ পাইছে। লুণ্ডি, তলাবন্ধ গে'ট, লগৰীয়াসকল,— এইবোৰ তথ্য-পাতি, বৰ্ণনা বাদ, কেৱল এই এটা কথাকে ধৰোঁ, — সময়টোৰ কথা ,— সন্ধিয়া আঠ বজা, নিশা দুই বজা। এই দুটা পক্ষৰ এটা পক্ষইতো নিশ্চয় ৰাজহুৱাভাৱে মিছা কথা কৈছে।

পৃথিৱীত বহু ডাঙৰ-ডাঙৰ ৰাষ্ট্ৰ, মানুহ, অনুষ্ঠান-প্ৰতিষ্ঠানে এনেকুৱা কাণ্ড আন্ত ৰাষ্ট্ৰীয় পৰ্যায়ত কৰি আছে , সময়ত সকলো তল পৰি যাব,— এইবুলি এইটো কথাও এৰি দিব পাৰি। কিন্তু কি প্ৰচণ্ড অৱক্ষয়ৰ ফলস্বৰূপে আমি এইটো অৱস্থাত উপনীত হৈছো, সেই কথাৰ বিচাৰ ইমান সহজে এৰি দিব নোৱাৰি।

২৫। ৭। ৮৩

# সহায়

আজি প্ৰায় তিনি বছৰৰ আগতে অসম চৰকাৰৰ এগৰাকী উচ্চপদস্থ বিষয়াই মোক অনুসূচিত জাতি আৰু জনজাতিৰ ছাত্ৰ-ছাত্ৰীসকলক সৰ্বভাৰতীয় আৰু অসমৰ প্ৰতিযোগিতামূলক পৰীক্ষা কিছুমানৰ কাৰণে সাজু কৰিবৰ্লৈ আৰম্ভ কৰিব খোজা এটা প্ৰতিষ্ঠানৰ আঁচনি এখন যুগুত কৰিবলৈ দিছিল। পৰীক্ষাৰ মূল বিষয়সমূহৰ জ্ঞানৰ বাহিৰেও সাধাৰণ জ্ঞান, বুদ্ধিৰ প্ৰয়োগ, পৰ্যবেক্ষণ আৰু বিশ্লেষণৰ শক্তি, সাধাৰণ দক্ষতা আদি প্ৰয়োজনীয় দিশসমূহলৈ লক্ষ্য ৰাখি এখন আঁচনি কৰি দিছিলো। প্ৰতিষ্ঠানটোৰ সঞ্চালক হিচাপে সহায় কৰাৰ কথাও মোক কোৱা হৈছিল আৰু মই সন্মতো হৈছিলো। তাৰ পাছত সেই প্ৰতিষ্ঠানটোৰ বিষয়ে একো শুনা নাই। আঁচনিখন প্ৰস্তুত কৰাৰ সময়ত সংশ্লিষ্ট ফাইলটোও মই দেখিছিলো, আৰু লক্ষ্য কৰিছিলো যে এই কামটোৰ উদ্যোক্তা ভাৰত চৰকাৰ। এই বিষয়ে অসম চৰকাৰৰ লগত ভাৰত চৰকাৰৰ যোগাযোগ আৰু তিনি বছৰমানৰ (এতিয়াৰ পৰা ছবছৰমানৰ) আগৰে।

সেই সময়তে বিষয়াগৰাকীক কৈছিলো,— ভাৰত চৰকাৰৰ আঁচনি অনুসৰি অনুসূচিত জাতি আৰু জনজাতিৰ কাৰণে এই প্ৰতিষ্ঠানটো হওক, কিন্তু লগতে সকলোৰে কাৰণে এনে এটা প্ৰতিষ্ঠান অসমত হ'ব লাগে। কাৰণ চাকৰিৰ কাৰণে প্ৰতিযোগিতা কৰাৰ ক্ষেত্ৰত এইখন ৰাজ্য সামগ্ৰিকভাৱে দুৰ্বল।

সেই একেটা কথাকে আমি এতিয়াও কওঁ। আচলতে সৰ্বভাৰতীয় প্ৰতিযোগিতামূলক পৰীক্ষা আৰু ৰাজ্যিক পৰ্যায়ৰ তুলনামূলকভাৱে উচ্চ পদবীৰ বাবে পতা পৰীক্ষাৰ প্ৰাৰ্থীৰ বাদেও, সৰু-সুৱা চাকৰিৰ বাবে ওলাই অহা হাজাৰ হাজাৰ প্ৰাৰ্থীকো প্ৰস্তুত হোৱাত সহায় কৰাৰ প্ৰয়োজন আছে। নিস্বাৰ্থ আৰু সৎভাৱে প্ৰাৰ্থীৰ পৰীক্ষা লোৱাৰ অভিজ্ঞতা থকা সকলো নিয়োগকৰ্তাই এই কথা উপলব্ধি কৰিব। এফালৰ পৰা চাবলৈ গ'লে কেৰাণী-টাইপিষ্ট আদি চাকৰিৰ প্ৰাৰ্থীসকল বেছি অসহায়, কিন্তু এইসকল চাকৰিয়াল পৰিচালনা-ব্যৱস্থাপনা পিৰামিডটোৰ ভূমি ভাগত থাকে। মিনিটত চল্লিছটা ইংৰাজী শব্দ টাইপ কৰিব পাৰে বুলি ছাৰ্টিফিকেট পোৱা এজন ল'ৰাই তিনি বছৰমানৰ মূৰত যেতিয়া কোনোবা এটা চাকৰিৰ বাবে স্পিড টেষ্টৰ চিঠি পায়, তেতিয়া তেওঁৰ স্পিড মিনিটত পোন্ধৰ-বিছটা শব্দৰ বেছি নহয়। হাতখন চলাই লবলৈ তেওঁ টাইপ-মেছিন এটা বিচাৰি

নাপায়। কেৰাণী কামৰ বাবে মৌখিক পৰীক্ষাৰ চিঠি পোৱা ভিতৰুৱা ঠাইৰ ল'ৰা এজনে (তেওঁ চিঠিখন বোলে বেল-মটৰত উঠাৰ আগদিনাহে পায় সেইটো বেলেগ কথা) পৰীক্ষাৰ দহ-পোন্ধৰ মিনিট সময়তকেনেকৈ নিজৰ সাধাৰণ যোগ্যতা প্ৰমাণ কৰিব পাৰিব, সেই সম্পৰ্কে কাৰো পৰা দিহা-পৰামৰ্শ নাপায় বুলিলেই হয়। বহুত প্ৰাৰ্থীৰ লগত কথা-বতৰা পাতিলে ধাৰণা হয় যে তেওঁলোকক যদি কোনো এজন অভিজ্ঞ লোকে মৌখিক পৰীক্ষাৰ কৌশল সম্পৰ্কে মাত্ৰ এদিনো দিহা-পৰামৰ্শ দিলেহেতেন, তেনেহ'লে তেওঁলোকৰ অৱস্থা বহুত উন্নত হ'লহেতেন। মৌলিক দক্ষতা তেওলোকৰ আছে।

চৰকাৰী পৰ্যায়ত নহ'লেও, বেচৰকাৰী পৰ্যায়তো এনে ধৰণৰ দিহা-পৰামৰ্শ বা প্ৰশিক্ষণৰ প্ৰতিষ্ঠান পতাটো সম্ভৱ। সৰ্বভাৰতীয় পৰীক্ষা বা এ ছি এছ পৰীক্ষাৰ কথাটোকে ধৰো। এই গুৱাহাটী চহৰৰ শিক্ষা-প্ৰতিষ্ঠানসমূহৰ বিভিন্ন বিষয়ত আগ্ৰহী শিক্ষকসকলে পাল পাতি সপ্তাহত এঘণ্টা সময়ৰ সেৱা আগবঢ়াব পাৰে। এনে পৰীক্ষাত কৃতকাৰ্য হৈ বৰ্তমানে চাকৰি কৰি থকা বিষয়াসকলৰ একোজনে সপ্তাহত এঘণ্টাকৈ সেৱা আগবঢ়াব পাৰে। এটা সৰু কমিটিয়ে লাভো-নাই-লোকচানো-নাই (আৰ্থিক) ভিত্তিত প্ৰতিষ্ঠানটো পৰিচালনা কৰিব পাৰে। প্ৰাৰ্থীসকলৰ পৰা লোৱা মাচুলৰ ধনেৰে শিক্ষকসকলৰ মাননি আৰু অন্যান্য খৰচ সামৰাটো সম্ভৱপৰ। এনে ধৰণৰ বেচৰকাৰী প্ৰতিষ্ঠানে প্ৰাৰ্থীসকলৰ কৃতকাৰ্যতাৰ প্ৰশ্নটো নিজৰ সন্মানৰ লগত জড়িত কৰিবলৈ বাধ্য। তদুপৰি সুফল দেখুৱাব নোৱাৰিলে তেওলোকৰ প্ৰতিষ্ঠানটো জীয়াই থকাই টান হ'ব। মুঠতে এনে প্ৰতিষ্ঠান চৰকাৰী প্ৰতিষ্ঠানতকৈ কেইবাটাও দিশত অধিক ফলপ্ৰসূ হোৱাৰ সম্ভাৱনা আছে।

এবাৰ এটা ৰাজনৈতিক দলৰ কেইগৰাকীমান প্ৰতিনিধিয়ে থলুৱা লোকৰ নিযুক্তি সম্পৰ্কে আলোচনা কৰোতে এগৰাকী বিষয়াই কৈছিল,— থলুৱা লোকৰ নিযুক্তি সম্পৰ্কে মই আপোনালোকতকৈ কম চিন্তা নকৰো। আপোনালোক মোৰ ওচৰলৈ আহিবই নালাগে। আপোনালোকে গাঁৱে-ভূয়ে প্ৰাৰ্থীসকলক সাধাৰণভাৱে প্ৰস্তুত কৰাৰ এনে এটা ব্যৱস্থা কৰক, যাতে তেওলোকক সহায় কৰিবলৈ মই বল পাওঁ।

সৰু-সুৰা চাকৰিৰ ক্ষেত্ৰত সমাজকৰ্মীসকলৰ বাবে এই কথাটো বিবেচনাযোগ্য।

১২/৮/৮৩

# পাণ্ডুলিপি আৰু বেটুপাত

পাঠ্যপুথি সম্পৰ্কে, বিশেষকৈ প্ৰথম আৰু মধ্যম পৰ্যায়ৰ পাঠ্যপুথি সম্পৰ্কে লিখা কেইখনমান চিঠি আমাৰ হাতত পৰিছে। চিঠি কেইখনৰ মূল উদ্দেশ্য হ'ল কেইখনমান কিতাপত থকা কিছুমান তথ্যৰ ভুল, ভাষাৰ ভুল আদিৰ প্ৰতি সংশ্লিষ্ট সকলোৰে দৃষ্টি আকৰ্ষণ কৰা। কিন্তু সেইকেইখন চিঠিত উল্লেখ থকা ভুল কেইটাইহে ভুল, সেইকেইটাৰ বাহিৰে আৰু কোনো কিতাপতে আৰু একো ভুল নাই,— কথাটো তেনেকুৱা নহয়। গতিকে এই ভুলৰ গোটেই সমস্যাটোকে সামৰি কথাটো বিচাৰ কৰিব লাগে। অসমত উক্ত দুই পৰ্যায়ৰ পাঠ্যপুথি প্ৰস্তুত আৰু বিতৰণ কৰাৰ বৃহত্তম প্ৰতিষ্ঠান হ'ল অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম। যিহেতু আনুষ্ঠানিক শিক্ষাৰ ভেটিটোৰ লগত এই নিগমৰ সম্পৰ্ক, সেইকাৰণে পাঠ্যপুথিৰ ক্ষেত্ৰত কেইবাটাও দিশত এই নিগমেই নেতৃস্থানীয়, দিগদৰ্শনকাৰী ভূমিকা গ্ৰহণ কৰা উচিত। আমাৰ হাতত পৰা চিঠি আৰু সদ্যহতে প্ৰকাশ পোৱা নিগম-সম্পৰ্কীয় দুটামান বাতৰিয়ে আমাক এই ভূমিকা সম্পৰ্কে চিন্তা কৰিবলৈ উদগাইছে।

প্ৰকাশন প্ৰতিষ্ঠানৰ মূলত তিনিটা ভাগ থাকিব লাগে পাণ্ডুলিপি প্ৰস্তুত কৰা ভাগ, কিতাপ ছপা কৰি উলিওৱা ভাগ আৰু বিতৰণ কৰা ভাগ। (প্ৰশাসনৰ যন্ত্ৰটো এই তিনিওটা ভাগৰ লগত অংগাংগীভাৱে জড়িত গতিকে সেইটোক এটা বেলেগ ভাগ হিচাপে দেখুৱাব খোজা নাই।) এই তিনিওটা ভাগেই সমন্বয় ৰক্ষা কৰি দক্ষতাৰে কাম কৰিলে এটা আদৰ্শস্বৰূপ অৱস্থাৰ সৃষ্টি হয়। কিন্তু শিক্ষা, জ্ঞান, ভাষা আদিৰ দিশৰ পৰা বিচাৰ কৰিলে পাণ্ডুলিপি প্ৰস্তুত কৰা ভাগটোৰ দায়িত্ব আৰু গুৰুত্বৰ ভৰ বেছি। এখন প্ৰয়োজনীয় কিতাপ ছাত্ৰ-ছাত্ৰীয়ে এমাহ পলমকৈ পোৱা বা কিতাপখনৰ কাগজ, ছপা-বন্ধা আদি নিম্নমানৰ হোৱাৰ পৰা ছাত্ৰ-ছাত্ৰীৰ যি ক্ষতি হয়, সেইখনত থকা বৰ্ণনা-তথ্য, ভাষা-বানান আদি ভুলৰ পৰা তেওলোকৰ আৰু সমগ্ৰ জাতিটোৰ তাতকৈ বহু বেছি ক্ষতি হয়। এই ক্ষতিৰ অকল পৰিমাণেই নহয়, গভীৰতাও বহু বেছি। তদুপৰি, ধৰি ললো উক্ত ধৰণৰ ভুল ভ্ৰান্তি নাই, কিন্তু শুদ্ধকৈয়েনো কোন পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীক কি পঢ়িবলৈ দিয়া হৈছে, সেইটোও অতি গুৰুত্বপূৰ্ণ কথা। ভাষা আৰু বিষয়বস্তুৰ জ্ঞান দিয়াৰ কামটো সৰু সৰু ল'ৰা-ছোৱালীৰ বেলিকা কেনেকৈ আৰম্ভ কৰিব লাগে, কেনেকৈ সেই কাম আগবঢ়াই

নিৰ লাগে, সেই বিষয়ে গৱেষণাভিত্তিক দিহা-পৰামৰ্শৰ অভাৱ নাই। বৰঞ্চ একো সময়ত তেনে দিহা-পৰামৰ্শৰ পৰিমাণ মাত্ৰাধিক হৈছে যেনহে অনুভৱ হয়। সেইটো বেলেগ কথা। কিন্তু প্ৰথম আৰু মধ্যম স্তৰৰ পাঠ্যপুথিৰ ক্ষেত্ৰত যিবোৰ দিহা-পৰামৰ্শৰ ব্যৱহাৰ অপৰিহাৰ্য, সেইবোৰৰেই প্ৰয়োগ নোহোৱাটো ক্ষতিকৰ কথা। কোনো এটা শ্ৰেণীৰ বাবে যুগুত কৰা এখন পদ্য আৰু ৰচনাৰ সংকলনত কেনেকুৱা পদ্য আৰু ৰচনা থাকিব লাগে, যদি কোনো গুণী লোকৰ জীৱনী থাকিব লাগে, তেনেহ'লে কাৰ জীৱনী থাকিব লাগে, যদি মহাত্মা গান্ধীৰ জীৱনী থাকিব লাগে বুলিয়েই ঠিক কৰা হয়, তেনেহ'লে সেই শ্ৰেণীৰ ল'ৰা-ছোৱালীৰ কাৰণে তেখেতৰ জীৱনৰ কোন অংশৰ ওপৰত গুৰুত্ব দি কথাখিনি লিখা উচিত, লিখোঁতে কিমান জটিল বাক্য আৰু শব্দ ব্যৱহাৰ কৰা উচিত, আৰু শব্দবোৰৰ বানান কোনখন অভিধান অনুসৰি লিখা উচিত,— এই সকলো বিবেচনা কামত খটুৱাই যুগুত কৰা পাণ্ডুলিপি এখনেহে উদ্দেশ্য পূৰণ কৰিব পাৰে। ইমান নিষ্ঠা, ধৈৰ্য আৰু পৰিশ্ৰমেৰে কাম কৰা পাঠ্যপুথি লেখকৰ সংখ্যাটো আমাৰ ৰাজ্যখনত বৰ ডাঙৰ নহয়, কিন্তু তেনে লেখক যিখিনি আছে, তেওলোকক যথোপযুক্তৰূপে ব্যৱহাৰ কৰাটো নিৰ্ভৰ কৰে উল্লিখিত পাণ্ডুলিপি প্ৰস্তুত কৰা ভাগটোৰ নিষ্ঠা, সততা আৰু দক্ষতাৰ ওপৰত। যি সময়ত নিজৰ সন্তানৰ ভৱিষ্যত আৰু জাতিৰ ভৱিষ্যতৰ কাৰণে চিন্তা কৰাসকলে এই পাণ্ডুলিপি প্ৰস্তুত কৰা ভাগটোৰ গুণ আৰু সুস্থ নীতিৰ কথা শুনিবলৈ আশা কৰে, সেই সময়ত নিগমৰ বাকী ভাগ কেইটা আৰু প্ৰশাসনৰ দোষ আৰু দুৰ্নীতিৰ কথাহে পঢ়িবলৈ পোৱাটো বৰ দুৰ্ভাগ্যৰ কথা।

২৮/৮/৮৩

# গৃহস্থৰ আদৰ

ৰংঘৰ, কাৰেংঘৰ আদি যি সময়ত সজা হৈছিল, সেই সময়তে ভাৰতৰ অন্যান্য ঠাইত সজা কিছুমান প্ৰাসাদ, দুৰ্গ, মঠ-মন্দিৰ আদিয়ে নিৰ্মাণ-কৌশল, অৱয়ৱ, বিশালতা আদিৰ দিশৰ পৰা ৰংঘৰ-কাৰেংঘৰতকৈ অধিক প্ৰাধান্য আৰু গুৰুত্ব লাভ কৰিব পাৰে। সেইটো সচা কথা। কিন্তু তেনে ধৰণৰ বস্তুৰ সংৰক্ষণ, ৰক্ষণাবেক্ষণ আদিৰ ক্ষেত্ৰত চৰকাৰৰ যি নিৰ্ধাৰিত নীতি আছে, অসমৰ ক্ষেত্ৰত তাৰ বিচলন হ'ব নালাগে। এনে ধৰণৰ পুৰণি সম্পদৰ মূল্য ঐতিহাসিক গুৰুত্বৰেহে বিচাৰ কৰা হয়। এইটো সাধাৰণ জ্ঞানৰ কথা। ফতেহপুৰচিক্ৰি বা ৰাজস্থানৰ প্ৰাসাদ-দুৰ্গৰ তুলনাত "এইবোৰ একো নহয়" বুলি সংশ্লিষ্ট বিভাগে নিশ্চয় ৰংঘৰ-কাৰেংঘৰক অৱহেলা নকৰে। যদি কৰে তেনেহ'লে ৰাজহুৱাভাৱে ঘোষণা কৰিয়েই কৰিব লাগে। তেনে কৰিলে ৰাইজৰ মাজত কথাবোৰ পৰিষ্কাৰ হয়, আৰু নকৰিলে অসমৰ ক্ষেত্ৰত এই বিভাগটোৰ দক্ষতা আৰু ইয়াৰ বস্তুবোৰৰ প্ৰতি বিভাগটোৰ শ্ৰদ্ধা সম্পৰ্কে সদায় সন্দেহৰ সৃষ্টি হয়। লগতে, দেশ-বিদেশৰ নানান আশ্চৰ্যজনক বস্তু দেখি যদি আমাৰ স্থানীয় লোকৰো "এইবোৰ একো নহয়" ভাব হৈছে, তেনেহ'লে তাকো পৰিষ্কাৰ কৰি দিয়াই ভাল, কাৰণ এটা বস্তুৰ মূল্য ঠিকে ৰাখিবলৈ বা বঢ়াবলৈ গৃহস্থৰ আদৰ হ'ল প্ৰথম প্ৰয়োজনীয় বস্তু।

গৃহস্থৰ আদৰৰ কথালৈ আহো। ৰংঘৰটোৰ কথাকে ধৰো। ৰাষ্ট্ৰীয় ঘাই-পথৰ কাষত, গুৰুত্বপূৰ্ণ ঠাইত পথাৰৰ মাজত এই ঘৰটো নঙঠা হৈ থিয় দি আছে। যাৰ হাতত কিবা এটা কৰাৰ ক্ষমতা আছে আৰু যিসকলে মোগল গাৰ্ডেন, বৃন্দাবন গাৰ্ডেন আদি দেখিছে, তেওলোকৰ বহুতে ৰংঘৰৰ আগেদি বহুবাৰ অহা যোৱা কৰিছে। আশাকৰো তেওলোকেও এই কথাখিনি মন কৰিব। ৰংঘৰটো কি উদ্দেশ্যে ব্যৱহৃত হৈছিল, ইয়াৰ নিৰ্মাণ-বৈশিষ্ট্য কি এইবোৰ কথা মনত ৰাখি এখন আচনি কৰা হওক। পুৰাতত্ত্ব বিভাগক ঘৰটোৰ চাৰিওকাষৰ যিমান মাটি লাগে, সিমান মাটি আগুৰি এখন ইটাৰ হাফ-ৱাল দিয়া হওক। এইখন দেৱালৰ ৰং, নিৰ্মাণ-বৈশিষ্ট্য আদি ৰংঘৰটোৰ লগত খাপ খোৱা ধৰণৰ হওক। কিন্তু তাত পৰিষ্কাৰকৈ লিখি থোৱা হওক— এইখন ১৯৮৪ চনত নিৰ্মাণ কৰা হৈছে। এইখন দেৱালৰ ভিতৰলৈ দৰ্শক সোমাব নোৱাৰে বা পইচা দিলেহে সোমাব পাৰে, তেনে ব্যৱস্থা কৰা হওক।

ৰংঘৰ আৰু এই দেৱালখনক মাজত ৰাখি এখন ডাঙৰ বাগিচা হ'ব পৰাকৈ এটা অঞ্চল আন এখন সুদৃশ্য ৰেলিং থকা দেৱালেৰে ঘেৰি লোৱা হওক। ব'দ-বতাহৰ দিশ বিচাৰ কৰি সেই বাগিচাৰ সীমাত নাহৰ, বকুল, সোণাৰু, এজাৰ আদি এনে গছ ৰোৱা হওক— যিবোৰ গছৰ ৰাজ্যখনৰ লগত সম্পৰ্ক আছে আৰু যিবোৰে বিভিন্ন ঋতুত সৌন্দৰ্য বঢ়ায়। মাজত এডৰা বিস্তীৰ্ণ ঘাঁহনি কৰা হওক আৰু তাত স্থানীয় বৈশিষ্ট্যপূৰ্ণ ফুল, গছ, লতাৰ ফুলনি কৰা হওক। এই বাগিচাখন ৰাজহুৱা উদ্যান হিচাপে সকলোৰে কাৰণে মুকলি কৰি ৰখা হওক। গছ-গছনি ৰোৱা ঠাইৰ পৰিকল্পনা এনেকৈ কৰা হওক যাতে ৰংঘৰৰ ঐতিহ্যৰ লগত খাপ খোৱা ৰাজহুৱা অনুষ্ঠানো সেই উদ্যানত পাতিব পৰা যায়।

এই ডাঙৰ উদ্যানখনৰ বাহিৰত, একাষে, এটা অঞ্চল বাছ, কাৰ আদি ৰখাৰ কাৰণে সুবিধাজনকভাৱে উন্নীত কৰা হওক। তাত চাহ-জলপানৰ বাবে দুখন পৰিষ্কাৰ-পৰিচ্ছন্ন হোটেল-ৰেস্তোঁৰা, পথচাৰীৰ লাগতিয়াল বস্তুৰ বাবে দুখন দোকান, অসমৰ হস্তশিল্প, কুটিৰ শিল্পৰ বস্তুৰ বিক্ৰিৰ বাবে এখন দোকানৰ ব্যৱস্থা হওক। খোৱা-পানী, পুৰুষ আৰু মহিলাৰ বাবে ধোৱা-পখলাৰ উপযুক্ত আৰু প্ৰচুৰপৰিমাণৰ ব্যৱস্থা হওক। এই সকলো ঘৰ এখন সুচিন্তিত আঁচনিৰ অধীনত নিৰ্মিত হওক।

শুনাত বৰ ডাঙৰ কাম যেন লাগিলেও, আজিৰ দিনত, আজি ভাৰতৰ বিভিন্ন অঞ্চলত যিদৰে টকা খৰচ কৰি কাম কৰা হৈছে, তাৰ তুলনাত এই কামটো সিমান ডাঙৰ নহয়। কিন্তু এইখিনি কৰিলেও ৰংঘৰক কেন্দ্ৰ কৰি এক আকৰ্ষণীয় ৰম্যভূমিৰ, আৰু গোটেই ৰাজ্যখনৰ বাবে এটা আদৰণীয় সম্পত্তিৰ সৃষ্টি হ'ব। এই ৰম্যভূমিৰ মাজত থকা ৰংঘৰটোৰ উপযুক্ত সংৰক্ষণ আৰু ৰক্ষণাবেক্ষণৰ কথা সংশ্লিষ্ট বিভাগক প্ৰতি মুহূৰ্তে সোঁৱৰাই থাকিবলৈ তেতিয়া বেলেগ আৰু কাৰো প্ৰয়োজন নহ'ব।

গৃহস্থ সম্পৰ্কে দ্বিতীয় কথাটো। ডেৰ বছৰমানৰ আগতে প্ৰান্তিকৰ পাতত এজন যুৱকে ঘোষণা কৰিছিল, কোনো উৎসাহী অভিযানকাৰী দলে যদি কাৰেংঘৰৰ তলৰ সুৰংগ পুনৰুদ্ধাৰৰ অভিযান আৰম্ভ কৰে, তেনেহ'লে তেওঁ সেই দলত যোগ দিব। যুৱকজনে কাৰো পৰা আহ্বান নাপালে।

১১/৯/৮৩

# আত্মনিয়ন্ত্ৰণ

আজিৰ পৰা ত্ৰিছ বছৰৰ আগতো অকণ-অকণ আখৰেৰে প্ৰশ্নৰ উত্তৰ লিখি পৰীক্ষাঘৰত ব্যৱহাৰ কৰিবৰ বাবে প্ৰস্তুত কৰা, হাতৰ মুঠিতে লুকুৱাব পৰা অকণ-অকণ বহী দেখা মনত পৰে। আজিৰ পৰা প্ৰায় চল্লিছ বছৰৰ আগতো পৰীক্ষাত নকল কৰাৰ কাৰণে ছাত্ৰক পৰীক্ষাঘৰৰ পৰা উলিয়াই দি কঠোৰ শাস্তি বিহাৰ ঘটনা ঘটিছিল। কিন্তু তেতিয়া গুৰুত্বপূৰ্ণ কথাটো আছিল, সেই ঘটনাটোৰ কথা গোটেই চহৰখনত গধূলিৰ আগে-আগে বিয়পি পৰিছিল আৰু পাছদিনা সেই ছাত্ৰজনক চাবলৈ চহৰখনৰ ছাত্ৰ-ছাত্ৰীবোৰৰ প্ৰবল আগ্ৰহ হৈছিল। কেইবাদিনলৈও ছাত্ৰজন ঘৰৰ পৰা ওলোৱা নাছিল। ল'ৰা-ছোৱালীবোৰে বাটেদি যাওঁতে সাৰ-সুৰ নথকা ঘৰটোলৈকে চাই-চাই গৈছিল।

এতিয়া পৰীক্ষাত নকল কৰাটোক "ৰাষ্ট্ৰীয় ঘটনা" বুলি অভিহিত কৰা হয়। ৰাষ্ট্ৰৰ আইন ঠাইত যিয়েই নহওক, অসমত প্ৰথমতে বিচাৰ কৰা হয়— কলিকতাত কি হৈছে, বিহাৰ-উত্তৰ প্ৰদেশত কি হৈছে ? পৰীক্ষাঘৰৰ নৈতিকতাৰ প্ৰশ্ন তুলিলে লগে-লগে বিচাৰ কৰা হয় পৰীক্ষাঘৰৰ বাহিৰৰ দেশখনত কি হৈছে ? ভোট-কেন্দ্ৰত কি হৈছে, সংসদত কি হৈছে, বিধানসভাত কি হৈছে ?

এই সংখ্যা প্ৰান্তিকত ছপা হোৱা প্ৰবন্ধ-চিঠিপত্ৰ আদিত কৰ্তৃপক্ষ, শিক্ষক, নিৰীক্ষক, অভিভাৱক, ছাত্ৰ-ছাত্ৰী আদি সকলোৰে ভূমিকাৰ কথা তেওঁলোকৰ ভাষাৰেই উপস্থাপন কৰা হৈছে। এতিয়া এটা প্ৰশ্ন উঠিব পাৰে, নকল কৰাটো যদি বহু দিনৰ পৰাই ঘটি অহা ঘটনা, আজি এইটো যদি ৰাষ্ট্ৰীয় ঘটনা, এইটো যদি বৰ্তমানৰ সামগ্ৰিক নৈতিক অৱস্থাৰ লগত খাপ খোৱা ঘটনা, তেনেহ'লে ঘটনাটোক অযথা গুৰুত্ব দি ডাঙৰ কৰা হ'ল নে কি ?

নাই হোৱা। জ্ঞান আৰু বিদ্যা আহৰণ নকৰাকৈ নাগৰিক হৈ জাতিটোক দুৰ্বল কৰি তোলা, ভৱিষ্যতক পংগু কৰি পেলোৱাৰ এই প্ৰক্ৰিয়াটোক নিতান্ত সাময়িক লাভৰ বিনিময়ত কেতিয়াও গা কৰি উঠিবলৈ দিব নোৱাৰি। ৰাষ্ট্ৰীয় মঞ্চত এই বিষয়টো অতি গুৰুত্বপূৰ্ণ বুলি বিচাৰ কৰিব লাগে। আমাৰ সুনিৰ্দিষ্ট পৰামৰ্শ : দিল্লীত শিক্ষাবিভাগৰ বহু সভা-সমিতি, আলোচনা-বিলোচনা হয়, তাত অসমৰ বিশ্ববিদ্যালয়সমূহ, শিক্ষাপৰিষদ, শিক্ষাবিভাগ আদিৰ উচ্চপদস্থ বিষয়াই ভাগ লয়, তেওঁলোকেই আগভাগ লৈ পৰিষ্কাৰভাৱে ক'ব লাগে— অসমত আগতে এনে ঘটনাৰ এনে ব্যাপকতা নাছিল, এতিয়া হৈছে, যদি সমগ্ৰ দেশতে এক কঠোৰ নীতিৰ দ্বাৰা এই প্ৰক্ৰিয়া নিয়ন্ত্ৰণ আৰু বন্ধ কৰা নহয়,

তেনেহ'লে অসমত আমি সেইবোৰ বন্ধ কৰাটো সম্ভৱ নহয়। অসমৰ শিক্ষা-কৰ্তৃপক্ষই আগৰণুৱা হৈ ৰাষ্ট্ৰীয় পৰ্যায়ত এটা ব্যৱস্থা লোৱাব পৰাটো অসম্ভৱ কাম নহয, এইটো তেওলোকৰ বাবে কৃতিত্বৰ কাম হ'ব।

দিল্লী বা ক'ৰবাত তেনেধৰণৰ আলোচনাত অসমৰ প্ৰতিনিধিয়ে প্ৰস্তাৱটো উত্থাপন কৰিলে,— 'আপোনালোকৰ আন্দোলনটোৰ কাৰণে হঠাতে এই ব্যাপকতাই গা কৰি উঠিছে,'— এই কথাষাৰ কোনোবাই কোৱাৰ যথেষ্ট সম্ভাৱনা আছে। ঠিক সেই কাৰণেই অসমৰ ছাত্ৰ ছাত্ৰী আৰু বৰ্তমানৰ আন্দোলনটোৰ লগত জড়িত সকলোৱে এটা দায়িত্ব গ্ৰহণ কৰিবই লাগিব। পৰীক্ষাত নকল কৰা ঘটনাৰ শৈক্ষিক, নৈতিক আদি দিশৰ সুদূৰপ্ৰসাৰী প্ৰভাৱৰ কথাৰ বাহিৰেও আন্দোলনটোৰ দিশৰ পৰাও কেইটামান গুৰুত্বপূৰ্ণ কথা আছে। তাৰে এটা হ'ল, আন্দোলনটোৰ লগত ছাত্ৰ-ছাত্ৰীসকলৰ এক বৃহৎ অংশ ঘনিষ্ঠভাৱে জড়িত। তেওলোকৰ বিষয়ে বেয়া ধাৰণাৰ সৃষ্টি হ'লে, পৰীক্ষা ঘৰত চলা দুষ্কাৰ্যৰ বাবে আন্দোলনটোও জগৰীয়া বুলি এটা ধাৰণাৰ সৃষ্টি হ'লে, সেইবোৰে আন বহুত শক্তিৰ লগ লাগি তেওলোকক দুৰ্বল কৰি পেলাব। এক দীঘলীয়া আন্দোলনৰ ফলত নানান ধৰণৰ অশুভ পাৰ্শ্বফলৰ উদ্ভৱ হোৱাটো অস্বাভাৱিক কথা নহয, কিন্তু তাক যথা সময়ত নিয়ন্ত্ৰণলৈ আনি আন্দোলনটোক যিমান পৰা যায় অপবাদমুক্ত কৰি ৰখাটোও নেতৃত্বৰ কৰ্তব্যৰ ভিতৰত পৰে। এই সংখ্যা প্ৰান্তিকত ছপা হোৱা বক্তব্য-মন্তব্যবোৰৰ বহুতো ছাত্ৰৰ পৰাই আহিছে। সেইটো আশাপ্ৰদ কথা। কেৱল ছাত্ৰ-ছাত্ৰীয়েই অহা বছৰতে এই ঘটনাৰ পৰিমাণ নগণ্য কৰি পেলাব পাৰে। ছাত্ৰ ছাত্ৰীৰ ওপৰত ভাৰসা কৰাৰ আৰু এটা কাৰণ হৈছে আজি অভিভাৱকসকল দুৰ্বল, মুমূৰ্ষু, পৰীক্ষাঘৰৰ ভিতৰত শিক্ষকসকল বিভ্ৰান্ত, সন্ত্ৰস্ত, কৰ্তৃপক্ষ নিজৰ দাযিত্বৰ সীমাৰ ভিতৰত ব্যস্ত। আৰু এটা পৰীক্ষাৰ ঋতু আৰম্ভ হ'বলৈ যথেষ্ট সময আছে। এইখিনি সময়ৰ ভিতৰতে ছাত্ৰ-ছাত্ৰীসকলে এক নিৰ্দিষ্ট কাৰ্যপন্থা গ্ৰহণ কৰিব পাৰে। আমাৰ বিশ্বাস ছাত্ৰ-ছাত্ৰীৰ কথা ছাত্ৰ ছাত্ৰীযে শুনিব। এদল ছাত্ৰই যদি শিক্ষকক কয়— "আমি ব্যৱস্থা কৰিছো, নকল কোনেও নকৰে। যদি কৰে, আপোনালোকে ধৰিব, আপোনালোকক কোনে কি কৰে আমাক ক ব।'— তেনেহ'লে পৰীক্ষাঘৰৰ শিক্ষকসকলে যি সাহস পাব, সেই সাহস তেওলোকক আন কোনেও দিব নোৱাৰে।

২৫/১/৮৩

# লোকৰ দায়িত্ব আৰু নিজৰ দায়িত্ব

টেলিভিছনক আশ্ৰয় কৰি শিল্প-সংস্কৃতিৰ অধ্যয়ন, চৰ্চা, প্ৰচাৰ আদিয়ে এক নতুন আৰু গুৰুত্বপূৰ্ণ পৰ্যায়ৰ সৃষ্টি কৰিছে। কেইবাটাও দিশৰ পৰা এই ক্ষেত্ৰত টেলিভিছনে সমগ্ৰ পৃথিৱীতে প্ৰবন্ধ-ৰচনাতকৈ অধিক শক্তিশালী হৈ অধিক কৃতকাৰ্যতা লাভ কৰিছে। ফলত টেলিভিছনৰ বাবে শিল্প-সংস্কৃতিমূলক চিত্ৰ নিৰ্মাণ বা অনুষ্ঠান প্ৰযোজনা কৰা লোকসকল দিনে-দিনে অধিক সত্যাশ্ৰয়ী, অনুসন্ধানী, গৱেষণামুখী আৰু পৰিশ্ৰমী হৈ উঠিছে। ইউৰোপৰ এটা গিৰ্জাঘৰৰ নিৰ্মাণ-বৈশিষ্ট্য ভাস্কৰ্য আদিৰ বিষয়ে, বা মিছৰৰ প্ৰাচীন কলাকীৰ্তিসমূহৰ বিষয়ে, বা কোৰিয়াৰ লোকনৃত্যৰ বিষয়ে নিৰ্মাণ কৰা একোখন চলচ্চিত্ৰ টেলিভিছনত চাই থাকোতে প্ৰতি মুহূৰ্তে মনলৈ আহি থাকে— চিত্ৰ-গ্ৰহণকাৰীজনৰ কাষত থিয় হৈ যেন এজন গৱেষক পণ্ডিতে তেওঁৰ কাৰ্য নিয়ন্ত্ৰণ কৰি আছে। এনে ধৰণৰ কাৰ্য বা অনুষ্ঠানে দৰ্শকক জ্ঞান, আনন্দ দিয়াৰ উপৰিও টেলিভিছনক এটা নিৰ্ভৰযোগ্যতা দিয়ে।

ভাৰতৰ টেলিভিছন-ব্যৱস্থা দূৰদৰ্শনৰ এই নিৰ্ভৰযোগ্যতা, সত্যাশ্ৰয়ী চৰিত্ৰটোৰ প্ৰতি লক্ষ্য ৰখাটো প্ৰযোজনীয়। কেৱল শিল্প-সংস্কৃতিৰ দিশটোৰ কথা কোৱাৰ কাৰণ হ'ল,— অন্যান্য দিশত দূৰদৰ্শনৰ দৃষ্টিভংগী আৰু কাৰ্যকলাপ জটিল পাক চক্ৰৰ অধীন। কেনেকুৱা ছবিৰে অসমৰ কোনটো বাতৰি দূৰদৰ্শনত কেনেকৈ পৰিবেশিত হয় সেইটোও এক কথা, কিন্তু অসমৰ লোকগীত, লোকনৃত্য, শিল্প-কলাৰ কথা কেনেকৈ প্ৰচাৰিত হয়, সেইটো একেবাৰে বেলেগ কথা। দূৰদৰ্শনৰ নিয়ন্ত্ৰণ শ শ ৰাজনৈতিক দলৰ হাত বাগৰিলেও যিবোৰ বস্তুৰ চৰিত্ৰ সলনি নহয়, সেইবোৰ বস্তু সম্পৰ্কে শুদ্ধ জ্ঞান আৰু শুদ্ধ চৰ্চাৰ অভাৱ বৰ্তি থাকিবলৈ দিয়াটো অপৰাধমূলক কাম।

অলপতে অসমৰ কলা-সংস্কৃতি সম্পৰ্কীয় অনুষ্ঠান এটা প্ৰচাৰ কৰি দূৰদৰ্শন এই অঞ্চলৰ দৰ্শকৰ অশ্ৰদ্ধাৰ পাত্ৰ হৈছে। তাৰো আগতে বিহু-সম্পৰ্কীয় অনুষ্ঠান এটা এজনী গাভৰুৱে ঝুলনিত ঝুলি-ঝুলি আধুনিক গান এটা গাই শেষ কৰিছিল। ১৯৮২ চনৰ নৱেম্বৰ মাহৰ পৰা এই অঞ্চলৰ কিছু মানুহে দূৰদৰ্শনৰ অনুষ্ঠান চাবলৈ পাইছে কাৰণে এইবোৰ কথা এতিয়া 'ধৰা'হে পৰিছে, ইমান বছৰে চাগে কথাবোৰ তেনেকৈয়ে চলি আছিল। অসমৰ বিভিন্ন দিশৰ চলচ্চিত্ৰ তৈয়াৰ কৰি দূৰদৰ্শনক নিয়মিতভাৱে যোগান ধৰাৰ কোনো ব্যৱস্থা এই অঞ্চলত বৰ্তমানে নাই। গতিকে হঠাতে কলিকাতা দিল্লীত কোনোবাই তাগিদা পালে বা কাৰোবাৰ মগজত সুৰসুৰণি উঠিলে অসমৰ নৃত্য গীতৰ

একোখন টেলিভিছন-চিত্ৰ নিৰ্মাণ কৰা হৈ যায়। পিছে এটা কথা, সেই অসংস্কৃত ব্যৱসায়ীসকলে যেনিবা নিজৰ স্বাৰ্থ পূৰণ কৰিবলৈ চেষ্টা কৰিলেই, কিন্তু যিসকলে কেমেৰাৰ আগত চেহেৰা উলিয়াই নাচ গান কৰিলে, তেওঁলোকৰো প্ৰত্যেকেই ইমান অসংস্কৃত ব্যৱসায়ী নে ? "মই অসমৰ মানুহ হিচাপে যিকণ জানো, তাৰ বলতে ক'ব পাৰোঁ—এইবোৰ ঠিক হোৱা নাই"—এই বুলি আপত্তি কৰা মানুহো সেই "শিল্পী"সকলৰ মাজত এজনো নাথাকেনে ? কেৱল "টেলিভিছনত ওলাবলৈ" থকা চখেই তেওঁলোকক নিয়ন্ত্ৰণ কৰে নে কি ? দিল্লীৰ প্ৰগতি ময়দানৰ অসম পেভিলিয়নত থিয়াথিয়ি কৰি থাকিবলৈ কেইগৰাকীমান "গাইড" যোগাৰ কৰা আৰু দূৰদৰ্শনৰ অসম-সম্পৰ্কীয় কাৰ্যসূচীৰ বাবে শিল্পী যোগাৰ কৰা পদ্ধতিটোৰ কোনো পাৰ্থক্য নাইনে ?

বৰ্তমানে দূৰদৰ্শনৰ অসমৰ কলা-সংস্কৃতি সম্পৰ্কীয় অনুষ্ঠান যুগুত কৰাৰ দায়িত্ব যদি কলিকাতা কেন্দ্ৰক দিয়া হৈছে, তেনেহ'লে সেই কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত প্ৰযোজকগৰাকী এবাৰ অসমলৈ আহক। ইয়াত তেখেতে যোগ্য লোকৰ লগত আলোচনা কৰি গীত, নৃত্য, নাটক, চিত্ৰকলা আদি বিভিন্ন ক্ষেত্ৰৰ বাবে দক্ষ লোকৰ সন্ধান উলিয়াওক, আৰু তেখেত-সকলৰ পৰামৰ্শমতে চলচ্চিত্ৰসমূহ নিৰ্মাণ কৰক। যেতিয়া অসমত দূৰদৰ্শনৰ নিজা ষ্টুডিঅ' আদি হ'ব, তেতিয়া নিশ্চয় এই অৱস্থাৰ সলনি হ'ব। যেতিয়ালৈকে নহয়, তেতিয়ালৈকে যেন প্ৰযোজকসকলে "লোকৰ দায়িত্ব" অধিক সাৱধানে বহন কৰে। তেখেতসকলে যদি কামবোৰ "নিজৰ দায়িত্ব" বুলি গ্ৰহণ কৰাৰ যোগ্যতা অৰ্জন কৰে, তেনেহ'লেতো আনন্দৰেই কথা।

যোৱা এবছৰৰ ভিতৰত অসম-সম্পৰ্কে যিকেইটা ভাল অনুষ্ঠান দূৰদৰ্শনে প্ৰচাৰ কৰিছে, সেইকেইটাৰ বাবে দৰ্শকে যথোচিত আনন্দ প্ৰকাশ কৰিছে। সেইটোও কৈ থলো।

৮/১০/৮৩

# অভিনন্দন

আমেৰিকাৰ চিকাগো বিশ্ববিদ্যালয়ৰ অধ্যাপক, ৭২ বছৰীয়া জ্যোতিৰ্বিজ্ঞানী সুব্ৰামনিয়ন চন্দ্ৰশেখৰক (কেলিফৰ্নিয়া ইনষ্টিটিউট অৱ টেকনলজিৰ অধ্যাপক উইলিয়াম ফাউলাৰৰ লগত যুটীয়াভাবে) ১৯৮৩ চনৰ পদাৰ্থবিজ্ঞানৰ নোবেল বঁটা দিয়া হৈছে। অধ্যাপক চন্দ্ৰশেখৰে শিক্ষা গ্ৰহণৰ প্ৰথম অধ্যায় শেষ কৰিছিল মাদ্ৰাজৰ প্ৰেছিডেন্সি কলেজত। তাৰ পাছত তেখেত কেমব্ৰিজৰ ট্ৰিনিটি কলেজলৈ যায় আৰু তাতে ১৯৩৩ আৰু ১৯৪২ চনত ডক্টৰেটৰ সন্মান অৰ্জন কৰে। ২৪ বছৰ বয়সত তেখেত ট্ৰিনিটিৰ ফেল' হয় আৰু ২৭ বছৰ বয়সত বিছাৰ্চ এছ'ছিয়েট হিচাপে চিকাগোলৈ যায়। ১৯৫৩ চনত তেখেত আমেৰিকাৰ নাগৰিক হয়। অধ্যাপক চন্দ্ৰশেখৰ থিয়'বিটিকেল বিজ্ঞানী, আইনষ্টাইনৰ নিচিনা বহু বিখ্যাত বিজ্ঞানীৰ দৰে কাগজ-কলম আৰু মগজেই তেখেতৰ প্ৰধান সম্বল। নক্ষত্ৰসমূহৰ জন্ম, গঠন আদিৰ বিষয়ে উদ্ভাৱন কৰা তত্ত্ব আদিৰ বাবে তেখেতে এই শেহতীয়া স্বীকৃতি আৰু সন্মান অৰ্জন কৰিছে যদিও, প্লাজমা ফিজিকছ, জেনেৰেল ৰিলেটিভিটি, মেগনেট' হাইড্ৰ'ডাইনামিকছ আদি শাখাত তেখেতৰ কামৰ কীৰ্তি ব্যাপ্ত হৈ আছে। এই কৃতী বিজ্ঞানীগৰাকীৰ প্ৰতি আমি অভিনন্দন আৰু শুভেচ্ছা আগবঢ়াইছোঁ।

ড হৰগোবিন্দ খোৰানাৰ পাছত নোবেল বঁটাৰে সন্মানিত এই গৰাকী দ্বিতীয় "বিদেশী" ভাৰতীয়। এনে অৱস্থাতেই আমাৰ কাকতে-পত্ৰই, সভাই-সমিতিয়ে প্ৰতিভা-সম্পন্ন, মেধাবী ভাৰতীয় লোকৰ বিদেশলৈ প্ৰব্ৰজনৰ কথাটো বহলভাৱে আলোচনা কৰা হয়। সেইবোৰ আলোচনাত সাধাৰণতে এটা সিদ্ধান্ত কৰা হয় • ভাৰতত উচ্চ পৰ্যায়ৰ গৱেষণা, অধ্যয়ন আদিৰ বাবে উপযুক্ত সুবিধা দিয়া নহয়, উপযুক্ত পৰিবেশৰ সৃষ্টি কৰা নহয়। এইটো কথা ঠিক যে প্ৰচুৰ পৰিমাণৰ উচ্চমানসম্পন্ন যন্ত্ৰপাতি, আৰ্থিক সা-সুবিধাৰ মাজত বহুবাই থলেই সকলো বিজ্ঞানীয়ে সমানে আগুৱাব নোৱাৰে, মেধা, সাধনা, সততা আদিৰ কথাও আছে। (অধ্যাপক চন্দ্ৰশেখৰৰ প্ৰধান সম্বলকেইটাৰ কথা সেই কাৰণেহে উনুকিয়াই থৈছো।) কিন্তু এই সকলো সুবিধা আৰু গুণ অনুপযুক্ত পৰিবেশে নষ্ট কৰিব পাৰে। গতিকে ভাৰতৰ দৰে দুখীয়া দেশত পৰিবেশৰ গুৰুত্ব বৰ বেছি। আৰু এই পৰিবেশৰ লগত জড়িত হৈ থাকে, আন বেইবাটাও বস্তুৰ লগতে, আমাৰ সকলোৰে মনোবৃত্তি আৰু মানসিকতা।

দেশখনৰ ৰাজনীতি, বিজ্ঞাননীতিৰ ডাঙৰ-ডাঙৰ কথা এৰি, উদাহৰণস্বৰূপে,

এটা সক কথাতে আছে৷। আমাৰ বিশ্ববিদ্যালয়সমূহৰ গৱেষণা-অধ্যয়ন কৰা শিক্ষকসকলৰ গুণ, কাম, অৱদান আদিৰ প্ৰতি কোনে কেনেধৰণে চকু ৰাখে ? বেছি নালাগে, এগৰাকী অধ্যাপক নিয়োগ কৰাৰ প্ৰক্ৰিয়াটোকে বিচাৰ কৰি চাব পাৰি। বহু ক্ষেত্ৰত এই প্ৰক্ৰিয়াটো কেনভাছিং, ৰাজনীতিসুলভ কাণ্ড-কাৰখানা আদিৰে কলুষিত হৈ পৰে। প্ৰাৰ্থীগৰাকী কিয় অধ্যাপক হ'ব লাগে, সেইটো বেছিকৈ ক'ব লাগে তেওঁ নিজেই, নিয়োগকৰ্তাই তেওঁক ক'ব নালাগে— কিয় তেওঁক সেই গুৰুত্বপূৰ্ণ বাব দিয়া হ'ল। যিবোৰ দেশলৈ আমাৰ গুণীলোকৰ প্ৰব্ৰজন ঘটে, তেনে এখন দেশৰ লগত এই সক কথাটোকে বিজাই চোৱা ভাল। অসমৰ ড দিলীপ কুমাৰ দত্তই আমেৰিকাৰ ৰ'ড আইলেণ্ড বিশ্ববিদ্যালয়ৰ গণিত বিভাগত অধ্যাপক হিচাপে নিযুক্তি পাইছে। ভাৰতৰ নিযুক্তি পত্ৰবোৰৰ ভাষা আদালতৰ কথা মনত ৰাখি দিয়া বাতৰিৰ নিচিনা। তাৰ লগত ড দত্তই পোৱা চিঠিখন বিজালেই এটা লক্ষ্যণীয় পাৰ্থক্য ওলাই পৰে। চিঠিখনৰ মূল অংশটো ইয়াত সন্নিবিষ্ট কৰিলো।

Dear Professor Datta

On behalf of President Newman it gives me great pleasure to inform you that your promotion to the rank of Full Professor effective July 1 1981 has been approved
Among the reasons leading to the approval of your dean s and department chairman s recommendation are your fine reputation as a teacher your concern for and attention to the student with mathematical difficulties your growing publication record your service through the development of remedial programs and examination revision and your work with various student groups such as students Older Than Average
I want to express my appreciation for your valuable service to the University I hope that you continue to find professional satisfaction and personal happiness here
I congratulate you on this achievement

২৮/১০/৮৩

# অভিজ্ঞতা অনুযায়ী কৰ্ম

যিবোৰ কথা বিবেচনা কৰি মাধ্যমিক পৰ্যায়ৰ শিক্ষাৰ লগত কৰ্ম অভিজ্ঞতাক সংযুক্ত কৰা হৈছিল সেই কথাবোৰ ভাল আছিল। সকলো ছাত্ৰ ছাত্ৰীয়ে বিভিন্ন হাতৰ কামৰ অভিজ্ঞতা অৰ্জন কৰিব যিসকল ছাত্ৰ ছাত্ৰীয়ে বিভিন্ন কাৰণত আনুষ্ঠানিক শিক্ষা এৰিবলগীয়া হয় তেওঁলোকে এই অভিজ্ঞতাৰ সহায়ত জীৱনৰ এটা বাট বাছি লব পাৰিব, অইন বিষয়বোৰৰ প্ৰতি ৰাপ নথকা বা চেষ্টা কৰিও সেইবোৰৰ বিষয় আয়ত্তলৈ আনিব নোৱৰা কোনো ছাত্ৰ ছাত্ৰী হয়তো কৰ্ম অভিজ্ঞতাৰ পৰাই উপকৃত হ'ব -- থূলমূলভাৱে এইবোৰেই আছিল বিষয়টো সংযুক্ত কৰাৰ উদ্দেশ্য। জ্ঞানৰ পৰিসৰ বৃদ্ধি আৰু শিকিবলগীয়া ভাষাৰ সংখ্যাৰ কাৰণে আমাৰ দেশত প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ৰ পাঠ্যক্ৰম নিৰ্ণয় কৰাটো জটিল কাম হৈ আছে। সুদীৰ্ঘ আলোচনা বিলোচনা কৰি উদ্ভাৱন কৰা পাঠ্যক্ৰমেও সকলোকে সন্তুষ্ট কৰিব নোৱাৰে বিভিন্ন মহলৰ পৰা বিভিন্ন ধৰণৰ আপত্তি উঠিয়েই থাকে। সেইবিলাকৰ বহুতো আপত্তি খণ্ডন কৰাৰ যুক্তিযুক্ত উপায় বোধকৰো বিষয়টোৰ প্ৰবৰ্তক আৰু সমৰ্থকসকলৰো নাই। বিশেষভাৱে লক্ষ্য কৰিবলগীয়া কথা হ'ল,— এই আপত্তিবোৰ অভিজ্ঞতাৰ ওপৰত ভেটি কৰি তোলা হৈছে আৰু এই ক্ষেত্ৰত অধিক সৰৱ হৈছে কোমলমতীয়া ছাত্ৰ ছাত্ৰীসকল।

বিষয়টো পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰাৰ উদ্দেশ্য ভাল আছিল যদিও তাক প্ৰবৰ্তন আৰু পৰিচালনা কৰা প্ৰথাটোৰ বাবেই ই অসন্তোষৰ পাত্ৰ আৰু ক্ষতিকৰ হৈ পৰিল। কি কি কাম বিষয়টোৰ অন্তৰ্ভুক্ত হ'ব, সেইবোৰ কাম কোনে কেনেকৈ শিকাব কেনেকৈ বিষয়টোৰ পৰীক্ষা লোৱা হ'ব, কেনেকৈ নম্বৰ দিয়া হ'ব,— এইবোৰৰ ক্ষেত্ৰত লোৱা ব্যৱস্থাবোৰ গ্ৰহণযোগ্য নহ'ল। আজি এই বিষয়টোৰ অন্তৰ্ভুক্ত কামবোৰৰ কথা ওলালে ঘাঁইকৈ পাচি খৰাহি বোৱা, কাপোৰত ফুল তোলা, খেতি কৰা আদি কেইটামান কামৰ কথা শুনা যায়। কিন্তু আজিৰ দিনৰ প্ৰয়োজন আৰু কাৰ্যকাৰিতাৰ প্ৰতি লক্ষ্য ৰাখি আৰু কিছুমান কাম বাছি উলিওৱাৰ চেষ্টা কৰা হোৱা নাই। আনহাতে যিকেইটা কাম চলি আছে, সেইকেইটাৰ ক্ষেত্ৰত সকলোৱে জনাকৈ, লুক-ঢাক নোহোৱাকৈ কেনেকুৱা কাণ্ড চলি আছে, সেইবোৰৰ পুনৰুক্তি নিষ্প্ৰয়োজন। সেইবোৰ এতিয়া আমোদজনক, মুখৰোচক কাহিনীত পৰিণত হৈছে। (শেষত গৈ অৱস্থাটো শিক্ষকে ছাত্ৰক খৰাহি-পাচিৰ নগদ দাম বিচৰাত বৈছেগৈ)।

ছাত্ৰ-ছাত্ৰীয়ে কাম কিমান শিকিলে সেইটোতকৈও গুৰুতৰ কথা হৈছে এই

বিষয়টোত পোৱা নম্বৰে চূড়ান্ত পৰীক্ষাটোৰ ফলাফল কেনেকৈ আক্ৰান্ত কৰিছে— সেইটো। যিটো পৰীক্ষাত এটা অংকৰ উত্তৰত দশমিক বিন্দু এটাৰ ঠাই সলনি হ'লে নম্বৰ কটা যায় (বা নম্বৰ দিয়াই নহয়), কেইটামান শব্দৰ বানান ভুল হ'লে নম্বৰ কটা যায়, সেই একেটা পৰীক্ষাতে এশটা নম্বৰৰ ব্যৱহাৰ সম্পূৰ্ণভাৱে উন্মুক্ত আৰু উচ্ছৃংখল হৈ থকাটো অত্যন্ত ক্ষতিকৰ। ডিভিজন নিৰ্ণয় কৰাৰ ক্ষেত্ৰত, শীৰ্ষস্থানকেইটা নিৰ্ণয় কৰাৰ ক্ষেত্ৰত বিষয়টোৰ নম্বৰে যি প্ৰভাৱ বিস্তাৰ কৰে, সি বহু মেধাৱী ছাত্ৰ-ছাত্ৰীৰ বাবে দু খজনক, মনোকষ্টৰ কাৰণ। আজিৰ পৰা প্ৰায় ছল্লিছ বছৰৰ আগতে প্ৰচলিত এনে বিষয়টোৰ নিয়ম আছিল ঘৰত, আজৰি সময়ত যেয়ে যি পাৰে হাতৰ কাম শিকি থাকক। বছৰেকীয়া পৰীক্ষাৰ মাজত এদিন তেনে কামৰ পৰীক্ষা লোৱা হয়। ছাত্ৰসকলে মুকলি পথাৰত, নিৰ্দিষ্ট সময়ৰ ভিতৰত, বাইছাইকেল ভাল কৰা, ছাইনবৰ্'ড লিখা, নিজে কাঠী তুলি খৰাহি-চালনী বোৱা আদি কাম কৰে, পৰীক্ষকে শেষত এফালৰ পৰা চাই-চাই নম্বৰ দি যায়। কেনো ছাত্ৰই ঘৰত কামটো অকণমানো আগবঢ়াই আনিব নোৱাৰে। তেনে ব্যৱস্থাত ছাত্ৰৰ ফালৰ পৰা বা পৰীক্ষকৰ ফালৰ পৰা ফাকিফুকাৰ সুৰুঙা কম আছিল।

কৰ্ম-অভিজ্ঞতাৰ বৰ্তমানৰ ব্যৱস্থা কোনোমতেই চলি থাকিবলৈ দিব নোৱাৰি। সংশ্লিষ্ট শিক্ষাবিদসকলে ইতিমধ্যে এই বিষয়ে চিন্তা কৰিছে বুলি শুনিছো। প্ৰকৃত অৰ্থত শিক্ষাদান, শিক্ষাগ্ৰহণ, পৰীক্ষা আৰু মূল্যায়নৰ ব্যৱস্থা কৰাটো সম্ভৱ নহ'লে এই বিষয়টোক বৰ্তমানৰ গুৰুত্বৰে বৰ্তি থাকিবলৈ দিব নালাগে। আৰু যেতিয়ালৈকে এই বিষয়ে সন্তোষজনক, লাভজনক ব্যৱস্থাৰ প্ৰবৰ্তন কৰিব নোৱাৰি, তেতিয়ালৈকে— এই বিষয়টোৰ নম্বৰে যাতে ছাত্ৰ-ছাত্ৰীৰ ভাগ্য নিৰ্ণয় কৰিব নোৱাৰে তেনে ব্যৱস্থাৰ প্ৰবৰ্তন কৰা হওক। তেনে ব্যৱস্থা এই বছৰেই প্ৰবৰ্তন কৰা হওক। ছাত্ৰ-ছাত্ৰীৰ নম্বৰৰ তালিকাত কৰ্ম-অভিজ্ঞতাৰ ঘৰত গ্ৰে'ড বুজোৱা আখৰ এটা (A B C আদি) ওলাওক, কিন্তু মুঠ নম্বৰৰ লগত সংযুক্ত হোৱা সংখ্যা ওলোৱাটো বন্ধ হওক।

১১/১১/৮৩

# অভিজ্ঞতা আৰু দায়িত্ব

এখন আলোচনীৰ সম্পাদনাৰ কামৰ লগত জড়িত থাকিলে প্ৰতি দিনে মূল্যবান অভিজ্ঞতা সঞ্চিত হয়। লেখক-পাঠকৰ লগত এটা পাৰস্পৰিক উপকাৰৰ সম্পৰ্ক স্থাপন কৰি, সেই সম্পৰ্কৰ দ্বাৰা সমাজৰ সামগ্ৰিক উপকাৰ সধাৰ কথা ভাবিলে, সেই অভিজ্ঞতাসমূহৰ আভাস লেখক-পাঠককো দি থকাটো প্ৰয়োজনীয়। প্ৰান্তিকে তৃতীয় বছৰত ভৰি দিয়াৰ দিনা আমাৰ মনলৈ সেই প্ৰয়োজনৰ কথা আহিছে।

যোৱা দুবছৰত আমি লক্ষ্য কৰিছো, শুদ্ধ তথ্য-পাতিৰ সহায় লৈ প্ৰতিষ্ঠা কৰা বক্তব্য, মন্তব্য, আলোচনা আদিৰ ওপৰত গুৰুত্ব দিয়া পাঠকৰ সংখ্যা ক্ষিপ্ৰগতিৰে বাঢ়িছে, আনহাতে অসংযত আবেগ আৰু উচ্ছ্বাসৰ আশ্ৰয় লোৱা মন্তব্যৰ প্ৰতি অশ্ৰদ্ধা আৰু বিৰক্তি প্ৰকাশ কৰা পাঠকৰ সংখ্যাও বাঢ়িছে। আনন্দ আৰু আশাৰ কথা, আমি যিমানে শুদ্ধ তথ্য-পাতি আৰু নিস্বাৰ্থ যুক্তিৰ ওপৰত জোৰ দিছো, সিমানে সেই দৃষ্টিভংগীৰ লেখকৰ সংখ্যাও বাঢ়ি গৈছে। ফলত, এখন আলোচনীৰ দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কে যি ধাৰণাৰে আমি আমাৰ কাম আৰম্ভ কৰিছিলো, সেই ধাৰণা অধিক শক্তিমান আৰু দৃঢ় হৈছে। আমি আন্তৰিকভাৱে আশা কৰো, পাঠক-লেখকৰ শুদ্ধ ৰূপৰ সহযোগিতা আৰু সমন্বয়ে আমাক উত্তৰোত্তৰ অধিক সৎ প্ৰেৰণা যোগাব।

সমাজ, অৰ্থনীতি, ৰাজনীতি, শিক্ষা আদি বিষয়ৰ প্ৰবন্ধ, আলোচনা-পৰ্যালোচনাৰ ক্ষেত্ৰত আমি যি ভূমিকা পালন কৰিব পাৰো, ঠিক একে ভূমিকা সৃষ্টিধৰ্মী ৰচনাৰ ক্ষেত্ৰত পালন কৰিব নোৱাৰোঁ। তাৰ কাৰণ সুস্পষ্ট। আপুনি এই বিষয়বস্তু বা এই কাহিনীক কেন্দ্ৰ কৰি এই মানৰ এটা গল্প বা কবিতা লিখক বুলি আমি কাকো ক'ব নোৱাৰোঁ। আনহাতে এনে ৰচনাৰ ক্ষেত্ৰতো আমি দায়িত্বহীন হ'ব নোৱাৰোঁ। এনে অৱস্থাত অন্তত কবিতা আৰু গল্পৰ বিষয়ে অলপ আলোচনা কৰাটো ভাল। কবিতা আৰু গল্পৰ কথা বিশেষভাৱে উল্লেখ কৰাৰ কাৰণ হ'ল, এই দুটা ভাগত অসমীয়া সাহিত্যৰ এটা সন্মানজনক অৱস্থা প্ৰতিষ্ঠিত হৈছে, কিন্তু প্ৰতিটো দশকত বা দশকটোৰ প্ৰতিটো ভাগত নতুন-নতুন গল্প লেখক আৰু কবিয়ে কৃতিত্ব আৰু প্ৰতিশ্ৰুতি অৰ্জন কৰাটো প্ৰয়োজনীয়।

কবিতা সাধাৰণতে চুটি, আধুনিক কবিতাৰ ছন্দৰ এটা মুক্ত চৰিত্ৰ আছে, মনৰ ভাব সাহিত্যসুলভ উপায়েৰে প্ৰকাশ কৰিবলৈ কবিতাই "উপযুক্ত" মাধ্যম,— হয়তো এইবোৰ কাৰণতে বহু সংখ্যক লোকে কবিতা ৰচনাত হাত দিছে। এখেতসকলৰ বহুতৰে সততা আৰু নিষ্ঠা প্ৰশংসনীয়। কিন্তু বিষয়বস্তু, চিন্তা, কল্পনা, অনুভূতি, শব্দ, সুৰ, ৰস

আদি যিবোৰ উপাদানে কবিতাক সৌন্দৰ্যময় সাহিত্যকৰ্মৰ পৰ্যায়লৈ নিয়ে, সেই সকলো উপাদান সকলোৱে সঠিকভাৱে আয়ত্তলৈ আনিব নোৱাৰে। ফলত সেইসকলৰ বহু ৰচনা মাজবাটৰ কোনোবা এঠাইত বন্দী হৈ ৰৈ যায়। আমালৈ অহা বহু কবিতাৰ পৰা অৰ্জন কৰা অভিজ্ঞতাৰে এই কথা কৈছো। কবিতাৰ ক্ষেত্ৰত আৰু এটা বিপদজনক কথা হ'ল, গভীৰ উপলব্ধি আৰু ৰসবোধ নহ'লে এইটো কবিতা কিয় ভাল নহয়, সেইটো কবিতা কিয় অলপ ভাল, সেই কথা নিৰ্ণয় কৰিব নোৱাৰি। এনে অৱস্থাত, কবিতা ৰচনাৰ মন থকা নতুনসকলে ৰচনাৰ কাম অব্যাহত ৰখাৰ লগতে, যথেষ্ট সংখ্যক শ্ৰেষ্ঠ সৃষ্টি অধ্যয়ন কৰি প্ৰকৃত ৰস আৰু সৌন্দৰ্য উপলব্ধি কৰাৰ চেষ্টা কৰিব,— এইটোৱেই বাহিৰৰ পৰা ক'ব পৰা কথা যেন লাগে।

গল্পৰ ক্ষেত্ৰত সমস্যাটো আৰু বেছি জটিল বুলি আমাৰ অভিজ্ঞতা হৈছে। ৰস, অভিজ্ঞতা, বুদ্ধিমত্তা, পৰ্যবেক্ষণ, ভাষা, প্ৰকাশভংগী আদিৰ সুসমন্বয়ত গঢ় লোৱা যি মানৰ গল্পই ৰসবোধ থকা বুদ্ধিমান পাঠকক আনন্দ দিয়ে, আমাৰ হাতলৈ অহা তেনে গল্পৰ সংখ্যা বৰ কম। সমসাময়িক ঘটনাৰ উপকৰণা দিশ কিছুমানে নতুন লেখকসকলৰ বহুতক উচ্ছ্বসিত কৰাৰ বাবে তেওঁলোকৰ জীৱনৰ অতি উৰ্বৰ, সৃষ্টিশীল কালছোৱাৰ ক্ষতি হৈছে বুলি ধাৰণা হয়। এনে অৱস্থা চলি থাকিবলৈ দিব নোৱাৰি। আমি এই ক্ষেত্ৰৰ প্ৰতি দৃষ্টি ৰাখিবলৈ সংকল্পবদ্ধ। নতুন লেখকসকলে যথেষ্ট পৰিমাণে ভাল গল্প পঢ়ি, মুক্ত দৃষ্টিৰে চাৰিওকাষ পৰ্যবেক্ষণ কৰি নিজৰ প্ৰতিভাক কামত লগাব বুলি আমি বাঞ্ছা কৰো। আনহাতে কৃতী, প্ৰবীণ লেখকসকলো নবীনসকলৰ মনত মান সম্পৰ্কে একোটা ধাৰণা সৃষ্টি কৰিবলৈ সক্ৰিয় হৈ থকাটো প্ৰয়োজনীয়। কেৱল আমাৰ আলোচনী আৰু পাঠকসকলৰ বাবেই নহয়, অসমীয়া সাহিত্যৰ সামগ্ৰিক মংগলৰ বাবেই ই প্ৰয়োজনীয়।

২৮/১১/৮৩

# প্ৰতিষ্ঠানৰ মৰ্যাদা আৰু ব্যক্তিৰ আচৰণ

কিছুমান বিষয় আইনৰ ধাৰা, আদালতৰ ৰায়, সংবিধান, মানৱ অধিকাৰৰ নীতি ইত্যাদি বহু বস্তুৰ সহায় লৈও আলোচনা কৰিব পাৰি, আনহাতে সাধাৰণ বুদ্ধি বা কাণ্ডজ্ঞানেৰেও আলোচনা কৰিব পাৰি। ভালেমান ক্ষেত্ৰত আইনৰ ধাৰা আদিতকৈ প্ৰাঞ্জল কাণ্ডজ্ঞান, পৰিষ্কাৰ সাধাৰণ বুদ্ধিৰ মহত্ত্ব অধিক। সেই কথা মনত ৰাখি আমি এটা বিষয় আইনৰ ধাৰা, লিখিত নিৰ্দেশ নিয়মাৱলী আদিৰ উল্লেখ পৰিহাৰ কৰি আলোচনা কৰিবলৈ লৈছো।

কাণ্ডজ্ঞানৰ সহায়তে ক'ব পাৰি, অপৰাধীক শাস্তি দিয়াৰ আইন ৰাইজে নিজৰ হাতত লব নালাগে। কাৰণ আইনৰ প্ৰয়োগৰ কাৰণে দেশত এটা ব্যৱস্থা আছে, এটা প্ৰতিষ্ঠান আছে। এইটো কথা সচা বুলি সকলো সৎ নাগৰিকে স্বীকাৰো কৰে। কিন্তু পুলিছে আইন নিজৰ হাতত লব লাগেনে ? পুলিছৰ সকলো সৎ লোকে স্বীকাৰ কৰে— নালাগে। কাৰণ অপৰাধীক আইন প্ৰয়োগৰ ব্যৱস্থাটোৰ/প্ৰতিষ্ঠানটোৰ সন্মুখত শুদ্ধ তথ্য পাতিৰে উপস্থিত কৰাই দিয়াটোহে পুলিছৰ কাম। তেনেহ'লে এইযে মানুহ এজনক ধৰি, তেও অপৰাধী হয় নে নহয় সেই বিষযে প্ৰাথমিক তথ্য-পাতি গোট খোৱাৰ আগতেই তেওক শাৰীৰিক কষ্ট দিয়া হয়, মানসিক কষ্ট দিয়া হয়, অপমান কৰা হয, এইবোৰ কাম কোনে কৰে ? এই ক্ষেত্ৰত তিনিটা কথা মনলৈ আহে। প্ৰথম, তেনে কৰাৰ বিধান পুলিছৰ কাৰ্য পৰিচালনাৰ নীতি নিৰ্দেশাৱলীতেই আছে, দ্বিতীয়,— নীতি-নিৰ্দেশাৱলীত নাই, কিন্তু শাসনকৰ্তাসকলে মুখেৰে পুলিছক তেনে কৰিবলৈ নিৰ্দেশ দিছে, আৰু তৃতীয়,— নী'তি নিৰ্দেশাৱলীতো নাই, শাসনকৰ্তাসকলেও মুখেৰে নিৰ্দেশ দিযা নাই, কিন্তু সেই সংশ্লিষ্ট পুলিছৰ মানুহকেইজনে নিজৰ ইচ্ছামতে তেনেকুৱা কাম কৰে। পুলিছৰ লগত মুখামুখি হোৱাৰ মুহূৰ্তৰে পৰা মানুহ একোজনক যি ব্যৱহাৰ কৰা হৈছে বুলি খবৰ ওলাইছে সেইবিলাক অন্তত কাৰ্য-পৰিচালনাৰ নীতি-নিৰ্দেশাৱলীত নাই বুলি সাধাৰণ বুদ্ধিৰেই ক'ব পাৰি। আজিৰ বিজ্ঞান-মনোবিজ্ঞানৰ পৰিপ্ৰেক্ষিতত এজন মানুহৰ মুখৰ পৰা প্ৰাথমিক স্বীকাৰোক্তি আদায় কৰাৰো বৈজ্ঞানিক মনোবৈজ্ঞানিক প্ৰথা পুলিছৰ হাতত আছে বুলি ভবাটো যুক্তিযুক্ত। অপৰাধী বুলি প্ৰমাণিত হ'লে আইনৰ হাতত মানুহজনে যি শাস্তি পালেহেতেন, নিৰপৰাধ মানুহে আইনৰ মুখামুখি হোৱাৰ আগতেই সেই শাস্তি পোৱাটো অন্যায ঘটনা। ওপৰৰ দ্বিতীয় কথাটো সচা বুলি ধৰিলে এইবোৰ আলোচনা কৰাৰ

কোনো প্রয়োজনেই নাথাকে। গণতন্ত্র, ন্যায়ালয়— এইবোৰৰ অস্তিত্বৰেই প্রশ্ন নুঠে। যদি প্রথম আৰু দ্বিতীয় কথাটো সচা নহয়, তেনেহ'লে তৃতীয়টো সঁচা। নীতি-নির্দেশাৱলীত নাই, কোনেও মুখেৰে হুকুমো দিয়া নাই, কিন্তু কেইজনমান মানুহে ব্যক্তিগত শক্তিৰে এনে কাম কৰে। মানুহ কেইজনৰ মানসিকতাটো বিচাৰ কৰি চোৱাটো প্রয়োজনীয়। এজন সামাজিক মানুহ হিচাপে, পিতৃ হিচাপে, এজন পতি হিচাপে, এজন পুত্র হিচাপে তেওঁ আন এজন সামাজিক মানুহক শাৰীৰিকভাৱে দুর্ব্যৱহাৰ কৰিব পাৰে কেনেকৈ ? ফুলন দেৱী, বা উন্মাদ মানুহ, বা বাৰে-বাৰে পুলিছৰ কবলৰ পৰা পলোৱা অপৰাধীৰ লগত লেনদেনৰ সময়ৰ কথা বেলেগ হ'ব পাৰে, কিন্তু সমাজৰ সাধাৰণ মানুহৰ লগত লেনদেন কৰোঁতে, মানুহজনৰ অপৰাধ সম্পর্কে কোনো সত্য প্রতিষ্ঠিত হোৱাৰ আগতেই এওঁলোক ইমান (বাতৰিকাকতত প্রকাশ হোৱা ধৰণে) নিষ্ঠুৰ, অমানৱীয় হ'ব পাৰে কেনেকৈ ? এওঁলোকৰ ব্যক্তিগত মেজাজ আৰু কার্যপ্রণালীৰ কাৰণেই সমগ্র পুলিছ-প্রতিষ্ঠানটোৰ অপযশ হ'বলৈ পুলিছৰ বাকী অংশই এৰি দিছে নে ? শাসনকর্তাসকলে এৰি দিছে নে ? এওঁলোকে এটা দুর্ব্যৱহাৰৰ ঘটনা শেষ কৰাৰ পাছত যেতিয়া বাইজৰ মাজত কথাটো সদৰি হয়, তেতিয়া যদি তেওঁলোকৰ ৰক্ষণাবেক্ষণৰহে ব্যৱস্থা কৰা হয়, তেনেহ'লে ওপৰৰ দ্বিতীয় কথাটো সচা বুলি প্রতীয়মান হয়, সমগ্র ব্যৱস্থাটোৰ ক্ষেত্রতেই এক অনাস্থা, গভীৰ হতাশাৰ ভাবৰ সৃষ্টি হয়। এই হতাশাই ক্ষোভৰ ৰূপ ধাৰণ কৰিবলৈ পোৱাটো অত্যন্ত ক্ষতিকাৰক। ওপৰৰ প্রথম আৰু দ্বিতীয় কথাটো যদি মিছা হয়, তেনেহ'লে পুলিছৰ সৎ, শিক্ষিত, কর্তব্যপৰায়ণ লোকসকলে তেওঁলোকৰ লগৰ সেই বিপৰীত-ধর্মী লোকসকলৰ কথা চিন্তা কৰাটো এটা প্রয়োজনীয় কাম , কাৰণ ফাইল, আইন আদিৰ সম্মুখত মানৱীয় বিচাৰ-বুদ্ধিৰ শক্তি অধিক উজ্জ্বল। তদুপৰি, এইটো শাসনত অমুক দল বা তমুক দল থকাৰ লগত জড়িত প্রশ্ন নহয় , এইটো জনসাধাৰণ আৰু এটা প্রতিষ্ঠানৰ মাজৰ সকলো সময়ৰে প্রশ্ন।

১১/১২/৮৩

# অনুষ্টুপীয়া সম্পদ, বিৰাট শক্তি

যিখিনি সম্পদ হাতলৈ আছে, সেইখিনি যিমানেই কম নহওক, তাক আটাইতকৈ ফলপ্ৰসূ উপায়েৰে কামত লগাই, সৰ্বাধিক সুফল আহৰণ কৰিবলৈ চেষ্টা কৰাটো আমাৰ নিচিনা ৰাজ্য এখনৰ বাবে বৰ প্ৰয়োজনীয়। এনে ঘটনাৰ লগত যেতিয়া ৰাজ্যখনৰ যুবক-যুবতী, ছাত্ৰ-ছাত্ৰীসকল জড়িত হৈ থাকে, তেতিয়া ঘটনাটোৰ গুৰুত্ব আৰু বেছি হয়। এই কথাখিনি মনত ৰাখি আমি এক অনুষ্টুপীয়া অথচ সম্ভাৱনাপূৰ্ণ সম্পদৰ কথা আলোচনা কৰিব খুজিছোঁ।

এটা জাতি গঢ়িবলৈ, মোটামুটিভাৱে ভাল মনৰ এজন নাগৰিক গঢ়িবলৈ যিবোৰ উপাদানৰ প্ৰয়োজন হয়, আমাৰ কলেজসমূহৰ ছাত্ৰ একতা সভা বা ছাত্ৰ সংস্থা (ইউনিয়ন ছ'চাইটি)সমূহৰ উদ্দেশ্য আৰু কাৰ্যসূচীৰ ভিতৰত প্ৰায় সেই সকলো উপাদান সুমুৱাই লোৱা হয়। সংস্থাৰ নিৰ্বাচিত সদস্যসকলৰ বিভাগসমূহৰ নামবোৰলৈ মন কৰিলেই এই কথা ধৰিব পাৰি সংগীত, কৃষ্টি-সংস্কৃতি-সুকুমাৰ কলা, ক্ৰীড়া, ব্যায়াম, ফুটবল, ভলিবল, ক্ৰিকেট, সাহিত্য, সমাজসেৱা, তৰ্ক, আলোচনা-চক্ৰ ইত্যাদি। ৰাজ্যখনৰ দুশখন কলেজ হিচাপত ধৰিলেও বছৰি প্ৰায় আশীলাখ টকা একতা সভাসমূহে উক্ত উপাদানসমূহৰ লগত খৰচ কৰে। এই প্ৰসংগত আৰু তিনিটা কথালৈ মন কৰিব লাগে প্ৰথম,— মানুহৰ জীৱনৰ এক সোণালী কালত, এক ৰূপদায়ক (formative) কালত অৱস্থান কৰা ছাত্ৰ-ছাত্ৰীসকলক লৈ, তেওলোকৰ বাবেই একতা সভাসমূহে কাম কৰাৰ সুবিধা পায়, দ্বিতীয়,— একতা সভাৰ সদস্যসকলে জীৱনত প্ৰথমবাৰৰ বাবে গুৰুত্বপূৰ্ণ সাংগঠনিক, নেতৃত্বমূলক কাম কৰাৰ আৰু লগতে তেনে কামৰ প্ৰশিক্ষণৰ সুবিধা পায় , তৃতীয়,— কলেজসমূহ, বিশেষকৈ সৰু চহৰবোৰত, গোটেই অঞ্চলটোৰ ওপৰতেই প্ৰভাৱ বিস্তাৰ কৰিব পৰা শক্তিশালী প্ৰতিষ্ঠান।

এই দৃষ্টিকোণৰ পৰা বিচাৰ কৰিলে দেখা যায় যে বৰ্তমান কলেজৰ একতা সভা-সমূহৰ কাৰ্যসূচী আৰু কাৰ্যপন্থা এটা নিৰুৎসাহজনক 'পেটাৰ্ন'ৰ ভিতৰত অৱৰুদ্ধ হৈছে। "কলেজ সপ্তাহে"ই বিভাগীয় সম্পাদকসকলৰ লক্ষ্য হোৱাৰ নিচিনা হৈছে। সেই সপ্তাহটোতো হাজাৰ-ডেৰহাজাৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰাণ আৰু প্ৰতিভাৰ স্পন্দন দেখিবলৈ পোৱা নাযায়। খেল পথাৰত মুষ্টিমেয় প্ৰতিযোগী আৰু দৰ্শক, আধুনিক গীত, "জ্যোতি সংগীত", বিহুগীতৰ প্ৰতিযোগিতায়েই যেন সংগীত প্ৰতিযোগিতাৰ মূল আকৰ্ষণ, একে কেইজন ছাত্ৰ-ছাত্ৰীয়েই সভাস্থলীৰ শেষৰ ফালৰ আসনৰ পৰা

উঠি আহি বঁটা লৈছে, গৈ বহিছে, আকৌ আহিছে, আকৌ গৈছে, "মিউজিক ছছিয়েল"লৈ "বাহিৰৰ" শিল্পী অনা হৈছে, সেই সন্ধিয়া মানুহক বহিবলৈ ঠাই দিব নোৱৰা হৈছে , বহু টকা ভাৰা কৰি গাড়ীৰে বিশিষ্ট অতিথি দূৰৰ পৰা অনা হৈছে, যেতিয়া সকলো সম্পাদকে পৰীক্ষা দিছে, তেতিয়া আলোচনী সম্পাদকে প্ৰেছত বহি প্ৰুফ চাইছে, চাহ-মিঠাই খোৱাসকলেও "আধা টকা হোটেলতে গ'ল" বুলি একতা সভাৰ অপযশ ৰটিছে , বহু বছৰ ধৰি প্ৰায়বোৰ কলেজত এনেকৈয়ে চলি আছে।

কোনো সময়তে নিৰুৎসাহ হোৱাটো আমাৰ কাম নহয়। এতিয়া কলেজসমূহৰ নিৰ্বাচনৰ সময়। নিৰ্বাচিত প্ৰতিজন সদস্যই নিজৰ বিভাগটোৰ দায়িত্ব লৈ, তেওঁৰ বিভাগটোৰ বাবে দিয়া টকাৰ পৰিমাণ জনাৰ পাছতে চিন্তা কৰক — এই বছৰটোত কি-কি কৰিব পৰা যায়, কি-কি কৰা উচিত, তেও কি নতুনত্বৰ প্ৰবৰ্তন কৰিব পাৰে, তেওঁ কলেজখনৰ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ কিমান বেছি উপকাৰ কৰিব পাৰে। তেওঁৰ কামৰ সময় অন্তত আঠ মাহ, কলেজ সপ্তাহৰ সাতোটা দিনৰ এটা দিন নহয়। কলেজ কৰ্তৃপক্ষই তেওঁৰ কামত হাত দিয়াৰ কথা হোৱা নাই, কিন্তু বিভাগটোৰ দায়িত্বত থকা অধ্যাপকগৰাকীয়ে সম্পাদকজনৰ লগত দুদিন বহি এখন কাৰ্যসূচী প্ৰস্তুত কৰিবই লাগিব। তেও কেৱল বঁটাৰ লগত দিয়া ছাৰ্টিফিকেটবিলাকত চহীবোৰ দিয়া আৰু বছৰৰ শেষত খৰচৰ ৰছিদবোৰত কাউণ্টাৰছাইন কৰা মানুহ বুলি অসহায় বোধ কৰিব নালাগিব। দুদিন আলোচনা কৰিলে প্ৰত্যেকটো বিভাগৰ বাবে এনেকুৱা কিছুমান নতুন কামৰ কথা উদ্ভৱ হ'ব--- যিবোৰে গোটেই বছৰ ধৰি ছাত্ৰ ছাত্ৰী-অধ্যাপকসকলক জড়িত কৰি ৰাখিব পাৰিব, প্ৰতিভাসম্পন্ন ছাত্ৰ-ছাত্ৰীসকলক সক্ৰিয় কৰি ৰাখিব, সমগ্ৰ অঞ্চলটোকে প্ৰভাৱিত কৰিব পাৰিব। অলপ হ'লেও টকা আছে, অফুৰন্ত কৰ্মশক্তি আছে, কেৱল চিন্তা আৰু আচনিৰে সেইবোৰৰ সুব্যৱহাৰ কৰিব লাগে, সৰ্বাধিক সুফল আহৰণ কৰিব লাগে।

২৬/১২/৮৩

# শিকালেই শিকে

নৃত্যৰ প্ৰশিক্ষণ লৈ, কিছু পৰিমাণে নৃত্যকলা আয়ত্ত কৰি, নিয়মিতভাৱে তাৰ চৰ্চা কৰি থকা লোকৰ সংখ্যা অসমত কম । এনে লোক যিকেইগৰাকী আছে তেখেতসকলৰ কামে ৰাজ্যখনৰ সকলো অনুৰাগী লোককে সামৰাটো সম্ভৱ নহয় । আনহাতে প্ৰায় সকলো অঞ্চলৰে বহু লোকৰ আমোদ-আনন্দৰ বাবে নাচৰ প্ৰদৰ্শনৰ প্ৰয়োজন । সেই প্ৰয়োজন কিবা নহয় কিবা প্ৰকাৰে পূৰ্ণ হৈয়ো আছে । বিভিন্ন জনগোষ্ঠীৰ লোকনৃত্য, সত্ৰসমূহৰ নৃত্য আৰু অন্যান্য শাস্ত্ৰীয় নৃত্য আদিৰ প্ৰদৰ্শনৰ বাহিৰে এক বুজন পৰিমাণৰ প্ৰয়োজন পূৰাইছে এক ধৰণৰ "ক্ৰিয়েটিভ" নাচে । বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, সংঘ-সংস্থা আদিয়ে প্ৰযোজনা আৰু পৰিবেশন কৰা নৃত্য-নাটিকা সমূহত বিভিন্ন শ্ৰেণীৰ নৃত্যৰ মিশ্ৰণ ঘটোঁতে এই ধৰণৰ নাচৰ সৃষ্টি হোৱাটো সঘনে চকুত পৰে । এই ধৰণৰ নাচত আটাইতঁকৈ বেছি সংখ্যক ল'ৰা ছোৱালী, বেছি পৰিমাণৰ সময় আৰু অৰ্থ জড়িত থাকে । কেইখনমান চহৰৰ কেইগৰাকীমান লোকৰ বাহিৰে, এই ল'ৰা-ছোৱালীহঁতে ৰিহাৰ্ছেলৰ কেইদিন যাৰ-যাৰ পৰা প্ৰশিক্ষণ পায়, তেওঁলোকৰ বেছিভাগেই চেগা-চোৰোকাকৈ কিছু শিক্ষা, নাইবা ব্যক্তিগত স্বাভাৱিক প্ৰতিভাৰে "পাৰিম" বুলি সাহ কৰা লোক । ঘাইকৈ উৎসাহ, আনন্দ আৰু প্ৰাণশক্তিৰ ওপৰত নিৰ্ভৰশীল এই ধৰণৰ চৰ্চা আৰু পৰিবেশন উঠন-পতনৰ মাজেদিয়েই চলি থাকিব, তাক শুদ্ধ আৰু সুন্দৰ কৰিবলৈ যিমান পৰা যায় সহায় কৰিব পাৰি, নিৰুৎসাহ কৰিব নোৱাৰি ।

কিন্তু যিবিলাক প্ৰতিষ্ঠানে নিয়মীয়াকৈ নাচৰ অনুষ্ঠান প্ৰদৰ্শন কৰিবলৈ লৈছে, সেইবিলাকৰ কামৰ প্ৰতি এক বেলেগ গুৰুত্বৰে দৃষ্টি দিয়াৰ প্ৰয়োজন হৈছে । এনে প্ৰতিষ্ঠানৰ উদাহৰণ — ভ্ৰাম্যমান থিয়েটাৰসমূহ । এই প্ৰতিষ্ঠানসমূহে নাটকৰ আগতে পৰিবেশন কৰা "নৃত্য নাটিকা"সমূহত প্ৰচুৰ পৰিমাণৰ পৰিশ্ৰম, অৰ্থ আৰু মানুহ জড়িত থাকে, কিন্তু এইবোৰে মূল নাটৰ তুলনাত কেতিয়াও যথাযথ গুৰুত্ব পোৱা নাই । বছৰটোৰ চাৰে সাত মাহ, প্ৰতি সন্ধিয়া, গড়ে প্ৰায় পঞ্চল্লিছ মিনিটকৈ, প্ৰায় ছকুৰিতকৈও বেছি ল'ৰা-ছোৱালীয়ে অসমত নাচি আছে , — কথাটো আমি মন নকৰোঁ । এওঁলোকৰ বেছিভাগেই ভিতৰ গাঁৱৰ, দুখীয়া পৰিয়ালৰ, অলপ-অচৰপ পঢ়া-শুনা জনা, জীৱিকাৰ কাৰণে ওলাই অহা ল'ৰা-ছোৱালী । ভ্ৰমণ কৰি ফুৰা চাৰে সাত মাহৰ আগতে তেওঁলোকে প্ৰায় দুমাহ দিনে দহ ঘণ্টাকৈ কঠোৰ পৰিশ্ৰম কৰি নৃত্য-নাটিকাৰ আখৰা কৰে । মুঠতে ছকুৰি ল'ৰা-ছোৱালীয়ে বছৰৰ চাৰে নমাহ নাচিয়েই আছে ।

এওলোকৰ আখৰাত — আজি বাহী বজোৱা মানুহজন নাহে, কাইলৈ অমুক মাকৰ লগত অমুকলৈ যাব  দুদিন আহিব নোৱাৰিব, পৰহিলৈ বিয়াৰ তাৰিখ পৰিছে, বহুত বিয়া, গতিকে ৰিহাৰ্ছেল নহয়, — এইবোৰ ঘটনা নঘটে। নিৰ্দিষ্ট সময়ত, সংশ্লিষ্ট সকলোৰে উপস্থিতিত সম্পূৰ্ণ প্ৰফেছনেল নিয়মত আখৰা চলে। এওঁলোকক যিসকলে নাচ শিকায়, তেওলোকৰ প্ৰায়ভাগেই সম্পূৰ্ণ প্ৰশিক্ষণপ্ৰাপ্ত নৃত্যকলা বিশাৰদ নহয়, কিন্তু শিকি সহজাত প্ৰতিভা আৰু গভীৰ নিষ্ঠাৰে কাম কৰা মানুহ। ফলত ল'ৰা-ছোৱালীহঁতৰ মুদ্ৰা, দেহৰ ভংগী, অংগ সঞ্চালন আদি শুদ্ধ হৈছেনে নাই সেই সম্পৰ্কে এক শ্ৰেণীৰ লোকে প্ৰশ্ন তোলে, দুই-একে নাকো কোঁচায়। কিন্তু যথালাভ বুলি সদ্যহতে এটা কথা স্বীকাৰ কৰিব লাগিব যে কেইবাটাও ভ্ৰাম্যমান থিয়েটাৰ দলৰ ল'ৰা-ছোৱালীহতৰ নৃত্যপৰিবেশনৰ লগত জড়িত কামবোৰ অত্যন্ত সুশৃংখল। নিজৰ অংগসজ্জা নিজে কৰা, নিজৰ সাজ নিজে পিন্ধাৰ পৰা আৰম্ভ কৰি মঞ্চত ঠিক মুহূৰ্তত নিজৰ কাম ঠিককৈ কৰালৈকে এওঁলোৰ দায়িত্বজ্ঞান প্ৰশংসনীয়। দল হিচাপে নাচি থাকোঁতে হাত ভৰি নিমিলাটো, ওচৰৰ জনীলৈ চাই হাত-ভৰি মিলাই লোৱাটো, নাচি থাকোঁতে গাৰ কিবা এটা মঞ্চত খহি পৰাটো এওলোকৰ কাৰণে অক্ষমনীয় অপৰাধ।

ভ্ৰাম্যমান থিয়েটাৰসমূহৰ এনে এটা ব্যাপক আয়োজন আৰু শক্তি থকা অৱস্থাত, তেওলাকৰ নৃত্য-নাটিকাসমূহ আৰু ল'ৰা-ছোৱালীহতৰ কামৰ উৎকৰ্ষৰ বাবে জনাবুজা মানুহৰ দিহা পৰামৰ্শৰ প্ৰয়োজন হৈছে। মূল নাটকবোৰৰ "ব্যৱসায়িক দিশ"ৰ প্ৰশ্ন থাকিলেও নৃত্য-নাটিকাবোৰৰ তেনেকুৱা এটা দিশ  সম্পৰ্কে দৰ্শকৰ কোনো দাবী নাই। বৰঞ্চ কোনো প্ৰযোজকে যদি দৰ্শকক ভুল বুজি নৃত্য-নাটিকাৰ নাচ আৰু সাজ-পাৰ "ব্যৱসায়িক" কৰিবলৈ চেষ্টা কৰিছে, তেনেহ'লে তেও দৰ্শকৰ বিৰাগভাজনহে হৈছে। গতিকে বৰ্তমান অৱস্থাত ব্যৱসায় নষ্ট নকৰাকৈও ভ্ৰাম্যমান থিয়েটাৰে যদি কিবা শুদ্ধ আৰু সুন্দৰ কৰাৰ উপায় আছে, তেন্তে সেয়া হৈছে নৃত্য-নাটিকাবোৰ। এই কামৰ বাবে প্ৰযোজকসকল জনাবুজা লোকৰ কাষ চপা উচিত, আৰু জনাবুজাসকলেও যেনেকৈ পাৰে এই ক্ষেত্ৰত সহায় কৰা উচিত। যেনেকৈ শিকায়, ঠিক তেনেকৈ শিকিবলৈ উন্মুখ ল'ৰা-ছোৱালীহঁত আছে, পৰামৰ্শ গ্ৰহণ কৰিবলৈ নৃত্য পৰিচালক-প্ৰশিক্ষকসকল আছে , এনে এটা ব্যৱস্থা বিফল হ'বলৈ দিব নালাগে। নাইবা সমালোচনা নকৰি "ভ্ৰাম্যমান নৃত্য" নামৰ এবিধ নাচৰ সৃষ্টি হ'বলৈকে এৰি দিব লাগে।

৮। ১। ৮৪

# নিজৰ বিচাৰ আৰু শক্তি

সাধাৰণ মানুহে কিছুমান কথা ৰাজনীতিৰ গভীৰ অঞ্চলৰ জটিলতাৰ মাজত নোসোমোৱাকৈয়ে উপলব্ধি কৰে। ৰাজনৈতিক প্ৰবাহৰ গতি, শক্তি আৰু দিশ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত এই সাধাৰণ উপলব্ধিয়ে, নানান যুক্তি-তৰ্ক-বিচাৰ-বুদ্ধিয়ে সুমুৱাই দিয়া জ্ঞানতকৈ বেছি শক্তিশালী ভূমিকা গ্ৰহণ কৰে। অসমীয়া মানুহখিনিয়ে বহুদিন ধৰি কৰি অহা এনে এক উপলব্ধি হৈছে — এক ধৰণৰ ৰাজনৈতিক নিঃসংগতা আৰু অসহায় অৱস্থা। বৰ্তমানৰ আন্দোলনটোৱে এই উপলব্ধি গভীৰ কৰিছে। গতিকে অতীতৰ বহু কথা এৰি, এই আন্দোলনৰ পটভূমিত এটা কথা বিচাৰ কৰি চোৱা যাওক।

এসময়ত বিভিন্ন মহলৰ দ্বাৰা কোৱা হ'ল— সমস্যা আৰু দাবীসমূহৰ প্ৰতি দেশবাসীৰ মনোযোগ আকৰ্ষণ কৰাত এই অভূতপূৰ্ব আন্দোলনটো কৃতকাৰ্য হৈছে,আন্দোলনৰ উদ্দেশ্য সফল হৈছে, গতিকে এতিয়া আন্দোলনসূচক কাৰ্যসূচী পৰিহাৰ কৰিব লাগে। কেন্দ্ৰত শাসনাধিষ্ঠিত ৰাজনৈতিক দলৰ দৃষ্টিভংগী আন্দোলনকাৰীৰ দৃষ্টিভংগীৰ অনুকূল নহয় , গতিকে, স্বাভাৱিকতে এটা পৰ্যায়ত সামগ্ৰিকভাৱে ভাৰতৰ মানুহ আৰু বিশেষকৈ ভাৰতৰ বিৰোধী ৰাজনৈতিক দলসমূহৰ দৃষ্টিভংগী আৰু কাৰ্যকলাপ আন্দোলনসূচক কাৰ্যসূচী পৰিহাৰ কৰা-নকৰা ঘটনাটোৰ বাবে গুৰুত্বপূৰ্ণ হ'ব পাৰিলেহেঁতেন। কিন্তু প্ৰকৃত অৱস্থাটো কেনেকুৱা ? কেইটামান সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ নেতৃস্থানীয় লোক অসমলৈ অহা-যোৱা কৰাৰ সময়তে অসমৰ নেতা এজনক সুধিছিলো,— এখেতসকলে অসমৰ সমস্যাটো সম্পৰ্কে দেশজুৰি এটা সচেতনতা আৰু যথোপযুক্ত হেচাৰ সৃষ্টি কৰিবনে ? তেখেতে ক'লে,— এওঁলোকৰ যিটো ৰাজনৈতিক ইন্টাৰেষ্ট, তাতকৈ অসমৰ ইন্টাৰেষ্টটো কেনেকৈ ডাঙৰ হ'ব ? নিৰ্বাচন আহি আছে, এইটো বছৰত তেওঁলোকে নিজৰ ইন্টাৰেষ্টৰ ফালৰ পৰা সৰ্বাধিক লাভজনক কথাত গুৰুত্ব দিব। অসমৰ সমস্যাটো য'ত ৰাখিলে তেওঁলোকৰ সৰ্বাধিক লাভ হয়, তেওঁলোকে সেইটো তাতেই ৰাখিব।

হয়তো। ইয়াত নুবুজিবলগীয়া একো নাই। যোৱা মাহত কলিকতা কেন্দ্ৰৰ বিৰোধী প্ৰায় সকলো বিখ্যাত দলৰ বিখ্যাত নেতাৰ সভা হ'ল। কেন্দ্ৰত বৰ্তমানে থকা দল আৰু সেনাবাহিনীৰ বাহিৰে যদি আন কোনোবা কেতিয়াবা শাসনলৈ আহে, তেনেহ'লে এওঁলোকৰ কোনো কোনো আহিব যেন অনুমান হয়। গতিকে এওঁলোকৰ দৃষ্টিভংগী গুৰুত্বপূৰ্ণ। সভাৰ শেষত যিবোৰ প্ৰস্তাৱ লোৱা হ'ল, তাৰ ভিতৰত কৃষি-

অৰ্থনীতিৰ প্ৰস্তাৱ আছে, দেশবাসীক কেন্দ্ৰৰ বিৰুদ্ধে জাগৃত আৰু সংঘবদ্ধ কৰাৰ প্ৰস্তাৱ আছে, পঞ্জাবৰ সমস্যাৰ ক্ষেত্ৰত নিৰ্দিষ্ট সমাধান-সূত্ৰ আগবঢ়াই দিয়া প্ৰস্তাৱ আছে, মৰাপাট কলৰ কৰ্মীৰ ধৰ্মঘট সংক্ৰান্ত প্ৰস্তাৱ আছে, ইংলেণ্ডৰ গ্ৰেনাডা টেলিভিছন ক'ম্পেনিয়ে সুভাষ চন্দ্ৰ বোস সম্পৰ্কে প্ৰস্তুত কৰা চলচ্চিত্ৰখনক নিন্দা কৰি, দেশত আৰু বিদেশত সেইখনৰ প্ৰদৰ্শন নিষিদ্ধ কৰিবলৈ ভাৰত চৰকাৰৰ ওচৰত দাবী জনোৱা প্ৰস্তাৱো আছে, কিন্তু অসমৰ সমস্যাটোৰ বিষয়ে কোনো উল্লেখ নাই।

কি-কি কাৰণত এনে এখন সভাত অসমৰ সমস্যাটো উল্লেখযোগ্য সমস্যা হিচাপে পৰিগণিত নহ'ল, সেইটো বিচাৰ কৰি চাবলগীয়া কথা। হ'ব পাৰে— আন্দোলনকাৰীৰ দৃষ্টিভংগীৰ লগত এওলোকৰ দৃষ্টিভংগী নিমিলে, কাৰোবাৰ মিলিলেও সেইকেইজনৰ বক্তব্যই সেই সভাত গা কৰাৰ উপায় নাই, হ'ব পাৰে — ট্ৰিবিউনেল সম্পৰ্কীয় বিধি-বিধান গৃহীত হোৱা, সীমান্তত তাঁৰৰ বেৰৰ ব্যৱস্থাৰ কথা ওলোৱা — এইবোৰত বহুতো লোক সন্তুষ্ট। কিন্তু এইবোৰ যিয়েই নহওক, গুৰুত্বপূৰ্ণ কথাটো হ'ল — একোটা গুৰুত্বপূৰ্ণ সন্ধিক্ষণত অসমীয়া মানুহখিনি নি সংগ আৰু অসহায় হৈ পৰে।

এই অৱস্থাৰ পৰা উদ্ধাৰ পোৱাৰ একমাত্ৰ উপায় হৈছে, এই মানুহখিনিয়ে নিজৰ শক্তি বৃদ্ধি কৰা। অকল এই আন্দোলনটোৰ ফলাফলৰ কাৰণেই নহয়, সুদূৰপ্ৰসাৰী অন্যান্য বহুতো ফলাফলৰ কাৰণেও, গভীৰ চিন্তা আৰু তদনুৰূপ কৰ্মশক্তিৰে আমি নিজকে এনে এটা অৱস্থালৈ উন্নীত কৰিব লাগিব যাতে আমাক এটা উলাই কৰিব নোৱৰা শক্তি হিচাপে গণ্য কৰিবলৈ সকলো বাধ্য হয়। অকল ৰাজনৈতিক ক্ষেত্ৰতে নহয়, কলা, সংস্কৃতি, সাহিত্য, ক্ৰীড়া, চিন্তা, বুদ্ধি—— সকলো ক্ষেত্ৰতে।

আমাৰ সমস্যাৰ সংবাদসুলভ ৰূপটোতকৈ বেছি কিবা বুজি, অইনে আমাৰ কাৰণে বৰ্তমানতকৈ বেছি কিবা কৰিব বুলি আশা কৰিব নোৱাৰি। যেতিয়ালৈকে এই বিশাল দেশৰ সকলো অংশৰে মংগল নিস্বাৰ্থভাৱে চিন্তা কৰিব পৰা বিশাল হৃদয়ৰ লোকৰ অভাৱ নাতৰে, তেতিয়ালৈকে ৰাজ্যসমূহে নিজৰ স্বাৰ্থত চিন্তা কেন্দ্ৰীভূত কৰাৰ প্ৰক্ৰিয়াটো সবল হৈ থাকিবই। এনে অৱস্থাত আমিযেই আমাৰ সমস্যাৰ জটিলতা অতি সাৱধানে, শুদ্ধ দৃষ্টিভংগীৰে বিশ্লেষণ কৰি এনে এদল নেতাৰ ওপৰত আস্থা স্থাপন কৰিব লাগিব — যিসকলে তেওলোকৰ মৃত্যুৰ বহুদিনৰ পাছতো জাতিটোৰ কি অৱস্থা হ'ব সেইটো চিন্তা কৰে।

২৭/১/৮৪

# আত্মসমৰ্পণ

অসমৰ তিনিজন যুবকে সশস্ত্ৰ উগ্ৰপন্থীৰ জীৱন পৰিহাৰ কৰি চৰকাৰৰ ওচৰত আত্মসমৰ্পণ কৰিছে। তেওঁলোকে যোৱা কেইবছৰত যি পদ্ধতিৰে বৰ্তমানৰ আন্দোলনত অংশগ্ৰহণ কৰিছিল, সেই পন্থা ভুল বুলি উপলব্ধি কৰিছে।

এই ঘটনাৰ কথা বাতৰিকাকতত প্ৰকাশ হোৱাৰ লগে-লগে বিভিন্ন মহলত দুদিনমানলৈ হোৱা আলোচনাবোৰ ঘাইকৈ এনেধৰণৰ °

(১) এওঁলোকে এতিয়া বন্দুক বাৰুদ লৈ কাম কৰাসকলৰ সকলো ভিতৰুৱা খবৰ, — কোন-কোন এনে কামত লিপ্ত তেওঁলোকৰ নাম ঠিকনা বন্দুক-বাৰুদ ক'ৰ পৰা পাইছিল তাৰ সবিশেষ, ইতিমধ্যে তেওঁলোকে কাক কাক মাৰিলে, কাক-কাক ঘৃণীয়া কৰিলে, ক'ত কিমান সম্পত্তি নষ্ট কৰিলে, তেওঁলোকে যাক এৰি থৈ আহিল সেইসকলৰ ভৱিষ্যত আচনি কি, — এই সকলো খবৰ পুলিছ বাহিনীক জনাই দিব। স্ব-ইচ্ছাই ধৰা দিছে যেতিয়া তেওঁলোকে এইবোৰ স্ব-ইচ্ছায়েই জনাব। নজনালেও পুলিছে জানি লবই। সামান্য ক্লু এটা পালেই পুলিছে কিমান তথ্য আৰু ঘটনা উদ্ঘাটন কৰিব পাৰে , এতিয়া তিনিজনকৈ আত্মসমৰ্পিত, জীৱন্ত যুবক পাইছে, এতিয়া আৰু পুলিছৰ কিবা জানিবলৈ বাকী থাকিবনে ? গতিকে এতিয়া হয় সশস্ত্ৰ উগ্ৰপন্থীসকলে দলে-বলে আত্মসমৰ্পণ নাইবা আত্মগোপন কৰিব লাগিব, নহয় এসময়ত তেওঁলোকৰ পুলিয়ে-পোখাই উছন হ'ব। মুঠতে সশস্ত্ৰ অভিযানত বাধা পৰিল।

(২) এই কেইজন সজোৱা মানুহ। টকা পইচা, সা সুবিধাৰে শ-শ মানুহ কিনিব পাৰি, তিনিজন যুবকক এটা বিশেষ প্ৰপাগাণ্ডাৰ কাৰণে কিনাটো কি কথা ? এওঁলোকক সুৰক্ষিত কৰি ৰাখিলেই হ'ল ! যদি সেই নামৰ মানুহ আচলতে ক'তো নায়েই তেনেহ'লে সুৰক্ষিত কৰাৰতো প্ৰয়োজনেই নাই ! আৰু যদি আছেও, তেওঁলোক কিমান দিনলৈ সুৰক্ষিত হৈ থাকিব ? এদিন নহয় এদিনতো ৰাজ্যখনৰ ৰাজনৈতিক অৱস্থাৰ সলনি হ'ব ! তেতিয়া তেওঁলোকক সুধিব পৰা যাব — তোমালোকে ক'ত কিমান সশস্ত্ৰ আন্দোলন কৰিছিলা।

এইবোৰ কথাৰ কোনবোৰ শুদ্ধ, কোনবোৰ ভুল, সদ্যহতে সেইটো বিচাৰ কৰাটো আমাৰ উদ্দেশ্য নহয়। আমি অইন এটা দিশৰ পৰা ঘটনাটো চাব খুজিছো। ৰাজ্যখনৰ পৰা দূৰৰ মানুহৰ অধিকাংশৰে ঘটনাবোৰৰ প্ৰকৃত তথ্য-পাতি চালি-জাৰি চোৱাৰ উপায়ো নাই, ইচ্ছাও নাই, সময়ো নাই, প্ৰয়োজনো নাই। তেওঁলোকে

ঘটনাবোৰৰ আটাইতকৈ জনপ্ৰিয় অংশটো গ্ৰহণ কৰি তাৰ লগত খাপ খোৱা ধাৰণা এটা মনত সুমুৱাই লয়। দিল্লীত এজন ভব্য-গব্য চেহেৰাৰ মানুহে মোক সুধিছিল,— "এতিয়া উগ্ৰপন্থীবোৰে আত্মসমৰ্পণ কৰিবলৈ লৈছে নহয় ?"

মানুহজনে ইয়াৰ আগলৈকে নগা, মিজো আৰু মণিপুৰী উগ্ৰপন্থী আৰু বিদ্ৰোহীৰ কথা শুনিছিল, এতিয়া অসমীয়া বিদ্ৰোহীয়ে আত্মসমৰ্পণ কৰাৰ কথাও শুনিলে। তেওঁকে মুখ্য কৰি উত্তৰ, দক্ষিণ, পশ্চিম ভাৰতৰ লক্ষ-লক্ষ লোকৰ পূব অঞ্চলটো (পশ্চিম বংগ বাদে) সম্পৰ্কে এক অদ্ভুত ধাৰণা আছে। গুৱাহাটীৰ মাজ-মজিয়াত ফুটা বোমা এটা আৰু নগা পাহাৰৰ অগম্য অঞ্চলত ফুটা বোমা এটাৰ মাজত তেওঁলোকে কোনো পাৰ্থক্য নেদেখে, কিন্তু আচৰিত কথা, — কলিকতাৰ বাটত ফুটা বোমা এটাক তেওঁলোকে বেলেগ ধৰণৰ, কিবা এক বেলেগ সভ্যতাসম্পন্ন বোমা বুলি ভাবে। তেওঁলোকৰ মানত এতিয়া নগালেণ্ড, মণিপুৰ, অসম, মিজোৰাম একাকাৰ।

প্ৰতিবেশী হিচাপে এই কেইখন ৰাজ্যৰ মানুহৰ লগত আমি একে, অকল আমাৰ কিয় ভাৰতৰ কোনো মানুহৰে নিজকে এওঁলোকতকৈ কিবা বেলেগ বুলি ভবাৰ যুক্তি নাই। কিন্তু সশস্ত্ৰ উগ্ৰপন্থীৰ কাৰ্যকলাপৰ ক্ষেত্ৰত, বা এই ৰাজ্যকেইখনৰ আন্দোলনকাৰীসকলৰ সমস্যাৰ ক্ষেত্ৰত, উদ্দেশ্যৰ ক্ষেত্ৰত কিছুমান মৌলিক পাৰ্থক্য আছে। অসম আৰু পঞ্জাবৰ সমস্যা আৰু আন্দোলনৰ ধাৰাবো পাৰ্থক্য আছে। এই পাৰ্থক্যসমূহ সমগ্ৰ দেশবাসীৰ সন্মুখত পৰিষ্কাৰ কৰি দিয়াটো আন্দোলনৰ পক্ষে-বিপক্ষে থকা সকলোৰে কৰ্তব্য। নগালেণ্ড, মণিপুৰ, মিজোৰামৰ সশস্ত্ৰ বিদ্ৰোহীৰ একে ৰঙেৰে অসমকো বোলাই পেলোৱাটো এই জাতিটোৰ ভৱিষ্যতৰ কাৰণে এক অযথা অপবাদ অৰ্জন কৰাৰ নিচিনা কথা। ৰাজনৈতিক শক্তি, নেতৃত্ব আদিৰ সাল-সলনি হৈ থাকিব, কিন্তু জাতিটোৰ চৰিত্ৰৰ প্ৰতি আমাৰ সকলোৰে, সকলো সময়তে শ্ৰদ্ধা থাকিব লাগে। এইখন ৰাষ্ট্ৰৰে কেইবাখ'না ৰাজ্যত এসময়ত বোমা-বাৰুদেৰে চৰকাৰক ব্যতিব্যস্ত কৰা বহু লোক আইন এসময়ত চৰকাৰৰে লগৰীয়া হৈছে। তেওঁলোকক সাধাৰণ "দল সলনি" কৰা লোক বুলিয়েই গ্ৰহণ কৰা হয়। তেওঁলোকক "আত্মসমৰ্পণকাৰী" বুলি ঘোষণা কৰা হ'ব নে নহয়, সেইটো ৰাজনৈতিক কৌশলৰ প্ৰশ্ন। "হুলা গছ"ৰ নিচিনা এই অসমখনৰ ক্ষেত্ৰত এই কৌশল অত্যন্ত দূৰদৃষ্টিসম্পন্ন বিবেচনাৰে প্ৰয়োগ কৰিব লাগে।

১২। ২। ৮৪

# কাছাৰ

অসমৰ পৰা কাছাৰখন বেলেগ কৰিব লাগে,— এই কথাটো বহুদিন ধৰি দুয়োটা উপত্যকাৰে মানুহৰ মাজত ওলাই আছে আৰু তল পৰি আছে। প্ৰথম গুৰুত্বপূৰ্ণ কথা,— এই ওলাই থকা আৰু তল পৰি থকাটোৱেই এটা লেতেৰা বেমাৰৰ উপকৰা লক্ষণ। দ্বিতীয় গুৰুত্বপূৰ্ণ কথা,— যিমানে ভিতৰুৱা লক্ষণবোৰ প্ৰকট হৈ আহিছে, সিমানে বেমাৰটোক ঢাকিবলৈ চেষ্টা কৰা হৈছে, ভুলকৈ চিনাক্ত কৰিবলৈ চেষ্টা কৰা হৈছে, নেদেখা ভাও ধৰিবলৈ চেষ্টা কৰা হৈছে। বহুতে কয়, বৰ্তমানৰ ইমানবোৰ সমস্যাৰ মাজত আৰু এটা সমস্যা ওপৰলৈ আনি পৰিস্থিতিটো বেছি জটিল কৰিব নালাগে, কিন্তু অইন বহুতে কয়,— কাছাৰৰ সমস্যাটো আচলতে মূল সমস্যাবোৰৰে এটা, সমস্যাৰ তালিকা আৰু সমাধানৰ পৰামৰ্শবোৰৰ প্ৰথম ভাগতে ইয়াক ঠাই নিদিয়াৰ কাৰণেহে পৰিস্থিতি জটিল হৈছে।

কোনে-কোনে, কি-কি কাৰণত কাছাৰখন অসমৰ লগতে থকাটো বিচাৰে, সেই সম্পৰ্কে এটা বিশ্লেষণ এনে ধৰণৰ "অসম সাহিত্য সভা আদিক বোধকৰোঁ কাছাৰখন লাগে তাত 'অসমীয়াবাদ' চলাবলৈ। অসমৰ বহুত 'পলিটিছিয়ান'কেই বোধকৰোঁ কাছাৰ থকা অসমখনেই লাগে— অসম বিধান সভাত আৰু মন্ত্ৰীসভা গঠনত পাক লগা ঘোলা ৰাজনীতিবোৰ আগৰ দৰেই খেলি থাকিবলৈ। কিছুমানক লাগে আকাৰত ডাঙৰ হৈ থকা অসম এখন,— সেই ডাঙৰ আকাৰটোৰ ফলত অসমৰ ভিতৰখন যিমানেই জটিলতাপূৰ্ণ আৰু দুৰ্গন্ধময় নহওক কিয়। অসমৰ কমিউনিষ্টসকলৰো, অন্তত এবিধকো বোধকৰো কাছাৰখন অসমত লাগে— কাৰণ, তেতিয়া ব্ৰহ্মপুত্ৰ উপত্যকাতো পশ্চিম বংগীয় 'জাতীয়' মন্ত্ৰবোৰ আওৰাবলৈ বেছি সুবিধা হয়। ইছলামবাদী ৰাজনীতি খেলাসকলকো এই ব্যৱস্থাটো লাগে— কাৰণ তাহানি বৃটিছ সাম্ৰাজ্যবাদৰ পুতলা ছাদুল্লা চাহাব আদিয়ে ছিলেটখনকো অসমৰ ডিঙিত ওলোমাই ৰখাৰ নীতিটোৰ ঐতিহ্য এই ব্যৱস্থাত ৰক্ষিত হয়। হিন্দুবাদী সকলকো বোধকৰো এই ব্যৱস্থাটোৱেই লাগিব, কাৰণ তেতিয়াহে আনফালৰ পৰা খেলখন জমিব, আৰু শেষত গৈ ব্ৰহ্মপুত্ৰ উপত্যকাৰ আনকি অসমীয়া হিন্দু আৰু মুছলমানৰ মাজতো ফাট ওলাবগৈ পাৰে। বাংলাভাষীৰ প্ৰতি জাতীয় বিদ্বেষ থকাসকলকো এই ব্যৱস্থাটো লাগিব— কাৰণ কাছাৰে ব্ৰহ্মপুত্ৰ উপত্যকাত এদলৰ

মনত এই বিদ্বেষ জীয়াই থকাত সহায় কৰিব বিশেষভাৱে।"(এই নির্বাচনৰ জটিল সত্য(২), ভবেন বৰুৱা, প্রান্তিক ১৬/৪/৮৩)।

কাছাৰখন অসমৰ পৰা আতৰোৱা উচিত বুলি যিসকলে ভাবে, তেওঁলোকৰ মতে এনে কৰাৰ ঘাই সুফল হ'ব ব্রহ্মপুত্র উপত্যকাত অসমীয়া সংখ্যাগৰিষ্ঠতাৰ অৱস্থাটো ভাল হ'ব, ৰাজনৈতিক দিশত, অর্থনৈতিক দিশত, অন্যান্য সমস্যাৰ প্রতি, ব্রহ্মপুত্র উপত্যকাৰ সামগ্রিক উন্নয়নৰ প্রতি গভীৰভাৱে মনোনিবেশ কৰিব পৰা যাব, সমগ্র ধ্যান-ধাৰণা শক্তি একত্রিত কৰি এই উপত্যকাটোৰ বিভিন্ন জনগোষ্ঠীৰ সর্বাংগীন মংগলৰ কাৰণে প্রযোগ কৰিব পৰা যাব, অযথা অপচয় হৈ থকা শক্তি আৰু সম্পদ এটা জাতি গঢ়ি তোলাত খৰচ কৰিব পৰা যাব, ব্রহ্মপুত্র উপত্যকাত থকা বাংলাভাষীসকলৰ চিন্তাধাৰাত অসমৰ স্বার্থৰ অনুকূল চৰিত্র সৃষ্টি হোৱাত সুবিধা হ'ব,— ইত্যাদি।

কাছাৰখন অসমৰ পৰা আতৰোৱা অনুচিত বুলি যিসকলে ভাবে তেওঁলোকে সন্দেহ কৰা ঘাই কুফল হ'ব অসম খণ্ডিত হোৱাৰ "শুনাত বেয়া" ঘটনাটো আকৌ এবাৰ ঘটিব, এবাৰ কাছাৰ আতৰি গ'লে কাইলৈ অমুক জিলা, পৰহিলৈ অমুক মহকুমা আতৰি যোৱাৰ প্রশ্ন উঠিব, কাছাৰত থকা অসমীয়া মানুহখিনিক বিসর্জন দিয়া হ'ব,— ইত্যাদি।

এই সকলো কথা বিচাৰ কৰিলে অন্তত এটা সিদ্ধান্তত উপনীত হ'ব পাৰি, সেইটো হ'ল— কাছাৰৰ সমস্যাটো আৰু ঢাকি থব নালাগে, সেই সমস্যাটোৰ পৰা গা এৰাই চলিব নালাগে। দূৰদৃষ্টিসম্পন্ন, গভীৰ চিন্তাৰে সমস্যাটো আজি খোলাখুলিকৈ বিচাৰ কৰিব লাগে, এটা সিদ্ধান্ত লব লাগে। নিজ-নিজ পৰিয়ালৰ মংগলৰ বাবে প্রতিশ্রুতিবদ্ধ ভাই-ককায়ে আজিকালি "আতৰি থাকা, ভালে থাকা"— নীতি মানি চলি সুফল পাইছে। তেনে ধৰণৰ এটা চিন্তা ব্রহ্মপুত্র উপত্যকা আৰু কাছাৰৰ ক্ষেত্রতো কৰিবলগীয়া হৈছে। সেই কাৰণে, আমি আশা কৰো, এই সংখ্যা প্রান্তিকৰ মূল প্রবন্ধটোৰ সূত্র ধৰি, এই অঞ্চলৰ মংগলাকাংক্ষী সকলো চিন্তাশীল লোকে এই বিষয়ে সুচিন্তিত মতামত ব্যক্ত কৰিব। সেই মতামতসমূহৰ পৰা নিশ্চয় এক নিশ্চিত কার্যপন্থাৰ উদ্ভৱ হ'ব। তথ্য আৰু সত্যৰ ওপৰত প্রতিষ্ঠিত যুক্তিপূর্ণ মতামত প্রকাশ কৰিবলৈ পালে প্রান্তিক আনন্দিত হ'ব।

২৪। ২। ৮৪

# শিশু-শিল্পীৰ লগৰীয়া

প্ৰায় ত্ৰিছ্ বছৰৰ আগৰ কথা। ইক্ৰামুল মজিদ, তাৰিকুদ্দিন আহমেদ, স্বৰ্গীয় দুৰ্গা প্ৰসাদ ভূঞা,— এখেতসকল তেতিয়া নগাঁও চহৰখনৰ কণ্ঠসংগীত চৰ্চাৰ কেন্দ্ৰস্থলত। দুৰ্গা প্ৰসাদ ভূঞাৰ আৰু এটা গুণ আছিল,— তেখেতে কথাৰেও মানুহক ধৰি ৰাখিব পাৰিছিল। নগাঁৱৰ গান-বাজনাৰ আড্ডাৰ এক বিশিষ্ট ভাষা, এক বিশিষ্ট কথন-ভংগী উদ্ভৱ কৰাৰ ক্ষেত্ৰত তেখেত নেতৃস্থানীয় আছিল। এদিন তেখেতে কোৱা কথা এটা এনে ধৰণৰ আছিল "বুইছা বাপু, ছংগীত এনেকুৱা ফাল্টু বস্তু নহয়। এনেকৈ (ক্ৰিকেট আম্পায়াৰে যেনেকৈ বাউণ্ডেৰি হোৱা দেখুৱায়, তেনেকৈ হাতখন দুবাৰমান লৰাই) এখন গাদী বনাবা , একদম চাফা, বগা কাপোৰ পাৰিবা, চাৰিও চুকত আগৰবাত্তি জ্বলাবা, পৰিষ্কাৰ কাপোৰ পিন্ধি, আৰামত বহিবা, ৰাজহাড় পোন, চকু মুদি, বুকুৰ ভিতৰৰ পৰা আৱাজ উলিয়াবা। তেহে !"

সেয়া দুৰ্গা ভূঞাই 'মুডত' কোৱা কথা বুলি আমি শুনিছিলো, শুনি তাতে এৰিছিলো। যোৱা ত্ৰিছ্ বছৰৰ ভিতৰত মঞ্চত কণ্ঠ বা যন্ত্ৰসংগীত পৰিবেশনৰ কায়দাৰ আৰু ধাৰণাৰ বহুত পৰিবৰ্তন ঘটিছে। নানান ধৰণৰ বাদ্যযন্ত্ৰ আহিছে, সেই যন্ত্ৰবোৰ স্থাপন কৰোঁতেই আজি মঞ্চত এটা নতুন ধৰণৰ দৃশ্যৰ সৃষ্টি হয়। এইবোৰ স্বাভাৱিক আৰু বহু ক্ষেত্ৰত প্ৰয়োজনীয় পৰিবৰ্তন। কিন্তু এই যন্ত্ৰপাতিৰ মাজত থিয় হৈ কণ্ঠ সংগীত পৰিবেশন কৰা শিল্পীগৰাকীৰ মন-মেজাজ-পৰিবেশনভংগীৰ পৰিবৰ্তনবোৰ কিমান স্বাভাৱিক আৰু প্ৰয়োজনীয়, সেইটো মাজে-মাজে বিচাৰ কৰিব লাগে। বিশেষকৈ যিসকল 'গায়ক-গায়িকা'ই বয়সত কৈশোৰ পাৰ হৈ যৌৱনত ভৰি দিছে আৰু সংগীত চৰ্চাৰ ক্ষেত্ৰত আঁঠু কাঢ়ি বগুৱা বাৰলৈ বা থিয় দঙা দিবলৈ লৈছে, তেওলোকৰ কাৰণে এনে বিচাৰ দৰকাৰী হৈছে।

অলপতে এখন বিচিত্ৰানুষ্ঠান চাইছিলো। স্থানীয়ভাৱে প্ৰস্তুত কৰা অনুষ্ঠানবোৰ আগভাগতে পৰিবেশন কৰা হৈছিল আৰু নিমন্ত্ৰিত বিশিষ্ট শিল্পীজনৰ উপস্থিতিৰ কথা মাজে-মাজে ঘোষণা কৰি থকা হৈছিল। শেষত সেই শিল্পীজনৰ অনুষ্ঠানৰ পাল পৰিল। মঞ্চলৈ লোহাৰ চকী, মেজ, এমপ্লিফায়াৰ, বংগো, কংগো, ড্ৰামছেট আদি কঢ়িওৱা আৰম্ভ হ'ল। লাহে-ধীৰে। এমপ্লিফায়াৰৰ লগত ইলেকট্ৰিছিটিৰ কনেকছন কেনেকৈ কৰিব, সেইলৈ কিছুসময় লৰা-ঢপৰা চলিল! এসময়ত হাতে-হাতে গিটাৰ মেণ্ডলিন আদি লৈ মুঠতে এঘাৰজন বাদকে ঠাই ললে। শেষত সোমাই আহিল

নিমন্ত্ৰিত শিল্পীজন। বয়স বোধকৰোঁ কুৰি বছৰৰ ওচৰাউচৰি। গ্ৰুপ ফটো তুলিবৰ সময়ত কেমেৰামেনে যেনেকৈ মানুহবোৰ ঠিক-ঠাক কৰি লয়,— আপোনালোক দুজন চাপি যাওক, আপুনি আগলৈ আহক, ভাইটি তুমি বহি দিয়া,— নিমন্ত্ৰিত শিল্পীজনে এই এঘাৰজনক তেনেকৈ ঠিক-ঠাক কৰাত লাগিল আৰু ভুল ভাষাৰে গাবলৈ লোৱা গীতটোৰ বিষয়ে এটা বক্তৃতা দিলে। তাৰ পাছত ড্ৰাম সমন্বিতে সকলো যন্ত্ৰই গৰ্জি উঠিল। অলপ পাছত গায়কে গাবলৈ আৰম্ভ কৰিলে। এটি বৰগীত। মাজে-মাজে তেওঁ বৈ দিয়ে, যন্ত্ৰসংগীত বাজি থাকে, তেওঁ বাদকসকলৰ ওচৰলৈ গৈ দিহা পৰামৰ্শ দিয়ে, হাঁহে।

তেওঁ তিনিটা গীত গোৱাৰ পাছত প্ৰেক্ষাগৃহৰ পিছফালৰ পৰা "হ'ব হ'ব" ভাবত দৰ্শকে অসন্মানসূচক হাত চাপৰি বজালে, কিন্তু তেওঁ বাদকসকলক চতুৰ্থ গীতটো-সম্পৰ্কে পৰামৰ্শ দি হাতত থকা বহীখনৰ পাত লুটিয়ালে।

হ'ব পাৰে,— পৰিবেশন অনুযায়ী, উপলক্ষ অনুযায়ী গীত পৰিবেশন কৰাৰ বহুতো কায়দা হ'ব পাৰে। দীঘল তাঁৰ লগোৱা মাইক্ৰ'ফোন হাতত লৈ মঞ্চৰ ইফালৰ পৰা সিফাললৈ অহা-যোৱা কৰি গীত গোৱা হ'ব পাৰে, গিটাৰ বজাই নাচি-নাচি গীত গোৱা হ'ব পাৰে। কিন্তু স্থান-কাল-পৰিবেশলৈ ভ্ৰূক্ষেপ নকৰাকৈ, অনাহকতে কিছুমান কায়দাৰ অক্ষম অনুকৰণ কৰিবলৈ চেষ্টা কৰাৰ ক্ষেত্ৰত আমাৰ উঠি অহা গায়ক-গায়িকাসকলক নিৰুৎসাহ কৰিব লাগে। আমি দুৰ্গা ভূঞাৰ গাদী-আগৰবাত্তিৰ কথাত জোৰ দিয়া নাই, কিন্তু গীতৰ কথা আৰু সুৰৰ লগত সংগতি ৰাখি, শিল্পীসুলভ ভাব-ভংগীৰে গীত পৰিবেশন কৰিলে দৰ্শকে আনন্দ পায়, গায়ক-গায়িকাক দৰ্শকে মৰম কৰে। এই কম বয়সীয়া গায়ক-গায়িকাসকলে প্ৰতি মুহূৰ্ততে মনত ৰখা উচিত যে দৰ্শক-শ্ৰোতাই তেওঁলোকৰ গীত-মাত শুনি তেওঁলোকক মৰম কৰিছে, তেওঁলোকৰ গুণখিনিৰ প্ৰতি সমাদৰ জনাইছে, কিন্তু দৰ্শকৰ ওপৰত দম্ভালি মাৰিবলৈ তেওঁলোকৰ গাত এতিয়া যথেষ্ট পৰিমাণৰ গুণ গোট খোৱা নাই। শৃংখলা, নম্ৰতা, সংগীতৰ প্ৰতি গভীৰ শ্ৰদ্ধা, সাধনা, শিকাৰ আগ্ৰহ,— এইবোৰক এতিয়া তেওঁলোকে অতি প্ৰয়োজনীয় লগৰীয়া হিচাপে গ্ৰহণ কৰিব লাগে। আৰু উল্লেখযোগ্য কথা, যেতিয়া দৰ্শকৰ ওপৰত দম্ভালি মাৰিব পৰাকৈ গুণৰ অধিকাৰী হ'ব, তেতিয়া তেওঁলোক আপোনা-আপুনি ফলে ভৰা গছৰ ঠালৰ দৰে দৰ্শকৰ সন্মুখত হালি পৰিব।

১২/৩/৮৪

# নিৰ্দিষ্ট শ্ৰোতা, বিশিষ্ট শ্ৰোতা

নাৰায়ণপুৰৰ পৰা ড হৰেন শইকীয়া নামৰ এগৰাকী ব্যক্তিয়ে আমালৈ এখন চিঠি লিখিছে। চিঠিখনৰ মূল অংশটো হ'ল :

"যোৱা ৪।৩।৮৪ তাৰিখে স্থানীয় এটা শিক্ষানুষ্ঠানত অসমীয়া নাট্য-সাহিত্যৰ বিষয়ে হ'বলগীয়া এখন আলোচনা-চক্ৰলৈ আমাক নিমন্ত্ৰণ কৰা হৈছিল।

আলোচনাত অংশ গ্ৰহণ কৰিবৰ বাবে অসমৰ দুগৰাকী প্ৰথিতযশা নাট্যকাৰ আৰু এগৰাকী সুখ্যাত অভিনেতাক আমন্ত্ৰণ কৰা হৈছিল। যথাসময়ত নিমন্ত্ৰিত ব্যক্তিসকল দূৰ-দূৰণিৰ পৰা আহি সভাস্থলী পালেহি। কিন্তু অতি দুখৰ আৰু লাজৰ বিষয় যে অঞ্চলটোৰ মাত্ৰ দুগৰাকী বয়োবৃদ্ধ লোক, শিক্ষানুষ্ঠানটোৰ দহ-বাৰজনমান ছাত্ৰ-ছাত্ৰী আৰু চাৰি-পাঁচগৰাকী অধ্যাপকৰ বাহিৰে কোনো লোক তাত গোট নাখালে। যিখন শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ওঠৰ শতকৈয়ো বেছি, তাত মাত্ৰ দহ-বাৰজন ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি কিমান লজ্জাজনক কথা তাক নক'লেও হ'ব। যিটো সময়ত আমি এটা নতুন জাতি নতুন ৰূপত গঢ়াৰ সপোন দেখিছোঁ, সেইটো সময়ত সাহিত্য-সংস্কৃতিৰ প্ৰতি দেশৰ ভৱিষ্যত আশাৰ থল ছাত্ৰ-ছাত্ৰীসকলৰ এনে ধৰণৰ উদাসীনতা আৰু শিক্ষাবিদসকলৰ দায়িত্বহীনতাই আমাৰ জাতিৰ কেনে ধৰণৰ ভৱিষ্যতৰ ইংগিত দিয়ে ?"

এইটো আজি ড হৰেন শইকীয়াই লক্ষ্য কৰা কেৱল এখন আলোচনা-চক্ৰৰে অৱস্থা নহয়, গোটেই ৰাজ্যখনৰে চুকে-কোণে প্ৰায় একে অৱস্থাই বিৰাজ কৰিছে। শংকৰদেৱৰ তিথি, ৰঙালী বিহুৰ মুকলি সভা, তৰ্ক প্ৰতিযোগিতা আদি যিয়েই নহওক, য'ত যথেষ্ট পৰিমাণে পাতল ধৰণৰ মোহিনী মায়া বা বিভ্ৰমজনক সৌন্দৰ্য নাই, তালৈ দৰ্শক আৰু শ্ৰোতা অনাটো সদায় টান কাম হৈ আছে। উদ্যোক্তাসকলৰ একোটা ধাৰণা আছে,— গান-বাজনা, নাচ-বাগ, খেলাধূলাৰ অনুষ্ঠানৰ মাজত "আলোচনা-চক্ৰ", "বক্তৃতা" আদি কিবা নাথাকিলে কাৰ্যসূচীৰ সৌষ্ঠৱ আৰু গাম্ভীৰ্য ৰক্ষা নপৰে, কংক্ৰিট কিবা এটা কৰা নহ'ল বুলি সমালোচনা হোৱাৰ ভয় থাকে। গতিকে এনে এটা অনুষ্ঠান কাৰ্যসূচীৰ অন্তৰ্ভুক্ত কৰাটো এটা ৰীতি হৈ পৰিছে। নিমন্ত্ৰণী চিঠিত দুগৰাকীমান গণ্যমান্য লোকৰ নাম বিশিষ্ট অতিথি, নিৰ্দিষ্ট বক্তা আদি ৰূপে অন্তৰ্ভুক্ত কৰিব পৰাটো কৃতিত্বৰ কথা। উদ্দেশ্যটোও নি সন্দেহে সজ। এখেতসকলৰ পৰা আমাৰ ৰাইজে দুআষাৰ ভাল কথা শুনিব, এখেতসকলৰ লগত আমাৰ এই অঞ্চলৰ ৰাইজৰ ব্যক্তিগত যোগাযোগ

ঘটিব। নিমন্ত্ৰণ কৰিবলৈ যাওতে উদ্যোগক্তাসকলে ব্যক্তিগৰাকীক কয়ো, —"এইবাৰ ৰাইজে আপোনাক বৰকৈ বিচাৰিছে"।

বহু বিশিষ্ট অতিথি, নিৰ্দিষ্ট বক্তাই এনে নিমন্ত্ৰণ বৰ গুৰুত্ব সহকাৰে গ্ৰহণ কৰে। এখেতসকলে যথেষ্ট চিন্তা-ভাবনা কৰি, কিতাপ পত্ৰ চাই বক্তৃতাৰ কথাবোৰ জুকিয়াই "ন'ট" প্ৰস্তুত কৰে। কিন্তু সভাস্থলীত বহি, শ্ৰোতাৰ অৱস্থা দেখি এখেতসকলে জেপৰ ন'ট উলিওৱাৰ কোনো প্ৰয়োজন বোধ নকৰে। একোজন লোকৰ এনে অভিজ্ঞতা হয় বহু টকা ভাৰা ভৰি লোৱা টেক্সিখনত তেওক লৈ যোৱা ডেকা দুজন, মাইক্ৰ'ফোনৰ মানুহজন, মেজ এখনত পাণ-তামোলৰ দোকান দিয়া মানুহজনৰ বাহিৰে সভাস্থলীত কোনো নাযেই, অথচ সভা আৰম্ভ হ'বলৈ হয়তো কেইমিনিটমানহে বাকী।

হিৰিয়াছ ধৰণৰ কথা-বতৰা, বক্তৃতা শুনা মানুহৰ সংখ্যা কমেই। দিনে-দিনে এই সংখ্যা আৰু কমি যোৱাৰ আশংকাই দেখা দিছে। বক্তৃতা শুনা মানুহ গোট খালেও যিজন বক্তাই পাতল কথাৰে মাজে-মাজে হাঁহিৰ ৰগৰ তুলিব পাৰে, মানে "জমাব" পাৰে তেওক ভাল পোৱা মানুহৰ সংখ্যাই সৰহ হৈছে। এনে অৱস্থাত উদ্যোক্তা-সকলে ইমান টকা-পইচা খৰচ কৰি, কামৰ মানুহৰ সময় নষ্ট কৰি এনেকৈয়ে আলোচনা-চক্ৰ, সভা আদি পাতি থাকিব, নে অইন ধৰণৰ অধিক ফলপ্ৰদ কিবা কৰিব সেইটো ভাবিব লাগে। তেখেতসকলৰ নিমন্ত্ৰণৰ প্ৰতি, সেই অঞ্চলৰ ৰাইজৰ প্ৰতি বিশিষ্ট অতিথিজনৰ শ্ৰদ্ধা আছে, কিন্তু সেই অঞ্চলৰ ৰাইজৰ অতিথিজনৰ প্ৰতি, তেখেতৰ কথাৰ প্ৰতি, বিশেষকৈ আলোচ্য বিষযটোৰ প্ৰতি আগ্ৰহ নাই, শ্ৰদ্ধা নাই, এইটো বৰ অশোভনীয় কথা।

আমাৰ হিচাপত, কৃতকাৰ্য হ'ব নোৱৰা যেন দেখিলে এনে ব্যয়বহুল অনুষ্ঠান পৰিহাৰ কৰিব লাগে, আৰু পাতিম বুলি ঠিক কৰিলে নিৰ্দিষ্ট বক্তা, সভাপতি, উদ্বোধক, বিশিষ্ট অতিথি আদিৰ বাবে খৰচ কৰা শক্তিতকৈ বহু বেছি শক্তি প্ৰয়োজনীয় সংখ্যক ভাল শ্ৰোতা সভাস্থলীত উপস্থিত কৰোৱাত খৰচ কৰিব লাগে।

২৫/৩/৮৪

# বিজ্ঞানৰ বিশালতা আৰু শিক্ষাৰ্থীৰ সময়

তেইছ বছৰৰ আগতে (১২/৪/৬১ তাৰিখে) ভষ্টক-ৱান নামৰ যানত উঠি য়ুৰি গাগাৰিন মহাকাশলৈ গৈছিল আৰু পৃথিৱীৰ চাৰিওফালে এপাক ঘূৰি ১০৮ মিনিটৰ পাছত পুনৰ মাটি পাইছিলহি। এই তেইছ বছৰৰ ভিতৰত কিমান মানুহ মহাকাশলৈ গ'ল, কোন একেৰাহে কেইমাহ মহাকাশত থাকিল, সেইবোৰৰ হিচাপ দিয়াটো বিশেষ আগ্ৰহেৰে ৰেকৰ্ড নৰখা মানুহৰ কাৰণে টানেই হৈ পৰিল। বৰ্তমানে অৱস্থা এনেকুৱা হ'লহি যে ৰুছিয়াৰ মহাকাশযানত য়ুৰি মালিছেভ আৰু গেনাডি ষ্ট্ৰেকালভৰ লগত ৰাকেশ শৰ্মা মহাকাশলৈ যোৱাৰ সময়তহে সাধাৰণ মানুহে গম পালে যে ৰুছিয়াৰ অইন তিনিজন লোক আগৰ ৫৪ দিন মহাকাশত ঘূৰিয়েই আছিল, এতিয়া এই তিনিজন গৈ সেই তিনিজনৰ লগ লাগিব। ভাৰতৰ ৰাকেশ শৰ্মাও গৈছে কাৰণে এই মহাকাশ-অভিযানৰ কথা আমি বিতংভাৱে জানিছোঁ। (প্ৰসংগক্ৰমে উল্লেখযোগ্য, ৰুছিয়াৰ মানুহ পাঁচজনৰ নামকেইটা বিচাৰি এখন সৰ্বভাৰতীয় বাতৰিকাকতৰ পাচটা সংখ্যা লুটিয়াব লগা হৈছে। এনেকুৱা লাগে যেন ৰাকেশ শৰ্মাইহে বাকী পাচজনক দয়া কৰি মহাকাশলৈ লৈ গৈছে। আমাৰ শিষ্টাচাৰৰ ধৰণ বিচিত্ৰ,— প্ৰুডেনছিয়েল কাপৰ কপিলদেৱৰ ক্ষেত্ৰতো, ৰাকেশ শৰ্মাৰ ক্ষেত্ৰতো।)

আচল বক্তব্যলৈ আহোঁ। এই মহাকাশ অভিযানত ভাৰতৰ ভূভাগৰ খনিজ-পদাৰ্থৰ অৱস্থান সম্পৰ্কে পৰীক্ষা চলোৱা হৈছে। ব্ৰহ্মপুত্ৰ নদী অঞ্চলো এই পৰীক্ষাৰ অন্তৰ্গত হৈছে। এই সম্পৰ্কে আলোচনা কৰোতে পৰহি এগৰাকী বিজ্ঞানৰ শিক্ষকে ক'লে,— মহাকাশৰ পৰা চলোৱা এই পৰীক্ষা নিৰীক্ষাই যেনিবা ব্ৰহ্মপুত্ৰ উপত্যকা সম্পৰ্কে কিছুমান গুৰুত্বপূৰ্ণ তথ্য-পাতি দিলে, কিন্তু সেইবোৰৰ আলম লৈ নিজৰ ঠাইডোখৰৰ অধ্যয়ন কৰিবলৈ যদি আমাৰ মাটিতো এদল বিজ্ঞানী থাকিলহেতেন, তেনেহ'লে ৰাজ্যখনৰ বহু লাভ হ'লহেতেন।

শিক্ষকগৰাকীয়ে ভাল কথা কৈছে। কিন্তু এই ৰাজ্যখনৰ বিজ্ঞান-চৰ্চাৰ ধৰণ আৰু পৰিবেশ বৰ্তমান পৃথিৱীৰ বিজ্ঞান যিমানখিনি পাইছেগৈ, তাৰ তুলনাত অতি নিৰুৎসাহজনক। এই বিষয়ে আক্ষেপ আৰু বাদানুবাদ কৰি এতিয়া লাভ নাই। বিছ-ত্ৰিছ বছৰৰ পাছত হ'লেও আমাৰ এদল যুবক-যুৱতীয়ে যাতে পৃথিৱীৰ সমানে তাল ৰাখিব পৰা বিজ্ঞানী হৈ অঞ্চলটোৰ উন্নয়নৰ প্ৰতি অৰিহণা যোগাব পাৰে, তাৰ ব্যৱস্থাহে কৰিব লাগে। তাৰ বাবে প্ৰথমে বিজ্ঞানৰ পাঠ্যক্ৰম প্ৰস্তুত কৰা লোকসকলে বিজ্ঞানৰ

বৰ্তমানৰ বিশালতা আৰু ব্যপকতা সম্পৰ্কে ভালকৈ জানিব লাগিব আৰু স্কুলৰ প্ৰথম অৱস্থাতে ধাৰ ছাত্ৰ ছাত্ৰীক কেনেকৈ সেই বিশালতা আৰু ব্যপকতাৰ মাজলৈ নিব পাৰি, তাৰ ব্যৱস্থা কৰিব লাগিব। এম এছ ছি পাছ কৰা বাইছ-তেইছ বছৰীয়া ছাত্ৰ এজনে আজিৰ বিজ্ঞানক আয়ত্তলৈ আনিবলৈ সময় বৰ কম পায়। গতিকে তেওক যিমান সম্ভৱ সোনকালে বিজ্ঞানৰ 'মাজত'' সুমুৱাই দিব লাগিব। আজি কলেজৰ বিজ্ঞানৰ শ্ৰেণীত নাম লগোৱা এজন ছাত্ৰই কাচৰ নলী এডাল দুই হাতেৰে ধৰি থকাৰ ছবি এখন ধুনীয়াকৈ আকিব লাগে। সেইটো গ্লাছ টিউব বেণ্ডিঙৰ এক্সপেৰিমেণ্টৰ কাম। ছবিত নলীডাল ধৰি থকা আঙুলিকেইটা দেখিবলৈ যিমানে ভাল হ'ব ছাত্ৰজনৰ কাম সিমানে ভাল বুলি ধৰা হ'ব। জীৱবিজ্ঞানৰ প্ৰেক্টিকেলৰ বহীত চৰাই ভেকুলী, জেঠী আদিৰ ছবি ধুনীয়াকৈ আকিব লাগে। পদাৰ্থবিজ্ঞানৰ বহীত জোখ মাখ লোৱা সাধাৰণ যন্ত্ৰবোৰ ধুনীয়াকৈ আকিব লাগে। আজিৰ পৰা পযত্ৰিছ বছৰৰ আগেযেও এইবোৰ ছবি বহুতে "ছবি আকিব জনা সহপাঠীৰ হতুৱাই অকাই লৈছিল আজিও লয। এইবোৰ আচলতে স্কুলৰ তল শ্ৰেণীৰ ড্ৰইঙৰ কাম হ ব পাৰিলেহেতেন। এইবোৰ কামৰ জ্ঞান দানৰ ব্যৱস্থাটো অতি সংক্ষিপ্ত কৰি বহু সময বচাব পৰা যায আৰু সেইখিনি সময প্ৰকৃত বৈজ্ঞানিক পৰীক্ষাৰ কামত ব্যবহাৰ কৰিব পৰা যায। যিসকল মেধাসম্পন্ন লোক অলপতে বিদেশৰ বিজ্ঞান চৰ্চাৰ প্ৰণালীৰ লগত পৰিচিত হৈ অসমলৈ উভতি আহিছে অন্তত তেখেতসকলে পাঠ্যক্ৰম প্ৰস্তুত কৰাসকলক বুজাব পৰা উচিত– কেনেকৈ বিজ্ঞানৰ ছাত্ৰৰ সময়ৰ অপচয় কমাব পাৰি কিমান সোনকালে তেওলোকক জটিল পৰীক্ষাৰ মাজলৈ নিব পাৰি।

৯/৪/৮৪

# মন ভঙা কাম

নগাঁও জিলাৰ ৰূপহী, জুৰিয়া, চকীটুপ, শিয়ালমাৰী আদি অঞ্চলৰ মাজতে যিটো পৰিবেশত আমি ডাঙৰ হৈছিলো, সেই পৰিবেশত ভাষা আৰু ধৰ্মৰ ভেটিত যে কেতিয়াবা ৰাজ্যখনত সংকটৰ সৃষ্টি হ'ব পাৰে, মুত্ত মনৰ মানুহৰ কাৰণে সেই কথা অকল্পনীয় আছিল। কোনেও চেষ্টা নকৰাকৈ সমাজত এনে এটা স্বাভাৱিক যেন লগা প্ৰক্ৰিয়া চলি আছিল যে 'অসমীয়া মানুহৰ কাৰণে শেষত গৈ অমুক-অমুক জিলাকেইখনহে থাকিবগৈ' বুলি কোনোবা চাহাবে কোৱা কথা'বোৰ অপ্ৰয়োজনীয় অংকৰ কচৰতৰ ফল যেনহে লাগিছিল। স্কুলত আমাৰ লগত পঢ়া "মৈমনসিঙীয়া" ল'ৰাবোৰৰ কথা মনত পেলালেই আজিও অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়াটো সম্পৰ্কে এক সুখকৰ ভাব মনলৈ আহে। তাৰ পাছত বহু বছৰ ধৰি বহু ভুল-ভ্ৰান্তিয়ে আমাক গছকি গৈছে। ৰাজনৈতিক নেতাসকলৰ আদৰ্শ, দেশপ্ৰেম, মানসিক আৰু বৈষয়িক চিন্তা-চৰ্চাৰ ৰূপৰ বেয়াৰ ফালে পৰিবৰ্তন ঘটিছে। ফলত এক ধৰণৰ লোভ আৰু পাৰস্পৰিক অবিশ্বাসে ক্ষতিকৰ ৰূপ ধাৰণ কৰিছে। কিন্তু সুখৰ কথা, এতিয়াও ৰাজ্যখনত বহুলোকে তেওলোকৰ ওপৰত জাপি দিয়া জটিলতাক ঘিণ কৰি আছে, জীৱন নিৰ্বাহৰ উপায় আৰু সামাজিক সোঁতৰ মাজত সৰল সম্পৰ্ক স্থাপনৰ উপায় চিন্তি আছে। শ্ৰী দুলাল পাটৰ আৰু শ্ৰী বকুল দেউৰীৰ মতে (প্ৰান্তিক ১৬/৪/৮৪) নেলীৰ হত্যাকাণ্ডৰ পাছত, ১৯/৮/৮৩ তাৰিখে সেই অঞ্চলৰ গাওসভাৰ কাৰ্যালয়ৰ প্ৰাংগনত অসমীয়া জনজাতি আৰু ন-অসমীয়া মুছলমানসকলৰ মাজত এখন "মিলাপ্ৰীতি"ৰ সভা অনুষ্ঠিত হৈছিল। "নেলীত ভয়ংকৰ ঘটনা ঘটি যোৱাৰ পাছতো স্থানীয় অসমীয়া জনজাতি আৰু ন-অসমীয়া মুছলমানসকলৰ মাজৰ এনাজৰীডাল কোনেও ছিঙিব পৰা নাই।" এইটো বৰ গুৰুত্বপূৰ্ণ কথা। এই গুৰুত্বৰ ওপৰত গুৰুত্ব দিবলৈকে শ্ৰী পাটৰ আৰু শ্ৰী দেউৰীৰ কথাষাৰ আকৌ দোহাৰিছো।

এনে অৱস্থাৰ বিপৰীতে, ওপৰ মহলৰ কিছুমান কথাই সাধাৰণ মানুহক কেনেকৈ বিভ্ৰান্ত কৰে সেইটোও লক্ষ্য কৰিবলগীয়া। কোন বছৰৰ পাছত অসমত সোমোৱা বিদেশীসকলক বাছি উলিওৱা হ'ব আৰু তেওঁলোকৰ কিবা এটা ব্যৱস্থা কৰা হ'ব, সেই বিষয়ে বৰ্তমান মকামিলা হোৱা নাই। এনে অৱস্থাত ভাৰত চৰকাৰ বা নিৰ্বাচনী আয়োগে ১৯৭১ চনৰ ভোটাৰ তালিকাখনক ভেটি হিচাপে লৈ সেইখন সংশোধন কৰা সম্পৰ্কে অসম চৰকাৰৰ মতামত বিচাৰিছে। বাতৰিকাকতত আমি পঢ়ি আছো— অসম চৰকাৰে এতিয়ালৈকে এই বিষয়ে একো উত্তৰ দিয়া নাই। তেনে অৱস্থাতে, ২১/৩/৮৪ তাৰিখৰ

এখন বাতৰিকাকতত পঢ়িলো— অসম বিধান সভাৰ শাসনত থকা চৈধ্যগৰাকী মুছলমান সদস্যই ভাৰতৰ প্ৰধানমন্ত্ৰীলৈ এখন স্মাৰক-পত্ৰ দিছে, আৰু তাৰ কপি এটা অসমৰ মুখ্যমন্ত্ৰীকো দিছে। স্মাৰক-পত্ৰখনৰ এটা বক্তব্য হ'ল,— ১৯৭১ চনৰ ভোটাৰ তালিকাখন ভেটি হিচাপে ৰাখিব নালাগে, ১৯৭৯ চনৰ তালিকাখনহে ভেটি হিচাপে লব লাগে। এই বক্তব্যৰ যুক্তিযুক্ততা সদ্যহতে বিচাৰ কৰিব খোজা নাই, কিন্তু স্মাৰক-পত্ৰখন দিয়া ঘটনাটোৰ লগত জড়িত অইন কেইটামান কথাহে লক্ষ্য কৰিছোঁ। স্মাৰক-পত্ৰখনত চহী কৰাসকলৰ মাজত আছে সৰ্বশ্ৰী নুৰুল হুছেইন (উপ-সভাপতি, অসম ৰাজ্যিক জামিয়েত উলেমা-ই-হিন্দ), মহম্মদ ওমৰুদ্দিন, ছৈয়দা আনোৱাৰা টাইমুৰ (মন্ত্ৰী), জেহিৰুল ইছলাম (মন্ত্ৰী), ইব্ৰাহিম আলি (মন্ত্ৰী), মুক্তাদিৰ চৌধুৰী (মন্ত্ৰী), মহম্মদ আলি, মৌলানা আব্দুল জেলিল চৌধুৰী, হাছিমুদ্দিন আহমেদ, মিৰ আব্দুল হালিম, জয়নাল আবেদিন, ডেনিছু আলি আৰু আব্দুছ ছোভান। যিহেতু এখেতসকল শাসনত থকা দলটোৰ সদস্য, গতিকে নিয়মমতেতো এইটো এটা অনুশাসন ভংগ কৰাৰে ঘটনা হ'ব লাগে। দ্বিতীয়তে, চাৰিগৰাকীকৈ মন্ত্ৰীয়েই যদি স্মাৰক-পত্ৰখনৰ মতামত সমৰ্থন কৰে, তেনেহ'লে এইখন মন্ত্ৰীসভাই ভাৰত চৰকাৰ বা নিৰ্বাচন আয়োগলৈ পঠাবলৈ মতামত এটা সুকলমে গ্ৰহণ কৰে কেনেকৈ ? মতামত গ্ৰহণ কৰিবলৈ যদি মন্ত্ৰীসভাৰ বৈঠক বহে, তেনেহ'লে তাত আলোচনাই কি গতি লব, তাৰতো নমুনা পোৱা গ'ল ! উল্লেখযোগ্য, শ্ৰীমতী আনোৱাৰা টাইমুৰ অসমৰ মুখ্যমন্ত্ৰী আছিল। তেখেত বৰ্তমানেও মুখ্যমন্ত্ৰী হৈ থকা হ'লে ?

তৃতীয় আৰু আটাইতকৈ ডাঙৰ কথা হ'ল,— ১৯৭১ বা ১৯৭৯ চনৰ ভোটাৰ তালিকা মূল হিচাপে লোৱা বা নোলোৱা কথাটোৰ সপক্ষে-বিপক্ষে বহু যুক্তি থাকিব পাৰে, সমস্যাটো গোটেই ৰাজ্যখনৰে সমস্যা, জাতি-ধৰ্ম-নিৰ্বিশেষে সকলো মানুহৰে সমস্যা, কিন্তু স্মাৰক-পত্ৰখন কেৱল মুছলমান লোক কেইজনমানেহে দিব লাগে কিয় ? স্মাৰক-পত্ৰখনৰ কথাখিনি যদি যুক্তিযুক্ত , তেনেহ'লে সেই ৰাজনৈতিক দলৰ অইন ধৰ্মৰ, অইন সম্প্ৰদায়ৰ আৰু কিছুলোকক সেইখনত জড়িত কৰা হ'লে ঘটনাটোৰ চৰিত্ৰ বহু বেছি উদাৰ নহ'লহেতেন নে ? এনেবোৰ কামে মানুহৰ মন ভাঙে, সমাজৰ অপূৰণীয় ক্ষতি কৰে। বৰ দুখৰ কথা। মোৰ বিশ্বাস, আমাৰ লগত স্কুলত পঢ়া সেই "মৈমনসিঙীয়া" ল'ৰাবোৰে এনে কাম নকৰিলেহেতেন। আৰু এটা কথা। ১৯৬১ চনৰ ভোটাৰতালিকাখন ভেটি বুলি ধৰিব লাগে বুলি দিয়া স্মাৰক-পত্ৰএখনত আমি যদি মুছলমান লোকৰ নাম নেদেখিলোহেতেন, তেতিয়াও আমি এই দৃষ্টিৰেই ঘটনাটো চালোহেতেন।

২৫/৪/৮৪

# দৰ্শকৰ দায়িত্ব

ভাৰতৰ আঞ্চলিক ভাষাত ভালেমান ভাল চলচ্চিত্ৰ নিৰ্মিত হৈছে। এই চলচ্চিত্ৰবোৰ গোটেই দেশখনৰ আগ্ৰহী মানুহখিনিয়ে কেনেকৈ চাবলৈ পায়, সেই বিষয়ে বহু দিনৰ পৰা নানা ধৰণৰ আলোচনা চলি আছে। এবাৰ ভবা হৈছিল— আঞ্চলিক ভাষাৰ পুৰস্কৃত চলচ্চিত্ৰবোৰত কেন্দ্ৰীয় চৰকাৰে ইংৰাজী ভাষাৰ ছাব টাইটল সংযোজন কৰি গোটেই দেশতে প্ৰদৰ্শনৰ ব্যৱস্থা কৰিব। এবাৰ সিদ্ধান্ত লোৱা হ'ল, কেন্দ্ৰীয় চৰকাৰে বিভিন্ন ভাষাৰ ভাল চলচ্চিত্ৰ কিছুমান লৈ দেশখনৰ নানান ঠাইত এলানি উৎসৱ পাতিব। বৰ্তমানে ভাৰতৰ আন্তঃৰাষ্ট্ৰীয় মহোৎসৱ আৰু ফিল্মোৎসৱৰ ইণ্ডিয়ান পেনোৰামা ভাগৰ বাবে নিৰ্বাচিত চলচ্চিত্ৰসমূহত চৰকাৰে নিজৰ খৰচত ইংৰাজী ছাব টাইটল সংযোজনৰ ব্যৱস্থা কৰিছে, কিন্তু সেইবোৰ বিভিন্ন ঠাইত প্ৰদৰ্শনৰ ব্যৱস্থা হোৱা নাই। সম্প্ৰতি দেশখনত চলচ্চিত্ৰৰ পৰিবেশন আৰু প্ৰদৰ্শন-ব্যৱস্থাৰ যিটো বেহু প্ৰতিষ্ঠিত হৈছে, সেইটো ভেদ কৰাৰ শক্তি আৰু ইচ্ছা স্বয়ং কেন্দ্ৰীয় চৰকাৰৰো নাই যেন লাগে। ফেডাৰেশ্যন অৱ ফিল্ম ছছাইটিজ অৱ ইণ্ডিয়াৰ উদ্যোগত দেশখনত সিঁচৰতি হৈ থকা তিনিশমান ছিনে ক্লাব, ফিল্ম ছছাইটি আদিয়ে কিছুমান আঞ্চলিক ভাষাৰ ছবি প্ৰদৰ্শন কৰি অন্ততঃ ক্লাব,ছছাইটি আদিৰ সদস্যসকলৰ কিছু উপকাৰ কৰি আছে। দূৰদৰ্শনে এই ক্ষেত্ৰত কিমান দূৰ কি কৰিব পাৰে, এই বিষয়েও বহুদিন ধৰি আলোচনা চলি আছিল। যি শ্ৰেণী লোকে ভাল চলচ্চিত্ৰ চাবলৈ আগ্ৰহ কৰে, টেলিভিছন সেই শ্ৰেণী লোকৰ বেছি ওচৰ , গতিকে দূৰদৰ্শনে ইচ্ছা কৰিলেই সেইখিনি দৰ্শকক সহায় কৰিব পাৰে, অন্যান্য দৰ্শকৰ ৰুচিৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰিব পাৰে, আৰ্থিক হেঁচাত পেপুৱা লগা অঞ্চলিক ভাষাৰ ভাল চলচ্চিত্ৰ নিৰ্মাতাসকলক আৰ্থিকভাৱে সহায় কৰিব পাৰে। দূৰদৰ্শনে বৰ্তমানে সিদ্ধান্ত কৰিছে, প্ৰতি মাহৰ প্ৰথম দেওবাৰে দিনৰ দুই বজাৰ পৰা আঞ্চলিক ভাষাৰ ৰাষ্ট্ৰীয় পুৰস্কাৰ পোৱা চলচ্চিত্ৰ এখন দেখুউৱা হ'ব। দূৰদৰ্শনৰ এই আঁচনিৰ প্ৰথম চলচ্চিত্ৰখন আছিল মালয়ালম ভাষাৰ "এলিপাথায়েম" (Rat trap),পৰিচালক অদূৰ গোপালকৃষ্ণন। ১৯৮১ চনত ভাৰতৰ দ্বিতীয় শ্ৰেষ্ঠ চিত্ৰৰ সন্মান পোৱা এই চলচ্চিত্ৰখন পাছত লণ্ডনত দুহাজাৰখন চলচ্চিত্ৰৰ মাজত শ্ৰেষ্ঠ বুলি পৰিগণিত হৈছে। একালৰ এক আঢ্যৱন্ত পৰিয়ালত বৰ্তমানে আছেগৈ এজন আদহীয়া, অকৰ্মণ্য, ভয়াতুৰ, অতীতৰ মৰ্যাদাক খামোচ মাৰি থকা অবিবাহিত মানুহ, তেওঁৰ এজনী বেছি বয়সীয়া গাভৰু ভনীয়েক, আৰু এজনী কম বয়সীয়া গাভৰু

ভনীয়েক। মানুহজনৰ কোঠাত ৰাতি নিগনি এটা ওলালেও ভনীয়েকহঁতে লেম-টৰ্চলাইট লৈ নিগনি খেদিব লাগে, জীৱন যৌৱনৰ যন্ত্ৰণাত স্ৰিয়মাণ ডাঙৰ ভনীয়েকে পানী গৰম কৰি নিদিলে মানুহজনে গা নোধোৱে, ভাতত শিলগুটি এটা সহ্য নকৰে। সৰু ভনীয়েক প্ৰেমিকৰ লগত পলাই গ'ল, মানুহজন নিৰুদ্বেগ, ডাঙৰ ভনীয়েকক মৃত্যু শয্যাৰ পৰা ওচৰ চুবুৰীয়াই হস্পিটেললৈ লৈ গ'ল, মানুহজনে লৰচৰেই নকৰিলে। শেষত অতিষ্ঠ হৈ ওচৰ-চুবুৰীয়াই, ভনীয়েকহঁতে ফান্দত ধৰা নিগনি যেনেকৈ পিছফালৰ পুখুৰীটোত ডুবাই দিয়েগৈ, ঠিক তেনেকৈ মানুহজনক দাঙি নি পুখুৰীটোত পেলাই দিলেগৈ। ধীৰ গতিৰ, শিল্পসম্মত, অনুভূতিৰ গভীৰ অঞ্চল স্পৰ্শ কৰিব পৰা চলচ্চিত্ৰ। সেইদিনা টেলিভিছনত এই চলচ্চিত্ৰখন চোৱা মানুহ, মোৰ ব্যক্তিগত দুৰ্ভাগ্যৰ কাৰণেই বুলিছো, মই লগ পোৱা নাই। সন্ধিয়াৰ হিন্দী ছবিখন চোৱা মানুহ লগ পাইছো। দেওবাৰে দুই বজাৰ সময়টো ভাল নহ'ব পাৰে, কিন্তু ইমান বেয়াও নহয়। ছিনেমা হ'লবোৰৰ সেইদিনাৰ মেটিনি শ্ব'ৰ ৰেকৰ্ড চালেই কথাটোৰ প্ৰমাণ পোৱা যাব।

ভাল ছবিৰ প্ৰতি দৰ্শকৰ আগ্ৰহ চলচ্চিত্ৰ জগতৰ কাৰণে আটাইতকৈ প্ৰয়োজনীয় সম্পদ। এই সম্পদেই মানুহক ভাল চলচ্চিত্ৰ নিৰ্মাণ কৰিবলৈ উৎসাহ যোগায়। এই কথা অসমৰ দৰ্শকে বেছি নিবিড়ভাবে উপলব্ধি কৰাটো প্ৰয়োজনীয়। অসমৰ মেৰুদণ্ডৰ শক্তি বৰ্ধনৰ বাবে এতিয়া ৰাষ্ট্ৰীয় আৰু আন্ত ৰাষ্ট্ৰীয় ক্ষেত্ৰত অসমীয়া চলচ্চিত্ৰই সঘনে ভুমুকি মাৰি থকাটো বাঞ্ছনীয়। তাৰ বাবে অসমীয়া চলচ্চিত্ৰৰ গুণগত দিশটোৰ উন্নতি হ'ব লাগে। কোনো এটাত ভাষাত বছৰটোত যি কেইখন চলচ্চিত্ৰ নিৰ্মিত হয়, তাৰে এখনক দিল্লীয়ে "আঞ্চলিক বঁটা" দিয়ে, সেই প্ৰথা বৰ্তমানে নাই। গুণগত দিশত এটা স্তৰৰ ওপৰলৈ নগ'লে আজিকালি কেৱল অঞ্চল বা ভাষাৰ বিবেচনাত বঁটা দিয়া নহয়। ৰাষ্ট্ৰীয় পৰ্যায়ত বিচাৰকে এই দৃষ্টিভংগী গ্ৰহণ কৰাৰ পাছৰ সময়ছোৱাত অসমীয়া চলচ্চিত্ৰৰ ৰেকৰ্ড ভাল নহয়। অথচ এই সময়ছোৱাতেই অসমীয়া চলচ্চিত্ৰই ৰেকৰ্ড পৰিমাণৰ অৰ্থ উপাৰ্জন কৰিছে। ব্যৱসায়িক সাফল্য অনা এনে ছবিও কেইবাটাও দিশৰ পৰা প্ৰয়োজনীয়, কিন্তু সন্মান উপাৰ্জন কৰা চলচ্চিত্ৰও ওলাব লাগে। দৰ্শকৰ পৰা তাগিদা পালে, অৰ্থ উপাৰ্জনৰ বাহিৰেও জাতিৰ প্ৰতিও কৰ্তব্য আছে বুলি অনুভৱ কৰিব পৰা বিত্তবান প্ৰযোজক আৰু প্ৰতিভাসম্পন্ন কাহিনীকাৰ, পৰিচালক আদি নিশ্চয় ওলাব।

২৪/৫/৮৪

# খোলা মন, খোলা কথা

কাছাৰ জিলাৰ বিষয়ে প্ৰান্তিকত চলি থকা আলোচনাত অংশগ্ৰহণ কৰি এগৰাকী পত্ৰ-লেখক প্ৰদীপ কুমাৰ চক্ৰবৰ্তীয়ে ধুবুৰীৰ পৰা শদিয়ালৈকে এই গোটেই অঞ্চলটোত বসবাস কৰা "বাংলাভাষী বুদ্ধিজীৱী"সকল বৰ্তমানৰ এই সমস্যাৰ সময়ত "নিৱৱ" হৈ থকাৰ কথা উল্লেখ কৰিছে। নিৱৱ হৈ থকা মানে শ্ৰী চক্ৰবৰ্তীয়ে নিশ্চয় এইসকল লোকে সমস্যাবোৰ বিশ্লেষণ কৰি, সেইবোৰৰ সমাধানৰ বাবে ৰাজহুৱাভাৱে লিখিতভাৱে মতামত ব্যক্ত নকৰাৰ কথাকে বুজাইছে। চিন্তাশীল, বুদ্ধিমান, সংস্কৃত মনৰ বাঙালী বুলিলে সামগ্ৰিকভাৱে যেনেকুৱা এটা শ্ৰেণীৰ কথা মনলৈ আহে, অসমৰ চাৰিসীমাৰ ভিতৰৰ কথা চিন্তা কৰিলে, ঠিক তেনেকুৱা এটা শ্ৰেণীৰ কথা মনলৈ নাহে। খেতিবাতি কৰি থকা অসংখ্য বাংলাভাষী লোকে এইখন ৰাজ্যত কেৱল পেট প্ৰবৰ্তাইছে, জীৱন নিৰ্বাহ কৰিছে , শিক্ষা, অশিক্ষা, কুশিক্ষাৰ মাজত দিন কটাইছে। সংখ্যাৰ বলেই এওঁলোকৰ বল, সাংস্কৃতিক আৰু বৌদ্ধিক বলে এওঁলোকৰ মাজত গা কৰা নাই। এওঁলোকৰ মাজত মানুহ ধনী হয়, মুখিয়াল হয়, অসমৰ বিচিত্ৰ পৰিবেশৰ সহায়ত সেই কেইজন ৰাজধানী চিনি পোৱা মানুহ হৈ পৰে, কিন্তু ৰাজ্য চিনি পোৱা মানুহ কেতিয়াও নহয়। এচাম লোকে দুৰ্ঘোৰ ৰাজনীতি কৰি ৰাজ্যখনত উজনি-নামনি কৰি আছে , এওঁলোকৰ ব্যক্তিগত শিপা আৰু ৰাজনৈতিক আদৰ্শৰ শিপা— এবিধেও ৰাজ্যখনৰ মাটি নুচুলে। অসংখ্য শিক্ষিত বাংলাভাষীয়ে এই ৰাজ্যত চাকৰি-ব্যৱসায় আদি কৰি আছে। সামগ্ৰিকভাৱে ক'বলৈ হ'লে, এওলোকৰ সাংস্কৃতিক আৰু বৌদ্ধিক চৰিত্ৰ অস্পষ্ট। এনেকুৱা লাগে যেন এওঁলোকৰ পৰা কাৰো সংস্কৃতি আৰু বৌদ্ধিক পৰিবেশ অধিক বলীয়ান নহয়, অসমৰো নহয়, পশ্চিম বংগৰো নহয়, বাংলাদেশৰো নহয়। মোৰ এগৰাকী বন্ধুৱে আঙুলিয়াই দিছে, এওঁলোকৰ সৰহভাগেই নিবিড়ভাৱে ৰবীন্দ্ৰ নাথকো চিনি নাপায়, শংকৰদেৱকো চিনি নাপায়। কথাটো সঁচা। কেতিয়াবা এওঁলোকৰ বহুতে এনে ধাৰণাৰ সৃষ্টি কৰে যে অসমৰ বাহিৰৰ সমগ্ৰ বাঙালী জাতিটোক যদি ৰবীন্দ্ৰ নাথ-সত্যজিৎ ৰায়ে তুলি ধৰিব পাৰে, অসমৰ ভিতৰৰসকলক তুলি ধৰিব পাৰে প্ৰণৱ মুখাৰ্জী আৰু গনিখান চৌধুৰীয়ে।

কিন্তু এই শতিকাৰ অসমৰ সমাজ পৰীক্ষা কৰিলে আমি এনে এচাম মানুহো পাওঁ—যিসকলৰ চিন্তা-বুদ্ধি, ধ্যান-ধাৰণা আৰু কৰ্মৰ লগত এই ৰাজ্যখনৰ এটা সম্পৰ্ক গঢ়ি উঠিছে। বয়োবৃদ্ধসকলে কটন কলেজৰ অধ্যাপক হৰ্ষ বাবুৰ কথা ক'লে

আমাৰ মনলৈ এটা আপোন ভাব আহে। আমাক উদ্ভিদ বিজ্ঞান পঢ়ুউৱা অতুল দত্ত ছাৰৰ ভাবমূৰ্তিয়ে আমাৰ বহু শংকা দূৰ কৰে। যোৰহাটৰ ডছ্ এণ্ড কোম্পানিৰ দাস পৰিয়ালৰ অসম সাহিত্য সভাৰ লগত থকা সম্পৰ্ক স্মৰণযোগ্য। ব্ৰিগেডিয়াৰ লাহিড়ী বা বৰ্তমানৰ মুখ্যসচিব পালিতৰ দৃষ্টিভংগী লক্ষণীয়। কেইবাটাও কথা বিচাৰ কৰোঁতে, বিভিন্ন পৰিস্থিতি আৰু পৰিবেশৰ মাজত থকা লোকৰ উদাহৰণস্বৰূপে এখেতসকলৰ নাম মনলৈ আহিছে। এই ধৰণৰ পৰীক্ষাৰে বৰ্তমানে যি চাম মানুহ পাওঁ, তেখেতসকলৰ পৰা অসমবাসীয়ে একে ধৰণৰ সক্ৰিয়তা, আৰু নেতৃত্ব আশা কৰে। তেখেতসকলে চিন্তা কৰি যিয়েই নাপাৱক কিয়, তাকে প্ৰকাশ কৰিব লাগে। দেশ-বিভাজনৰ আগতেও অসমত বংগদেশৰ পৰা অহা বহুসংখ্যক লোক আছিল, বিদেশী সমস্যা সমাধান হোৱাৰ পাছতো বহুসংখ্যক লোক থাকিব। গতিকে এক আত্মীয়তাৰ পৰিবেশত, সামগ্ৰিক মংগল, শান্তি আৰু সমৃদ্ধিৰ পৰিবেশত থাকিব পৰাৰ চিন্তা তেখেতসকলে কৰিব লাগিব, আৰু সেই চিন্তাৰ ভাগ আমাকো দিব লাগিব। অসমৰ বৰ্তমান সমস্যাৰ লগত বাংলাভাষী লোক গুৰুত্বপূৰ্ণ ৰূপত জড়িত, গতিকে তেখেতসকলৰ নিৰৱতাই—“তেখেতসকল বৰ্তমানে কিছুমান স্বাৰ্থপৰ নীচ শক্তিৰ ভয়ত তাপ মাৰি আছে, বা তেখেতসকলৰ মোহভংগ ঘটিছে” — এই জাতীয় সন্দেহৰ সৃষ্টি কৰে। এনে সন্দেহে সকলোৰে অপকাৰ কৰে।

আৰু এটা মন কৰিবলগীয়া কথা আছে। অসমৰ বাঙালীসকলে অসমৰ সমস্যা সম্পৰ্কে বা তেখেতসকলৰ সমস্যা সম্পৰ্কে অসমৰ কাকত-আলোচনীতহে যে লিখা-মেলা নকৰে সেইটো নহয়, অসমৰ বাহিৰৰ কাকত-আলোচনীতো উল্লেখযোগ্য বিশেষ একো নিলিখে। প্ৰকাশ হোৱা বাতৰিৰ প্ৰতিবাদ কৰি সম্পাদকলৈ লিখা চিঠিৰ কথাটো বেলেগ। ভাৰতৰ অন্যান্য ৰাজ্য বা ভাৰতৰ বাহিৰৰ প্ৰবাসী বাঙালীয়ে অসমৰ সমস্যা বা প্ৰবাসী বাঙালীৰ সমস্যা সম্পৰ্কে অসমৰ বাঙালীতকৈ বেছি লিখাপঢ়া কৰে যেন ধাৰণা হয়। ইয়াৰ কাৰণ বিচাৰি আকৌ অসমত থকা বাঙালীসকলৰ সাংস্কৃতিক আৰু বৌদ্ধিক অৱস্থালৈ উভতি আহিব লগা হয়। আনহাতে, হোজাইত সভা পতা বাঙালীসকলৰ বক্তব্যই অসমত বাস কৰিবলগীয়া সকলো বাঙালীৰে বক্তব্য হয় নে নহয়, সেই কথা পৰিষ্কাৰ কৰিবৰ কাৰণেও চিন্তাশীল, বহল দৃষ্টিভংগী থকা অসমৰ বাঙালীসকলে নিৰৱতা ভংগ কৰিব লাগে।

১১/৬/৮৪

# সৰু-সৰু আলোচনী

সাধাৰণতে প্ৰচাৰৰ পৰিমাণ, বয়স, মান, প্ৰভাৱ আদি বিচাৰ কৰিয়েই একোখন আলোচনীক ডাঙৰ বা সৰু বুলি কোৱা হয়। ইংৰাজী ভাষাৰ কিছুমান আলোচনীৰ তুলনাত ভাৰতৰ আঞ্চলিক ভাষাৰ বহু আলোচনী "সৰু আলোচনী", আনহাতে একোটা আঞ্চলিক ভাষাৰ কেইখনমান আলোচনীৰ তুলনাত সেই ভাষাৰে ভালেমান সৰু আলোচনী থাকে। ৰাজ্যখনৰ বিভিন্ন অঞ্চলৰ আগ্ৰহ আৰু উদ্যম থকা লোক, অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে যোগ্যতা থকা লোকৰ তত্ত্বাৱধানত এনে আলোচনী প্ৰকাশ কৰাটো প্ৰয়োজনীয়। প্ৰতিটো অঞ্চলতে পঢ়া-শুনা কৰা, চিন্তা কৰা, লিখাৰ অভ্যাস ৰখা, শুদ্ধভাৱে নিজৰ ভাষাটোৰ চৰ্চা কৰা, সৃষ্টিশীল মনৰ কথা প্ৰকাশ কৰিবলৈ চেষ্টা কৰা লোক আছে। নানান কাৰণত আঞ্চলিক ভাষাৰ প্ৰতিষ্ঠা লাভ কৰা "সৰু আলোচনী"বোৰেও এইসকল লোকক প্ৰকাশৰ সুবিধা দিব নোৱাৰে। কিন্তু চৰ্চাৰ সহায়ত ক্ৰমান্বয়ে চিন্তা আৰু সাহিত্যকৰ্মৰ উচ্চতম পৰ্যায়লৈকে গৈ থাকিবলৈ এখেতসকলক সহায়ৰ প্ৰয়োজন। তদুপৰি, এটা ভাল সৌধৰ সৃষ্টি হ'বলৈ হ'লে ভূমি ভাগতো প্ৰচুৰ পৰিমাণে অনুৰূপ ক্ৰিয়া-কাণ্ডৰ প্ৰয়োজন। সেই কাৰণে কিছুমান সৰু সৰু আলোচনীৰো প্ৰয়োজন।

অসমৰ বিভিন্ন অঞ্চলত বহু দিন ধৰি সৰু সৰু আলোচনী প্ৰকাশৰ ক্ষেত্ৰত যি পৰিমাণৰ পৰিশ্ৰম, টকা-পইচা, সময় আৰু বস্তু-বাহানি খৰুঁৱা হৈছে, তাৰে এটা বৃজন অংশৰ অপচয় হৈছে। বহুলভাৱে প্ৰযোজ্য উদাহৰণ এটা এনেকুৱা উদ্যোক্তাসকলৰ উদ্দেশ্য সৎ, উদ্যম যথেষ্ট পৰিমাণে আছে। টকা-পইচা দুটামান সংখ্যাৰ জোখাৰে আছে। আলোচনীখনৰ সম্পাদনা কোনে কৰিব, সেই সম্পৰ্কে সিদ্ধান্তটো ভুল। পৰিকল্পনা দ্বিতীয় সংখ্যাটোৰ সিফাললৈ নাই। নামৰ সৌষ্ঠৱৰ খাতিৰত একালৰ যশস্বী লেখকসকলৰ লগত যোগাযোগত যথেষ্ট সময় খৰচ। ছপাকামৰ অভিজ্ঞতা নথকাৰ কাৰণে প্ৰয়োজনাধিক কষ্ট। কেতিয়াবা উদ্বোধনী অনুষ্ঠানৰ অপ্ৰয়োজনীয় আড়ম্বৰ। অতি প্ৰয়োজনীয় কাম — বিতৰণ, বিক্ৰি আৰু অৰ্থসংগ্ৰহৰ সুচিন্তিত ব্যৱস্থা নাই। বিক্ৰেতাৰ ভাবটো হ'ল— থৈ যাওকচোন, উদ্যোক্তাৰ ভাবটো হ'ল— গতাব পৰাটোও ডাঙৰ কথা। তাৰ পাছত বিক্ৰি হোৱা আলোচনীৰ পইচাকেইটা গোটাবলৈও একোজন বিক্ৰেতাৰ ওচৰলৈ পাচ ছবাৰকৈ অহা-যোৱা। এনেকৈয়ে, প্ৰথম সংখ্যাটোৰ লগতে উদ্যমৰ বেছি ভাগ শেষ। প্ৰথম সংখ্যাটোৰ আয়োজনৰ বাবে সময় পোৱা গৈছিল— কথাটো চিন্তা কৰাৰ দিনৰে পৰা উদ্বোধনৰ দিনালৈকে কেইবামাহো। মাহেকীয়া আলোচনী হ'লে দ্বিতীয় সংখ্যাটোৰ কাৰণে

সময় পোৱা যায় এমাহতকৈও কম। গতিকেই বিপদ। দ্বিতীয় সংখ্যাৰ পাছতে প্রেছে অলপ-অচৰপ 'বাকী' দিয়াৰো নাম নুশুনা হয়। উদ্যোক্তাসকলৰ দুই-এজনে সেই ঠাই এৰি ক'ৰবালৈ যায়গৈ। লাহে-লাহে মানুহে কথাবোৰ পাহৰে। উদ্যোক্তাসকলৰ দুই-এজনে নিজৰ জেপৰ কেইহাজাৰ টকা গ'ল, সেই কথা মনত ৰাখে।

কিন্তু আগেয়েই কৈছোঁ, কিছুমান সৰু-সৰু আলোচনী প্রকাশ হৈ থকাটো প্রয়োজনীয়। এতিয়া কথা হ'ল, কেনেকৈ এই প্রয়োজন পূৰাই ৰখা যায়?

আমাৰ বোধেৰে এটা উপায় এনেকুৱা হ'ব পাৰে প্রথম কথা, উদ্যোক্তাসকলে উচ্ছ্বাস বাদ দি, পৰিকল্পনাৰ ওপৰত গুৰুত্ব দিব লাগে। ভাষা-সাহিত্য-সমাজৰ সেৱা কৰাটো উদ্দেশ্য হ'লেও গোটেই আঁচনিখন এক সুশৃংখল ব্যৱসায়িক হিচাপ-পাতিৰে বেৰিব লাগে। আলোচনীখনৰ গুৰি ধৰা প্রতিষ্ঠান বা সংগঠনটো কোনোবা এজনৰ "ট্ৰেন্সফাৰ" হ'লেই ভাগি যাব,— এনেকুৱা কেতিয়াও হ'ব নালাগে। সম্পাদনাৰ দায়িত্ব এনে লোকক দিব লাগে— যি গৰাকীৰ ভাষা আৰু সাহিত্যসম্পৰ্কীয় গুণাৱলী আৰু পৰিশ্ৰম কৰাৰ ক্ষমতাৰ ওপৰত বাইজৰ আস্থা আছে। আলোচনীখনত প্রকাশ হ'বলগীয়া ৰচনা সম্বন্ধে এনেকুৱা আলোচনীৰ উদ্দেশ্যৰ প্রতি সজাগ দৃষ্টি ৰাখি সম্পূর্ণ নতুন দৃষ্টিভংগী গ্ৰহণ কৰিব লাগে। অযথা দূৰৰ নামৰ মোহত শক্তি অপচয় নকৰি, স্থানীয় গুণী লেখকসকলৰ ওপৰত গুৰুত্ব দিব লাগে, আনহাতে অনুপযুক্ত, নিম্নমানৰ ৰচনা প্রত্যাখ্যান কৰিব লাগে। ন্যূনতম মানৰ ৰচনা, টকা-পইচা আদিলৈ চাই যদি দেখা যায় যে মাত্র ষোল পৃষ্ঠাৰ আলোচনী এখনহে মাহে-মাহে উলিওৱাটো সম্ভৱ, তেনেহ'লে তাকে কৰিব লাগে। স্থানীয় ছপাশাল এখনৰ ওপৰতে আলোচনীখন এনেকৈ জাপি দিব লাগে যাতে তেওঁলোকেও কামটো ছপাশালৰ সন্মানৰ লগত জড়িত কৰে। বলে নোৱাৰিলে বেটুপাতৰ বাহাৰৰ কথাও বাদ দিব লাগে। মাহৰ এটা নির্দিষ্ট দিনত, ছমাহ এইখন আলোচনী হাতত পৰিলেও পাঠকৰ মনত এনে এটা সাচ বহিব— যিটো ৯৬ পৃষ্ঠাৰ এখন আলোচনীৰ এটা সংখ্যাই বছৰাব নোৱাৰে।

আলোচনীখনত বিক্ৰেতাসকললৈ এটা অনুৰোধ সদায় ছপাব লাগে আলোচনীখন বিক্ৰি কৰি পোৱা পইচাকেইটা, কমিশ্যন কাটি ৰাখি, যেন লগে-লগে দিয়ে। "এজেণ্টে আলোচনী মাৰে",— এই বদনাম যেন আপোনালোকে মিছা বুলি প্রমাণ কৰে।

২৬/৬/৮৪

# আশা-ভাৰসাৰ থল

যোৱা মে' মাহৰ ষোল তাৰিখৰ প্ৰান্তিকৰ 'দৈনন্দিন' শিতানত 'বৈষ্ণৱী' নামৰ এটি লেখা প্ৰকাশ কৰা হৈছিল। লেখাটিত বৰ্ণোৱা ঘটনাটো চমুতে এনেকুৱা . এজন মানুহৰ বাপেক ঢুকাল। বাপেকে পুতেকৰ কাৰণে সা-সম্পত্তি থৈ যাবজো নোৱাৰিলেই, বৰঞ্চ অ'ত-ত'ত ধাৰহে লগাই থৈ গ'ল। এইবোৰ চিন্তা, অশৌচৰ নিয়ম-কানুন, বৰতীয়া ভাত আদিয়ে মানুহজনক দুৰ্বল কৰি পেলালে। সেই কেইদিনতে গধূলি গধূলি পুথি পঢ়িবলৈ অহা ভোলাৰাম 'বৰ্তা', মেলেঙা খুৰা, থানুৰাম, ঘনকান্ত 'কোৱাইদেউ' আদি লোকসকলৰ মাজত তৰ্ক লাগিল,— বাপেক মৰাৰ কাৰণে পুতেকে চুলি খুৰাবনে নুখুৰায় ? শেষত বাইজ দুভাগ হ'ল, এভাগ চুলি খুৰোৱাৰ সপক্ষে, ইভাগ বিপক্ষে। গৃহস্থ মানুহজন বিবুধিত পৰিল। পিছে দহা-কামৰ দুদিনমান আগয়ে মৃত বাপেকে তেওক সপোনত দেখা দি নাকৰ পোনে-পোনে মূৰটোৰ এফালৰ চুলি খুৰাবলৈ পৰামৰ্শ দিলে। (লেখাটিত কাৰো নাম, কোনো ধৰ্ম, পন্থা, গোষ্ঠী আদিৰ উল্লেখ নাছিল।)

আমাৰ 'দৈনন্দিন' শিতানটোৰ চৰিত্ৰটো ইতিমধ্যে মোটামুটিভাৱে পাঠক-পাঠিকাসকলৰ মনত প্ৰতিষ্ঠিত হৈছে বুলি বিশ্বাস কৰো। এই শিতানৰ লেখাবোৰত কেতিয়াবা একোটা গুৰুত্বপূৰ্ণ বিষয় প্ৰতিফলিত হ'বও পাৰে, নহ'বও পাৰে , কিন্তু সেই লেখাবোৰৰ প্ৰতি দৃষ্টিভংগী কেনেকুৱা হ'ব লাগে, আমি সকলোৱে সেইবোৰ কেনেকৈ গ্ৰহণ কৰিব লাগে, সেই সম্পৰ্কে নিশ্চয় আমাৰ মাজত এটা বুজাবুজি হৈছে বা হ'ব লাগে। 'বৈষ্ণৱী' নামৰ লেখাটোৰ সূত্ৰ ধৰি লিখা দুখন চিঠি এই সংখ্যাতে 'পত্ৰালাপ' শিতানত ছপা কৰা হৈছে। এখন চিঠি অইন এটা কাৰণত আমি ইয়াত উদ্ধৃত কৰিলো। (ভাষা, বানান একোতে আমি হাত ফুৰোৱা নাই)

সম্পাদক প্ৰান্তিক,

নমস্কাৰ লব। ৩য় বছৰ দ্বাদশ সংখ্য প্ৰান্তিকত বৈষ্ণৱী (দৈনন্দিন শিতানত শ্ৰী বাতুল ভূঞা) পঢ়ি আচৰিত হলো। কাৰণ লেখক যদি শ্ৰীমন্ত শংকৰ দেৱ সংঘৰ সঙ্গী (সদস্য) তেন্তে মূৰ খুৰোৱাৰ প্ৰশ্ন নুঠে। যদি নহয় তেন্তে নুখুৰোৱাৰ প্ৰশ্ন নুঠে। যদি 'বাদুলি' তেন্তে কাকো সমালোচনা কৰাৰ অধিকাৰ নাই যেনেকৈ ইচলাম বা খৃষ্টান ধৰ্মাদিৰ আচাৰক সমালোচনা কৰাৰ অধিকাৰো আপোনাৰ বা মোৰ নাই।

অথচ তেনে এক সমালোচনা, যি সমালোচনাই এক ধৰ্ম গোষ্ঠীৰ লোকৰ মনত আঘাট দিব পাৰে, আপোনাৰ দৰে সম্পাদকৰ সম্পাদনাত প্ৰকাশিত কাকতত স্থান পালে ! আপোনাক সদা সতৰ্ক, সূক্ষ্ম চিন্তা আৰু সুবিবেচনাৰ অধিকাৰী বুলিয়েই জানো।

অথচ কেনেকৈ অসতৰ্কভাৱে এই লেখা প্ৰকাশ কৰিলে আমি বুজি নাপাও। আমাৰ ভয় হৈছে এদিন হয়তো প্ৰান্তিকখনে অন্য ধৰ্মৰ লোকৰ আচাৰকো সমালোচনা কৰি বিশ্বহিন্দুপৰিষদৰ মুখপত্ৰ হোৱাদি হ'বগৈ। কিন্তু বিশ্বহিন্দুপৰিষদেও শ্ৰীমন্ত শংকৰদেৱ সংঘক ব্যঙ্গ নকৰে। আমি বৰ বেয়া পাইছো। আপোনাৰ বুদ্ধিজীৱি উত্তৰেও আমাৰ বেয়া পোৱা মচিব নোৱাৰিব। ইতি। শ্ৰী ।

চিঠিখনৰ বিষয়বস্তু সম্পৰ্কে আমি মতামত প্ৰকাশ কৰিব খোজা নাই। ধৰ্ম, বিশ্ব হিন্দু পৰিষদ, আঘাত, ব্যংগ আদি সম্পৰ্কে প্ৰান্তিকৰ ধাৰণা প্ৰান্তিকৰ পাততে আছে আৰু থাকিবও। সাধাৰণতে, বহলভাৱে দুটামান কথা ক'বলৈহে আমি চিঠিখন নমুনা হিচাপে ব্যৱহাৰ কৰিছো।

লেখক, পাঠক, সম্পাদক সকলোৰে বোধশক্তি, বিচাৰশক্তি, সহিষ্ণুতা, সংযম আদিৰ ওপৰত প্ৰান্তিকৰ মংগলে কিমান নিৰ্ভৰ কৰে, সেই কথাটোতকৈ বহু বেছি ডাঙৰ কথা— সেইবোৰৰ ওপৰত, সমগ্ৰ ৰাজ্যখনৰ, সকলো মানুহৰ মংগলে কিমান নিৰ্ভৰ কৰে। ওপৰৰ চিঠিখন লিখা ব্যক্তিগৰাকীৰ নিচিনাকৈয়ে যদি আমাৰ একাংশ পাঠকে কথা বুজিবলৈ আৰু ক'বলৈ লয়, তেনেহ'লেতো বৰ বিপদৰ কথা! এইটো এটা বিপদজনক অপচয়। এনে বিচাৰবুদ্ধিৰেই যদি আমি বস্তু আৰু কথা গ্ৰহণ কৰোঁ, এই ধৰণৰেই যদি আমি আমাৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰোঁ, তেনেহ'লে কি ভাৱসাৰে আমি বৰ্তমানৰ জটিলতাৰ মাজেদি শুদ্ধভাৱে আগুৱাম? কি ভাৱসাৰে আমি চিন্তাৰ গভীৰতালৈ যাম? এনে নমুনা এটা হাতত লৈ চিন্তা কৰিলে সন্দেহ হয়,— এই ধৰণৰ বোধশক্তি, দৃষ্টিভংগী, বিচাৰবুদ্ধি আৰু প্ৰতিক্ৰিয়াৰ বাবেই অসমীয়া জাতিটোৰ আজি এই ছিন্ন-ভিন্ন দুৰৱস্থা নে কি? এইবোৰৰ (এই ধৰণৰ বোধশক্তি আদিৰ) বাবেই বৰ্তমানৰ এই পাঁচ বছৰীয়া আন্দোলনটোও ক্ষতিগ্ৰস্ত হৈছে নে কি?

আনহাতে, আমি ফুলকুমলীয়া ল'ৰা-ছোৱালীৰ পৰা শয্যাগত বৃদ্ধলৈকে অসংখ্য পাঠক-পাঠিকাৰ দৃষ্টিভংগী, গ্ৰহণ-বৰ্জন-বিচাৰ ক্ষমতা আদি দেখি মনত বল পাই আহিছো। তেওঁলোকৰ সংখ্যা বাঢ়িবই। বাঢ়িব লাগিবই। ইয়াৰ লগত জাতিটোৰ ভৱিষ্যতৰ প্ৰশ্ন জড়িত হৈ আছে।

যিহেতু এক বহল পটভূমিত থৈ কথাটো আলোচনা কৰিব খুজিলো, গতিকে উক্ত পত্ৰলেখকৰ নাম উল্লেখ কৰাৰ প্ৰয়োজন নাই। কিন্তু চিঠিখনক উলাই নকৰা আৰু নমুনা হিচাপে গ্ৰহণ কৰাৰ এটা কাৰণ হৈছে, চিঠি লিখা কাগজখনত পত্ৰলেখকৰ ছপা কৰা নামটোৰ পিছত M A B Com ইত্যাদিও ছপা কৰা আছে।

২৪/৭/৮৪

# ভ্ৰাম্যমান থিয়েটাৰ ঃ গড়োঁতাসকল

বহু দিনৰ আগতে, পোন্ধৰ-বিছ বছৰমানৰ আগতে হ'ব হ'বলা, ঠিক মনত নাই, এদিন আমাৰ কেইজনমানৰ মাজত অসমীয়া চলচ্চিত্ৰৰ "কনষ্ট্ৰাকটিভ ক্ৰিটিছিজম", — গঠনমূলক সমালোচনাৰ কথা ওলাইছিল। আমি উপলব্ধি কৰিছিলো— যি কেইজনে চলচ্চিত্ৰখন নিৰ্মাণ কৰিছে, তেওঁলোকে বেয়া নোপোৱাকৈ আলোচনা কৰাটোৱেই আমাৰ ইয়াত গঠনমূলক সমালোচনা, আৰু তেওঁলোকে বেয়া পোৱাকৈ আলোচনা কৰাটোৱেই ধ্বংসাত্মক সমালোচনা। দ্বিতীয়তে, সমালোচনা এটা প্ৰকাশ হোৱাৰ পাছত বজাৰত যদি চলচ্চিত্ৰখনে পইচা নাপালে, তেনেহ'লে সেই সমালোচনা আৰু বেছি ধ্বংসাত্মক, কাৰণ সেই সমালোচনাই প্ৰযোজকক ডুবালে, তেওঁক আৰু এখন চলচ্চিত্ৰ নিৰ্মাণ কৰি অসমীয়া চলচ্চিত্ৰ উদ্যোগটোৰ প্ৰতি অৰিহণা যোগোৱাত বাধা দিলে। সেইদিনাৰ আলোচনাত আমাৰ পৰামৰ্শ আছিল— ঠিক আছে তেনেহ'লে, যদি চলচ্চিত্ৰখন সম্পৰ্কে ক'বলগীয়া ভাল কথা একো নাই, তেনেহ'লে এতিয়া একো ক'ব নালাগে, সেইখনে "ধ্বংসাত্মক সমালোচনা"ৰ বাধা নোপোৱাকৈ বজাৰত ব্যৱসায় কৰক। এবছৰমানৰ ভিতৰতে ব্যৱসায়ৰ মূল কাম শেষ হ'ব। তাৰ পাছত আৰু সমালোচনাই নিৰ্মাতাক ডুবাব নোৱাৰে। যদি ডুবিল তেও নিজ কৰ্মৰ দোষতে ডুবিল। গতিকে এতিয়া চলচ্চিত্ৰখনৰ যথাযথ মূল্যায়ন কৰা হওক। বেয়াক বেয়া বুলি, ভালক ভাল বুলি নিৰ্ভীকভাৱে কোৱা হওক, যাতে নিৰ্মাতাসকলৰ দু সাহস কমে, সৎসাহস বাঢ়ে, তেওঁলোক ভৱিষ্যতে আকৌ ডুবাৰ পৰা ৰক্ষা পৰে, অসমীয়া চলচ্চিত্ৰ উদ্যোগৰ অপচয় নষ্ট হয়। এই সমালোচনা কৰোঁতে চলচ্চিত্ৰখন অসমীয়া কাৰণে কিমান 'কনছেশ্যন' দিয়া উচিত সেইটোও জুখিমাখিহে ঠিক কৰিব লাগিব। মনত ৰাখিব লাগিব,— লিখিত সমালোচনাৰ সন্মুখীন নোহোৱাকৈয়ে যে চলচ্চিত্ৰখনে ব্যৱসায় প্ৰায় সম্পূৰ্ণ কৰিলে, সেইটোও এটা ডাঙৰ কনছেশ্যন। বহু সময়ত কনছেশ্যন অপকাৰী আৰু অপমানজনক।

সেইদিনাৰ সেই কথাবোৰৰ কেইটামান কথাৰ যুক্তিযুক্ততা আজিও গ্ৰহণযোগ্য হৈ আছে। এখন বাংলা চলচ্চিত্ৰই মুক্তি পোৱাৰ পাছতে প্ৰখ্যাত আলোচনী এখনৰ সমালোচকে সমালোচনা আৰম্ভ কৰিছিল এইদৰে অতি দুখেৰে জনাইছোঁ যে বাংলা চলচ্চিত্ৰৰ যোৱা শুকুৰবাৰে মৃত্যু ঘটিছে। মৃতদেহটো অমুক ছিনেমা হলত থোৱা হৈছে। চকীদাৰটোৱে মাখি খেদি আছে। আপোনালোকে যদি মৃতদেহটো চাব খোজে, তেনেহ'লে দিনৰ দুই বজাত ইত্যাদি। অসমীয়া চলচ্চিত্ৰৰ ক্ষেত্ৰত এতিয়াই ইমান কঠোৰ হোৱাৰ

প্ৰয়োজন নাই, কিন্তু এটা সুবিধাজনক সময়ত, আটাইতকৈ কম ক্ষতিকাৰক আৰু কম কষ্টদায়ক উপায়েৰে অসমীয়া চলচ্চিত্ৰৰ গুণগত আৰু ঔদ্যোগিক দিশবোৰ কহিয়াই চালে আমাৰ লাভ হয়।

এই গোটেই কথাখিনি উত্থাপন কৰিছো— বৰ্তমানে অসমীয়া চলচ্চিত্ৰ উদ্যোগতকৈ বহু বেছি সক্ৰিয় অইন এটা অনুষ্ঠান— ভ্ৰাম্যমান থিয়েটাৰৰ বিষয়ে এটা আলোচনা মুকলি কৰিবলৈ। বৰ্তমানে মানুহ, টকা-পইচা, নাট-চৰ্চা, আমোদ-প্ৰমোদ, পৰিশ্ৰম আদি দিশৰ পৰা এই অনুষ্ঠানে এনে এটা ৰূপ লৈছে যে ইয়াৰ প্ৰতি এতিয়া এক সহৃদয় অথচ তীক্ষ্ণ দৃষ্টি নিক্ষেপ কৰাৰ প্ৰয়োজন হৈছে। আমি আটাইতকৈ উপযুক্ত আৰু ফলপ্ৰসূ সময়ত এই অনুষ্ঠানৰ সকলো দিশ সামৰি বিশদ আলোচনা কৰাৰ আচনি লৈছো, আৰু যিবোৰ প্ৰতিষ্ঠানে ভ্ৰাম্যমান থিয়েটাৰৰ দলসমূহক নাট পৰিবেশনৰ বাবে নিমন্ত্ৰণ কৰি নিয়ে, সেই প্ৰতিষ্ঠানসমূহৰ বিষয়ে কিছু কথা কোৱাৰ এইটোৱেই উপযুক্ত সময় বুলি ভাবিছো।

সমগ্ৰ অসমত সিঁচৰতি হৈ থকা এই প্ৰতিষ্ঠানসমূহ ভ্ৰাম্যমান থিয়েটাৰৰ এক বৃহৎ, অবিচ্ছেদ্য অংগ। চলচ্চিত্ৰ প্ৰযোজকৰ লগত থকা পৰিবেশক আৰু ছিনেমা হলৰ সম্বন্ধ আৰু এই প্ৰতিষ্ঠানসমূহৰ লগত থকা ভ্ৰাম্যমান থিয়েটাৰৰ সম্বন্ধৰ মাজত কিছুমান গুৰুত্বপূৰ্ণ পাৰ্থক্য আছে। আজি অসমৰ বহু অনুষ্ঠান-প্ৰতিষ্ঠান ভ্ৰাম্যমান থিয়েটাৰৰ জৰিয়তে সংগ্ৰহ কৰা ধনেৰে উপকৃত হৈছে। ভ্ৰাম্যমান থিয়েটাৰৰ এই সামাজিক উপকাৰৰ দিশটো বৰ্তমানে চকুৰ আঁৰত পৰি থকাৰ দৰে আছে। আচলতে, এটা দলে থিয়েটাৰ কৰিব, হাজাৰ-হাজাৰ লোকে সেই থিয়েটাৰ চাব, লগতে প্ৰাতি বছৰে এটা দলৰ কাৰণেই প্ৰায় ত্ৰিছ-চল্লিছটা সামাজিক অনুষ্ঠান সাংগঠনিক আৰু আৰ্থিক দিশত উপকৃত হ'ব— এইটো এটা ভাল ব্যৱস্থা। গতিকে এই অনুষ্ঠানবোৰৰো ভ্ৰাম্যমান থিয়েটাৰৰ প্ৰতি এটা দায়িত্ব আছে, আৰু স্থানীয় ৰাইজৰো এই অনুষ্ঠানবোৰৰ প্ৰতি এটা সজাগ দৃষ্টি ৰখাৰ প্ৰয়োজন আছে। এটা থিয়েটাৰ দলক নিমন্ত্ৰণ কৰি এবছৰত স্কুল ঘৰটোৰ বেৰ কেইখন ঠিক-ঠাক কৰি লোৱাটো যেনেকৈ লাভৰ কথা, কেইজনমান মানুহ গোট খাই, থিয়েটাৰ মাতি লাভৰ পইচাখিনি ব্যক্তিগত সুখ-সুবিধাৰ কাৰণে খৰচ কৰাটো তেনেকৈয়ে সেই অঞ্চলৰ ৰাইজৰ কাৰণে লোকচানৰ কথা। কোন অনুষ্ঠানে কোন দলক নিমন্ত্ৰণ কৰি কিমান বেছি পইচা লাভ কৰিলে সেইবোৰ চিন্তা কৰি হিংসা-দ্বেষ আদিক প্ৰশ্ৰয় দি ইতিমধ্যে কিছুমান অনুষ্ঠানে ভ্ৰাম্যমান থিয়েটাৰৰ ক্ষতি কৰিছে। আটাইতকৈ ডাঙৰ ক্ষতিৰ কথা হৈছে, বেছি টকা লাভ কৰিবৰ কাৰণে নাটকবোৰ কেনেকুৱা হ'ব লাগে, সেই সম্পৰ্কেও কিছুমান অনুষ্ঠানৰ কৰ্মকৰ্তাই থিয়েটাৰৰ প্ৰযোজকক অযুক্তিকৰ দিহা-পৰামৰ্শ

দিয়াৰ দু:সাহস গোটাই লৈছে। কিছুমান হিন্দী চলচ্চিত্ৰৰ ক্ষেত্ৰত যেনেকৈ পৰিবেশকে নায়ক-নায়িকা, সংগীত পৰিচালক, ফাইট মাষ্টাৰ আদিৰ নাম চায়েই টকা ঢালে, ভ্ৰাম্যমান থিয়েটাৰৰ ক্ষেত্ৰতো তেনে এটা পৰিবেশে গা কৰি উঠিছে। এনে পৰিবেশত ৰুচিপূৰ্ণ, কলাসম্মত উপায়েৰে ভাল নাটক মঞ্চস্থ কৰিবলৈ ইচ্ছা থকা প্ৰযোজকো শংকিত আৰু অস্থিৰ হৈছে।

গতিকে ভ্ৰাম্যমান থিয়েটাৰৰ সামগ্ৰিক মংগলৰ কাৰণে চিন্তা কৰা ব্যক্তিসকলে এই অনুষ্ঠানসমূহৰ ওপৰতো চকু ৰাখিব লাগে। অঞ্চলটোৰ বাহিৰে ভাল নাটক চাবলৈ পাওক, যি অলপ-অচৰপ আৰ্থিক লাভ হয়, তাৰে অঞ্চলটোৰ কোনোবা এটা অনুষ্ঠানৰ কিছু ভাল কাম হওক এই দৃষ্টিভংগীৰেই বাইজ আৰু অনুষ্ঠানসমূহ ভ্ৰাম্যমান থিয়েটাৰৰ লগত জড়িত হোৱা উচিত। ৰবযুণ-বাদলকে ধৰি নানান কাৰণত কেতিয়াবা কোনোবা অনুষ্ঠানৰ আশানুৰূপ লাভ নহ'বও পাৰে, কিন্তু কেৱল অধিক লাভৰ আশাত ভ্ৰাম্যমান থিয়েটাৰত চাৰিওফালৰ পৰা কিছুমান ব্যাধি সুমুৱাই দিবলৈ চেষ্টা কৰাটো বেয়া কাম। আমি থিয়েটাৰ-ছিনেমা সকলোতে “কমন পিপল”— সাধাৰণ দৰ্শকৰ দোহাই দি কিছুমান নকৰিবলগীয়া কাম কৰো, কিন্তু সাধাৰণ দৰ্শকৰ ৰুচিবোধ উন্নত কৰিবলৈ যিটো কৰিব লাগে, সেইটো নকৰোঁ। এই অনুষ্ঠানসমূহে অশোভনীয় হেঁচা এটা ভ্ৰাম্যমান থিয়েটাৰৰ ওপৰত নিদি শোভনীয় হেচা এটা স্থানীয় দৰ্শকৰ ওপৰত দিলে ভ্ৰামামান থিয়েটাৰৰ ভৱিষ্যতক সহায় কৰা হয়।

১০/৮/৮৪

# দৰিদ্ৰৰ ধনবল

যেতিয়া কোনো এখন ৰাষ্ট্ৰৰ শাসন ব্যৱস্থাটো কেৱল ধন আৰু সৈন্যৰ অনুচিত ব্যৱহাৰৰ ওপৰতহে বৰ্তি থাকিবলগীয়া হৈছে বুলি এচাম মানুহৰ সন্দেহ বা বিশ্বাস জন্মে, তেতিয়া ৰাষ্ট্ৰখনত এটা সংকটৰ জন্ম হৈছে বুলি ধৰিব পাৰি। সুবিচাৰ, সুবুদ্ধি, নৈতিকতা, জ্ঞান আদিৰ শক্তি দলিত হ'লেহে শেষ পৰ্যন্ত ধন আৰু সৈন্যৰ শক্তিক মূৰ তুলি উঠিবলৈ দিয়া হয়। এই দুই শক্তিয়ে মূৰ তুলি উঠিলে লাহে-লাহে সাধাৰণ মানুহো প্ৰভাৱিত হয়। কিন্তু তেওঁলোক নিজে সৈন্যবাহিনীৰ লোক হৈ পৰাটো সম্ভৱ নহয়, গতিকে স্বাভাৱিকতে তেওঁলোক ধনৰ লোভনীয় শক্তিৰ প্ৰভাৱত পৰে। আৰ্থিক দাৰিদ্ৰ্যই হেচা মাৰি ধৰি থকা আৰু শিক্ষিত নিবনুৱাৰে ভৰি থকা এখন দেশত এই প্ৰভাৱ অতি শক্তিশালী আৰু ক্ষয়ংকাৰী হৈ পৰে। আমাৰ ভাৰতবৰ্ষ আজি এনেকুৱা এখন দেশত পৰিণত হোৱাৰ আশংকাই দেখা দিছে।

এজন ৰাজনৈতিক কৰ্মীয়ে অমুক কামটো কৰিবৰ কাৰণে অমুকৰ পৰা ইমান হাজাৰ টকা ল'লে,— এনে এটা কথা ওলালে, আজিৰ পৰা কিছু বছৰৰ আগেয়েও, মানুহে ছি-ছি কৰিছিল, কথাটো অবিশ্বাস কৰিছিল, বিশ্বাস কৰাসকলে মানুহজনক ঘিণ কৰিছিল। বিচাৰ, দোষীৰ দণ্ড সেইবোৰ সদায় নহ'লেও অন্তত সাধাৰণ মানুহৰ প্ৰতিক্ৰিয়াবোৰ তীব্ৰ আছিল, সেই প্ৰতিক্ৰিয়াই অন্তত সাধাৰণ মানুহৰ পাপ, অন্যায়, অনৈতিকতাৰ প্ৰতি ঘৃণা বা বেয়া ভাব থকাৰ কথা সূচাইছিল। এতিয়া এজন বিধায়কে দল সলনি কৰিবলৈ ইমান লাখ টকা ল'লে বুলি ক'লে কাৰো মনত যেন বিস্ময়ৰ সৃষ্টি নহয়, কোনেও ইস-আস নকৰে। টকা-পইচাৰ অনৈতিক লেনদেনৰ কথা বাতৰিকাকতত ছপা হয়, লেনদেনৰ সাক্ষী হিচাপে টেপ ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি লোৱা কথোপকথন বজাই শুনোৱা হয়, সেইবোৰেও এতিয়া যেন কাৰো মনত জোকাৰণি নোতোলে। অন্যায়ৰ প্ৰতি যে মানুহৰ এই প্ৰতিক্ৰিয়াহীনতাৰ সৃষ্টি হ'ল, এই অৱস্থাই ন্যায়ৰ প্ৰতিও মানুহক উদাসীন কৰি তুলিছে। এইটো বৰ ক্ষতিকৰ অৱস্থা। অন্ধ্ৰ প্ৰদেশৰ আগৰ মুখ্যমন্ত্ৰী শ্ৰী ৰামাৰাওৰ সমৰ্থকৰ সংখ্যা কমিল বুলি ৰাজ্যপালৰ বিশ্বাস হ'ল, সেই বিশ্বাসৰ ভেটিটো বাস্তৱ হয় নে নহয়, সেইটো কথা প্ৰমাণ কৰিবলৈ মুখ্যমন্ত্ৰীজনক 'হুকুম' দিব লাগে, যদি বাস্তৱ বুলি প্ৰমাণিত হয়, তেনেহ'লে মুখ্যমন্ত্ৰীজন নিজে আঁতৰি যাব লাগে। সেইটো কৰা নহ'ল। তাৰ পাছত অন্ততঃ নতুন মুখ্যমন্ত্ৰীজনক লগে-লগে প্ৰমাণ কৰিবলৈ দিব লাগে যে ৰাজ্যপালৰ বিশ্বাসৰ দৃঢ় ভেটি আছে। সেইটোও কৰা নহ'ল।

এমাহৰ ভিতৰত তেওক সেইটো প্ৰমাণ কৰিবলৈ কোৱা হ'ল। কাৰণ এইখন দেশত এতিয়া ধন আৰু সৈন্য ব্যৱহাৰ কৰি এটা পৰিস্থিতি ওলোটা কৰি দিবলৈ এমাহমান সময় লাগে বুলি এটা 'তত্ত্ব' প্ৰতিষ্ঠিত হৈছে।

অসমৰ ক্ষেত্ৰত কলুষিত টকাৰ অনুচিত ব্যৱহাৰৰ কুফল আৰু বেছি ভয়ংকৰ হ'ব। ইয়াত অসমীয়া জাতিটোক বিপৰ্যস্ত কৰা বহুতো জটিল সমস্যা আছে। ইয়াৰ মানুহখিনিৰ দাৰিদ্ৰ্যৰ বাহিৰেও বহুতো দুৰ্বলতা আছে। প্ৰকৃত সমাজসেৱী, নেতৃস্থানীয় কৰ্মীৰ কাম হ'ব লাগিছিল সেই দাৰিদ্ৰ্য আৰু দুৰ্বলতাবোৰ আঁতৰাবলৈ চেষ্টা কৰা, আৰু তাৰ জৰিয়তে সমস্যাবোৰৰ সমাধান কৰিবলৈ চেষ্টা কৰা। কিন্তু তাৰ পৰিবৰ্তে, নিজৰ জীৱনকালটোৰ পাছৰ কথা ভাবিব নোৱৰা এদল ৰাজনৈতিক কৰ্মীয়ে সেই দাৰিদ্ৰ্য আৰু দুৰ্বলতাবোৰক সুবিধা বুলি গ্ৰহণ কৰিছে, সেই সুবিধা গ্ৰহণ কৰি সমস্যাবোৰ আৰু জটিল কৰি তুলিছে আৰু নিজৰ জীৱনকালটোক অধিক সুখী কৰিবলৈ অপ্ৰয়োজনীয় চেষ্টা কৰিছে। আৰু এইবোৰ কামৰ বাবে ধনবলকেই যেন তেওঁলোকে আচল বল বুলি ধৰি লৈছে।

এনে অৱস্থাত শংকা হয়, কাইলৈ যদি অসমত এটা নিৰ্বাচন পত্ৰ হয়, তেনেহ'লে ধনবলেই আটাইতকৈ শক্তিশালী ভূমিকা পালন কৰিব নে কি? ভাৰতবৰ্ষৰ টকাৰ দ্বিতীয় বজাৰখনৰ চৰিত্ৰ এনেকুৱা যে য'তে শাসনাধিষ্ঠ ৰাজনৈতিক দলৰ সমস্যা আৰু সংকট থাকে, ত'তে একোটা অৰ্থনৈতিক নিম্নভূমিৰ সৃষ্টি হয়, আৰু সমগ্ৰ দেশৰ দ্বিতীয় বজাৰৰ পৰা তালৈ ধনৰ সোঁত বয়, খন্তেকতে নিম্নভূমি উপচি পৰে। অসমত নিৰ্বাচন হ'লে ঠিক এই ঘটনাটোৱেই ঘটিব। তেতিয়া সুনীতি আৰু জাতীয় স্বাৰ্থই কিমান শক্তিৰে এই কলুষিত ধনবলৰ বিৰুদ্ধে যুঁজিব পাৰিব? নিৰ্বাচনৰ প্ৰতি আগ্ৰহী সৎলোকসকলে এই কথাটোও বিশেষ গুৰুত্বৰে চিন্তা কৰিব লাগিব। আৰ্থিকভাৱে ইমান দৰিদ্ৰ এখন দেশৰ একাংশ একো সময়ত কেনেকৈ নিৰ্লজ্জ, বেদনাদায়ক আৰু ক্ষতিকৰৰূপে ধনী হৈ পৰে, সেই কথা তেখেতসকলে আগতীয়াকৈ বিবেচনা কৰিব লাগিব, কাৰণ টেলিফোন কৰিলেই পঞ্চাছ হাজাৰ টকা পোৱা অনুপযুক্ত লোক এজন জিকিল, নে প'ষ্টাৰ ছপাবলৈ পইচা নোহোৱা সৎ, উপযুক্ত, সমাজকৰ্মী এজন হাৰিল, নিৰ্বাচনৰ পাছত সেইবোৰ বিচাৰ কৰাটো এইখন দেশত নিৰৰ্থক কাম।

২৮/৮/৮৪

# পৰিত্ৰাণৰ উপায়

কেইদিনমানৰ আগতে এজন চিনাকি, বুঢ়া মানুহ আহিছিল। তেও পিয়নৰ চাকৰি কৰিছিল, অলপতে পেনছন পালে, কিন্তু সংসাৰখন এতিয়াও ছিজিল লগাব নোৱাৰিলে। সৰু পুতেকটো দশমমানলৈকে পঢ়া ওখ-পাখ, পাহোৱাল ল'ৰা। আঠ মাহমানৰ আগতে সি তাৰ যোগ্যতাৰ লগত খাপ খোৱা চাকৰি এটাৰ কাৰণে পৰীক্ষা দিছিল, পৰীক্ষাৰ পাছতে তাৰ ডাক্তৰী পৰীক্ষাও হৈ গৈছিল। দেউতাকে ভিতৰুৱাকৈ খবৰ পালে — তাৰ নাম বাছনিত উঠা প্ৰাৰ্থীৰ তালিকাত আছে। কেইবাশও ল'ৰাক চাকৰিত লোৱা হ'ল, কিন্তু সেই ল'ৰাজনলৈ কাগজ নাহিল। বুঢ়া এজন বিষয়াৰ ওচৰলৈ দুদিন গ'ল, দ্বিতীয় দিনা বিষয়াজনে ক'লে, হয়তো তোমাৰ ল'ৰাৰ নাম লিষ্টত আছে, তুমি সেইটো অফিছৰ পি আৰ অ'জনৰ ওচৰত খবৰ কৰা। কেইবাদিনো চেষ্টা কৰি বুঢ়াই পি আৰ অ'ক লগ ধৰিব নোৱাৰিলে, কিন্তু আবিষ্কাৰ কৰিলে— সেই অফিছটোত কেৰাণী কাম কৰা মানুহ এজন তেওঁৰ গাঁৱৰে মানুহ। বুঢ়াই খাটনি ধৰিলে, — আপুনি মোক এবাৰ পি আৰ অ'ৰ ওচৰলৈ লৈ বলক। কেৰাণীজনে সেইকণ সহায় কৰিলে। পি আৰ অ'ই তালিকাখন চাই ক'লে, — আছে, তোমাৰ ল'ৰাৰ নাম আছে। ছেপ্টেম্বৰ মানত আৰু কিছুমান ল'ৰা লোৱাৰ কথা আছে, চাওঁচোন। বাহিৰলৈ আহি বুঢ়াই কেৰাণীজনক ক'লে,— পা-পইচা কিবা লাগে যদি কওক, দিম, কিন্তু তাৰ চাকৰিটো হ'ব লাগে। কেৰাণীজনে ক'লে,— ছাৰক পইচাৰ কথা ক'বলৈ ভয় লাগে হে!

মই বুঢ়াক সুধিলো,— "লাগে বুলি কোৱাহ'লে তুমি পইচা ক'ৰ পৰা দিলাহেঁতেন?" বুঢ়াই ক'লে,— "যদি তাৰ চাকৰিটো হয়, তেনেহ'লে মাটিকণকে বেচি দিম। চাকৰিটো হ'লে সি তেনেকুৱা মাটি নিজেই কিনিব পাৰিব।"

যোৱা ১৬ ফেব্ৰুৱাৰিৰ প্ৰান্তিকত "ঘোচ দিয়াসকলৰ অংক আৰু যুক্তি" সম্পৰ্কে সুদৰ্শন নামধাৰী এজন প্ৰবন্ধ-লেখকে লিখিছিল "ল'ৰাটোৱে বা ছোৱালীজনীয়ে চাকৰিটো পালে সকলো মিলাই দৰমহা পাব ধৰি লওক ছশ টকা। দুবছৰত চৈধ্য হাজাৰ চাৰিশ টকা। কিন্তু এনেয়ে চেষ্টা কৰি থাকিলে তেওঁতো দুবছৰতো চাকৰি এটা নাপাব পাৰে! ইয়াত ন্যায়-অন্যায়ৰ কিটো আছে? আমি নিদিলেও আন কোনোবাইতো ঘোচ দিয়েই চাকৰিটো পাব! তেনে ক্ষেত্ৰত আমি ধৰ্ম-যুধিষ্ঠিৰ হৈ লেকাট ভুঞ্জাৰ দৰকাৰ কি?"

সেইদিনা বুঢ়াৰ মুখতো এই কথাখিনিকে শুনিবলৈ পাইছিলো। আচৰিত ধৰণৰ যোগাযোগ, ঠিক সেইদিনাই, দুখন্টামানৰ পাছতে, এগৰাকী চৰকাৰী বিষয়া আহিল। নিজৰ চাকৰি কৰাৰ ধৰণ দেখি তেখেত নিজেই হতাশ, অসন্তুষ্ট, নিৰুপায়। তেখেতে এটা অফিছৰ কথা ক'লে, — তাত ইন্টাৰভিউলৈ মতা চিঠিখন উলিয়াবলৈ দুশ টকা, এপইন্টমেন্ট লেটাৰখন উলিয়াবলৈ পাঁচশ-এহাজাৰ টকা, চাকৰিটো পোৱাৰ ব্যৱস্থা কৰিবলৈ পাঁচ-সাত-দহ হাজাৰ টকা। বিষয়াগৰাকীয়ে সময় নহওঁতেই পেনছন লোৱাৰ ইচ্ছা আৰু মানুহৰ সজ জ্ঞান-বুদ্ধিৰ উদয় হোৱাৰ উদ্দেশ্যে যি পাৰে কৰাৰ ইচ্ছা প্ৰকাশ কৰিলে। তাৰ পাছত তেখেতে আন্তৰিকতাৰে সুধিলে — আমাৰ কিছুমান ডেকাই এই ঘোচ দি চাকৰি লোৱাৰ বিৰুদ্ধে — বেছি নহ'লেও এটা প'ষ্টাৰ কেম্পেইন আৰম্ভ কৰিব নোৱাৰেনে ? সেই প'ষ্টাৰতো কোনেও নাফালে ! একেটা কথাকে বাৰম্বাৰ কৈ থকাৰ, hammer কৰি থকাৰোতো এটা প্ৰতিক্ৰিয়া আছে ! বাটে-ঘাটে, অফিছে কাছাৰিয়ে, চাকৰিৰ বাবে পৰীক্ষা লোৱা ঠাইত, ইন্টাৰভিউ লোৱা ঠাইত মৰা প'ষ্টাৰৰ কথাবোৰ দেখি থাকিলে কাৰোনো মন নঘূৰিবনে ?

এবাৰ ভাবোঁ, বিষয়াগৰাকীয়ে এটা ভাল উপায়ৰ কথাই ভাবিছে। কিন্তু যেতিয়া ওপৰৰ পৰা তললৈকে গোটেই যন্ত্ৰটোৰ কথা ভাবোঁ, পদ্ধতিটোৰ কথা ভাবোঁ, তেতিয়া এনে লাগে যেন বিষয়াগৰাকীৰ কথাখিনি ভাবাবেগপূৰ্ণ, উচ্ছ্বাসপূৰ্ণ, সেইখিনি আজিৰ পৰিবেশত এগৰাকী নিতান্ত সৎ লোকৰ কাতৰোক্তি। (পৰহিৰ বাতৰিকাকতত পঢ়া মতে,— অন্ধ্ৰ প্ৰদেশত বিধান সভাৰ এজন উল্লেখযোগ্য সদস্যৰ দল সলনিৰ খৰচ পঞ্চাছ লাখ টকা !)

কিন্তু কথা হ'ল, এই অন্যায়ৰ পৰিবেশ সদায় থাকিবনে ? সম্পূৰ্ণভাৱে অন্তৰ্নিহিত নহ'লেও, ইয়াৰ এই সৰ্বনাশী, ক্ষয়ংকৰী, ৰূপৰতো পৰিবৰ্তন ঘটিব লাগিব ! এতিয়াওতো এই বিষয়াগৰাকীৰ নিচিনা মানুহ আছে ! এতিয়াওতো হাজাৰ প্ৰলোভন নেওচি নিজৰ মতত লাগি থাকি দুৰ্ভোগ ভোগা হাজাৰ-হাজাৰ যুৱক-যুৱতী আছে !

বৰ্তমানে চলি থকা অসমৰ নিৰ্বাচন সম্পৰ্কীয় সংকটটো পাৰ হওক; ঠিক সুবিধাজনক সময়ত এটা উপায় হাতত লবই লাগিব। অন্তত যোগ্য প্ৰাৰ্থীসকলক অন্যায়ৰ গৰাহৰ পৰা মুক্ত কৰাৰ চেষ্টা কৰিবই লাগিব। ইতিমধ্যে পাঠকসকলেও এটা উপায়ৰ কথা চিন্তা কৰক।

১১/৯/৮৪

# বেমাৰীৰ প্ৰাথমিক শান্তি আৰু আস্থা

কেইদিনমানৰ আগতে, কলেজত পঢ়ি থকা মেধাৱী ডেকা এজনৰ মৃত্যুৰ পাছত ধৈৰ্য ধৰি থীৰ হ'বলৈ চেষ্টা কৰি থকা তেওঁৰ দেউতাকজনে কৈছিল,— ডাক্তৰী পঢ়িবলৈ ছাত্ৰ ভৰ্তি কৰাৰ সময়ত তেওঁলোকৰ মাৰ্কছিট, নম্বৰৰ পাৰ্ছেণ্টেজ, লে'টাৰ-ফে'টাৰ এইবোৰ চাব নালাগে। চাব লাগে— তেওঁলোকৰ বেমাৰীক মৰমেৰে, সততাৰে মানৱীয়তাৰে চিকিৎসা কৰাৰ মনোবৃত্তি আছে নে নাই। মানুহজনৰ সেই পৰামৰ্শৰ গ্ৰহণযোগ্য অংশটোও কাৰ্যকৰী কৰিব পৰা নাযাব, কাৰণ বাছনি পৰীক্ষা বা ইণ্টাৰভিউত সেই দিশটো পৰীক্ষা কৰিবলৈ চেষ্টা কৰিলে দেখা যায় যে প্ৰত্যেকজন প্ৰাৰ্থীৰেই জীৱনৰ আদৰ্শস্থানীয় ব্যক্তি হ'ল মাদাৰ টেৰেছা, ফ্লোৰেন্স নাইটিংগেল আদি, দুস্থ-দুৰ্গতজনৰ সেৱা কৰাই তেওঁলোকৰ জীৱনৰ ব্ৰত। গতিকে সেই পৰামৰ্শটো বিচাৰ কৰাৰ পৰা সদ্যহতে আমাৰ লাভ নহ'ব। কথাটো উল্লেখ কৰাৰ কাৰণ হ'ল— কি অভিজ্ঞতাৰ ভেটিত কি বেদনাত পুত্ৰবিয়োগত শোকাকুল দেউতাকজনে সেই কথাষাৰ ক'লে, সেইটোৰ ওপৰত গুৰুত্ব দিয়া।

কেইদিনমানৰ আগতে বন্ধু এজনে এটা কাহিনী ক'লে আগদিনা স্কুটাৰ চলোৱা মানুহ এজন দুৰ্ঘটনাত পৰিল। সেই মুহূৰ্তত সহায় কৰোঁতা পৰিয়ালৰ কোনো নাছিল কাৰণে বন্ধুজনে তেওঁক ৰাতি মেডিকেল কলেজলৈ লৈ গ'ল। মানুহজনৰ মুখৰ কটা ঠাইডোখৰ চিলাই কৰাকে ধৰি প্ৰাথমিক কামখিনি যিটো কোঠালিত কৰা হ'ল, তাত সুস্থ মানুহ বেছি সময় থাকিব নোৱাৰে। ইমান লেতেৰা। ইটো কোঠালি, সিটো কোঠালিত মানুহজনক ইটো-সিটো পৰীক্ষা কৰাই বন্ধু মাজ নিশা ঘৰলৈ উভতিল। ঘৰত তেওঁ গা-ধোৱা ঘৰলৈ বাহিৰৰ পৰা সোমাব পৰা দুৱাৰখন খোলাই ললে, আৰু কাপোৰ-কানি বাহিৰতে এৰি গা-ধোৱা ঘৰত সোমাল। যিটো পৰিবেশৰ পৰা তেওঁ আহিছে, তালৈ লক্ষ্য কৰি তেওঁৰ পোনে-পোনে মূল ঘৰত সোমাবলৈ মন নগ'ল। তেওঁৰ পত্নীয়ে সন্দেহ কৰিছিল— তেওঁ মৰিশালিৰ পৰা আহিল নে কি!

লণ্ডনত এদিন এজন বন্ধুৱে সুধিছিল, আপুনি ইয়াৰ হস্পিটেলত থাকি পালেনে? মই ক'লো— সেই দুৰ্ভাগ্য মোৰ নহ'ল। বন্ধুজনে কৈছিল— "নহয় নহয়, মই ধেমালি কৰা নাই, অন্তত কেইদিনমান থাকি যোৱা হ'লে এটা মনত ৰাখিবলগীয়া অভিজ্ঞতা হ'লহেতেন। এটা সুখৰ, আনন্দৰ অভিজ্ঞতা। ইট ইজ এ প্লেজাৰ।"

আমাৰ ইয়াত মেডিকেল কলেজ, ডাক্তৰ আদিৰ বিৰুদ্ধে অভিযোগৰ অন্ত

নাই। সেইবোৰৰ প্ৰত্যুত্তৰ, প্ৰতি অভিযোগৰো অন্ত নাই। ডাক্তৰো মানুহ। তেওঁৰ এটা ব্যক্তি গত জীৱন আছে, তেওঁৰ সুখ সুবিধাৰ প্ৰশ্ন আছে। ৰাতি দুই বজাত দুৱাৰত টুকৰিয়ালে আপোনাৰ কেনে লাগে ? শ-শ বেমাৰী, মাজত এজন ডাক্তৰ। টকা গোটোৱাৰ অভিলাষ কিমানৰ নাই ? শ-শ মানুহৰ মাজত সদায় একে ধৰণৰ কামকে কৰি থাকিলে কিমানৰ মন-মেজাজ কষ্ট নোহোৱাকৈ থাকে ? ৰেলৰ টিকটৰ কাউণ্টাৰত, সুলভ মূল্যৰ দোকানত, অফিছৰ বিষয়া-কেৰাণীৰ মেজত,— ক'ত আপুনি কিমান মিঠা মাত, ভাল লগা ব্যৱহাৰ পায় ?

প্ৰত্যুত্তৰ, প্ৰতি-অভিযোগৰ অন্ত নাই। কিন্তু কিছুমান অভিযোগৰ প্ৰত্যুত্তৰৰ শক্তি নাই। তেনেকুৱা কিছুমান অভিযোগ নাইকিয়া কৰিবলৈ এটা আৰম্ভণি কৰিবই লাগিব। উদাহৰণস্বৰূপে— এই "লেতেৰা"ৰ কথাটো। যিকোনো মিছন হস্পিটেলত সোমাই যে মানুহে নাক-মুখ নোকোচায়, মেডিকেল কলেজৰ হস্পিটেলত সোমাই কিয় কোচায় ? মিছন হস্পিটেলৰ লগত এগৰাকী-দুগৰাকী চাহাব-মেম জড়িত আছে কাৰণে ? কিন্তু আমাৰ মেডিকেল কলেজত চাকৰি কৰা প্ৰায় সকলো কৰ্তৃত্বশীল ডাক্তৰেইতো সেই চাহাব-মেমৰ দেশতে কেইবা বছৰো থাকি শিক্ষা লৈ অহা লোক ! তিনি-চাৰি বছৰ বিদেশত থাকি উভতি আহি এই অৱস্থা দেখি তেওঁলোকৰোতো নাক-মুখ কোচ খাইছিল ! কিয় তেওঁলোকে এই অৱস্থাটো লুপ্ত কৰিব নোৱাৰে ? ব্যক্তিগত পৰ্যায়ত তেওঁলোকতো লেতেৰা-পেতেৰাকৈ থকা মানুহ নহয় ! কাৰণ হ'ল, কিবা এটা কৰাৰ তীব্ৰ বাসনা থাকিলেও, অৱস্থাই তেওঁলোকক গ্ৰাস কৰে, এসময়ত তেওঁলোকে "অযথা মূৰ গৰম কৰি লাভ নাই" বুলি ঠিক কৰি "নিজৰ কামখিনি কৰি যায়।' (সেই কাৰণে হেনো বহুতৰে হস্পিটেলৰ কৰিড'ৰ-বাৰাণ্ডাত তললৈ চাই, বেগেৰে খোজ কৰাৰ অভ্যাস হৈ যায়।)

ঠাই-ঘৰ লেতেৰা মানুহে কৰে। আমাৰ অপৰিচ্ছন্নতাৰ লগত আমাৰ দাৰিদ্ৰ্যৰ সম্পৰ্ক আছে। এয়াৰ প'ৰ্টবোৰ যিমান লেতেৰা, ৰেল-ষ্টেছনবোৰ তাতকৈ বহু বেছি লেতেৰা। পৰিষ্কাৰ সাজ-পাৰ পিন্ধি, শিক্ষিত, পৰিষ্কাৰ স্বভাৱৰ মানুহহে যদি মেডিকেল কলেজলৈ গ'লহেতেন, তেতিয়া অৱস্থাটো বেলেগ হ'লহেঁতেন, কিন্তু আমিতো চমকা-চমক দাগ লগা কপাহী মেখেলা পিন্ধা দূৰ গাঁৱৰ অশিক্ষিতা বুঢ়ী, একেটা গেঞ্জিকে নোধোৱাকৈ সাদিন পিন্ধা খেতিয়ক-বনুৱা, হাড়ে-ছালে লগা ল'ৰা-ছোৱালী,— এওঁলোকৰ কাৰণেহে সাজু হ'ব লাগিব ! এইটোতো নতুন কথা নহয় ! এইটো অৱস্থা বহু দিনলৈ চলি থাকিব বুলিওতো আমি জানো ! অত্যাধুনিক যন্ত্ৰ এটা কিনিবলৈ বহুত টকা লাগে, কিন্তু হস্পিটেলখন চাফা কৰি ৰাখিবলৈ কিমান টকা লাগে ?

কোৱা হয়, যি শ্ৰেণীৰ কৰ্মচাৰীয়ে হস্পিটেলখন চাফ-চিকুণকৈ ৰাখিব লাগে তেওঁলোকে ঠিক মতে কাম নকৰে, মুখে-মুখে কথা কয়, কাম নকৰি বহি থাকে। তেওঁলোকৰ একতা (সভা) আছে। তেওঁলোকক উচিত কথা টানকৈ ক'বলৈ গ'লে নিজৰ মান-সন্মান লৈয়েই টনা টনি হয়। ফলত বহুতো ওপৰৱালাৰ "মই কিয় এওঁলোকৰ মাজত অপ্ৰিয় হওঁ ?"— এনে এটা মনোভাব হৈ যায়।

এনে অৱস্থাত, ঘূৰি-ঘূৰি আকৌ সেই ছাত্ৰ-ছাত্ৰীসকলৰ কথায়েই মনলৈ আহে। উদাহৰণস্বৰূপে, গুৱাহাটী মেডিকেল কলেজৰ কথাকে কওঁ। নতুন ঘৰ-দুৱাৰ,— নিশ্চয় এক আঁচনি মতে এইবোৰ নিৰ্মাণ কৰা হৈছে। হস্পিটেলখন চাফ-চিকুণকৈ ৰাখিবলৈ (কাৰো প্ৰমোদ-ভ্ৰমণৰ বাবে নহয়, সাধাৰণ শ্ৰেণীৰ ৰোগীৰ মনলৈ শান্তি আৰু আস্থাৰ ভাব আনিবৰ বাবে) এতিয়াই এটা ব্যৱস্থা লোৱা অতি প্ৰয়োজনীয়। নতুন চৌহদটো এবাৰ গেলিবলৈ আৰম্ভ কৰিলে, তাক সুস্থ কৰা টান হ'ব। অইন সকলো যদি হাৰিল তেনেহ'লে ছাত্ৰ-ছাত্ৰীসকলেই এই কামটোলৈ চকু দিব পাৰিবনে ? তেওঁলোকে ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি কৰাকে আদি কৰি বহু জটিল সমস্যাৰ প্ৰতি চকু ৰাখিছে। ছাত্ৰ ইউনিয়নখনে এই কামটো ছ'ছিয়েল ছাৰ্ভিছ বুলি গ্ৰহণ কৰিলে বৰ ভাল হয়। তেওঁলোকৰ আৰু জুনিয়ৰ ডাক্তৰসকলৰ প্ৰচণ্ড শুভ শক্তি আছে। সেই পুত্ৰহাৰা দেউতাকজনৰ মনলৈ বোধকৰোঁ এই ধৰণৰ শক্তি এটাৰ কথাই আহিছিল।

১২/১০/৮৪

# দোষণীয় কামৰ সম্প্ৰসাৰণ

ভালেমান উন্নত ৰাষ্ট্ৰৰ ৰাজনৈতিক নিৰ্বাচন অভিযানৰ চৰিত্ৰৰ লগত আমাৰ দেশৰ নিৰ্বাচন অভিযানৰ চৰিত্ৰ মিলাব নোৱাৰি, — সেইটো দেখ-দেখ কথা। মানুহৰ শিক্ষা-দীক্ষা, আৰ্থিক অৱস্থা, নৈতিক বল আদি মৌলিক কথা কিছুমানৰ বাবেই এই তুলনা কৰিব নোৱাৰি। ৰাজনৈতিক মঞ্চৰ নেতৃস্থানীয় ব্যক্তিৰ যেনেকুৱা দোষ বা অপৰাধৰ বাবে সেইবোৰ দেশত তেওঁলোকৰ পতন হয়, তেনেকুৱা দোষ বা অপৰাধ কৰিব পৰা শক্তিৰ বলতে আমাৰ ইয়াত বহুতো লোক সসন্মানে তিষ্ঠি থাকে। নৈতিক দিশৰ প্ৰসংগত এটা কথা মনত ৰাখিব লাগিব ° হোটেলত গুলীয়া-গুলী, হত্যাকাণ্ড, বিভিন্ন ধৰণৰ মাদক দ্ৰব্যৰ ব্যৱহাৰ, দৈহিক বাসনাৰ উন্মাদনা, — এইবোৰৰ লগত বিধান সভাৰ ভিতৰত মাৰ-পিট কৰা, কেইলাখমান টকা লৈ ৰাজনৈতিক দল সলনি কৰা, তিনিহাজাৰ টকা লৈ দুখীয়া মানুহক প্ৰাইমেৰি স্কুলৰ শিক্ষকৰ চাকৰি দিয়া, — এইবোৰৰ পাৰ্থক্য আছে। প্ৰথমবোৰ দমন কৰিবৰ বাবে প্ৰচলিত আইন আৰু (সেইবোৰৰ অপৰাধত জড়িতসকলৰ বাহিৰে) বাকী জনসাধাৰণৰ সততা আৰু সচেতনতাই যথেষ্ট, কিন্তু দ্বিতীয় বিধে প্ৰচলিত আইন ধ্বংস কৰে, আৰু বাকী জনসাধাৰণৰ সততা আৰু সচেতনতা নষ্ট কৰে। গতিকে — "সেইখন ছেক্স-ভায়'লেন্স, হাছিছ-মাৰিজুৱানাৰ দেশ, সেইখন দেশৰ নৈতিকতাৰ কথা নকবা" — বুলি এখন দেশৰ নৈতিকতাৰ সকলো দিশ বিবেচনাৰ বাহিৰ কৰি দিব নোৱাৰি। সকলো দেশতে সামাজিক অপৰাধ আৰু ৰাজনৈতিক অপৰাধ একাকাৰ হৈ নাযায়। আৰম্ভণিৰ কথাটোলৈ আহোঁ। আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিৰ্বাচন অভিযানৰ লগতো আমাৰ দেশৰ নিৰ্বাচন-অভিযান মিলাব নোৱাৰি, তথাপি আমাৰ সচেতনতাৰ স্বাৰ্থত দুই-এটা কথা বিচাৰ কৰি চোৱা ভাল। নিৰ্বাচন-অভিযানৰ বিভিন্ন প্ৰক্ৰিয়া আৰু পদ্ধতিৰ ভিতৰত অতি গুৰুত্বপূৰ্ণ হ'ল ৰোনাল্ড ৰেগান আৰু ৱাল্টাৰ মনডে'লৰ টেলিভিছনৰ প্ৰায় দহ কোটি দৰ্শকৰ সন্মুখত হোৱা মুখামুখি বিতৰ্ক। ৯০ মিনিট জোৰা প্ৰথম বিতৰ্কৰ আয়োজন কৰিছিল "লিগ অৱ উইমেন ভোটাৰছ" নামৰ এটা প্ৰতিষ্ঠানে। এশ গৰাকী প্ৰথম শ্ৰেণীৰ সংবাদসেৱীৰ ভিতৰৰ পৰা দুয়োগৰাকী প্ৰাৰ্থীৰ শিবিৰ দুটাৰ সন্মতিক্ৰমে চাৰি গৰাকীক নিৰ্বাচন কৰা হৈছিল প্ৰাৰ্থী দুগৰাকীক প্ৰশ্ন সুধিবলৈ। অৰ্থনীতি, নেতৃত্ব, নৈতিক অৱস্থা আদি বিভিন্ন বিষয়ৰ প্ৰশ্নৰ সন্মুখীন হৈ প্ৰাৰ্থী দুগৰাকীয়ে বিতৰ্ক শেষ কৰাৰ পাছত এছ'ছিয়েটেড প্ৰেছৰ সাতগৰাকী বিতৰ্ক-

বিশেষজ্ঞই মনডে'লক দিলে ১৭৪ নম্বৰ আৰু ৰেগানক দিলে ১৫৭ নম্বৰ। এই বিশেষজ্ঞসকলৰ প্ৰত্যেকেই আমেৰিকাৰ বিভিন্ন বিশ্ববিদ্যালযৰ তৰ্ক-অনুষ্ঠানৰ ডাইৰেক্টৰ। এখেতসকলে টেলিভিছনৰ সম্মুখত প্ৰাৰ্থীসকলক ছটা শিতানত পৰীক্ষা কৰিছিল বিশ্লেষণ ক্ষমতা, তথ্য পাতি দাঙি ধৰাৰ ক্ষমতা, সংগঠনৰ ক্ষমতা, অভিযোগ খণ্ডনৰ ক্ষমতা আৰু কথাবোৰ উত্থাপন কৰাৰ দক্ষতা। এইখন বিতৰ্কত সাধাৰণ ভোটাৰ দৰ্শকৰ মতেও মনডে'ল জিকিল। দ্বিতীয় আৰু শেষ টেলিভিছন বিতৰ্কখনৰ ওপৰত ইমান গুৰুত্ব দিয়া হৈছে যে ৰিশেষজ্ঞসকলৰ মতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ সমগ্ৰ নিৰ্বাচন প্ৰক্ৰিয়াটোৰ ফলাফল এই ৯০ মিনিটৰ মুখামুখি বিতৰ্কৰ ফলাফলৰ ওপৰতে নিৰ্ভৰ কৰিছে। দিল্লী এছিয়াডৰ পাছৰ পৰা ভাৰতবৰ্ষত দূৰদৰ্শনৰ প্ৰসাৰ দ্ৰুতগতিৰে সম্পন্ন কৰা হৈছে। আজিলৈকে ১৬০টা প্ৰচাৰকেন্দ্ৰ স্থাপিত হৈছে। অতি সোনকালে আৰু বহুতো কেন্দ্ৰ স্থাপিত হ'ব বুলি শুনা গৈছে। বহুতৰ মতে সম্মুখৰ নিৰ্বাচনৰ কথা মনত ৰাখিয়েই এই দ্ৰুত সম্প্ৰসাৰণৰ ব্যৱস্থা কৰা হৈছে। সেইটো সচা হ'লেও বেযা কথা নহয় — যদি দূৰদৰ্শনে ভোটাৰসকলক নিৰ্বাচন সম্বন্ধে সচেতন কৰি তোলে, প্ৰক্ৰিয়াটো সম্পৰ্কে শুদ্ধ জ্ঞান দিয়ে আৰু তেওঁলোকক প্ৰাৰ্থী বাছ-বিচাৰ কৰাত নিৰপেক্ষভাৱে সহায কৰে। কিন্তু সেইটো হ'বনে ? বিৰোধীপক্ষই কৈয়েই আছে — অনাতাৰ দূৰদৰ্শন আদিক কেন্দ্ৰত শাসনাধিষ্ঠ পক্ষই নিজৰ স্বাৰ্থৰ বাবে ব্যৱহাৰ কৰিছে। তাৰ উত্তৰত কেন্দ্ৰীয় চৰকাৰে হিচাপ দিয়ে — অনাতাৰ, দূৰদৰ্শনত চৰকাৰী পক্ষক মুঠতে কিমান সময় দিয়া হয় আৰু বিৰোধী পক্ষক কিমান সময দিয়া হয। কিন্তু সেইটো একো কামৰ হিচাপ নহয। সমান সময়ৰ ভিতৰতে শাসনাধিষ্ঠ পক্ষৰ কোন কেইটা বাক্য প্ৰচাৰ কৰা হয় আৰু বিৰোধী পক্ষৰ কোন কেইটা বাক্য প্ৰচাৰ কৰা হয়, সেইটোহে আচল কথা। তদুপৰি, মন্ত্ৰিত্ব আদি পদবীৰ বলত লোকসকলে প্ৰচাৰ মাধ্যমৰ যি সুবিধা পায়, তাক নিজৰ দলৰ নিৰ্বাচন-অভিযানৰ বাবে ব্যৱহাৰ কৰাটো দোষণীয় কাম। এই দোষণীয় কামৰ পৰিমাণ বঢ়াবৰ বাবেই যদি দূৰদৰ্শনৰ এনেকৈ সম্প্ৰসাৰণ ঘটোৱা হৈছে বুলি প্ৰমাণিত হয়, তেন্তে সেইটো লাজৰ কথাই হ'ব।

এইবোৰ কথা বিচাৰ কৰিলে ধাৰণা হয, এদিন নহয় এদিন দূৰদৰ্শন আৰু আকাশবাণীৰ বাহিৰেও দেশখনত বেচৰকাৰী টেলিভিছন আৰু অনাতাৰ প্ৰচাৰ-প্ৰতিষ্ঠান স্থাপন কৰাৰ দাবীটোৱে গা কৰি উঠিবই।

২২/১০/৮৪

# ভেটিটোৰ মাটিৰ সমস্যা

আজিৰ শিশু আজিৰ ছাত্ৰ-ছাত্ৰী কাইলৈ দেশৰ নাগৰিক — এনেধৰণে কথাবোৰ আন্তৰিকতা নোহোৱাকৈ অধে-মধে মিটিঙৰ ফুলদানিৰ নিচিনাকৈ ব্যৱহাৰ কৰাৰ ফলত কথাবোৰৰ মূল্যই নোহোৱা হৈ পৰিছে। এনেকুৱা লাগে— চেমনীয়া ছাত্ৰ-ছাত্ৰী যুৱক-যুৱতীৰ সভা এখনত এনেধৰণৰ কথা এষাৰ বক্তাজনে উচ্চাৰণ কৰাৰ লগে-লগেই যেন শ্ৰোতাসকলৰ অন্তৰত উচ্চাৰিত হ'ল— ধুৰ!

কিন্তু আচলতে এইবোৰ মূল্যহীন হৈ যাবলগীয়া কথা নহয় — বিশেষকৈ অসমৰ নিচিনা ৰাজ্যত — অসমীয়াৰ নিচিনা এটা জাতিৰ ক্ষেত্ৰত — য'ত সংস্কৃতি ৰাজনীতি অৰ্থনীতি আদিত অবোধ শিশুৰ চৰিত্ৰ লাগি আছে, উৰণীয়া চেমনীয়াৰ চৰিত্ৰ লাগি আছে, নপঢ়া আৰু পঢ়িলেও নুবুজা ছাত্ৰ-ছাত্ৰীৰ চৰিত্ৰ লাগি আছে,— য'ত জ্যেষ্ঠসকলৰ অধিকাংশই বহুদিন ধৰি অকৃতকাৰ্যতাৰ বোজা কঢ়িয়াই আছে। কিন্তু আমাৰ আজিৰ এই অবোধ উৰণীয়া মূৰ্খ দুৰ্বল অৱস্থাৰ কথা ভাবি আমি হতাশ হ'ব নালাগিব। ভাষা-সংস্কৃতিৰ শক্তিৰ ওপৰত নিৰ্ভৰ কৰি জাতিটো জীয়াই থাকিবই লাগিব। (সমস্যা আৰু অৱস্থা ইমান জটিল হৈছে যে আপুনি চাই থাকক মাত্ৰ বিছ বছৰ,—বিছ বছৰৰ পাছত অসমীয়া জাতিৰ কি অৱস্থা হয় চাব — বুলি শংকা প্ৰকাশ কৰা চিন্তাশীল লোক আজিকালি লগ পোৱা হৈছোঁ। বৰ্তমান বিদেশী-সংক্ৰান্ত সমস্যাৰ লগত নিজ জ্ঞান-বুদ্ধি-ক্ষমতা অনুযায়ী নিজকে জড়িত কৰা আন এগৰাকী শিক্ষিত লোকক সেই কথাষাৰ কওঁতে তেখেতে ক'লে বিছ বছৰ। পাঁচ বছৰৰ পাছত কি হয় চাওক। এইবোৰ ৰুগ্ন বা উন্নাসিক কথা নহয়, এইবোৰৰ তাৎপৰ্য আছে, ভিত্তি আছে, কিন্তু তেখেতসকলৰ শংকা যাতে সত্যত পৰিণত নহয় তাৰ বাবে কাম কৰিব লাগিব।) গতিকে চেমনীয়া ছাত্ৰ-ছাত্ৰী যুৱক-যুৱতীসকলক শুদ্ধ ৰূপত গঢ় দিয়াৰ ওপৰত গুৰুত্ব দিবই লাগিব আৰু তেওঁলোকো এনে ৰূপৰ প্ৰতি আগ্ৰহশীল হ'বই লাগিব। মানুহৰ মন মানুহৰ প্ৰয়োজনৰ ৰূপ বিচিত্ৰ, কাক কি লাগে কোনে কি ভাল পায় সেইটো নিৰ্ণয় কৰিব

নোৱাৰি, নিৰ্দিষ্ট কৰি দিব নোৱাৰি, গতিকে জাতিটোৰ প্ৰত্যেকজন যুবক-যুৱতীৰ পৰা এটা স্তৰৰ ওপৰৰ সাংস্কৃতিক মন, জ্ঞান আচৰণ আদি আশা কৰিব নোৱাৰি, কিন্তু সামগ্ৰিকভাৱে এটা জাতিক সংস্কৃত আৰু উন্নত কৰি তুলিবলৈ হ'লে কিছু সংখ্যক যুৱক-যুৱতীয়ে মন আৰু কাম স্থিৰ কৰিব লাগিবই। অসমৰ বৰ্তমান পৰিস্থিতিত এই সংখ্যাটো যথেষ্ট ডাঙৰ হ'ব লাগিব। ইমানলৈও ভাবিবলৈ মন যায়— আজি যেন অসমৰ কোনো ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীয়ে শক্তিৰ অপচয় নকৰক। আজি ৰামকৃষ্ণ পৰমহংস বিবেকানন্দ, বংকিমচন্দ্ৰ ৰবীন্দ্ৰনাথ সুভাষচন্দ্ৰ মেঘনাদ সাহা সত্যেন বসু বিষ্ণু দে', সত্যজিত ৰায় আদিৰ ৰাজ্যৰ চাহৰ দোকানত ৰোযাক'ত শ শ ডেকাই কেনেকৈ শক্তিৰ অপচয় কৰিছে, তাৰ পৰা সান্ত্বনা আহৰণ কৰাৰ উপায় আমাৰ নাই। আগতেই কৈছোঁ— প্ৰত্যেক ছাত্ৰ-ছাত্ৰী-যুৱক-যুৱতী এটা স্তৰৰ ওপৰলৈ উঠাটো আশা কৰিব নোৱাৰি, কিন্তু অৱস্থাই দাবী কৰিছে যে আজি তেওঁলোকৰ প্ৰত্যেকেই অন্তত কিছু পৰিমাণে সংযত আৰু সুন্দৰ হওক সাধাৰণভাৱে হ'লেও এটা সংস্কৃতিসম্পন্ন চিন্তাশীল জাতিৰ লক্ষণ হিচাপে থিয় দিয়ক — আৰু তেওঁলোকৰ মাজৰে সমৰ্থবানসকলে উচ্চস্তৰলৈ গৈ নিজৰ সুপ্ৰভাৱ বিস্তাৰ কৰক।

আজিৰ ছাত্ৰ-ছাত্ৰী-যুৱক-যুৱতীৰ আচৰণ মনোবৃত্তি আদি বিশ্লেষণ কৰোতে ভালেমান কাৰণ, তত্ত্ব তথ্য-পাতি আদি আগবঢ়োৱা হয়। সেইবোৰৰ কিছুমান শক্তিশালী সঁচা, —কিছুমান দুৰ্বল টুলুঙা মিছা। সদ্যহতে সেইবোৰ বিচাৰলৈ নাযাওঁ। কিন্তু কিছুমান এনে উগ্ৰ আচৰণ আছে, যিবোৰক উক্ত কাৰণ তত্ত্ব তথ্য-পাতি আদিয়ে নাসামৰে। স্কুল-কলেজৰ শিক্ষাই যি সামান্য সংস্কৃতিৰ ভাব একোজন ছাত্ৰ-ছাত্ৰীৰ মনলৈ আনে সেইবোৰ আচৰণ সংযত কৰিবলৈ সেইকণ সংস্কৃতিয়েই যথেষ্ট হোৱা উচিত। অথচ সেইকণ সংযমেই তেওঁলোকক এটা সৌন্দৰ্য দিব, তেওঁলোকৰ উপযুক্ততা বঢ়াব। সি সামগ্ৰিকভাৱে সমাজৰো জাতিৰো সৌন্দৰ্য বঢ়াব।

উদাহৰণ দিবলৈ এটা সৰু কথালৈ আহোঁ। নগৰে-চহৰে গাঁৱে-ভূঁয়ে চেমনীয়া, ডেকা ল'ৰাৰ অবাইচ মাতে বৰ কষ্ট দিয়ে। তেওঁলোকৰ শব্দৰ সীমাৰ ভিতৰত থকা ঠাইখিনিত তলমূৰ কৰি খোজ কাঢ়িব লাগে লগত যোৱা বাই-ভনী, আই-বোপাইৰ কাণবোৰ সেইকণ সময়ৰ কাৰণে কলা হৈ থাকক বুলি বাঞ্ছা কৰিব লাগে। বন্ধু-বান্ধৱৰ গোপন মেলত কোনে কি শব্দ উচ্চাৰণ কৰিছে, সেইটো ধৰি ললো বেলেগ কথা কিন্তু ৰাজহুৱা ঠাইত অবাৰিত কণ্ঠৰে তেওঁলোকে সেইবোৰ শব্দ উচ্চাৰণ কৰে কিয়?

এই কাৰণটো বিচাৰিও আমি নিবনুৱা সমস্যা পৰীক্ষা-ব্যৱস্থা শিক্ষকৰ ঔদার্য-অক্ষমতা অভিভাৱকৰ দোষ— এইবোৰৰ আশ্ৰয় লব লাগিবনে? নিবনুৱা সমস্যা পৰীক্ষা-ব্যবস্থা শিক্ষক অভিভাৱকে শিক্ষিত চেমনীয়া-ডেকাহঁতক স্থান-কাল-পাত্ৰ বিচাৰ নকৰাকৈ অশ্লীল শব্দ চিএৰিবলৈ শিকাইছেনে? এই সংখ্যাত শ্ৰী পৰাগ কুমাৰ দাসে কেইজনমান যুবকৰ কথা লিখিছে,— ধৰি ললো তেওলোকক নিবনুৱা সমস্যা আদি উক্ত কাৰণবোৰে হোটেল ৰাস্তাৰ কাষৰ ৰেলি, চাৰি-আলি পোৱাইছেগৈ অৱস্থাটোৰ পৰিবর্তনৰ বাবে এটা বিপ্লৱৰেই প্ৰযোজন হ'ব, কিন্তু শ্ৰী দাসে ব্যৱহাৰ কৰা ডটবোৰ ( ) আঁতৰাবলৈও বিপ্লবৰ প্ৰয়োজন নে?

সৰু সমস্যা। কিন্তু জাতিটোৰ সামগ্ৰিক সৌন্দর্যৰ বাবে এনেকুৱা সৰু সমস্যাৰ প্ৰতিও চকু দিব লাগিব। অলপ আগতে যে প্ৰত্যেকৰে বাবে কাম আছে বুলিছিলো এইটোও তেনেকুৱা এটা কাম।

১১/১১/৮৪

# বৃথা হায় হায়

অলপতে মুক্তি লাভ কৰা এখন অসমীয়া চলচ্চিত্ৰ চাই ভালেমান লোকে কেইবাটাও কাৰণত "হায় হায়" কৰিছে। এটা কাৰণ হ'ল— গুণৰ ফালৰ পৰা ছবিখন নিজেই "হায় হায়" ধৰণৰ। কিন্তু এইসকল লোকৰ বিচাৰ-বুদ্ধি সম্পৰ্কে অইন বহুতে সন্দেহ প্ৰকাশ কৰিব। প্ৰবীণ বুৰঞ্জীবিদ, সংবাদসেৱী, প্ৰশাসক আদিয়ে চলচ্চিত্ৰখন চাই দিয়া প্ৰশংসাবাণী বাতৰিকাকতত হাজাৰ-হাজাৰ লোকে পঢ়িছে, হাজাৰ-হাজাৰ লোকে চলচ্চিত্ৰখন চাই সেইখনৰ কৃতকাৰ্যতাৰ প্ৰতি বৰঙণি যোগাইছে। তদুপৰি, আমাৰ প্ৰেক্ষাগৃহসমূহত প্ৰায় সদায় যিবোৰ চলচ্চিত্ৰ দেখুওৱা হৈছে, সেইবোৰৰ লগত সেইখন তুলনা কৰিব পৰা হৈছে বুলি বহুতে স্বীকাৰ কৰিছে। "হায় হায়" কৰাসকলৰ অইন এটা কাৰণ হ'ল,— অমুক ঠাইৰ পৰা আহি প্ৰযোজক-পৰিচালক অসমৰ চলচ্চিত্ৰ জগতত সোমাল। কথাটো বেয়া হ'ল। লগে-লগে অইন বহুতে উত্তৰ দিছে— কিটো বেয়া হ'ল? যিসকল অমুক ঠাইৰ পৰা অহা নাই, ইয়াতে থাকে, সেইসকলে কি কৰিছে? তদুপৰি, অমুক ঠাইৰ পৰা অহা নহ'লেও তমুক-তমুক ঠাইৰ পৰা অহা সকলেইতো অসমীয়া চলচ্চিত্ৰ জগতখন নিয়ন্ত্ৰণ কৰি আছে! তেনেহ'লে? আজি সেই অমুক ঠাইৰ পৰা অহা জনৰ ফালে আঙুলি টোঁৱালে কি হ'ব? "হায় হায়"ৰ আৰু এটা কাৰণ হ'ল,— একোখন চলচ্চিত্ৰই মুক্তি লাভ কৰাৰ দিনৰে পৰা অসমত এবছৰত যিমান আমোদকৰ সংগ্ৰহ কৰে, সিমানখিনি টকা প্ৰযোজকক অসম চৰকাৰে দি দিয়ে। উক্ত চলচ্চিত্ৰৰ প্ৰযোজকে চলচ্চিত্ৰখনৰ বহু প্ৰিণ্ট কৰাই ৰাজ্যখন এনে ধৰণে ছানি পেলাইছে যে, এবছৰৰ ভিতৰতে তেওঁ চুকে-কোণে প্ৰদৰ্শন আৰু আমোদকৰ সংগ্ৰহ কাৰ্য শেষ কৰি পেলাব। সেইটোৱেই প্ৰযোজকৰ অসমীয়া ভাষাত ছবিখন কৰাৰ এটা ডাঙৰ কাৰণ। পিছে কি হ'ল? তুমিও তেনেকুৱা কৰা। কিন্তু তেওঁক বাধা দিবলৈ তোমাৰ কি উপায় আছে?

আইনেৰে, যুক্তিৰে এই "হায় হায়"ৰ সপক্ষে একো কৰিব নোৱাৰি, কিন্তু প্ৰত্যেক সংস্কৃতিবান লোকে উপলব্ধি কৰা উচিত যে, সেইখন বা এইখন চলচ্চিত্ৰৰ কথা নহয়, সামগ্ৰিকভাৱে অসমীয়া চলচ্চিত্ৰৰ শৰীৰটো কেৱল "হায় হায়" কৰিবলগীয়াতকৈ বহু বেছি কগ্ন। দৰ্শকৰ সম্মুখত সঘনে বিকল্প (alternative) তুলি ধৰিব পাৰিলেহে এই ৰোগৰ ভয়াবহতা তেওঁলোকে ধৰা পেলাব পাৰিব। এই কামৰ বাবে প্ৰতিভা আৰু সততাৰ প্ৰয়োজন, সেইটো ঠিক, কিন্তু আমোদকৰৰ টকা প্ৰযোজকক দিয়াৰ শুদ্ধ নীতি এটাই গোটেই অৱস্থাটোৰ ওপৰত এটা ভাল প্ৰভাৱ পেলাব পাৰে, বিশেষকৈ যি উদ্দেশ্যৰে

প্ৰযোজকক এনেকৈ সহায় কৰিবলৈ লোৱা হৈছিল, সেই উদ্দেশ্য কিছু পৰিমাণে পূৰণ হ'ব পাৰে। (উদ্দেশ্য আছিল অসমীয়া চলচ্চিত্ৰ উদ্যোগৰ উন্নতি সাধন, ভাল ছবি নিৰ্মাণ কৰিবলৈ প্ৰযোজকক উৎসাহ দিয়া ইত্যাদি)। এতিয়া অৱস্থাটো এনেকুৱা এখন জনপ্ৰিয় ছবি বৰ ভালকৈ 'চলিছে', ছবিখনে বজাৰৰ পৰা পালে দহলাখ টকা (লাভ হ'ল দুই লাখ টকা), আৰু চৰকাৰৰ পৰাও পালে প্ৰায় দহ লাখ টকা। আনহাতে অইন এখন ছবি কিবা কাৰণত নচলিল, ছবিখনে বজাৰৰ পৰা পালে মাত্ৰ দুই লাখ টকা(লোকচান হ'ল ছয় লাখ টকা), আৰু চৰকাৰৰ পৰা পালে প্ৰায় দুই লাখ টকা। ছবিৰ দোষ-গুণৰ লগত এই নীতিৰ বৰ্তমানে কোনো সম্পৰ্ক নাই। জনপ্ৰিয় ছবিৰ প্ৰযোজকে চৰকাৰৰ পইচাখিনি লৈ যদি হিন্দী চলচ্চিত্ৰও নিৰ্মাণ কৰে বা দিল্লীত ঘৰো কিনে, কাৰো তেওঁক বাধা দিয়াৰ উপায় নাই। বজাৰৰ পৰা পইচা নোপোৱা ভাল ছবি এখনক বিশেষভাৱে সহায় কৰাৰ কোনো উপায় বৰ্তমানৰ নীতিটোৰ নাই। গতিকে এই নীতিটো সলনি কৰিব লাগে। সেইটো কৰিবৰ বাবে এনেকুৱা এটা ভেটি ব্যৱহাৰ কৰিব পাৰি (১) ৰঙীন ছবিক ছাৰে তিনি লাখ আৰু বগা-ক'লা ছবিক আঢ়ৈ লাখতকৈ বেছি টকা দিব নালাগে। এইখিনি দিয়াৰ পাছত যদি আমোদকৰৰ টকা বাকী থাকে, তেনেহ'লে সেইখিনি চলচ্চিত্ৰ (বিত্তীয় আৰু উন্নয়ন) নিগম আৰু জ্যোতি চিত্ৰবনত খটুৱাব লাগে। (২) বছৰটোত নিৰ্মিত অসমীয়া চলচ্চিত্ৰখিনি বিচাৰ কৰিবলৈ ৰাষ্ট্ৰীয় পৰ্যায়ৰ বিচাৰকেৰে গঠিত এখন সমিতি থাকিব লাগে। সেই সমিতিয়ে প্ৰকৃত "ভাল" ছবিখন বা ছবি কেইখন বাছি দিব লাগে আৰু সেই ছবিকেইখনক নিগমে ভাল পৰিমাণৰ টকাৰ পুৰস্কাৰ দিব লাগে। যদি এই ভাল ছবিকেইখনে বজাৰৰ পৰা উপযুক্ত পৰিমাণৰ টকা পোৱা নাছিল, তেন্তে সেই পুৰস্কাৰৰ টকাই সেইবোৰ ছবিৰ প্ৰযোজকক সহায় কৰিব, যদি পাইছিল তথাপি সেই টকা ভাল কামৰ পুৰস্কাৰ হিচাপে তেওঁৰ প্ৰাপ্য। (৩) যদি প্ৰযোজকৰ মূল উঠি গ'ল তেনেহ'লে চৰকাৰে দিবলগীয়া টকাখিনিৰ এক-তৃতীয়াংশমান প্ৰযোজকজনে পিছৰ অসমীয়া ছবিখন নিৰ্মাণ কৰিবলৈ লোৱাৰ প্ৰমাণ পোৱাৰ পাছতহে দিব লাগে। (৪) কোনো সামাজিক বা সাংস্কৃতিক কাৰণ নথকাকৈ কেৱল ব্যৱসায়ৰ কাৰণে অন্য ভাষাৰ মুক্তিপ্ৰাপ্ত ছবি অসমীয়াত পুনৰ্নিৰ্মাণ কৰিলে, সেই ছবিৰ প্ৰযোজকক কিমান টকা চৰকাৰে দিয়া উচিত, তাৰ এটা নিয়ম থাকিব লাগে। (৪) জ্যোতি চিত্ৰবনত থকা সুবিধাখিনি ব্যৱহাৰ কৰা প্ৰযোজকক কিছু অতিৰিক্ত সুবিধা দিব লাগে।

মুঠতে চৰকাৰৰ টকা দিয়া নীতিটোৱে "ভাল" চলচ্চিত্ৰ, বিত্তীয় নিগম, জ্যোতি চিত্ৰবন, মৌলিক চিন্তা-চৰ্চা,— এই সকলোৰে শক্তি বৃদ্ধি কৰিব লাগে। "জনপ্ৰিয়" ছবিক জনতায়েই বচাই ৰাখিব, "বেয়া" ছবিক কোনেও বচাই ৰাখিব নালাগে।

২৮/১১/৮৪

# পাৰস্পৰিক বিশ্বাস প্ৰতিষ্ঠাৰ এটা সুযোগ

ইন্দিৰা গান্ধীক হত্যা কৰা লোক দুজন শিখ আছিল কাৰণে ভাৰতৰ ভালেমান ৰাজ্যত কিছুমান শিখ লোকৰ ওপৰত কিছুমান লোকে অত্যাচাৰ চলোৱা ঘটনাটো সকলো সুবিচাৰসম্পন্ন, শিক্ষিত, ধাৰ্মিক লোকে নিন্দা কৰিছে। অকল এইটো ক্ষেত্ৰতে নহয়, সুবিচাৰৰ শক্তি, শিক্ষা, ধৰ্ম আদিয়ে এনে ধৰণৰ সকলো পৰিস্থিতিতে মানুহক অসৎ কৰ্মক নিন্দা কৰিবলৈ শক্তি দিছে। দেশখনৰ লাখ-লাখ মানুহে এনে অসৎ কৰ্মৰ প্ৰতি নিন্দাৰ ভাব পোষণ নকৰা হ'লে অকল পুলিছ-মিলিটেৰি, আইন আদিয়ে অৱস্থা নিয়ন্ত্ৰণত ৰাখিব নোৱাৰিলেহেঁতেন। অসমতো সময়ে-সময়ে দুটা ভাষা-ভাষী লোকৰ মাজত কাজিয়া লাগে, সেই কাজিয়াই মূল সমস্যাবোৰৰ প্ৰতি দেশবাসীৰ দৃষ্টি আকৌ এবাৰ আকৰ্ষণ কৰে আকৌ এবাৰ ভয়-ভীতি-অবিশ্বাসৰ ভাব সৃষ্টি কৰে, কিন্তু অসংখ্য মানুহে তেনে ধৰণৰ কাজিয়া বেয়া বুলি উপলব্ধি কৰে, আৰু তেনে ধৰণৰ কাজিয়াই সমস্যা সমাধান নকৰে বুলি বিশ্বাস কৰে। এই প্ৰান্তিকৰ পাততে প্ৰকাশ হোৱা এটা প্ৰবন্ধত শ্ৰী পৰাগ কুমাৰ দাসে অসমৰ তিনি শ্ৰেণীৰ বাঙালী লোকৰ কথা উল্লেখ কৰিছিল। স্বাভাৱিকতে, অসমীয়া মানুহকো কেইবাটাও শ্ৰেণীত ভাগ কৰি দেখুৱাব পাৰি। অসমীয়া ভাষা-সংস্কৃতিৰ সংকটপূৰ্ণ অৱস্থাত চিন্তিত হোৱা এনে অসংখ্য অসমীয়া লোক আছে— যিসকলে অসমৰ প্ৰেক্ষাগৃহত বাংলা ভাষাৰ চলচ্চিত্ৰৰ প্ৰদৰ্শন নোহোৱাটো এটা অৰ্থহীন কাম বুলি ভাবে। ৰবীন্দ্ৰ সংগীত বা বাপ্পী লাহিড়ীৰ সংগীতক যথোপযুক্ত স্থানত ৰাখিব পৰা অসংখ্য মানুহ আছে। এনে অসংখ্য লোক আছে কাৰণেই অসমীয়া ভাষা-সংস্কৃতিৰ সংকট আঁতৰিব বুলি আমি বিশ্বাস কৰোঁ, আৰু কামনা কৰো।

অসমীয়া ভাষা-সংস্কৃতিৰ সংকটৰ কাৰণকেইবাটাও, সেইবোৰ বিভিন্ন সময়ত বহুলাই আলোচনা কৰা হৈ আছে। এটা ডাঙৰ কাৰণ হৈছে— ৰাজ্যখনত অসমীয়া ভাষা কোৱা আৰু বাংলা ভাষা কোৱা মানুহৰ সংখ্যাটো। (অন্যান্য ভাষা কোৱা মানুহৰ প্ৰশ্নও আছে, কিন্তু আমি "এটা" কাৰণৰ কথাহে কৈছোঁ।) এই সংখ্যাটোৱে ৰাজনৈতিক গাঁথনিটো স্পৰ্শ কৰিছে, অসমৰ অৱস্থাটো সময়ত ত্ৰিপুৰাৰ অৱস্থাৰ নিচিনা হ'বগৈ পাৰে, শেষত ৰাজনৈতিক গাঁথনিয়ে সাংস্কৃতিক ৰূপটোও সলাব পাৰে,— পৰিষ্কাৰ ভাষাত সন্দেহটো এইটোৱেই। গতিকে পৰিষ্কাৰ ভাষাত প্ৰশ্নটো হ'ল,— অসমত বাস কৰা কিমান বাঙালী মানুহে অসমীয়া জাতিটোৰ ক্ষতি

নোহোৱাত সহায় কৰিব পাৰে, আৰু কিমান অসমীয়া মানুহে সেইসকল বাঙালী মানুহক বিশ্বাসত লব পাৰে।

এই প্ৰশ্নটোৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ সন্ধিক্ষণ উপস্থিত হৈছে। অসমত "ভোটাৰ"ৰ হিচাপ উলিওৱাৰ কাম আৰম্ভ হৈছে। যি দেখা গৈছে,— অসমৰ মানুহে এই কামটোক বিশ্বাসেৰে গ্ৰহণ কৰিছে,— তালিকাখনৰ পৰা "বিদেশী" মানুহবোৰৰ নাম বাদ পেলোৱাৰ ব্যৱস্থা হ'ব— এই আশাত। কিন্তু অসমৰ মানুহৰ এটা পুৰণি অভিযোগ হ'ল— অসমতে থকা বহু বাঙালী লোকে নতুনকৈ বাংলাদেশৰ পৰা অহা বহু লোকক আশ্ৰয় দিছে। সেই আশ্ৰয় কেৱল ঘৰত বা ওচৰে-পাজৰে থাকিবলৈ দিয়া ধৰণৰেই নহয়, সেই আশ্ৰয়ৰ ধৰণটোৰ ফলাফল সুদূৰপ্ৰসাৰী। যদি এই কথাটো সচা, তেনেহ'লে আজি ভোটাৰ তালিকা পৰীক্ষা কৰাৰ সময়ত সেই আশ্ৰয় পোৱা মানুহবোৰ সম্পৰ্কে আপত্তি কোনে দৰ্শাব? অসমীয়া মানুহে? অসমীয়া মানুহখিনিৰ তেনে ধৰণৰ সকলোবোৰ আপত্তি দৰ্শাবলৈ সুবিধা আছেনে?

তদুপৰি, পোনে পোনে আশ্ৰয় নিদিলেও, অসমত থকা বহু বাঙালী লোকে "বিদেশী" মানুহবোৰক চিনি পায়, কোনো-কোনো অঞ্চলত একমাত্ৰ তেওঁলোকেই চিনি পায়।

গতিকে, এতিয়া অসমত স্থায়ীভাৱে কাম কৰিবলৈ লোৱা বাঙালী মানুহখিনিয়ে, অন্তত তেওলোকৰ মাজৰ অসমীয়া জাতি, ভাষা-সংস্কৃতিৰ ক্ষতি কৰিব নোখোজাসকলে, ভোটাৰ তালিকাৰ পৰা বিদেশীৰ নাম বাদ দিয়া কামত সহায় কৰিলে বৰ ডাঙৰ উপকাৰ কৰা হ'ব। এই দুটা ভাষা-ভাষী লোকৰ মাজত বিশ্বাস আৰু প্ৰীতিৰ সম্পৰ্ক স্থাপন কৰাত এই কামটোৱে এটা অভূতপূৰ্ব ভূমিকা পালন কৰিব পাৰে। কেৱল অসমীয়া মানুহখিনিয়েহে যদি এই কাম কৰিবলগীয়া হয়, তেনেহ'লে তেওঁলোক স্বাভাৱিকতে অধিক সন্দিহান হ'ব, বহুতৰে মোহভংগ ঘটিব।

১১। ১২। ৮৪

# ঘৰুৱা শিক্ষক

মানুহে মৰিবলৈ আৰু অসুখত ভুগিবলৈ বৰ বেয়া পায়। নিজৰ ল'ৰা-ছোৱালীক পঢ়াই-শুনাই ডাঙৰ কৰিবলৈ মানুহৰ বৰ হেপাহ, — ঘাইকৈ এই দুটা কাৰণতে ডাক্তৰ আৰু শিক্ষকৰ প্ৰাইভেট প্ৰেকটিছ্ আৰু প্ৰাইভেট টিউছনৰ লগত জড়িত ঘটনা কিছুমানে সমস্যা হিচাপে দেখা দিছে। দুয়োবিধ সমস্যাৰ বহুতো মিল আছে, কিন্তু বিচাৰ কৰিলে দেখা যাব — স্কুল পৰ্যায়ৰ প্ৰাইভেট টিউছনৰ সমস্যাবোৰৰ লগত বেছি ক্ষতিকৰ ঘটনা জড়িত হৈছে , কাৰণ এই ক্ষেত্ৰত "বেমাৰী"বোৰ সুস্থ মানুহ, কিন্তু তেওলোক বয়সত সৰু আৰু গোটেই জীৱনৰ কাৰণে শিক্ষা আহৰণ কৰি থকা অৱস্থাৰ মানুহ।

প্ৰাইভেট টিউছন সম্পৰ্কে আলোচনা কৰিলে বৰ্তমানে যিবোৰ কথা ওপৰলৈ আহে, সেইবোৰৰ কিছুমান হ'ল (১) কিছুমান ল'ৰা-ছোৱালীক (বুজা শক্তি কম কাৰণে) স্কুলত শিক্ষকেপঢ়োৱাৰ উপৰিও অলপ অতিৰিক্ত সহায়ৰ প্ৰয়োজন, সেইখিনি সহায় পালে তেওঁলোকৰ লাভ হয়। অভিভাৱকে যদি সেইখিনি সহায় কৰিব নোৱাৰে, কিন্তু পইচা খৰচ কৰিব পাৰে, তেনেহ'লে তেওলোকে প্ৰাইভেট টিউছনৰ ব্যৱস্থা কৰে। অঞ্চলটোত যিসকলৰ সৎ শিক্ষক ("বৰ ভাল মাষ্টৰ") বুলি নাম আছে, সাধাৰণতে অভিভাৱকে তেওঁলোককে প্ৰাইভেট টিউটৰ হিচাপে বিচাৰে। এইবোৰ পুৰণি কথা, কোনো সমস্যাৰ কথা নহয়। (২) আজিকালি প্ৰাইভেট টিউছনক অতিৰিক্ত ধন উপাৰ্জনৰ পথ হিচাপে ব্যৱহাৰ কৰা হৈছে আৰু শিক্ষকসকলৰ আৰ্থিক অনাটনক ইয়াৰ কাৰণ হিচাপে দেখুউৱা হৈছে। কিন্তু এইখন দেশৰ মানুহৰ গড় হিচাপত এজন শিক্ষকৰ আৰ্থিক অনাটন যিমান আঁতৰিব পাৰে, তাতকৈ বেছি আঁতৰোৱাৰ লোভৰ বাবে সমস্যা অধিক জটিল হৈছে। (৩) শিক্ষকে শ্ৰেণীত পঢ়োৱাৰ ওপৰত জোৰ নিদি ঘৰত পঢ়োৱাৰ ওপৰত জোৰ দিয়াৰ কাৰণে হাজাৰ-হাজাৰ ভাল ছাত্ৰ-ছাত্ৰী ক্ষুণ্ণ আৰু বিক্ষুব্ধ হৈছে। এইসকল ছাত্ৰ-ছাত্ৰীৰ স্কুলত থাকোঁতেই শিক্ষকৰ ওপৰত শ্ৰদ্ধা হেৰাই গৈছে। (৪) "মোক প্ৰাইভেট টিউছন নিদিয়াৰ কাৰণেহে মই পৰীক্ষা ভাল কৰিব পৰা নাই"— বুলি বহু দুষ্ট ল'ৰা-ছোৱালীয়ে মাক-দেউতাকক ভেকাহি মাৰিবলৈ, আমনি কৰিবলৈ সুবিধা পাইছে। (৫) বহু শিক্ষক-শিক্ষয়িত্ৰীয়ে প্ৰাইভেট টিউছনৰ নামত "ল'ৰা ৰখা" (বেবি ছিটাৰ) বা আয়াৰ কাম কৰিছে। (৬) প্ৰাইভেট টিউছন লবলৈ ওলাই যোৱা ল'ৰা-ছোৱালীবোৰৰ বেছিভাগেই গাধা, মগজ

নোহোৱা, নিজে চেষ্টা নকৰা, ঘৰত মন বহুৱাব নোৱৰা, চেলু উলিয়াই ঘূৰি-ফুৰিবলৈ ভাল পোৱা, অবিবেচক বুলি বদনাম আৰ্জিছে। (৭) প্ৰাইভেট টিউছন লগোৱা অসংখ্য অভিভাৱকৰ সেইটো কাম কৰাৰ আৰ্থিক সামৰ্থ্য নাই, কিন্তু তেওলোকে কৰিছে, — কৰিছে অসৎ উপাযে উপাৰ্জন কৰা পইচাৰ বলত। সেইটো শিক্ষকজনেও জানে, ল'ৰা-ছোৱালীয়েও জানে। (৮) শিক্ষকসকলে প্ৰাইভেট টিউছনৰ কবলত থকা ল'ৰা-ছোৱালীখিনিক পৰীক্ষাঘৰত, পৰীক্ষাৰ বহী চোৱাৰ সময়ত অন্যায়ভাৱে সুবিধা দিয়ে। এই কামে নিজৰ চেষ্টাৰে ভালকৈ পঢ়া-শুনা কৰা অসংখ্য ল'ৰা-ছোৱালীৰ মন ভাঙি পেলাইছে।

এইবোৰ সমস্যাৰ সমাধানৰ বাবে এনে কিছুমান ব্যৱস্থাৰ প্ৰয়োজন যিবোৰ— প্ৰবৰ্তন কৰোতে চৰকাৰ, জনসাধাৰণ সকলোৰে সহযোগিতা লাগিব। কিন্তু এনে কিছুমান ব্যৱস্থাৰো প্ৰয়োজন— যিবোৰৰ প্ৰবৰ্তন সন্তানৰ মংগল চিন্তা কৰা অভিভাৱকেই কৰিব পাৰে। আমি কেৱল এটা দিশৰ কথা উল্লেখ কৰো। ল'ৰা-ছোৱালীয়ে যি মানত পঢ়ে তাতকৈ বহু বেছি শিক্ষিত মাক-দেউতাকে ল'ৰা-ছোৱালীৰ কাৰণে প্ৰাইভেট টিউটৰ নিয়োগ কৰে। অসংখ্য ক্ষেত্ৰত ইয়াৰ কাৰণ হ'ল — মাক-দেউতাকৰ স্বাৰ্থপৰতা। ৰাতিপুৱা, গধূলি অকণমান সময় উলিযাই যে ল'ৰা-ছোৱালীৰ ওচৰত বহি সিহতক অলপ পঢ়াব লাগে, এই কামটো কৰিবলৈ বহু মাক-দেউতাকে বৰ টান পায। তেওলোকৰ ধৈৰ্য নাই, "সময়" নাই। তেওলোকৰ নিজৰ "প্ৰগ্ৰেম" বহুত। গতিকে প্ৰাইভেট টিউটৰ এজনৰ হাতত গতাই দি তেওলোকে ল'ৰা-ছোৱালীৰ শিক্ষাৰ কাৰণে কৰিবলগীয়াখিনি কৰিছো বুলি মুকলি হৈ থাকে। এম এ, বি এ পাছ কৰা, চাকৰি নকৰা অসংখ্য মাতৃয়ে কিয় নিজে স্কুলত পঢ়া নিজৰ সন্তানৰ প্ৰাইভেট টিউটৰৰ ভূমিকা গ্ৰহণ নকৰে, সেই কথাটো বুজিবলৈ টান। "দিনটো কাম কৰি ভাগৰে জুগৰে গধূলি ঘৰ সোমোৱা" দেউতাকজনে কিয় তাচ খেলিবলৈ, পদুলি শুঙিবলৈ শক্তি পায়, অথচ ল'ৰা-ছোৱালীৰ ওচৰত বহিবলৈ শক্তি নাপায়, বুজিবলৈ টান। অন্তত চহৰবিলাকৰ শিক্ষিত মাক-দেউতাকসকলে এই কথাবোৰ চিন্তা কৰিবলৈ ললেও সমস্যাবোৰৰ অলপ সমাধান হয়।

২৭। ১২। ৮৪

# মিছা অপবাদ, সঁচা অপবাদ

জন্মস্থানৰ বাহিৰে অইন ঠাইত থাকি কাম কৰি থকা সময়ছোৱাত মানুহৰ কৰ্মক্ষমতা বেছি হৈ থাকে,— ভাৰতীয় মানুহৰ ক্ষেত্ৰত এইটো এটা "জেনেৰেল পেটাৰ্ন" যেন লাগে। "পেটৰ দায়ত পৰি, নিজৰ ঘৰ-বাৰী এৰি থৈ ইয়াত আছোঁহি"— এনেকুৱা এটা চিন্তাই প্ৰবাসীসকলৰ মনত ক্ৰিয়া কৰি থাকে। সেই চিন্তাই তেওঁলোকক নিজৰ কৰ্তব্য ভালকৈ কৰিবলৈ উদগায়। সেই ঠাইৰ মানুহ নোহোৱা কাৰণে তেওঁলোকৰ যিখিনি অসুবিধা থাকে, সেইখিনি "ভালকৈ কাম কৰি" আঁতৰাব লাগিব বুলি এটা চিন্তা তেওঁলোকৰ মনত জ্ঞাতে অজ্ঞাতে সোমাই যায়। আমাৰ অফিছবিলাকৰ একোটা ঘটনা এনেকুৱা ৰমূৰীয়াজনে প্ৰথম অৱস্থাত সকলো কৰ্মচাৰীকে সমানে কাম ভগাই দিয়ে, পাছত তেও কাৰ পৰা কিমান সময়ত কিমান কাম পালে সেইটো মন কৰে, তাৰ পাছত স্বাভাৱিকতে তেও যাৰ পৰা সময়মতে ভাল কাম পালে, সেই কেইজনৰ ওপৰত ভাৰসা কৰিবলৈ আৰম্ভ কৰে, আৰু সেই কেইজনৰ ওপৰত বেছি কামৰ দায়িত্ব দিবলৈ আৰম্ভ কৰে। পাছলৈ দেখা যায় যে সেই কেইজন কৰ্মচাৰী পুৱা আধাঘণ্টা আগতে অফিছ সোমায়হি, ৰাতি লাইট জ্বলাই তেওঁলোকে কাম কৰে। বহু ক্ষেত্ৰত দেখা যায়— সেই কৰ্মচাৰী কেইজন হ'ল ঘোষবাবু, ৰেড্ডি আৰু পটনায়ক,— অফিছটো কিন্তু এলাহাবাদত। ৰমূৰীয়াজনে ঘনে-ঘনে বে'ল বজায় আৰু হুকুম দিয়ে— ঘোষবাবুক মাত, ৰেড্ডিক মাত, পটনায়কক মাত। এদিন অফিছটোৰ অইন কৰ্মচাৰীবো বহুতে ঘোষবাবুহঁতৰ মেজলৈ কাম এৰি দিবলৈ আৰম্ভ কৰে। কিন্তু ইতিমধ্যে ভালেমান "থলুৱা" কৰ্মচাৰীয়ে ক'বলৈ আৰম্ভ কৰে— এই ঘোষ-ৰেড্ডিহঁত "তেলীয়া", সিহঁতে ৰাতি লাইট জ্বলাই কাম কৰি চাহাবক ভালৰি বোলাবলৈ চেষ্টা কৰিছে। শেষত দুৰ্ভাগ্যজনক ঘটনাটো ঘটে ঘোষ-ৰেড্ডিহঁত "থলুৱা"সকলৰ মাজত অপ্ৰিয় হৈ পৰে, থলুৱাসকলে কাম কৰাৰ পৰিবৰ্তে কেৱল "থলুৱা" বুলিয়েই নিজৰ প্ৰতিপত্তি বৰ্তাই ৰাখিবলৈ চেষ্টা কৰে, আনহাতে ৰমূৰীয়াসকলে "এই লোকেল মানুহবোৰ কোনো কামৰ মানুহ নহয়" বুলি বিশ্বাস কৰিবলৈ আৰু ক'বলৈ আৰম্ভ কৰে,— আৰু ভিতৰি-ভিতৰি অফিছটোলৈ আৰু কেইজনমান ঘোষ-ৰেড্ডি-পটনায়কক আনিবলৈ চেষ্টা কৰে। সেই পৰ্যায়ত ৰমূৰীয়াজন "থলুৱা-বিদ্বেষী" হৈ পৰে। অফিছটো যদি চৰকাৰী অফিছ নহৈ ক'ম্পেনিৰ অফিছ হয়, তেনেহ'লে পৰিস্থিতিটো বেছি জটিল হৈ পৰে।

এনে ঘটনা ভাৰতৰ সকলো ঠাইতে ঘটে। দিল্লীৰ অফিছত কাম কৰা বহুতো

অসমীয়া ডেকাই কৰ্তব্যপৰায়ণ আৰু পৰিশ্ৰমী বুলি সুনাম আৰ্জিছে, আৰু অসমত সেই সুনাম আৰ্জিছে ঘোষ-ৰেড্ডি-পটনায়কে। কিন্তু এই "পেটাৰ্ন"টোক জেনেৰেল পেটাৰ্ন বুলি ধৰি লোৱাৰ পাছতো, অসমীয়া লোকৰ দক্ষতা আৰু পৰিশ্ৰম কৰাৰ শক্তি সাধাৰণভাৱে কম নে কি, সেই কথাটো আমি নিৰপেক্ষভাৱে বিচাৰ কৰিব লাগে। কেৱল অনা অসমীয়া বৰমূৰীয়ায়েই নহয়, কৰ্তব্যপৰায়ণ অসমীয়া বৰমূৰীয়ায়ো, অসমীয়া মানুহক "সংকীৰ্ণ মনোভাবেৰে প্ৰয়োজনাধিক" ভাল পোৱা বৰমূৰীয়ায়ো অফিছটোৰ অসমীয়া কৰ্মীৰ কামৰ প্ৰতি থকা আগ্ৰহ সম্পৰ্কে বিৰূপ মন্তব্য কৰাৰ ঘটনা বাঢ়ি আহিছে। এই অৱস্থা চলি থাকিবলৈ কোনোমতেই দিব নোৱাৰি। আমি বিভিন্ন বিষয়ৰ আলোচনা কৰোতে কৈ আহিছো— আজি ভাৰতৰ "জেনেৰেল পেটাৰ্ন" যিয়েই নহওক, অসমৰ, অসমীয়া জাতিৰ সুকীয়া অৱস্থাৰ বাবে আমাৰ 'পেটাৰ্ন"টো বেলেগ হ'বই লাগিব। এই বিশেষ পৰিস্থিতিত প্ৰত্যেকজন অসমীয়া মানুহৰ কৰ্মক্ষমতা আৰু "অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষা"ৰ প্ৰশ্ন অধিক ওতপ্ৰোতভাৱে জড়িত হৈ পৰিছে। আনকি এনেকৈ ক'বলৈও মন যায় যে— আজি এজন অসমীয়া মানুহে দুজন বিদেশীৰ সমান কাম কৰিব পাৰিলে বিদেশী-সমস্যাৰ আধাখিনি আপোনা আপুনি সমাধান হৈ যাব।

কাগজে-পত্ৰই কেতিয়াবা একোটা খবৰ ওলায়,— অমুক বৰমূৰীয়াজনে অসমীয়া লোকৰ কৰ্মক্ষমতা সম্পৰ্কে বিৰূপ মন্তব্য কৰিছে। লগে-লগে প্ৰতিবাদৰ ঢৌ উঠে। সেই প্ৰতিবাদবোৰৰ আটাইতকৈ দুৰ্বল কথাটো হৈছে,— তাত ৰামসিংহই অসমীয়া সৈন্যৰ বিষয়ে কোৱা কথা কৈইষাৰ, মহাত্মা গান্ধীয়ে অসমীয়া তিৰোতাৰ বিষয়ে কোৱা কথা কেইষাৰকে দোহাৰি থকা হয়। এই দুৰ্বলতা পৰিহাৰ কৰিব লাগে।

১২/১/৮৫

# শুভাকাংক্ষীৰ কৰ্তব্য

মদেই হওক বা গোমাংসই হওক, খাদ্য, পানীয় আদি সম্পৰ্কে মুক্ত দৃষ্টিভংগীটো হ'ল— যি বস্তু গ্ৰহণ কৰি মানুহৰ দেহ-মন উপকৃত হৈছে, মানুহে যি বস্তু গ্ৰহণ কৰাৰ ফলত সমাজ-সভ্যতা-সংস্কৃতিৰ অপকাৰ হোৱা নাই, সেই বস্তুবোৰ সম্পৰ্কে অবৈজ্ঞানিক বাক-বিতণ্ডাৰ প্ৰয়োজন নাই। পৃথিৱীৰ গৰিষ্ঠ অংশত সুখাদ্য বুলি স্বীকৃত বস্তু এটা কিবা কাৰণত কোনোবাই নাখায়, আৰু কোনোবাই খাই ভাল পোৱা বস্তু এটা বহু দেশৰ মানুহে নাখায়, কথা সিমানেই। বিজ্ঞানসন্মত প্ৰয়োজন অনুসৰি লাহে-লাহে বহু বস্তুৱে ৰুচি, সংস্কৃতি, ধৰ্ম, ভূগোল আদিৰ সীমা অতিক্ৰম কৰি নিজৰ প্ৰভাৱ বিস্তাৰ কৰিব, বহু বস্তুৰ প্ৰভাৱ সংকুচিত হ'ব, অবৈজ্ঞানিক বাধা বা উৎসাহে এই প্ৰক্ৰিয়াবোৰৰ একো কৰিব নোৱাৰে। কিন্তু একোটা বস্তুৱে যেতিয়া দেখদেখকৈ মানুহৰ দেহ-মন, সমাজ-সভ্যতা-সংস্কৃতিৰ অপকাৰ কৰাৰ সম্ভাৱনাই দেখা দিয়ে, তেতিয়া তাক অকল বৈজ্ঞানিক যুক্তি - তৰ্কৰেই নহয়, নৈতিক আৰু মানৱীয় শক্তি'ৰেও আক্ৰমণ কৰিব লাগে।

অসমত বৰ্তমানে মদৰ প্ৰচলনৰ ঘটনাটোৱে প্ৰায় আতংকৰেই সৃষ্টি কৰিছে। এই বিষয়ে আমি আগতে এবাৰ আলোচনা কৰিছিলো, কিন্তু অৱস্থাই আমাক আকৌ কথাটো আলোচনা কৰিবলৈ বাধ্য কৰিছে। যোৱা বিহুৰ সময়ৰ সাতটা দিনৰ ভিতৰতে, মাত্ৰ এজন মানুহৰ চকুতে, সমাজৰ বিভিন্ন স্তৰৰ মানুহৰ মাজত মদৰ এনেকুৱা ক্ৰিয়া ধৰা পৰিছে যে তাৰ বৰ্ণনাই সমাজৰ কল্যাণকামী যি কোনো লোককে স্তম্ভিত কৰিব। স্থান-কালৰ জ্ঞান হেৰুৱাই উচ্ছৃংখল হৈ পৰা এইসকল লোকৰ মাজত কেইবাজনো এনেকুৱা বিদ্যা আৰু গুণৰ অধিকাৰী লোক আছে, যি বিদ্যা আৰু গুণ আহৰণ কৰা লোকৰ সংখ্যা অসমীয়াৰ মাজত তেনেই তাকৰ। তেওলোকৰ আচৰণ আৰু অৱস্থা দেখাসকলৰ মন্তব্য হ'ল— এওৰ আৰু বেছিদিন নাই, হঠাতে এদিন শেষ" বুলি খবৰটোহে পাবা।

মানুহজনে অসংযতভাৱে, অতিমাত্ৰাই মদ খোৱাৰ বাবে তেওৰ পৰিবাৰ, ল'ৰা-ছোৱালী, পিতৃ-মাতৃৰ কি দুৰ্দশা হয়, তেওৰ আৰ্থিক অৱস্থা কেনে হয়, তেওৰ লাং-লিভাৰ-হাৰ্টৰ কি হয়, সেইবোৰ ইয়াত দোহাৰিবৰ প্ৰযোজন নাই। চৰকাৰীভাৱে নিষিদ্ধ বা নিয়ন্ত্ৰিত বস্তু এটা কেৰাছিন তেলৰ সমানে সহজে যি কোনো মানুহে কেনেকৈ পায়, সেই অৱস্থাৰ কথা আলোচনা কৰি লাভ নাই,— অৱস্থাটো ইমানেই হতাশজনক, নিৰ্লজ্জ আৰু লেতেৰা। মদৰ প্ৰচলন বন্ধ কৰা বা কমোৱাৰ বাবে যিবোৰ চৰকাৰী, আধা-চৰকাৰী, বেচৰকাৰী প্ৰতিষ্ঠান আছে সেইবোৰৰ কথা আলোচনা কৰিলে কেৱল

এটা কথাই মনলৈ আহে ঃ যিসকলে মদ নাখায় বা সংযতভাৱে, নিয়ন্ত্ৰণ কৰি খায়, তেওঁলোকে সেয়া নিজ জ্ঞান আৰু বিচাৰ-বুদ্ধিৰেই কৰে,— কোনো প্ৰতিষ্ঠানে তেওলোকক সহায় কৰা নাই, আৰু ধ্বংসৰ মুখলৈ গৈ থকা কোনো লোকক সেইবোৰ প্ৰতিষ্ঠানে বাধা দিব পৰা নাই। এই কথা যদি মিছা, তেনেহ'লে মিছা বুলি প্ৰমাণ কৰাৰ বাজহুৱা দায়িত্ব সেই প্ৰতিষ্ঠানসমূহৰে। যদি সঁচা, তেনেহ'লে এই ক্ষেত্ৰত কিছু ভাল কামৰ বাবে আমি সেই সজ জ্ঞান আৰু বিচাৰ-বুদ্ধি থকা লোকসকলৰ ওপৰতে ভাৰসা কৰিব লাগিব।

"কিছু ভাল কাম" বুলি কোৱাৰ কাৰণ হ'ল— পৰিস্থিতিটো ইমান জটিল যে মদৰ কুপ্ৰভাৱ নাইকিয়া কৰাৰ উদ্দেশ্যে এটাইখিনি ভাল কাম কৰাৰ মেছিনেৰি এটা ৰাজ্যখনত নাই। (মাজে-মাজে সন্দেহ হয়— বৰ্তমানৰ বিদেশী-সংক্ৰান্ত সমস্যাটোতকৈ উচ্ছৃংখল মদপী-সংক্ৰান্ত সমস্যাটো অধিক জটিল নে কি ? সন্দেহটো হোৱাৰ কাৰণ হ'ল— চকুত পৰা অধিকাংশ উচ্ছৃংখল মদপীয়েই অ-বিদেশী।) গতিকেই অন্তত "কিছু ভাল কাম"ৰ কথা হৈছে। বলে পৰা কামৰ ভিতৰত এটা হৈছে— মদৰ কোবত মৰিবলৈ ওলোৱা গুণী মানুহখিনিৰ ওপৰত চকু ৰখা। কেৱল "এওঁৰ আৰু বেছিদিন নাই" বুলি হা-হুতাশ কৰি এই মানুহখিনিক এৰি দিয়াটো ক্ষতিকৰ কাম হ'ব। ডাক্তৰ, সমাজসেৱী, ওচৰ-চুবুৰীয়া, বন্ধু-বান্ধৱ, আত্মীয়-স্বজন আদিয়ে একোটা গোট গঠন কৰি, একোজন মানুহৰ অভ্যাসটো সলনি কৰিবলৈ অবিৰতভাৱে চেষ্টা কৰিলে সুফল পোৱাৰ যথেষ্ট সম্ভাৱনা আছে। মদৰ গ্ৰাসত লুপ্ত হ'ব খোজা লোক নিয়ন্ত্ৰণৰ মাজলৈ উভতি অহাৰ হাজাৰ-হাজাৰ ঘটনা ঘটি আছে। কণা, বোবা, বেঙা, অসুখীয়া ল'ৰা এটাৰ চিকিৎসাৰ কাৰণে তাৰ মাক কʼলৈ যাব, তাৰ এটা অন্তত ঠিকনা আছে, কিন্তু গৃহস্থই মদ খাই ধ্বংস কৰি পেলোৱা সংসাৰখনৰ গৃহিণীগৰাকী সহায় বিচাৰি কʼলৈ যাব তাৰ একো ব্যৱস্থা নথকাটো বৰ দুখৰ কথা। হৃদয়বান ওচৰ-চুবুৰীয়াসকলেই অৱস্থাটোৰ উন্নতিৰ কাৰণে কাম আৰম্ভ কৰিব পাৰে।

২৭/১/৮৫

শেঃ পৃঃ ১০

# ৱ-টোৰ ব্যৱহাৰ

একোটা আখৰৰ উচ্চাৰণ বা একোটা শব্দৰ বানান নির্ণয় কৰাৰ আলোচনা হ'লে সমস্যাটো কেইবাফালৰো পৰা বিচাৰ কৰাৰ কথা উঠে। কোনো-কোনো লোক শাস্ত্র অনুসৰি সম্পূর্ণ আঁতি-গুৰি বিচাৰি সেইমতে সিদ্ধান্ত গ্রহণ কৰাৰ পক্ষপাতী। কোনো-কোনো লোকৰ কথা একেবাৰে খাৰাংখাচ,— সিমানবোৰ আঁতি-গুৰি বিচৰাৰ কোনো প্রয়োজন নাই, যিটো আখৰ, যিটো শব্দ আমাৰ সৰহভাগ লোকে যেনেকৈ উচ্চাৰণ কৰে, যেনেকৈ লিখে, তাৰ ভিত্তিতহে সিদ্ধান্ত লোৱা উচিত, সেইটোৱেই বৈজ্ঞানিক পন্থা। অইন এচাম লোকৰ মতে আকৌ শাস্ত্রসম্মত আঁতি-গুৰি একেবাৰে বিসর্জন দিব নালাগে, কেৱল সেই আঁতি-গুৰিৰ কথা মনত ৰাখি, ব্যৱহাৰিক দিশৰ ওপৰত গুৰুত্ব দি উচ্চাৰণ আৰু বানানক বিজ্ঞানসম্মত ৰূপ দি লব লাগে। আন্তৰিকতা আৰু গুৰুত্বৰে ভাষাৰ কামৰ লগত জড়িত থকাসকল এই সকলো ধৰণৰ মতামতৰ প্রতি সজাগ হৈ থাকিব লাগে।

পৃথিৱীৰ বহু ভাষাত থকাৰ নিচিনাকৈ অসমীয়া ভাষাতো বানান আৰু উচ্চাৰণৰ ক্ষেত্রত ভালেমান আঁসোৱাহ আছে। অসমীয়া ভাষাৰ ক্ষেত্রত বহুতো আখৰ আৰু উচ্চাৰণৰ মাজত সম্পর্ক নথকাৰ কাৰণেই বেছিভাগ আসোঁৱাহৰ সৃষ্টি হৈছে, আৰু ফলস্বৰূপে সাধাৰণ মানুহে শ শ শব্দৰ বানান শুদ্ধকৈ লিখাৰ কাৰণে কেৱল ' মুখস্থ'' কৰা বা শব্দটোৰ "চেহেৰা মনত ৰখা"ৰ ওপৰতে ভাৰসা কৰিবলগীয়া হৈছে। আজি আমি কেৱল এটা আখৰৰ লগত জড়িত সমস্যাৰ কথা উল্লেখ কৰো। আখৰটো হ'ল—ৱ।

বহুতো অসমীয়া শব্দ মূলতে সংস্কৃত শব্দ, সেই সংস্কৃত শব্দবোৰত ৱ আখৰটো আছিল, গতিকে সেইবোৰক অসমীয়া শব্দ হিচাপে লিখোঁতেও ৱ আখৰটো ব্যৱহাৰ কৰা হয়। সেয়ে শাস্ত্রসম্মত যুক্তি আৰু কাৰণ। সেই শব্দবোৰত থকা ৱ-টো আমি সদায় ঠিক মতে উচ্চাৰণ নকৰোঁ। কিন্তু মনত ৰাখি, মুখস্থ কৰি, প্রায় ছবি অঁকাৰ নিচিনাকৈ লিখি যাওঁ। আৰু যাৰেই এই মনত ৰখা, মুখস্থ কৰা, বা ছবি অকাত ভুল হয়, তেওঁৰেই বানান ভুল হয়। আমি ছপা কৰিবলৈ লোৱা প্রবন্ধ-পাতিত পৃথিৱীৰ ৱ-টো যত্নই কৰাৰ নিচিনাকৈ ৱ কৰি "শুধৰাই" যাওঁ, শব্দটো আমি বেছিভাগে ব বুলি উচ্চাৰণ কৰোঁ বুলি জানিও। এই বিষয়ে আলোচনা কৰিম বুলিয়েই এই সংখ্যাৰ এটা প্রবন্ধৰ ৱ-বোৰত হাত দিয়াকৈ ৰাখিছিলো তাৰ পাছত অসম সাহিত্য সভাৰ বিহপুৰীয়া অধিবেশনত দহগৰাকী সাহিত্য-সেৱীয়ে দিয়া ভাষণৰ পুস্তিকা দহখন পঢ়াৰ সুবিধা পালো। তাত ব আৰু ৱ দুয়োটাই ব্যৱহাৰ (ব্যবহাৰ) কৰি লিখা শব্দ কিছুমান হ'ল ভাব , ভৱিষ্যত, কবি, পূব, পবিত্র

মানৱ, পৰৱৰ্তী, নৱ, প্ৰবল, দেব, বিপ্লৱ, নিৱেদন, গৱেষণা, অৱচেতন, ধাৰাবাহিক, পৃথিবী, পৰিবৰ্তন, আবেগ, আবিষ্কাৰ, প্ৰবাহ, উদ্ভৱ, সম্ভাবনা, প্ৰভাৱ, স্বাভাবিক, অনুভৱ, যুৱক, প্ৰৱেশ— ইত্যাদি। আখৰৰ লগত উচ্চাৰণৰ সম্পৰ্ক ৰখাৰ ব্যৱস্থা আৰু অভ্যাস নাই বাবেই এই খেলিমেলি সকৰ পৰা ডাঙৰলৈকে সকলোৱে হয়। বৰ্তমান অৱস্থাত ইয়াৰ বাবে ডাঙৰসকলক দোষ দিয়াৰ উপায় নাই, আৰু সকহঁতে পৰীক্ষাৰ বহীত মানব বা মানৱ লিখাৰ কাৰণে নম্বৰ কটাকুটা কৰাৰ অধিকাৰ কোনো শিক্ষকৰে নাই। সচা কথা ক'বলৈ গ'লে ওপৰৰ শব্দবোৰৰ ব-বোৰ বেছিভাগ মানুহে ব বুলিয়েই উচ্চাৰণ কৰে, ৱ বুলি নকৰে। থলুৱা, ৰাজহুৱা, কোঁৱৰ, সেৱা, নোৱাৰি, সকলোৱে, লোৱা, হোৱা, খোৱা, কুৱলী, আঁকোৱালি, উৱাদিহ, দোৱান, এনেকুৱা, সোৱাদ, সুৱদি, গুৱাপাণ, বনুৱা, পটুৱৈ, কেম্ব্ৰলীয়া, আগৰৱালা, জোৱাৰ, দুৱাৰ, ছেৱে ছেৱে, তৰোৱাল— ইত্যাদি আমাৰ বহুতো শব্দ আছে যিবোৰত ৱ ব্যৱহাৰ কৰা সম্পৰ্কে সন্দেহেই নাই। (এতিয়া থলুআ, ৰাজহুআ বুলি আখৰ জোঁটোৱাৰ প্ৰশ্ন নিশ্চয় নুঠে।)

গতিকে নি সন্দেহে ৱ লিখিব পৰা শব্দবোৰত ৱ লিখি বাকীবোৰত সৰ্বসাধাৰণৰ উচ্চাৰণ অনুসৰি ব লিখিলে ভালেমান খেলিমেলি শেষ কৰিব পাৰি। বহু সংস্কৃত শব্দৰ বানান আৰু উচ্চাৰণ আমাৰ ভাষাত সলনি হৈ গ'ল , পৃথিবী, প্ৰবাহ, যুবক আদিৰ ক্ষেত্ৰতো হ'লে অসুবিধা হয় নে কি ? যদি হয়, তেন্তে পাঠশালা স্কুলতে ল'ৰা-ছোৱালীক পৃথিৱী, প্ৰৱাহ, যুৱক আদিৰ শুদ্ধ উচ্চাৰণ (প্ৰায় পৃথিউই, প্ৰওআহ, যুউঅক ?) শিকাবই লাগিব। কেৱল দুই-এজনে জীৱন শব্দটোক মাজে-মাজে জীঅন বুলি উচ্চাৰণ কৰি সংস্কৃতৰ পৰা অহা অসমীয়া শব্দবোৰৰ ৱ-টো খেলিমেলি নলগাকৈ জীয়াই ৰাখিব নোৱাৰে। (এজনৰ এটা যুক্তি শুনিছিলো বাংলা বৰ্ণমালাত ৱ-টো নাই, গতিকে আমি ৱ-টো বেছিকৈ ব্যৱহাৰ কৰি আমাৰ ভাষাটোৰ বৈশিষ্ট্য বৃদ্ধি কৰিব লাগে।)

ট আৰু ত বৰ্গৰ আখৰবোৰ, চ-ছ, জ-য উ-ঊ কাৰ, ই-ঈ কাৰ, শ, ষ, স— এইবোৰৰ লগত জড়িত সমস্যাবোৰৰ তুলনাত ৱ-ব সমস্যাটো সহজে সমাধান কৰিব পৰা যায়। অসম সাহিত্য সভা, বিশ্ববিদ্যালয় আদিয়ে লগ লাগি এটা সিদ্ধান্ত কৰি দিলে সেই সিদ্ধান্ত আমি মানি লম। (সিদ্ধান্ত মনাটোও সমস্যা সমাধানৰ অতি প্ৰয়োজনীয় অংগ।) কিন্তু সিদ্ধান্তটো সোনকালে লাগে। সেইটো নোপোৱালৈকে আমি সৰহভাগ মানুহৰ উচ্চাৰণৰ কথা মনত ৰাখিয়েই কাম চলাই যাম (যিবিলাক শব্দ ছবি আঁকি অভ্যস্ত হৈ গৈছোঁ ,— অৱস্থা, ব্যৱহাৰ আদি,— সেইবোৰৰ বাহিৰে।) এই কামৰ অন্তত এটা বিজ্ঞানসন্মত যুক্তি থাকিব, কিন্তু একো নীতি-নিয়ম নোহোৱাকৈ কাম চলাব নোৱাৰি।



১২/২/৮৫

# প্ৰয়োজন অনুসৰি বিধি-বিধান

নতুন পদ্ধতি এটা উদ্ভাৱন কৰি নৰেন্দ্ৰ কাৰ্মাৰকাৰ নামে ভাৰতীয় গণিতজ্ঞ এজনে কমপিউটাৰ জগতত এক বিপ্লৱৰ সূচনা কৰিছে। এই সম্পৰ্কে প্ৰান্তিকত প্ৰকাশ পোৱা এটা প্ৰবন্ধত (১।২।৮৫) ড কুলেন্দু পাঠকে লিখিছিল "কাৰ্মাকাৰৰ পদ্ধতি সম্পৰ্কে বিশ্বজোৰা গৱেষণামূলক উত্তেজনাৰ সমভাগী হ'ব পৰা, নিজে নতুন উপায়েৰে জটিল সমস্যা সমাধানৰ চেষ্টা কৰা, অসমীয়া প্ৰতিভাবান আৰু সুযোগ্য ব্যক্তি বিগত এবছৰ গুৱাহাটীতে আছে, — এই প্ৰবন্ধ লিখাৰ সময়ত তেও চাকৰিবিহীনভাৱে আছে। আমাৰ বহুতো ক্ষমতাশালী, গুণী-মানী ব্যক্তিয়ে মগজু-ৰপ্তানি (Brain Drain) সম্পৰ্কে কৰা আক্ষেপ যে আচলতে ঘৰিয়ালৰ চকুপানীহে, — সেই বিষয়ে সন্দেহ নাই।"

বিজ্ঞান, প্ৰযুক্তিবিদ্যা আদিৰ একোটা অতি-আধুনিক বিশেষ শাখাৰ বিশেষ জ্ঞান লাভ কৰা অসমীয়া লোকৰ সংখ্যা বৰ কম। যদি সেই শাখাটোৰ প্ৰসাৰ আৰু ব্যৱহাৰ অসমতো হোৱাৰ সম্ভাৱনা আছে, তেনেহ'লে সেই লোকসকলৰ ওপৰত বিশেষ দৃষ্টি ৰখাটো অধিক প্ৰয়োজনীয়। সেইকাৰণে আমি ড পাঠকৰ উক্তি আৰু বিক্ষোভৰ পম খেদাটো যুক্তিযুক্ত বুলি বিবেচনা কৰিলো। খবৰ লৈ আমি জানিব পৰা কথাখিনি হ'ল ড পাঠকে যাৰ কথা কৈছে, তেওঁ ১৯৭২ চনত দিল্লী বিশ্ববিদ্যালয়ৰ পৰা পদাৰ্থ বিজ্ঞানত প্ৰথম শ্ৰেণীত এম এছ ছি পাছ কৰে। তাৰ পাছত তেও গণিতৰ এটা বিষয় (harmonic analysis) লৈ গৱেষণা কৰে। ১৯৭৯ চনত তেও কানপুৰৰ আই আই টিৰ পৰা ডক্টৰেট পায়। তাৰ পাছত তেওঁ আমেৰিকা যুক্তৰাষ্ট্ৰৰ হিউষ্টন বিশ্ববিদ্যালয়ত কমপিউটাৰ বিজ্ঞান অধ্যয়ন কৰে আৰু ১৯৮২ চনত সেই বিশ্ববিদ্যালয়ৰ এম এছ ডিগ্ৰি লাভ কৰে। ১৯৮৪ চনৰ জানুৱাৰি মাহত তেও এখন কলেজৰ গণিত বিভাগৰ চাকৰি এটাত অস্থায়ী শিক্ষক হিচাপে (ৰেগুলেছন থ্ৰি-এফৰ অধীনত) চাকৰি পায়। ১৯৮৪ চনৰ বছৰটোৰ ভিতৰতে অসম লোকসেৱা আয়োগে কলেজখনৰ গণিত বিভাগৰ চাকৰি এটাত স্থায়ী নিযুক্তিৰ বাবে ব্যৱস্থা হাতত লয়। এই শিক্ষকজনে জানিব পাৰে যে তেওঁক ইণ্টাৰভিউলৈকে মতা নহ'ব, কাৰণ তেওঁ পদাৰ্থ বিজ্ঞানতহে এম এছ ছি পাছ কৰা মানুহ, আনহাতে চাকৰিটো হ'ল গণিত বিভাগৰ। গতিকে এবছৰ গণিত পঢ়োৱাৰ পাছত তেওঁ চাকৰিটো এৰি দিলে। কোনো-কোনোৱে তেওঁক উপদেশ দিছিল—তুমি পদাৰ্থ বিজ্ঞান বিভাগৰ চাকৰি এটাৰ কাৰণে দৰখাস্ত কৰা। কিন্তু তেওঁৰ মতে এইটো বেছি অযুক্তিকৰ কথা হ'ব, কাৰণ তেওঁ প্ৰথম ছবছৰমান পদাৰ্থ বিজ্ঞান পঢ়িছে, কিন্তু পাছৰ বাৰ বছৰমান গণিত

বিজ্ঞানহে চৰ্চা কৰিছে।

আলোচনাৰ আৰম্ভণিতে ধৰি লৈছো,—প্ৰচলিত বিধিমতে অসম লোকসেৱা আয়োগে ঠিক কাম কৰিছে। গণিতৰ অধ্যাপকৰ বাবে গণিতৰ এম এছ ছি পাছ কৰা মানুহ লাগিব। সেইটো বায় দৰখাস্তবোৰ পৰীক্ষা কৰা প্ৰথম কৰ্মচাৰীজনেই দিব দি পাৰে। বিধি উলংঘা কৰি লোকসেৱা আয়োগে কাম কৰিব নোৱাৰে। দ্বিতীয়তে আমি ধৰি লৈছো—আজিলৈকে লোকসেৱা আয়োগে চাকৰিত মকৰল কৰাৰ ক্ষেত্ৰত কেতিয়াও বিধি উলংঘা কৰা নাই।

এতিয়া কথা হ'ল, এনেকুৱা ক্ষেত্ৰত সুপৰামৰ্শবোৰ আহিব লাগে দেশৰ জ্ঞানী-গুণী-চিন্তাবিদ-শিক্ষাবিদ দূৰদৃষ্টিসম্পন্ন ব্যক্তিসকলৰ পৰা। এটা স্বতন্ত্ৰ শিক্ষাৰ বিভাগবোৰৰ কিছুমান বেৰ নমনীয় (flexible) হৈ যায়, বহু সময়ত কিছুমান বেৰ খহি যায়। বুৰঞ্জী, ৰাজনীতিবিজ্ঞান, অৰ্থনীতি-বাণিজ্য, পদাৰ্থ বিজ্ঞান-গণিত,— এইবোৰ বিষয়ৰ ওপৰমহলাৰ মাজৰ বেৰবোৰ এম এছ ছি ডিগ্ৰিটোৱেহে অনাহকত দৃঢ় কৰে। (ভাৰতৰ নতুন শিক্ষানীতিত ডিগ্ৰিৰ মূল্য বহু কমিব বুলি কথা ওলাইছেই।) মানুহৰ জ্ঞান যিমানে বাঢ়িছে, এই বেৰবোৰৰ আচল জোৰ সিমানে নাইকিয়া হৈ গৈছে। কাম চলাবৰ কাৰণে কিছুমান বিধি প্ৰণয়ন কৰিব লাগিবই, কিন্তু জ্ঞান-বুদ্ধিৰ বিকাশৰ লগে-লগে সেই বিধিবোৰৰ নমনীযতাও যথোপযুক্তভাৱে, উচিতভাৱে বঢ়াব-কমাব লাগে। এই কাম আমোলাসকলৰ অফিছটোৱে অকলে কৰিব নোৱাৰে,ইয়াৰ বাবে পৰামৰ্শটো আহিব লাগিব গুণী-জ্ঞানী দূৰদৃষ্টিসম্পন্ন ব্যক্তিসকলৰ পৰা। অৰুণাচলৰ স্কুলত কমপিউটাৰ স্থাপিত হৈছে , গুৱাহাটী বিশ্ববিদ্যালয়ৰ কমপিউটাৰটোৰ যথাযথ ব্যৱহাৰ হোৱা নাই , বিশ্ববিদ্যালয়ৰ কমপিউটাৰটোৰ যিমান দাম আছিল তাৰ পাঁচ ভাগৰ এভাগ দামত এতিয়া ভাল কমপিউটাৰ পোৱা যাব, অসমত কমপিউটাৰ বিজ্ঞানৰ প্ৰসাৰ ঘটাব লাগিব ,— এইবোৰ কথা বিবেচনা কৰি চাকৰিৰ বিজ্ঞাপনৰ ভাষা অসম লোকসেৱা আয়োগে নিজেই flexible বা সলনি কৰিব নে ? কৰিলেতো ভালেই। কিন্তু কামটো কৰিবই লাগিব সংশ্লিষ্ট বিভাগবোৰৰ বিদ্বানসকলে। "আমাক কেতিয়াবা কমপিউটাৰ লাগিবনে ? লাগিলে এতিয়াই কি কৰা দৰকাৰ ?" — এইবোৰ চিন্তা কৰি সিদ্ধান্তটো তেখেতসকলে আমোলাসকলৰ ওপৰত জাপি দিব লাগিব। উচিত সিদ্ধান্তৰ শক্তি আছে। তেখেতসকলেতো ভাগিন-ভতিজাক অন্যায়ভাৱে চাকৰিত সুমুৱাবলৈ বিধি-বিধান কৰিবলৈ কোৱা নাই। উক্ত শিক্ষকজনৰ ঘটনাটো এটা উদাহৰণহে। সকলো অৰ্হতাসম্পন্ন লোকৰ ওপৰত দেশৰ আৰু ৰাইজৰ মংগলৰ কাৰণে প্ৰয়োজনৰ দিশৰ পৰা দৃষ্টি ৰাখিব লাগে।

২৭। ২। ৮৫

# জ্যোতি-স্তৰ, বিষ্ণু-স্তৰ

যোৱা বছৰৰ নৱেম্বৰ মাহত এগৰাকী পত্ৰলেখকে সুধিছিল,— "আমাৰ যে স্মৰণীয় ব্যক্তি সকলক উপাধি একোটা দিয়া হয় (লোকপ্ৰিয়, ৰূপকোৱৰ আদি) এইবোৰ কোনে দিয়ে ? আমি সকলোৱে সেই উপাধিবোৰ লিখা-মেলা, কথা বতৰাত ব্যৱহাৰ কৰোঁ, সেইকাৰণে কোনে সেইবোৰ দিয়ে সেইটোও দৰকাৰী কথা। কথাটো কোনোবাই আপোনাৰ আলোচনীৰ যোগে জনালে উপকৃত হম।" আমি এই বিষয়ে কাৰো পৰা উত্তৰ নাপালো। আমিও সঠিক উত্তৰ দিব পৰা নাই। ভাবিছিলো— উক্ত পত্ৰলেখকৰ অনুসন্ধানৰ ফলত আমাৰো লাভ হ'ব, কিন্তু আজিলৈকে হোৱা নাই। পত্ৰলেখক গৰাকীয়ে আৰু এটা কথা কৈছিল : "মই বিষ্ণু প্ৰসাদ ৰাভাক কলাগুৰু উপাধি নিদিলোহেঁতেন, কাৰণ তেখেতৰ কাৰণে আন উপযুক্ত উপাধি আছে।"

এটা জাতিৰ সাহিত্য-সংস্কৃতিৰ বুৰঞ্জীৰ বাবে এইবিলাক সৰু হ'লেও গুৰুত্বপূৰ্ণ কথা। উল্লিখিত কথাটোৰ সূত্ৰ ধৰি আমি তাৰ লগত সম্পৰ্ক থকা অইন এটা প্ৰসংগলৈ আহোঁ। আমাৰ ভাষা-সংস্কৃতিৰ ক্ষেত্ৰত বিভিন্ন বিষয়ৰ প্ৰকৃত ৰস আৰু উৎকৃষ্টতাৰ বিচাৰ কৰি সুচিন্তিত মতামত দিয়া, আৰু সেই মতামতক বুৰঞ্জীৰ বুকুলৈ লৈ যোৱা প্ৰক্ৰিয়াটো দুৰ্বল। সাহিত্য, সংগীত, চাৰুকলা আদি বিভিন্ন ক্ষেত্ৰৰ কোনবোৰ সৃষ্টি সাৰ্থক আৰু ৰসোত্তীৰ্ণ, সেইবোৰৰ— আৰু লগতে সেইবোৰৰ সৃষ্টিকৰ্তাৰ বৈশিষ্ট্য কি, সেই সম্পৰ্কে শুদ্ধ বিচাৰ আৰু ৰায় আমি সহজে নাপাও। কোন গৰাকী চিত্ৰকৰ তেখেতৰ কোনকেইখন চিত্ৰৰ বাবে শিল্পী হিচাপে স্বীকৃত হোৱা উচিত, তাৰ কৰ্তৃত্বশীল খতিয়ান পাবলৈ নাই। কিন্তু ভালেমান লোকে এনে খতিয়ান বিচাৰে। বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ আগ্ৰহী আৰু পৰিশ্ৰমীসকল জানিবৰ বাবেই হওক বা কলেজৰ পৰীক্ষাৰ বাবেই হওক বা প্ৰবন্ধ লিখিবৰ বাবেই হওক, এনে খতিয়ানৰ সন্ধানত থাকে। এওঁলোকে শ্ৰেণীত অধ্যাপকে কোৱা কথা, সহায়িকা পুথি, আলোচনী আদিত প্ৰকাশিত সমালোচনামূলক প্ৰবন্ধৰ পৰাই মতামত সংগ্ৰহ কৰে, বহুতে সেইবোৰকে সম্পূৰ্ণ শুদ্ধ বুলিয়েই গ্ৰহণ কৰে। এওঁলোকৰ জৰিয়তেই সেই মতামতবোৰে স্বীকৃতি পায়, শক্তি পায়, প্ৰচলনৰ সুবিধা পায়। মতামতবোৰ গ্ৰহণযোগ্য হয়নে নহয় সেই বিষয়ে এওঁলোকে সুকীয়াকৈ বিচাৰ নকৰে। কোনো এজন লেখকৰ লেখা সম্পৰ্কে যদি— "এখেতৰ ৰচনাত ষ্ট্ৰিম অৱ কনছাছনেছ পৰিলক্ষিত হয়"— বুলি এষাৰ কথা ওলাল, তেনেহ'লে সেই কথাষাৰ ভুল হ'লেও, প্ৰত্যাহ্বান বা সমালোচনাৰ সম্মুখীন নোহোৱাকৈয়ে সাহিত্যৰ বুৰঞ্জীৰ বুকুলৈ আগবাঢ়ে। আমাৰ বুৰঞ্জী

লিখোতেই পলম হয়। তাৰ শুধৰণীৰ বাবে আৰু বেছি সময় লাগে। শুধৰণী হোৱাৰ আগতে ভুলেই স্বীকৃতি লাভ কৰিব খোজে। অৱশ্যে যুগে-যুগে সকলো ঠাইতে শুদ্ধভাৱে বিচাৰ কৰিব পৰা লোক ওলায়, তেওলোকে চালি জাৰি তথ্য-পাতিৰ ভেটিত বুৰঞ্জীৰ গত লগায়। আমাৰ ইয়াতো নিশ্চয় তেনেকুৱা ঘটনা ঘটিব , কিন্তু চিন্তাশীল, ৰসজ্ঞ সমালোচকসকলে লগে-লগে উচিত বিচাৰৰ দ্বাৰা বুৰঞ্জী যিমান পাৰে শুদ্ধকৈ ৰচনা কৰি গ'লে লাভ বেছি হয়। আমাৰ পত্ৰলেখকগৰাকীয়ে যদি আজি বিষ্ণুপ্ৰসাদ ৰাভাৰ চিন্তা, কাৰ্য আৰু জীৱনধাৰাৰ বিস্তৃত সমালোচনা আগবঢ়াই কয়—তেখেতৰ উপাধি কলাগুৰু হ'ব নালাগিছিল,— এইটোহে হ'ব লাগিছিল,তেনেহ'লে লাভ কিটো হ'ব ?

এটা সুনিৰ্দিষ্ট কথালৈ আহো। অসম সাহিত্য সভাৰ বিহপুৰীয়া অধিবেশনৰ সাংস্কৃতিক সম্মিলন এখনৰ (১০/২/৮৫) উদ্বোধক শ্ৰী ৰাজেন পামে তেখেতৰ ভাষণত "অসমীয়া সংস্কৃতিৰ এই আধুনিক স্তৰটোক জ্যোতিৰ স্তৰ আৰু বিষ্ণুৰ স্তৰ হিচাপে দুটা ভাগত ভাগ কৰি ফহিয়াই", জ্যোতি-স্তৰত কি ঘটিল, বিষ্ণু-স্তৰত কি ঘটিল সেই বিষয়ে কৈছে। গতিকে, জ্যোতি-স্তৰ আৰু বিষ্ণু-স্তৰ নামে অসমীয়া সংস্কৃতিৰ দুটা স্তৰৰ নামকৰণ হ'ল। এই দুটা নামতো প্ৰচলিত হোৱাৰ সম্ভাৱনাও আছে। এতিয়া কথা হ'ল, অসমীয়া সংস্কৃতিৰ ইতিহাসত এই দুটা স্তৰৰ নাম যুক্তিযুক্ত হয় নে নহয়, তাৰ বিচাৰ আৰু সিদ্ধান্ত লগে-লগে হ'ব লাগে। এছোৱা সময়, এদল লেখক-লেখিকাৰ সৃষ্টি, সামগ্ৰিক অৱদান ইত্যাদি নানা কথা বিচাৰ কৰি আমি "আৱাহন যুগ"ৰ নিচিনা একোটা শব্দ ব্যৱহাৰ কৰো। তেনে ধৰণৰ বিচাৰেৰে আমি আধুনিক অসমীয়া সংস্কৃতিৰ এটা "স্তৰ" নিৰ্ণয় কৰিব পাৰোনে নোৱাৰো ? যদি পাৰো, সেইটো জ্যোতিৰ স্তৰ নে, বিষ্ণুৰ স্তৰ নে, দুয়োজনৰে উমৈহতীয়া স্তৰ ? নে কাৰো স্তৰ নহয় ?

নাম দুটাই প্ৰচলন লাভ কৰাৰ আগতে এটা ভাল আলোচনা শুনিব বা পঢ়িব খোজো।

১৪/৩/৮৫

# শ্ৰদ্ধাভাজন প্ৰতিবেশী

এটা সক জাতি সসম্মানে জীয়াই থকাৰ লক্ষণসমূহৰ কথা ভাবিলে, বিশেষকৈ অসমত বহি ভাবিলে, তৎক্ষণাত মণিপুৰীসকললৈ মনত পৰে।

প্ৰায় দহ বছৰ কাল গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃকলেজ ক্ৰীড়া মহোৎসৱ ঘনিষ্ঠভাৱে চাইছিলো, প্ৰায় প্ৰত্যেক বছৰে প্ৰতিযোগিতাৰ ফলাফল সম্পৰ্কে দৰ্শকসকলে কৈছিল,— আচলতে এই প্ৰতিযোগিতাবোৰ মণিপুৰৰ কলেজ কেইখনৰ মাজতেহে হয়, প্ৰতিযোগিতাৰ ঠাইখনহে ইয়াত থাকে। সেই কালছোৱাত আৰু বেছি ঘনিষ্ঠভাৱে লক্ষ্য কৰিছিলো বিশ্ববিদ্যালয়খনৰ আন্ত কলেজ যুব মহোৎসৱ। এই মহোৎসৱৰ প্ৰতিযোগিতাত শাস্ত্ৰীয় নৃত্য, শাস্ত্ৰীয় কণ্ঠ-সংগীত, দলীয় নৃত্য আদিত মণিপুৰী ছাত্ৰ-ছাত্ৰীসকলে, আৰু আধুনিক গীত, সমবেত গীত, একাংক নাটক আদিত ব্ৰহ্মপুত্ৰ উপত্যকাৰ কলেজসমূহৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰভুত্ব বিস্তাৰ কৰিছিল। কি-কি বিষয়ত কোনে, কি ধৰণে প্ৰভুত্ব বিস্তাৰ কৰিছিল, তালৈ চালেই পটভূমিৰ জাতিগত বৈশিষ্ট্যৰ আভাস পোৱা গৈছিল। পাছৰ কেইবছৰত দেখা গ'ল— আধুনিক গীত, সমবেত গীত, একাংক নাটকতো (মণিপুৰী ভাষাতে পৰিবেশিত) মণিপুৰী ছাত্ৰ-ছাত্ৰীসকলে প্ৰভুত্ব বিস্তাৰ কৰিবলৈ ললে। ইয়াত তেওঁলোকৰ প্ৰতিযোগীসুলভ দৃঢ়তা, প্ৰতিভা, জাতিটোৰ সম্পদ আৰু যিসকলে তেওঁলোকক শিকাই-বুজাই পঠিয়ায়, তেওঁলোকৰ জ্ঞান-গৰিমা আৰু পৰিশ্ৰম প্ৰতিফলিত হ'ল। এইবোৰ ছাত্ৰ-ছাত্ৰীৰ পৰ্যায়ৰ কথা, প্ৰতিযোগিতাৰ পৰ্যায়ৰ কথা, কিন্তু জাতিটোৰ সামগ্ৰিক শক্তিৰ বিচাৰত প্ৰথমে লক্ষ্য কৰিবলগীয়া কথা।

উচ্চতৰ পৰ্যায়ত, বহল পটভূমিত জাতিটোৰ সাংস্কৃতিক ৰূপ আৰু বেছি মোহনীয়। দূৰত থাকিও সেই ৰূপ উপলব্ধি কৰিব পাৰি। আজি সমগ্ৰ বিশ্বতে মণিপুৰী নৃত্য (বৰ ভ্ল', একে সোপাকে ৰিপিট কৰি থাকে, বেছি সময় চাই থাকিব নোৱাৰি, ব'ৰিং!) সন্মান আৰু আদৰৰ আসনত প্ৰতিষ্ঠিত। বিভিন্ন কলা-কৌশল অৱলম্বন কৰি এদল মণিপুৰী শিল্পীয়ে নাট্যানুষ্ঠানক এনে এটা পৰ্যায়লৈ নিছে— যিটো পৰ্যায় এটা সামগ্ৰিক জাতিগত সাংস্কৃতিক গুণৰ সহায় নহ'লে পাব নোৱাৰি। (পাঠকসকলে 'পেবেট' নামৰ লোক-কাহিনীৰ আধাৰত নিৰ্মিত নৃত্যাভিনয়মূলক চুটি চলচ্চিত্ৰখন সুবিধা পালে চাব।) চলচ্চিত্ৰ নিৰ্মাণ মণিপুৰত পলমকৈ আৰম্ভ হৈছে, কিন্তু জন্ম লাভ কৰিয়েই এই শিল্পই ভাল বাটেৰে খোজ লৈছে। ছোৱালী এজনীয়ে প্ৰশিক্ষণ লৈ আহি গাঁৱলৈ গ'ল সাধাৰণ মানুহৰ মাজত উন্নয়নমূলক কাম কৰিবলৈ। তাত আবিৰ্ভাৱ হ'ল প্ৰেমৰ, শত্ৰুৰ,

মাৰণিপ্টৰ। এটা উচ্ছৃংখল ডেকা হোৱালীজনীৰ সুপ্ৰভাৱত ভাল হৈ গ'ল, সি গাঁৱৰ উন্নয়নমূলক কামত লাগিল। কিন্তু ছোৱালীজনী থাকি গ'ল মাতৃভূমিৰ সেৱাৰ কামত— অকলে। সাধাৰণ কাহিনী। অলপ ইফাল-সিফাল হ'লেই এই কাহিনীৰ আধাৰত নিৰ্মিত চলচ্চিত্ৰখন তৃতীয় শ্ৰেণীৰ ডকুমেণ্টেৰি হৈ যাব পাৰে। কিন্তু চলচ্চিত্ৰখন চাই থাকোঁতে এগৰাকী কৃতী চলচ্চিত্ৰ সমালোচকে মাজতে ক'বলৈ বাধ্য হৈছিল— পৰিচালকজনে ছবি কৰিব জানে। চলচ্চিত্ৰখন (লাংলেন থাদই, পৰিচালক এম এ সিং) সৰ্বভাৰতীয় পৰ্যায়ত উপস্থিত হ'লগৈ। এই যে ইখনৰ পাছত সিখনকৈ মণিপুৰী চলচ্চিত্ৰই সুন্দৰ দাগ কাটিবলৈ আৰম্ভ কৰিছে ই এটা বিক্ষিপ্ত ঘটনা, আচম্বিতে ঘটি যোৱা ঘটনা নহয়।

মণিপুৰ এখন বিচ্ছিন্ন ৰাজ্য নহয়। পঞ্চাছখনৰ ঠাইত চাৰিশখন সৰ্বভাৰতীয় বাছৰ পাৰমিট দি তাৰ পৰিবহন সঞ্চালকো ছি বি আইৰ কবলত থাকে। বিদ্ৰোহীৰ গুলীও তাত কম নুফুটে। কিন্তু জাতি হিচাপে আজি মণিপুৰীসকল এক শক্তিশালী, শ্ৰদ্ধাভাজন অৱস্থাত অধিষ্ঠিত। ইয়াৰ এটা ডাঙৰ কাৰণ হ'ল জাতিটোৰ সাংস্কৃতিক সততা আৰু গভীৰতা। পৰিবহন সঞ্চালক, বিদ্ৰোহী বা জনসাধাৰণৰ কোনেও সংস্কৃতিক নিজৰ সুবিধামতে গঢ়িবলৈ চেষ্টা নকৰে। দুটামান আধুনিক পাক লগাই দি মণিপুৰী নৃত্যক "জনপ্ৰিয়" কৰিবলৈ চেষ্টা কৰাটো তাত এটা ঘৃণনীয় অপৰাধ বুলিয়েই গণ্য কৰা হয়। শুদ্ধ ৰূপত এটা বস্তু জনপ্ৰিয় হোৱাটোহে যে "মহান জনপ্ৰিয়তা", সেই জনপ্ৰিয়তাৰ বাবে যে জনসাধাৰণৰ সামগ্ৰিক মানসিকতাও এক বিশেষ সংস্কৃতিসুলভ চৰিত্ৰৰ হ'ব লাগে,— এইবোৰ কথা উপলব্ধি কৰিবলৈ আমি ব্ৰহ্মপুত্ৰ উপত্যকাৰ পৰা বেছি দূৰলৈ নাচাই মণিপুৰলৈকে চাই থকা ভাল।

বৰগীত, ভাওনা, সত্ৰীয়া নাচ, লোকগীতৰ পৰা আৰম্ভ কৰি বিহু নাচ, আধুনিক গীতলৈকে সকলো বস্তু চৰ্চাৰ ক্ষেত্ৰত গভীৰতা আৰু সততাৰ অভাৱৰ লগতে "জনপ্ৰিয়তা"ৰ চিন্তাই আমাৰ সৰ্বনাশ কৰি আছে।

২৯/৩/৮৫

# কাৰ্নিভেলৰ দৰ্শক

ভালেমান দিনৰ আগৰ কথা। দুৰ্গা পূজাৰ সময়। এটা চুবুৰিত গধূলি সময়ত হঠাতে এটা হুলস্থূল লাগিল। এঘৰত কান্দোনৰ ৰোল উঠিল। টানিটুনি দৰিদ্ৰ পৰিয়ালটোক খুৱাব পৰাকৈ উপাৰ্জন কৰি থকা ঘৰখনৰ মূল মানুহজনক কাৰ্নিভেল খেলত ছুৰী মাৰিলে। কোনে? যদুৱে (ধৰি লওক)। যদু অইন এটা চুবুৰিৰ সম্ভ্ৰান্ত পৰিয়ালৰ ডেকা। তেওঁৰ ভালেমান অঙহী-বঙহী আঢ্যৱন্ত, প্ৰতিপত্তি থকা লোক। সেই যদুৱে ছুৰী মাৰিলে? হয়, মাৰিলে। সি মদৰ নিচাত আছিল, তাতে কাৰ্নিভেলৰ খেলৰ পৰিবেশ। লাগিল কিবা কাজিয়া, দিলে মাৰি। শেষ ৰাতি দৰিদ্ৰ মানুহজন মৰি থাকিল। পুৱালৈ গোটেই চহৰখনত খবৰটো বিয়পি পৰিল। ছুৰী মাৰি মাৰিলে। ছি ছি! হায় হায়! যদুক পুলিছে গ্ৰেপ্তাৰ কৰিলে। তেওঁলোকৰ পৰিয়ালৰ ফালৰ পৰা দৰিদ্ৰ পৰিয়ালটোৰ লগত টকা-পইচা দি মিটমাট কৰাৰ কথা-বতৰাও চলিল, কিন্তু দৰিদ্ৰ পৰিয়ালটো তেতিয়া মান্তি নহ'ল। মকৰ্দমা চলিল। যদুৰ জেল হ'ল। আপিল হ'ল। যদুৱে খালাচ পালে। কাৰ্নিভেলত উপস্থিত থকা ইমানবোৰ মানুহৰ কথা, ছুৰী মাৰি কোনখন বেৰ পাৰ হৈ যদু কাৰ ঘৰৰ চোতালেদি পলাইছিল সেই বিষয়ে ইমানবোৰ চিত্ৰবৎ বৰ্ণনা,— এইবোৰ গুজব, উৰাবাতৰিত পৰিণত হ'ল।

একোটা অভিযোগ সঁচা বা মিছা বুলি প্ৰতিষ্ঠা কৰাৰ প্ৰশ্ন উঠিলেই সদায় সেই ঘটনাটোলৈ মনত পৰে। কি কঠিন কাম! এখন ছুৰী যে ব্যৱহাৰ কৰা হৈছিল, সেই দৰিদ্ৰ মানুহটো যে মৰিল, সেইবোৰ নিৰ্ঘাত সত্য, আনহাতে আদালতৰ ৰায়ো মান্য। তেনেহ'লে গণ্ডগোলটো ক'ত? যদু নিৰপৰাধ, কিন্তু মধু ক'ত?

বৰ্তমানৰ দুৰ্নীতিক সেই ছুৰীখন, আৰু দুৰ্নীতিয়ে সমাজৰ যি অপকাৰ কৰিছে তাক সেই দৰিদ্ৰ মানুহজনৰ মৃতদেহ বুলি ধৰিব পাৰি। কিন্তু মধুক ধৰাটো বৰ কষ্টকৰ কাম। এই কষ্ট যদি আন্তৰিকতাৰে, সততাৰে, কঠোৰ পৰিশ্ৰমেৰে কৰা নহয়, তেনেহ'লে মধুও যদু হৈ যায়। পৰি থাকে কেৱল ছুৰী আৰু মৃতদেহ।

দুৰ্নীতিৰ কথা, বিশেষকৈ আৰ্থিক দুৰ্নীতিৰ কথা এতিয়া ইমান বেছিকৈ কোৱা হয় যে শব্দটোৰ গুৰুত্ব নাইকিয়া হৈ পৰিছে, শব্দটো বিৰক্তিকৰ, আমনিদায়ক হৈ পৰিছে। হয় আমি ছুৰীৰ কাৰখানাত কাম কৰা মানুহৰ নিচিনা হৈ পৰিছো, নহয়

সেই "দুৰ্গা পূজাৰ কাৰ্নিভেল" খেলৰ দৰ্শক হৈ পৰিছো। কিন্তু আচলতে ঘটনাবোৰ এনেকুৱা হোৱা উচিত নাছিল।

ঘটনাবোৰ এনেকুৱা হোৱাৰ কেইবাটাও কাৰণৰ ভিতৰত এটা প্ৰধান কাৰণ হৈছে ৰাজহুৱাভাৱে দুৰ্নীতি সম্পৰ্কীয় নিৰ্দিষ্ট অভিযোগ উত্থাপনৰ ক্ষেত্ৰত উত্থাপনকাৰীৰ দুৰ্বলতা। বাতৰিকাকতত এটা চৰকাৰী বিভাগৰ কামৰ বিৰুদ্ধে অভিযোগ ছপা হ'ল, দুদিনমানৰ পাছতে বিভাগটোৱে অভিযোগটো ভিত্তিহীন বুলি এটা বিবৃতি প্ৰকাশ কৰিলে। ঘটনাটো সিমানতে শেষ। কাৰ লাভ হ'ল ? দুৰ্নীতিত সঁচাকৈয়ে লিপ্ত হৈ থকা বহুতো বিভাগৰ লাভ হ'ল। সেই বিভাগবোৰৰ মানুহৰ ক'বলৈ হ'ল,— "এ পেপাৰৰ কথা বাদ দিয়া। তেওঁলোকে লিখিলেই হ'লনে ? প্ৰমাণ কৰিব পাৰিব ?" তেওঁলোকৰ সাহস বাঢ়িল, বাতৰিকাকতৰ দৰে এক শক্তিশালী প্ৰতিষ্ঠানৰ বিশ্বাসযোগ্যতা, নিৰ্ভৰযোগ্যতা কমিল। এইটো বৰ ক্ষতিকৰ কথা। অকাট্য প্ৰমাণ, তথ্য-পাতি আদি হাতত ৰাখি, সত্য প্ৰতিষ্ঠা কৰাৰ দৃঢ়তা আৰু নিষ্ঠাৰে কাম নকৰিলে প্ৰতিপক্ষক সুবিধা দি জয়ী কৰাহে হয়। আনহাতে পৰিশ্ৰমী, অনুসন্ধানী, তথ্যনিৰ্ভৰ সংবাদসেৱী বা বাতৰিকাকতে এক্ষোখন দেশৰ চৰকাৰৰ উত্থান-পতন ঘটোৱাৰ উদাহৰণো বহুত আছে। একে ধৰণৰ কথা বিধান সভাৰ নিচিনা প্ৰতিষ্ঠানৰ ক্ষেত্ৰতো ক'ব পাৰি। এগৰাকী সদস্যই সাংঘাতিক ধৰণৰ অভিযোগ উত্থাপন কৰিলে, চব্বিছ ঘণ্টাৰ কাৰণে হৈ-চৈ লাগিল, চব্বিছ ঘণ্টাৰ মূৰত বিভাগীয় মন্ত্ৰীয়ে উত্তৰ দিলে,— এইবোৰ মিছা। তাৰ পাছত সকলো নিস্তব্ধ। বিভাগীয় মন্ত্ৰীৰ শক্তি বহুগুণে বাঢ়িল। কিন্তু অভিযোগ উত্থাপনকাৰী সদস্যজনে যদি তথ্য-পাতি, সাক্ষী-প্ৰমাণৰ জোৰত শেষলৈকে যুঁজি অভিযোগটো সঁচা বুলি সাব্যস্ত কৰিব পাৰিলেহেঁতেন, তেনেহ'লে সেইখন সমাজৰ বাবে উপকাৰী যুদ্ধ বুলি পৰিগণিত হ'লহেঁতেন। আৰু, বাতৰিকাকত, বিধান সভাৰ নিচিনা মহান প্ৰতিষ্ঠানসমূহৰ ভূমিকাও যেতিয়া ফলপ্ৰসূ নহয়, তেতিয়া ক্ৰমান্বয়ে অধিক সংখ্যক লোক "দুৰ্গাপূজাৰ কাৰ্নিভেল"ৰ দৰ্শক হৈ পৰে। যদু নিৰপৰাধী, মধুৰ অস্তিত্বই নাই।

১১/৪/৮৫

# কেছেট

গান-বাজনা, অভিনয়, লিখা-মেলা আদি কলাৰ ভাগৰ বিষয় কিছুমানৰ প্ৰতি আগ্ৰহ থকা, সেইবোৰ সাধাৰণভাৱে চৰ্চা কৰা বহুলোক ৰাজ্যখনত সিঁচৰতি হৈ আছে। এওঁলোকক কেইবা ভাগতো ভগাব পাৰি। এবিধ লোকৰ সঁচাকৈয়ে প্ৰতিভা আছে, এওঁলোকৰ মাজৰ কিছুমানৰ সুবিধাৰ সৃষ্টি কৰি, সুবিধা গ্ৰহণ কৰি ওলাই অহাৰ ক্ষমতা থাকে, কিছুমানৰ নাথাকে। নথকাসকল হেৰাই যায়। "সুবিধা দিয়া"ৰ কোনো নিৰ্দিষ্ট আনুষ্ঠানিক ব্যৱস্থা ৰাজ্যখনত নাই। আন এবিধ লোকৰ নিজৰ প্ৰতিভা সম্পৰ্কে থকা ধাৰণা শুদ্ধ নহয়। এওঁলোকৰ কিছুমানে নিতান্ত স্থানীয়ভাৱে, এটা স্তৰত এই বিষয়বোৰৰ চৰ্চা কৰি থাকিব পাৰে, থাকেও। কিন্তু এওঁলোকৰে এটা ভাগ উৎসাহী, উচ্চাকাংক্ষী। এই ভাগটোৱে "সুবিধা নোপোৱা" সম্পৰ্কে অনাহক অভিযোগ কৰে। আমাৰ বেছিভাগ লোকৰে বিচাৰ আৰু ৰসবোধ এনে পৰ্যায়ত আছে যে এই অভিযোগবোৰকে তেওঁলোকে ভাব-প্ৰবণতা আৰু উচ্ছ্বাসেৰে গ্ৰহণ কৰে। এই ভাগটোক নিৰুৎসাহ কৰিলে আমাৰ কলাক্ষেত্ৰৰ মংগল হয়, কিন্তু সেই কামটো কৰা নহয়। প্ৰকৃত প্ৰতিভাবান লোক হেৰাই যোৱাৰ ফলত আমাৰ যিমান অপকাৰ হয়, এই ভাগটো হেৰাই নোযোৱাৰ ফলত সিমানেই অপকাৰ হয়। প্ৰতিভা, সাধনা আদিৰ বাহিৰে অইন ধৰণৰ শক্তি-সামৰ্থ্যৰ সহায়ত যেতিয়া এই ভাগটোৰ লোকে ওলাই অহাৰ সুবিধা কৰি লয়, তেতিয়া আমাৰ বেছি অপকাৰ হয়।

বৰ্তমান অসমীয়া গীত-মাতৰ কেছেটৰ অৱস্থাটো লক্ষ্য কৰোঁতে এই কথাখিনি মনলৈ আহিছে। আগতে কেইটামান গ্ৰাম'ফোন ৰেকৰ্ড কোম্পানিয়ে নিৰ্মাণ কৰা ৰেকৰ্ডেই আছিল অসমীয়া গীত-মাতৰ ব্যাপক "ৰাজহুৱা" পৰিৱেশনৰ আহিলা। (সংগীত-অনুষ্ঠানসমূহৰ কথা প্ৰচাৰৰ ব্যাপকতাৰ কথা চিন্তা কৰি বাদ দি থৈছোঁ)। এই কোম্পানিবিলাক আমাৰ পৰা দূৰত আছিল, তাতোকৈ ডাঙৰ কথা, অন্ততঃ ব্যৱসায়িক দিশৰ পৰা হ'লেও, কাৰ গীত-মাত, কোনটো গীতৰ ৰেকৰ্ড কৰিব সেই বিষয়ে তেওঁলোকৰ এটা বাছ-বিচাৰ আছিল। তাৰ পাছত অনাতাৰ কেন্দ্ৰই এটা ব্যাপক ৰাজহুৱা প্ৰচাৰৰ প্ৰতিষ্ঠানৰূপে দেখা দিলে। এই কেন্দ্ৰবো গীত আৰু গায়ক নিৰ্বাচনৰ এটা পদ্ধতি আছে। থকা দৰকাৰ। বাতৰিকাকত, চলচ্চিত্ৰ, অনাতাঁৰ আদি ব্যাপক ৰাজহুৱা প্ৰচাৰমাধ্যমবোৰৰ গুৰুত্বপূৰ্ণ দায়িত্ব আছে, গ্ৰাম'ফোন

ৰেকৰ্ড, কেছেট আদি ৰাজহুৱাভাৱে পৰিবেশন কৰা আহিলাবোৰৰ লগতো একে গুৰুত্বৰ দায়িত্ব জড়িত আছে। অসমীয়া গীত-মাতৰ কেছেট প্ৰস্তুত কৰাৰ ক্ষেত্ৰত এই দায়িত্ব কাৰ হাতত আছে ? চলচ্চিত্ৰৰ বাবে যদি ছেন্সৰ ব'ৰ্ড লাগে, বাতৰিকাকত-আলোচনীৰ বাবে যদি সম্পাদক লাগে, প্ৰেছ ৰেজিষ্ট্ৰাৰ লাগে, তেনেহ'লে ৰাইজৰ মাজত বহুলভাৱে প্ৰচলিত কেছেটৰ ক্ষেত্ৰতো কিবা লাগে নে ?

প্ৰশ্নটো এতিয়াই উত্থাপন কৰাৰ কাৰণ কেইবাটাও। তাৰে প্ৰধান তিনিটা হ'ল (১) বৰ্তমানে অসমৰ ভিতৰতে গীত-মাত ৰেকৰ্ড কৰিব পাৰি, কেৱল ধন হ'লেই হ'ল। সেই ৰেকৰ্ডিঙৰ মাষ্টাৰ কেছেট এটা কৰাই, তাৰ পৰা দিনে প্ৰায় পাঁচশকৈ কেছেট জ্যোতি চিত্ৰবনতে প্ৰস্তুত কৰিব পাৰি, কেৱল ধন হ'লেই হ'ল, (২) উচ্চাকাংক্ষী, প্ৰচাৰপ্ৰিয়, "সুযোগ নাপাওঁ" বুলি অনুচিতভাৱে অভিযোগ কৰি থকা, ৰাজহুৱা উৎসাহ পাব নলগীয়া সেই ভাগটোৰ লোকসকলৰ কিছুমানে কেৱল ধনৰ যোগাৰ কৰিয়েই কেছেট প্ৰস্তুত কৰি বজাৰত চলোৱাৰ সম্ভাৱনা বাঢ়িছে, (৩) বাছ-বিচাৰ নকৰাকৈ দোকানৰ পৰা কেছেট কিনি নি গাৱে-ভূঁয়ে ৰাজহুৱাভাৱে পৰিবেশন কৰা লোক আমাৰ ৰাজ্যখনত অজস্ৰ।

বজাৰত ওলোৱা কিছুমান কেছেটৰ গীতৰ কথা, সুৰ, পৰিবেশন আদি নিম্নস্তৰৰ। এইবোৰে এতিয়াই বেয়া হৈ থকা সাংস্কৃতিক পৰিবেশ আৰু বেয়া কৰিব। আৰু বহুত লোকে কেৱল ধন যোগাৰ কৰিয়েই "সুযোগ পোৱা"ৰ ব্যৱস্থা কৰিব, অৱস্থা আৰু বেয়ালৈ যাব। টেপ ৰেকৰ্ডাৰত গীত ৰেকৰ্ড কৰি বন্ধু-বান্ধৱ-আত্মীয়-স্বজনৰ সৈতে বজাই শুনাটো এটা কথা, কিন্তু ৰাজহুৱাভাৱে কেছেট বিতৰণ কৰাটো বেলেগ কথা। বস্তুটোৱে জনপ্ৰিয়তা লাভ কৰিবলৈ আৰম্ভ কৰোঁতেই এক ধৰণৰ ছেন্সৰ, বা ৰাজহুৱাভাৱে বিতৰণৰ অনুমতি দিয়া-নিদিয়াৰ ব্যৱস্থা হ'ব লাগে। আমি আৰ্থিক দিশটোৰ কথা এতিয়াই কোৱা নাই, কৈছোঁ সাংস্কৃতিক দিশটোৰ কথা।

২৭। ৪। ৮৫

# সংৰক্ষণ সম্পৰ্কীয় আলোডন

শিক্ষানুষ্ঠানত নাম লগোৱাৰ ক্ষেত্ৰত, চাকৰিত মকৰলৰ ক্ষেত্ৰত, প্ৰমোছনৰ ক্ষেত্ৰত অনুসূচিত জাতি, অনুসূচিত জনজাতি আদিৰ লোকে কিমান সুবিধা পাইছে, কিমান সুবিধা পোৱা উচিত, এওলোকে সুবিধাখিনি পোৱাৰ কাৰণে অননুসূচিত লোক কিমান বঞ্চিত হৈছে, এইবোৰ বিষয়ে আলোচনা কৰিলে দুযোপক্ষৰ কিছুমান শক্তিশালী বক্তব্য শুনা যায়। সম্পূৰ্ণ নিৰপেক্ষভাৱে উদাৰ দৃষ্টিভংগীৰে বক্তব্যবোৰ বিচাৰ কৰিলে দুয়োপক্ষৰ কেইবাটাও বক্তব্যৰ যুক্তিযুক্ততা প্ৰতিপন্ন হয়। আৰু যেতিয়াই কোনো এটা বিষয়ত দুটা পক্ষৰ যুক্তিৰ শক্তি বাঢ়ে, তেতিয়াই বিষয়টো এটা সমস্যাৰ ৰূপ ধাৰণ কৰিবলৈ আগবাঢ়ে। অনুসূচিত জাতি, জনজাতি আদিৰ লোকৰ বাবে বিভিন্ন ক্ষেত্ৰত থকা সংৰক্ষণৰ বিষয়টো এতিয়া সেইফালে আগবাঢ়িছে।

ধৰ্ম আৰু জাত-কুলৰ বিচাৰে ইতিমধ্যে গেলাই পেলোৱা এই দেশখনত এই বিষয়টোকো তিক্ততা, বিদ্বেষ, সংঘৰ্ষৰ সৃষ্টি কৰিবলৈ কেতিয়াও এৰি দিব নোৱাৰি। এই যে পৰহি আহমেদাবাদৰ ওচৰৰ বাপুনগৰ অঞ্চলত সান্ধ্য আইন শিথিল কৰি দিয়াৰ লগে-লগে দুহাজাৰ মানুহে বাটলৈ ওলাই আহি এশটা ঘৰত জুই লগাই দিলে, তেওলোক কোন ? এইযে ১১২ জন মানুহ মৰিল তেওঁলোক কোন ? তেওঁলোক অনুসূচিত বুলি সুবিধা পোৱা আৰু অননুসূচিত বুলি বঞ্চিত হোৱা লোকনে ? শেষ পৰ্যন্ত দেশখনত অনুসূচিত আৰু অননুসূচিত মানুহৰ মাজত মাৰপিট হ'বলৈকে বাকী থাকিলগৈনে ?

কেন্দ্ৰীয় চৰকাৰে, সংসদে বিষয়টোৰ সকলো দিশ বিচাৰ কৰি গোটেই দেশৰ কাৰণে এটা সুস্পষ্ট নীতি ঘোষণা কৰি দিব লাগে,— যাতে নিৰপৰাধ মানুহৰ মৃত্যু নহয়, সা-সম্পত্তি নষ্ট নহয়, মানুহৰ মাজত তিক্ততা-বিদ্বেষ বৃদ্ধি নহয়, দেশখন যেন আৰু জুৰুলা নহয়। দেশখনৰ সংখ্যাগৰিষ্ঠ অননুসূচিত লোকেই সংখ্যালঘিষ্ঠ অনুসূচিত লোকৰ বাবে, দেশখনৰ সামগ্ৰিক মংগলৰ বাবে সিদ্ধান্ত লব, কিন্তু সেই সিদ্ধান্ত অনুসূচিত লোকেও মানিব,— ইয়াত এটা পাৰস্পৰিক সদভাব আছেই, সেই সদভাবৰ ওপৰত সকলোৱে বিশ্বাস ৰাখিব লাগে। স্বাৰ্থজড়িত ৰাজনীতিৰ বেহুৰ বাহিৰত এই সমস্যাৰ সমাধান সম্ভৱ।

বিশেষকৈ অসমৰ কথা মনত ৰাখি এই বিষয়টো উত্থাপন কৰাৰ কাৰণ হৈছে— দেশখনৰ পশ্চিম অংশত বৰ্তমানে চলি থকা সংৰক্ষণ-বিৰোধী আলোডনৰ

ছাত্ৰনেতাসকলে সমগ্ৰ দেশলৈকে সেই আলোডন বিয়পাই দিয়াৰ সংকল্পৰ কথা ঘোষণা কৰিছে। কাইলৈ যদি তেওলোকৰ কেইজনমান আলোড়নৰ কাৰ্যসূচীৰ প্ৰস্তাৱ লৈ অসমত উপস্থিত হয়হি, তেনেহ'লে অসমৰ ছাত্ৰ সমাজৰ, জনসাধাৰণৰ চিন্তা-ভাবনা-সহাৰি কেনে ধৰণৰ হ'ব ?

নানান সমস্যাৰ জটিলতাই এই ৰাজ্যখনক টেটু চেপি ধৰিছে৷ এতিয়া আটাইতকৈ ডাঙৰ কথা হৈছে— বিদেশী সমস্যা সক্ৰান্ত সমস্যাটোৰ এটা সমাধান হ'ব লাগে, আৰু ৰাজ্যখনে দ্ৰুত গতিৰে উন্নতিৰ পথত আগুৱাব লাগে। বিদেশী সংক্ৰান্ত সমস্যাটোৱেই আমাৰ মাজত যথেষ্ট ভাগ-বিভাগৰ সৃষ্টি কৰিলে, ইয়াৰ পাছতো যেন অনুসূচিত-অননুসূচিত বুলি আৰু তিক্ততাৰ সৃষ্টি নহয়। এইটো বিষয়ে ৰাজ্যখনত এতিয়া মূৰ তুলিব লাগিলে আমাৰ সৰ্বনাশ হ'ব। বিদেশী সংক্ৰান্ত সমস্যাটোৰ সমাধান নিবিচৰা, স্বাৰ্থৰ কাৰণে নিম্নখাপৰ ৰাজনীতি কৰা, জাত-কুল সম্পৰ্কে ঘৃণনীয় মনোবৃত্তি থকা মানুহেহে এতিয়া এইখন ৰাজ্যত পশ্চিমৰ ৰাজ্যত হোৱা ধৰণৰ আলোড়নক সমৰ্থন কৰিব। দুটামান পইন্টত মতৰ অমিল হোৱাৰ বাবেই সদৌ অসম ছাত্ৰসন্থাৰ লগত এচাম জনজাতীয় ছাত্ৰৰ কেনেকুৱা বিৰোধ হ'ল, সেই কথাটো বিচাৰ কৰিলেই বুজা যাব— এই সময়ত সংৰক্ষণ সম্পৰ্কীয় বাক-বিতণ্ডা হ'লে তাৰ ফলাফল কিমান ক্ষতিকৰ হ'ব। এচাম মানুহে যে অসমৰ বৰ্তমানৰ আন্দোলনটো ঘাইকৈ বৰ্ণ হিন্দুৰ আন্দোলন বুলি প্ৰচাৰ কৰি আছিল, সেই কথাও আমি সঘনে মনত পেলাই থাকিব লাগিব। গণতান্ত্ৰিক দেশত গণতান্ত্ৰিক পদ্ধতিৰে নিজ মতামত সকলোৱে প্ৰকাশ কৰিব পাৰে,—যিসকলে কৰিব খোজে কৰক,— কিন্তু বৰ্তমানৰ অসমত সংৰক্ষণৰ বিষয়টোৱে যাতে কোনোমতে কুৎসিৎ ৰূপ ধাৰণ কৰিব নোৱাৰে, তালৈ ৰাজ্যৰ মংগলকামী, জাতিৰ মংগলকামী সকলোৱে চকু ৰখা উচিত।

সমগ্ৰ দেশলৈকে সংৰক্ষণ বিৰোধী আলোডন বিয়পাব খোজা নেতাসকলক বোধহয় আমাৰ নেতাসকলে কোৱা উচিত আগতে আমাৰ সমস্যাটো সমাধানৰ বাবে সমগ্ৰ দেশত আলোডনৰ সৃষ্টি কৰা। এইখন ৰাজ্যই যোৱা ছবছৰে ভুগিছে।

১৪। ৫। ৮৫

# মানসিক বিকাৰ

চতুৰ্থ বছৰৰ ষষ্ঠ সংখ্যা প্ৰান্তিকত (১৬/২/৮৫) প্ৰকাশিত 'অন্ধ বিশ্বাস আৰু আমি শিৰোনামাৰ এখন চিঠিৰ জৰিয়তে পাঠশালাৰ শ্ৰী জয়ন্ত কুমাৰ শৰ্মাই কেইটামান ঘোষণা কৰিছিল। তেখেতৰ প্ৰথম ঘোষণাটো আছিল মোৰ মতে ভূত প্ৰেত পিশাচ ইত্যাদি তথাকথিত অশৰীৰী জীৱ (?) বোৰ সম্পূৰ্ণৰূপে কল্পনাপ্ৰসূত। এইবোৰ অতীজতেও নাছিল আৰু বৰ্তমানেও নাই।" শ্ৰী শৰ্মাৰ চিঠিখনৰ সম্পৰ্কত প্ৰান্তিকলৈ ভালেমান চিঠি আহি আছে। বক্তব্য তথ্য ৰস আদিৰ প্ৰতি লক্ষ্য ৰাখি আমি যি কেইখন চিঠি পুনৰ্বিবেচনাৰ বাবে আছুতীয়া কৰিলো তাৰে এখনৰ মূল বক্তব্য আছিল প্ৰথম ঘোষণাটো একেবাৰে ভিত্তিহীন। কালী আইৰ কৃপাত পত্ৰলেখক এজন যাদুকৰ তান্ত্ৰিক তথা প্ৰেতাত্মা পোহা লোক। বিদ্যাৰ প্ৰমাণ দেখুৱাবলৈ শ্ৰী শৰ্মাক তেখেতৰ (শ্ৰী ভাগৱতীৰ) ঘৰলৈ মাতিছে। যদি তেখেতে তেখেতৰ বিদ্যাৰ দেখদেখ প্ৰমাণ দিব পাৰে তেনেহ'লে কিন্তু শৰ্মাই কাণ এখন দিব লাগিব। এইখনৰ তলত পত্ৰলেখকৰ নাম-ঠিকনা এনেকৈ দিয়া আছিল শ্ৰীমৎ কৰুণাকান্ত ভাগৱতী বি এ (অনাৰ্ছ) তান্ত্ৰিক যাদুকৰ মুৰব্বী শিক্ষক সংস্কৃত বিভাগ, দলংঘাট ছোৱালী হাইস্কুল ডাক-দলংঘাট ৭৮৪৫২১ দৰং। চিঠিখনৰ এটা বিশেষ ৰস আছিল কিন্তু এটা চিন্তনীয় দিশো আছিল। গতিকে প্ৰান্তিকৰ সম্পাদকে শ্ৰী ভাগৱতীলৈ এখন চিঠি লিখিলে। তাৰ উত্তৰ আহিল আপোনাৰপৰা অহা চিঠিখন ৩০/৩/৮৫ তাৰিখে পালো। আপুনি সন্দেহ কৰিবৰ কথা নাই। আগৰ চিঠিখন মযে পঠাইছিলো। তলত শ্ৰী ভাগৱতীৰ নাম। ১/৫/৮৫ তাৰিখৰ প্ৰান্তিকত শ্ৰী ভাগৱতীৰ চিঠিখন পত্ৰালাপ শিতানত ছপা হ'ল। তাৰ পাছত আমি এখন চিঠি পালো তাৰ একাংশ হ'ল ০ চিঠিখন আচলতে মই লিখা নহয। মই কোনো প্ৰত্যাহ্বান জনোৱা লোক নহও। কৌতূহল আছে বাবে তন্ত্ৰ-মন্ত্ৰ অলপ-অচৰপ শিকি আছোঁ যদিও মই মন্ত্ৰৰ প্ৰয়োগ নকৰোঁ। মই দলংঘাট ছোৱালী হাইস্কুলত সংস্কৃত বিভাগত শিক্ষকতা কৰোঁ গল্পকাৰ মইনা পাৰিজাতৰ সম্পাদক গীতিকবি তথা জ্যোতিষ শিকাৰুহে। মাজে-মাজে কোনো কোনো ৰোগ নিৰাময়ৰ

উপায হিচাপে ব্যাযাম তথা বনষৌধৰ ব্যৱস্থা কৰি বিনামূল্যে ৰোগী চাও কিছুমানৰ ৰোগ ভাল হয কিছুমানৰ নহয। এইখিনিৰে চেলু উলিযাই কোনোবা ধূৰ্তলোকে মোক ঠাট্টা কৰিবলৈ মোৰ নামতেই চিঠিখন প্ৰান্তিকত প্ৰকাশ কৰিলে। চিঠিখনৰ তলত ভাগৱতীৰ নাম। তাৰ পাছত আমি এখন চিঠি পালো তাৰ কথাখিনি হ'ল (অসম্পাদিত ৰূপত)

আপোনালৈ ক্ষমা প্ৰাৰ্থনা বিচাৰি এইখন লিখিলো। জয়ন্ত কুমাৰ শৰ্মাই লিখা ঘোষণা কেইটিৰ প্ৰত্যাহ্বান স্বৰূপে আমাৰ পূজনীয চাৰ করুণাকান্ত ভাগৱতীৰ নামত এখন চিঠি ১ ১৫ মে সংখ্যা প্ৰান্তিকত প্ৰকাশ হ'ল। কিন্তু এতিযা আমি স্বীকাৰ কৰিবলৈ বাধ্য হৈছো যে সেই চিঠিখন ভাগৱতী চাৰে লিখা নাছিল আৰু সেই বিষযে তেখেতে একোকে নাজানিছিল। আমাৰ পূজনীয ভাগৱতী চাৰে যোগাসন কৰে মানুহৰ হাত চায আৰু সোৱৰণী চাব জানে বাবে আমি ভাবিছিলো যে তেখেত কালীসাধক নাইবা কিবা অলৌকিক শক্তিৰ অধিকাৰী লোক। জযন্ত কুমাৰ শৰ্মাৰ প্ৰত্যাহ্বানটো তেখেতে হেলাৰঙে গ্ৰহণ কৰিব বুলি ভাবি আমি তেখেতৰ নাম ঠিকনাতেই চিঠিখন পঠালো। এইটোও স্বীকাৰ কৰিবলৈ বাধ্য হৈছো যে আমাৰ ভিতৰৰে এজনীযে ভাগৱতী চাৰৰ আখৰ তথা চহীটোও বহু চেষ্টাৰ মূৰত তেখেতে লিখা ধৰণে লিখিব পৰা হ'লো।

আমাৰ চিঠিখন পঠোৱাৰ পিছত প্ৰান্তিকৰ পৰা এখন চিঠি আহে। সেইখনো পিযন পোষ্টমাষ্টৰ তথা চাৰে গম নোপোৱাকৈ আমি অবৈধভাৱে খুলি তাৰ উত্তৰ পঠালো। ভাগবতী চাৰক বিপদত পেলোৱাটো আমাৰ উদ্দেশ্য নাছিল। আমাৰ উদ্দেশ্য আছিল সেই চিঠিখন পঢি জযন্ত কুমাৰ শৰ্মাই কি বুলি প্ৰান্তিকত প্ৰত্যুত্তৰ দিযে তাক চোৱাটোহে। কিন্তু হিতে বিপৰীত হ'ল। ভাগবতী চাৰ এতিযা ভযানক বিপদৰ সন্মুখত। তেখেতৰ বৰ্তমান চাকৰিৰো হতাহতি। আমি গম পোৱা মতে বহুতো আঁতৰৰ মানুহ তেওঁলৈ প্ৰত্যাহ্বান জনাবলৈ তেখেতৰ ঘৰলৈ আহি আছে আৰু কিং কৰ্ত্তব্যবিমূঢ হৈ নিৰ্দোষী ভাগৱতী চাৰে মুখ লুকুৱাই ফুৰিবলগীযাত পৰিছে। প্ৰকৃততে তেখেত এজন নিজু স্বভাৱৰ লোক। কাকো এষাৰ টান কথা আজিলৈকে কৈ পোৱা নাই প্ৰত্যাহ্বান জনোৱাটো দূৰৰ কথা। নিৰাপত্তাৰ খাতিৰত আমাৰ নামকেইটা প্ৰকাশ নকৰিলো। ভাগৱতীচাৰে যেন আমাক অভিশাপ নিদিযে। শেষত ভাগবতী চাৰ তথা প্ৰান্তিকলৈ ক্ষমা প্ৰাৰ্থনাৰে লিখনিৰ সামৰণি মাৰিছো।

(বি দ্ৰ চিঠিখন ১—১৫ জুনৰ প্ৰান্তিক'ৰ পত্ৰালাপ শিতানত প্ৰকাশ

কৰিলে ভাগৱতী চাৰ বিপদৰ পৰা মুক্ত হ'ব বুলি আমি ভাবো।) ইতি—

-**তিনিজনী বিবেচনা হীন ছোৱালী** দল, ঘাট অঞ্চল

কেৱল এই তিনিজনী বিবেচনাহীন ছোৱালী'ৰ প্ৰতি ঘৃণা প্ৰকাশ কৰিবলৈকে আমি এই ঘটনাটো সবিস্তাৰে বৰ্ণনা কৰা নাই। একোটা কুৎসিত মন কেইমিনিটমান সময় এটুকুৰা কাগজ একোটা লেতেৰা কলম আৰু কেইটামান পইচাৰ সহায়ত কিছুমান মানুহে একোজন ব্যক্তি একোটা প্ৰতিষ্ঠান আৰু সামগ্ৰিকভাৱে সমাজৰ কিমান ক্ষতি কৰিব পাৰে সকলো পাঠক-পাঠিকাই সেই কথাটো চিন্তা কৰক— তাৰ ওপৰতহে আমি গুৰুত্ব দিব খুজিছোঁ।

২৭/৫/৮৫

# পত্ৰলেখকৰ চোকা দৃষ্টি

বাতৰিকাকত আলোচনী আদিত প্ৰকাশৰ বাবে (সাধাৰণতে 'সম্পাদকলৈ' লিখা) চিঠি-পত্ৰবোৰৰ মূল উদ্দেশ্য হ'ল একোটা বিষয়ত জনমত গঠনত সহায় কৰা পত্ৰলেখকে জনা আৰু অইনেও জানিবলগীয়া কথা জনোৱা মতামত ব্যক্ত কৰা ৰাজহুৱা স্বাৰ্থজড়িত অভাৱ-অভিযোগ-ঘটনাৰ প্ৰতি সকলোৰে দৃষ্টি আকৰ্ষণ কৰা ইত্যাদি। স্বাভাৱিকতে এই চিঠিপত্ৰবোৰে বাতৰিকাকত-আলোচনীৰ যিমান কম ঠাই খৰচ কৰি যিমান বেছি সুফলৰ সৃষ্টি কৰে সিমানেই মংগল। স্থানীয় কাকতৰ পৰা আৰম্ভ কৰি ৰাষ্ট্ৰীয় আন্তঃৰাষ্ট্ৰীয় কাকতলৈকে — কাকতৰ মান আৰু গুৰুত্ব অনুসৰি চিঠিপত্ৰবোৰৰ বিষয়বস্তুৰ মান আৰু গুৰুত্বও বেলেগ-বেলেগ। বিষয়বস্তু আৰু কাকতখন কোন ভাষাত প্ৰকাশিত হয়— এই দুটাৰ সম্পৰ্কটোৰো গুৰুত্ব আছে। এইবোৰ দিশৰ প্ৰতি লক্ষ্য কৰিলে আমাৰ ভালেমান পত্ৰলেখকৰ সদিচ্ছা আৰু শক্তিৰ ব্যৱহাৰ অধিক ফলপ্ৰসূ হোৱাৰ সম্ভাৱনা আছে বুলি ধাৰণা হয়। উদাহৰণ দিয়াৰ আগতে কৈ লওঁ যিসকল পত্ৰলেখকৰ কথা মনত ৰাখি আমি কথাখিনি কৈছোঁ তেখেতসকলৰ কেৱল ছপা আখৰত আত্মপ্ৰকাশৰ লোভ নাই তেখেতসকলৰ সদিচ্ছা আৰু শক্তি আছে, দেশপ্ৰেম আৰু মানৱপ্ৰেম আছে।

অসমৰ বাহিৰৰ কোনোবা এখন ৰাজ্যৰ সংগ্ৰহালযত অসমীয়া ছোৱালীৰ সাজ-পাৰ ভুলকৈ দেখুউৱা আছে, ঘটনাটো দেখি আহি এজন অসমীয়া লোকে অসমীযা কাকতৰ চিঠিপত্ৰ শিতানলৈ চিঠি এখন লিখিলে। জুইশলা বাকচ এটাৰ ওপৰৰ ছবিখনত ক'ৰবাৰ নাচনী এজনীৰ ছবি আছে, কাষত লিখা আছে— বিহু। এইবিষয়ে এজনে অসমীযা আলোচনীৰ সম্পাদকলৈ চিঠি এখন লিখিলে। দুয়োগৰাকী পত্ৰলেখকে সংশ্লিষ্ট কৰ্তৃপক্ষৰ চোকা দৃষ্টি আকৰ্ষণ কৰিলে। দুযোখন চিঠি প্ৰকাশ হ'ল। কিন্তু ক'ত সেই সংশ্লিষ্ট কৰ্তৃপক্ষ? অসমৰ বহু পাঠকে কথাটো জানিলে কিন্তু কোনে এই চিঠি দুখন সংশ্লিষ্ট কৰ্তৃপক্ষই বুজি পোৱা ভাষালৈ অনুবাদ কৰি তেওলোকলৈ পঠিযাই দিব? যদি সেই সংগ্ৰহালয় আৰু জুইশলা কোম্পানি কৰ্তৃপক্ষয়েই

তেওলোকৰ ভুলটোৰ কথা নাজানিলে তেনেহ'লে পত্ৰলেখকৰ চেষ্টা আৰু সদিচ্ছাৰ সুফল পোৱা যাবনে? তাৰ সলনি পত্ৰলেখকসকলে যদি পোনে-পোনে সেই কৰ্তৃপক্ষসমূহলৈ চিঠি লিখে (পাৰিলে আৰু দুটামান চহী সংগ্ৰহ কৰি) তেনেহ'লে তেখেতসকলৰ প্ৰায় একেখিনি বা সামান্য বেছি পৰিশ্ৰমৰ অধিক সুফল পোৱাৰ সম্ভাৱনা থাকে। তাৰ পাছত যদি সেই চিঠিৰ বাতৰিটো স্থানীয় কাকতত ছপা হয় --- হওক।

এনেকুৱা ঘটনাও ঘটে এটা প্ৰতিষ্ঠানৰ বৰমূৰীযাজনে অসমীয়া ভাষা নাজানে অসমীয়া কাকতত তেখেতৰ প্ৰতিষ্ঠানটোৰ বিষয়ে অভিযোগমূলক কিবা প্ৰকাশ পাইছে, নিময়মতে জনসম্পৰ্কৰ দায়িত্বত থকা বিষযাই সেই কথাখিনি অনুবাদ কৰি বৰমূৰীযাজনৰ দৃষ্টিগোচৰ কৰিব লাগে। কিন্তু সেই দায়িত্বত থকা বিষযাজনো অসমীয়া জনা নহ'ব পাৰে হ'লেও তেখেতে বিভিন্ন কাৰণত দায়িত্ব পালন নকৰিব পাৰে। ফলত লেখকৰ শক্তি আৰু কাকতৰ ঠাইৰ অপচয় ঘটে।

মুঠতে ভালেমান ক্ষেত্ৰত পোনে পোনে কৰ্তৃপক্ষৰ লগত যোগাযোগ নকৰি কাকতলৈ লিখা চিঠিৰ জৰিযতে কাম কৰাটো পত্ৰলেখকৰ এক ধৰণৰ দুৰ্বলতা। আমি যদিও এটা সৰু কথাকে কেন্দ্ৰ কৰি এই কথাখিনি কৈছোঁ আচলতে কিন্তু এই দুৰ্বলতাটো আমাৰ জাতীয় দুৰ্বলতাৰেই এটা অংশ। জুইশলা বাকচৰ ওপৰৰ নাচনীৰ ছবিখনৰ গণ্ডগোলৰ পৰা আৰম্ভ কৰি সাম্প্ৰতিক আন্দোলনলৈকে অজস্ৰ বিষযত আমাৰ এই দুৰ্বলতা ধৰা পৰিছে। আমাৰ দেশপ্ৰেম সদিচ্ছা আদি বহু সমযত উচ্ছ্বাসৰ মাজেদি প্ৰবাহিত হৈ ক্ষযপ্ৰাপ্ত হৈছে। যিটো কথা সমগ্ৰ ভাৰতে জানিব লাগিছিল সেইটো কথা আমিযেই জানি থাকিলো। যিটো কথা ভাৰতৰ প্ৰধানমন্ত্ৰী গৃহমন্ত্ৰীযে জানিব লাগিছিল সেইটো কথা আমাৰ পাঠকসকলেই জানি থাকিল।

আমাৰ দেশপ্ৰেম সদিচ্ছাৰ লগত খাপখোৱা কৰ্মশক্তি আৰু কামৰ বাট ঠিক কৰি লোৱাৰ লগত আমাৰ সচেতনতাৰ চৰিত্ৰৰ সম্পৰ্ক আছে জাতীয় চৰিত্ৰৰ সম্পক আছে, নেতৃত্বৰ ধৰণ'ৰ সম্পৰ্ক আছে।

(কি সাজ পিন্ধি বিহু নাচি থকা ছোৱালী এজনীৰ ফটো দক্ষিণ ভাৰতৰ সেই জুইশলা কোম্পানিটোলৈ পঠিযাম সেই প্ৰশ্নটোতো আছেই। সেইটো অৱশে আজিৰ আলোচনাৰ ক্ষেত্ৰত সুকীয়া প্ৰসংগ যেন লাগে তথাপি কোনোবা এফালেদি যেন সেই প্ৰসংগটোও জড়িত।)

১১/৬/৮৫

# 'ছহিদ'ৰ প্ৰতি শ্ৰদ্ধা

প্ৰান্তিকৰ যোৱা সংখ্যাত এগৰাকী পত্ৰ লেখকে সাম্প্ৰতিক আন্দোলনৰ লগত জড়িত হৈ প্ৰাণ হেৰুউবাসকলৰ অৰ্থাৎ ছহিদ'সকলৰ প্ৰতি বিশ্বাসঘাতকতা কৰা সম্পৰ্কীয় এটা প্ৰশ্ন উত্থাপন কৰিছিল। এই সম্পৰ্কত অন্ততঃ দুটা কথা আলোচনাৰ মাজলৈ আনি থোৱাটো ভাল।

প্ৰথম কথা ছহিদসকল হ'ল ধৰ্মযুদ্ধত নিহত ব্যক্তি । কিন্তু গোটেই পৃথিৱীজুৰি ছহিদৰ সংজ্ঞা সলনি হৈ আহিছে। আজিৰ ছহিদ মুক্তিযোদ্ধাসকল সকলোৰে দ্বাৰা সমানে স্বীকৃত নহয় । আমাৰ কাৰণে যিগৰাকী ছহিদ আপোনাৰ কাৰণে তেখেত ছহিদ নহ'ব পাৰে। ছিন্নভিন্ন ৰাজনৈতিক আৰু সামাজিক অৱস্থাত এইটো স্বাভাৱিক কথা। ৰাজহুৱা ঠাইত থকা কাৰ প্ৰতিমূৰ্তিৰ মূৰ কোনে কেতিয়া ছিঙি পেলায় কাৰ পদ্মভূষণ কোন পাৰ্টিৰ চৰকাৰে ভৰিৰে মোহাৰে তাৰ ঠিক নাই। এনে পৰিস্থিতিৰ মাজতো আমি চাবই লাগিব যাতে ৰাইজৰ ভাল কৰিবলৈ চেষ্টা কৰোতে ক্ষতিগ্ৰস্ত হোবাজনে ৰাইজৰপৰা যথাযোগ্য প্ৰাপ্য পাই থাকে।— আৰু তাকে কিছু পৰিমাণে নিশ্চিত কৰাৰ এটা উপায় হ'ল — কোনো এজনক ছহিদ মুক্তিযোদ্ধা আদি বুলি স্বীকাৰ কৰাৰ সিদ্ধান্তটো— উচ্ছ্বাস সম্পূৰ্ণৰূপে বাদ দি— মানুহজনৰ কৰ্মৰ বিচাৰ কৰি গ্ৰহণ কৰা। এই বিচাৰ যিমানেই যুক্তিযুক্ত হয় মানুহজনৰ ছহিদত্ব সিমানেই সুস্থ হয়। জাতীয় স্বাৰ্থৰ সভা এখনত যোগ দিবলৈ বাছত ওলমি যাওতে পৰি মৃত্যু হোৱাজন জাতীয় ছহিদ নে? এইবোৰ চিন্তনীয় বিষয়। মৃত্যু অতি কৰুণ ঘটনা। এওলোকৰ মৃতদেহৰ সন্মুখত থিয় হৈ এওলোক ছহিদ নহয় বুলি কোবাটো টান কাম। কিন্তু সময় পাৰ হ'বলৈ দি হ'লেও এই কামটোহে কৰিব লাগে।

দ্বিতীয় কথা জাতীয় স্বাৰ্থৰ হকে কাম কৰি থাকোঁতে প্ৰাণ ত্যাগ কৰা একোজন প্ৰকৃত ছহিদে মৃত্যুৰ সময়লৈকে যি মত পোষণ কৰিছিল বা যি উদ্দেশ্যৰ অনুধাবন কৰিছিল সেই মত বা উদ্দেশ্যৰপৰা তেওঁৰ সহকৰ্মী

আৰু অনুগামীসকল কিমান দূৰ আঁতৰি গ'লে তেওঁৰ প্ৰতি বিশ্বসঘাতকতা কৰা হয়? পৃথিবীৰ বহু সংগ্ৰাম-আন্দোলনৰ ক্ষেত্ৰত হোৱাৰ দৰে সাম্প্ৰতিক অসম আন্দোলনৰ এটা সমাধানৰ সময়তো এই প্ৰশ্নটো উত্থাপিত হ'বই। এটা উদাহৰণ আলোচনা কৰোঁ। এই আন্দোলনটোৰ আৰম্ভণিতে সমাধান-সূত্ৰৰ লগত 'সময়সীমা হিচাপে ১৯৫১ চনৰ কথা জড়িত আছিল। সেই পৰ্যায়ত কেইজনমান কৰ্মীযে প্ৰাণ দিলে। তাৰ পাছত ১৯৬১ চনৰ কথা ওলাল। এই পৰ্যাযতো কেইজনমান কৰ্মীয়ে প্ৰাণ দিলে। এই দুযোদল ছহিদ'ৰ প্ৰতি বিশ্বাসঘাতকতা নকৰাকৈ এটা সমাধান-সূত্ৰ গ্ৰহণ কৰিব পৰা যাবনে? সহজে মনলৈ অহা কথাটো হ'ল—১৯৬১ চন মানি সমাধান-সূত্ৰ গ্ৰহণ কৰিলে প্ৰথম দলৰ প্ৰতি অন্যায কৰা হ'ব। কিন্তু কথাটো এনেকৈযো ক'ব পৰা যায ১৯৫১ চন মানিলেও দ্বিতীয দলৰপ্ৰতি অন্যায কৰা হ'ব কাৰণ তেওলোকে বহু লোকৰ কল্যাণ আৰু সুখৰ কথা ভাবিহে ১৯৫১ চনৰপৰা ১৯৬১ চনলৈ মত পৰিবৰ্তন কৰিছিল।

যিবোৰ সমস্যাক কেন্দ্ৰ কৰি অসমৰ সাম্প্ৰতিক আন্দোলনটো চলিছে, এনে সমস্যাৰ সমাধানত সাধাৰণতে প্ৰথম দাবী আৰু শেষ দাবী একে হ'বই নোৱাৰে — আৰু নিস্বাৰ্থ সুচিন্তিত শেষ দাবীযে প্ৰথম দাবী কৰোতাসকলক (জীৱিতই হওক বা মৃতই হওক) অৱমাননা নকৰে। জীয়াই থকা ইমানবোৰ আন্দোলন-পক্ষৰ লোকৰ মত সলনি হ'ল সেই মৰি যোৱা কেইজন জীয়াই থকা হ'লে তেওলোকৰো কিজানি মত সলনি হ'লেইহেঁতেন। জীয়াই থকা হ'লে তেওলোকে কি কৰিলেহেঁতেন সেই বিষযে সতীথ-সহকৰ্মীসকলে চিন্তা কৰাৰ বাট তেওলোকে নিশ্চয বন্ধ কৰি থৈ যোৱা নাই। সেইটোও ছহিদত্বৰ এটা উপকৰণ।

আকৌ কওঁ মৃত্যু অতি নিদাৰুণ ঘটনা। যিটো পৰিযালৰ এজন হেৰাই যায সেইটো পৰিযালৰ ক্ষতি পূৰণ কৰাটো প্ৰায অসম্ভৱ। তথাপি বৃহত্তৰ স্বাৰ্থৰ খাতিৰত উচ্ছ্বাস বাদ দিবই লাগিব সামূহিক মংগলৰ জ্যোতিৰেহে ছহিদ আৰু তেওৰ পৰিযালক উদ্ভাসিত কৰিব লাগিব।

২৮/৬/৮৫

# হতাশা

এটাৰ পাছত এটা দুৰ্ঘটনাই অসমীয়া জাতিটোক জোকাৰি গৈছে, আৰু প্ৰতিটো জোকাৰণিত জাতিটোৰ দুৰ্বলতাবোৰে সশব্দে আত্মপ্ৰকাশ কৰিছে। জাতিটোৰ সবলতাই আত্মপ্ৰকাশ কৰিব পৰা ঘটনা যেন সহজে নঘটিবই— ভালেমান লোকৰ মনত এনে এক নিৰাশজনক ভাবে ঠাই লৈছে। অসম-নগালেণ্ড সীমাৰ মেৰাপানী অঞ্চলৰ শেহতীয়া দুৰ্ঘটনাটোৰ পাছত এই নৈৰাশ্য অধিক প্ৰকট হৈ উঠিছে। এওলোকৰ মনত উদয় হোৱা চিন্তাৰ মূল কথাবোৰ এনে ধৰণৰ

এক অসম-নগালেণ্ড সীমাত গণ্ডগোল লাগি থাকে কাছাৰ জিলাৰ যথেষ্ট পৰিমাণৰ মাটিত মিজোসকল বহিবলৈ লৈছে, অৰুণাচল আৰু মেঘালয়ৰ লগতো অসমৰ সীমা-বিবাদ আছে। সময় আগবঢ়াৰ লগে-লগে অৰ্থনৈতিক আৰু সামাজিক উন্নয়নৰ প্ৰবেশ ঘটাৰ লগে-লগে পৰ্বতীয়া ৰাজ্যসমূহত মানুহৰ জীৱনধাৰা সলনি হৈছে, তেওলোকক সমতলভূমিৰ প্ৰযোজন হৈছে, গতিকে অসমৰ সীমামূৰলীয়া অঞ্চলবোৰত এটা হেচা পৰিবই। কিন্তু প্ৰত্যেকটো সীমা-বিবাদতে এনেকুৱা এটা ভাব সঞ্চাৰিত হয যেন ইযাৰ বাবে অসমীয়াসকলেই দাযী। প্ৰত্যেকটো বিবাদতে এওলোক লঘু হয দোষী হয হীন হয়। কিন্তু বৰ্তমানৰ অসমীযা জাতিটোৰ মাটিৰ কাৰণে অভিযান কৰাৰ চৰিত্ৰ মনোবৃত্তি শক্তি সামৰ্থ্য আছেনে? এক কথাত— নাই। থকা হ'লে এইখন ৰাজ্যৰ ভিতৰতে অসমীয়া মানুহে পৰশিব নে'ৱৰা শস্যশামলা অঞ্চলবোৰৰ সৃষ্টি নহ'লহেতেন সুদীৰ্ঘ ব্ৰহ্মপুত্ৰৰ চৰ-অঞ্চলৰ এনেকুৱা অৱস্থা নহ'লহেঁতেন। তেনেহ'লে অসমীযাৰ এই বদনাম আৰু দুৰ্বলতাৰ কাৰণ কি? এটা কাৰণ হ'ল— চুবুৰীযা ৰাজ্যকেইখনৰ মানুহৰ তুলনাত অসমীযা বৰ ককাই গতিকে কাজিযা-পেচালৰ সমযত সাধাৰণতে বৰ ককাযেই সৰু হ'ব লাগে। অইন এটা কাৰণ হ'ল— সশস্ত্ৰ কাণ্ড-কাৰখানাৰে নগা আৰু মিজোসকলৰ একাংশই এনে এটা পৰিবেশৰ সৃষ্টি কৰি ৰাখিছে যে পৰাপক্ষত কেন্দ্ৰীয় চৰকাৰে তেওলোকক নতুন দোষত দোষী কৰি অধিক অসন্তুষ্ট কৰিব নোখোজে। আৰু এটা কাৰণ হ'ল— মাটিৰ কাৰণে নহয কিন্তু ভাষা আৰু সংস্কৃতিৰ কাৰণে অসমীয়াসকলে আৰু এক বৰ ককাইৰ লগত সুদীঘ কাল ধৰি বাক-বিতণ্ডা কাজিযা-পেচালত প্ৰবৃত্ত হৈ আহিছে সমগ্ৰ ভাৰতত এইবোৰৰ

কাৰণৰ শুদ্ধ মূল্যায়ন যিমান হৈছে, তাতকৈ বেছি হৈছে অসমীয়াৰ বদনাম। এই বদনামৰ ছাবটো পিঠিত থকাৰ কাৰণেই মেৰাপানীৰ নিচিনা ক্ষেত্ৰতো অসমীয়া দুৰ্বল আৰু অপবাদৰ পাত্ৰ।

দুই সঁচা অপবাদবোৰ অসমীয়াই সময়ৰ লগে-লগে জ্ঞানৰ সহায়ত আঁতৰাব লাগিব কিন্তু মিছা অপবাদবোৰ তৎক্ষণাত আঁতৰোৱাৰ দায়িত্বৰ বেছিভাগ থাকে ৰাজ্যখনৰ নেতৃত্বৰ। নগালেণ্ডৰ মুখ্যমন্ত্ৰীয়ে কহিমাত নতুন দিল্লীত দমদমত নিজ ৰাজ্যৰ স্বাৰ্থৰ কথা যি দৃঢ়তা আৰু শক্তিৰে ঘোষণা কৰিছে সাব্যস্ত কৰিব খুজিছে, তেখেতৰ বক্তব্য আৰু কামে নগালেণ্ডবাসীক যি সাহস আৰু বিশ্বাস দিছে অসমৰ নেতৃত্বৰ (সুন্দৰম আযোগৰ প্ৰতিবেদন হাতত অস্ত্ৰ হিচাপে থকা সত্ত্বেও) সেই দৃঢ়তা আৰু শক্তিৰ পৰিচয় অসমীয়াই পোৱা-নাই এওলোকৰ মনলৈ সেই সাহস আৰু বিশ্বাস অহা নাই। ইয়াৰ এটা কাৰণ হ'ল- অসমৰ ৰাজনীতিৰ বৰ্তমানে আটাইতকৈ ডাঙৰ প্ৰশ্নটো হৈছে বিধান সভা ভংগ কৰা বা নকৰাটো। নগালেণ্ডৰ মুখ্যমন্ত্ৰীয়ে যদি নতুন দিল্লীৰ নেতৃত্বৰ ওপৰত কিবা প্ৰভাৱ পেলাইছে, আৰু সেই প্ৰভাব যদি অসমৰ স্বাৰ্থৰ পৰিপন্থীও হয় তথাপি এতিয়া কেন্দ্ৰীয় নেতৃত্বক ক্ষুণ্ণ কৰাৰ উপায় অসমৰ নেতৃত্বৰ নাই।

তিনি কেন্দ্ৰই অসমৰ কথা কি ভাবে কিমান ভাবে? বৰ্তমানে ভাৰতত বিদগ্ধ ৰাজনীতিক পণ্ডিতসকলেও প্ৰায়বোৰ সমস্যা সমাধানৰ দায়িত্ব প্ৰধানমন্ত্ৰীলৈ এৰি থোৱাৰ নিয়ম প্ৰৱৰ্তিত হৈছে। আজি প্ৰধানমন্ত্ৰীহে একমাত্ৰ মানুহ। এনে ক্ষেত্ৰত মেৰাপানীত ঘটা ঘটনাৰ পাছত ঘটনাস্থলীত কাৰ উপস্থিতি বাঞ্ছনীয়? প্ৰধানমন্ত্ৰীৰ নহ'লেও অন্তত গৃহমন্ত্ৰীৰ? নে অইন কামত অহা ৰাম দুলাডী সিনহাৰ?

চাৰি সন্ত্ৰাসবাদীৰ কাৰ্যকলাপ চলি থকা সত্ত্বেও পঞ্জাবৰ শ শ বিক্ষোভকাৰীক জেলৰ পৰা মুক্তি দিয়া হৈছে। এনে ক্ষেত্ৰত জুনৰ শেষত অসম সম্পৰ্কীয় আলোচনাটো নহ'ল কিয়? গৃহ সচিবৰ মতে গৃহমন্ত্ৰী অইন কামত ব্যস্ত হ'ল কাৰণে। অৰ্থাৎ এতিয়া অসমৰ সমস্যাটো অইন কামৰ ভিতৰত পৰাৰ দিন পৰিল।

এইবোৰ কথাই হতাশ কৰি তোলা লোকসকলৰ আজি একমাত্ৰ উপলব্ধিটো হৈছে যেতিয়ালৈকে নেতৃত্বত প্ৰকৃত দেশপ্ৰেম নাথাকে যেতিয়ালৈকে মানুহৰ ক্ষমতা আৰু ধনৰ ওচৰত শৰণাপন্ন হোৱাৰ দুৰ্বলতা আঁতৰ নহয় তেতিয়ালৈকে জাতিৰ ব্যক্তিত্ব নিৰ্ভীক ন্যায়পৰায়ণ যুক্তিনিষ্ঠ আৰু শক্তিশালী নহয়।

১২/৭/৮৫

# “কৰ্মাছ্” আৰু প্ৰকৃত ব্যৱসায়ী

আমাৰ দেশত নিত্য ব্যৱহাৰ্য বস্তুৰ দাম বাঢ়িলে চাকৰিয়ালৰ দৰমহা ভাট্টা আদি বাঢ়ে নে কৰ্মচাৰীসকলৰ দৰমহা ভাট্টা আদি বাঢ়িলে বস্তুৰ দাম বাঢ়ে সেই সম্পৰ্কে ডাঠি একো ক'ব নোৱাৰি এই উক্তিটো কিছু পৰিমাণে অতিৰঞ্জিত হ'লেও অসত্য নহয়। এনে অৱস্থাত দেশখনত বস্তুৰ দাম নিয়ন্ত্ৰণ কৰাৰ চেষ্টা চলিলেহে মানুহে বেছি ভাল পায। আনহাতে অভিজ্ঞতা আৰু দুৰ্নীতিগ্ৰস্ত পৰিবেশৰ ওপৰত ভেটি কৰি বহু লোকে এনে চেষ্টাকো সন্দেহৰ চকুৰে চায — যেন জনসাধাৰণৰ সুখ সুবিধাতকৈ কোনো লোক বা গোষ্ঠীৰ সুখ-সুবিধাৰ কাৰণেহে এই নিয়ন্ত্ৰণৰ খেল খেলা হৈছে। আৰম্ভণিতে এটা হৈ-চৈ লাগিব মাজতে জনসাধাৰণৰ দুৰ্ভোগ বাঢ়িব আৰু শেষত সকলো ফুটুকাৰ ফেন হ'ব।

সি যি নহওক এটা কথা হ'লে ঠিক — গ্ৰাহকৰ প্ৰতিৰোধ নহ'লে কেৱল চৰকাৰে জাৰি কৰা হুকুমৰ জোৰত বস্তুৰ দাম নিয়ন্ত্ৰিত হৈ নাথাকে। বজাৰত কাজিযা কৰা'ৰ লাজ টকাৰ জোৰ বজাৰ কৰা সময়ৰ নাটনি —এইবোৰ কাৰণতে আমাৰ গ্ৰাহকে প্ৰতিৰোধৰ সৃষ্টি কৰিব নোৱাৰে। এইটো সাধাৰণ কথা কিন্তু ডাঙৰ কথা হৈছে ব্যৱসায বোলা বিৰাট বস্তুটো বিৰাট পদ্ধতিটোৰপৰাই আমাৰ প্ৰায সকলো মানুহে বহু আঁতৰত বাস কৰে। আজি যদি ব্যৱসাযী গোষ্ঠীৰ কেন্দ্ৰত থকা চক্ৰটোৱে জনসাধাৰণৰ জেপক ক্ষতিগ্ৰস্ত কৰিব পৰা সিদ্ধান্ত এটা ৰাজহুৱাভাৱেও ঘোষণা কৰে তেনেহ'লে তাৰ প্ৰত্যাহ্বান জনাব পৰা জ্ঞান থকা মানুহৰ সংখ্যা আমাৰ মাজত নগণ্য। প্ৰতিৰোধ কৰিবলৈ হ'লে জ্ঞানৰো প্ৰয়োজন। ব্যৱসায-বিমুখ অসমীযা জাতিটোৰ অন্তত এটা চামক প্ৰণালীবদ্ধভাৱে ব্যৱসায সম্পৰ্কে সচেতন কৰি তোলাটো প্ৰয়োজনীয হৈছে। কিন্তু আৰম্ভ কৰা যায় ক'ত?

এই ক্ষেত্ৰত এটা কথা মনলৈ আহে। কথাটোত অলপ উচ্ছ্বাস মিহলি হৈ থাকিব পাৰে তথাপি ই আলোচনাযোগ্য। আমি শিক্ষানীতিৰ আমূল পৰিবৰ্তনৰ কথা কও। বৰ্তমানৰ নীতি পাঠ্যক্ৰম আদিযে কোনো সুফল আনিব পৰা নাই — এইবোৰ কথা ফুকলীযা ল'ৰাযো কয মূধত থকা শিক্ষাবিদেও কয। আমি দেখিযেই আছোঁ— বাণিজ্য বিভাগৰ ডিগ্ৰি লোৱা অতি কম সংখ্যক

ছাত্ৰ-ছাত্ৰীহে ৰাজ্যখনৰ ব্যৱসায-জগতৰ লগত পোনপটীয়াকৈ জড়িত হয়। ব্যৱসায়ীসকলৰ ল'ৰাইঁতে ব্যৱসায়ত সহায় হ'ব বুলিয়েই কমার্ছ পঢ়ে আৰু আমাৰ সৰহভাগ ল'ৰা-ছোৱালীয়েই কিয় কমার্ছ পঢ়ে ক'ব নোৱাৰে। কেৱল যে বেপাৰ কৰিবলৈহে কমার্ছ পঢ়িব লাগে — কমার্ছ বিষয়টোক ইমান ঠেক আৰু সৰু বুলি আমি নাভাবোঁ ইয়াৰ পৰিসৰ বৃহৎ কিন্তু স্কুল-কলেজৰ শিক্ষাই মানুহে ব্যৱসায় কৰাত সহায় কৰাৰ কথা ভাবিলে বাণিজ্য বিষয়ৰ কথাকে ভাবিবই লাগিব। যদি সেয়ে হয় তেন্তে এই জাতিটো আৰু ৰাজ্যখনৰ ব্যৱসায়ৰ মাজত ব্যৱধান আঁতৰাবৰ কাৰণে একাংশক লাহে-লাহে ব্যৱসায়-সচেতন কৰিবৰ কাৰণে বাণিজ্য-শিক্ষাত এটা পৰিবৰ্তন ঘটাব পাৰিনে?

ঠিক এই মুহূৰ্তত এই মেজখনত লিখা কাগজ কলম চিয়াহীৰ বটল ডট-পেন ৰিফিল ঘড়ি আলপিন পিন কুশ্বন জেমছ ক্লিপ ষ্টেপলাৰ পেপাৰ-ৱেইট কিতাপ ট্ৰে ছিগাৰেট দিয়াচলাই চচমা ট্ৰেনজিষ্টৰ ৰেডিঅ টেবল-ক্লথ কাঠ পেনছিল ৰবৰ ব্লে'ড স্কে'ল মেগনিফাইং গ্লাছ, কটাৰী পেপাৰ ক্লিপ এছ ট্ৰে মমবাতি আৰু ডায়েৰি এখন আছে, মাত্ৰ এই সৰু মেজখনতে ইমানবোৰ বস্তু। কিন্তু এই বস্তুবিলাকৰ কোনটো বস্তু ক'ৰ পৰা কেনেকৈ আমাৰ মেজবোৰ পাযহি আমি কোনেও ভালকৈ নাজানো বুলিয়েই ক'ব লাগিব। বাণিজ্য বিষয়ৰ পাঠ্যক্ৰমত এনে এটা ব্যৱস্থা কৰিব পাৰিনে প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে তেওঁৰ চাৰিওফালে থকা অসংখ্য বস্তুৰ ভিতৰত এটা বস্তু বাচি লওক। সেই বস্তুটো কোনখন দোকানৰ পৰা তেওঁৰ হাতলৈ আহিল তেওঁ প্ৰথমতে তালৈ যাওক। তাত খবৰ লওক বস্তুটো দোকানীজনে ক ৰ পৰা পালে কিমান দামত কি বন্দবস্তত পালে। এনেকৈয়ে তেওঁ পম খেদি কিছু নিজে ঘূৰাঘূৰি কৰি কিছু চিঠি-পত্ৰৰে যোগাযোগ কৰি কিছু পঢ়া-শুনা কৰি বস্তুটোৰ (ধৰি লওক আলপিনটোৰ) নিৰ্মাণ বিতৰণ কোনটো স্তৰত তাৰ দামৰ কেনেকৈ পৰিবৰ্তন ঘটে— এইবোৰ সম্পৰ্কে যিমান পাৰে তথ্য গোটাই এখন ৰচনা লিখি পৰীক্ষাৰ বাবে দিয়ক। ৰচনাখনৰ বাবে পঞ্চাছ নম্বৰ থাকিব পঞ্চাছৰ ভিতৰত যি যিমান পায় সেয়া তেওঁৰ ফাইনেল পৰীক্ষাৰ নম্বৰৰ ভিতৰত থাকিব। এনে ব্যৱস্থাৰ ফলত এই ছাত্ৰ-ছাত্ৰীসকলৰ সমুখত এখন নতুন জগত উন্মুক্ত হৈ পৰিব পাছলৈ নিজে ব্যৱসায় নকৰিলেও এওঁলোকে ব্যৱসায় সম্পৰ্কে জাতিটোক সচেতন কৰাত সহায় কৰিব পাৰিব। পাঠ্যক্ৰমৰ 'আমূল পৰিবৰ্তন বুলিলে বিশেষকৈ আমাৰ নিচিনা অতি পিছপৰা জাতিৰ ক্ষেত্ৰত এনেকুৱা কিছুমান কথাই মনলৈ আহে কিছু উচ্ছ্বাসেৰে মিহলি হৈ হ'লেও।

২৮/৭/৮৫

# ভাষাভিত্তিক ৰাজ্যৰ ভাষা

অসমৰ ভৌগোলিক চাৰিসীমাৰ ভিতৰত থকা স্কুলবোৰত সকলো ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া ভাষাটো পঢ়িব লাগিব নে?— এনে ধৰণৰ বিষয়ৰ ক্ষেত্ৰত নীতি নিৰ্ধাৰণ কৰোঁতে অতি সাৱধানে বহু দিশ চালি-জাৰি চাব লাগে আৰু কিছুমান তথ্য-পাতি সংগ্ৰহ কৰি সমুখত পেলাই লব লাগে। এই ধৰণৰ বিষয় বা সমস্যা কেৱল অসমতে উদ্ভৱ নহয় ভাৰতৰ অন্যান্য ৰাজ্যত পৃথিৱীৰ অন্যান্য দেশতো হয়। অনুৰূপ ক্ষেত্ৰত সেইবোৰ ঠাইত কেনেকুৱা নীতি অনুসৰণ কৰা হৈছে, সেইবোৰ কথা জানি লব লাগে। জানি লব লাগে— কণামুণাকৈ কোনোবা এখন ৰাজ্যৰ নীতি খামোচ মাৰি ধৰাৰ কাৰণে নহয় আমাৰ নিজৰ সিদ্ধান্তত উপনীত হোৱাৰ সময়ত বিবেচনাৰ বাবে। কি পৰিপ্ৰেক্ষিতত কি থলুৱা অৱস্থাত সেইবোৰ ঠাইত সেই নীতি গ্ৰহণ কৰা হৈছে, সেইটোও জানি লব লাগিব। তাৰ পাছত আমাৰ থলুৱা অৱস্থা কি আমাৰ থলুৱা সমস্যা কি--- তাৰ ওপৰত গুৰুত্ব দিঁ আমাৰ নীতি গ্ৰহণ কৰিব লাগিব।

অসমৰ ভাষা-সংস্কৃতি আৰু ৰাজনৈতিক আধিপত্যৰ প্ৰশ্নবোৰ বিচাৰ কৰিলে প্ৰথমতে মনত পেলাবলগীয়া কথাটো হ'ল ভাৰতবৰ্ষৰ ৰাজ্যবোৰ গঠন কৰা হৈছে ভাষাৰ ভিত্তিত। যেতিয়ালৈকে এই ভিত্তি থাকে তেতিয়ালৈকে সেই ভাষাটোৰ স্থান আৰু মৰ্যাদা ৰক্ষা কৰাৰ প্ৰশাসনিক দায়িত্ব ৰাজ্য চৰকাৰে বহন কৰিব লাগে আৰু সাংস্কৃতিক দায়িত্ব বহন কৰিব লাগে ৰাজ্যখনৰ বাসিন্দাসকলে। যদি কেতিয়াবা এই ভিত্তি উঠি যায়, ৰাজ্যবোৰৰ চাৰিসীমা নদী পৰ্বত দ্ৰাঘিমা অক্ষৰেখা আদিৰে নিৰ্ণয় কৰা হয় তেতিয়া ভাষাটোৰ স্থান আৰু মৰ্যাদাৰ দায়িত্ব মুখ্যতঃ সেই ভাষা কোৱা মানুহখিনিৰ ওপৰতে পৰিব। এতিয়া সেইটো অৱস্থা হোৱা নাই গতিকে এতিয়া ভাষাৰ দায়িত্ব চৰকাৰ আৰু জনসাধাৰণ উভয়ৰে।

ভাষা আৰু ৰাজনৈতিক আধিপত্যৰ ক্ষেত্ৰত অসমীয়াৰ ডাঙৰ ভয়টো হৈছে— ভাষাৰ ভিত্তিত ৰাজ্যখন গঠিত হোৱা সত্ত্বেও অসমত বিশেষকৈ ব্ৰহ্মপুত্ৰ উপত্যকাত অসমীয়াসকল সংখ্যালঘু হৈ পৰিব নে কি? ৰাজনৈতিক

আধিপত্যৰ ক্ষেত্ৰত ই এসময়ত ত্ৰিপুৰাৰ নিচিনা হৈ পৰিব নে কি? এইবোৰ শংকাৰ কথা মনত ৰাখি বৰ্তমানে চলি থকা আন্দোলনৰ এটা ফলাফল ওলোৱাৰ পাছতো আমি এনে কিছুমান নীতি গ্ৰহণ আৰু প্ৰয়োগ কৰিব লাগিব যাতে অসমত বাস কৰা সকলো লোকৰ ৰাজ্যখনৰ ভাষা আৰু সংস্কৃতিৰ লগত ভাল সম্পৰ্ক স্থাপনৰ সুবিধা হয়। বাহিৰৰ পৰা আহি ইয়াত থাকি লাহে-লাহে অসমীয়াৰ লগত মিলি যাব খোজা মানুহখিনিক সেই নীতিয়ে সহায় কৰিব পাৰিব লাগিব। ই এটা অতি গুৰুত্বপূৰ্ণ নীতি আৰু এই নীতিৰ লগত ৰাজ্যখনৰ শিক্ষানীতিৰেই আটাইতকৈ বেছি ঘনিষ্ঠ সম্পৰ্ক।

শিক্ষা কতৃপক্ষৰ নীতিয়েই যদি ৰাজ্যখনত উঠি অহা চামটোৰ মনত— অসমীয়া ভাষাৰ লগত সম্পক নাৰাখিলেও একো নহয় — এনে এটা ভাব সুমুৱাই দিয়ে তেনেহ'লে ভৱিষ্যতলৈ মিলি যোৱা প্ৰক্ৰিয়াটো সম্ভৱপৰ কৰিবলৈ প্ৰশাসনিক অৱলম্বন কি থাকিল?

এইটো কথা মনত ৰাখিব লাগিব সুচিন্তিত নীতিৰে চৰকাৰে বা শিক্ষা-কৰ্তৃপক্ষই ভাষা সম্পৰ্কীয় নিজৰ দাযিত্ব পালন নকৰিলে কামটোৰ দাযিত্ব অসমীয়া জনসাধাৰণৰ ওপৰত পৰে কেতিয়াবা জনসাধাৰণৰ মাজত উগ্ৰ অবিবেচক অংশ এটাই সেই কাম সমাধা কৰাৰ নেতৃত্ব লয় তাৰ ফলত অবাঞ্ছনীয় ঘটনা ঘটে। এনে অবাঞ্ছনীয় ঘটনাই ইতিমধ্যে অসমীয়াৰ বহু ক্ষতি কৰিছে।

পাঠশালাৰ পৰা আৰম্ভ কৰি অন্তত উচ্চ মাধ্যমিক স্তৰলৈকে অসমীয়া ভাষাক ছাত্ৰ-ছাত্ৰীৰ মাজত কেনেকৈ স্থাপন কৰিলে ভাষা সংস্কৃতি সমাজ ৰাজনীতি অৰ্থনীতি আদি সকলো দিশৰ পৰা জাতিটোৰ স্বাৰ্থ ৰক্ষা পৰে আৰু ভৱিষ্যতে জাতিটোৰ মংগল হয় সেই সম্পৰ্কীয অতি গুৰুত্বপূৰ্ণ নীতিবোৰ নিৰ্ধাৰণ কৰাৰ সময়ত কিছুমান শিক্ষা প্ৰশাসক আৰু ৰাজনৈতিক নেতাই সাময়িক হেচা আৰু ক্ষুদ্ৰ স্বাৰ্থৰ ওচৰত নতি স্বীকাৰ কৰাটো ক্ষতিকৰ ঘটনা।

বৰ্তমানৰ আন্দোলনটোৰ ফলাফলবোৰ কাৰ্যকৰী কৰাৰ সময়ত অসমীয়া ভাষাৰ স্থান আৰু মৰ্যাদা সম্পৰ্কীয় নীতিটোৱে বিদেশী চিনাক্তকৰণ ভোটাৰ তালিকা সংশোধন আদি কাৰ্যৰ সমানে গুৰুত্ব পোৱা উচিত কাৰণ এইটোও এটা গুৰুত্বপূৰ্ণ মৌলিক বিষয়।

৬/৮/৮৫

# স্থায়ী বাসিন্দাৰ দুশ্চিন্তা

অসমৰ সমস্যা সম্পৰ্কীয় চুক্তিখনত কাছাৰ জিলাখনৰ বিষয়েও এটা সিদ্ধান্ত থাকিব লাগিছিল। নানান কাৰণত বিভিন্ন মহলে এই জিলাখনৰ লগত ব্ৰহ্মপুত্ৰ উপত্যকাৰ সম্পৰ্কৰ কথাটো সদ্যহতে তল পেলাই ৰাখিছে, কিন্তু আচলতে ই তল পৰি থাকিব লগীয়া কথা নহয়। এই সত্য অসমীয়াই মৰ্মে-মৰ্মে উপলব্ধি কৰি থাকিব লগীয়া হ'ব। চুক্তিখন সম্পৰ্কে আমাৰ প্ৰাথমিক প্ৰতিক্ৰিয়াৰ মাজৰ এই কথাটো উল্লেখযোগ্য।

কি কাৰণে আমাৰ মনত এই চিন্তাৰ উদ্ৰেক হ'ল সেই কাৰণবোৰৰ লগত আওপকীয়াকৈ হ'লেও চুক্তিখন সম্পৰ্কে পশ্চিম বংগৰ কিছুমান ৰাজনৈতিক দলৰ (শাসনত থকা দলবোৰকে ধৰি) প্ৰতিক্ৰিয়াৰ সম্পৰ্ক আছে। ভাষা ধৰ্ম মানৱীয়তা দলীয় ৰাজনীতিৰ স্বাৰ্থ ৰাজনৈতিক মতবাদ আৰু আদৰ্শ - এইবোৰৰ মাজত কিহে কাক কেতিয়া প্ৰভাৱান্বিত কৰে বুজা বৰ টান। এসময়ত অসমীয়া মানুহৰ একাংশৰ এটা ধাৰণা হৈছিল— যেতিয়ালৈকে প্ৰণৱ মুখাৰ্জী আৰু গণিখান চৌধুৰীৰ দৰে লোক বিশ্বস্ত লোক হিচাপে ইন্দিৰা গান্ধীৰ ওচৰে-ওচৰে থাকে তেতিয়ালৈকে অসমৰ বিদেশী-সংক্ৰান্ত সমস্যাৰ গ্ৰহণযোগ্য সমাধান বাধাগ্ৰস্ত হৈ থাকিব। যেন অসমত থকা বিদেশীসকলৰ অধিকাংশৰ ভাষাটো তেওঁলোকৰো ভাষা হোৱাৰ কাৰণেহে সেহ ঘটনাটো ঘটিছিল। এতিয়া প্ৰণৱ মুখাৰ্জীৰ নেতৃত্বাধীন পশ্চিম বংগৰ ই-কংগ্ৰেছে চুক্তিখনৰ প্ৰতি সমৰ্থন জনাইছে আৰু অসমৰ শান্তি-প্ৰগতিৰ বাবে সদিচ্ছা প্ৰকাশ কৰিছে। আনহাতে সেই ৰাজ্যৰ বাওপন্থী দলসমূহে চুক্তিখনৰ তীব্ৰ বিৰোধিতা কৰিছে আৰু অসমত থকা বহুলোকৰ অৱস্থা সম্পৰ্কে শংকা আৰু উদ্বিগ্নতা প্ৰকাশ কৰিছে। এনে লাগিছে যেন চুক্তিখনৰ সুবিধা লৈ কোনে অসমৰ সংখ্যালঘুসকলক নিজৰ দলৰ ফালে টানিব পাৰে তাৰে কৌশল চলিছে। পশ্চিম বংগত কোন দলে কি কয় আৰু কৰে তাৰ লগত যেন অসমত ই-কংগ্ৰেছ বা বাঁওপন্থী দলে সংখ্যালঘুসকলৰ আস্থা লাভ কৰিব নে হেৰুৱাব তাৰ ঘনিষ্ঠ সম্পৰ্ক আছে। এইবাৰ ভাষাৰ প্ৰশ্নতকৈ দলীয় ৰাজনীতিৰ প্ৰশ্ন ওপৰলৈ উঠিছে। ভাষা ধৰ্ম দলীয় ৰাজনীতিৰ দিশৰপৰা এইবোৰ স্বাভাৱিক কথা। সমুখত এটা নিৰ্বাচন

থাকিলে বেছি 'স্বাভাবিক কথা। অসমৰ নিৰ্বাচনটোৰ আগে-আগে 'সংখ্যালঘু'সকলৰ আস্থাভাজন হ'বলৈ বিভিন্ন ৰাজনৈতিক দলে সৰ্বাধিক গুৰুত্বৰে চেষ্টা কৰিবই। কিন্তু ভোটৰ ৰাজনীতি আৰু জাতিৰ নীতিৰ মাজত বহুত পাৰ্থক্য আছে। এনে ক্ষেত্ৰত সংখ্যালঘুৰ আস্থাভাজন হ'বলৈ ' অসমীয়া'"ই চেষ্টা নকৰিব কিয়? স্বাক্ষৰিত চুক্তিখন সম্পূৰ্ণৰূপে কাৰ্যকৰী হোৱাৰ পাছত যিসকল অনা-অসমীয়া লোক ব্ৰহ্মপুত্ৰ উপত্যকাৰ বাসিন্দা হৈয়েই থাকি যাব তেওলোকৰ আস্থা এইটো বা সেইটো ৰাজনৈতিক দলে লাভ কৰাটো এক কথা কিন্তু অসমীয়া 'ই লাভ কৰাটো এক সুকীয়া কথা। এই আস্থাৰ লগত অসমীয়া জাতিৰ সম্পৰ্ক আছে, অসমৰ অতি জটিল পৰিস্থিতিত এই আস্থা লাভৰ বাবে কাম কৰাটো চুক্তিখন কাৰ্যকৰী কৰাৰ পথত আমাৰ এটা প্ৰধান কৰ্তব্য।

এই কৰ্তব্য সমাপন কৰাত আমাক বিপুলভাৱে সহায় কৰিব পাৰে অসমত স্থায়ীভাৱে বসবাস কৰা বাঙালীসকলে। পশ্চিম বংগৰ এচাম নেতাৰ উক্তি আৰু কাৰ্যই ব্ৰহ্মপুত্ৰ উপত্যকাত যদি অবাঞ্ছিত উত্তেজনাৰ সৃষ্টি কৰাৰ সম্ভাৱনাই দেখা দিয়ে তেনেহ'লে তাক লুপ্ত কৰাৰ আটাইতকৈ বেছি ফলপ্ৰসূ ব্যৱস্থা লব পাৰে সেইসকল বাঙালী লোকে-- যিসকলক চুক্তিখনে নোচোৱে যিসকলৰ লগত আমি একেলগে থাকিম যিসকল আমাৰ একেলগে থাকিব। এখেতসকলৰ মাজত চিন্তাশীল বুদ্ধিমান মুক্তমনৰসকলে নিৰৱতা অৱলম্বন কৰিলে সেই নিৰৱতাৰ প্ৰতি বাকীসকল লোকৰ সন্দেহ ওপজে। সেই সন্দেহ ক্ষতিকাৰক। এখেতসকলৰ সহায় আমি আগতেও বিচাৰিছোঁ। এতিয়া এই সহায়ৰ প্ৰয়োজন বেছি হৈছে। যোৱা ছবছৰ ধৰি আন্দোলনৰ পক্ষত থকাসকলেও এখেতসকলৰ লগত পোনপটীয়া সম্পৰ্ক স্থাপন কৰি বুজ লব লাগিব-- এখেতসকলৰ কিবা দুশ্চিন্তা আছে নে কি? যদি আছে, তেনেহ'লে সেই দুশ্চিন্তা আঁতৰ কৰিব পাৰিলে অসমীয়াৰো এটা ডাঙৰ দুশ্চিন্তা আঁতৰ হ'ব।

২৭/৮/৮৫

# একেখন খেল, দুখন পথাৰ

গিৰিণ (গিৰীন্দ্ৰ?) কুমাৰ গগৈ নামৰ হোষ্টেলত থকা ছাত্ৰ এজনে প্ৰান্তিকলৈ এটা গল্প পঠিয়াইছে। (গল্পটো পঢ়ি অনুমান কৰিছোঁ— তেওঁ ছাত্ৰ)। তেওৰ গল্পটো গল্প হিচাপে ব্যৱহাৰ কৰাত অসুবিধা আছে, কিন্তু তেওঁৰ কিছুমান কথা মৰ্মস্পৰ্শী। সেই কথাবোৰ পেলনি যাবলৈ দিব নোৱাৰি। প্ৰথম দহটা স্থান নাম দি গল্পটো তেও যোৱা প্ৰাক-বিশ্ববিদ্যালয় (বিজ্ঞান) পৰীক্ষাত তৃতীয স্থান লাভ কৰা ছাত্ৰীগৰাকীলৈ উছৰ্গা কৰিছে। প্ৰথম স্থান পোৱা ল'ৰাজনলৈ উছৰ্গা নকৰি তৃতীয স্থান পোৱা ছাত্ৰীগৰাকীলৈ উৰ্ছগা কৰাৰ কাৰণ হিচাপে তেও লিখিছে— মেট্ৰিক (HSLC পৰীক্ষাত) তৃতীয হোৱা ল'ৰাজন হোষ্টেলত তেওৰ অন্তৰংগ বন্ধু আছিল। গিৰীণে দিনটো পঢ়ি থকা বাবে এই বন্ধুজনে তেওক ইতিকিং কৰিছিল। মেট্ৰিকত অষ্টম স্থান পোৱা ল'ৰাজনৰ লগ লাগি সেই বন্ধুজনে গিৰীণক ডাউন দিওতে কৈছিল— মোৰ থাৰ্ড পজিছনটো তোকে উছৰ্গা কৰিলো। গতিকে পৰীক্ষা দি যেতিযা দেখিলো যে মই ষ্টেণ্ড কৰা দূৰৰ কথা ষ্টাৰ পাও নে নাপাও তাৰে ঠিকনা নাই গতিকে মোলৈ উছৰ্গিত থাৰ্ড পজিছনটো হিচাপ-নিকাচ কৰি মই আপোনালৈকে উছৰ্গা কৰিলো। (একে শ্ৰেণীৰ ছাত্ৰীগৰাকীক গিৰীণে বাইদেউ আৰু আপুনি বুলি সম্বোধন কৰিছে।) ঢকুবাখনাবাসীয়ে আশা কৰিছিল— গিৰীণে মেট্ৰিকত ষ্টেণ্ড কৰিব কিন্তু তেওলোকৰ আশাত কুহুমীযা পানী ঢালি গিৰীণে ষ্টাৰহে পালে। তাৰ পাছত মই প্ৰতিজ্ঞা কৰিছিলো যে পিইউত ষ্টেণ্ড কৰিমেই। গিৰীণ ইতিকিঙৰ পাত্ৰ হোবাৰ এটা কাৰণ হ'ল— তেওৰ পঢা মেজত আছিল আগৰ বছৰৰ পৰীক্ষাত প্ৰথম হোৱা কবিতা ডাউকা দ্বিতীয হোৱা আৰজু আৰা বেগম আৰু ডিব্ৰুগড বিশ্ববিদ্যালয়ৰ পৰীক্ষাত প্ৰথম হোৱা ষডানন দত্তৰ ছবি। প্ৰথম দুখন ছবি কোনোবাই লৈ যোৱা কাৰণে তৃতীয়খন তেও বাকচত ভৰাই থৈছিল। কলেজত নাম লগোৱাৰ দিনা গিৰীণৰ বাইদেৱেক গৰাকী তেওৰ পিছত আছিল। কিন্তু পাছত যেতিয়া আপুনি ভাল ভাল চেহেৰাৰ নম্বৰ বুটলিবলৈ ধৰিলে আৰু আমাৰ নম্বৰে সাৰ-পানী নাপাই টেঁটেৰা-মেমেৰা মুমূৰ্ষু অৱস্থা পালেগৈ তেতিযা চিঞৰি চিঞৰি ক'বলৈ মন গ'ল—

একেটা বলকে খেলিম যেতিয়া ফিল্ডো একেখন হোৱাৰ প্ৰযোজন। আপোনালোকৰ ফিল্ডখন যথেষ্ট সুচল। অন্যহাতে যদিও মেচ খেলিবৰ বাবেই আমাৰ ফিল্ডখন বনোৱা হৈছে, তথাপি ই মুঠেই ভাল নহয়। দুই এটা গছৰ মূঢাও ইযাত আছে—যত লাগি আগলৈ মৰা বল পিছলৈ উভতি আহে বল মাৰোঁতে গছৰ মূঢাত লাগি দেহা ঘূৰ্ণীয়া হয়।

গিৰীণৰ বাইদেবেক গৰাকীয়ে ঘৰত থাকি পঢ়ে গতিকে গিৰীণৰ মানত তেওলোকৰ মেচ খেলা ফিল্ড দুখন বেলেগ। তেও কৈছে, আপোনালোকৰ দৰে লোকেল হৈ পঢ়াৰ সৌভাগ্য নহ'ল। মোৰ পঢ়াৰ সময় আপোনালোকতকৈ বহুত কম হ'ল।

কিয় কম হ'ল? গিৰীণে কথাবোৰৰ এটা দীঘলীয়া বৰ্ণনা দিছে। কলেজীয়া জীৱন আৰম্ভ হোৱাৰ লগে লগে আমাৰ হোষ্টেলীয়া জীৱনো আৰম্ভ হ'ল। লগে লগে এমাহলৈ ৰেগিং। অন্যহাতে সকলো বিষয়ৰে প্ৰাথমিক কথাবোৰ (শ্ৰেণীত) ফৰাফৰ এইটো সময়তে শিকায়। বচ কলিতে পোক লম্ভিল। সমান্তৰালকৈ পাতক ৰাগত আদৰণি সভাত পুৰস্কৃত কৰিবৰ বাবে প্ৰতিযোগিতাসমূহ। যিমানে মনে বিচাৰিলে পঢ়াৰ মেজলৈ যাবলৈ সিমানে বাধ্য হৈ মনক সেই পুণ্য কামৰপৰা আতৰত ৰাখিব লগা হ'ল। পুৰস্কাৰ পাই অধ্যক্ষ মহোদয়ৰপৰা অমূল্য হেণ্ডছেকটো আৰু কলম এটা উপহাৰ হিচাপে লৈ মনলৈ নতুন উদ্যম আনি পঢ়িবলৈ বহিলো। ইতিমধ্যে আপোনালোক যথেষ্ট আগবাঢ়িছে। তথাপি যেনেকৈয়ে নহওক আপোনালোকক লগ ধৰিম বুলিয়ে পঢ়িবলৈ ললো। লৈছিলোহে। কলেজ সপ্তাহৰ বাবে ঢোল তাল ৰিহাছেল ভৈয়ামত বাজিছে ঢোল চেঙেলীয়া মনকে বান্ধিব নোবাৰো ছিঙে মৰাপাটৰ ডোল। সদায় ভাত খাই উঠি নাচিব লগা হ'ল। আগৰ বছৰ ইলেভেনথ পজিছন পোৱা দাদা এজনে নাটক লিখিবলৈ কলে লিখিলো। প'ষ্ট গ্ৰেজুৱেটৰ দাদা এজনে সেইখনৰ অনাৰ্তাৰ ৰূপ দিবলৈ কলে —দিলো। বিহুগীত গালো একক অভিনয় কৰিলো। ইতিমধ্যে আপোনালোক ইমান আগবাঢ়িল যে পিছফালৰপৰা নেদেখা হলো। টাৰমিনেল পৰীক্ষাৰ যেতিয়া বহী ঘূৰাই দিলে তেতিয়া মোৰ নাকটো ঘূৰাই দিয়া যেন বোধ হ'ল। তাতে যেতিয়া নবদাই এদিন ক'লে— মাঘ বিহুত ঘৰলৈ নোযোৱাকৈ পঢ়িছিলি নহয় পা মছলা। — কথাষাৰে মোৰ বুকুত শেলে বিন্ধাদি বিন্ধিলে। কান্দি কান্দি গোটেই ৰাতিটো চকু টিপ নমৰাকৈ পাৰ কৰিলো।

তাৰ পাছত গিৰীণে দুটা বছৰৰ হোষ্টেল জীৱনৰ বৰ্ণনা দিছে। নানান কামৰ লেঠা মাৰি দুপৰীয়া যিকণ সময় পাও পঢ়িবলৈ বিচাৰো। কিন্তু বাহিৰৰ

পৰা ৰিং আহে— গিৰীণ গেৰা মাৰিবি—। কি কৰিম? কোনোবাই কৈয়ে গৈছে নহয়—দুখলগা কথাবোৰৰ আটাইতকৈ বেছি দুখলগা কথাটো হ'ল— হ'লহেতেন it would have been! আন্দোলনৰ কাৰ্যসূচীত ক'ৰবাত আপোনালোকক দেখা মনত নপৰে। কিন্তু হোষ্টেলৰ যাবই লাগিব। অন্ধকাৰ দিবসত আপোনালোকে চাকি-লেম-মম কিবা জ্বলাই পঢ়ে নে নপঢ়ে নাজানো কিন্তু মই নপঢ়োঁ। মই যে গাধ—দেখিছেনে কি অপ্রং-বগ্রং সোপা বকিছোঁ? মই ইমান গাধ যে নিজৰ দুৰ্বলতা ঢাকিবলৈ গৈ আনৰ সবলতাক সমালোচনাও কৰিছোঁ। বেয়া নাপাব।

ঘৰত থাকি পঢ়া আৰু হোষ্টেলত থাকি পঢ়া ল'ৰা-ছোৱালীৰ সুবিধা-অসুবিধাৰ যিবোৰ কথা গিৰীণে লিখিছে, তাৰ লগত যোৱা প্ৰাক-বিশ্ববিদ্যালয়ৰ স্তৰৰ বিজ্ঞান আৰু কলা বিভাগৰ প্ৰথম দহোটা স্থান অধিকাৰ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ তালিকা দুখনো যোগ দি চালো। প্ৰমাণ কৰিব পাৰি— গিৰীণতকৈও মেধাৱী ছাত্ৰ-ছাত্ৰী হোষ্টেলৰ পৰিবেশত ক্ষতিগ্ৰস্ত হৈছে। এইটো গুৰুত্বৰে মন কৰিবলগীয়া কথা। এই ক্ষতিৰ বাবে কলেজৰ অধ্যক্ষ হোষ্টেলবোৰৰ অধীক্ষক/ৱাৰ্ডেন/ছুপাৰিণ্টেণ্ডেণ্ট আদিৰ বিষয়ে উচ্চবাচ্য কৰি সদ্যহতে একো লাভ দেখা নাই কিন্তু ক্ষতিটো যে অভিভাৱকৰ ক্ষতিটো যে ছাত্ৰ-ছাত্ৰীৰ, সেইকথা অভিভাৱক আৰু ছাত্ৰ-ছাত্ৰীয়ে নিজে উপলব্ধি কৰিব বুলিয়েই গিৰীণৰ কথাখিনি দোহাৰিলো। গিৰীণে গল্পটোৰ শেষত বাইদেৱেকক কৈছে আপোনাৰ মুখে শুনিলে বহুতে এইবোৰ সমস্যা সঁচা বুলি পৰিত্ৰাণৰ উপায় চিন্তি সাৱধান হ'ব। সেয়েহে কলো। গিৰীণৰ আশা পূৰ্ণ হ'ব লাগে।

২৬/৯/৮৫

শেঃ পৃঃ ১২

# শ্ৰদ্ধা-মৰম অৰ্জনৰ সময়

আন্তঃৰাষ্ট্ৰীয় যুববৰ্ষ বুলি আমাৰ ছাত্ৰ ছাত্ৰী যুবক-যুবতীসকলৰ পৰা কেইটামান নিৰ্দিষ্ট বিষয়ত পোৱা অভিমত প্ৰকাশ কৰিবলৈ প্ৰান্তিকত এটা শিতান খুলি ৰখা হৈছে। এই শিতানলৈ পঠোৱা ৰচনাবোৰত তেওলোকে তেওঁলোকৰ সমবয়সীয়া সকলৰ আচৰণ চৰিত্ৰ আদিৰ বিষয়ে ইমান কটুকথা লিখিছে যে সেইবোৰ পঢ়ি-পঢ়ি মনত কষ্ট পোৱা যায় একো সময়ত হতাশাৰে মন ভৰি পৰে। উচ্ছৃংখলতা অশালীন ব্যৱহাৰ অধ্যয়ন-বিমুখতা মদ্ জুৱা— কত কি। এসময়ত আমাৰ চিন্তা হ'ল— আমিনো এইবোৰকে ছপা কৰি থাকিম নে? মাজে-মাজে ভাবোঁ— অন্তত এই ৰচনাবোৰ লিখা ল'ৰা-ছোৱালীহঁতো তেওলোকৰ মাজতে আছে সেইটোৱেই আশাৰ কথা।

এইবোৰৰ মাজতে যেতিয়া তেওলোকৰ বিষয়ে ভাল কথা একোষাৰ শুনো তেতিয়া সেই কথাষাৰ বৰ আগ্ৰহেৰে খামোচ মাৰি ধৰি থাকিবলৈ মন যায়। যোৱা তিনিদিনত এনে ঘটনা দুটা ঘটিল। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত নাম লগাবলৈ এগৰাকী ছাত্ৰী ওলাই গ'ল — যাবৰ সময়ত তেওৰ দুশ্চিন্তা — আজি বা ৰেগিঙত তেওৰ কি অৱস্থা হয়। কি সুধিলে কি ক'ম? কি কৰিবলৈ ক'লে কি কৰিম? নাম লগাই এসময়ত তেও উভতি আহিল। কেনে হ'ল? ৰেগিঙৰ নামেই নাই। ওপৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে বৰ সহায় কৰিলে। তেওলোকে ইমান ভাল ব্যৱহাৰ কৰিলে যে ছাত্ৰীগৰাকী তেওলোকৰ প্ৰতি শ্ৰদ্ধা আৰু ভাল ভাবত অভিভূত। যি সময়ত আমাৰ হাতত গোটেই ৰাজ্যখনৰপৰা ৰেগিঙৰ কলংক আৰু বিভীষিকা সম্পৰ্কে লিখা জাপ-জাপ চিঠি গোট খাইছে, সেই সময়ত এইটো নিশ্চয় এটা মন উৎফুল্ল কৰিব পৰা খবৰ আজিৰ দিনত দিবলগীয়া খবৰ।

দ্বিতীয় ঘটনাটো 'দি টেলিগ্ৰাফ কাকতৰ কালিৰ সংখ্যাত কাকতখনৰ প্ৰতিনিধিয়ে উত্তৰ লক্ষীমপুৰৰ পৰা লিখিছে,— যি শৃংখলা আৰু শান্তিপূৰ্ণ অৱস্থাৰে সদৌ অসম ছাত্ৰ সন্থাৰ তিনিদিনীয়া অধিবেশন হৈ গ'ল — সেইটো লক্ষ্য কৰিলে বুজা যায়— আগৰ দিনকেইটাত কিমান সুচিন্তিতভাৱে কিমান খুটিনাটিলৈ লক্ষ্য কৰি অধিবেশনখনৰ আযোজন কৰা হৈছিল। এটা অনুষ্ঠানত বাঁহৰ বেৰৰ সিফালে পাঁচ হাজাৰ মানুহ ইমান শৃংখলাবদ্ধভাৱে গোট খাইছিল

যে ক'তো বেৰখন ক্ষতিগ্ৰস্ত হোৱা নাছিল। উদ্যোক্তাসকলে সমবেত লোকক নিয়ন্ত্ৰণ কৰিবলৈ পুলিছৰ সহায় লবলৈ অস্বীকাৰ কৰিছিল আৰু ছোৱালীবিলাকে সেই কামটো কৰিছিল। পথাৰখনৰ এচুকত ষ্টেনগান লৈ কিছুমান পুলিছৰ লোকক বিচ্ছিন্নভাৱে থিয়াথিয়ি কৰি থকা দেখা গৈছিল। শোভাযাত্ৰাৰ আনন্দমুখৰ পৰিবেশত 'সংখ্যালঘু গোষ্ঠীৰ লোকসকলৰ কথা কোনেও পাহৰা নাছিল। ফেষ্টুন লগোৱা ট্ৰাকত দেখা গৈছিল শিখ, মুছলমান বাঙালী লোকক। প্ৰতিনিধি-সভাখন মুকলি সভাৰ সমানেই সুশৃংখল আছিল। কেৱল নিমন্ত্ৰিত আৰু হাতত প্ৰবেশপত্ৰ থকাসকলহে সভাঘৰত সোমাইছিল।

আমাৰ ছাত্ৰ-ছাত্ৰী যুবক-যুৱতী সকলৰ বিষয়ে ৰাজ্যখনৰ বাহিৰত প্ৰকাশিত কাকতত এনে বাতৰি পঢ়িবলৈ পালে ভাল লাগে। আমি বিভিন্ন সময়ত কৈ আহিছোঁ — সমগ্ৰ পৃথিৱীতে আজি ছাত্ৰ-ছাত্ৰী যুবক-যুৱতীৰ অৱস্থা বিচিত্ৰ হৈ আছে, অধ্যয়ন আৰু সমালোচনাৰ যোগ্য হৈ আছে। অসমৰ ল'ৰা-ছোৱালীহঁতক এই অৱস্থাৰ পৰা একেবাৰে আঁতৰত ৰাখিব নোৱাৰি। কিন্তু অসমৰ ল'ৰা-ছোৱালীহঁত এনেকুৱা গুৰুত্বপূৰ্ণ কাম এটাৰ লগত জড়িত হ'ল যে তাৰ কাৰণে তেওলোকৰ ওপৰত দায়িত্বও পৰিল বহুত আৰু তেওলোকৰ ওপৰত দেশখনৰ মানুহৰ দৃষ্টিও হ'ল তীক্ষ্ণ। তদুপৰি যিটো সমস্যাৰ লগত তেওলোক জড়িত হ'ল সেইটো ইমান জটিল যে তেওলোকৰ বহুতে দেশখনৰ সাধাৰণ ছাত্ৰ-ছাত্ৰী-যুবকৰ অৱস্থাৰ পৰা আঁতৰি আহি এক অসাধাৰণ ভূমিকা গ্ৰহণ কৰিব লাগিব।

এই কথাবোৰৰ ওপৰত এই সময়ত গুৰুত্ব দিয়াৰ একাধিক কাৰণ আছে। অহা কেইমাহমানত অসমৰ যুৱশক্তি ৰাজ্যখনৰ ঘটনাৱলীৰ লগত ঘনিষ্ঠভাৱে জড়িত হৈ পৰিব। নিৰ্বাচনত কোন জিকে কোন হাৰে সেইটো বেলেগ কথা কিন্তু এই সময়ছোৱা তেওলোকৰ বাবে শান্তি-সম্প্ৰীতি-শৃংখলাৰ ওপৰত চকু ৰখাৰ সময় নিজে কোনো ধৰণৰ উচ্ছৃংখলতাৰ বাহক নোহোৱাৰ সময় ৰাইজৰ শ্ৰদ্ধা আৰু মৰমৰ পাত্ৰ হোৱাৰ সময়। কিছুদিনৰ আগতে এগৰাকী নেতাই কৈছিল --- মানুহ এঘৰত গধূলি কেইজনমান ল'ৰাই দলিউৱাৰ কাৰণেই সেই অঞ্চলৰ সকলো মানুহে পাছদিনাই ঠিক কৰিলে— ল'ৰাকেইজনে যিজন প্ৰাৰ্থীক সমৰ্থন কৰে তেওঁলোকে তেওকে ভোট দিব বুলি ভাবি আছিল যদিও এতিয়া আৰু নিদিয়ে।

সুশৃংখল ব্যৱহাৰে ধনবল-জনবলতকৈও অধিক শক্তিশালী উপাদান হিচাপে কাম কৰিব পাৰে।

১২/১০/৮৫

# মন ভঙা ঘটনা

সম্পূৰ্ণ শুদ্ধ ভোটাৰ-তালিকা ভাৰতবৰ্ষৰ কোনো ৰাজ্যতে প্ৰস্তুত কৰা নহয় বুলিয়েই জনা যায়। অসমৰ যাতাযাত ব্যৱস্থা ভৌগোলিক অৱস্থা ভোটাৰ-তালিকা প্ৰস্তুত কৰা ব্যৱস্থা আৰু মানুহৰ দক্ষতা,— এইবোৰ অইন ৰাজ্যৰ তুলনাত অধিক উন্নত বুলি জনা নাযায়। তদুপৰি ভোটাৰ-তালিকাযেই এই ৰাজ্যখনৰ আটাইতকৈ জটিল সমস্যাজড়িত বিষয়কেইটাৰ এটা প্ৰচণ্ড ৰাজনৈতিক হেঁচা আৰু টনা-আজোৰাৰ মাজত ইয়াৰ হৰণ-ভগন-যোগ-বিয়োগ চলে। এনে অৱস্থাত আঠ-দহমাহৰ ভিতৰত সম্পূৰ্ণ শুদ্ধ ভোটাৰ-তালিকা এখন প্ৰস্তুত হৈ নুঠিব পাৰে। কাৰোবাৰ কাৰণে তালিকাখন অলপ - অচৰপ গ্ৰহণযোগ্য হ'লেও অইন কাৰোবাৰ কাৰণে ই আপত্তিৰ বিষয়বস্তু হৈয়েই থাকিব। গতিকে অহা দুই আঢৈ মাহৰ ভিতৰত যদি নিৰ্বাচন অনুষ্ঠিত হোৱাটো সংশ্লিষ্ট সকলোৰে কাম্য তেনেহ'লে দেখা যাব যে কিছু ত্ৰুটি থকা ভোটাৰ-তালিকা এখন লৈয়েই তেওলোকে নিৰ্বাচনত অংশ গ্ৰহণ কৰিব। কিন্তু কিবা উপাযেৰে এইবাৰৰ ভোটাৰ-তালিকাত নাম সুমুৱাব পাৰিলেই এজন অভাৰতীয মানহ ভাৰতীয হৈ যাবনে? পাছত ধৰা পেলাই এই মানুহজনক শাস্তি দিযাৰ ব্যবস্থা নাই নে? নে এওলোকে ভোট দিবলৈ পোবাৰ কাৰণেই এনে কিছুমান মানুহ নিৰ্বাচিত হ'ব-- যিসকলে এওলোকক আমৰণ ৰক্ষণাবেক্ষণ দি ৰাখিব শাস্তিৰপৰা আঁতৰাই ৰাখিব? এইখন ভোটাৰ-তালিকাত নাম নোসোমাল কাৰণেই এজন ভাৰতীযই আমৰণ ভোট দিযাৰ অধিকাৰ হেৰুৱাব নে? মূল প্ৰশ্নটো হৈছে --- ত্ৰুটিপূৰ্ণ ভোটাৰ তালিকাৰ কাৰণে নিৰ্বাচনৰ ফলাফল কিমানদূৰ ইফাল-সিফাল হ'ব? কোন পক্ষ লাভবান হ'ব কোন পক্ষ ক্ষতিগ্ৰস্ত হ'ব? সেই কথা এতিযা কোনেও নিশ্চিতভাৱে ক'ব নোৱাৰে। গতিকে আগন্তুক নিবাচনৰ লগত জড়িত ন্যাযপৰাযণ দেশপ্ৰেমিকসকলে এতিযা এটা কথা কৈ থব পাৰে পৰিস্থিতি আৰু সময়ৰ বাবে তেওলোকে এই ভোটাৰ-তালিকা লৈয়েই সদ্যহতে নিৰ্বাচনত অংশ গ্ৰহণ কৰিব কিন্তু তেওলোকৰ এই কাৰ্যই ভোটাৰ-তালিকাখন শুদ্ধ বুলি স্বীকাৰ কৰা নুবুজায। তালিকাখনৰ ভুলবোৰৰ বাবে ভোটাৰৰ পৰা আৰম্ভ কৰি সেইখন প্ৰস্তুত কৰাৰ তত্ত্বাৱধানত থকা বিষযালৈকে— সকলো দোষীকে বিধানমতে শাস্তি বিহাটো নিৰ্বাচনৰ পাছত তেওলোকৰ এটা প্ৰধান

কৰ্তব্য হ'ব। সেই কৰ্তব্য পালন কৰোঁতেই অসম-চুক্তিৰ কেইটামান দফা কাৰ্যকৰী কৰাও হৈ গৈ থাকিব।

ভোটাৰ-তালিকা সংশোধন-প্ৰক্ৰিয়াত ভালেমান গণ্ডগোল হৈছে বুলি বাতৰি ওলাই আছে। এই পক্ষই গণ্ডগোল কৰিছে, সেই পক্ষই গণ্ডগোল কৰিছে, বিষয়াই গণ্ডগোল কৰিছে, পুলিচে গণ্ডগোল কৰিছে, কাৰোবাৰ মানত অইন কোনোবাই গণ্ডগোল কৰিছে। এইবোৰ গণ্ডগোলৰ ফলস্বৰূপ কিছু সংখ্যক ভোটাৰৰ প্ৰবেশ-প্ৰস্থান ঘটিব পাৰে ন্ঘটিবও পাৰে। কিন্তু এনে এবিধ ঘটনা ঘটিছে— যি বিধে কৰা অপকাৰ সংখ্যাৰে নিৰ্ণয় কৰিব নোৱাৰি। কিছুমান পৰিস্থিতিত কিছুমান বিষয়ত মানহ বৰ স্পৰ্শকাতৰ। মোলৈ যদি আজি এখন কাগজ আহে— আপুনিযে ভাৰতীয় তাৰ প্ৰমাণ দিযক,— তেনেহ'লে মই সেইখন মোলৈ ভুলতে আহিল, নাইবা কোনোবাই ক'ৰবাত ধেমালি, বা দুষ্টালি কৰিছে বুলি ধৰিম কাৰণ মই জানো এইটো মোৰ বাবে প্ৰমাণ কৰিবলগীয়া কথা নহয। কিন্তু মোৰ একেদিনাই এইখন জিলাতে জন্ম হোৱা এজন মানুহ— যিজনৰ ভাষা বা ধৰ্ম ভাৰতৰ বাহিৰৰ অইন এখন দেশতো প্ৰচলিত— সেইজন মানুহে যদি সেইখন কাগজ পায তেনেহ'লে তেও মই ভবা ধৰণে নাভাবিবও পাৰে। বৰ্তমানৰ পৰিস্থিতিত তেওৰ স্পৰ্শকাতৰ মনে তৎক্ষণাৎ ভাবিব পাৰে-- বাঙালী বা মুছলমান হ'লো কাৰণেই আজি এই বযসত মই এইখন কাগজ পাবলগীযা হ'লো। কাৰো বিশ্বাস নাই। কি যে দিন পৰিল।

এনেকুৱা ঘটনা ঘটিছে। এনে ঘটনাই এইখন ৰাজ্যতে জন্ম লৈ ইযাকে আপোন বুলি ভাবি ইয়াতে মৰিবলৈ সাজু হোৱা মানুহৰ মনত দুখ দিছে। কেইশমান বিদেশী ভোটাৰ-তালিকাত সোমোৱা ঘটনাই আমাৰ যিমান ক্ষতি কৰিব পাৰে এনে ধৰণৰ দুখে তাতকৈ বেছি ক্ষতি কৰিব পাৰে।

এনে ধৰণৰ ঘটনাৰ কাৰণে যিসকলে দুখ পাইছে, তেখেতসকলৰ প্ৰতি আমাৰ অনুৰোধ— এইবোৰ ঘটনা অবিবেচক মানুহৰ ধেমালি বা দুষ্টালিৰ ফল বুলিয়েই ধৰিব লাগে অসাৱধান বিষযা-কৰ্মচাৰীৰ ভুল বুলিযেই ধৰিব লাগে। যিখন দেশত মানুহ এজন মৰি যোৱাৰ বহু বছৰৰ পাছতো তেওঁলৈ চৰকাৰী চিঠি গৈ থাকে জীযাই থকা মানুহো চৰকাৰৰ ফাইলত মৃত বুলি চিহ্নিত হয় এইবোৰ সেইখন দেশৰে অইন এবিধ ভুল বুলি ধৰিব লাগে। বিষয়টোত তাতকৈ বেছি গুৰুত্ব যেন দিযা নহয়। ডাঙৰ কথা মই কিহৰ জোৰত তেনে এখন কাগজৰ ওপৰত প্ৰয়োজনাধিক গুৰুত্ব নিদিযাকৈ থাকিব পাৰিছোঁ? সত্যৰ জোৰত। একে জোৰতে তেখেতসকলেও খেন পাৰে।

২৮/১০/৮৫

# ভোট দিয়ক

অমুকক ভোট দিয়ক, তমুকক ভোট দিয়ক, এইবুলি দেশখনত কোটি-কোটিবাৰ ধ্বনি তোলা হয়, কিন্তু কেৱল 'ভোট দিয়ক বুলি তোলা ধ্বনি কাণত নপৰে। কিন্তু এইটো ধ্বনিও সমানে, বৰঞ্চ বেছিকৈহে কাণত পৰাটো যুক্তিযুক্ত।

এটা কাল্পনিক কিন্তু বাস্তৱৰ লগত সম্পৰ্ক থকা হিচাপ কৰা যাওক।

এটা নিৰ্বাচন-সমষ্টিত বাস কৰা মুঠ মানুহৰ সংখ্যা দুই লাখ। কম-বয়সীয়া ল'ৰা-ছোৱালী বিদেশী আৰু অন্যান্য কাৰণত চাৰি ভাগৰ তিনিভাগ মানুহ বাদ পৰিল ভোটাৰ তালিকাত নাম সোমাল পঞ্চাছ হাজাৰৰ। বিশেষ ধৰণৰ কোনো গণ্ডগোল নহ'লে একোটা সমষ্টিত শতকৰা পঞ্চাছ ভাগ ভোটাৰে ভোট দিলে সেই ঘটনাক সংবাদ মাধ্যম নিৰ্বাচন-আযোগ আদিয়ে হেভি প'লিঙ'ৰ ভাগলৈকে নিয়াৰ প্ৰবণতা দেখা যায়। অন্তত শতকৰা চল্লিছভাগ লোকে ভোট দিলেও কোনো কৰ্তৃপক্ষক শংকিত হোৱা দেখা নাযায়। গতিকে আমাৰ দেশত শতকৰা পঞ্চাছ ভাগ ভোট পৰাটো ভালৰ ঘৰৰে কথা।

এতিয়া সেই সমষ্টিটোতো ধৰি ললো শতকৰা পঞ্চাছ ভাগ ভোটাৰে অৰ্থাৎ পঁচিছ হাজাৰ মানুহে ভোট দিলে। প্ৰাৰ্থী আছিল পাঁচজন। তেওঁলোকে ভোট পালে যথাক্ৰমে পাঁচশ পোন্ধৰশ তিনি হাজাৰ ন হাজাৰ আৰু এঘাৰ হাজাৰ। গতিকে দুই লাখ মানুহৰ সমষ্টিটোৰ প্ৰতিনিধিত্ব কৰা মানুহজনক নিৰ্বাচিত কৰিছে এঘাৰ হাজাৰ মানুহে। মুঠ জনসংখ্যা আৰু সমৰ্থন কৰা মানুহৰ অনুপাতটো (প্ৰায় ২০ ১) বা মুঠ ভোটাৰ আৰু সমৰ্থন কৰা মানুহৰ অনুপাতটো (প্ৰায ৫ ১) সন্তোষজনক নহয়। কিন্তু নহ'লে কি হ'ব? দহজন প্ৰাৰ্থী থকা হ'লেতো অৱস্থাটো আৰু অসন্তোষজনক হ'লহেঁতেন। বৰ্তমানৰ নিযমমতেতো পাঁচশ মানুহৰ সমৰ্থন পাযো এজন মানুহ দুই লাখ মানুহৰ প্ৰতিনিধি হৈ থাকিব পাৰে।

সময়ে-সময়ে নিৰ্বাচনৰ নিযম-নীতি সলনি কৰাৰ বাবে আলোচনা-

বিলোচনা হৈয়েই থাকে। কথাবোৰ জটিল গতিকে সেই পৰিবৰ্তন এতিয়াও সধা হোৱা নাই। জটিলতা-জড়িত সেই সমস্যাবোৰৰ সমাধান যেতিয়া হয় হ'ব কিন্তু প্ৰত্যেকজন ভোটাৰক ভোট দিবলৈ আগ্ৰহী আৰু উদ্বুদ্ধ হ'বলৈ চেষ্টা কৰাটোতততো একো জটিলতা নাই। শতকৰা আশীভাগ ভোটাৰে ভোট দিলে বৰ্তমান নিয়ম-কানুনৰ মাজতোতো ব্যৱস্থাটো উন্নত হৈ পৰে।

ভোটাৰক নিজৰ অধিকাৰ সম্পৰ্কে শিক্ষিত বা অশিক্ষিত কৰাৰ ভাৰ বৰ্তমানে প্ৰাৰ্থী আৰু দলসমূহৰ হাততেই আছে। কোনখন গাঁৱৰ সকলো ভোটাৰ ভোট দিবলৈ আহিলে কাৰ ভাল হয় কোনো নাহিলেই কোনে ভাল পায় এইবোৰ এতিয়া নিৰ্বাচন-যুদ্ধৰ কৌশলৰ অংগ। স্বাৰ্থ পূৰণ হ'লে কোনোবাই গোটেই গাঁওখনক বাছত তুলি লৈ আহিব পাৰে স্বাৰ্থ পূৰণ নহলে সেইদিনা গাঁওখনক ভোজ ভাত খুৱাই গাঁৱতে আবদ্ধ কৰি ৰাখিব পাৰে। এবছৰ ধৰি হাজাৰ-হাজাৰ মানুহ লগাই লাখ-লাখ টকা খৰচ কৰি ভোটাৰ তালিকা প্ৰস্তুত-শুদ্ধ-প্ৰস্তুত কৰা হ'ল তালিকাখনত নাম সুমুউৱা-উলিওৱা কিমান হাহাকাৰ হ'ল তাৰ পাছত যদি তালিকাখনত নাম থকা আধাখিনি মানুহেই ভোট নিদিয়ে তেনেহ'লে আগৰ কামবোৰৰ সুফল কি? যিজনে দাবী কৰি নামটো সুমুৱাই ললে তেও নিশ্চয় ভোট দিব — সেইটোৱেই সুফল?

যিখন দেশত বেলট কাগজত প্ৰাৰ্থীৰ চিনাকি দিয়া ছবি একোখন নহ'লে নিৰ্বাচন সম্ভৱ নহয় অৰ্থাৎ যিখন দেশত অলেখ ভোটাৰে আখৰ চিনি নাপায় সেইখন দেশৰ ভোটাৰক ভোটটোৰ মূল্য তেও ভোট দিয়াৰ গুৰুত্ব --- এইবোৰ শিকাবলৈ-বুজাবলৈ নিৰ্বাচন আয়োগৰ এক বিৰাট অভিযানৰ প্ৰয়োজন আছিল। সেই অভিযান পৰিয়াল-কল্যাণ আঁচনিৰ অভিযানৰ নিচিনাই ব্যাপক হোৱা উচিত আছিল। কিন্তু তেনে ধৰণৰ অভিযান চকুত নপৰে যেতিয়া ভোটাৰক আগ্ৰহী কৰাৰ দায়িত্ব প্ৰাৰ্থী আৰু দলৰ ওপৰতেই থাকিল।

অসমৰ আগন্তুক নিৰ্বাচন সম্পৰ্কে আলোচনা কৰোঁতে এটা অভিমত শুনা যায় --- এইবাৰ অসমত মানুহে ৰাজনৈতিক বিবেচনাৰে ভোট দিব আৰু যিমান বেছি অসমীয়া মানুহে ভোট দিব নিৰ্বাচনৰ ফলাফল সিমানেই ৰাজ্যখনৰ কাৰণে মংগলজনক হ'ব। এই সন্দৰ্ভত ওপৰৰ কথাখিনি মনলৈ আহিল।

১১/১১/৮৫

# মহত্ত্বৰ প্ৰতিদান

শাসকৰ আসনত যেয়েই নবহক বিৰোধী পক্ষৰ আসনত যেয়েই নবহক অসমৰ নতুন বিধান সভাৰ চেহেৰা চাবলগীয়া হ'ব। ঘাইকৈ এটা সমস্যাক কেন্দ্ৰ কৰি আন্দোলন আৰম্ভ কৰা পাছলৈ পদে-পদে নতুন সমস্যাৰ সন্মুখীন হোৱা, লাহে-লাহে সমস্যাবোৰৰ জটিলতাৰ প্ৰকৃত ৰূপ দেখা আৰু শেষত নিৰ্বাচনী যুঁজত সেই ৰূপ উপলব্ধি কৰা এদল তৰুণ বিধান সভাৰ আসনত বহিব। এওলোকৰ সৰহ সংখ্যকেই অসম গণপৰিষদৰ সদস্য। এই দলভুক্ত যি কেইগৰাকী বয়সত তৰুণ নহয় তেখেতসকলৰ ওপৰতো এক বিশেষ ধৰণৰ তাৰুণ্য আৰোপিত হ'ব তাৰ এটা প্ৰধান কাৰণ হ'ল— অসম গণ পৰিষদে নিৰ্বাচনী যুঁজৰ বাবে সৃষ্টি কৰা সমগ্ৰ পৰিবেশটোতেই এক তাৰুণ্যৰ আভা আছে। তৰুণ বিধায়ক অসম বিধান সভাত আগেযেও আছিল কিন্তু নেতৃত্বৰ এক ধৰণৰ প্ৰৌঢত্বই তেওলোকৰ বয়স বঢাইছিল। এইবাৰ কথাটো ওলোটা হ'ব।

স্বাভাৱিকতে এই তৰুণসকলৰ নেতৃত্বৰ ধৰণ এতিয়া সলনি হ'ব। বুদ্ধিমত্তা আৰু প্ৰতিভা অনুসৰি তেওলোকে এই পৰিবৰ্তনৰ লগত নিজকে নিশ্চয় খাপ খুৱাব কিন্তু আৰম্ভণি মুহূৰ্তৰ প্ৰশ্নটো হ'ব— যি সকলৰ মাজত এই তৰুণসকলে সুদীৰ্ঘকাল কাম কৰিলে শেষ পৰ্যন্ত যিসকলে অক্লান্ত পৰিশ্ৰম কৰি এওলোকক নিৰ্বাচনত জয়ী কৰিলে সেইসকলেও এই পৰিবৰ্তনৰ লগত সমান গতিৰে নিজকে খাপ খুৱাব পাৰিব নে নোৱাৰে? এইসকলৰ লগত এওলোকৰ সম্পৰ্কটো কেনেকুৱা হ'ব?

এই প্ৰশ্নটো উত্থাপন কৰাৰ কেইবাটাও কাৰণ আছে। অসম গণ পৰিষদে এই যে এটা ঢৌ তুলিব পাৰিলে তাৰ বাবে দলটোৰ কান্ধত এটা দায়িত্ব পৰিল। এই যে এটা শক্তি বুলি পৰিগণিত হ'ল তাৰ বাবে দলটোৰ দায়িত্ব বাঢিল। আন্দোলন আৰম্ভ হোৱাৰেপৰা চুক্তি হোৱাৰ দিনলৈকে দাবী আৰু দৃষ্টিভংগীৰ পৰিবৰ্তন ঘটিছে, লগে-লগে নিৰ্বাচনটো অহাৰ কাৰণে সেই পৰিবৰ্তনৰ কথা ফেনেকি মানুহে অসন্তুষ্টি নবঢালে সময নষ্ট নকৰিলে। এতিয়া যুক্তিযুক্তভাৱে এনে ধৰণৰ অসন্তুষ্টিৰ যথোচিত ব্যৱস্থা কৰিব লাগিব। কিছুমান অতি পৰাক্ৰমী শক্তিৰ লগত যুঁজি দলটোৱে বিধান-সভাৰ এই আসনবোৰ অধিকাৰ কৰিছে; গতিকে অন্য ৰূপত এই যুঁজ সমান শক্তিৰেই চলি থাকিব। তাৰ লগে-লগে দলটোৱে নিৰ্বাচনী প্ৰতিশ্ৰুতি পালন কৰিব লাগিব। নতুন দল আঞ্চলিক দল

গতিকে অইন কিছুমান দলৰ দৰে নিৰ্বাচনী ইস্তাহাৰলৈ পিঠি দিয়াৰ নিচিনা কাম এই দলে কৰিব নোৱাৰিব। (শাসনভাৰ পালে কেবিনেট আৰু বিৰোধী পক্ষত থাকিলে শ্বেড' কেবিনেট পাতি লোৱাটো আমাৰ বিধান সভাবোৰৰ এটা নিয়ম হোৱা উচিত। মন্ত্ৰীসভা গঠন কৰিবলৈ পোৱা হ'লে যিজনে যি বিষয়ৰ মন্ত্ৰিত্ব ললেহেঁতেন বিৰোধী পক্ষত থাকিলেও তেও সেই বিষয়ৰ বিৰোধী মন্ত্ৰী হিচাপে কাম কৰাৰ ব্যৱস্থা আৰু আয়োজন কৰি লব লাগে। কেতিয়াবা মন্ত্ৰীসভাৰ পতন ঘটিব আৰু বিৰোধী দলে মন্ত্ৰীসভা পাতিবলগীয়া হ'লে এই বিৰোধী মন্ত্ৰীসভাই সহজে দায়িত্ব গ্ৰহণ কৰিব পাৰে।) শেষত সকলোৱে লক্ষ্য কৰিছে — এই নিৰ্বাচনী যুঁজত অসম গণ পৰিষদৰ হৈ গোটেই উপত্যকাটোৰ অধিকাংশ ছাত্ৰ-ছাত্ৰী যুৱক-যুৱতীয়ে প্ৰচণ্ড শক্তিৰে কাম কৰিলে। নিজ-নিজ প্ৰাৰ্থীৰ বিজয়ৰ গৌৰৱত এওলোক স্বাভাৱিকতে উল্লসিত হ'ব, কিন্তু এওলোকৰ প্ৰতি নৱনিৰ্বাচিত বিধায়কসকলৰ প্ৰথম দায়িত্ব কি হ'ব? মূলতঃ এই প্ৰশ্নটোৰ কাৰণেই সেই ঘাই প্ৰশ্নটো উত্থাপন কৰা হৈছে।

নিৰ্বাচনী যুঁজত খাটি দিয়াৰ প্ৰতিদান বিচৰাটো আমাৰ দেশত অগ্ৰণীসকলে এটা ৰীতিত পৰিণত কৰি থৈছে। প্ৰতিদান মানে ক্ষুদ্ৰ স্বাৰ্থজড়িত প্ৰতিদান সমূহীয়া মংগলসূচক প্ৰতিদান নহয়। এতিয়া এই কম বয়সৰ ল'ৰা-ছোৱালীহঁতে প্ৰতিদান বিচাৰিব নে? এটা পিকনিক এটা ভোজ — এই ধৰণৰ প্ৰতিদানৰ প্ৰশ্নটো তুচ্ছ কিন্তু এওলোকে নিজে নিজকে দিয়া এটা মানসিক দম্ভ এটা চাৰিত্ৰিক প্ৰতিদানৰ প্ৰশ্ন উঠাৰ আশংকা আছে। তেনে প্ৰতিদানৰ প্ৰভাৱ ক্ষতিকৰ হ'ব। 'আমিয়েই জিকাই দিলো — বুলি এওলোকে প্ৰয়োজনাধিক শক্তি আৰু অপশক্তি যাতে আহৰণ নকৰে সেইটোলৈ তৰুণ বিধায়কসকলে চকু ৰাখিব লাগিব। তেওলোকক 'ব্যৱহাৰ কৰা হৈছিল কাৰণেই তেওলোকৰ প্ৰতি তৰুণ নেতাসকল অতি সচেতন হ'ব লাগিব। নিৰ্বাচন যুঁজত খাটি দিয়াটো যে নিস্বাৰ্থ সেৱা সেই ধাৰণাটো তেওলোকৰ মনত সুমুৱাব লাগিব। এনে সেৱাৰ প্ৰতিদান যে ছাত্ৰ-ছাত্ৰী যুৱক-যুৱতীৰ সৰ্বাংগীন মংগলৰ ৰূপতহে অহা উচিত সেই কথা তেওলোকক — পাছত নহয় — আগন্তুক সম্বৰ্ধনা সভা বোৰতেই (এনে সভা হ'ব লাগে) বুজাব লাগিব আৰু নতুন দলটোৰ মংগলৰ কাৰণেই তেওঁলোকক নিজ-নিজ কৰ্তব্যৰ জগতত সুমুৱাই দিব লাগিব।

ৰাইজৰ সহযোগত এটা নতুন দলৰ প্ৰতিষ্ঠা আৰু 'জয় হ'ল' কাৰণে ৰাইজৰো দলটোৰ প্ৰতি দায়িত্ব আছে,— সেই কাৰণেই এইবোৰ কথা ক'বলৈ আৰম্ভ কৰা হৈছে।

১২/১২/৮৫

# বয়স-বুদ্ধি-অভিজ্ঞতা

অসমৰ বাহিৰৰপৰা প্ৰকাশিত বাতৰি-কাকত এখনত অসমৰ নতুন চৰকাৰ সম্পৰ্কে ৰাজ্যখনৰ উচ্চস্থানীয় বিষয়াৰ প্ৰতিক্ৰিয়াৰ বিষয়ে এটা বাতৰি পঢ়িলো। বাতৰিটোৰ সাৰাংশ হ'ল উচ্চস্থানীয় আই এ এছ বিষয়াসকল অসম গণ পৰিষদৰ চৰকাৰৰ অধীনত তেওলোকৰ অৱস্থা সম্পৰ্কে সন্দিহান হৈছে। আন্দোলনৰ প্ৰতি সহানুভূতি থকা এচাম বিষয়াই নতুন চৰকাৰক স্বাগতম জনাইছে, কিন্তু আন এচামে সন্দেহ কৰিছে, —অসম গণ পৰিষদৰ নেতাসকলৰ অনভিজ্ঞতাই ৰাজ্যখনক দুৰ্দশাগ্ৰস্ত কৰিব পাৰে। বিষয়াসকলৰ প্ৰধান সমস্যা হ'ল— বয়সত সৰু মন্ত্ৰীৰপৰা তেওলোকে হুকুম লব লাগিব। আগৰ মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠ লোক বুলি চিনাক্ত হোৱা কিছুমান বিষয়াই প্ৰতিহিংসামূলক নিপীড়ন (victimisation) ভোগ কৰিব লাগিব বুলি ভয় কৰিছে।

এইবোৰ কথা ন্যায সত্য আৰু অৱস্থাৰ পৰিপ্ৰেক্ষিতত গভীৰভাবে বিচাৰ কৰিব লাগে। শাসনৰ ক্ষমতালৈ নতুন ৰাজনৈতিক দল আহিলে উচ্চস্থানীয় বিষযাসকলৰ কিছু সমস্যা সদায সকলো দেশতে হয। কাৰণ তেওলোক চিন্তা-ভাবনা-মগজ নোহোবা প্ৰাণী নহয যি পাত্ৰতে থোৱা যায তৎক্ষণাৎ নিৰ্ব্বিবাদে তাৰেই আকাৰ ধাৰণ কৰা পানী নহয। বৰঞ্চ তেওলোক যেতিযা আই এ এছ আই পি এছ আদি পৰ্যাযৰ লোক গতিকে তেওলোকক অতি গুৰুত্বপূৰ্ণ দাযিত্ব দিযা হয। ৰাজ্য এখনত ৰাষ্ট্ৰপতিৰ শাসন চলি থাকিলে এই বিষযাসকলেই ৰাজ্যখন চলায। এওলোকৰ বুদ্ধিবৃত্তিৰ ওপৰত ইমানেই ভাৰসা ৰখা হয যে আজি যিজন বিষযা মীন বিভাগৰ দাযিত্বত আছে, কাইলৈ তেও শিক্ষা বিভাগৰ দযিত্ব লোৱাটোও আচৰিত হ'বলগীযা কথা নহয। এজন বিষযা এটা বিভাগত এক্সপাৰ্ট হৈ গ'ল এজন বিষযাৰ অধীনত থাকোঁতে অমুক বিভাগটো সুন্দৰ সুদক্ষ হৈ উঠিল তেনেধৰণৰ কথা আমাৰ ৰাজ্যবোৰত সাধাৰণতে প্ৰতিষ্ঠিত নহযেই নানান ধৰণৰ এশ এটা কাৰণত তেওলোকৰ বিভাগবোৰৰ সালসলনি হৈ থাকে। এতিযাও হ'ব। এওলোকৰ নিজকে খাপ খুৱাই লোৱাৰ ক্ষমতা আছে, সেই কাম এওলোকে এতিযাও কৰিব। কেৱল মূল প্ৰশ্নটো হৈছে—এওলোকৰ বুদ্ধিবৃত্তিৰ লগত দেশপ্ৰেম আৰু ৰাজ্যখনৰ

মংগলৰ চিন্তা জড়িত হৈ আছে নে নাই? মন্ত্ৰী বহু ধৰণৰ আছে মেট্ৰিক পাছ নকৰা বুঢ়াও আছে এম এ পাছ কৰা ডেকাও আছে। মেট্ৰিক পাছ নকৰা জ্ঞানীও আছে এম এ পাছ কৰা মূৰ্খও আছে। এওলোকক নিজ বুদ্ধিবৃত্তিৰে ৰাজ্যৰ মংগলৰ কথা মনত ৰাখি বিষয়াসকলে পৰামৰ্শ দি সহায় কৰি আহিছে নে নাই? সেইটোক অৱশ্যকৰ্তব্য বুলি গণ্য কৰি আহিছেনে নাই? যদি আহিছে তেনেহ'লে শাসনকাৰী ৰাজনৈতিক দল সলনি হলে ভয় কিহৰ? কাৰোবাৰ ভয়ৰ যদি কিবা ভেটি আছে, তেনেহ'লে সেই ভেটি তেওঁৰ নিজৰ অপকৰ্মযেই সৃষ্টি কৰিছে। হুকুম দিয়া মন্ত্ৰীজন বুঢ়া নে ডেকা সেইটো লৈ চিন্তিত হোৱাতকৈ তেওলোকক সঠিকভাৱে পথ আৰু নীতিৰ পৰামৰ্শ দি সহায় কৰাৰ চিন্তা অধিক প্ৰয়োজনীয়। ৰাজ্যখনৰ অধিকাংশ লোকে বিচৰা পৰিবৰ্তনটোৰ প্ৰতি এটা সমীহৰ ভাব সকলোৰে থাকিব লাগিব। 'এইজন মন্ত্ৰীয়ে একো নুবুজে এও কথাবোৰ দকৈ ভাবি নাচায় কিবা উফাল মাৰি-মাৰি কথা কয় — এনেকুৱা সঁচা বদনাম ৰাইজৰ মাজত বিয়পি পৰিবলৈও বৰ কম সময় লাগে। ৰাইজ এটা ডাঙৰ শক্তি— এইটো বিষয়া-বিধায়ক-মন্ত্ৰী সকলোৱে জানে। এতিয়া যে এই শক্তিয়ে এটা নতুন ৰূপ লৈছে, তেওলোক সকলোৱে এই কথাও জানে।

মগজুৰ ক্ষমতাৰ ফালৰপৰা সাতাইছ-সাতত্ৰিছ— এইবোৰ গুৰুত্বপূৰ্ণ বযস। আই এ এছ, আই পি এছ বিষয়াসকলেই এই কথাৰ প্ৰমাণ আটাইতকৈ বেছিকৈ দিব পাৰে। কিন্তু অভিজ্ঞতা বোলা বস্তুটোৰ মূল্য আৰু ক্ষমতা বৰ বেছি। সাম্প্ৰতিক ভাৰতৰ বিশেষকৈ অসমৰ ৰাজনীতি আৰু দুৰ্নীতিৰ জটিলতাই অভিজ্ঞতাৰ গুৰুত্ব বঢ়াই তুলিছে। শাসনৰ আসনলৈ অহা নতুন বিধাযক-মন্ত্ৰীসকলৰ প্ৰশাসন আৰু বিধানসভাৰ অভিজ্ঞতা নাই কিন্তু এই কথাটো তেওলোকে নিজেই আটাইতকৈ বেছিকৈ জানে নে নাজানে? জানে। এনে অৱস্থাত কেনেকৈ চলিব লাগে, সেইটো ঠিক কৰি লোৱাৰ যথেষ্ট বুদ্ধিবৃত্তি তেওলোকৰ বহুতৰে আছে। যাৰ কম আছে, তেওঁলোকৰ সাৱধান বেছি থকাসকলে নিশ্চয় লব। কেবল অভিজ্ঞতাৰ সুযোগ লৈয়েই তেওলোকক যাতে শলঠেকত পেলাবলৈ চেষ্টা কৰি নাথাকে প্ৰতিপক্ষৰ মনত তেনেকুৱা এক ভাবৰ সৃষ্টি কৰাটো নিৰ্ভৰ কৰিব তেওলোকৰ নিজৰে সততা উদাৰতা আৰু বুদ্ধিমত্তাৰ ওপৰত।

২৮/১২/৮৫

# "কেঁচা" সামগ্ৰী

শিলঘাটৰ মৰাপাট কলটো আকৌ চলোৱাৰ ব্যৱস্থা হৈছে। অশোক কাগজ কলটোৰ কাম-বন আকৌ কেনেকৈ আৰম্ভ কৰিব পৰা যায় তাৰো কথা-বতৰা চলিছে। আৰু দুই-এটা বন্ধ হৈ থকা সৰু-সুৰা কল-কাৰখানাৰ কথাও ওলাইছে। লগতে অসমৰ আৰু কেইবাটাও চলি থকা কল-কাৰখানা যে লাভজনকভাৱে চলা নাই সেই কথাও ওলাইছে। ৰাজ্যখনত উদ্যোগ প্ৰতিষ্ঠা কৰাৰ বাবে ইমান যুক্তি দৰ্শোৱা হয় ইমান দাবী কৰা হয় কিন্তু প্ৰতিষ্ঠা কৰা উদ্যোগবোৰৰ অৱস্থা ইমান বেয়া হয় কিয়?

মূলধন কেঁচা সামগ্ৰী কৰ্মী উৎপাদিত সামগ্ৰীৰ বাবে বজাৰ পৰিবহন ব্যৱস্থা বিতৰণ ব্যৱস্থা — উদ্যোগ প্ৰতিষ্ঠাৰ বাবে এইবিলাক বিষয় বিবেচনা কৰিব লাগে বুলি ক'বলৈ আজি আৰু এক্সপাৰ্টৰ মুখৰ প্ৰযোজন নাই এইবোৰ এতিযা কলেজীয়া ল'ৰাৰ পাঠ্যপুথিৰ পৰা স্কুলীয়া ল'ৰাৰ পাঠ্যপুথিলৈ নামিবলগীয়া বিষয় হ'ল। কিন্তু কোৱাও এক কথা সেইমতে কাম কৰাও এক কথা অসমৰ উদ্যোগবোৰ প্ৰতিষ্ঠা কৰোঁতে যোগ্য লোকে এক্সপাৰ্টে চাগে নিশ্চয ঠিকমতে উক্ত সকলোবোৰ বিষয় বিবেচনা কৰিছিল। নে নকৰিছিল? নকৰিছিল যদি তেওলোক যোগ্য লোকো নাছিল এক্সপাৰ্টো নাছিল। যদি কৰিছিল তেনেহ'লে কল-কাৰখানাবোৰৰ অৱস্থা বেযা হোৱাৰ কাৰণো এতিযা এক্সপাৰ্টসকলে দেখুৱাই দিব পাৰিব। তেখেতসকলে নিশ্চয উল্লিখিত বিষযবোৰৰ (মূলধন কেচা সামগ্ৰী ইত্যাদি ইত্যাদি) যিকোনো এটা বা কেইটামানৰ ক্ষেত্ৰত দুৰ্বলতা দেখুৱাই দিব আৰু এতিয়া কলটো পুনৰুদ্ধাৰৰ সময়ত সেইবোৰৰ দুৰ্বলতা আঁতৰাবলৈ নিশ্চয় উপাযো দিব। কিন্তু পাঠ্যপুথিত নথকা কেইটামান বিষয়ে অসমৰ উদ্যোগক বৰ বেযাকৈ ক্ষতিগ্ৰস্ত কৰে তাৰে এটা হ'ল দুৰ্নীতি আৰু অইন এটা হ'ল মানুহৰ অকৰ্মণ্যতা বা কৰ্মবিমুখতা। মৰাপাট কলটোৰ বিষয়ে এবাৰ এজন জনাবুজা মানুহৰ লগত আলোচনা কৰোঁতে এটা জটিল পৰিস্থিতিৰ কথা জানিব পাৰিছিলো। কলিকতাৰ বহুতো মৰাপাট কলক অসমৰ মৰাপাট লাগে কলিকতাৰ প্ৰত্যেকটো কলক পূৰ্বাঞ্চলৰ বজাৰ লাগে এনে তীব্ৰ প্ৰতিযোগিতামূলক অৱস্থাত দুজনমান বিষযাৰ দুৰ্নীতিমূলক সিদ্ধান্তই এটা উদ্যোগক বেমাৰী কৰি পেলাব পাৰে।

অৱশ্যে দুৰ্নীতিগ্ৰস্ত মানুহ ধৰা পৰে তেওলোকক আতৰালে আৰু তেওলোকে কৰা ক্ষতিবোৰ পূৰাব পাৰিলে অৱস্থাটো উন্নত হয় কিন্তু উদ্যোগটোৰ ভিতৰত সোমাই লোৱা এচাম কৰ্মীৰ অকৰ্মণ্যতা আৰু কৰ্মবিমুখতাই উদ্যোগটোৰ উশাহেই বন্ধ কৰি দিব পাৰে। অসমৰ ক্ষেত্ৰত বিশেষকৈ কল-কাৰখানাৰ ক্ষেত্ৰত এই বিষয়টো নিৰপেক্ষভাৱে উচ্ছ্বাস আৰু ভাবপ্ৰবণতা বাদ দি বিচাৰ কৰিব লাগে।

এঠাইত উদ্যোগ এটা প্ৰতিষ্ঠা কৰা হ'লে স্বাভাৱিকতেই থলুৱা লোকক ওচৰ-পাজৰৰ লোকক উদ্যোগটো স্থাপন কৰোঁতে যাৰ মাটি-বাৰী গ'ল তেওলোকৰ মানুহক উদ্যোগটোত নিযুক্তি দিব লাগে বুলি কোৱা হয় তাৰ যুক্তিযুক্ততাও আছে। কিন্তু এটা মৰাপাট কলত যি ধৰণৰ কাম কৰিব লাগে সেই কাম কৰাৰ অভ্যাস তেওলোক সকলোৰে আছেনে? যি দক্ষতাৰে নিযমানুবৰ্তিতাৰে কামবোৰ কৰিলে উদ্যোগটো লাভজনক অৱস্থালৈ আহে সেই দক্ষতা আৰু নিযমানুবৰ্তিতাবোধ তেওলোকৰ সকলোৰে আছেনে? থলুৱা কাৰণে ওচৰৰে কাৰণে মোক চাকৰি দিবই লাগিব এইটো মোৰ অধিকাৰৰ ভিতৰৰ কথা গতিকে মই চাকৰি পালো কামৰ সময়ত মই যি কৰোঁ তাৰ ওপৰত মাত নামাতিবা কাৰণ মই থলুৱা মানুহ,— এই মনোবৃত্তিৰ মানুহৰ আধিক্য ঘটিলে মূলধন কেঁচা সামগ্ৰী আদিয়ে কোনো উদ্যোগক লাভজনক কৰিব নোৱাৰে। নিজেও সততা আৰু পৰিশ্ৰমেৰে কাম নকৰোঁ তেনেকৈ কাম কৰা অইনকো সহ্য নকৰোঁ— এইটো এক ধৰণৰ ডকাইতি। প্ৰত্যেকজন কৰ্মীয়ে ঘড়ি-ঘণ্টা মতে এক মিনিটো অপব্যয় নকৰাকৈ নিজৰ কৰ্তব্য সমাপন কৰি, প্ৰযোজন হ'লে দৰমহা বনাচ থকাঘৰ চিকিৎসা-সাহায্য আদিৰ কাৰণে দুদিন ধৰ্মঘট কৰিলেও এটা উদ্যোগৰ যি ক্ষতি হয় তই যা না বাদ দে — জাতীয় "গৰম-ধোদ"ৰ দলে ৩১ দিনৰ ৩১ দিনেই অ'ভাৰটাইম কৰিলেও উদ্যোগটোৰ তাতকৈ বেছি ক্ষতি হয়। উদ্যোগটোৰ কল-কব্জা উৎপাদন আদি সকলো ভালে ৰখাৰ বাবে নিজে কৰিবলগীয়াখিনি নিযাৰিকৈ কৰাটো যে নিজৰ ভৱিষ্যতৰ বাবেই ভাল এইকথা কৰ্মীসকলে উপলব্ধি কৰিব লাগে। তেনে কৰিলে অইন "বেঠিকসকল"ক ধৰিবলৈও যোগ্যতা বাঢ়ে। এইখিনি কথা অসমৰ সকলো উদ্যোগ প্ৰতিষ্ঠানৰ ক্ষেত্ৰত কম-বেছি পৰিমাণে সঁচা। শিলঘাটৰ মৰাপাট কলটো আকৌ চলাবলৈ লওঁতে এইবাৰ এই সৰু অথচ অতি প্ৰয়োজনীয় কথাটোলৈ ওপৰমহলৰপৰা তলমহললৈকে সকলোৱে যেন মন কৰে।

৮/১/৮৬

# কামৰ সময়

সময় বুজি প্ৰযোজন বুজি কিছুমান কথা দোহাৰিবলগীয়া হয়। যোৱা নিৰ্বাচনৰ দিনটোৰ আগেযেই আমি লিখিছিলো  এই নিৰ্বাচনী যুঁজত অসম গণ পৰিষদৰ হৈ গোটেই উপত্যকাটোৰ অধিকাংশ ছাত্ৰ-ছাত্ৰী  যুবক-যুবতীয়ে প্ৰচণ্ড শক্তিৰে কাম কৰিলে। নিৰ্বাচনী যুঁজত খাটি দিয়াৰ প্ৰতিদান বিচৰাটো আমাৰ দেশত অগ্ৰণীসকলে এটা ৰীতিত পৰিণত কৰি থৈছে। প্ৰতিদান মানে ক্ষুদ্ৰ স্বাৰ্থ জড়িত প্ৰতিদান  সমূহীয়া মংগলসূচক প্ৰতিদান নহয়। 'আমিয়েই জিকাই দিলো — বুলি খাটি দিয়াসকলে যাতে প্ৰযোজনাধিক শক্তি আৰু অপশক্তি আহৰণ নকৰে  সেইটোলৈ তৰুণ বিধায়কসকলে চকু ৰাখিব লাগিব। নিৰ্বাচন যুঁজত খাটি দিয়াটো যে নিস্বাৰ্থ সেৱা  সেই ধাৰণাটো তেওলোকৰ মনত সুমুৱাব লাগিব। এনে সেৱাৰ প্ৰতিদান যে ছাত্ৰ-ছাত্ৰী  যুবক-যুবতীৰ সৰ্বাংগীন মংগলৰ ৰূপতহে অহা উচিত সেই কথা তেওলোকক অতি সোনকালে বুজাই  দিব  লাগিব।

এই কথাখিনি আমি আগতীয়াকৈ কৈছিলো হয  কিন্তু সেইখিনি সম্পূৰ্ণৰূপে কাৰ্যলৈ ৰূপান্তৰিত হোৱাৰ বাটত যে ভালেমান অসুবিধা আছে, সেইটোও বুজিছিলো। নিবনুৱা সমস্যা  অৰ্থাভাৱ বা অইন সমস্যাত ভুগি থকা হাজাৰ-বিজাৰ লোকে নতুন পৰিস্থিতিত অতি সোনকালে তেওলোকৰ সমস্যা সমাধানৰ আশা দেখাটো স্বাভাৱিক  দিছপুৰলৈ আহিলে কিবা এটা হ'ব বুলি ভবাটোও স্বাভাৱিক। আনহাতে মন্ত্ৰী-বিধায়কসকলেও অতি সোনকালে বহু কথা জানি-বুজি লব লাগে  ভাল কাম কৰাৰ লক্ষণো প্ৰকাশ কৰিব লাগে। নিশ্চয সেই কাৰণেই কিছুদিনলৈ সম্বৰ্ধনা-জাতীয সভা-সমিতি নপতাৰ কথা হৈছিল। কিন্তু আমি শুনা মতে প্ৰথম মাহটোতে দিছপুৰত দৰ্শনাৰ্থীৰ প্ৰচণ্ড ভিৰ হৈছে। এই ভিৰে কামত  বিশেষকৈ একোটা সমস্যা অধ্যযন কৰি চিন্তা কৰাৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি কৰাটো স্বাভাৱিক। এনে অৱস্থা চলি থাকিবলৈ দিব নালাগে।

এখন চৰকাৰে নিজৰ সমৰ্থক-বাহিনীক নিজৰ কৰি ৰাখিব লাগে  জনপ্ৰিয়তা ৰক্ষা কৰিব লাগে  প্ৰতিশ্ৰুতি ৰক্ষা কৰিব লাগে  বন্ধুত্বও ৰক্ষা কৰিব লাগে — এইবোৰ স্বাভাৱিক কথা। কিন্তু কেনেকৈ? সমগ্ৰ ৰাইজৰ বাবে কৰিবলগীয়া

কামৰ বিনিময়ত নিশ্চয় এই কাম কৰিব নালাগে। মিনিবাছ, টেক্সি ৰেল বাছ আদিৰ খৰচ বহন কৰিব পৰা উদ্যম থকা এক ধৰণৰ সংযোগ থকা লোক দিছপুৰলৈ আহিব পাৰে কিন্তু ৰাজ্যখনত লক্ষ-লক্ষ লোক আছে, যিসকলৰ সেই উদ্যম সংযোগ বা সুবিধা নাই। এনে লক্ষ-লক্ষ লোক আছে যিসকলে — সংযোগৰ প্ৰশ্নই নাই —প্ৰাৰ্থীক নেদেখাকৈয়ে আমাৰ চৰকাৰ হওক বুলি দেহে-কেহে খাটিলে আৰু ভোট দিলে তাৰ পাছত আকৌ নিৰৱে সেই দূৰ-দূৰণিৰ গাঁৱতে 'কিবা এটা হ'ব বুলি সোমাই থাকিল। এওলোক দিছপুৰলৈ নাহিল কাৰণেই প্ৰাপ্যৰ পৰা বাঞ্চিত হ'ব নে কি? হোৱা উচিত নহয়। যদি নহয় তেনেহ'লে উদ্যম সংযোগ আৰু ভাৰাৰ পইচা আছে কাৰণেই কিছুমান লোকে কিয় দিছপুৰত ভিৰ কৰিবহি লাগে? আগতে দেখিছোঁ সৌ ধেমাজিৰ পৰা শিক্ষক এগৰাকী টকা-পইচা ভাঙি সময় খৰচ কৰি গুৱাহাটীলৈ আহিল তিনি দিন খাপ পতাৰ পাছত এদিন তেখেতে মন্ত্ৰী গৰাকীক লগ ধৰাৰ সুবিধা পালে — দুই মিনিটমানৰ বাবে মন্ত্ৰীয়ে ক'লে — কাগজখন থৈ যাওকচোন চাম বাৰু। সিমানেই। তাৰ পাছত শিক্ষক গৰাকী আকৌ ধেমাজিলৈ। কামৰ একোটো নহ'ল। আচলতে সেইটো হয়তো সেই অঞ্চলৰ ডি আই গৰাকীৰ মেজতে হ'বলগীয়া কাম আছিল। সেইদৰেই বহুদিন ধৰি চৰকাৰ আৰু ৰাইজ উভয় পক্ষৰে সময় অৰ্থ আৰু শ্ৰমৰ অপব্যয় হৈছে। পঞ্চাছৰ দশকত শ্বিলঙৰ ছেক্ৰেটেৰিয়েটৰ অভ্যৰ্থনা-কক্ষত বহু সময় কটাই পাইছিলো — তেতিয়া লক্ষ্য কৰিছিলো—মন্ত্ৰীক দেখা কৰিবলৈ অহা মানুহৰ সংখ্যা ঘণ্টাত গড়ে এজন মানহে আছিল। বিধায়কসকলে আৰু সংশ্লিষ্ট কাৰ্যালয়সমূহে নিযাৰিকৈ নিজৰ কৰ্তব্য সমাপন কৰিলে এতিয়াও সেই অৱস্থা কিছু পৰিমাণে ওভোতাই আনিব পাৰি। ইয়াৰ বাবে মন্ত্ৰীসকলে সুচিন্তিত কাৰ্যপদ্ধতি ঠিক কৰি লোৱা উচিত। এতিয়া হয়তো বিজয়ৰ উল্লাস 'ইমিডিয়েট প্ৰতিদান বন্ধুত্ব আদিৰ জেৰটোৱেই প্ৰবল হৈ আছে, কিন্তু এই প্ৰাবল্য অতি সোনকালে নাইকিয়া কৰিব লাগে।

বন্ধুত্বৰ সন্দৰ্ভত আৰু এটা গুৰুত্বপূৰ্ণ কথা কৈ থওঁ। সুদীৰ্ঘ আন্দোলনৰ বিচিত্ৰ ঘটনাই বহু লোকক বন্ধুত্বৰ বৃত্তৰ মাজলৈ আনিছিল। এই সকলো বন্ধু'ৰ চৰিত্ৰ একে নহয়। এটা কাৰ্যালয়ৰ মেজৰ সমুখত থিয় হৈ নিৰুপায় বিষয়াজনক — কিয় নহ'ব? মই প্ৰফুল্ললৈ ফোন কৰিম ভৃগুলৈ ফোন কৰিম। —বুলি ধমকি মৰা বন্ধুৰ কথাও শুনিবলৈ পাইছোঁ। এওলোকক যেন পতিয়ন নিওৱা হয় যে—প্ৰফুল্ল-ভৃগু এতিয়া যথাক্ৰমে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী আৰু গৃহমন্ত্ৰী হৈছে। তেওলোকৰ মৰ্যাদাৰ ক্ষেত্ৰত বন্ধুসকলৰো দায়িত্ব বাঢ়িছে।

২৮/১/৮৬

# অসম সাহিত্য সভাৰ এটা কাম

নিজৰ মত নীতি কাৰ্যসূচী আৰু কাৰ্যপ্ৰণালীৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা আৰু বিশ্বাস ৰাখি অসম সাহিত্য সভাই নিজৰ চৰিত্ৰৰ এটা স্বাধীনতাসূচক বৈশিষ্ট্য ৰক্ষা কৰি চলিব লাগে— এইষাৰ প্ৰায় সকলোৱে স্বীকাৰ কৰা পুৰণি কথা। দেশখন যেয়েই শাসন নকৰক এইষাৰ কথা সদায় সঁচা হৈ থাকিব লাগে। কেৱল কথা হ'ল— যেতিয়া শাসকৰ দৃষ্টিভংগী ভাষা-সংস্কৃতিৰ মংগলৰ অনুকূলে হয় আৰু সাহিত্য সভাও নিজৰ নীতি কাৰ্যপ্ৰণালী আদিৰ ক্ষেত্ৰত সৎ হৈ থাকে তেতিয়া দুয়োটা দল স্বাভাৱিকতে সমিলমিলেৰে আগবাঢি থাকে। কিন্তু যেতিয়া যিকোনো এটা পক্ষৰপৰা এই অৱস্থাৰ স্খলন ঘটোৱা হয় তেতিয়াই বিৰোধে দেখা দিয়ে। তদুপৰি অসম সাহিত্য সভা এটা ডাঙৰ সংগঠন গতিকে ৰাজনৈতিক জালখনো বিভিন্ন সময়ত ইয়াৰ ওচৰ চাপে। কিন্তু যিহেতু এই সংগঠনটো ৰাজনীতি ক্ষমতা অৰ্থৰ লোভ আদিৰ লগত সম্পৰ্কিত হোৱাৰ কথা নাই গতিকে শেষ পৰ্যন্ত ই কোনো নৈতিক আৰু সাংস্কৃতিক বিৰোধত জয়ী হোৱাৰেই কথা যি কোনো ৰাজনৈতিক জালৰ পৰা বাচি থাকিবলৈ সমৰ্থ হোৱাৰেই কথা।

ভালেমান কথা বিচাৰ কৰি চালে দেখা যায়— এতিয়া ৰাজ্যখনত অসম সাহিত্য সভাই সমিলমিলেৰে কাম কৰাৰ এটা ভাল পৰিবেশ আৰু পৰিস্থিতিৰ উদ্ভৱ হৈছে। প্ৰয়োজনো হৈছে। এনে কিছুমান কাম ওলাইছে— যিবোৰ অসমৰ ৰাইজে মনপুতি কৰিবলৈ লোৱাটো প্ৰয়োজনীয়। ৰাইজ বোলোতে চৰকাৰ আৰু অসম সাহিত্য সভা— এই দুটা সংগঠনৰ কথাও কোৱা হৈছে। আৰু কামবোৰৰ ৰূপ এনেকুৱা যে সম্পূৰ্ণৰূপে নিজৰ নীতি আৰু স্বাতন্ত্ৰ্য অটুট ৰাখি দুয়োটা সংগঠনে সেইবোৰ কৰি গ'লে ৰাজ্যখন আৰু জাতিটোৰ মংগলৰ বাবেই কাম কৰা হ'ব, একে উদ্দেশ্য সাধন কৰাত বৰঙণি যোগোৱা হ'ব।

এটা বিশেষ উদাহৰণলৈ আহোঁ। যোৱা নিৰ্বাচনৰ আগেয়ে অসমৰ চাহ-বাগিচাৰ লোক আৰু চৰ অঞ্চলৰ লোকৰ মনোভাব সম্পৰ্কে বহু চিন্তা-

চৰ্চা-হিচাপ কৰা হ'ল-- আৰু নিৰ্বাচনৰ পাছত দেখা গ'ল-- এই দুযো অঞ্চলৰ বহুলোকৰ মনোভাব আমি আগেযে ভবাতকৈ বেলেগ। মানুহে শেষ মুহূৰ্তত ভোটটো কাক দিলে সেই কথাই মানুহজনৰ অন্তৰখন উদঙাই নিদিব পাৰে কিন্তু তেওৰ মনটো যে সেইজন প্ৰাৰ্থীৰ ফালৰ পৰা ওচৰ চাপিব পৰা ধৰণৰ সেই কথাৰ ইংগিত নিশ্চয় দিযে। চৰ আৰু চাহবাগান অঞ্চলৰ বহুলোকে অসম গণ পৰিষদক ভোট দিছে বুলি জনাৰ পাছত, বাকীখিনি অসমীয়া মানুহৰ তেওলোকৰ মনৰ কাষ চপাৰ বাট বহল হৈছে। এই কাম অতি সোনকালে কৰিব লাগে। এইটো এনে এটা কাম— যিটো চৰকাৰে কৰিলে অসম সাহিত্য সভাক সহায কৰা হয অসম সাহিত্য সভাই কৰিলে চৰকাৰক সহায কৰা হয আৰু দুযো দলে কৰিলে অসমীয়া জাতিটোক বেছি সোনকালে সহায কৰা হয। কিন্তু চৰকাৰৰ অৱস্থা আৰু অসম সাহিত্য সভাৰ অৱস্থা বেলেগ। চৰকাৰে খোজ কাঢ়িলে পদে-পদে ৰাজনৈতিক ধূলি উৰুউৱাৰ কাৰক বহুতো কিন্তু অসম সাহিত্য সভাই ঠিকমতে খোজ কাঢ়িলে ৰাজনৈতিক ধূলি উৰিবই নালাগে। গতিকে এই বিশেষ বাটটোত অসম সাহিত্য সভা অধিক আগবাঢ়িব লাগে।

মূল প্ৰশ্নটো হৈছে,—— চৰ অঞ্চলৰ আৰু চাহবাগিচা অঞ্চলত নিগাজীকৈ থাকিবলৈ লৈ জীৱিকা নিৰ্বাহ কৰা লোকসকলৰ অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰতি অসমীয়া মানুহৰ প্ৰতি সঁচাকৈযে এটা বিৰূপ মনোভাব আছেনে কি? সুখ-সুবিধাৰ স্বাৰ্থত তেওলোকৰ দাবী অভিযোগ থাকিব পাৰে তেনে দাবী-অভিযোগ বৰদোৱা-বৰপেটা-চাৰিং চাৰিগাঁৱৰ মানুহৰো আছে এই সকলো মানুহৰে দাবী পূৰণৰ বাবে অভিযোগ নাইকিযা কৰিবৰ বাবে ৰাজনৈতিক পন্থা লোৱাৰ অধিকাৰ আছে। যিকোনো ৰাজনৈতিক দলৰ এওলোকৰ মাজত কাম কৰাৰ এওলোকৰ সমৰ্থন আদায কৰাৰ অধিকাৰো আছে। কিন্তু প্ৰশ্নটো হ'ল ধৰি লওক লেবাৰ পাৰ্টি নামৰ এটা দল চাহ বাগিচাৰ লোকৰ মাজত আৰু ডেমক্ৰেটিক পাৰ্টি নামৰ এটা দল চৰ অঞ্চলৰ লোকৰ মাজত আস্থাভাজন হৈছে। কিন্তু দল দুটাৰ প্ৰাৰ্থী দুজন অসমীয়া বা অসমীয়া ভাষা-সংস্কৃতি ভালপোৱা মানুহ হ'লেই সেই লোকসকলে দল দুটাৰ প্ৰতিযেই আস্থা হেৰুৱাই পেলাব — এই সন্দেহ আমাৰ কিয হয? নে সন্দেহৰ কথাই নাই আচলতে ঘটনাটোৱেই তেনেকুৱা হয?

চালি-জাৰি চালে দেখিম--- এনে সন্দেহ বা ঘটনাৰ কাৰণে অসমীয়া মানুহৰ গাতো বহু দোষ আছে। এইবোৰ অৰাজনৈতিক পৰ্যাযতহে অধিক সুকলমে আঁতৰ কৰিব পাৰি গতিকে অসম সাহিত্য সভাৰ এটা উপসমিতিয়ে-

চৰ অঞ্চল আৰু চাহ বাগিচাৰ মানুহৰ মন আৰু তেওলোকৰ প্ৰতি অসমৰ বাকীখিনি অসমীয়া মানুহৰ মনোভাবক লৈযেই আন্তৰিকতাৰে কাম কৰিব লাগে। লেবাৰ পাৰ্টি ডেমক্ৰেটিক পাৰ্টি আদিক ৰাজনৈতিক কাৰণত অসমৰ কোনোবাই ভাল পোৱাটো অসমীয়া জাতি ভাষা-সংস্কৃতিৰ কাৰণে ক্ষতিকৰ নহ'ব পাৰে কিন্তু অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰতি আমাৰে মাজৰ কিছুমান মানুহে বিকৰ্ষণৰ ভাব পোষণ কৰাটো ক্ষতিকৰ। এনে বিকৰ্ষণৰ কাৰণবোৰ উলিযাই সেইবোৰ দূৰ কৰিবলৈ আঁচনি গ্ৰহণ কৰাটো অসম সাহিত্য সভাৰ বাবে এটা মহান কাম হ'ব।

এই কাম কৰোঁতে সভাই নিশ্চয় লক্ষ্য কৰিব — এই দিশত আজিলৈকে কৰি অহা কামবোৰৰ শক্তি আৰু দুৰ্বলতা ক'ত-ক'ত আছিল।

১২/২/৮৬

# সৰুৰ পৰা ডাঙৰলৈ

স্কুল-কলেজৰ ছাত্র-ছাত্রী কিছুমানে তেওঁলোকৰ পঢ়া-শুনাৰ ক্ষেত্রত হোৱা অসুবিধাৰ কথাৰে আমালৈ মাজে-মাজে চিঠি লিখে। বেছিভাগ চিঠিৰে মূল কথাকেইটা হ'ল,— ক্লাছবোৰ নিয়মীয়াকৈ নহয়, ইটো-সিটো কাৰণত ক্লাছবোৰ বাতিল হৈ যায়, কোনো-কোনো ঠাইত শিক্ষকৰ উপস্থিতিও অনিয়মীয়া, কোনো-কোনো শিক্ষকে উপস্থিত থাকিও শ্রেণী বহি থকা সময়ত ছাত্র-ছাত্রী উপকৃত হোৱাকৈ নপঢ়ায়, তেখেতসকলে প্রাইভেট টিউছন বা ক'চিং ক্লাছৰ প্রতি ছাত্র-ছাত্রীক উদ্‌গায়,— ফলত দুখীয়া, মেধাবী ছাত্র-ছাত্রীয়ে মনত কষ্ট পায়, আৰু তেওঁলোক ক্ষতিগ্রস্ত হয়। এইবোৰ কথা এচাম শিক্ষক, অভিভাৱক আৰু ভাল শিক্ষা ব্যৱস্থাৰ প্রতি আগ্রহী নাগৰিকেও লিখে, কিন্তু প্রত্যক্ষ অভিজ্ঞতাৰ ভেটিত এচাম কোমলমতীয়া ছাত্র-ছাত্রীয়ে কথাবোৰ যেনেকৈ বর্ণায়, সেইবোৰ পঢ়ি ধাৰণা হয়,— যেন এটা বিক্ষোভ-বিদ্রোহ-আন্দোলনৰ গুটিয়ে গজালি মেলো-মেলো কৰিছে, কিন্তু যাইকে দুটা কাৰণত এই ঘটনাটো ঘটা নাই, প্রথম কাৰণ হ'ল— শিক্ষকসকলৰ প্রতি থকা পাৰম্পাৰিক শ্রদ্ধা-ভক্তি-ভয় এই চাম ছাত্র ছাত্রীৰ মনতেই আটাইতকৈ বেছি, আৰু দ্বিতীয় কাৰণ হ'ল— ঠিকমতে শ্রেণী নবহিলে আনন্দ পোৱা আৰু ক'চিং ক্লাছ, প্রাইভেট টিউছন আদিক এক ধৰণৰ নতুন টোৰ লগত উটি অহা বস্তু বুলি গ্রহণ কৰা ছাত্র-ছাত্রীৰ সংখ্যা বহুত বেছি।

এই বিষয়বোৰ আমি আগেয়ে আলোচনা কৰিছো, এটা নতুন পৰিবেশ সৃষ্টি হৈছে বুলি ভাবি আকৌ আলোচনা কৰিম। ৰাষ্ট্রীয় শিক্ষানীতিৰপৰা আৰম্ভ কৰি শিক্ষক-চিকিৎসকসকলৰ প্রাইভেট প্রেকটিছ আৰু সাধাৰণ স্কুল-কলেজৰ শিক্ষকসকলৰ প্রাইভেট টিউছন -ক'চিং ক্লাছৰ মাজত পার্থক্য কি— এই ধৰণৰ বহু বিষয়লৈকে আমি আলোচনা কৰিব লাগিব আৰু সুচিন্তিত পৰামর্শও আগবঢ়াব লাগিব। অসম চুক্তি, অসমত বাস কৰা বিভিন্ন ভাষাভাষী লোক আৰু অসমীয়া ভাষা,— এইবোৰ বিষয়ো ৰাজ্যখনৰ শিক্ষা নীতিৰ লগত সাঙোৰ খাব। কিছুমান কথা স্বাভাৱিকতে বৰ জটিল হ'ব। কিন্তু আজি আমি এটা অতি সৰু কথাৰে আলোচনা আৰম্ভ কৰো।

ৰাজ্য চৰকাৰে স্কুলবোৰৰ পঢ়া-শুনাৰ দিনৰ সংখ্যা বঢ়োৱাৰ ব্যৱস্থা কৰিছে। আমাৰ দেশত শিক্ষানুষ্ঠানবোৰ উন্নত দেশৰ তুলনাত বেছি দিন বন্ধ থাকে। গতিকে চৰকাৰৰ ব্যৱস্থাটো ভাল হৈছে। কিন্তু মন কৰিবলগীয়া কথা হ'ল— ঘোষিত বন্ধৰ তুলনাত আচম্বিতে হোৱা বন্ধৰ পৰিমাণো সৰহ, "হাফ"ৰ সংখ্যাটোও বেছ

ডাঙৰ। কোনো-কোনো প্ৰতিষ্ঠানৰ ছপা কৰা বন্ধৰ তালিকাত "হাফ হলিডে" নাই বুলি ছপোৱা থাকে, কিন্তু সেইষাৰ কথাৰ কোনো মূল্য নাই। অৱশ্যে কোনো গুণী লোকৰ মৃত্যু আদি কাৰণত হঠাতে স্কুল-কলেজ বন্ধ বা "হাফ" দিবলগীয়া হয়। এফালৰ পৰা চাবলৈ গ'লে,— স্পৰ্শকাতৰ হ'লেও, এনেধৰণৰ বন্ধ বা "হাফ"ৰ বিষয়টো লৈও তৰ্ক কৰিব পাৰি, কিন্তু সদ্যহতে সেই তৰ্কলৈ নগৈ সৰু কথাটোলৈ আহোঁ। স্কুললৈ নোযোৱাকৈ থকা বা মাজভাগতে স্কুলৰপৰা গুচি অহা ল'ৰা-ছোৱালীক "আজি কিয় স্কুললৈ নগ'লা" বা "কিয় সোনকালে আহিলা" বুলি সুধিলে বেছিভাগেই সঠিক উত্তৰটো দিব নোৱাৰে। এই সৰু-সৰু ল'ৰা-ছোৱালীবোৰৰ মুখত— "জানো ! কোনোবা মৰিল বোলে।" —এনেকুৱা উত্তৰ শুনিলে বৰ বেয়া লাগে , সময়ৰ অপচয়ৰ বিষয়টো প্ৰকট হৈ উঠে, আৰু মৃত ব্যক্তি গৰাকীৰ প্ৰতি এটা অশ্ৰদ্ধাৰ ভাব পৰিস্ফুট হৈ উঠে। আনকি তালিকাভুক্ত, পূৰ্ব-ঘোষিত বন্ধবোৰৰ কাৰণো বহু ল'ৰা-ছোৱালীয়ে নাজানে। "দামোদৰদেৱ নেকি ! মহৰম নেকি ! তেনেকুৱা কিবা এটা আছে বোলে"— এই জাতীয় উত্তৰ আমি প্ৰায়েই শুনো। যিটো কাৰণত পঢ়া-শুনা, কাম আদি বন্ধ হোৱাৰ নিচিনা গুৰুতৰ ঘটনা একোটা ঘটে, সেই কাৰণটোৰ বিষয়ে আমাৰ সকলোৰে যথাযথ জ্ঞান থকাটো আমাৰ সুসংস্কৃতিৰেই পৰিচায়ক। তাৰ বিপৰীত অৱস্থাটো অসামাজিক, অসাংস্কৃতিক আৰু লজ্জাজনক। কিয় কাইলৈ স্কুল বন্ধ, কিয় আজি স্কুল "হাফ" হ'ব, এইবোৰ কথা ছাত্ৰ ছাত্ৰীক উপলব্ধি কৰোৱাটো দেখাত সৰু কথা হ লেও, শৃংখলা, জ্ঞান আৰু সংস্কৃতিৰ দিশৰপৰা বৰ উপকাৰী। এই কাম কৰিবৰ বাবে ডাঙৰ আচনি নালাগে , ইয়াত টকা-পইচা গ্ৰাণ্ট-ছেংছনৰ কথা নাই। কাইলৈ বন্ধ বা আজি "হাফ"— এই ঘোষণাটো যদি স্কুলৰ কৰ্তৃপক্ষযেই কৰে, তেনেহ'লে সেই ঘোষণা থকা জাননীখনতে বন্ধ বা ' হাফ 'ৰ কাৰণটো তিনিটামান বাক্যৰে, শুদ্ধভাৱে লিখি, সেইখিনিকে শ্ৰেণীত শিক্ষকে পঢ়ি শুনালেও অৱস্থাটো বহু উন্নত হয়।

"কাইলৈ বিশ্বকৰ্মা পূজাৰ কাৰণে স্কুল বন্ধ থাকিব। পৰহিলৈ তোমালোক প্ৰত্যেকেই বিশ্বকৰ্মা পূজাৰ বিষয়ে দহটা বাক্যৰ ৰচনা একোখন লিখি আনিবা।" এনেকুৱা এটা ব্যৱস্থাৰ বিষয়েও ভাবিব পাৰি , কিন্তু আগেয়ে শিক্ষকসকলৰ ফালৰপৰা তিনিটামান বাক্য শুদ্ধকৈ কোৱাৰ ব্যৱস্থাটোৰ ওপৰত জোৰ দিয়াই ভাল। কাৰণ "অমুক ঢুকাল" কাৰণে কাইলৈ স্কুল বন্ধ , কিন্তু অমুক নো কোন, সেই বিষয়ে শুদ্ধকৈ তিনিটা বাক্য লৰালৰিকৈ লিখি জাননী এখন তৈয়াৰ কৰাটো বহু স্কুলত এতিয়াও টান কাম হৈয়েই আছে , গতিকে কামটো স্কুল কৰ্তৃপক্ষৰ ফালৰপৰাই আৰম্ভ কৰা ভাল।

২৬/২/৮৬

# নেতৃত্বৰ আদিপাঠ

এইযে সৰু-সৰু ল'ৰা-ছোৱালীহঁতে ঠায়ে-ঠায়ে, ক'ৰবাত চুবুৰিয়ে-চুবুৰিয়ে ঝুলন যাত্ৰা, সৰস্বতী পূজা, পিকনিক আদি পাতে, সেইবোৰৰ প্ৰতি বহুতৰে ভাব ভাল, বহুতৰে বেয়া। ল'ৰা-ছোৱালীহঁতে আনন্দ কৰিছে, চুবুৰিটোও অলপ সজীৱ হৈছে,— হওক দিয়া। বহুতৰে ভাব হ'ল এইটো। অইন বহুতৰে ভাবটো হ'ল— কামৰ কামত নাই, খালী হৈ-চৈ কৰাৰ সুবিধা এটা ওলালেই হ'ল।

সৰু হ'লেও এইবোৰ কথাৰ বিষয়ে বহুতো আলোচনা কৰিবলগীয়া আছে। দুটা কথা নি সন্দেহে ক'ব পাৰি,— প্ৰথমতে, আমাৰ দেশত এনে ধৰণৰ উৎসৱ-অনুষ্ঠানৰ সংখ্যা আৰু সেইবোৰৰ প্ৰতি প্ৰৱণতা প্ৰয়োজন আৰু বৈজ্ঞানিক আৰু অৰ্থনৈতিক বিচাৰত বহুত বেছি, দ্বিতীয়তে পাতল কথা আৰু কামত উদ্বাউল হোৱা লোকৰ সংখ্যাও আমাৰ মাজত বহুত বেছি। কেৱল সৰু ল'ৰা-ছোৱালীৰ ক্ষেত্ৰতে নহয়, ডাঙৰৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য। ডাঙৰ সভা এখনৰ সন্ধিয়াৰ সাংস্কৃতিক অনুষ্ঠান আৰু পুৱা দহ বজাৰ আলোচনাচক্ৰত উপস্থিত থকা দৰ্শক-শ্ৰোতাৰ সংখ্যাতে এই সত্যটো প্ৰতিফলিত হয়। কামৰ কামত বৰ বিফল বুলি বদনাম থকা অফিছ একোটাৰ পিকনিক, বিশ্বকৰ্মা পূজা, পাৰ্টি আদি সিমান বিফল নহয। গতিকে কথাটো ডাঙৰৰ ক্ষেত্ৰতো প্ৰযোজ্য।

কিন্তু আকৌ ল'ৰা-ছোৱালীৰ কথালৈ আহো। সময, টকা-পইচা, যুক্তি-যুক্ততা, স্বভাৱ আদি দিশৰ প্ৰশ্নবোধ কিছু ঢিলাই দি ক'ব পাৰি— ল'ৰা-ছোৱালীহঁতে এই উৎসৱ-অনুষ্ঠান আদি পতাৰ মাজত দুটামান ভাল কামৰ সম্ভাৱনা আছে, যেনে— সংগঠন আৰু ব্যৱস্থাপনাৰ শিক্ষা আৰু অভিজ্ঞতা লাভ কৰা, এক ধৰণৰ নেতৃত্বৰ আদিপাঠ লোৱা ইত্যাদি। (আনন্দ, একতা, বন্ধুত্ব আদিৰ কথাও আছে, কিন্তু কাজিয়া পেচাল, তিক্ততা আদিৰ কথাও আছে কাৰণে এই দিশটো সদ্যহতে বাদ দি থলো।) এই নেতৃত্বৰ আদিপাঠৰ প্ৰশ্নটো জড়িত আছে কাৰণেই, ল'ৰা-ছোৱালীহঁতৰ এই কামবোৰৰ সময়ত, সেইবোৰ ভাল পোৱা-বেয়া পোৱা সকলো বয়সস্থ লোকৰে, সকলো অভিভাৱকৰে কিছুমান দায়িত্বও আছে। পইচাৰ কথাটোকে প্ৰথম গুৰুত্বপূৰ্ণ কথা বুলি ধৰা যাওক। আনন্দৰে, নিৰ্বিকাৰভাৱে, অনিচ্ছাসত্ত্বেও, লাজ-মান ৰাখিবলৈ, অপ্ৰিয় নহ'বলৈ,— বিভিন্ন কাৰণত আমি ডাঙৰসকলেই ল'ৰা-ছোৱালীহঁতক বৰঙণি দিও। কিন্তু এই পইচাখিনি খৰচ কৰা হয় কেনেকৈ ? খৰচৰ হিচাপ ৰখাটো বিশেষকৈ বাইজৰ পৰা সকলোকে জনাই দিয়াটো যে এটা অতি

প্রয়োজনীয় কাম, সেই কথাটো ল'ৰা-ছোৱালীৰ মনত সুমুৱাই দিব লাগে , চুবুৰি বা অঞ্চলটোৰ অন্তত এজন অভিভাৱকে অন্তত্ এই কামটোৰ দায়িত্বয়েই ল'ব লাগে। চান্দা তুলি আহোঁতে বাটত ল'ৰাহতে হোটেলত চাহেই খাওক বা ৰিক্সাতেই উঠক বা ক'ৰবাত টকা এটা হেৰুৱাবকেই,— সেইটো অন্ততঃ তেওঁলোকে কাগজত লিখি ৰাখক,— সকলোৱে কথাটো জানক। এই সাধাৰণ অভ্যাস বা ব্যৱস্থাটোৱে এটা বৰ ডাঙৰ শৃংখলা, আনন্দ আৰু সততাৰ পৰিবেশ সৃষ্টি কৰিব। এই পৰিবেশ স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীৰ একতা সভালৈকে বিয়পিব , দেশৰ নেতৃত্বলৈকে বিয়পিব, সমগ্ৰ সমাজলৈকে বিয়পিব।

কথাটো ডাঙৰৰ ক্ষেত্ৰতো বিচাৰ্য। অসম সাহিত্য সভাৰ বিহপুৰীয়া অধিবেশনৰ জমা-খৰচৰ হিচাপ কামপুৰ অধিবেশনৰ আগে-আগে গোটেই ৰাজ্যখনে পালে। ই বৰঙণি দিওতাসকলৰ বাবে স্বস্তিৰ বিষয়। মই দিয়া টকা দহটাৰ কি হ'ল, সেই খবৰটো পোৱাটো মোৰ বাবে আনন্দৰ কথা। সেই দহটা টকাৰ এপইচাও মোক ওভোতাই নালাগে, কিন্তু তাৰ ব্যৱহাৰ সম্পৰ্কে মই নিৰ্বিকাৰ হোৱা অনুচিত। সেই দহ টকাৰ অন্তত সাতটা টকা ঠিক কামত লাগিছে বুলি জানিলে, অন্ততঃ বৰ্তমানৰ পৰিবেশত, মই সন্তুষ্ট। বৰঙণি দিওতা ৰাইজক এইকণ সন্তুষ্টি দিয়াটো প্ৰতিটো বৰঙণি সংগ্ৰহ কৰা অনুষ্ঠান-প্ৰতিষ্ঠানৰ অৱশ্য-কৰ্তব্য। আজি যে এই বিভিন্ন সাহায্য পুঁজি, বিভিন্ন প্ৰতিষ্ঠান স্থাপন আদিৰ বাবে দান-বৰঙণি সংগ্ৰহ কৰা হয়, ভ্ৰাম্যমান থিয়েটাৰ আমন্ত্ৰণ কৰা হয়, লটাৰিৰ ব্যৱস্থা কৰা হয়, সাংস্কৃতিক অনুষ্ঠান পাতি প্ৰৱেশ-পত্ৰ বিক্ৰি কৰা হয়, সেইবোৰৰপৰা মূল উদ্দেশ্যলৈ কিমান ধন যায়, তাৰ হিচাপ বৰঙণি দিওতা ৰাইজে বা সমগ্ৰ ৰাইজে পাব লাগে। পাচশ এটকা মূল উদ্দেশ্যৰ বাবে দান দিয়া হ'ল বুলি বাতৰিকাকতত খবৰ ওলালেই ৰাইজ সন্তুষ্ট হ'ব নে ? ত্ৰিছ হাজাৰ এটকা যে সংগৃহীত হোৱা নাছিল, ব্যয়-অপব্যয় মিলি পঁচিছ হাজাৰ টকা যে খৰচ হোৱা নাছিল, সেই খবৰবোৰো প্ৰয়োজনীয়। চৰকাৰে একোখন আঁচনি অনুমোদন কৰিলে, বহুসময়ত এটা সীমা বান্ধি দিয়ে— আয়োজন, ব্যৱস্থাপনা আদিৰ বাবে খৰচ কৰিব পাৰিব শতকৰা দহ বা পোন্ধৰ টকা, বাকী নব্বৈ বা পচাশী টকাৰ কাম হ'ব লাগিব। আমাৰ বোধেৰে ৰাজহুৱা পুঁজি সংগ্ৰহৰ ক্ষেত্ৰতো তেনে ধৰণৰ একোটা সীমা থকা উচিত। যি উদ্দেশ্যে পুজি সংগ্ৰহৰ ব্যৱস্থা কৰা হয়, সেই উদ্দেশ্যৰ বাবে সংগৃহীত ধনৰ অন্ততঃ শতকৰা সত্তৰ ভাগ আগবঢ়োৱা হ'বই— এনে এটা বান্ধাৰ কথা চৰকাৰী বেচৰকাৰী সকলো মহলে চিন্তা কৰিব লাগে। এনে এটা বান্ধ থকা বুলি জানিলে দান-বৰঙণিৰ প্ৰতি ৰাইজৰ শ্ৰদ্ধা জন্মে।

১২/৩/৮৬

# পঢ়াশালি

সৰু ল'ৰা-ছোৱালীৰ পঢ়া-শুনা, পঢ়াশালি আদিৰ বিষয়ে আলোচনা কৰিলে সাধাৰণতে ওপৰলৈ উঠা কথা কথাকেইটা ঃ অসমত তেনেই সৰু-সৰু ল'ৰা-ছোৱালী পঢ়োৱাৰ ভাল ব্যৱস্থা নাই। ল'ৰা-ছোৱালীৰ বয়স তিনি বছৰ হ'লেই মাক-দেউতাক তেওঁলোকক স্কুলত নাম লগাই দিবলৈ আগ্ৰহী হয়, কিন্তু যিসকলে অসমীয়া মাধ্যমতে ল'ৰা-ছোৱালীৰ শিক্ষা আৰম্ভ হওক বুলি আশা কৰে, তেওঁলোকৰ বাবে উৎসাহজনক, আশানুৰূপ শিক্ষা-প্ৰতিষ্ঠান সহজে পোৱাতে নাই। আনহাতে চহৰবোৰত নাৰ্ছাৰি, বেবি কে জি আদি শ্ৰেণী থকা ইংৰাজী মাধ্যমৰ বহুতো স্কুল স্থাপিত হৈছে। এইবোৰ স্কুলৰ শিক্ষা-দীক্ষাৰ ফলত জাতিটোৰ ভাষা-সংস্কৃতিৰ ভৱিষ্যতৰ অসুবিধা আছে বুলিও মত প্ৰকাশ কৰা হৈছে। এনেকুৱা প্ৰায়বোৰ স্কুলতে ল'ৰা-ছোৱালীৰ ভিৰ যথেষ্ট, ল'ৰা-ছোৱালী পঢ়োৱাৰ খৰচো বেছি। ল'ৰা-ছোৱালীক মাক-দেউতাকে এইবোৰ স্কুলত নাম লগাই দিয়াৰ কাৰণ সকলোৰে ক্ষেত্ৰত কেৱল ল'ৰা-ছোৱালীক ইংৰাজী ভাষাৰ ওচৰ চপাই দিয়াটোৱেই নহয়,— আৰু নো ক'ত দিম ?— অনা-নিয়াৰ ইমান অসুবিধা, দূৰলৈ কেনেকৈ পঠিয়াও ?— ইংলিছ মিডিয়ামৰ স্কুলবোৰৰ ডিছিপ্লিন আৰু পঢ়োৱাৰ ছিষ্টেম ভাল,— ওচৰ-চুবুৰীয়াই দিছে কাৰণে আমিও তাতে দিলো,— এই ধৰণৰ বহুত কাৰণ আছে। কণ-কণ ল'ৰা-ছোৱালীৰ কাৰণে স্কুলখন ঘৰৰ যিমান ওচৰতে হয়, সিমানে ভাল,— এই কথাটোৰ কাৰণেই চহৰবোৰৰ বিভিন্ন চুবুৰিত বহুতো স্কুলৰ জন্ম হৈছে, কিন্তু লক্ষণীয় কথা,— স্কুলবোৰ ইংৰাজী মাধ্যমত আৰম্ভ কৰা হৈছে। এইটো অকল অসমৰে কথা নহয়, সমগ্ৰ ভাৰতৰে কথা। ভাৰতৰ কিছুমান চহৰত অৱস্থাটো অসমৰ চহৰতকৈ বেছি জটিল। এনে অৱস্থাত প্ৰথম বিবেচনাযোগ্য কথা হ'ল— কণ-কণ ল'ৰা-ছোৱালীহঁতৰ কাৰণে এক সুচিন্তিত পাঠ্যক্ৰম থকা অসমীয়া মাধ্যমৰ স্কুল কিছুমান আৰম্ভ কৰিব পৰা যায় নে নাযায় ? 'ডিছিপ্লিন' আৰু শিক্ষা দিয়াৰ 'ছিষ্টেম'ৰ দিশৰ পৰা সেইবোৰ স্কুলকো সদনামী কৰিব পৰা যায় নে নাযায় ? যায়। নিশ্চয় যায়। গতিকে এই কামটো কৰিব লাগে। উপযুক্ত অসমীয়া মাধ্যমৰ স্কুল সহজলভ্য হোৱাৰ পাছতো যদি ইংৰাজী মাধ্যমৰ স্কুলৰ প্ৰতি মানুহৰ আকৰ্ষণ সমানে থাকে, তেনেহ'লে তেতিয়া সেই সমস্যাটো বেলেগে বিশ্লেষণ কৰিব লাগিব, আৰু তেতিয়া কিছুমান গুৰুত্বপূৰ্ণ কথা ওলাই পৰিব। প্ৰথমতে অসমীয়া মাধ্যমৰ উপযুক্ত স্কুল নাই বোলা আপত্তিটো দূৰ কৰি লব লাগে।

স্কুল স্থাপন কৰাৰ ক্ষেত্ৰত আমি কেইটামান ‘প্ৰচলিত’ কথালৈ মন কৰিব লাগিব। এই স্কুলবোৰ চৰকাৰীও হ’ব পাৰে, বেচৰকাৰীও হ’ব পাৰে। চৰকাৰী প্ৰতিষ্ঠানতকৈ বেচৰকাৰী, ব্যক্তিগত প্ৰতিষ্ঠানৰ দক্ষতা অধিক— এই কথাষাৰ কিয় সত্য বুলি প্ৰতীয়মান হয়, সেইটো বিচাৰ কৰিব লাগিব। একে ধৰণৰ মানুহেই ‘প্ৰাইভেট’ স্কুলতো শিক্ষকতা কৰে, চৰকাৰী স্কুলতো কৰে। বহু প্ৰাইভেট স্কুলৰ শিক্ষক-শিক্ষয়িত্ৰীৰ দৰমহা চৰকাৰী স্কুলৰ তুলনাত কমহে। প্ৰাইভেট স্কুলৰ ব্যৱস্থাপনা বিভাগৰ কৰ্মকৰ্তাসকলো একে ধৰণৰেই মানুহ। তথাপি সেইবোৰ স্কুলৰ ডিছিপ্লিন, ছিষ্টেম আদিৰ ওপৰত পিতৃ-মাতৃসকলৰ আস্থা অধিক বুলি জনা যায়। নিয়মমতে এই তাৰতম্য থাকিব নালাগে। এনে তাৰতম্যই ব্যক্তিৰ দক্ষতা আৰু সততাহে প্ৰতিফলিত কৰে। দ্বিতীয়তে, প্ৰাইভেট স্কুলবোৰৰ মালিকসকলৰ দৃষ্টিভংগী ব্যৱসায়িক,— এই অপবাদটো নাশ কৰিব লাগে। কোনোবাই এখন স্কুল খুলিছে, স্কুলখনৰপৰা তেওঁৰ টকা-পইচা উপাৰ্জন হৈছে, সেইটো তেওঁৰ ব্যক্তিগত কথা, বৰ বেছি ইনকাম টেক্স ডিপাৰ্টমেণ্টে তেওঁৰ ওপৰত চকু ৰাখিব,— কথাটো এনেকৈ এৰি দিব নোৱাৰি, —কাৰণ স্কুলবোৰত কণ-কণ ল’ৰা-ছোৱালীৰ শিক্ষা-দীক্ষাৰ কথা আছে, অভিভাৱকৰ আৰ্থিক অৱস্থাৰ কথা ইয়াৰ লগত জড়িত আছে, জাতিৰ ভৱিষ্যতৰ নিচিনা ডাঙৰ কথাও জড়িত আছে। গতিকে প্ৰাইভেট হ’লেও চৰকাৰ আৰু অভিভাৱকৰ এই স্কুলবোৰৰ লগত এক ধৰণৰ সম্পৰ্ক থাকিব লাগে। কণ-কণ ল’ৰা-ছোৱালীহতৰ বাবে স্কুলখন কেনে হ’ব লাগে, সেই সম্পৰ্কীয় উপদেশ পৰামৰ্শৰ বাবে আজি কষ্ট কৰিব নালাগে, সেইবোৰ পাঠ্যপুথিতে পোৱা যায়। ঘৰটো কেনেকুৱা হ’ব লাগে, কোঠালিবোৰ কেনেকুৱা হ’ব লাগে, কিমান ছাত্ৰ-ছাত্ৰীৰ বাবে কিমান শিক্ষক-শিক্ষয়িত্ৰী লাগে, কেনেকুৱা শিক্ষক-শিক্ষয়িত্ৰী লাগে— সেইবোৰ কথাৰ ওপৰত স্কুলৰ মালিকে গুৰুত্ব দিছে নে নাই, সেইটো চাবলৈ মালিকৰ বাহিৰেও কোনোবা থাকিব লাগে। আমাৰ বোধেৰে প্ৰাইভেট স্কুল এখনৰ বাবেও চৰকাৰৰ পৰা নীতি-নিয়ম সম্বলিত এটা অনুমতি, এখন পৰিচালনা সমিতি আৰু নিয়াৰিকৈ টকা-পইচাৰ হিচাপ ৰখাৰ ব্যৱস্থা এটাৰ প্ৰয়োজন। অন্তত এইখিনি থাকিলেও “এইবোৰে খালী বিজিনেছহে কৰিছে”— বুলি ক’বলৈ মানুহৰ সুবিধা কমিব। “বিজিনেছ কৰা” স্কুলবোৰ আচম্বিতে বন্ধ কৰি দিবও নোৱাৰি, কাৰণ সেইবোৰত হাজাৰ-হাজাৰ ল’ৰা-ছোৱালীয়ে পঢ়ি আছে।

২৪/৩/৮৬

# শ্ৰীবৃদ্ধি

কামৰ ধৰণ কেনেকুৱা, কামৰ পৰিমাণ কিমান, সেই কামৰ বাবে কেনেকুৱা অৰ্হতাৰ প্ৰয়োজন, সেই কামৰ উপযোগীকৈ চলিবলৈ প্ৰয়োজনীয় বয়বস্তুৰ দাম কিমান,— এইবোৰ কথা বিবেচনা কৰি কামত নিযুক্ত লোকসকলৰ দৰমহা, সা-সুবিধা আদি নিৰ্ণয় কৰা হয়, আৰু সময়ে-সময়ে সেইবোৰৰ বৃদ্ধিৰ ব্যৱস্থা কৰা হয়। এনে বৃদ্ধিৰ বাবে সাধাৰণতে এটা হেঁচা থাকেই। কামৰ ধৰণ সলনি হ'লে, পৰিমাণ কমিলে, অৰ্হতা কমিলে বা কোনো এজন লোক নিযুক্ত হোৱাৰ পাছত তেওঁৰ অৰ্হতা নাই বুলি প্ৰমাণিত হ'লে দৰমহা, সা-সুবিধা আদি কমোৱাৰ কিন্তু প্ৰশ্ন নুঠে। এই লোকসকলৰ যিখন বজাৰৰ লগত সম্পৰ্ক, সেইখন বজাৰত বয়বস্তুৰ দাম এবাৰ বাঢ়িলে সাধাৰণতে নকমে।

বৃদ্ধিৰ বাবে যিটো হেচা থাকে, সহজভাৱে যথাসময়ত বৃদ্ধিটো সম্পন্ন নহ'লে সেই হেঁচাই অসন্তুষ্টি, দাবী, আন্দোলন, ধৰ্মঘট আদিৰ ৰূপ লয়। এনে ক্ষেত্ৰত দাবী কৰোঁতা, আৰু সেই দাবী পূৰণ কৰোতা বা নকৰোতা দুটা পক্ষ থাকেই। আকৌ, দাবী কৰোতাসকলৰ মাজত ধৰ্মঘট আদি চৰম কাৰ্যসূচী গ্ৰহণ কৰিব নে নকৰিব, সেই সম্পৰ্কে মতবিৰোধ, ভাগ-বিভাগ থাকিব পাৰে , কিন্তু দৰমহা, সা-সুবিধাৰ যে বৃদ্ধি হ'ব লাগে, সেই সম্পৰ্কে সাধাৰণতে মতবিৰোধ , ভাগ-বিভাগ নাথাকে।

অসম বিধান সভাৰ বিধায়কসকলৰ দৰমহা, সা-সুবিধা বৃদ্ধি কৰাৰ খবৰটো পোৱাৰ পাছত এই কথাবোৰ মনলৈ আহিছে। লক্ষণীয় বিষয়— বৃদ্ধিৰ বাবে দাবী কৰোঁতা, আৰু যাৰ ওচৰত দাবী উত্থাপন কৰা হৈছে,— এই দুটা পক্ষ ইয়াত নাই। কিন্তু নিজৰ দৰমহা আৰু সা-সুবিধা যে বৃদ্ধি হ'ব লাগে, সেই সম্পৰ্কে নিজৰ ভিতৰতে মতবিৰোধ, ভাগ-বিভাগ ইয়াত আছে। এই দুয়োটা কথাই জনসাধাৰণৰ বাবে গুৰুত্বপূৰ্ণ। ইয়াত ৰাজনৈতিক শক্তি আৰু কৌশল দুয়োটাৰে লক্ষণ বিচাৰি উলিয়াব পাৰি। কিন্তু সেইবোৰতকৈ ডাঙৰ কথা হ'ল— "কামৰ ধৰণ, পৰিমাণ আৰু মৰ্যাদা অনুসৰি, ভাৰতীয় মান অনুসৰি, কিমান দৰমহা, সা-সুবিধা লাগে আপোনালোকে দেখুৱাই লওক, আৰু দায়িত্ব আৰু মৰ্যাদা অনুসৰি কাম কৰক।" জনসাধাৰণৰ এনে এক অনুমতি আছেই , যেতিয়ালৈকে এই অনুমতিৰ চৰ্ত পূৰণ হৈ থাকিব, তেতিয়ালৈকে তেওঁলোকে অসন্তোষ প্ৰকাশ নকৰে।

"এওঁলোকৰ দৰমহা দেখোন মোতকৈ কমহে! চলে কেনেকৈ ?"

"এ ! এওলোকৰ আকৌ দৰমহাৰ টকা ! থোৱাহে !"— বাটে-ঘাটে এনেধৰণৰ কথোপকথনৰ আঁৰত থকা ঘৃণা, অশ্ৰদ্ধা, ক্ষোভ আদি যদি বছৰে অতিৰিক্ত ১৮,৬৫,৬০০ টকাৰে আতৰাব পাৰি, তেনহ'লে সেইখিনি টকা ৰাইজৰ ভৰালৰ পৰা খৰচ হওক। এই ঘৃণা, অশ্ৰদ্ধা, ক্ষোভ আদি সচাঁকৈয়ে আতৰিলে অইনফালে ৰাজ্যখনৰ কোটি টকা ৰাহি হ'ব। তদুপৰি, যিসকল বিধায়কৰ বৰ্ধিত হাৰত ধন গ্ৰহণ কৰাৰ প্ৰয়োজন নাই, তেখেতসকলে ৰাজহুৱা ঘোষণা কৰি সেইখিনি ধন মহৎ কামত লগাবলৈ নিজৰ সমষ্টিতে বহু উপায় পাব।

দৰমহা, সা সুবিধা বৃদ্ধি সংক্ৰান্তত যিটো কথা আচলতে মনলৈ আহিছিল, সেইটো কিন্তু বেলেগ। যিসকলে এই বৃদ্ধিৰ বাবে নানা ধৰণৰ হেচা দিয়ে, তেওলোক (কাৰ্যালয়ৰেই হওক, কল-কাৰখানাৰেই হওক) "সংগঠিত" মানুহ। তেওলোকৰ সংগঠনটোৱে কলম বন্ধ, গ' শ্লু', ধৰ্মঘট আদি কাৰ্যসূচী পালন কৰিলে পোনে-পোনে বা আওপকীয়াকৈ জনসাধাৰণৰ ওপৰত হেচা পৰে, শেষ পৰ্যন্ত তেওলোকৰ দাবী পূৰ্ণ হোৱাত জনসাধাৰণৰ ওপৰত পৰা এই হেচায়ো সহায় কৰে। কিন্তু আমি জীয়াই থকাৰ এটা ঘাই উপাদান আহাৰৰ বাবে মাটিৰ লগত যিসকলে কাম কৰে, সেই খেতিয়কসকল কিন্তু নিজে সংগঠিত' নহয। তেওলোকে খেতিৰ বতৰত ধৰ্মঘট কৰি ঘৰত বহি থাকিব নোবাৰে, পথাৰত নাঙলৰ মুঠিত ধৰি গ' শ্লু' কৰিব নোৱাৰে। তেওলোকক (হাল কোৰ বন্ধৰ দিনা ?) মাতি আনি সভা পতা, সভাত মানুহৰ সংখ্যা বঢ়োৱা, তেওলোকক লৈ শোভাযাত্ৰা কৰা,— ৰাজনৈতিক দলসমূহৰ এই ধৰণৰ কৃষক সংগঠনৰ লগত দৰমহা-মজুৰি পোৱা কৰ্মীৰ সংগঠনৰ বহু পাৰ্থক্য আছে। কামৰ ধৰণ পৰিমাণ আৰু ব্যক্তিগত অৰ্হতাই খেতিযকসকলক পোনপটীয়াকৈ নিয়ন্ত্ৰণ কৰে। এওলোকৰ যিখন বজাৰৰ লগত সম্পৰ্ক, তাত তেওলোকে কিনিবলগীয়া বস্তুবোৰৰ দাম এবাৰ বাঢ়িলে সাধাৰণতে নকমে, কিন্তু বেচিবলগীয়া বস্তুবোৰৰ কমে। সংখ্যাত গৰিষ্ঠ এইসকল লোকৰ উপাৰ্জন বৃদ্ধিৰ বাবে সংগঠিত হৈ হেচা দিয়াৰ উপায় নাই।

দৰমহা পোৱাসকলৰ দৰমহা আৰু সা-সুবিধা বাঢ়িলে সেই সুবিধাৰ কিছু অংশ খেতিযকসকললৈ যায় নে নাযায, সেই কথা সকলোৱে নাভাবে, কিন্তু বিধাযকসকলে ভাবিবই লাগে। খেতিযকসকলেই বিধাযকসকলৰ মূল জনবল, তেওলোকক (খেতিয়কসকলক) ৰাজ্যখনৰ মূল ধনবল হিচাপেও প্ৰতিষ্ঠা কৰিব লাগে।

১১/৪/৮৬

# পোহনীয়া শোষণযন্ত্ৰ

ধৰ্মজড়িত ক্ৰিয়া-কাণ্ডৰ ক্ষেত্ৰত ঘটা ঘটনাবোৰ এইখন দেশত এতিয়াও বৰ বিচিত্ৰ হৈ আছে। 'এতিয়াও' বুলি কোৱাৰ কাৰণ হৈছে— শিক্ষা আৰু বিজ্ঞানৰ প্ৰসাৰৰ লগে-লগে এক শ্ৰেণীৰ ঘটনাৰ বৈচিত্ৰ্য কমিব লাগিছিল। কিন্তু কমা নাই। কুম্ভমেলাত অৱতাৰী পুৰুষে মানুহৰ মনোবাঞ্ছা পূৰণ কৰিবলৈ ছাউনী পাতিছে, কিন্তু তাত আটাইতকৈ জনপ্ৰিয় মানুহ হিচাপে স্বীকৃতি লাভ কৰিছে মেজিছিয়ান মদন কুণ্ডুৱে, মানুহৰ গমনাগমন নিয়ন্ত্ৰণ কৰিবলৈ বিশেষভাৱে নিৰ্মাণ কৰা অবজাৰভেশ্যন টাৱাৰৰ ওচৰতে হেচাঠেলাত আঢৈ কুৰিমান মানুহৰ মৃত্যু ঘটিছে! সেই সময়তে ইফালে উৰিষ্যাত এজন মানুহে তন্ত্ৰবিদ্যাত অধিক দক্ষতা লাভ কৰিবলৈ নিজৰ পাঁচ বছৰীয়া জীয়েক পুনি আৰু তিনি বছৰীয়া জীয়েক টুনিৰ মূৰ দুটা কাটি তাৰা-তাৰিণী পৰ্বতৰ মন্দিৰত দেৱীৰ চৰণত দিবলৈ লৈ গৈছে!

কুম্ভমেলা আমি নিজে দেখা নাই, কিন্তু অইন কিছুমান ধৰ্মজড়িত মেলা দেখিছো আৰু কুম্ভমেলাকে আদি কৰি ভালেমান মেলাৰ ছবিও দেখিছো। এইবোৰ দেখি এটা ধাৰণা বদ্ধমূল হয়,— এই মেলাবোৰত অংশ গ্ৰহণ কৰা মানুহৰ বেছিভাগ দুখীয়া মানুহ। অসমৰ বশিষ্ঠাশ্ৰমত এটা ধৰ্মানুষ্ঠান দেখিছোঁ,— নিশা ইখনৰ পিছত সিখন বাছত দলে-দলে লোক তালৈ যায়, আৰু দোকমোকালিতে বহুলোকে দুটা বাচনৰ এখন ভাৰ কান্ধত লৈ ব্ৰহ্মপুত্ৰৰ এটা ঘাটলৈ বৰ কোবাকুবিকৈ যায়। কইবাদিনো ধৰি এই অনুষ্ঠান চলে। মন দি চাই উপলব্ধি কৰিছোঁ— এইসকলৰ প্ৰায় সকলোৱেই দুখীয়া শ্ৰেণীৰ মানুহ। যি ধৰ্মীয় মতবাদ পালন কৰা, যি সম্প্ৰদায়ৰ লোকে এই অনুষ্ঠান মানে, তেওলোকৰ মাজত আৰ্থিকভাৱে টনকিয়াল বহু লোক আছে। সেইসকলৰ এজনকো কান্ধত ভাৰ লৈ দৌৰা চকুত নপৰে। ধৰ্মস্থানৰ মন্দিৰ, বাট-চ'ৰা, জিৰণি-চ'ৰাৰ ঘৰবোৰ কিন্তু আঢ্যৱন্ত লোকে সজাই দিয়া বুলি একোখন ফলক থাকে। তেখেতসকলে টকা খৰচ কৰি "সা-সুবিধা' কৰি দি আলেঙে-আলেঙে থাকে, আৰু বছৰৰ পাছত বছৰ অধিকাংশ টকা-পইচা নোহোৱা মানুহে দৌৰাদৌৰি কৰে, "চাৰা ৰাত" কীৰ্তন কৰে।

দ্বিতীয় লক্ষণীয় বিষয়টো হৈছে,— এনে ধৰণৰ অনুষ্ঠান-উৎসৱ উদযাপন কৰোঁতে মানুহবোৰে প্ৰদৰ্শন কৰা উত্তেজনা আৰু উদ্যমৰ পৰিমাণ। অলপতে এখন তথ্যচিত্ৰত এখন ঠাইৰ ধৰ্মীয় শোভাযাত্ৰা এটা দেখিলো,— শ শ ডেকা ল'ৰাৰ কি উত্তাল-উচ্ছল নৃত্য! চাই থাকোতে ধাৰণা হৈছিল অনুষ্ঠানটোৰ লগত এই প্ৰচণ্ড

উচ্ছ্বাসৰ সম্পৰ্ক নাই, আৰু এই ডেকাসকলে অন্ততঃ আৰু দুদিনলৈ নিজ-নিজ কামত মনপুতি লগাৰ সম্ভাৱনা নাই।

ধৰ্ম বিষয়টো আমাৰ দেশত বৰ স্পৰ্শকাতৰ বিষয়। হিন্দু ধৰ্মাৱলম্বীসকলৰ ধৰ্মীয় অনুষ্ঠানৰ সংখ্যাটোও বৰ ডাঙৰ। তাতোকৈ ডাঙৰ কথা,— প্ৰতিটো অনুষ্ঠানৰ লগত পইচা, শাৰীৰিক শক্তি আৰু সময় দিনে-দিনে বেছিকৈ জড়িত হৈ আহিছে। আৰু , দুখীয়া মানুহখিনি বেছিকৈ জড়িত হৈ আহিছে। ধূপ-ধূনা, ভোগ, প্ৰসাদ আদি নিতান্ত ঘৰুৱা খৰচখিনিৰ পৰা আৰম্ভ কৰি চান্দা, মেলা, তীৰ্থভ্ৰমণ আদিলৈকে আমাৰ কিমান খৰচ হয় আমি তাৰ হিচাপটো এক ধৰণৰ ধৰ্মীয় বিশ্বাসেৰেই সৰু কৰি বা আৰ কৰি ৰাখো। কিন্তু কাৰো ধৰ্ম বিশ্বাসত আঘাত নকৰাকৈ, পইচা, সময় আৰু শক্তি কম খৰচ কৰিও সমানে ধৰ্ম কৰিব পাৰি বুলি মানুহক বুজাব নোৱাৰিনে ? অন্ততঃ দুখীয়া মানুহখিনিক ? এটা উদাহৰণ চৰকাৰে লাখ-লাখ টকা খৰচ কৰি, বহু দিনৰ আগৰে পৰা কুম্ভমেলাৰ ঠাইডোখৰ স্নানাৰ্থী-দৰ্শনাৰ্থী আদিৰ বাবে সাজু কৰে। এফালৰ পৰা চাবলৈ গ'লে এইটো এটা আগতীয়া প্ৰচাৰ, এক ধৰণৰ নিমন্ত্ৰণ বা আহ্বান। কিন্তু মানুহতো আহিবই , গতিকে শান্তি-শৃংখলা ৰক্ষাৰ বাবেই চৰকাৰে আগতীয়া বন্দবস্ত কৰিবই লাগিব। কিন্তু সমগ্ৰ দেশখনত জনাবুজা মানুহ এচামেতো কিছু লোকক মেলালৈ যোৱা-নোযোৱা সম্পৰ্কে শিক্ষিত কৰিব পাৰে ! যাম বুলি ভাবি থকা মানুহজনক নাযাবলৈ ক'লে তেওৰ ধৰ্মবিশ্বাসত আঘাত পৰিব , কিন্তু তেওকতো এই কথাটো কৈ চাব পৰা যায় যে— তোমালোক কেইলাখমান মানুহ বাৰু গলা, কিন্তু দেশখনৰ যে কোটি-কোটি মানুহ যোৱা নাই, তেওলোক অধৰমী নে কি ? তেওলোক নৰকলৈ যাব নে কি ? (সেইখন নদীৰ পানীত সেইসময়ত গা ধুলে কি হয় নহয়, সেইবোৰ কথা বাৰু বাদেই।)

আমাৰ মূল কথাটো হৈছে ধৰ্মৰ নামত দুখীয়া মানুহখিনিয়ে এবিধ পোহনীয়া শোষণযন্ত্ৰৰ লগ লৈছে , এই যন্ত্ৰৰ লগ এৰাটো যে অধৰমীৰ কাম নহয়, সেইটো তেওলোকক বুজাই দিয়া। চৰকাৰী, ৰাজনৈতিক, আনকি ধৰ্মীয় নেতাসকলেও এই কামটো কৰাৰ লক্ষণ দেখা নাই। বৰঞ্চ তেওলোকৰ কিছুমান আচৰণে মানুহক ভুলকৈ আৰ বেছি পৰিমাণে উচ্ছ্বসিত কৰিছে। তেওলোকৰ এই আচৰণ এক ধৰণৰ ৰাজনীতিৰ অংশ। সেইকাৰণে আমি এচাম জনাবুজা মানুহৰ কথা কৈছো। এওলোকে নিজৰ সংস্পৰ্শলৈ অহা সাধাৰণ দুখীয়া মানুহখিনিক শুদ্ধ পথ দেখুৱাই দিলেও বহু কাম হয।

২৪/৪/৮৬

# কোটিটকীয়া ক্ষুদ্ৰ ব্যৱসায়

এই সংখ্যাৰ প্ৰান্তিকত শ্ৰী গকুল হাজৰিকাই ছাত্ৰ-ছাত্ৰীৰ বাবে বিনামূলীয়া সাজ-পাৰ সম্পৰ্কে লিখা কথাখিনিয়ে সংশ্লিষ্ট বিভিন্ন মহলৰ মনোযোগ আকৰ্ষণ কৰা উচিত।

অসমৰ এচাম ছাত্ৰ-ছাত্ৰীক চৰকাৰে বিনামূলীয়াকৈ সাজ-পাৰ দিয়াৰ আঁচনি গ্ৰহণ কৰিলে, সেই আঁচনি নিশ্চয় প্ৰতি বছৰে কাৰ্যকৰী কৰিব লাগিব, আৰু অন্ততঃ কিছু বছৰলৈ আঁচনিখন বলবৎ হৈ থাকিব। সাজ-পাৰৰ বাবে প্ৰয়োজনীয় কাপোৰবোৰ নিশ্চয় গুণ, দাম, যথা সময়ত প্ৰয়োজনীয় পৰিমাণত যোগান দিব পৰা-নোৱৰা,— এইবোৰৰ প্ৰতিযোগিতামূলক ভিত্তিত উপযুক্ত উৎসৰ পৰা কিনা হ'ব , কিন্তু সেইবোৰেৰে সাজ-পাৰ প্ৰস্তুত কৰা কামটো এই ৰাজ্যখনৰ মানুহে কৰিব পৰা কাম। শ্ৰী হাজৰিকাই দিয়া হিচাপমতে এই আঁচনিৰ কেৱল চিলাই কামতে বছৰি ২২০ ৮৮ লাখ টকা খৰচ হ'ব। প্ৰকৃত সংখ্যাটোৰ হেৰফেৰ হ'লেও, চিলাই কামত যে এক বৃহৎ পৰিমাণৰ ধন খৰচ কৰা হ'ব, সেইটো নিশ্চিত।

আমি শুনামতে চলিত বছৰৰ বাবে এই আঁচনিৰ অধীনত ওঠৰ কোটি টকা ব্যৱহাৰৰ বাবে সাজু কৰি ৰখা হৈছে। মোটামুটিভাৱে এসাজ কাপোৰৰ মুঠ খৰচৰ পাঁচ ভাগ কাপোৰত আৰু এভাগ চিলাইৰ কামত যাব বুলি ধৰিলেও এই ওঠৰ কোটি টকাৰ তিনি কোটি টকা চিলাই কামত খৰচ হ'ব। অসমৰ নিচিনা ৰাজ্যৰ যি কোনো উদ্যোগ, যি কোনো ব্যৱসায়ৰ বাবে এইটো এটা বিৰাট পৰিমাণৰ মূলধন , আনহাতে এই উদ্যোগ বা ব্যৱসায়ৰ বাবে যি যোগ্যতাৰ প্ৰয়োজন, সেই যোগ্যতা থকা অসংখ্য লোক ৰাজ্যখনত আছে।

এনে ধৰণৰ কাম আগে-পিছে ক'ত কেনেকৈ কৰোৱা হৈছে, তাৰ দুটা উদাহৰণ মনলৈ আনি চিন্তা আৰম্ভ কৰিব পাৰি। এক ঃ একোজন ডাঙৰ ব্যৱসায়ী বা একোখন ডাঙৰ ব্যৱসায়-প্ৰতিষ্ঠানৰ কেইবাখনো ক'টেশ্যন-টেণ্ডাৰ-নিবিদা দিয়াৰ কৌশল থাকে। নিজৰ লগতে নিজে প্ৰতিযোগিতা কৰি, সংশ্লিষ্ট মহলৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰি এওঁলোকে কামটো লয় , তাৰ পাছত এওঁলোকে কেনেকৈ সাজ-পাৰৰ যোগান ধৰে, তাৰ খবৰ পোৱা নাযায় , অন্ততঃ ৰাজ্যখনৰ বাটে-ঘাটে চিলাই দোকানবোৰ চাই ফুৰিলে সেই কামৰ পৰা যে কোনোবা দুখীয়া দৰ্জি উপকৃত হৈছে, সেই কথাৰ প্ৰমাণ পোৱা নাযায়। দুই ঃ ৰেল বিভাগেও কিছুমান কৰ্মচাৰীক সাজ-পাৰ দিয়ে। ডাঙৰ ৰেল-অঞ্চলক কেন্দ্ৰ কৰি তেওঁলোকৰ কিছুমান মহিলা সমিতি

থাকে। সেই সমিতিবোৰৰ চিলাইকল থাকে । অঞ্চলটোৰ বাসিন্দাসকলৰ কিছুমান মহিলা, বিশেষকৈ উপাৰ্জনহীন মহিলা সেই সমিতিৰ লগত সংযুক্ত হৈ থাকে। ৰেল-বিভাগৰ এটা কাৰ্যালয়ে এই সমিতিবোৰক কাপোৰৰ যোগান ধৰে। ছেক্ৰেটেৰি-প্ৰেছিডেন্টৰ তত্ত্বাৱধানত সদস্য মহিলাসকলে সমিতিৰ কাৰ্যালয়লৈ আহি দিনৰ দিনটো কাপোৰ চিলাই কৰে , কোনোৱে ঘৰলৈও লৈ যায়। সকলোৱে সাজ-পাৰ জমা দিয়াৰ পাছত সেই কাৰ্যালয়ৰ এজন বিষয়াই কাপোৰবোৰ সংগ্ৰহ কৰে আৰু সমিতিক নিৰ্ধাৰিত হাৰত পইচা দিয়ে। পাছত সেই পইচাৰ ভাগ কাম কৰা সদস্যসকলে পায়। বহু মহিলাই এই কাম কৰি পৰিয়ালক সহায় কৰিছে, সমিতিখনকো জীয়াই ৰাখিছে।

অসমৰ বৰ্তমানৰ আলোচ্য আঁচনিখন কাৰ্যকৰী কৰিবৰ সময়ত, ইমানবোৰ টকা খৰচ কৰিবৰ সময়ত, এই চিলাই কামটোৰ এটা সুফলদায়ক আৰু দক্ষতাপূৰ্ণ ব্যৱস্থা আগতীয়াকৈ কৰি লোৱা উচিত। নগৰে-চহৰে চিলাই কাম জনা অসংখ্য মানুহ আছে। অন্তত বিদ্যালয়ৰ আৰু ল'ৰা ছোৱালীৰ সাজ-পাৰ চিলোৱাটো টান কাম নহয, এই কাম শিকি লোৱাটোও ইচ্ছুকসকলৰ বাবে টান কাম নহয়। বিভিন্ন কাৰণত দুখীয়া, বিধৱা মানুহক চিলাইকল উপহাৰ দিয়া ঘটনা ঘটি থাকে। সেই কলটো চলাই ৰাখিবলৈ তেওলোকে কাম পায় নে নাপায়, সেই খবৰ আমি নাৰাখো। কিন্তু এইবাৰ কাম ওলাইছে। চৰকাৰ বা কোনো প্ৰতিষ্ঠানে এই আচনি সমুখত ৰাখি পাচ শ নতুন চিলাইকলত পইচা খটুৱালেও সেইখিনি পইচা উপযুক্ত ইনভেষ্টমেণ্ট বুলিয়েই প্ৰমাণিত হ'ব।

চৰকাৰৰ জলপানি লৈ চিলাই কাম শিকি অহাসকল, বিভিন্ন কল্যাণ-মংগল সমিতিসমূহ, কম শিক্ষিতা নিবনুৱা মহিলাসকল, বিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়িত্ৰীসকল (ছাত্ৰ-ছাত্ৰীসকলৰ গাৰ জোখৰ কথাটো একেবাৰে উলাই নকৰিব)— এই সকলোৰে কাক-কাক সামৰি এটা প্ৰায় নিখুত ব্যৱস্থা কৰি লব পাৰি, সেই সম্পৰ্কে আগতীয়াকৈ চিন্তা কৰিহে আচনিখন কাৰ্যকৰী কৰাৰ কামত হাত দিব লাগে।

কাপোৰ সংগ্ৰহ কৰাৰ ব্যৱস্থাটোতো অপচয় ৰোধ কৰা আৰু যোগ্যজনক উপকৃত কৰাৰ উপায় কৰিব লাগে।

১০/৫/৮৬

# পৰিহাৰ্য অপবাদ

বাতৰি-কাকতত প্ৰকাশিত এটা বাতৰি মতে— "অসমত সাম্প্ৰদায়িক অশান্তিৰ সৃষ্টি কৰি অসম গণ পৰিষদৰ চৰকাৰক হেয় প্ৰতিপন্ন কৰিবৰ কাৰণে বিভিন্ন বিভেদকামী মহলে চেষ্টা চলাই আছে। ইয়াৰ এটা উদাহৰণ যোৱা বাৰ মে'ৰ দিনা স্থানীয় ছবিগৃহ এটাত ঘটা এটা ঘটনা।"

উদাহৰণটোৰ বৰ্ণনাত কোৱা হৈছে : কথাছবি প্ৰদৰ্শন কৰা ঘৰ এটাত বাংলা ভাষাৰ কথাছবি এখন চলি আছিল। কেইজনমান যুবকে তাঁলৈ গৈ ছবিখনৰ প্ৰদৰ্শন বন্ধ কৰিব লাগে বুলি ভগা-ভগা অসমীয়াৰে কৰ্তৃপক্ষৰ ওচৰত দাবী কৰে। বাংলাভাষাৰ কথাছবি প্ৰদৰ্শন কৰাৰ বাবে তেওঁলোকে ঘৰটোৰ দুৱাৰ-খিৰিকিও ভাঙে। এই ঘটনাৰ সংক্ৰান্তত পুলিছে শ্ৰী এম গদাধৰ সিং নামৰ এজন যুবকক গ্ৰেপ্তাৰ কৰিছে। "জানিব পৰা মতে" এই যুবকজন এটা সৰ্বভাৰতীয় সংস্থাৰ বিষয়ববীয়া।

কিবা অপৰাধত এজন লোকক গ্ৰেপ্তাৰ কৰা হ'লে, আৰু ঘটনাটো পুলিছে দক্ষতাৰে অনুসৰণ কৰিলে, এইবোৰ কাৰ কাম, এই যুবকজনৰ লগত, পাছত বা আঁৰত কোন আছে— এই কথাবোৰ নিশ্চয় ওলাই পৰিব। আৰু, মূল বাতৰিটো যেনেকৈ প্ৰকাশ হ'ল, তেনেকৈ এই অনুসন্ধানৰ ফলাফলো এদিন ৰাইজৰ আগত প্ৰকাশ হোৱাটো প্ৰয়োজনীয় , কাৰণ ঘটনাটোৰ লগত চৰকাৰ, ৰাজনৈতিক দল আৰু ভাষাৰ প্ৰশ্ন জড়িত হৈ আছে। সৰ্বোপৰি, এই ঘটনাটোৰ লগত এটা সাংস্কৃতিক কথাও জড়িত হৈ আছে। এই বিশেষ ঘটনাটোৰ প্ৰকৃত ৰূপ আৰু সত্যাসত্য বিচাৰৰ ভাৰ ন্যায়ভাৱে আৰু দক্ষতাৰে পালন কৰাৰ ভাৰ পুলিছলৈ এৰি দি (ভাৰতীয় দণ্ডবিধি আইনৰ ৩৩৬ আৰু ৪২৭ ধাৰাৰ অধীনত গোচৰ তৰা হৈছে কাৰণ), আমি সাংস্কৃতিক দিশৰ কথাটোলৈ আহোঁ।

ব্ৰহ্মপুত্ৰ উপত্যকাৰ কথাছবি ঘৰবোৰত এসময়ত বাংলা ভাষাৰ ছবি যি হাৰত প্ৰদৰ্শিত হৈছিল আজিকালি তাতকৈ বহু কম হাৰত প্ৰদৰ্শিত হয়। হিন্দী ভাষা হ'ল ৰাষ্ট্ৰভাষা , সেই ভাষাত সৰ্বাধিক কথাছবি নিৰ্মিত হয় , সেই কাৰণে সেই ভাষাৰ ছবিয়েই আমাৰ ইয়াতো সৰ্বাধিক হাৰত প্ৰদৰ্শিত হয়। অইন কি-কি শক্তিৰ কাৰণে সেই ভাষাৰ ছবি অধিক প্ৰদৰ্শিত হয়, সেইবোৰ কথা এই আলোচনাত নুলিয়ালেও হ'ব। হিন্দীৰ বাহিৰে, তামিল, তেলুগু, গুজৰাটী, ওড়িয়া আদি ভাষাৰ কথাছবিৰ স্থান ব্ৰহ্মপুত্ৰ উপত্যকাত যেনে, বাংলা ভাষাৰ কথাছবিৰ স্থানো তেনে,— যুক্তিৰ খাতিৰত কথাটো এনেকৈয়ে ক'ব পাৰি। গতিকে, হিন্দীৰ বাহিৰে অন্যান্য

ভাৰতীয় ভাষাৰ কথাছবি যি হাৰত ব্ৰহ্মপুত্ৰ উপত্যকালৈ আহে, বাংলা ভাষাৰ কথাছবিও সেই হাৰতে আহিব। কিন্তু প্ৰকৃততে এই যুক্তিৰ বলতেই কাম চলিছে নে ? যদি চলিছে, তেনেহ'লে ক'বলৈ কথা কম থাকে। কিন্তু বাংলা ভাষাৰ ছবিৰ প্ৰতি কথাছবি-ব্যৱসায়ী আৰু জনসাধাৰণৰ প্ৰয়োজনতকৈ বেছি আৰু অযুক্তিকৰ বিৰাগ আছে নে কি ? আগতেও যদি ইয়ালৈ বাংলা ভাষাৰ কথাছবি কম আহিলহেতেন, তেনেহ'লে কথাটো বেলেগ হ'লহেতেন, কিন্তু আগতে যথেষ্ট সংখ্যক আহিছিল, কিছু বছৰৰপৰা প্ৰায় নাইকিয়াই হ'ল,— এই কথাটোলৈ লক্ষ্য কৰিহে কোনো-কোনোৱে ঘটনাটোক অসমৰ ৰাজনৈতিক পৰিস্থিতিৰ লগত সংযুক্ত কৰে, কিন্তু তেনে কৰোতে আচলতে ঘটনাটো সংযুক্ত হৈ যায় আমাৰ সাংস্কৃতিক পৰিস্থিতিৰ লগতহে।

আগতে অসমীয়া কথাছবিৰ সংখ্যা কম আছিল, পাছলৈ বাঢ়িছে, কিন্তু কথাছবি ঘৰৰ সংখ্যা সেই অনুপাতে বঢ়া নাই, গতিকে ইয়াত অইন ভাষাৰ কথাছবিৰ ওপৰত এটা হেচা পৰাটো স্বাভাৱিক। কিন্তু সেই হেচা হিন্দীভাষাৰ নিকৃষ্ট ছবিৰ ওপৰততো নপৰে ' গতিকে,আমি যদি কওঁ,এচাম হিন্দী কথাছবি ব্যৱসায়ীয়ে অসমৰ ৰাজনৈতিক পৰিস্থিতিৰ সুবিধা লৈ বাংলা ভাষাৰ কথাছবিৰ ওপৰত হেচা দি আছে, আৰু তাৰ ফলত অসমীয়া মানুহৰ সাংস্কৃতিক দিশ অবাবত সমালোচিত হৈছে ?

আমাৰ কথা হ'ল অসমত, ভাৰতত, সমগ্ৰ পৃথিৱীত অসমীয়া কথাছবিৰ যুক্তিযুক্ত স্বাৰ্থ আৰু অসমীয়া কৃষ্টি-সংস্কৃতি সুৰক্ষিত হ'ব লাগে, ইয়াৰ উন্নয়ন ঘটিব লাগে, আৰু আমি যি কোনো ভাষাৰ ভাল ছবি সহজে চাবলৈ পাব লাগে। অন্যান্য ভাৰতীয় ভাষাত বহু ভাল কথাছবি নিৰ্মিত হৈছে, বহু বেয়া হিন্দী কথাছবি'য়' আমাক আগুৰি ধৰি আছে এনে অৱস্থাত দৰ্শকে বুজি পোৱা যি কোনো ভাৰতীয় ভাষাৰ ভাল কথাছবিৰ প্ৰতি আমি আগ্ৰহী হোৱা উচিত। যিখিনি টকা আমি ৰাখিব নোৱাৰোঁ, সেইখিনি কোনোবা নহয় কোনোবাই "লুটিব"ই, গতিকে ভাল ছবিয়ে লুটিলে দৰ্শকৰ বেছি লাভ হয়। বাংলা, তামিল, তেলুগু কিয়, উপযুক্ত বিধি বিধানেৰে হিন্দী কথাছবিকো অসমীয়া কথাছবিৰ ব্যৱসায়িক দিশৰ স্বাৰ্থ হানি কৰাৰ পৰা বিৰত কৰিব পৰা যাব। কিন্তু কোনো বিধি-বিধান নোহোৱাকৈয়ে— "অসমত বঙালী ছবি চলিবলৈ দিয়া নহয়"— এনে ধৰণৰ কথা এটা এচাম লোকে জীয়াই ৰখাটো আমাৰ সাংস্কৃতিক চৰিত্ৰৰ কাৰণে অপবাদসূচক।

১৭/৫/৮৬

# দায়িত্ব গ্ৰহণ, দায়িত্ব বৰ্জন

ছাত্ৰ-ছাত্ৰী কঢ়িউৱা বাছত কোনোবা উদণ্ড ছাত্ৰ এজনে বাছৰ কণ্ডাক্টৰজনক পিটিবলগীয়া কাৰণ নথকা সত্ত্বেও পিটিলে। পাছত ড্ৰাইভাৰ-কণ্ডাক্টৰসকলৰ সভা বহিল, তেওঁলোকে বাছ চলোৱা বন্ধ কৰিলে। এটা সংকটৰ সৃষ্টি হ'ল। ড্ৰাইভাৰ-কণ্ডাক্টৰসকলে প্ৰস্তাৱ গ্ৰহণ কৰিলে— দোষীক শাস্তি দিব লাগিব আৰু ড্ৰাইভাৰ-কণ্ডাক্টৰসকলৰ নিৰাপত্তাৰ নিশ্চয়তা দিব লাগিব, তেহে তেওঁলোকে বাছ চলাব। ছাত্ৰ-ছাত্ৰীসকলে সভা পাতিলে, প্ৰস্তাৱ ল'লে— এইবোৰ সমাজবিৰোধী দুষ্কৃতিকাৰীৰ কাম, কৰ্তৃপক্ষই তেওঁলোকক বিচাৰি উলিয়াই শাস্তি বিহিব লাগে। এইবোৰ মানুহে ছাত্ৰসমাজত অনৈক্য আৰু অশান্তিৰ বীজ সিঁচি শৈক্ষিক পৰিবেশ নষ্ট কৰিছে।

সংশ্লিষ্ট বাছখনত যিসকল ছাত্ৰ-ছাত্ৰী আছিল, যিসকলে অপৰাধীজনৰ কাণ্ড-কাৰখানা নিজ চকুৰে দেখি আছিল, তেওলোকৰ কেইজনমানো সেই প্ৰস্তাৱ গ্ৰহণ কৰা সভাখনত উপস্থিত থাকে। বাকীসকলৰ কিছুমান নিৰ্বিকাৰ, কিছুমান ভয় আৰু বিবেকৰ দংশনত পেপুৱা লাগি ছাইলেণ্ট মেজৰিটিৰ মাজলৈ সোমাই যায়। "ইয়েই মাৰিছিল, ইয়াক শাস্তি দিব লাগে"— বুলি কোৱা মানুহ তীব্ৰ ৰাজনৈতিক প্ৰতিদ্বন্দ্বিতাই ক্ৰিয়া নকৰিলে সাধাৰণতে এজনো নোলায়।

এই "সমাজ বিৰোধী-দুষ্কৃতিকাৰী"ৰ ফৰ্মুলাটো ভাৰতৰ সৰ্বত্ৰ বিদ্যমান। সৰ্বভাৰতীয় ৰাজনৈতিক দল এটাৰ যুৱ সংগঠনটোৰ বাৰ্ষিক অধিবেশন হ'ল, যুৱকসকলে বিভিন্ন ৰেল-ষ্টেছন, আবাসিক অঞ্চল আদিত উৎপাত কৰিলে, পাছত ডাঙৰ-ডাঙৰ নেতাসকলে বিবৃতি দিলে— এইবোৰ আমাৰ মানুহ নহয়, আমাৰ মাজত সমাজবিৰোধী-দুষ্কৃতিকাৰী ভেশচন ধৰি সোমাই পৰিছে। এনে ব্যাখ্যা সঁচা হ'ব পাৰে। কিন্তু এনে ব্যাখ্যা সঁচা বুলি বিশ্বাস কৰিবলৈ আমি প্ৰেৰণা পাওঁ কেতিয়া? যেতিয়া কোনো এটা সংগঠনে নিজৰ মাজতে থকা দুষ্কৃতিকাৰীবোৰক শাস্তি দিয়াৰ খবৰ মাজে-মাজে পাই থাকোঁ— তেতিয়া। তেতিয়া আমি ভাবোঁ— নিজৰ মাজতে থকা দুষ্কৃতিকাৰীবোৰক শাস্তি দিয়াৰ ব্যৱস্থা এওঁলোকৰ আছেই যেতিয়া, এই ধৰা নপৰাবোৰ সঁচাকৈয়ে বাহিৰৰ সমাজবিৰোধী-দুষ্কৃতিকাৰী। এনে বিশ্বাসে যে একোটা সংগঠনৰ কিমান উপকাৰ কৰে সেইটো সংগঠনটোৰ সৎ কৰ্মী, নেতাসকলে উপলব্ধি কৰা উচিত। জনসাধাৰণৰ মনত এনে বিশ্বাসৰ সৃষ্টি কৰিব নোৱাৰিলে গোটেই সংগঠনটোৰেই চৰিত্ৰত কেনে কালিমা পৰে, সেইটোও তেওঁলোকে উপলব্ধি কৰা

উচিত। ভাৰতৰ অন্যান্য ৰাজ্যৰ দৰে— অসমতো সমাজবিৰোধী-দুষ্কৃতিকাৰীৰ অভাৱ নাই। বৰ্তমানৰ অৱস্থাত এইখন ৰাজ্য এনেধৰণৰ শক্তিৰ বাবে অধিক সাৰুৱা ঠাই হৈ পৰাৰ সম্ভাৱনা আছে। এই অৱস্থাত প্ৰতিটো সংগঠনেই নিজৰ মাজৰ দুষ্কৃতিকাৰীহতৰ খবৰ প্ৰথমে লৈ যথাযোগ্য ব্যৱস্থা গ্ৰহণ কৰা দৰকাৰ। তেতিয়া অন্তত সংগঠনবোৰে বুকু ডাঠি ক'ব পাৰিব যে— সেইবোৰ আমাৰ মানুহ নহয়। তেতিয়া সেইবোৰ মানুহ একাষৰীয়া হ'ব, আৰু জনসাধাৰণ আৰু চৰকাৰো সঠিকভাৱে সচেতন হ'ব। অসমত কিছুমান ঘটনা ঘটিবলৈ লোৱাত চৰকাৰো উদ্বিগ্ন হৈছে। চৰকাৰে কোনবোৰ ঘটনাৰ কথা কৈছে সেইটো নিশ্চিতভাৱে ধৰিব নোৱাৰিলো কাৰণে আমি,— ডাঙৰৰপৰা সৰুলৈ কেইটামান ঘটনাৰ কথা উদাহৰণ স্বৰূপে উল্লেখ কৰোঁ। ডিব্ৰুগড়ত ছাত্ৰ এজনক হত্যা কৰা হ'ল, গুৱাহাটীত অইল ইণ্ডিয়াৰ উচ্চপদস্থ বিষয়া এজনক প্ৰহাৰ কৰা হ'ল, ডনবস্ক' ল'ৰাৰ স্কুল গণ্ডগোল হোৱাৰ কাৰণে স্কুলখন কিছুদিনৰ কাৰণে বন্ধ কৰি দিবলগীয়া হ'ল, ছেইণ্ট মেৰিজ ছোৱালী স্কুলত বাৰে-বাৰে ল'ৰা সোমাই নিৰাপত্তাহীনতা আৰু উত্তেজনাময় অৱস্থাৰ সৃষ্টি কৰাৰ কাৰণে স্কুলখনৰ প্ৰধান শিক্ষয়িত্ৰী গৰাকীয়ে সকলো অভিভাৱকলৈ ঘটনাবোৰৰ বৰ্ণনা দি চিঠি লিখিবলগীয়া হ'ল। বৰ বিচিত্ৰ ধৰণৰ ঘটনা। মানৱীয় আৰু প্ৰশাসনিক দিশৰপৰা তৎক্ষণাত প্ৰশ্ন কৰিব পাৰি— এইবোৰ কৰি কাৰ লাভ হ'ল? কোনোবা ৰাজনৈতিক সংগঠনৰ লাভ হ'ল? অইল ইণ্ডিয়াৰ বিৰুদ্ধে থকা অভিযোগবোৰ নাইকিয়া হ'ল? স্কুল দুখনৰ শৈক্ষিক পৰিবেশ উন্নত হ'ল? যদি হ'ল, তেনেহ'লে সেইবোৰ উদ্দেশ্য সাধন কৰাৰ অইন উপায় আছিল নে নাছিল? ৰাজ্যখনৰ অশান্তিমূলক ঘটনাৰ তালিকাত চাৰিটা ঘটনাৰ যোগ হ'ল কিয়? অভিভাৱকলৈ দিয়া চিঠিখনৰ মতে, ছোৱালী স্কুলখনৰ প্ৰধান শিক্ষয়িত্ৰীক ল'ৰাহতে ক'লে— আমি সদৌ গুৱাহাটী ছাত্ৰসন্থাৰ সদস্য। হয়নে? অন্তত এই কথাটোতো সদৌ গুৱাহাটী ছাত্ৰসন্থাৰ নেতাসকলে হা-না কিবা এটা ঘোষণা অতি স্পষ্টভাৱে, ৰজনজনাই যোৱাকৈ কৰিব পাৰে। "হয়, আমি এওলোকক পঠিয়াইছিলো ,— নহয়, আমি এওঁলোকক পঠোৱা নাই , এওলোক কোন আমি ক'ব নোৱাৰোঁ ," —এইখিনি কথা চাফা হৈ গ'লেইতো বহুত কথা চাফা হৈ যায়। এইটো সৰু উদাহৰণ , কিন্তু সুশৃংখল, সৎ অনুষ্ঠানৰ কৰ্তব্য আৰু দায়িত্বৰ প্ৰতি দৃষ্টিভংগী এই সৰু উদাহৰণটোৰ মাজতে নিহিত আছে।

(ছেইণ্ট মেৰিজ স্কুলৰ প্ৰধান শিক্ষয়িত্ৰীয়ে চিঠিখনৰ শেষত লিখিছে May the God of peace and uprightness guide you in your endeavour )

১০/৬/৮৬

# বুৰঞ্জীৰ শিক্ষা

এগৰাকী পত্ৰলেখকে আমালৈ লিখা চিঠি এখনৰ কথাখিনিৰ সাৰমৰ্ম হ'ল— ডাক্তৰী আৰু ইঞ্জিনিয়াৰিং পঢ়া ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত অধিক গুৰুত্ব দিয়া হয় আৰু সেই ছাত্ৰ-ছাত্ৰীসকলৰ মনতো এটা বিশেষ ধৰণৰ ভাবৰ সৃষ্টি হয়। সেই ভাবটো তেওঁলোকৰ নিজৰ কাৰণেও ভাল নহয়, সমাজৰ কাৰণেও ভাল নহয়।

এই সময়তে আৰু এটা ঘটনাৰ কথা কাণত পৰিল। বিদ্যালয়সমূহত অষ্টমমানত ছাত্ৰ-ছাত্ৰীসকলে এটা বিষয় হিচাপে উচ্চ গণিত (Advance Mathematics) লব পাৰে, অন্যান্য বিষয়ো— ধৰি লওক— বুৰঞ্জী লব পাৰে। এগৰাকী ছাত্ৰীয়ে উচ্চ গণিতলৈ ভয় কৰে। তেওৰ সেইটো বিষয় লোৱাৰ ইচ্ছা নাই , কিন্তু ঘৰত মাকে ধমকি মাৰিলে— তেও উচ্চ গণিত লবই লাগিব। ইফালে ছাত্ৰী গৰাকীৰ আগৰ পৰীক্ষাৰ ফলাফল বৰ ভাল নহয় , গতিকে বিদ্যালয়ৰ কৰ্তৃপক্ষই তেওঁক উচ্চ গণিত লবলৈ নিদিলে। সেই খবৰটো পোৱাৰ পাছত হেনো ঘৰত হুলস্থূল। মাকৰ তৰ্জন-গৰ্জন, জীয়েকৰ কন্দা-কটা। পাছত ছোৱালীৰ দেউতাকে স্কুললৈ গৈ কৰ্তৃপক্ষক ধৰি-মেলি জীয়েকক উচ্চ গণিত বিষয়টো দিবলৈ সৈমান কৰিলে। তাৰ পাছত, প্ৰথম পৰীক্ষাটোতে ছোৱালীৰ পৰীক্ষা-হলত কন্দাকটা।

যি দেখা গৈছে, বহুতে 'এডভান্স মেথেমেটিকছ্'' লোৱাটো এটা "প্ৰেষ্টিজ"ৰ কথা বুলি বিবেচনা কৰে। বিদ্যালয় কৰ্তৃপক্ষ আৰু অভিভাৱক দুয়ো পক্ষৰে এনে ধাৰণা প্ৰচলিত কৰাৰ প্ৰতি বৰঙণি আছে। আগৰ পৰীক্ষাত শতকৰা ষাঠি ভাগ নম্বৰ পালেহে উচ্চ গণিত লব পাৰিব বুলি বিদ্যালয় কৰ্তৃপক্ষই এটা নিয়ম ঘোষণা কৰাৰ লগে-লগে ছাত্ৰ ছাত্ৰী, অভিভাৱকৰ,— অন্তত এটা অংশৰ,— ধাৰণা হ'ব পাৰে যে অইন বিষয় বাছি লোৱা ল'ৰা-ছোৱালীবোৰ গাধা। এনে ধাৰণা কেতিয়াও হ'বলৈ দিব নালাগে। ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ, সামৰ্থ্য, বুদ্ধি-বৃত্তি অনুসৰি তেওঁলোকে পঢ়া বিষয়সমূহ নিৰ্বাচন কৰা উচিত ,— এইবোৰ শিক্ষাজগতৰ আওপুৰণি কথা , কোনো শিক্ষিত মানুহকে এই বিষয়ে নতুনকৈ ক'ব নালাগে। কিন্তু কামৰ সময়ত বহুতকে হয় এটা মূল্যহীন, বৃথা ভেমে প্ৰভাৱান্বিত কৰে, নহয় মেডিকেল-ইঞ্জিনিয়াৰিঙৰ লগত জড়িত থকা টকাৰ (খৰচৰ নহয়, উপাৰ্জনৰ) প্ৰশ্নটোৱে প্ৰভাৱান্বিত কৰে। এইবোৰ এক ধৰণৰ মৌলিক দুৰ্বলতা আৰু দুৰ্নীতি। ভূগোল, বুৰঞ্জী, সমাজ বিজ্ঞান, অৰ্থনীতি আদি বিষয়সমূহৰ মাহাত্ম্য আৰু গুৰুত্ব ছাত্ৰ-ছাত্ৰীৰ সমুখত যথোচিতভাৱে তুলি ধৰাৰ পৰিবৰ্তে এইবোৰ কম মেধাৰ ছাত্ৰ-

ছাত্ৰীৰ বিষয় বুলি এটা ধাৰণা প্ৰচলিত হ'বলৈ দিয়াটো শিক্ষক-শিক্ষাবিদসকলৰ, অভিভাৱকসকলৰ ভুল কাম। সমাজখনত কাৰ-কাৰ প্ৰয়োজন ? অকল ডাক্তৰ, ইঞ্জিনিয়াৰ আৰু বিজ্ঞানৰ মানুহখিনিৰহে প্ৰয়োজন নে ? বড়োভাষীসকলৰ শুদ্ধ ইতিবৃত্ত বিচাৰ কৰি তেওঁলোকক অসমৰ জনজীৱনৰ শুদ্ধ ঠাইত প্ৰতিষ্ঠিত কৰাৰ মহান আঁচনিখন কোনে তৈয়াৰ কৰিব ? ষ্টেটফেডক ৰাইজৰ পৰম বন্ধু অনুষ্ঠান ৰূপে কোনে গঢ়ি তুলিব ? শংকৰদেৱৰ পৰা আৰম্ভ কৰি মেডাম-মে-ফীলৈকে সকলো কথা অধ্যয়ন কৰি অসমৰ সাংস্কৃতিক জীৱন শক্তিশালী কৰাৰ পথ কোনে দেখুৱাব ? "চোকা-চোকা" ল'ৰা-ছোৱালীবিলাকে ইঞ্জিনিয়াৰিং-মেডিকেল-ছায়ন্স পঢ়িবলৈ গুচি যোৱাৰ পাছত বাকী থকাসকলে ? (উল্লেখযোগ্য কথা, আমাৰ দেশত ঘাইকৈ এই বাকী থকাসকলেই চোকা-চোকাসকলক চলাইছে, এইসময়ত চোকা-চোকাসকলৰ "চোক" নাইকিয়া হৈছে, শেষত দেখা গৈছে—তেওলোক "চলিছে"।)

বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ গুৰুত্ব সম্পৰ্কে প্ৰশ্নই উঠা নাই,— তাক কোনোমতে লঘু কৰিব নোৱাৰি। কিন্তু এই সকলোৰে প্ৰয়োগ হ'ব লাগে মানুহৰ,জীৱৰ, প্ৰকৃতিৰ মংগলৰ অৰ্থে। সেই কাৰণেই লাহে-লাহে প্ৰশ্ন উঠি আহিছে— মূল বস্তু— মানুহৰ মন— বিজ্ঞান-প্ৰযুক্তি বিদ্যাৰ দ্বাৰা কেনেকৈ আক্ৰান্ত হৈ আহিছে ? শেষত বিজ্ঞান-প্ৰযুক্তি বিদ্যাৰ লগত হোৱা যুদ্ধখনত মানুহৰ মন জয়ী হ'ব নে নহয় ? এইবোৰ বাৰু ডাঙৰ-ডাঙৰ কথা ,— কিন্তু সদ্যহতে আমাৰ দৈনন্দিন জীৱনৰ সমস্যাবোৰ কি ? ইঞ্জিনিয়াৰ বা ডাক্তৰ একোজনৰ নিজ-নিজ বিষয়ত জ্ঞান কিমান গভীৰ সেই লৈ জনসাধাৰণ যিমান চিন্তিত, তাতকৈ বেছি চিন্তিত— মানুহজনৰ মনটো কেনেকুৱা, তেও জনসাধাৰণক কেনেকৈ সেৱা কৰিছে— সেই লৈ। আজি মানুহৰ অভিযোগ— কমপিউটাৰৰ বিষয়ে ক'ব পৰা মানুহ যিমান আছে, মানুহৰ মনক মুক্ত, উদাৰ, মহান কৰাৰ কথা ক'ব পৰা মানুহ সিমান নাই। সেই কাৰণেই হ'বলা— আজি বিজ্ঞানৰ বাবে লাভ কৰা সকলতকৈ বিশ্বশান্তি আৰু মানৱীয়তাৰ বাবে নোবেল বটা লাভ কৰাসকলৰ প্ৰতি মানুহৰ শ্ৰদ্ধা বেছি হোৱাৰ প্ৰৱণতাই দেখা দিছে।

সেই কাৰণেই, সহজ-সৰল ল'ৰা-ছোৱালীক লৈ ডাঙৰে এডভান্স মেথেমেটিকছ-ডাক্তৰী-ইঞ্জিনিয়াৰিঙৰ অযুক্তিকৰ খেল খেলিব নালাগে।

২৬/৬/৮৬

# আছাম টাইপ

কিছুদিনৰ আগতে এগৰাকী মহিলাই অসম চৰকাৰক এটা অনুৰোধ কৰিছিল ° তেখেতে অষ্ট্ৰেলিয়াৰ ছোৱালী এজনী সত্ৰীয়া নাচ শিকাবৰ বাবে অসমলৈ আনিব খোজে।

মহিলাগৰাকীৰ এই অনুৰোধ ৰক্ষা পৰিব নে নপৰে সেইটো আমাৰ আলোচনাৰ বিষয় নহয়। আমাৰ আলোচনাৰ বিষয় হ'ল— শেষ পৰ্যন্ত যদি অষ্ট্ৰেলিয়াৰ ছোৱালীজনী অসমলৈ আহে, তেনেহ'লে তেও সত্ৰীয়া নাচ শিকিব ক'ত ? তেওক সেই নাচ শিকাব কোনে ?

এইটো অষ্ট্ৰেলিয়া-ৰুমানিয়াৰ ছোৱালীৰ বেলিকা সোধা প্ৰশ্ন নহয়, এইটো কৰ্ণাটক, দিল্লী, কলিকতাৰ ইচ্ছুক মানুহৰ বাবেও সোধা প্ৰশ্ন , উজানবজাৰ, হোজাই, মাজুলীৰ মানুহৰ বাবেও সোধা প্ৰশ্ন। সত্ৰীয়া নাচ সম্পৰ্কে অলপ জনা-বুজা লোকক— "এই নাচৰ ক্ষেত্ৰত নিৰ্ভৰযোগ্য লোক কোন"— বুলি সুধিলে সাধাৰণতে পোৱা উত্তৰটো হ'ল— এতিয়া বাচি থকাৰ ভিতৰত অমুকেই একমাত্ৰ মানুহ , তেখেত গ'লেই শেষ । ৰাজ্যখনত সত্ৰীয়া নাচৰ চৰ্চাৰ বিষয়ে সোধা-সুধি কৰিলে পোৱা উত্তৰবোৰ এনে ধৰণৰ তমুকে টুকটাককৈ ল'ৰা-ছোৱালী কিছুমান গোটাই লৈ কিবাকিবি কৰি আছে, পিছে তেওৰ কথাবোৰ শুদ্ধ নহয়। আমাৰ সেই তেখেতে কিছু জানে, পিছে মানুহজন বৰ ধোদ।— আৰু সেই স্কুলখন ? মিছা। ছাৰ্টিফিকেট দিব লাগে দি আছে , সেই ছাৰ্টিফিকেট দেখুৱাই পাছলৈ কোনোবাই চাকৰি-বাকৰি কিবা পালে পাব পাৰে , কিন্তু নাচৰ একোটো নাই।— আৰু মিউজিক কলেজখন ? ছাত্ৰ-ছাত্ৰীসকলে ধৰ্মঘট, পিকেটিং, অনশন নকৰিলে সেইখনৰতো খবৰেই নাপাও ।

হ'ব পাৰে— এইবোৰ আড্ডাজাতীয় কথা , কিন্তু অসমত যে সত্ৰীয়া নাচৰ শিক্ষা আৰু চৰ্চাৰ ব্যৱস্থাটোৰ এটা "গত" লগা নাই, সেইটো সঁচা কথা। আনহাতে, এই নাচৰ যে বৈশিষ্ট্য আছে, ই যে ভাৰতৰ শাস্ত্ৰীয় নৃত্যসমূহৰ মাজৰ এবিধ স্বীকৃত নাচ, ই যে অসমৰ সংস্কৃতিৰ ভৰালৰ এক মূল্যবান সম্পদ এইবোৰ পুৰণি সচা কথা , এইবোৰৰ বিষয়ে এই আলোচনাত এটা বাক্য লিখিবলগীয়া হোৱাটোও অপচয়মূলক কাম। এই নাচ চৰ্চা কৰা এজনৰ মতে কথক, কথাকলি ভাৰত নাট্যম আৰু মণিপুৰী নাচৰ তুলনাত এই নাচৰ কিছুমান উৎকৃষ্টতৰ দিশ আছে। কিন্তু আজি ভাৰতৰ বাকীবোৰ স্বীকৃত শাস্ত্ৰীয় নৃত্যই যি আসন আৰু প্ৰতিষ্ঠা লাভ কৰিছে, তাৰ তুলনাত সত্ৰীয়া নাচে মুঠেই গা কৰিব পৰা নাই। বহু পলমকৈ পোহৰলৈ

অহা ওডিছি নৃত্যই আজি যি ধৰণে ব্যাপ্তি আৰু প্ৰসিদ্ধি লাভ কৰিছে, সি কিছুলোকৰ গভীৰ শ্ৰদ্ধা, জ্ঞান আৰু পৰিশ্ৰমে এটা বস্তুক কেনেকৈ তুলি ধৰিব পাৰে, তাৰ উৎকৃষ্ট উদাহৰণ। আমাৰ নিচেই কাষৰে সৰু ৰাজ্য মণিপুৰৰ মণিপুৰী নাচ কিয় আৰু কেনেকৈ সমগ্ৰ বিশ্বত পৰিচিত হৈছে, সেই কথাও আমি সঘনে স্মৰণ কৰিব লাগে।

নাচৰ ক্ষেত্ৰত কিছুমান অসুবিধা আছে। তাৰে এটা হ'ল ঃ সাধাৰণতে ছোৱালীক নাচ শিকোৱা হয়। পাঁচ-ছবছৰ বয়সতে আৰম্ভ কৰিলে যি বয়সত এজনী ছোৱালীয়ে মোটামুটিভাৱে নাচটোৰ সকলো দিশ আয়ত্ত কৰাটো সম্ভৱ, তাৰ আগেয়েই তেও বিভিন্ন কাৰণত নাচ বাদ দিবলগীয়া হয়। তাৰ পাছত তেওঁ প্ৰায়েই "চুবুৰিৰ শিক্ষয়িত্ৰী" ৰূপত বৰ্তি থাকে। গতিকে নচা মানুহ আৰু শিকোৱা মানুহ— এই দুবিধৰ এবিধো পৈণত হ'বলৈ নাপায়। সমগ্ৰ ভাৰততেই এই কথা প্ৰযোজ্য , কিন্তু সত্ৰীয়া নাচৰ ক্ষেত্ৰত ই এটা সমস্যাৰ ৰূপত দেখা দিছে।

যদি অসমতে এই নাচ শুদ্ধভাৱে, নিয়মীয়াকৈ শিকোৱাৰ ভাল ব্যৱস্থা নাই, তেনেহ'লে এই নাচটোৰ বৰ্তমান আৰু ভৱিষ্যত ৰক্ষা পৰে কেনেকৈ ? আজি যদি কোনোবাই, ধৰি লওক ভাৰতৰ সংগীত নাটক একাডেমিয়ে দিল্লীত সত্ৰীয়া নাচ শিকোৱাৰ প্ৰতিষ্ঠান এটা খুলিবলৈ অসমৰ পৰা শিকোৱা মানুহৰ দল এটা (বজোৱা, গোৱা, নচা, ইংৰাজী বা হিন্দীৰে ছাত্ৰ-ছাত্ৰীক কথাবোৰ বুজাব পৰা মানুহৰ দল এটা) দীঘলীয়া দিনৰ বাবে দিল্লীত থকাকৈ বিচাৰে, তেনেহ'লে আমি পঠাব পাৰিম নে ? অকল এইটো বিষয়েই নহয়, অন্যান্য ভালেমান বিষয়ৰ কথা ভাবিলে আমাৰ বিশ্বাস জন্মে,— এই "আছাম টাইপ" বোলা কথাষাৰ কেৱল অসমৰ এবিধ ঘৰৰ ক্ষেত্ৰতে ব্যৱহাৰ কৰা কথা নহয়। বহু ক্ষেত্ৰত এই দুটাক আমাৰ চৰিত্ৰ আৰু মানসিকতা প্ৰতিফলন কৰা শব্দ বুলি ধৰিব পাৰি। একোটা মূল্যবান সম্পদক কেন্দ্ৰ কৰি একোটা বিৰাট প্ৰতিষ্ঠান গঢ়ি তোলাৰ মানসিকতা আৰু সামৰ্থ্য আমাৰ প্ৰায় নায়েই। কিন্তু এতিয়া আমি বিচাৰ কৰি চাব লাগে,— অকল সত্ৰীয়া নাচেই নহয়, সমগ্ৰ শংকৰী সাংস্কৃতিক বস্তুখিনিৰ ৰক্ষা, চৰ্চা আৰু ব্যাপ্তিৰ বাবে এটা বিৰাট প্ৰতিষ্ঠান গঢ়ি তোলাটো উচিত কাম হ'ব নে নহয় ? এয়া অপব্যয় বুলি পৰিগণিত হ'ব নে কি ?

আমাৰ বোধেৰে বৰ্তমানে বৰ্তি থকা সম্পদ আৰু যোগ্য ব্যক্তিসকলকে সুসংগঠিত কৰি, এনে এটা প্ৰতিষ্ঠানৰ ভেটি অনতিপলমে গঢ়ি তুলিব লাগে , নহ'লে এনে এক সাংস্কৃতিক অপব্যয় আৰম্ভ হ'ব— যাক সময়ত বহু কোটি টকাৰেও ৰোধিব পৰা নাযাব।

২৬/৭/৮৬

# আমোলাৰ অৱদান

যোৱা জুন মাহত উত্তৰ প্ৰদেশ কেডাৰৰ আই এ এছ বিষয়া শ্ৰী ধৰম সিং ৰাৱাটে দিল্লীৰ ব'ট ক্লাবত অনশন ধৰ্মঘট কৰিছিল। সতীৰ্থসকলৰ কৰ্ম-কাণ্ডৰ বিৰুদ্ধে থকা তেখেতৰ ক্ষোভ প্ৰকাশ কৰিবলৈ আৰু সেই কৰ্ম-কাণ্ডৰ প্ৰতি দেশৰ জনসাধাৰণক সচেতন কৰিবলৈকে তেখেতে সেই কাম কৰিছিল। তেখেতৰ মতে প্ৰশাসক বিষয়াসকলে যিটো শাসন-ব্যৱস্থা গঢ়ি তোলে, সেইটো শাসন-ব্যৱস্থা জনসাধাৰণৰ আশা-আকাংক্ষাৰ প্ৰতি সঁহাৰিমূলক নহয়। এডমিনিষ্ট্ৰেটৰসকলে নিজকে পাবলিক ছাৰভেণ্ট বুলি কয়, কিন্তু তেওঁলোকৰ পাবলিক ছাৰ্ভিছ ক'তা ! শ্ৰী ৰাৱাটে প্ৰশাসকসকলৰ মনোবৃত্তি, বৈষয়িক সুখ-সুবিধাৰ প্ৰতি তেওলোকৰ দৃষ্টিভংগী, তেওঁলোকে পোৱা সুখ-সুবিধাৰ বিপৰীতে প্ৰশাসন বা জনসাধাৰণে তেওলোকৰপৰা কি পাইছে,— এনে ধৰণৰ কিছুমান প্ৰশ্ন ক্ষোভেৰে উত্থাপন কৰিছিল। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰীয়ে শ্ৰী ৰাৱাটৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ কথা ঘোষণা কৰিছিল।

এই ঘটনাৰ স্মৃতিয়ে অইন এটা অধিক গভীৰত থকা কথাহে আমাৰ মনলৈ আনিছে। কথাটো সমগ্ৰ ভাৰতৰ ক্ষেত্ৰতেই বিচাৰ্য, কিন্তু আমি আলোচনা কৰোঁতে ঘাইকৈ অসমৰ কথাই আমাৰ মনৰ পটভূমিত থাকিব।

তীক্ষ্ণ বুদ্ধি থকা, তীক্ষ্ণ বিচাৰ-বুদ্ধি থকা, মেধাৱী লোকক পোনে-পোনে আই এ এছ বিষয়া হিচাপে নিৰ্বাচন কৰা হয়। প্ৰমোছনৰ জৰিয়তে আই এ এছ পৰ্যায়লৈ উঠা বিষয়াসকলেও ইতিমধ্যে পাৰ কৰা সুদীৰ্ঘ চাকৰিকালত প্ৰচুৰ পৰিমাণে অভিজ্ঞতা, প্ৰশাসনিক দক্ষতা, জ্ঞান আদি অৰ্জন কৰে।

এই নিৰ্বাচন পদ্ধতিটে ৰ লগত ৰাজনৈতিক প্ৰতিনিধি 'নিৰ্বাচন'ৰ পদ্ধতিটোৰ ডাঙৰ পাৰ্থক্য আছে।

দুটা সুকীয়া পদ্ধতিৰে (ক'বলৈ গ'লে প্ৰায় দুখন বেলেগ জগতৰ পৰা ?) নিৰ্বাচন কৰা এই দুবিধ লোক প্ৰশাসনৰ কেন্দ্ৰস্থলত লগ লাগে। তাৰ পাছত তেওলোক, নিয়মমতে, পৰস্পৰৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ পৰিব লাগে। এইখিনিতেই অসুবিধাটো হয়। এই জড়িত হৈ পৰাৰ প্ৰক্ৰিয়াটো জটিল। কামৰ প্ৰতি স্পৃহা আৰু কিছুমান নীতিয়ে এই মিলন-মিশ্ৰণৰ প্ৰক্ৰিয়াত অনুঘটকৰ (catalystঅৰ) কাম কৰে। সংকৰ্মৰ প্ৰতি স্পৃহা আৰু সুনীতিয়ে যিমানে বেছিকৈ অনুঘটকৰ কাম কৰে, সিমানে দেশৰ মংগল হয় , অপকৰ্ম আৰু দুৰ্নীতিয়ে যিমানে বেছিকৈ অনুঘটকৰ কাম কৰে সিমানে দেশৰ অমংগল হয়। খাদ্য যোগান নিয়াৰি কৰিবলৈ যোগান বিভাগৰ মন্ত্ৰী আৰু যোগান বিভাগৰ সচিব ঘনিষ্ঠ হৈ পৰিব পাৰে , আনহাতে মীনমহল (fisherv) এখন ধ্বংস কৰিবলৈও স্থানীয় এম এল এ আৰু ডেপুটি কমিছনাৰজন এক গোট হৈ যাব পাৰে।

মিলন-মিশ্রণ, সংযোগ-বিচ্ছেদ আদিৰ এই সুদীৰ্ঘ কাল চলি থকা প্ৰক্ৰিয়াটোৰ ফলত যিবোৰ কথা ৰাইজৰ মাজলৈ ওলাই আহে, সেইবোৰৰ মাজৰ এটা কথা লক্ষণীয়। আমি শুনো,— অমুক মন্ত্ৰী হৈ থকাৰ দিনতে, অমুক এই অঞ্চলৰ এম এল এ হৈ থকাৰ দিনতে অমুক ভাল কামটো হ'ল। কিন্তু অমুক যোগান বিভাগৰ সচিব হৈ থকাৰ দিনতে, অমুক ইয়াৰ ডেপুটি কমিছনাৰ হৈ থকাৰ দিনতে অমুক ভাল কামটো হ'ল— এনেকুৱা কথা প্ৰায় নুশুনোৱেই। কিয় ? ইমান তীক্ষ্ণবুদ্ধিসম্পন্ন, মেধাৱী, অভিজ্ঞ বিষয়াসকলৰ নাম একোটা মহৎ কামৰ ইতিহাসৰ লগত জড়িত নহয় কিয় ? সকলো উচ্চপদস্থ বিষয়াই দেশপ্ৰেমৰ ভাবত উদ্বুদ্ধ হৈ চাকৰি নকৰে। কিন্তু কোনেও নকৰেনে ? কিছুমানেতো কৰে ! বিধানসভা নাথাকিলে বা সক্ৰিয় হৈ নাথাকিলে এই বিষয়াসকলেইতো ৰাজ্য চলায় ! এইখিনিতে ঘপহকৈ এটা উত্তৰ আহে "সেইটোৱেই কথা ! বিধানসভা নাথাকিলেই হস্তক্ষেপ, প্ৰতিবন্ধক নোহোৱাকৈ কাম কৰিব পাৰি।"

আৰু, এইটো উত্তৰৰ মাজতে গণ্ডগোলটোৰ আভাস পোৱা যায়। হস্তক্ষেপ। প্ৰতিবন্ধক। কিন্তু আপুনি ৰাজনৈতিক পক্ষটোক সোধক , সেইফালৰ পৰাও একে উত্তৰেই পাব। ইয়াৰ লগতে অসমীয়া আই এ এছ অনাঅসমীয়া আই এ এছ বিষয়াৰ কথাও ওলাব। কথোপকথনবোৰ এনে ধৰণৰ (১) বাহিৰৰ মানুহৰ অসমৰ ভালৰ কাৰণে কাম কৰাৰ আগ্ৰহতো কম হ'বই ! (২) নহয় হে, আমাৰ মখাহে ছাৰ। এওলোকেহে সৰ্বনাশ কৰিলে। (৩) তোমালোকেতো দিল্লী-মাদ্ৰাজত কাৰ কেইটা দালান উঠিছে সেইবোৰ নেদেখা ! চকুৰ আগত থকা কেইজনে বাৰাণ্ডা এখন বঢ়ালেও দেখা। (৪) আজি অ'ত, কাইলৈ ত'ত , কোনটো বিষয়ত মোৰ দক্ষতা আছে, সেইটো বিচাৰ কৰি মোক কাম দিয়া হয়নে ?— ইত্যাদি।

(প্ৰসংগক্ৰমে বছৰে অসমত সাত-আঠ গৰাকী আই এ এছ বিষয়াক পোনে-পোনে নিযুক্তি দিয়া হয়, তেওলোকৰ মাজত এজন-দুজন অসমীয়া লোক থাকেও, নাথাকেও। গতিকে এ ছি এছৰ পৰা প্ৰমোছন দিয়াৰ প্ৰশ্নটোত অসমৰ ক্ষেত্ৰত এটা সুকীয়া গুৰুত্ব আছে।)

মূল কথাটোলৈ আহো। দুই-এগৰাকী প্ৰবীণ (অৱসৰপ্ৰাপ্ত) বিষয়াৰ স্মৃতিকথা জাতীয় কিছু কথা আমি অ'ত-ত'ত পঢ়িবলৈ পাও। স্বাভাৱিকতে এসময়ৰ এই ক্ষমতাবান, বুদ্ধিমান লোকসকলে ক'ত কি ভাল কাম কৰিছিল, সেই বিষয়ে জানিবলৈ সেইবোৰ লেখা আগ্ৰহেৰে পঢ়ো। আমি আশা কৰো,— দেশকৰ্মী, সমাজকৰ্মী, ৰাজনৈতিক নেতা, শিক্ষক, সাহিত্যিক, শিল্পী আদিৰ দৰে, কাম কৰিবলৈ সুবিধা আৰু ক্ষমতা পোৱাসকলৰ অৱদানৰ কথাযো সমাজৰ ইতিহাসত ঠাই পাওক। প্ৰশাসনৰ দায়িত্বত থকা দুয়োটা পক্ষই চাব লাগিব, যাতে কাৰো ভাল কাম কৰাৰ সদিচ্ছাই চেপা নাখায়।

১১/৮/৮৬

# সহযোগিতাৰ বাবে পৰিকল্পনা

অসম চৰকাৰৰ শিক্ষা বিভাগে এবছৰৰ ভিতৰতে (চলিত বিত্তীয় বছৰৰ ভিতৰতে ?) সাত হাজাৰখন প্ৰাথমিক পঢ়াশালিৰ বাবে নতুন ঘৰ সজাৰ কথা ঘোষণা কৰিছে। এইটো বৰ প্ৰয়োজনীয় কাম। ঘোষণা মতে কাম হ'ব লাগে। তাৰ পাছত প্ৰতি বছৰেই এই আঁচনিৰ ওপৰত গুৰুত্ব দি থাকিব লাগে,— যেতিয়ালৈকে সকলো পঢ়াশালিৰ ঘৰবোৰৰ অৱস্থা অন্ততঃ এটা সহ্য কৰিব পৰা, নিয়াৰিকৈ কাম চলাব পৰা মানলৈ নাহে, তেতিয়ালৈকে। সুচিন্তিত আঁচনি প্ৰস্তুত কৰাৰ ক্ষমতা থাকিলে, এটা ভাল কাম কৰাৰ নিস্বাৰ্থ ইচ্ছা থাকিলে, দুৰ্নীতিমুক্ত আৰু দক্ষ মেছিনেৰি এটাই কামৰ দায়িত্ব ল'লে, কেৱল টকাৰ অভাৱত কাম পৰি নাথাকে , হাতত লোৱা কাম নোহোৱাকৈও নাথাকে।

ইমান ডাঙৰ আৰু প্ৰয়োজনীয় কাম এটা হাতত লোৱা হৈছে যেতিয়া, আৰম্ভণিতে কেইটামান  কথালৈ সংশ্লিষ্ট কৰ্তৃপক্ষই নিশ্চয় মন কৰিছে বা কৰিব। ঘৰবোৰৰ ইঞ্জিনিয়াৰিং পৰিকল্পনা একে হ'লে, অৰ্থাৎ সমগ্ৰ ৰাজ্যতে এই আঁচনিৰ অধীনত নিৰ্মিত স্কুল ঘৰবোৰ একে হ'লে ভাল হয়। সাত হাজাৰ স্কুলঘৰৰ কাৰণে শিক্ষা বিভাগে কিমান টকা ব্যয় কৰিব পাৰিব ? কেইবাটাও দিশত কথাবোৰ বিচাৰ কৰি ধৰি ললো— চৈধ্য কোটি টকা। একোটা ঘৰৰ বাবে গড়ে বিছ হাজাৰ টকা। বিছ হাজাৰ টকাৰে এটা পাঠশালা কমেও কিমান সা-সুবিধাৰে নিৰ্মাণ কৰিব পাৰি সেইটো কেন্দ্ৰীয়ভাৱে ঠিক কৰিব লাগে। এক ধৰণৰ হিচাপ মতে বিছ হাজাৰ টকাৰে আজিকালি চকীদাৰ থকা ডেৰ-কুঠলীয়া ঘৰ এটাহে হয়। গতিকেই কেন্দ্ৰীয়ভাৱে প্ৰস্তুত কৰা সুচিন্তিত  ডিজাইন এটাৰ প্ৰয়োজন। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আৰু অন্যান্য গুৰুত্ব অনুসৰি এ'-টাইপ, বি-টাইপ আদিৰ ঘৰ হ'ব পাৰে, কিন্তু তাৰো পৰিকল্পনা কেন্দ্ৰীয়ভাৱেই কৰিব লাগে। ক'ৰবাত কাঠত খৰচ বেছি, ক'ৰবাত পৰিবহনৰ খৰচ বেছি,— সেইবোৰ কথা সাত হাজাৰ ঘৰৰ গড-খৰচৰ ভিতৰতে সুমুৱাই ৰখাৰ ব্যৱস্থা কৰিব পাৰি। মুঠতে এই সুযোগতে কম খৰচত নিৰ্মাণ কৰিব পৰা এবিধ পাঠশালাৰ মডেলৰ উদ্ভৱ হোৱাটো বাঞ্ছনীয়।

এইখিনি কথা আমি সাত হাজাৰ নতুন স্কুলঘৰ সজা হ'ব বুলি ধৰি লৈহে কৈছোঁ। ইতিমধ্যে থকা কিছুমান স্কুলঘৰৰ মেৰামতিৰ বাবে সাত-আঠ হাজাৰ টকা দিয়া হ'ব, পঞ্চাছ-ষাঠি হাজাৰ টকা খৰচ কৰি ক'ৰবাত-ক'ৰবাত নতুন ঘৰ সজা হ'ব,— আৰু এই সকলো মিলি সাত হাজাৰৰ হিচাপটো পূৰ হ'ব,— ঘটনাটো

তেনেকুৱা হ'লে বেলেগ কথা।

কিন্তু কম খৰচত পাঠশালাৰ ঘৰ-দুৱাৰৰ অৱস্থা উন্নত কৰিবলৈ হ'লে চৰকাৰৰ টকা আৰু মেছিনেৰিটোৰ সমানে, বা তাতোকৈ বেছি, প্ৰয়োজনীয় বস্তু হৈছে পাঠশালাটোৱে যি অঞ্চলৰ সেৱা কৰিছে, সেই অঞ্চলৰ ৰাইজৰ সহায়-সহযোগিতা। চৰকাৰৰপৰা ঘৰ-দুৱাৰৰ নামত ফুটা-পইচা এটা নোপোৱাকৈ আৰম্ভ হোৱা আৰু চলি থকা বহু স্কুল আছিল, আছে আৰু আগলৈকো থাকিব। কিন্তু চৰকাৰ সোমালেই ৰাইজে গা-এৰা দিয়া এটা প্ৰৱণতাই আজিকালি গা কৰি উঠিছে। এসময়ত নামঘৰেই হওক, স্কুলঘৰেই হওক, ঠিক কৰি ৰাখিবলৈ, মেৰামতি কৰিবলৈ ৰাইজে "হজ" কৰিছিল। একোটা দিন ঠিক কৰি গাওখনৰ কৰ্মক্ষম লোকসকল দা-কুঠাৰ-কোৰ লৈ ওলাই আহিছিল, এপোলা খেৰ, এডাল বাঁহ,— যেয়ে যি পাৰে ঘৰৰপৰা লৈ গৈছিল, দিনটো বা এবেলা কাম কৰি ঘৰটো মেৰামতি কৰিছিল, চৌহদটো চাফা কৰিছিল, জেওৰা বাতিছিল। এতিয়াও ৰাইজে চৰকাৰৰ সহায় নোলোৱাকৈ ৰাস্তা-ঘাট, নলা-নৰ্দমাৰ কাম কৰাৰ কথা শুনা যায়, কিন্তু সামগ্ৰিকভাৱে ৰাইজৰ এই মনোবৃত্তি কমিছে। আৰ্থিক, বৈষয়িক, সাংসাৰিক, ৰাজনৈতিক কাৰণতে এনে হৈছে। ভিতৰ গাৱঁতো যদি এডাল বাহৰ বাবে ঘৰতে গৃহস্থই পাচ টকা পায়, আৰু সেই পাচ টকাৰ যদি তেওঁৰ বৰ প্ৰয়োজন, বাৰীৰ বাহ বেচি যদি পুতেকে জেপ খৰচ উলিয়াই আছে, পতাকা উত্তোলনৰ বাহডালৰ বাবেও যদি হিচাপত দহ টকা লিখাৰ মনোবৃত্তি গাঁৱে-ভূঁয়ে প্ৰচলিত হৈ গৈছে, তেনেহ'লে ঘৰৰ খেৰ-বাঁহেৰে হজ কৰাৰ মনোবৃত্তি মানুহৰ থাকে কেনেকৈ ? ধৰি ললো, এই আৰ্থিক অনাটনৰ দিনত কাৰো ঘৰৰ খেৰ-বাহ বিনামূলীয়াকৈ কোনেও দাবী কৰিব নালাগে, কিন্তু কায়িক পৰিশ্ৰম ? অন্তত মাহটোত এদিন ?

অন্ততঃ পাঠশালাৰ ঘৰটোৰ ক্ষেত্ৰত চৰকাৰ আৰু ৰাইজ উভয়েই এই কথাটো ভাবিব লাগে। ৰাইজে প্ৰায়েই স্কুলৰ বাবে ধন বিচাৰি চৰকাৰৰ কাষ চাপে, কিন্তু ধনৰ বাহিৰে বাকীখিনি বিচাৰি চৰকাৰো ৰাইজৰ কাষ চাপিব লাগে।

আমি কিন্তু বিছ হাজাৰ টকীয়া স্কুলঘৰটো এনেকুৱা হ'ব বুলি ধৰিয়েই লৈছো— যিটোত ৰাইজৰ বাবে কাম থাকিবই। নে ডিজাইনটোতে চৰকাৰে সেই সুবিধা বা সুৰুঙা ৰখাই উচিত ?

২৬/৮/৮৬

# নগ্নপ্ৰায়

"ৰাজনৈতিক নেতা, ছাত্ৰনেতা, আদি অনেক নেতা দেখি আহিছোঁ, কিন্তু এনে ছাত্ৰনেতাও দেখিছো যি কোনো স্কুল-কলেজৰে ছাত্ৰ নহয়, অথচ ছাত্ৰ নেতা। এনে ছাত্ৰনেতাও দেখিছোঁ যাৰ ঘৰৰ লগত কোনো সম্বন্ধ নাই। বাহিৰে-বাহিৰে খায়, ফুৰে, শোৱে। মানি ললো, আন্দোলনৰ সময়ত ব্যস্ততাৰ বাবে তেওলোক য'তে-ত'তে থাকে, আনেও তেওলোকক সহায় কৰে। কিন্তু এতিয়া? এতিয়াতো সেই আন্দোলন নাই, সেই ব্যস্ততা নাই! গণ পৰিষদ চৰকাৰেতো ছাত্ৰসকলক অধ্যয়নত মনোযোগ দিবলৈ বাৰম্বাৰ কৈ আছে! অথচ সেই ছাত্ৰ নেতাসকল এতিয়াও ছাত্ৰনেতা। সময়ে-সময়ে গণ পৰিষদৰো। স্বৰূপ বুজাত জটিল। এতিয়া কথা হ'ল — স্কুল-কলেজৰ ছাত্ৰ নহৈও ছাত্ৰক নেতৃত্ব দিব পাৰে মানি ললো, কিন্তু জীৱিকা? যাৰ কোনো জীৱিকা আছে বুলি নাজানো সেইসকলৰ জীৱিকা কি?"

এইখিনি আগতে ছপা হৈ যোৱা কথা। এইখিনি অসমৰ কোনখন চহৰৰ, কোনখন গাৱঁৰ কথা? আমি বহু চিঠি-পত্ৰৰ যোগে যি জানিছো, যি শুনিছো, তাৰ ওপৰত ভেটি কৰি ক'ব পাৰো,— এইখিনি কথা অসমৰ বহু ঠাইৰ কথা। এছোৱা দীঘলীয়া অস্বাভাৱিক সময় পাৰ হোৱাৰ পাছত, ৰাজ্যখনৰ অৱস্থা এটাৰ পৰা অইন এটালৈ পৰিবৰ্তিত হোৱাৰ পাছত, ঠায়ে-ঠায়ে কিছুদিনলৈ উক্ত কথাখিনি খাপ খোৱা অৱস্থা বৰ্তি থকাটো স্বাভাৱিক, কিন্তু এচাম লোকে সেই অৱস্থাটো সমালোচনা কৰাটোও স্বাভাৱিক আৰু প্ৰয়োজনীয়। এনে অৱস্থা যদি অমংগলীয়া, ক্ষতিকৰ আৰু অযুক্তিকৰ, তেনেহ'লে জনসাধাৰণে, নেতৃত্বই, কৰ্তৃপক্ষই আৰু সেই অৱস্থাৰ লগত জড়িত থকাসকলে নিজে বিচাৰ-বিবেচনা কৰি অৱস্থাটোৰ সংশোধন ঘটাব,— এই আশা কৰিয়েই উক্ত ধৰণৰ কথা প্ৰকাশ কৰা হয়। লগতে আমি আশা কৰো— উক্ত কথাখিনিৰ বিষয়ে, পক্ষে বা বিপক্ষে, কাৰোবাৰ কিবা বক্তব্য থাকিলে, সেয়াও ৰাজহুৱাভাৱে প্ৰকাশ হ'ব লাগে, যুক্তিযুক্ত হ'লে সেইবোৰ বক্তব্য প্ৰকাশ কৰাও আমাৰ কৰ্তব্য। উদাহৰণ স্বৰূপে, উক্ত কথাখিনিৰ "বিপক্ষে" আমি কি বক্তব্য

আশা কৰিছিলো ? আমি আশা কৰিছিলো— ছাত্ৰনেতা কাক বোলে সেই বিষয়ে এটা আলোচনা হওক। এজন ডেকা নিজে ছাত্ৰ, তেওঁ কিবা এটা বিষয়ত নেতা, গতিকে তেওঁ ছাত্ৰনেতা , নাইবা এজন মানুহ নিজে ছাত্ৰ নহয়, কিন্তু তেও কিবা এটা বিষয়ত ছাত্ৰৰ নেতৃত্ব কৰে, গতিকে তেওঁ ছাত্ৰনেতা ,— যেনেকৈ এজন মানুহ নিজে বনুৱা নহয়, কিন্তু তেও বনুৱানেতা, তেনেকৈ। তাৰ পাছত আহিল জীৱিকাৰ কথা। যিহেতু তেওঁ সম্পূৰ্ণ সময় নেতৃত্বৰ কামতে ব্যস্ত থাকিব লাগে, গতিকে তেওঁ স্বীকৃত দান-বৰঙণি, বৈধ আনুষ্ঠানিক পইচাৰেই চলি থাকে, তেওঁৰ অইন উপাৰ্জনৰ পথ নাই । এইটোও সম্ভৱপৰ কথা। উক্ত কথাখিনিৰ বিপক্ষে এনে ধৰণৰ আলোচনাই হ'ব পাৰিলেহেঁতেন।

কিন্তু এই বিশেষ ঘটনাটোত হ'ল কি ? "নাগৰিকৰ চিন্তা আৰু প্ৰত্যাশা" শিতানলৈ উক্ত কথাখিনি লিখি পঠিউৱা শ্ৰী অজিত বৰাই নামৰ তলত নিজৰ ঠিকনা হিচাপে যিখন চহৰৰ নাম দিছিল, সেইখন চহৰৰ যুবক কেইজনমানে তেওক মাৰপিট কৰিলে আৰু "কাপোৰকানি জোৰ কৰি খুলি উলংগপ্ৰায়" কৰি দিলে।

তলত আঠ গৰাকী লোকৰ নাম থকা, আমালৈ সেইখন চহৰৰপৰাই অহা এখন চিঠিৰ দুটামান বক্তব্য এনেকুৱা "তেওলোক সমগ্ৰ বিশ্বৰ অধিকাৰী হ'ব পাৰে, কিন্তু শ্ৰী বৰাদেৱৰ ওপৰত অত্যাচাৰ চলাবলৈ তেওঁলোকৰ কোনো অধিকাৰ নাই। নামৰূপবাসীৰ অধিকাংশই মনৰ ভিতৰতে গুজৰি-গুমৰি থকাৰ দৰে আপুনিও হয়তো চুপ হৈ বহি থাকিবলৈ বাধ্য হ'ব। উক্ত ঘটনাটো নামৰূপ অঞ্চলৰ এটা সামান্য উদাহৰণহে। সমগ্ৰ অসমৰ বাবে ই এটা ভীষণ লজ্জাজনক আৰু কলংকৰ বিষয়। এনেধৰণৰ আত্মঘাতী ৰাজনীতিৰে এইসকলে কোনো দিনেই দেশ তৰিব নোৱাৰে, ভাঙিবহে।"

আমিও এটা উদাহৰণ হিচাপে ঘটনাটোৰ কথা উল্লেখ কৰিলো। শ্ৰী অজিত বৰাৰ কথাখিনি আমি প্ৰকাশ কৰিছিলো , গতিকে সদ্যহতে তেখেতৰ প্ৰতি আমাৰ ক'বলগীয়া,— সেই মাৰকেইটা আমাৰ গা'তো পৰা বুলি ধৰিছোঁ, আমিও উলংগ অনুভৱ কৰিছোঁ।

১২/৯/৮৬

# মৃত্যু আৰু জন্ম

গুলীৰেই হওক, ফাঁচিকাঠৰ ৰচিৰেই হওক, এই পৃথিৱীত ঘটা ৰাজনৈতিক হত্যাকাণ্ডবোৰে কোনো এটা সমস্যা স্থায়ীভাৱে সমাধান কৰিছে বুলি ক'ব নোৱাৰি , কিন্তু এইবোৰে মানৱ-সমাজৰ সভ্যতা-সংস্কৃতিৰ ৰূপটোক ভীষণভাৱে আন্দোলিত কৰিছে বুলি নিঃসন্দেহে ক'ব পাৰি । যুদ্ধয়ো সভ্যতা-সংস্কৃতিক আন্দোলিত কৰে, আহত কৰে , কিন্তু আগতে যুদ্ধ-ঘোষণা কৰি লৈ ঘটোৱা হত্যাকাণ্ডবোৰত অন্ততঃ দুয়ো পক্ষই ৰক্ষা আৰু মৃত্যুৰ কাৰণে সাজু হোৱাৰ সুবিধা পায়। জেনেৰেল বৈদ্যক যুদ্ধক্ষেত্ৰত শত্ৰুৱে গুলীয়াই হত্যা কৰিলে, আৰু পৰিবাৰৰ লগত ফুৰিবলৈ যাওঁতে কোনোবাই হত্যা কৰিলে,— এই দুটা ঘটনাৰ মাজত পাৰ্থক্য আছে।

এটা নহয় এটা ৰূপত সন্ত্ৰাসবাদ পৃথিৱীৰ সকলো দেশতে আছে , কিন্তু ইয়াৰ দ্বাৰা অধিক ক্ষতিগ্ৰস্ত হৈছে অনুন্নত দুখীয়া দেশবোৰ , ভাষা আৰু ধৰ্মৰ প্ৰশ্নই যিবোৰত অস্বাভাৱিক ৰূপ লৈছে, সেই দেশবোৰ । ভাৰতৰ ভিতৰতে আজি যদি প্ৰত্যেকখন ৰাজ্যত সমান পৰ্যায়ৰ সন্ত্ৰাসবাদ চলে, তেন্তে অধিক ক্ষতিগ্ৰস্ত হোৱা ৰাজ্যকেইখনৰ এখন হ'ব অসম।

সংযুক্ত সংখ্যালঘু মৰ্চাৰ সভাপতি কালিপদ সেনক হত্যা কৰা ঘটনাটোৰ লগে-লগে প্ৰকাশিত আৰু অপ্ৰকাশিত ৰূপত হোৱা প্ৰধান প্ৰতিক্ৰিয়াবোৰ এনে ধৰণৰ (১) এনে হত্যাকাণ্ড অসহনীয়। লুকঢাক কৰি লাভ নাই ,— ইন্দিৰা গান্ধীৰ মৃত্যুত অপ্ৰকাশ্যে আৰু ত-ত'ত "ভালেই হৈছে" ধৰণৰ মন্তব্য শুনা গৈছিল , কালিপদ সেনৰ মৃত্যুত অসম আৰু অসমীয়াক ভাল পোৱা কোনো মানুহৰ মুখত গোপনেও তেনে মন্তব্য উচ্চাৰিত হোৱা নাই। এইটো গুৰুত্বপূৰ্ণ কথা । (২) এইবোৰ হ'ল অসমৰ নতুন চৰকাৰখন ভাঙি, তাৰ ঠাইত ৰাষ্ট্ৰপতিৰ শাসন প্ৰবৰ্তন কৰি, সময়ত আকৌ নিৰ্বাচন পাতি বৰ্তমানৰ দলটোক শাসনৰ আসনৰপৰা আঁতৰাবলৈ যিসকলে চেষ্টা কৰি আছে, তেওঁলোকৰ সহায়ত হোৱা কাম। (৩) অসম আৰু অসমীয়াক ভাল পোৱা, কিন্তু হাঁহজনী মাৰি সোণৰ কণীবোৰ থিতাতে পাবলৈ বিচৰা অবিবেচক লোকৰ কাম। (৪) সংযুক্ত সংখ্যালঘু মৰ্চা অতি কম সময়ৰ ভিতৰতে গঠিত হোৱা দল। অসম গণ পৰিষদ চৰকাৰৰ কাম আৰু নীতিয়ে সেই মৰ্চাৰ বহুতকে নতুনকৈ চিন্তা কৰাব পৰা গ'লহেতেন। সেই দিশত কিছু পৰিবৰ্তনৰ সূত্ৰপাত হৈছিলেই। এতিয়া এজন কালিপদ সেনৰ ঠাইত দহজন কালিপদ সেনৰ জন্ম দিয়া হ'ল। ইত্যাদি।

এটা আন্দোলন বহু দিন ধৰি চলিল, আৰু এই আন্দোলনৰ নেতৃত্বত আছিল যুৱশক্তি। এই যুৱক-যুৱতীসকলৰ সকলোৰে সামাজিক আৰু ৰাজনৈতিক দৰ্শন একে নাছিল, সকলো একে সাংস্কৃতিক স্তৰৰ নাছিল ,— এইটো স্বাভাৱিক কথা। গতিকে এটা চামৰ কৰ্মপন্থা সম্পৰ্কে ধাৰণাও বেলেগ আছিল। আন্দোলনৰ কালছোৱাত পুলিচৰ দ্বাৰা নিৰ্যাতিত পৰিয়ালৰ যুৱক-যুৱতীসকলৰ বহুতৰে মানসিকতাই উগ্ৰ ৰূপ ধাৰণ কৰিছিল। তেওঁলোকে যি গতিত সমস্যাবোৰৰ সমাধান হোৱাটো আশা কৰিছিল, সেই গতিত নোহোৱা দেখি তেওঁলোকৰ কিছুমান হতাশ হ'ব পাৰে আৰু কিছুমান নতুন পন্থাৰ কৰ্মী হৈ উঠিব পাৰে। এক শ্ৰেণীৰ যুৱক-যুৱতীৰ সদায় ইষ্টাব্লিছমেণ্টৰ বিৰুদ্ধে চোকা কাৰ্যসূচীত নিযুক্ত হৈ থকাৰ প্ৰৱণতা আছে। আন্দোলনটো শেষ হোৱাৰ পাছত, তেওঁলোকৰে এচামৰ হাতলৈ ৰাজ্যখনৰ শাসনভাৰ যোৱাৰ পাছত, তেওঁলোকৰ সেই প্ৰৱণতা নাইকিয়া হৈ নাযায়।— ইত্যাদি কাৰণত এটা নতুন পন্থা এচাম যুৱক-যুৱতীৰ বাবে জনপ্ৰিয় হৈ উঠিছে। দেশ আৰু বিদেশৰ সাম্প্ৰতিক সন্ত্ৰাসবাদৰ ঘটনাসমূহ আৰু অসমৰ বাহিৰে-ভিতৰে, আশে-পাশে থকা কিছুমান শক্তিৰ প্ৰভাৱে অৱস্থাটোক সহায় কৰিছে। আৰু এই অৱস্থাটোৰ শীৰ্ষ বিন্দুটোৱে ভুমুকি মাৰিছে কালিপদ সেনৰ হত্যাকাণ্ডত। সংগঠন এটাই এই ঘটনাৰ দায়িত্ব গ্ৰহণ কৰিছে বুলি বাতৰি প্ৰকাশ হৈছে। "অসমীয়া জাতিক বিলুপ্তিৰ পথলৈ ঠেলি দিয়াৰ ষড়যন্ত্ৰ" কৰাৰ অপৰাধত এই কাম কৰা হ'ল বুলি সেই সংগঠনৰ ফালৰপৰা কোৱা হৈছে। এনে ধৰণে এটা সংগঠনে কৃতকৰ্মৰ দায়িত্ব ঘোষণা কৰাৰ ঘটনা অসমৰ বাবে নতুন। কিন্তু লগে-লগে প্ৰশ্ন কৰিব পৰা যায়— অসমীয়াৰ নিচিনা এটা সভ্য-সংস্কৃত জাতিক কালিপদ সেন নামৰ এজন মানুহে বিলুপ্তিৰ পথলৈ ঠেলি দিব পাৰেনে ? "ষড়যন্ত্ৰ"টোৰ কি হ'ল ? মানুহজনহে গ'ল।

লগে লগে আৰু এটা কথা ক'ব পৰা যায় ঃ বৰ্তমান দেশখনৰ যিটো অৱস্থা, অসম গণ পৰিষদৰ ঠাইত উক্ত সংগঠনটোক শাসনত বহুৱাই দিলেও অৱস্থা একে থাকিব , উক্ত ধৰণৰ ঘটনাৰ দায়িত্ব লবলৈ অইন এটা দল ওলাব।

দেখদেখকৈ (শেহতীয়া বাতৰিবোৰৰ মতে) অসমৰ চৰকাৰ এটা বা দুটা নতুন ধৰণৰ সংগঠনৰ সম্মুখীন হৈছে। চৰকাৰে কি পন্থা হাতত লয় সেইটোও এটা কথা, কিন্তু অসমৰ নিচিনা এখন ৰাজ্যৰ মংগলৰ কথা মনত ৰাখি অসমৰ জনসাধাৰণে, বিশেষকৈ অসমীয়া মানুহখিনিয়ে কি পন্থা হাতত লয়, সেইটোহে বেছি ডাঙৰ কথা। কাৰণ শেষ পৰ্যন্ত ভুগিব জনসাধাৰণে।

২৫/৯/৮৬

# অপদস্থ গ্ৰাহক, অপদস্থ দাতা

চৰকাৰে কিবা নিষেধাজ্ঞা জাৰি কৰিলে, বা কিবা নীতি-নিয়মৰ কথা ঘোষণা কৰিলে সাধাৰণতে লগে-লগে উলংঘাকাৰীক কি শাস্তি দিয়া হ'ব তাৰো উল্লেখ থাকে। কিন্তু লগে-লগে, কোনে ক'ত সেইবোৰ উলংঘা কৰিছে, সেয়া চাবলৈ এটা ব্যৱস্থা গ্ৰহণ কৰা হয় নে নহয় ? নে কোনোবাই উলংঘাকাৰীৰ বিষয়ে গোচৰ দিব, তেতিয়া সেই ঘটনাটোক এটা "কে'ছ" বুলি গণ্য কৰা হ'ব, আৰু "কে'ছ"ৰ সাধাৰণতে যি হয় সময়ত সেয়ে হ'ব,— ব্যৱস্থাটো এনেকুৱা ? ধৰি লওক, চৰকাৰী ঘোষণাই মাছৰ দাম বান্ধি দিলে ,— বৌ মাছ— গোটা— প্ৰতি কেজিত চৌত্ৰিছ কটা, টকা— চল্লিছ টকা। তাৰ পাছত বজাৰত আপোনাক দোকানীয়ে ক'লে— কটা পঞ্চাছ টকা। এতিয়া আপুনি কি কৰিব ? সচেতন, নিয়ম মানি চলা নাগৰিক হৈয়ো আপুনি কিমান দূৰলৈ যাব পাৰে ? এজন শান্তিপ্ৰিয় গ্ৰাহক হিচাপে সময়, শক্তি, মান-সন্মানৰ আপুনি কিমান খৰচ কৰিব পাৰে ? বজাৰৰ মাজতে এখন ব'র্ডত চৰকাৰে বান্ধি দিয়া দামৰ তালিকাখন আছে, আপুনি সেইখনলৈ দোকানীজনৰ দৃষ্টি আকৰ্ষণ কৰক , তেওঁ ক'ব– "সেইখন যোনে লিখিছে তেওঁক সোধকগৈ।" তাৰ পাছত ? সাধাৰণ জ্ঞানেৰেই আপুনি আশা কৰিব,— বজাৰখনত উলংঘাকাৰীক ধৰিবলৈ এজন চিপাহী থাকক , চৰকাৰৰ যদি বজাৰেপ্ৰতি দিবলৈ চিপাহী নাই, তেন্তে অন্তত এই ঘোষণা কাৰ্যকৰী কৰিবলৈ বুলি বিশেষভাৱে আহৰণ কৰা এখন গাড়ীত কেইজনমান চৰকাৰৰ লোকে গোটেই চহৰখনৰ সকলো বজাৰ সদায় এবাৰ-দুবাৰকৈ পৰিদৰ্শন কৰক। সেইখিনিও যদি কৰা নহয়, তেনেহ'লে এনেকুৱা ঘোষণাই গ্ৰাহকক বিপদ আৰু অসুবিধাতহে পেলায়। চৰকাৰৰ ঘোষণা মাছ বজাৰত অপদস্থহে হয়।

এই প্ৰসংগটো মনলৈ অহাৰ কাৰণ হ'ল,— অলপতে কামৰূপ জিলাৰ অতিৰিক্ত জিলা দণ্ডাধীশে দান, বৰঙণি, পুঁজি সংগ্ৰহ কৰাৰ ক্ষেত্ৰত এটা নিষেধাজ্ঞা জাৰি কৰিছে বুলি বাতৰিকাকতত পঢ়িলো। চৰকাৰে কি অভিজ্ঞতা আৰু উপলব্ধিৰ ভেটিত এই নিষেধাজ্ঞা জাৰি কৰিছে ক'ব নোৱাৰোঁ, কিন্তু "চান্দা" সম্পৰ্কীয় কিছুমান ঘটনাই বহুতো নাগৰিক আৰু পথচাৰীক অতিষ্ঠ কৰিছে। বিশেষকৈ, অসমৰ ঘাই পথকেইটাত গাড়ীৰে অহা-যোৱা কৰা লোকৰ কিছুমান বৰ অশান্তিকৰ অভিজ্ঞতা হৈছে। বিশ্বকৰ্মা পূজা, ক্লাব, বিষ্ণুৰাভা, পুথিভৰাল, মন্দিৰ, সংঘ অসংখ্য কাৰণত কোনে ক ত বাটত গাড়ী ৰখাই চান্দা তুলিছে তাৰ হিচাপ নাই। চান্দাতোলাসকলৰ কিছুমানৰ আচৰণ ইমান অশোভনীয় যে যি কাৰণত তেওলোকে চান্দা তুলিছে বুলি কয়, সেই কাৰণৰ লগত তেওলোকৰ সম্পৰ্ক স্থাপন কৰাই টান। বিষ্ণুৰাভা দিৱসৰ

বাবে চান্দা বিচাৰি যি চেহেৰাৰ মানুহে ট্ৰাকৰ পাঞ্জাবী ড্ৰাইভাৰৰ লগত যেনেকৈ তৰ্ক কৰে, তাৰ বৰ্ণনা শুনিলে বিষ্ণুৰাভা দিবসৰ প্ৰতিহে দাতাৰ অশ্ৰদ্ধা জন্মে। আনকি অসমীয়া মানুহেও সময় আৰু মান-সন্মান বচাবলৈ এওঁলোকক চান্দা দি পাছত যিবিলাক শব্দ উচ্চাৰণ কৰে, সেইবিলাক অভিশাপৰে তুল্য। সেই অভিশাপৰ একাংশও যদি বাস্তৱত ৰূপায়িত হ'লহেঁতেন, তেনেহ'লে এই চান্দাতোলাসকল থিতাতে ৰসাতললৈ গ'লহেতেন। "আনকি অসমীয়া মানুহেও" বোলাৰ কাৰণ হ'ল— এই চান্দা তোলাসকলৰ প্ৰায় সকলোৱেই অসমীয়া মানুহ। ট্ৰাকৰ ড্ৰাইভাৰকে আদি কৰি অনা-অসমীয়াসকলে এওলোকৰ বিষয়ে কি ভাবে, সেইটো অনুমেয়। অসমৰ আচল কথাবোৰ বাহিৰৰ জনা-বুজা, শিক্ষিত মানুহেও ঠিককৈ নুবুজে। সাধাৰণ মানুহে বিদেশী সংক্ৰান্ত আন্দোলনৰ সময়ত বাটত দেখা মানুহবোৰ, নেলীৰ হত্যাকাণ্ড ঘটোৱা মানুহবোৰ, এতিয়া চান্দা তোলা মানুহবোৰ— সকলো একে মানুহ বুলি ভাবে। বৰঞ্চ সেইবোৰ মানুহৰে একাংশই বৰ্তমানে ৰাজ্যখনত শাসন কৰি আছে বুলি ভাবি এই ট্ৰাক চলাই অসমৰ ভিতৰত সোমোৱা মানুহবোৰ বেছি শংকিত হৈ থাকে, বেছি বিৰক্ত হয়, বেছি বীতশ্ৰদ্ধ হয়। এইটো কম ক্ষতিকৰ কথানে? শাসনত থকা ডেকাহতে এইটো সহ্য কৰিব পৰা কথানে?

যদি বাটত (হাই-ৱে'ত) চান্দা তোলাসকলৰ ঘোষিত উদ্দেশ্যৰ লগত সচাঁকৈয়ে সৰল সম্পৰ্ক আছে, তেনেহ'লে তেওঁলোকে উদ্দেশ্যটোৰ মহত্ত্ব ৰক্ষা কৰিবলৈ বাছ-ষ্টেছনত, পেট্ৰল পাম্পত, চাহ-ভাতৰ দোকানত, ধাবাত— একোটা ফুটা থকা, ওপৰত অসমীয়া-হিন্দী-পাঞ্জাবী আদি ভাষাৰে উদ্দেশ্য লিখি থোৱা, তলা লগোৱা বাকচ থৈ নাচায় কিয়? তেনে কৰিলে তেওলোকে তেওলোকৰ উদ্দেশ্যৰ প্ৰতি মানুহৰ কিমান শ্ৰদ্ধা-সহানুভূতি আছে তাৰ উমান পাব আৰু মানুহক আমনি কৰাৰ অপবাদৰ পৰা মুক্তি পাব। তেওলোকে বিশ্বাস কৰা উচিত— তেওঁলোকৰ এই "আমনি"ক বহুতে এক প্ৰকাৰ "হাই-ৱে' ৰবাৰি" (ডকাইতি) বুলি, আৰু তেওলোকৰ বহুতকে এক শ্ৰেণীৰ ডকাইত বুলি গণ্য কৰে। আৰু তেওলোকৰ কাৰণেই সৎ উদ্দেশ্য লৈ চান্দা তোলাসকলো সমানে ক্ষতিগ্ৰস্ত হয়।

অকল কামৰূপ জিলাৰ অতিৰিক্ত জিলা দণ্ডাধীশে কিয়, অসম চৰকাৰে সমগ্ৰ অসমতে, অন্ততঃ বাটত গাড়ী ৰখাই চান্দা তোলাটো বন্ধ কৰাৰ ব্যৱস্থা কৰিব লাগে। আৰু সেই ব্যৱস্থা এনে হ'ব লাগে যাতে চান্দা নিদিয়াসকল প্ৰহৃত, অপমানিত আৰু ক্ষতিগ্ৰস্ত হোৱাৰ উপায় নাথাকে। চৰকাৰৰ কোনো নিষেধাজ্ঞাই জনসাধাৰণক অশান্তিৰ সন্মুখত উন্মুক্ত কৰি দিব নালাগে, আৰু কোনো নিষেধাজ্ঞা মাছ বজাৰত হোৱাদি অপদস্থ হ'ব নালাগে।

৮/১০/৮৬

# বৃহৎ আঁচনিৰ ভেটি

সাধাৰণভাৱে বিয়া এখন পাতিবলৈ লৈ তাঁলৈ কাক-কাক নিমন্ত্ৰণ কৰা হ'ব, সেইবিষয়ে ঘৰখনৰ মানুহে আলোচনা কৰিলে সি সহজে শেষ নহয়। নিমন্ত্ৰিত লোকৰ তালিকাখন শেষ পৰ্যন্ত নিখুঁত নহয়গৈ। অমুকক কিন্তু মাতিবই লাগিব, অমুক বাদ পৰিলে বেয়া কথা হ'ব, অমুকক যদি মাতই, তেনেহ'লে অমুকক নামাতিবি কিয়, তহঁতে যাক মাত মাতি থাক, মই কিন্তু মোৰ লগৰ অমুক-অমুকক মাতিমেই, এ— এনেকৈ হ'লে দেখোন গোটেই সংসাৰখনকে মাতিব লাগিব !— গৃহস্থ-গৃহিণী, ল'ৰা-ছোৱালীৰ মাজত এই ধৰণেই কথা-বতৰা চলে, বিয়াখন হৈ যোৱাৰ পাছতো তেওঁলোকে আক্ষেপ কৰে— হেঃ অমুকক মাতিব লাগিছিল, অমুকক নমতা হ'লেও লোকচান নাছিল। কোনো-কোনোৱে মনটো ডাঠ কৰি আগতে এটা নীতি ঠিক কৰি লয়,— এই-এই মানুহ, মুঠতে চাৰিশ মাতিম, যি হয় হ'ব। বহুতো ক্ষেত্ৰত এনে গৃহস্থ অপ্ৰিয় হয়।

এয়া ব্যক্তিগত, পাৰিবাৰিক কথা। কিন্তু ৰাজহুৱা, সামাজিক কাম কিছুমানৰ ক্ষেত্ৰতো একে ধৰণৰ ঘটনাই ঘটে। ধৰি লওক, আমি অসমৰ খেলুৱৈসকলৰ তালিকা বা চমু জীৱনীসংগ্ৰহ এখন প্ৰস্তুত কৰিব খুজিছোঁ, আৰু সেইখন ৰাইজৰ ধনেৰে প্ৰকাশ কৰা হ'ব। এইটো এটা গুৰুত্বপূৰ্ণ কাম, ৰাজ্যখনৰ ইতিহাসৰ লগত সম্পৰ্ক থকা কাম। এতিয়া আমি কামটো কৰোঁ কেনেকৈ ? খেলুৱৈ মানে ফুটবল, ক্ৰিকেট, হকি, টেনিছ, এথলেটিকছ ইত্যাদি ইত্যাদি এই-এই খেলবোৰৰ খেলুৱৈক তালিকাত অন্তৰ্ভুক্ত কৰিম বুলি ঠিক কৰিলো, এটা সিদ্ধান্ত হ'ল। (কিন্তু সঁচাকৈয়ে এটা অবিসম্বাদী সিদ্ধান্ত হ'লনে ? গুদু খেল ? গুদু খেল কিয় বাদ পৰিব ? অসমৰ ঐতিহ্যমণ্ডিত ইত্যাদি)। তথাপি ধৰি ললো, ভাগবোৰ কৰা হ'ল। এতিয়া কথা হ'ল, খেলুৱৈৰ নাম অন্তৰ্ভুক্ত কৰোঁতে মান, স্তৰ, পৰ্যায় সম্পৰ্কেও এটা সিদ্ধান্ত লাগিল,— আৰু এইটোৱেই বৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত। ওপৰ ভাগৰ মান সম্পৰ্কে জটিলতা কম, কিন্তু তললৈ, কিমান তললৈকে আমি নমা উচিত হ'ব ? অসমত যেয়ে জাৰ্ছি আৰু বুটজোতা পিন্ধি ফুটবল খেলিছে, সকলোকে তালিকাত ধৰিব নে ? খেলুৱৈৰ ক্ষেত্ৰত অৱশ্যে এটা সুবিধা আছে। তেওঁলোকৰ প্ৰতিযোগিতা হয়, তেওঁলোকৰ কামৰ একোটা ঘোষিত ফলাফল পোৱা যায়। গতিকে শেষত যেনিবা আমি ঠিক কৰিলো,— যিসকলে সৰ্বভাৰতীয় প্ৰতিযোগিতাত অসমৰ প্ৰতিনিধিত্ব কৰিছে, তেওঁলোকক হিচাপত ধৰিম। অন্ততঃ এটা নীতি গ্ৰহণ কৰিলো। তাৰ পাছত তালিকাভুক্তসকলৰ ক্ষেত্ৰত অন্যান্য নীতিসমূহ নিৰ্ধাৰণ কৰিব লাগিব। কাৰ নাম আগত হ'ব, কাৰ নাম পাছত হ'ব, শৰৎ দাসৰ বিষয়ে যদি তিনিশ শব্দ লিখা হয়, তেনেহ'লে ইন্দ্ৰজিত নামচুঙৰ বিষয়ে কিমান

শেঃ পৃঃ ১৫

শব্দ লিখা উচিত হ'ব, যদি ফটো ছপা কৰা হয়, তেনেহ'লে কাৰ-কাৰ ফটো ছপা কৰা উচিত হ'ব,— ইত্যাদি।

কিন্তু যিবোৰ ক্ষেত্রত এনেকুৱা প্রতিযোগিতা নাই, ঘোষিত ফলাফল নাই, তেনে ক্ষেত্রত এনে তালিকা বা জীৱনীসংগ্রহ প্রস্তুত কৰাটো বৰ টান কাম। "শিল্পী"ৰ কথাটোকে ধৰক। স্বাভাৱিকতে, শিল্পী শব্দটোৱে বহু ক্ষেত্র সামৰে। আমি যেনিবা আলোচনা-বিলোচনা কৰি ঠিক কৰিলো,— শিল্পীৰ তালিকাত গায়ক, চিত্রকৰ, ভাস্কৰ, অভিনেতা আদি এই-এই দহটা ভাগৰ লোকক অন্তর্ভুক্ত কৰিম। এটা নীতি ঠিক কৰা হ'ল। কিন্তু তাৰ পাছৰ কামটো ? কেইটামান বিভিন্ন পর্যায়ৰ বঁটা বা স্বীকৃতিৰ বাহিৰেতো শিল্পীসকলক বাছি উলিয়াবলৈ তেনেকুৱা ফলাফল ভিত্তিক উপায় নাই! শিল্পীৰ কাম আৰু পাঠক-পাঠিকা-দর্শক আদিৰ ৰসবোধ, বিচাৰ, অভিমত আদিয়েই তেখেতসকলক এক ধৰণৰ "প্রতিষ্ঠা" দিয়ে আৰু সেই প্রতিষ্ঠাৰ ওপৰতে ভাৰসা কৰিয়েই নিশ্চয় তালিকাখন প্রস্তুত কৰা হ'ব। এতিয়া প্রথম কথা হ'ল এই ৰসবোধ, বিচাৰ, অভিমত আদি কিমান নির্ভৰযোগ্য ? দ্বিতীয় কথা হ'ল,— শংকৰ-মাধৱৰ সময়ৰ লোকৰ পৰা আৰম্ভ কৰি তালিকাখনৰ ওপৰৰ ভাগটো হয়তো অবিসম্বাদীভাৱেই প্রস্তুত কৰিব পৰা যাব, কিন্তু তলৰ ফালে কিমানলৈকে নামিব ? সদৌ অসম অমুক প্রতিযোগিতাত অমুক বছৰত শ্রেষ্ঠ গায়িকাৰ বঁটা পোৱা গৰাকীৰ নাম থাকিবনে ? জেপৰ ধন ভাঙি এজনে কবিতাৰ পুথি এখন প্রকাশ কৰিছে। তেওঁৰ নাম ? সেই সৰু অঞ্চলটোৰ বহু লোকেতো তেওঁকেই শিল্পী বুলি ধৰিছে! চাহ বাগিচা অঞ্চলত এজনে বহু বছৰ ধৰি দুর্গা-গোসাঁনীৰ প্রতিমা সাজি আহিছে। তেওঁৰ নাম ? গতিকে এই কামত প্রাথমিক আঁচনি আৰু নীতি নির্ধাৰণ কৰি লোৱাটোৱেই আটাইতকৈ গুৰুত্বপূর্ণ কাম।

"অসমৰ সকলো ক্ষেত্রৰে" "প্রয়াত আৰু জীৱিত বৰেণ্য শিল্পীসকল"ৰ জীৱনী সন্নিবিষ্ট কৰি "শিল্পী জীৱনী কোষ" প্রণয়নৰ এখনি বৃহৎ আঁচনি পাঠশালা সাহিত্য সভাই দাখিল কৰিছে আৰু ৰাজ্য চৰকাৰে সেই আঁচনি গ্রহণ কৰিছে। সভাই গ্রন্থখনৰ দুটা খণ্ড অসম সাহিত্য সভাৰ পাঠশালা অধিবেশনত (এতিয়াৰপৰা প্রায় চাৰি মাহৰ ভিতৰতে ?) মুকলি কৰাৰ ইচ্ছা প্রকাশ কৰিছে। এই বাতৰি পোৱাৰ পাছত এই কথাখিনি মনলৈ আহিল। পাঠশালা সাহিত্য সভাই বিভিন্নজনক একোখনি তালিকা প্রস্তুত কৰাৰ বাবে অনুৰোধ জনাইছে। সেই কাম হয়তো কৰা হ'ব, কিন্তু নীতি-নির্ধাৰণ কৰি লোৱাৰ কথাটোত যেন সভাই গুৰুত্ব আৰোপ কৰে। কাৰোবাৰ তালিকাত এহেজাৰজনৰ নাম থাকিব পাৰে, আনহাতে কাৰোবাৰ তালিকাত পঞ্চাছজনতকৈ বেছি লোকৰ নাম নাথাকিবও পাৰে। কিন্তু এই গ্রন্থবোৰ থাকি যাব। এই ধৰণৰ বহু কাম হয় আৰু হ'ব , সকলোৰে ক্ষেত্রতে এই কথাখিনি প্রযোজ্য।

২৮/১০/৮৬

# কাপুৰুষৰ অস্ত্ৰ

এটা গল্প পঢ়িছিলো। মানুহজনৰ বয়স হৈছে, ঘৈণীয়েক, গাভৰু জীয়েক আদিৰে ঘৰ-সংসাৰ ভালেই চলিছে, কিন্তু মানুহজনৰ এটা আচৰিত ধৰণৰ স্বভাৱ আছে,— নিজৰ বাহিৰে অইন কোনো শান্তিত থকাটো তেওঁ সহ্য কৰিব নোৱাৰে। তেওঁৰ মেজত কেইবা ৰঙৰো চিয়াঁহী, কেইবাটাও বেলেগ-বেলেগ নিবৰ কলম। কাৰোবাৰ ঘৰৰ কিবা এটা দেখি আহিল, অলপ সময় মানুহজন অস্থিৰ হৈ থাকিব, তাৰ পাছত তেওঁ এখন বেনামী চিঠি লিখিব, পাছদিনা সেই মানুহঘৰৰ নামত ডাকত দিব। কেইদিনমানলৈ এক অদ্ভুত আনন্দত তেওঁৰ মনটো ভাল লাগি থাকে। এই কামেই তেওঁৰ জীৱনৰ আনন্দৰ মূল উৎস। এদিন তেওঁ লক্ষ্য কৰিলে— তেওঁৰ গাভৰু জীয়েকৰ কাণ্ড-কাৰখানাবোৰ অশোভনীয় হৈছে। তেওঁৰ মন-প্ৰাণ জীয়েকৰ কাণ্ড-কাৰখানাত কেন্দ্ৰীভূত হ'ল। তেওঁ অস্থিৰ, বিহ্বল হৈ উঠিল। শেষত এদিন ৰাতি তেওঁ মেজত বহিল। বাঁওহাতেৰে ঘৈণীয়েকলৈ এখন বেনামী চিঠি লিখিলে-- জীয়েকৰ কাণ্ড-কাৰখানা বৰ্ণাই, আৰু পাছদিনা চিঠিখন ডাকত দিলে।

যি শক্তি প্ৰয়োগ কৰি নিজৰ ঘৰখন চন্তালি ৰাখিব পাৰি, সেই শক্তিকো বিকৃত কৰি পেলোৱা এক কাপুৰুষৰ চৰিত্ৰ।

বেনামী চিঠি আমাৰ সমাজত প্ৰচলিত এবিধ পুৰণি অস্ত্ৰ, কিন্তু বেছিভাগ সময়তে ই কাপুৰুষৰ হাতৰ নিঠুৰ আৰু উন্মাদ অস্ত্ৰ। এজনে ল'ৰাৰ বিয়া পাতিছে,— চিঠি পাইছে,— "আপুনি যিকুৰা জুই বোৱাৰী কৰি ঘৰত সুমুৱাব খুজিছে ইতি আপোনাৰ শুভাকাংক্ষী।' এগৰাকী বিধৱাই জীয়েকৰ বিয়া পাতিছে,— চিঠি পাইছে— "অবিবাহিত সতিনীৰ লগত যুদ্ধ কৰিবলৈ আপোনাৰ ছোৱালীক প্ৰস্তুত কৰি পঠিয়াওক। লগতে যৌতুক হিচাপে মদৰ পিপা কেইটামান পঠিয়াওক। ইতি সপ্তৰথী।"

এনে ঘটনাই সাধাৰণ মানুহৰ একোখন সংসাৰ ছাৰখাৰ কৰি পেলাব পাৰে। তাৰ বিনিময়ত পত্ৰলেখকসকলে যি আনন্দ আৰু তৃপ্তি পায়, তাৰ চৰিত্ৰ ঘৃণনীয়। কেতিয়াবা এনেকুৱাও হ'ব পাৰে,— আপুনি নজনা সচা কথা এটা কোনোবাই আপোনাৰ কাণত সময়মতে পেলাই দিয়াৰ কাৰণে আপুনি এটা সম্ভাব্য বিপদৰ পৰা, কিছুমান অশান্তিৰ পৰা ৰাচি গ'ল। কিন্তু এইটোতো এটা ভাল কামেই হ'ল। এনে

ভাল কাম এটা কৰাৰ বাবে কৰোঁতাজন বেনামী হৈ থাকিব লাগে কিয় ? তেওঁতো নিজে বা নিজৰ নামত আপোনাক ক'ব পাৰে,— "এনেকুৱা এটা কথা শুনিছোঁ, বেয়া নাপাব , শুভাকাংক্ষী কাৰণেহে কৈছোঁ , কথাটোৰ সত্যাসত্য আপুনি নিজে বিচাৰ কৰি লওক— !" এনে কৰিলেতো বহুত অশান্তি কমি যায়। কিন্তু তেওঁ এনে নকৰাৰ কাৰণ হ'ল,— তেওঁ নিজৰ গা বচাই চলিব খোজে, বা দূৰৰ পৰা ৰং চাব খোজে, বা তেওঁৰ সাহস নাই, বা কথাবোৰ মিছা,— ইত্যাদি। কিন্তু তেওঁৰ কামটো বেনামী হোৱাৰ ফলত গোটেই ঘটনাটোৰ চৰিত্ৰটোৱেই কলুষিত হৈ পৰে, আৰু তাৰ পৰা লাভৱকৈ লোকচান বেছি হয়। এৰোপ্লেনখনত বোমা এটা লুকুৱাই থোৱা আছে বুলি দিয়া টেলিফোন-সংবাদটো বেনামী হ'ব লাগে কিয় ?

চৰকাৰ বা চৰকাৰৰ শীৰ্ষস্থানত থকা লোকৰ বিৰুদ্ধে বেনামী চিঠি বা বেনামী সংবাদৰ প্ৰচলন হ'লে তেওঁলোকে ইচ্ছা কৰিলে চৰকাৰী যন্ত্ৰ ব্যৱহাৰ কৰি সেইবোৰৰ উৎসৰ অনুসন্ধান কৰিব পাৰে , কেতিয়াবা ধৰা পেলাবও পাৰে। (সদ্যহতে এনে এটা ঘটনাৰ সূত্ৰতেই এইবোৰ কথা মনলৈ আহিছে।) কিন্তু সৰ্বসাধাৰণৰ অৱস্থা কি হয় ? এই মুহূৰ্তত আপোনাৰ অফিছৰ মুৰব্বীৰ হাতত আপোনাৰ বিৰুদ্ধে লিখা কলংকময় চিঠি এখন পৰি আছে , আপুনি ক'বই নোৱাৰে , চিঠিখনৰ কথাবোৰৰ বিৰুদ্ধে নিজকে ৰক্ষা কৰাৰ আপোনাৰ কোনো উপায় নাই , অথচ আজিৰ পৰা আপোনাৰ মুৰব্বীয়ে আপোনাক সন্দেহ কৰি-কৰি ব্যৱহাৰ কৰিব ! অসহনীয় ঘটনা।

এই আলোচনীখনৰ ক্ষেত্ৰতো বেনামী কাৰবাৰৰ বাবে আমি দুই-এবাৰ বিপাঙত পৰিছোঁ। কোনে কি স্বাৰ্থত, কি নামত, কি চিঠি লিখে কেতিয়াবা ধৰাই টান। আনহাতে, কিছুদিনৰ আগতে আমি শাসন-ব্যৱস্থা বা শাসনৰ লগত জড়িত থকা লোকৰ বিষয়ে নিৰ্দিষ্ট অভিযোগ পাঠক-পাঠিকাৰ পৰা গোটাই, সংশ্লিষ্ট লোকৰ পৰা তাৰ উত্তৰ আনি প্ৰকাশ কৰাৰ ইচ্ছা প্ৰকাশ কৰিছিলো। আজিলৈকে কাৰোপৰা এখনো উল্লেখযোগ্য চিঠি নাপালো। এই অৱস্থাই দুৰ্নীতি আৰু দুৰ্বলতাৰ গতি অবাধ কৰি ৰাখে। কাপুৰুষসুলভ বেনামী চিঠিৰ ক্ষেত্ৰত জনসাধাৰণৰ ফালৰপৰা লবলগীয়া এটা ব্যৱস্থা এনেকুৱা হ'ব পাৰে,— যিমানেই মুখৰোচক নহওক, যিমানেই উত্তেজক নহওক, যিমানেই অশান্তিকৰ নহওক, সকলোৱে বেনামী চিঠিক অগ্ৰাহ্য কৰক , পত্ৰলেখকৰ নিজৰ বেলেগ অভিপ্ৰায় আছে বুলি ধৰি লওক।

১৪/১১/৮৬

# চৰকাৰী বন্ধৰ সংখ্যা

কাতি বিহুটো অসমীয়া মানুহে যথাযোগ্যভাৱে পালন নকৰে— এই অভিযোগটো কৰি আৰু বিহুটোৰ তাৎপৰ্য ব্যাখ্যা কৰি আমালৈ মাজে-মাজে দুই-এজনে চিঠি লিখে। এই বিষয়ে লিখা দুই-এটা সৰু প্ৰবন্ধও পাও। এই লেখাবোৰৰপৰা ধৰিব পাৰি-- এই বিহুটোৰ প্ৰতি এচাম লোকৰ শ্ৰদ্ধা আৰু আদৰ আছে, তেখেতসকলে ইয়াক জাতীয় উৎসৱ হিচাপে পালন কৰাটো বিচাৰে। এনে চিন্তা আৰু আকাংক্ষাৰ ফলস্বৰূপেই নিশ্চয় এইবাৰ কাতি বিহুৰ দিনটো চৰকাৰী বন্ধৰ দিন বুলি ঘোষণা কৰা হ'ল। এটা নতুন ঘটনা আৰম্ভ হ'ল।

কিন্তু সেই দিনটোত অসমৰ গাঁৱে-ভূয়ে ক'ত কি হ'ল কোনে কেনেকৈ উৎসৱটো পালন কৰিলে সেই বিষয়ে বিশেষ একো গম নাপালো। গুৱাহাটী চহৰত কিন্তু দিনটো অলসভাৱে কটোৱাৰ পাছত-- এ এইটো বন্ধ এনেয়ে হ'ল -- বুলি কোৱা মানুহ লগ পোৱা গ'ল। আগৰেপৰা কথাটো জনা হ'লে কোনোবাই কিবা প্লেন-প্ৰগ্ৰেম কৰি দিনটো কামত লগাব পাৰিলেহেঁতেন কিন্তু তাৰো সুবিধা নহ'ল। এওলোকৰ অসন্তুষ্টিৰ এটা ব্যাখ্যা হ'ল— কাতি বিহুৰ দিনা আমি বৰ বেছি সৰু ভেটি এটা কৰি তাত তুলসী পুলি এটা ৰুই সন্ধিয়া সময়ত তাৰ গুৰিত চাকি এগছ দিও। গোটেই কামটোৰ কাৰণে বৰ বেছি এজন মানুহৰ আধা ঘন্টা সময় খৰচ হয়। তাৰ বাবে সকলো চাকৰিয়ালৰ বাবে গোটেই ৰাজ্যৰ বাবে গোটেই দিনটো বন্ধ?

এওলোকৰ কথা শুনি-- আপোনালোক নগৰীয়া মানুহে অসমীয়া কৃষ্টি-সংস্কৃতি বিজতৰীয়া কৰি পেলোৱা মানুহে কাতি বিহুৰ তাৎপৰ্য-মৰ্যাদা কি বুজিব? — বুলি কোৱা মানুহ নিশ্চয় বহু ওলাব। (বহু মানুহৰ হেঁচা নপৰিলে নিশ্চয় চৰকাৰী বন্ধ এটাৰ সৃষ্টি নহয়।) কিন্তু আমাৰ প্ৰশ্নবোৰ হৈছে,— অসমীয়া কৃষ্টি-সংস্কৃতিৰ প্ৰতি গভীৰ শ্ৰদ্ধা থকা উৎসৱবোৰৰ তাৎপৰ্য বুজা মানুহকো সেই শ্ৰদ্ধা প্ৰদৰ্শন কৰিবলৈ তাৎপৰ্য উপলব্ধি কৰিছো বুলি প্ৰকাশ কৰিবলৈ প্ৰয়োজন হোৱা একমাত্ৰ বস্তুটো চৰকাৰী

বন্ধটোহে নে? বন্ধটো পাই আমি কৰিলো কি? এখন ৰাজ্যৰ কাৰণে এটা প্ৰশাসনৰ কাৰণে এদিন বন্ধ মানে টকা-পইচা কাম-বনৰ কিমান ক্ষতি? কাতি বিহু বুলি দিনটো একো নকৰাকৈ আমি এই ক্ষতি স্বীকাৰ কৰিম নে এই ক্ষতি হ'বলৈ নিদিযাকৈও কাতি বিহু যথাযোগ্যভাৱে পালন কৰিব পাৰিম?

আমি আগতেও কৈছোঁ আমাৰ সামাজিক সাংস্কৃতিক ধৰ্মীয় আদি অনুষ্ঠানৰ সংখ্যাটো বৰ ডাঙৰ। প্ৰতিটো অনুষ্ঠানৰ পৃষ্ঠপোষকসকলৰ অনুষ্ঠানটোৰ সপক্ষে দেখুৱাবলৈ বহু যুক্তি আছে। বৰ্তমানৰ সামাজিক সাংস্কৃতিক ধৰ্মীয আৰু ৰাজনৈতিক অৱস্থাত সেইবোৰ যুক্তি মানি লোৱাটো এক কথা কিন্তু প্ৰশাসনিক আৰু অৰ্থনৈতিক দিশৰপৰা একোটা বন্ধৰ দিনেৰে সেই যুক্তি মানি লোৱাটো বেলেগ কথা। কঠোৰ পৰিশ্ৰমৰ মাজেৰে জাতিটো আৰু ৰাজ্যখনৰ উন্নতি সধাৰ দিশৰপৰা চালে আৰু বেলেগ কথা। কাতি বিহুৰ কথাটো কেৱল এটা উল্লেখযোগ্য উদাহৰণ হিচাপেহে ব্যৱহাৰ কৰিছোঁ অইন ভালেমান অনুষ্ঠানৰ ক্ষেত্ৰতো এই কথাবোৰ খাটে। বন্ধ ভাল পোৱা বুলি আমাৰ এটা অপবাদ আছে, কিন্তু এতিয়া আমাৰ মাজৰে বহুতৰ মুখত শুনা গৈছে— বন্ধ বৰ বেছি হৈছে।

কিন্তু এবছৰমানৰ আগতে বন্ধ কমোৱাৰহে কথা ওলাইছিল। চৰকাৰী বন্ধৰ দিনৰ ঘোষিত তালিকা আৰু আচলতে বছৰটোত কিমান দিন বন্ধ হ'ল সেইটো আমি তুলনা কৰি চোৱা উচিত। নীতিত থকা শক্তিশালী প্ৰশাসনৰ ফালৰপৰা চালে এই দুখন তালিকাৰ পাৰ্থক্য থাকিবই নালাগে। আকস্মিক বন্ধৰ কথাটো সুকীয়া।

অনুষ্ঠান বা উৎসবটো ওচৰ চাপি অহাৰ লগে-লগে কাকতে-পত্ৰই চিঠি-প্ৰবন্ধ আদি প্ৰকাশ কৰি চৰকাৰক হেচা দি বন্ধ এটা আদায কৰিলে অনুষ্ঠান-উৎসবৰ পৃষ্ঠপোষকসকলৰ যুক্তি শক্তি প্ৰতিষ্ঠিত হয কিন্তু লগতে প্ৰশাসনৰ দুৰ্বলতাও প্ৰতিষ্ঠিত হয়। এইটো অৱস্থা ভাল নহয। আনহাতে সামাজিক সাংস্কৃতিক ধৰ্মীয আদি যুক্তিবোৰক অনাহকত ক্ষুণ্ণ কৰাও ভাল কাম নহয কিন্তু সেইবোৰক কেৱল বন্ধৰে তুষ্ট কৰাও যুক্তিযুক্ত নহয।

গতিকে প্ৰশাসনে সমাজৰ সকলো অংশৰে (সামাজিক সাংস্কৃতিক ধৰ্মীয আদি) চিন্তাশীল প্ৰতিনিধি নিমন্ত্ৰণ কৰি আলোচনা কৰিব লাগে এই প্ৰতিনিধিসকলে জাতিটোক কৰ্মঠ আৰু উন্নত কৰাৰ উদ্দেশ্য সমুখত ৰাখি চৰকাৰী বন্ধ সম্পৰ্কে প্ৰশাসনক পৰামৰ্শ দিব লাগে সকলো যুক্তি মতামত বিবেচনা কৰি প্ৰশাসনে এখন বন্ধৰ তালিকা প্ৰস্তুত কৰিব লাগে

আৰু সেইখনকে মানি চলিব লাগে। মাজে-মাজে বাতৰি-কাকতত নতুন নতুন চৰকাৰী বন্ধৰ দিন সম্বন্ধে ঘোষণাৰ কথা ছপা হৈ থাকিব নালাগে। অধিক উৎসৱমুখী হৈ অযথা শক্তি সময় আৰু ধন খৰচ কৰাৰ প্ৰবণতা বহুতৰে বাঢ়িছে, এই প্ৰবণতা কমোৱা আৰু কামৰ লগত মানুহক বেছিকৈ জড়িত কৰাৰ চেষ্টা চৰকাৰী বন্ধৰ তালিকাখনত থাকিব লাগে।

২১/১১/৮৬

# দেশৰে বিদেশ?

বাংলাদেশৰ ৰাজধানী ঢাকাৰ জিয়া আৰ্ন্তজাতিক বিমান বন্দৰ । যিখিনি ঠাইৰপৰা যাত্ৰীসকলক বাহিৰলৈ পঠোৱাৰ ব্যৱস্থা তাত মানুহৰ প্ৰচণ্ড ভিৰ। গাত গা নলগাকৈ খোজ কঢ়াৰেই উপায় নাই। নিজৰ কামটো হ'বলৈ কিছু সময় আছে, গতিকে ইফাল-সিফাল অহা-যোৱা কৰি আছোঁ। এনেতে এটা চাবলগীয়া দৃশ্য দেখিলো। পোন্ধৰজনমান মানুহে সেই ভিৰৰ মাজতে শাৰী পাতি থিয় দিলেহি । তেওঁলোকৰ গাত বিশেষ ধৰণৰ সাজ। সাধাৰণতে কাৰখানাত কাম কৰিবৰ সময়ত কিছুমান মানুহে চোলা আৰু পেন্ট জোৰা লাগি থকা এক ধৰণৰ সাজ পিন্ধে সেই মানুহ কেইজনৰ গাৰ সাজো তেনেকুৱা। পাতল কপাহী কাপোৰৰ সাজ ৰং হালধীয়া দুয়োকাষে বাহুৰপৰা গোৰোহালৈকে একোডাল সেউজীয়া পটি। প্ৰত্যেকৰ মুৰত হালধীয়া আৰু সেউজীয়া ৰঙৰ সমুখৰ ফালে বাৰাণ্ডা থকা কাপোৰৰ টুপী। দেখিলেই ধৰিব পাৰি একে জোখৰ 'ইউনিৰ্ফৰ্ম সীযাই তেওঁলোকক পিন্ধাই দিয়া হৈছে। তেওঁলোকৰ প্ৰত্যেকৰে হাতত একেধৰণৰ একোটা ফাইল আৰু একোটা খাকী ৰঙৰ লেফাফা। লেফাফাবিলাকৰ ওপৰত লিখা আছে— এক্সৰে-ৰিপৰ্ট। তেওঁলোকৰ বুকুত পিনেৰে একোখন কাৰ্ড আঁৰি থোৱা আছে, তাত তেওঁলোকৰ নাম আৰু এটা কোম্পানিৰ নাম আছে।

কিছু সময় থিয় হৈ থকাৰ পাছত তেওঁলোকব কেইজনমান মানুহে একোবটল পেপছি-কোলা খাবলৈ দিলে। তাৰ অলপ পাছতে তেওঁলোক প্ৰস্থানৰ বাবে ভিতৰলৈ সোমাই গ'ল।

এজনক সুধি জানিব পাৰিলো— এই মানুহবোৰক এটা কোম্পানিযে মধ্যপ্ৰাচ্যৰ কোনোবা এখন ঠাইলৈ নিবলৈ 'ৰিক্ৰুইট কৰিছে।

মানুহবিলাকৰ চেহেৰা আৰু অৱস্থাৰ কথা মনত পেলাওতে ধাৰণা হ'ল— আন্তৰ্ৰাষ্ট্ৰীয় বিমান-ভ্ৰমণৰ বাবে সেই ইউনিৰ্ফৰ্মতকৈ কম খৰচৰ সাজ বোধহয় হ'ব নোৱাৰে আৰু মানুহবিলাকৰ সেই সাজ পিন্ধাৰ বাহিৰে অইন উপায নাই।

কেইঘন্টামানৰ পাছত নিজে সেই প্ৰস্থান পথেদি সোমাই গ'লো। অলপ দূৰ যোৱাৰপাছতে এঠাইত এখন জাননী চকুত পৰিল। বাংলা ভাষাত ডাঙৰ-

ডাঙৰ আখৰেৰে লিখা প্ৰকাণ্ড জাননী। তাৰ মূল কথাখিনি হ'ল— চাকৰি আদিৰ বাবে এই দেশৰ বহুতো লোক থাইলেণ্ড লাওছ আৰু অইন কেইখনমান দেশলৈ গৈছে। কিছুমান মানুহে এইবোৰ মানুহক ভুলকৈ বুজাইছে,— সেইবোৰ দেশলৈ যাবলৈ ভিছা নালাগে। বাংলাদেশ চৰকাৰে গম পাইছে যে সেই মানুহবোৰে বৰ্তমানে সেইবোৰ দেশত নিদাৰুণ যন্ত্ৰণা ভুগিছে। গতিকে জীৱিকা অৰ্জনৰ বাবে বিদেশলৈ যোৱাৰ আগতে বাংলাদেশৰ লোকে যেন ইয়াৰ চৰকাৰৰ অমুক বিভাগত প্ৰকৃত তথ্যপাতিৰ খবৰ লয়।

মধ্যপ্ৰাচ্যৰ ডুবাই দোহা আবুধাবি আদি ঠাইলৈ বাংলাদেশৰ বহুলোকৰ প্ৰব্ৰজন ঘটিছে বুলি শুনি আহিছোঁ কিন্তু থাইলেণ্ড লাওছ আদি দূৰ প্ৰাচ্যৰ দেশবোৰলৈও তেওঁলোকৰ সোঁত বৈছে বুলি এই জাননীখনৰ পৰাহে গম পালো। আৰু গম পালো— এই দেশখনৰ চৰকাৰে অন্তত ঘটনাটো সঁচা বুলি স্বীকাৰ কৰিছে, আৰু বিদেশত বাংলাদেশৰ লোকৰ দুখ-কষ্টৰ প্ৰতি চকু ৰাখিছে। এই পটভূমিত অসমলৈ বাংলাদেশৰ মানুহ অহা নাই বুলি বাংলাদেশৰ চৰকাৰে মাজে-মাজে কৈ থকাটো গুৰুত্বপূৰ্ণ কথা।

অলপ আগতে ঘটা অইন এটা ঘটনা। বিমান বন্দৰৰ ইণ্ডিয়ান এয়াৰ লাইনছৰ অফিছৰ ভিতৰত বহি আছোঁ। ব্ৰাঞ্চ মেনেজাৰ শ্ৰী ভট্টাচাৰ্য্যই তাতে মোক বহি থাকিবলৈ কৈ কাউণ্টাৰত কলিকতাৰ যাত্ৰীসকলক বৰ্ডিং কাৰ্ড আদি দিয়া কাম কৰিবলৈ গ'ল। অলপ পাছতে কাউণ্টাৰটোত চিঞৰ বাখৰ হুলস্থূল। কাউণ্টাৰৰ ভিতৰফালেও মানুহ বাহিৰ ফালেও মানুহ মাজত শ্ৰী ভট্টাচাৰ্য। তেখেতেও সমানে চিঞৰিছে, মানুহৰ মূৰৰ ওপৰেদি কাৰোবাৰ টিকেট দলিযাই দিছে। শেষৰফালে অৱস্থা নিয়ন্ত্ৰণ কৰিবলৈ চিপাহী আহিছে। এসময়ত শ্ৰী ভট্টাচাৰ্য হাতত এজাপ বৰ্ডিং কাড লৈ অফিছৰ ভিতৰলৈ আহিল। কাউণ্টাৰ বন্ধ। আমাৰ ট্ৰেনজিট পেছেঞ্জাৰ কেইজনৰ কাৰণে বৰ্ডিং কাৰ্ড চাৰিখন উলিযাই দি তেখেতে যেন উশাহ পালে। এনেতে অইন এজন বিষয়াই আহি ক'লে— চাও মোক এখন কাৰ্ড দিযকচোন মিনিষ্টাৰ খণ্ডকাৰৰ (?) পুতেক যাব। শ্ৰী ভট্টাচাৰ্যই কাৰ্ড এখন উলিযাই দিলে। বাহিৰত কাৰ্ড নোপোৱা মানুহৰ চিঞৰ বাখৰ চলিযেই আছে।

পাছত ডিপাৰ্চাৰ লাউঞ্জত লগ পাই শ্ৰী ভট্টাচাৰ্যক সুধিলো— যাত্ৰীৰ ইমান ভিৰ এনে হাঁহাকাৰ অৱস্থা ঢাকা-কলিকাতাৰ মাজত এযাৰ-বাছৰ নিচিনা ডাঙৰ বিমানৰ ব্যৱস্থা নকৰে কিয? তেখেতে ক'লে— এইফালৰ পৰাহে ভিৰ। বান বে ট্ৰোফক। ধাৰণা হ'ল— বাংলাদেশৰ মানত থাইলেণ্ড-লাওছ যেনেকুৱা ঠাই অসম- পশ্চিমবংগ তেনেকুৱা ঠাই নহয।

১২/১২/৮৬

# ড্ৰাগ আৰু পিতৃ-মাতৃসকল

সাধাৰণ ঔষধ পাতিৰ বাহিৰে ড্ৰাগ (drug) শব্দটো কিছুমান ৰাগীয়াল বস্তু বা মাদক দ্ৰব্য বুজাবলৈও ব্যৱহাৰ কৰা হয়। এই লেখাটোত সেই ৰাগীয়াল বস্তুবোৰ বুজাবলৈ ড্ৰাগ শব্দটোকে ব্যৱহাৰ কৰা হৈছে।

বৰ্তমানে সমগ্ৰ পৃথিৱীতে ড্ৰাগ খোৱা ঘটনাই ভয়াবহ ৰূপ লৈছে। অসমৰ নিচিনা ঠাইতো স্কুল-কলেজৰ ল'ৰা-ছোৱালীৰ মুখতো তেওঁলোকৰ লগৰ অমুকে ড্ৰাগ খায় — এই ধৰণৰ কথা শুনা যায়। দুই-এক কিশোৰ আৰু যুবকৰ মৃত্যুও ড্ৰাগ খোৱাৰ ফলতেই হৈছে বুলিও শুনা যায়। অলপতে একেৰাহে দুদিন বি বি ছি টেলিভিছনৰ সংবাদ পৰিবেশন অনুষ্ঠান চাবলৈ পাইছিলো আৰু দুয়োদিনেই ড্ৰাগ সম্বন্ধে দীঘলীয়া ভয়াবহ সংবাদ অন্তৰ্ভুক্ত। ঘটনাক্ৰমে লণ্ডনৰে এজন ডাক্তৰৰ ছাৰ্জাৰিত ইংৰাজী ভাষাত ছপোৱা এখন সৰু প্ৰচাৰ-পত্ৰিকা পালো — অসমীয়াত সেইখনৰ নামটো হ'ব— ড্ৰাগছ পিতৃ-মাতৃ হিচাপে আপোনালোকে কি কৰিব পাৰে? প্ৰচাৰ-পত্ৰিকাখন প্ৰকাশ আৰু প্ৰচাৰ কৰোতা হ'ল— Department of Health and Social Security and the Welsh Office সেইখনৰ কিছু কথা ভাবানুবাদ কৰি প্ৰকাশ কৰাটো এটা কৰ্তব্য বুলি বিবেচনা কৰিলো। কথাখিনি হ'ল

কোনোবাই ড্ৰাগছ খাইছে বুলিয়েই তেওঁলোক আসক্ত (নোখোৱাকৈ থাকিব নোৱাৰা) হৈ পৰিব বুলি নাভাবিব। জীৱনৰ কোনো এটা সময়ত আমি প্ৰায় সকলোৱেই এবিধ নহয় এবিধ ড্ৰাগ খাবলৈ পাওঁ। আটাইতকৈ সাধাৰণ কেইবিধ হ'ল ছিগাৰেট আৰু মদ। কিন্তু আমাৰ বহুতে দৈনন্দিন জীৱনৰ দুখ-কষ্ট আৰু জটিলতাৰ লগত নিজকে খাপ খুৱাবলৈ বা সেইবোৰৰ মাজত নিজকে সকাহ দিবলৈ শ্লিপিং টেবলেট আদি খায়। ল'ৰা-ছোৱালীয়েও সেই একেবোৰ কাৰণতে ড্ৰাগ খাবলৈ লয়। চেঙেলীয়া কালছোৱা জীৱনৰ বৰ জটিলতাপূৰ্ণ কাল। এইছোৱা কালতে প্ৰায়েই মা-দেউতাৰ লগত আমাৰ অমিল হয়। আমি স্কুলৰপৰা হেঁচা পাওঁ মা-দেউতাৰপৰা হেঁচা পাওঁ বন্ধু-বান্ধৱৰপৰা হেঁচা পাওঁ। এই পৰিবৰ্তনৰ কালছোৱা হ'ল বহুত কিবাকিবি কৰিবলৈ বাছি লোৱাৰ সময়। এই সময়ত ল'ৰা ছোৱালীৰ হতুৱাই কৰ্তব্য

কৰাটোৱেই এটা সমস্যা অথচ এই সময়তে সিহঁতৰ আমনি লাগে 'ভাল নালাগে — সিহঁত বহুত কথাত হতাশ হৈ থাকে। এনে সময়তে যদি সিহঁতক লগৰ কোনোবাই ধেমালিৰ বস্তু বা অইন বহুতে খোৱা বস্তু এটা যাচে তেনেহ'লে সিহঁতৰ কৌতূহল ইমান বেছি হয় যে সিহঁতে খাই চোৱাৰ কথা ভাবে। সৌভাগ্যক্রমে বেছিভাগ ল'ৰা-ছোৱালীয়ে কয়-ওহোঁ। কিন্তু দুৰ্ভাগ্যক্রমে— 'চাও খাই চাও' বোলা ল'ৰা-ছোৱালীয়ে এসময়ত ভাল নালাগে বুলি এৰি দিয়ে কিন্তু কিছুমান লাহে-লাহে ড্ৰাগ-বলিয়া হৈ পৰে।

এই কাৰণেই কোনো ল'ৰা-ছোৱালীয়ে ড্ৰাগত ধৰিছে বুলি সন্দেহ কৰিলেই সিহঁতৰ লগত কথা পতাত আমি বৰ সাৱধান হোৱা উচিত। ভুল সময়ত কোৱা ভুল কথা এষাৰে সিহঁতক বেছি বিদ্ৰোহী কৰি তুলিব পাৰে কিন্তু বুজি-বাজি কোৱা একোষাৰ কথাই সিহঁতৰ মনলৈ মাজে-মাজে অহা এৰি দিও বোলা ভাবটো শক্তিশালী কৰিব পাৰে। আপোনালোকক এইখিনি কথা কৈছো — কাৰণ ল'ৰা-ছোৱালীৰ ড্ৰাগৰ সমস্যা সমাধান কৰোঁতা পুলিছ, ডাক্তৰ সমাজসেৱীসকল নহ'ব পাৰে কিন্তু হ'ব পাৰে আপোনালোক —পিতৃ-মাতৃসকল।

আগতেই কৈছোঁ ছিগাৰেট আৰু মদো ড্ৰাগ কিন্তু এই পত্ৰিকাখনত আমি বেআইনীভাৱে ব্যৱহাৰ কৰা ড্ৰাগৰ কথা কৈছো — যেনে হেৰ'ইন কেনাবিজ মেজিক মাশ্বৰুমছ, এমফিটোমিনছ, এল এছ ডি আৰু কোকেইন। এইবোৰ খোৱাৰ ফলত মানুহৰ উশাহ লোৱাৰ কষ্ট হ'ব পাৰে তেও অচেতন হৈ পৰিব পাৰে (তেনে অবস্থাত তেওৰ মৃত্যুও হ'ব পাৰে) তেও ভয়াবহ ভ্ৰমত ভুগিব পাৰে তেওৰ শাৰীৰিক আৰু মানসিক বিকৃতি ঘটিব পাৰে কোষ্ঠকাঠিন্য হ'ব পাৰে ছোৱালীৰ ঋতুৰ গণ্ডগোল হ'ব পাৰে। বেজিৰ সহায়েৰে গাত ড্ৰাগ সুমুৱাই দিয়াসকলৰ ঘা আৰু জণ্ডিছ হ'ব পাৰে তেজ বিষাক্ত হ'ব পাৰে আনকি এইডছ নামৰ দুৰাৰোগ্য ৰোগো হ'ব পাৰে। ল'ৰা-ছোৱালীয়ে ড্ৰাগ খাবলৈ লৈছে,— এই কথাটো আপুনি কেনেকৈ জানিব? মন কৰিব — হাঁহি-মাতি থকা ল'ৰাটো (বা ছোৱালীজনী) হঠাতে গম্ভীৰ হৈ পৰিছে, অস্বাভাৱিকভাৱে খিংখিঙীয়া হৈছে, তাৰ ভোক নলগা হৈছে, খেলাধূলা বন্ধু-বান্ধৱ স্কুল-কলেজৰ কাম আৰু হবি'ৰ প্ৰতি তাৰ আগ্ৰহ নোহোৱা হৈছে, টোপনিৰ ব্যাঘাত হৈছে, সি বেছিকৈ মিছা কথা কোৱাটো ধৰা পৰিছে ঘৰখনৰপৰা হিচাপৰ বাহিৰাকৈ পইচা বা বস্তু নোহোৱা হৈছে, তাৰ গাত বা কাপোৰত বা ঘৰৰ অ'ত ত'ত অস্বাভাৱিক গোন্ধ বা দাগ পোৱা গৈছে ঘৰখনত অস্বাভাৱিক পাউডাৰ বড়ি কেপচুল

বেজি ছিৰিঞ্জ আদি দেখা গৈছে। (কিন্তু এটা ল'ৰা বা এজনী ছোৱালী ডাঙৰ হৈ আহিলেওতো এইবোৰ ঘটনা চকুত পৰে। গতিকে এইবোৰ দেখিয়েই তৎক্ষণাৎ সিহঁতে ড্ৰাগ খাইছে বুলিয়েই সিদ্ধান্ত নকৰিব।)

এতিয়া কথা হ'ল আপোনাৰ ল'ৰা-ছোৱালীয়ে ড্ৰাগত ধৰিছে বুলি সন্দিগ্ধ বা নিশ্চিত হোৱাৰ পাছত আপুনি কি কৰিব? প্ৰথম আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ কথা হ'ল আপোনাৰ খং উঠিব আৰু আপুনি কিবা এটা হেস্তনেস্ত কৰি পেলাও বুলিযেই ভাবিব কিন্তু নহয — বেছি-বেছি (over react) নকৰিবলৈ চেষ্টা কৰিব। সমস্যা ডাঙৰ হৈ যাব পাৰে। সময় লওক। প্ৰথমতে আপোনাৰ স্বামী বা স্ত্ৰীক কথাটো কওক আপোনাৰ ডাক্তৰ অন্যান্য পিতৃ-মাতৃ আৰু আপোনাৰ সন্তানৰ স্কুল-কলেজৰ শিক্ষকৰ লগত কথা পাতক। ল'ৰাটোৰ মনৰ গতিৰ বিষযে জানিবলৈ চেষ্টা কৰক। কিমান দিনৰ পৰা কি কি ড্ৰাগ কিমান ঘনাই খাইছে (নে নাই খোৱা) তাৰ মুখৰপৰাই জানিবলৈ চেষ্টা কৰক। মৰমৰ সুৰেৰে কওক— ড্ৰাগ কিমান অপকাৰী। কথা পাতোতে কেতিযাও ওপৰৱালা বা কৰ্তৃত্ব'ৰ সুৰ নুলিযাব। তাৰ লগত আলোচনা কৰি উলিযাবলৈ চেষ্টা কৰক— কিয সি ড্ৰাগ খায? কেৱল কৌতূহলৰ কাৰণে নে বন্ধুৰ হেচাত নে তাৰ কিবা দুখ বা সমস্যা থকাৰ কাৰ'ণ? এই সকলো কথা-বতৰাৰ মাজত তাক জানিবলৈ দিযক যে তাৰ ভালৰ কাৰণে আপুনি চিন্তা কৰে তাক আপুনি সকলো প্ৰকাৰে সহায কৰিব — আনকি সি আইনৰ কবলত পৰিলেও।

আৰু ড্ৰাগ সম্বন্ধে আপোনাৰ নিজৰ ধাৰণা কি সেইটো কথাও ভাবিব। মনত ৰাখিব ল'ৰা ছোবালীহতে আইনসন্মত ছিগাৰেট আৰু মদতকৈ সিহঁতে খোবা বেআইনী ড্ৰাগবোৰ বেছি বিপদজনক বুলি নাভাবিবও পাৰে।

প্ৰচাৰ-পত্ৰিকাখনৰ শেষত আছে— আপোনাক যদি গোপন পৰামৰ্শ লাগে তেনেহ'লে অমুক টেলিফোন নম্বৰত বা অমুক ঠিকনাত যোগাযোগ কৰক। আমাৰ অসমৰ কেইটামান টেলিফোন নম্বৰ বা ঠিকনা দি এই লেখাটো শেষ কৰিব পৰা হ'লে ভাল আছিল। এই অভাৱৰ কথা এই পৃষ্ঠাতে আমি আগতেও উল্লেখ কৰিছোঁ। ড্ৰাগৰ বিস্তৃতি আৰু ভযাবহতালৈ চাই আমাৰ চিকিৎসাবিজ্ঞানীসকলৰ কোনো-কোনোৱে এই ক্ষেত্ৰত পৰমাৰ্শ আৰু চিকিৎসা'ৰ বিশেষ ব্যৱস্থা কৰিব বুলি আশা কৰিলো। কাৰণ ওপৰৰ কথাখিনি কামত খটুৱাবলৈ পিতৃ-মাতৃসকলৰ নিজৰে যি জ্ঞান গুণ আৰু ক্ষমতাৰ প্ৰযোজন সেইবোৰ তেওলোকৰ বেছিভাগৰে নাই।

২৪/১২/৮৬

# বিনা খৰচৰ "ছেমিনাৰ"

গোষ্ঠী-নিৰপেক্ষ দেশৰ মুৰব্বীসকলৰ বিৰাট সন্মিলনৰ পৰা আৰম্ভ কৰি অসমৰ উদ্যোগীকৰণ সম্পৰ্কীয় সৰু ছেমিনাৰ বা আলোচনা চক্ৰলৈকে— নানান সভা সমিতিৰ চৰিত্ৰবোৰ লক্ষ্য কৰিলে ধাৰণা হয় — ইয়াৰে বহুত সভা নাপাতিলেও জনসাধাৰণৰ ক্ষতি নহয় কিছুমান সভা পতাৰ বাবে সুফলৰ তুলনাত টকা পইচা আৰু সময় বহু বেছি খৰচ হয় কিছুমান সভা পতাৰ বাবে দেখদেখ লোকচানেই হয়। এক শ্ৰেণীৰ সাধাৰণ নাগৰিকৰ বক্তব্য হ'ল — তোমালোকে যদি এজনৰ পাছত এজনকৈ মাইক্ৰ'ফোনৰ আগলৈ গৈ সাবধানে লিখি অনা ভাষণেই পাঠ কৰা পৃথিবীৰ নাগৰিকে যদি বাতৰি কাকতত সেইবোৰকে পঢ়িবলৈ পায তোমালোকে যদি পৃথিবীৰ ঘাই শিবিৰ দুটাৰ এটাকো অসন্তুষ্ট নকৰাকৈয়ে প্ৰস্তাব গ্ৰহণ কৰা আৰু কৰিলেও তোমালোকৰ প্ৰস্তাব যদি সেই শিবিৰ দুটাই গ্ৰাহ্যই নকৰে তেনেহ'লে একোখন দুখীয়া দেশৰ কোটি কোটি টকা খৰচ কৰি তোমালোক লগ লাগিব লাগিছে কেলৈ? তোমালোকে নিজ নিজ দেশতে ভাষণ দি এই হেন ছেটেলাইটৰ যুগৰ উন্নত যোগাযোগ ব্যৱস্থা গ্ৰহণ কৰি একেটা ফলাফলকে কম খৰচত পোৱাৰ চেষ্টা নকৰা কিয়? তোমালোকৰ কাৰবাৰবোৰ টেলিভিছনত নাচাই সশৰীৰে মেক্সিকোলৈ গৈ বিশ্বকাপ ফুটবলৰ খেল চোৱাৰ নিচিনা। অৱশ্যে সাধাৰণ নাগৰিকে কথাটো কিমান সহজ সৰলভাৱে লয আচলতে সেইটো সিমান সহজ-সৰল নহ'ব পাৰে। মুখামুখি আলাপ আলোচনাৰ লগ-ভাগ পোৱাৰ কিছুমান অতিৰিক্ত সুবিধা আৰু লাভ আছে, কিন্তু একোখন দুখীয়া দেশৰ খৰচৰ তুলনাত সেই লাভ যথেষ্ট নহয — সেইটোহে মূল কথা।

এই বিৰাট সন্মিলনবোৰৰ চৰিত্ৰ আমাৰ ছেমিনাৰ কিছুমানতো প্ৰতিবিম্বিত হয। তেনে এখন ছেমিনাৰৰ বৰ্ণনাটো মোটামুটি এনেকুৱা

ছেমিনাৰ ভাল বস্তু ইযাত হোৱা আলোচনাৰ জৰিযতে উপকৃত হোৱা যায ছেমিনাৰ এখন পাতিলে সংশ্লিষ্ট বিভাগটোৰ কেলেণ্ডাৰত এটা দেখুৱাব পৰা কাম অন্তৰ্ভুক্ত হয গতিকে পতা হওক। বৰষুণ চৰষুণ নোহোৱা ভাল বতৰৰ সমযত হোটেল চোটেলৰ সুবিধা থকা ভাল ঠাইত। আলোচ্য বিষয়ে

ক'ব পৰা ব্যক্তি আহিব যাক যাক মতা হৈছে প্ৰায় সকলো আহিব। উদ্বোধক? তেখেতে সন্মতি দিছে। উদ্বোধনী অনুষ্ঠানত মানুহৰ সমাগম যথেষ্ট। তাৰ পাছত আচল কামৰ মিটিং। সঞ্চালকৰ অনুৰোধক্ৰমে নামজ্বলা দুজনমানে ক'বলৈ আৰম্ভ কৰিলে কিন্তু পিছৰ শাৰীৰ নাম নজ্বলা এজনেহে হঠাতে বৰ ভাল কথা ক'বলৈ আৰম্ভ কৰিলে। দুদিনীয়া ছেমিনাৰৰ তিনিটা বৈঠকত নিমন্ত্ৰিতসকলৰ চাৰি ভাগৰ এভাগে মুখেই নেমেলিলে। কথাই-কথাই টেপটেপাই থাকিবলৈ বিচৰা দুজনমানক সঞ্চালকে নিৰস্ত কৰি 'আপুনি কিবা ক'ব খুজিছিল বুলি অইন এজনলৈ আঙুলি টোঁৱালে। দ্বিতীয় বৈঠকৰ পৰাই লালকিল্লা-কনট প্লেছ-কেৰল বাগৰ ফালে অংশগ্ৰহণকাৰীৰ সোঁত আৰম্ভ হ'ল। (গুৱাহাটীত হ'লে কামাখ্যা পাট-মুগা কাপোৰ চাহপাতৰ ফালে।) ইতিমধ্যে আলোচনাৰ মাজতে টি এ ডি এ বিলৰ ফৰ্ম ফিল-আপ কৰাৰ কাম চলিল ৰেভিনিউ ষ্টাম্পৰ বিচাৰ-খোচাৰ চলিল ওলোটা যাত্ৰাৰ বাবে ৰিজাৰভেশ্যনৰ কাম চলিল।

ছেমিনাৰখনৰ আলোচনা পৰামৰ্শাৱলী এবছৰমানৰ পাছত কিতাপ আকাৰত ছপা হৈ ওলাল তাৰ বহু আগতেই সংশ্লিষ্ট বিভাগটোৰ বছৰেকীয়া বাজেট তৈয়াৰ কৰা হৈ গ'ল ছেমিনাৰৰ পৰামৰ্শবোৰৰ একোৰে প্ৰভাৱ সেই বাজেটখনত নপৰিল তাত অন্তৰ্ভুক্ত হ'ল আৰু এখন ছেমিনাৰৰ খৰচৰ বাবদ ডেৰ লাখ টকা।

ভাব চিন্তা-জ্ঞানৰ আদান-প্ৰদান উপকাৰী। সংশ্লিষ্ট বিভাগৰ কৰ্মকৰ্তাসকলৰ নিশ্চয় এনে আদান-প্ৰদানৰ জৰিয়তে কিছু লাভ হয় কিন্তু কিছু লাভৰ সলনি খৰচ অনুপাতে সম্পূৰ্ণ লাভ আহৰণ কৰাৰ চেষ্টা কৰাৰ সময় হ'ল। কেৱল বিভাগীয় কেলেণ্ডাৰৰ এটা আইটেম হিচাপে ছেমিনাৰ পতা কাৰবাৰটোৱে জনসাধাৰণক আমুৱাইছে আৰু এক ধৰণে দেশৰ ক্ষতি কৰিছে। বৰঞ্চ সাধাৰণ মানুহৰ দৈনন্দিন জীৱনৰ দুখ-কষ্টৰ উপশম ঘটোৱাৰ উপায় উদ্ভাৱন কৰিব পৰা কিছুমান অতি সাধাৰণ ছেমিনাৰৰ কথাহে আজি ভাবিবলগীয়া হৈছে।

আজি সৰহ সংখ্যক কাৰ্যালয় সম্পৰ্কে মানুহে অভিযোগ কৰে— কাৰ্যালযটোৰ পৰা সহজে শান্তিৰে কাম এটা পাব নোৱাৰি। বৰমূৰীযাই কাম নকৰে কৰ্মচাৰীযে কাম নকৰে মালী আছে, কিন্তু নিজৰ গৰুৰ প্ৰযোজন নহ'লে তেওঁ অফিছৰ পথাৰৰ ঘাঁহ নাকাটে দুটাকৈ জমাদাৰ আছে, কিন্তু শৌচালয়ত সোমাব নোৱাৰি।— কিয এনেকুৱা হৈছে? এইবোৰ চম্ভালিবলৈতো বিধি-বিধান-আইন আছেই। সেইবোৰ চম্ভালিব পৰা নাই কিয? ঘাই বস্তু দুটা

হৈছে মানুহৰ মন আৰু চৰিত্ৰ। পোনপটীয়া কথা-বতৰাৰ সহায়ত এই বস্তু দুটাৰ ওপৰত প্ৰভাৱ পেলাব পাৰি। আজি আমাৰ প্ৰতিটো বিভাগত সকলো স্তৰৰ বিষয়া-কৰ্মচাৰীৰ মাজত টকা খৰচ নকৰাকৈ অফিচৰ সময়ৰ ভিতৰতে কিছুমান ছেমিনাৰ পতাৰ প্ৰয়োজন হৈছে।

৮/১/৮৭

# কৰ্মী আৰু কৰ্মচাৰী

ৰাজ্যখনৰ বাবে বিত্তীয় বছৰটোত ধাৰ্য কৰা ধনখিনি যথোপযুক্তভাৱে খৰচ হ'ব লাগে। খৰচ কৰিব নোৱাৰা বাবে ধন ওভোতাই দিবলগীয়া হ'ল — এনে অৱস্থা হ'ব নালাগে। তেনেকুৱা হ'লে ধনৰ অভাৱত কাম কৰিব পৰা নাই আৰু সৰহ ধন লাগে — এনে ধৰণৰ কথা কোৱাৰ বা দাবী কৰাৰ বাট নাথাকে।

• বিত্তীয় বছৰৰ শেষ মাহ তিনিটাৰ আৰম্ভণিতে কৰ্তৃত্বশীল মহলৰ শীৰ্ষস্থানীয় এগৰাকী লোকক সুধিছিলো— এইবাৰ ধন ওভোতাই দিব নলগীয়া অৱস্থা হ'ব নে? বাজেট মতে কামবোৰ হ'ব নে? উত্তৰত তেখেতে কৈছিল হ'ব লাগে। লগতে তেখেতে এটা কথা কৈছিল কিছুমান বিভাগৰপৰা কাম আদায় কৰাত অসুবিধা হৈছে।

এই কাম আদায় কৰাত অসুবিধা সম্পৰ্কে আৰু দুই-এঠাইত আলোচনা কৰোঁতে গম পালো — বিভাগবোৰৰ তলৰ স্তৰত কামৰ ক্ষেত্ৰত তৎপৰতা কম। আমাৰ এই সংখ্যা আলোচনীত প্ৰকাশিত সদৌ অসম ছাত্ৰসন্থাৰ সভাপতিৰ প্ৰবন্ধটোতো সেই ধৰণৰ কথাৰ উল্লেখ আছে। তাৰ পাছত দুই এক মহলৰ আলোচনাৰপৰা গম পালো — কাম নকৰাৰ অভ্যাসটো লাহে-লাহে তলৰ স্তৰৰপৰা ওপৰৰ ফালে উঠি আহিছে, ই বৰ্তমানে মাজৰ স্তৰটোকো গ্ৰাস কৰিবলৈ লৈছে। আনহাতে ওপৰৰপৰা তলৰ ফাললৈ কাম কৰাৰ অভ্যাস বিযপি যোৱাৰ যি প্ৰক্ৰিয়া সি এটা স্তৰত স্তব্ধ হৈ যোৱাৰ লক্ষণো দেখা গৈছে।

এই অৱস্থাটোৰ কাৰণ হিচাপে কোৱা কথাবোৰৰ এটা হ'ল বাহিৰা ধন উপাৰ্জনৰ উদ্দেশ্য আগত ৰাখি যিসকলে কাম কৰিছিল তেখেতসকলে এতিয়া অলপ ভয় খাইছে। যদি ব্যক্তিগত লাভেই নহ'ল তেনেহ'লে কাম কৰি অযথা কষ্ট কৰাৰ কি প্ৰয়োজন?- এচাম বিষয়া-কৰ্মচাৰীৰ হেনো এনে মনোভাব হৈছে। আৰু এটা হ'ল ° বিভাগবোৰত এই চৰকাৰক সমৰ্থন নকৰা আগৰ চৰকাৰৰ প্ৰতি অনুগত কিছুমান মানুহ আছে, তেখেতসকলে কামৰ অগ্ৰগতিত বাধাৰ সৃষ্টি কৰিছে।

এইবোৰ কথা যদি সঁচা হয় তেনেহ'লে আমি এটা নিৰ্দিষ্ট কথা আলোচনা কৰি চাওঁ। যোৱা আন্দোলনটোত কৰ্মচাৰীসকলৰ একোটা শক্তিশালী সংগঠনে অংশ গ্ৰহণ কৰিছিল। এই চৰকাৰ স্থাপন কৰাৰ ক্ষেত্ৰতো সেই সংগঠনসমূহৰ প্ৰত্যক্ষ আৰু পৰোক্ষ বৰঙণি আছে। সেই সংগঠনসমূহৰ সদস্যসকল যদি এতিয়াও চৰকাৰৰ সমৰ্থক হৈ আছে, তেখেতসকল যদি এতিয়াও চাকৰিত আছে, তেনেহ'লে তেখেতসকলে নিজ-নিজ মেজত বহি নিজে পতা চৰকাৰখনক দক্ষ কৰি তুলিবলৈ ৰাইজে বিচৰা ধৰণৰ কৰি তুলিবলৈ কাম কৰিছেনে নাই? (তেখেতসকলো কিন্তু ৰাইজৰে অংশ।) বিভাগে-বিভাগে কাৰ্যালয়বোৰৰ কোঠালিয়ে-কোঠালিয়ে যথেষ্ট সংখ্যাত তেখেতসকল উপস্থিত থকা সত্ত্বেও এচাম মানুহে কামৰ অগ্ৰগতিত বাধাৰ সৃষ্টি কৰিবলৈ পায় কেনেকৈ? ভোট দিয়াটো এটা গোপন পদ্ধতি সেই পদ্ধতিতো কোঠালিটোৰ কোনে-কোনে এইটো দলক ভোট নিদিলে সেই সম্পৰ্কে কোঠালিটোৰ বাকী কেইজনে সন্দেহ কৰিব পাৰে কিন্তু কোনে কামৰ অগ্ৰগতিত বাধা দিছে, সেইটো সমুখতে থাকিও তেখেতসকলে ধৰিব নোৱাৰেনে? সেইকেইজনক তেওঁলোকে expose বা কামৰ প্ৰতি উদ্বুদ্ধ কৰিব নোৱাৰেনে? নিৰ্বাচনৰ আগতে ভোটৰ কাৰণে কেনভাছ কৰাতকৈ নিৰ্বাচনৰ পাছত কামৰ কাৰণে কেনভাছ কৰাটো কম গুৰুত্বপূৰ্ণ কাম নে?

শুদ্ধ দৃষ্টিৰে চাবলৈ গ'লে কৰ্তব্যৰ সন্মুখত চৰকাৰী বিষয়া কৰ্মচাৰীসকলৰ অমুক 'অমুকৰ মানুহ তমুক তমুকৰ মানুহ — এনে পৰিচয় বেয়া পৰিচয়। আৰু কাম নকৰাৰ ক্ষেত্ৰত সেই পৰিচয় ব্যৱহাৰ কৰাটো বৰ ক্ষতিকৰ ঘটনা। ৰাজনীতিৰ বাম সংগঠনৰ কাম কৰাৰ অধিকাৰ সকলোৰে আছে, কিন্তু কোন সময়ত কি দৃষ্টিভংগীৰে সেই কাম কৰিব লাগে তাৰ বিচাৰ কৰিব জানিব লাগিব। ৰাজ্যখনৰ ইমান ডাঙৰ পৰিবৰ্তন এটাৰ অংশীদাৰ বুলি দাবী কৰা কৰ্মচাৰীসকলে সাধাৰণ ৰাইজৰ মুখৰ সেই একেই আছে — বোলা বদনামটো সহ্য কৰে কেনেকৈ? নিজৰ মেজত বহি নিযাৰিকৈ নিজৰ কাম কৰা মানেইতো তেও সমৰ্থন কৰা চৰকাৰখনক সহায় কৰা ৰাইজৰ সেৱা কৰা। নে কাৰ্যালয়ৰ নিজৰ চকীখন খালী কৰি থৈ দিনটো পাৰ্টিৰ কামত ঘূৰি-ফুৰাটো চৰকাৰ আৰু পাৰ্টিৰ সেৱা? এনেকৈ কাম কৰিলে কাৰোবাৰ ব্যক্তিগত লাভ হ'ব পাৰে কিন্তু শেষ পৰ্যন্ত পাৰ্টি ৰসাতলে যায়। এতিয়া নিৰবে কাম কৰি তেখেতসকলে যি সুফল পাব চাৰি বছৰৰ পাছত ঢৌটুফালি চিঞৰি-চিঞৰি প্ৰচেষ্টন কৰিও সেই সুফল নাপাব।

শেঃ পৃঃ ১৬

চৰকাৰী কৰ্মচাৰী আৰু পাৰ্টি'ৰ কৰ্মীৰ কামৰ মাজৰ প্ৰভেদ এটা স্তৰত উঠি যোৱাটো সম্ভৱ। আজি বহু বিষয়া-কৰ্মচাৰীয়ে সেই স্তৰত বাস কৰিও নিজৰ অৱস্থানটো বুজা নাই। ফলত ৰাইজৰ সন্দেহ হৈছে,— এখেতসকল স্বাৰ্থ আৰু দাবী-ধৰ্মঘটৰহে মানুহ ৰাইজৰ সেৱক নহয়, প্ৰকৃতাৰ্থত পাৰ্টি'ৰো সেৱক নহয়। সকলো চৰকাৰৰ দিনত কামৰ ক্ষেত্ৰত এওলোকৰ চৰিত্ৰ একেই।

আনহাতে ৰাজ্যখনত কাৰ শাসন চলিছে সেই কথাতকৈ প্ৰতিটো বছৰত সাধাৰণ ৰাইজৰ সুখ-সুবিধা কিমান বাঢ়িছে, ৰাজ্যখনৰ কিমান উন্নতি হৈছে,— সেই কথাৰ প্ৰতিহে সাধাৰণ ৰাইজ ক্ৰমান্বয়ে অধিক সজাগ হৈ আছে।

আশাকৰোঁ সংগঠন-পৰিষদসমূহে কথাটো বিচাৰ কৰিব।

২৬/১/৮৭

# গৌৰৱ অৰ্জনৰ অংক

অসমৰ থলুৱা নৃত্য-গীত আদি ৰাজ্যখনৰ বাহিৰত যথোচিতভাৱে প্ৰচাৰ কৰা হোৱা নাই— এই আপত্তিটো ৰাজ্যখনৰ ভিতৰত সঘনে উঠি থাকে। কিন্তু আমি যদি কওঁ— কিয়? প্ৰায়েই দেখোন "সাংস্কৃতিক দল অ'লৈ-ত'লৈ গৈয়েই থাকে। তাৰ উত্তৰটো হ'ল— এইবোৰ ৰুটিনমতে কৰি থকা কাম এইবোৰে বাহিৰৰ দৰ্শক-শ্ৰোতা-সমালোচকৰ মনত সাঁচ বহুৱাব পৰা নাই বুলিয়েই ক'ব পাৰি বৰঞ্চ বহু ক্ষেত্ৰত এইবোৰে অসমৰ সংস্কৃতিৰ এক 'বিকৃত ৰূপহে দাঙি ধৰে।

এই আপত্তিৰ সৰহ অংশ গ্ৰহণ কৰাটোৱেই আমাৰ বাবে যুক্তিযুক্ত কাম। আৰু কেনেকৈ এই আপত্তিৰ সৰহ অংশ নাইকিয়া কৰিব পাৰি তাৰ বাবে গাত লাগি মগজ খটুৱাই পৰিশ্ৰম কৰি কাম কৰিবলৈ আৰম্ভ কৰিব লাগে। টেলিভিছনৰ সম্প্ৰসাৰণলৈ চাই এই কামত আমি অধিক সক্ষম হ'ব লাগে।

প্ৰথম কথা— বাহিৰত দেখুৱাব পৰা আমাৰ কি-কি আছে, সেই সম্পৰ্কে উচ্ছ্বাসক প্ৰশ্ৰয় নিদিযাকৈ আমি সিদ্ধান্ত ল'ব লাগে। দ্বিতীয় কথা— ক'ৰ কেনেকুৱা পৰিবেশত কেনেকুৱা দৰ্শকৰ সমুখত এই নিৰ্বাচিত আইটেমৰ কোনটো পৰিবেশন কৰিলে সৰ্বোৎকৃষ্ট ফল পোৱা যাব সেইটো ঠিক কৰিব লাগে। দিল্লীৰ ৰবীন্দ্ৰ ৰংগশালাৰ মুকলি মঞ্চত বিনা-পইচাই সোমোৱা শ-শ দৰ্শকৰ সমুখত উপস্থাপন কৰিবলৈ পঠোৱা আইটেমটো আৰু বিজ্ঞানভৱনৰ প্ৰেক্ষাগৃহত নিমন্ত্ৰিত কলানুৰাগী লোকৰ সমুখত উপস্থাপন কৰিবলৈ পঠোৱা আইটেমটো একে নহ'বও পাৰে। তৃতীয় কথা হ'ল— যিটো আইটেমকে পঠিযাবলৈ ঠিক কৰা হয় তাক সকলো ফালৰ পৰা নিখুঁতকৈ সজাই-পৰাই তাৰ পাছতহে পঠিয়াব লাগে। চিঠিখন পলমকৈ পালো আযোজন কৰিবলৈ সময়েই নাপালো হাতৰ কাষতে যি পালো তাকে লৈ গুচি গ'লো— এনে ধৰণৰ ফাইনেনছিয়েল-ইয়েৰ-এণ্ডিং-মাৰ্কা কাণ্ড ৰাজ্যৰ বাহিৰত থলুৱা সংস্কৃতি প্ৰচাৰৰ ক্ষেত্ৰত ঘটিব নালাগে।

এটা নিৰ্দিষ্ট উদাহৰণ আলোচনা কৰোঁ। জানিবলৈ পাইছোঁ— ভাৰতত

ছোভিয়েট ৰুছিয়াৰ আৰু ছোভিয়েট ৰুছিয়াত ভাৰতৰ মহোৎসৱ উপলক্ষে দুয়োখন দেশৰ মাজত যিবোৰ সাংস্কৃতিক অনুষ্ঠানৰ আদান-প্ৰদানৰ কথা হৈছে, তাৰ ভিতৰত অসমৰ বিহুনাচৰ দল এটা ৰুছিয়ালৈ নিযাৰ কথাও হৈছে। আইটেম নিৰ্বাচন সঠিক হৈছে। এতিযা আমি দলটো এনে ধৰণে প্ৰস্তুত কৰিব লাগিব যাতে ই আমাৰ ৰাজ্যখনক গৌৰৱান্বিত কৰিব পাৰে। এই কাম কেনেকৈ কৰিব লাগিব? অন্তত ডেৰ মাহৰ আগতে দলটোৰ সদস্যসকলক গুৱাহাটীত গোট খুৱাব লাগিব। তেওলোকৰ গুণ চেহেৰা স্বাস্থ্য আৰু আচৰণ বিচাৰ আৰু পৰীক্ষা কৰিব লাগিব। দলটোৰ সকলো লোক এটা অনুষ্ঠান বা প্ৰতিষ্ঠানৰ সদস্য হ'ব পাৰে কিন্তু প্ৰয়োজন হ'লে অইন ঠাইৰ উপযুক্ত লোকক তেওলোকৰ কাৰোবাৰ লগত সলনি কৰিব লাগিব। কোনে নাচ শিকাব সেইটো ঠিক কৰি তেওক কাম আৰম্ভ কৰাৰ সুবিধা কৰি দিব লাগে। বিহু-নাচ সম্পৰ্কে কাকতে-পত্ৰই বহু আলোচনা-সমালোচনা ওলায। আলোচকসকলৰ ভিতৰত যি কেইজনৰ কথাবোৰ যুক্তিযুক্ত আৰু চিন্তাৰ ধাৰা শুদ্ধ বুলি বুজা গৈছে, তেওলোকৰ তিনিজনক আখৰা আৰম্ভ হোবাৰ এসপ্তাহৰ পাছত মাতি আনিব লাগে। তেওলোকে নাচ চাই অংগী-ভংগী-মুদ্ৰাত কি-কি ভুল হৈছে, শুধৰাই দিব লাগে। (আশাকৰো এওলোক তিনিজনৰ মত মিলিব।) সাজ-পাৰ গহনা-গাথৰি ৰং বিৰং সম্পৰ্কেও এওলোকে সিদ্ধান্ত দিব। (বিচাৰিলে এনে তিনিজন লোকৰ নাম আমি দিব পাৰিম।) এওলোকে কিন্তু এটা কথা সাৱধানে বিচাৰ কৰিব লাগে। বাহিৰত ৰাজহুৱা মঞ্চত দলীয নৃত্য হিচাপে উপস্থাপন কৰিবলৈ হ'লে থলুৱা নৃত্যক এটা মনোগ্ৰাহী সাঁচত পেলাব লাগে। বৈশিষ্ট্য বিসৰ্জন নিদিযাকৈ এই কাম কিমান কৃতকাৰ্যতাৰে কৰিব পাৰি সেইটো ঠিক কৰাটো গুৰুত্বপূৰ্ণ কাম। সেইটো কাম নিযাৰিকৈ কৰিব লাগে। উদাহৰণ ছজনী ছোবালীযে নাচিছে। তেওলোকৰ অংগী-ভংগী হাত-ভৰি মিলি থাকিব লাগে নে নালাগে? ধৰি লওক আপোনালোকে ক'লে— বিহু নাচত নাচনীহতৰ হাত ভৰি মিলিব নালাগে। কিন্তু কেনেকৈনো মিলিব নালাগে তাৰোতো এটা নিযম হ'ব পাৰে।

এইখিনি কৰাৰ পাছত এমাহ কঠোৰ অনুশীলন হ'ব লাগে। তাৰ পাছত এদিন কিছু জনা-বুজা মানুহৰ (সেই তিনিজন বিশেষজ্ঞকে ধৰি) সম্মুখত সম্পূৰ্ণ সাজ-পাৰেৰে— যেন ৰুছিয়াতহে অনুষ্ঠান পৰিৱেশন কৰা হৈছে তেনেকৈ অনুষ্ঠানটো পৰিৱেশন কৰিব লাগে। ইযাত যিখিনি ত্ৰুটি বিচ্যুতি ধৰা পৰিব সেইখিনি শেষৰ সাদিনত আতৰাব লাগে। ইতিমধ্যে

ৰুছিয়াৰ মঞ্চবোৰ কিমান আহল-বহল সেই খবৰটো আনিব পাৰিলে ভাল। তেতিয়া মঞ্চৰ আকাৰ অনুসাৰে নাচৰ কৰিঅগ্ৰাফি ইয়াতে চূড়ান্ত কৰি লব পাৰি। বাজনা বজোৱাসকল দলৰ লগত সশৰীৰে যাব নে শব্দবোৰ টেপ্‌ৰেকৰ্ড কৰি নিব সেইটো আগতীয়াকৈ বিচাৰ কৰিব লাগিব কাৰণ যিমান সৰহ সংখ্যক লোকে নাচে (বিহুনাচৰ ক্ষেত্ৰত আহল-বহল মঞ্চত) সিমানে ভাল।

ইযাৰ বাহিৰেও দলৰ সকলোকে সেই দেশখন সম্পৰ্কে এটা মোটামুটি জ্ঞান দিব লাগিব। যিসকলে সেই দেশত কিবা এটা ভাষাত কথা পাতিব পাৰিব তেওলোকে কি সুধিলে কি ক'ব তাৰো এটা আলোচনা আগতীযাকৈ কৰি লব লাগিব। নহ'লে সকলোৰে হৈ সঠিক কথা ক'ব পৰা এজন মেনেজাৰ/মুখপাত্ৰ দলটোৰ লগত যাব লাগিব।

কিছুমান কথা আগতে ক'লে লাভ হয সেই লাভৰ আশাত কথাখিনি ক'লো। অকল ৰুছিযালৈ যোৱা দলৰ ক্ষেত্ৰতে নহয এইখিনি কথা বাহিৰলৈ যোৱা সকলো দলৰ ক্ষেত্ৰতে প্ৰযোজ্য বুলি ভাবোঁ।

১২/২/৮৭

# অত্যাৱশ্যকীয় বস্তু ঃ আন্দোলনৰ সময়তো

কিছুদিনৰ আগতে এটা শিক্ষানুষ্ঠানৰ দুজন নেতৃস্থানীয় ছাত্র মোক লগ পাবলৈ আহিছিল। তেওলোক সদৌ-অসম ছাত্রসন্থাৰ লগতো জড়িত। তেওলোক অহাৰ একমাত্র উদ্দেশ্য— তেওলোকে এটা বিষয় আলোচনা কৰিব খোজে। বিষয়টো হ'ল— ১৯৭৯-৮৫ৰ আন্দোলনৰ সময়ছোৱা অসমৰ ছাত্র-ছাত্রীসকলৰ বাবে বৰ অস্বাভাৱিক আছিল এতিয়া অৱস্থাটো স্বাভাৱিক কৰা যায় কেনেকৈ? শিক্ষানুষ্ঠানবোৰলৈ পঢ়া-শুনাৰ পৰিবেশ ওভোতাই অনা যায় কেনেকৈ?

স্বাভাৱিকতে তৎক্ষণাৎ মোৰ মনলৈ আহিল সঘনে শুনা আৰু পঢ়িবলৈ পোৱা এষাৰ কথা— আমাৰ আন্দোলন শেষ হোৱা বুলি ভাবিলে ভুল কৰা হ'ব। সচাঁকৈয়ে এটা জটিল পৰিস্থিতি। মই দুই-এষাৰ কথা পাতি বুজিবলৈ চেষ্টা কৰিলো— বিষয়টো সম্পৰ্কে ছাত্র দুজন ছিৰিয়াছ নে? অলপ পাছতে অনুভৱ কৰিলো— হয় তেওলোক ছিৰিয়াছ। শিক্ষানুষ্ঠানটোত শৈক্ষিক পৰিবেশ নাইকিয়া হোৱাত তেওলোক সঁচাকৈয়ে চিন্তিত। তেওলোকে কিবা এটা কৰিব খোজে।

মই ক'লো— আচল বিষয়টোলৈ যোৱাৰ আগতে তোমালোকক এটা কথা সুধি লওঁ। ধৰি লোৱা তোমালোকৰ পৰীক্ষাৰ তাৰিখটো—। ছাত্রসভাৰ দায়িত্বশীল নেতা হিচাপে তোমালোকে কেলেণ্ডাৰখন লৈ নিৰলে বহিলা। তিথি পূজা পাৰ্বন জহ-জাৰ— সকলো বিবেচনা কৰিলা। ছাত্র-ছাত্রীসকলৰ জীৱনৰ দিনবোৰৰ কথা ভাবিলা তেওলোকৰ বহুতৰে দৰিদ্র পিতৃ-মাতৃয়ে— 'ল'ৰা ওলাই আহিব সকাহ পাম বুলি দিন গণি আছে,— সেইটোও ভাবিলা পৰীক্ষা পাছ কৰাৰ পাছতহে যে তেওলোকৰ জীৱনৰ আন্দোলন আৰম্ভ হ'ব সেইটোও উপলব্ধি কৰিলা। এই সকলো কথা চিন্তা কৰি কেলেণ্ডাৰত কটাকুটা কৰি ঠিক কৰিলা— অমুক মাহত পৰীক্ষা হ'ব পাৰে হোৱা উচিত। ছাত্রসকলৰ নেতা হিচাপে তেওলোকৰ সুখ-দুখ সুবিধা-অসুবিধাৰ কথা তোমালোকে ভালকৈ বুজা গতিকে তোমালোকৰ এই সিদ্ধান্ত যুক্তিপূৰ্ণ। তোমালোকে এই সিদ্ধান্তৰ কথা পৰামৰ্শ হিচাপে কৰ্তৃপক্ষলৈ

আগবঢালা আৰু কৰ্তৃপক্ষযো সেই পৰামৰ্শ মানিলে। পৰীক্ষাৰ দিন ঘোষণা কৰা হ'ল। তাৰ পাছত বিভিন্ন কাৰণত পৰীক্ষা দিব নোখোজা এদল ছাত্ৰই আচল কাৰণবোৰ লুকুৱাই কেইটামান 'ৰাজহুৱা' কাৰণ দেখুৱাই এদিন তোমালোকক ইউনিয়ন অফিছত ঘেৰাও কৰিলে— পৰীক্ষা পিছুৱাব লাগিব। মনত ৰাখিবা— বিভিন্ন কাৰণত এই দলটো শক্তিশালী ছাইলেন্ট মেজৰিটিৰ বিপৰীতে এওলোক এক ধৰণৰ ওস্তাদ মাইনৰিটি। সেই মুহূৰ্তত তোমালোকে নিজৰ বিচাৰ-বিবেচনাত অটল হৈ থাকিব পাৰিবানে? তেওলোকৰ প্ৰচণ্ড হেঁচাত সেও নমনাকৈ থাকিব পাৰিবানে?

ছাত্ৰ দুজনৰ ভিতৰৰ বিষয়-ববীযা হিচাপে যিজন মুখিযাল তেও ক'লে— সেই সাহস মোৰ আছে।

মই ক'লো— তেনেহ'লে তোমালোকৰ লগত আলোচনা কৰিম। মোৰ সাধাৰণ জ্ঞান-বুদ্ধিৰে যিমানলৈ ঢুকি পাও— আহিবা।

ৰাজ্যখনত যে পঢা-শুনাৰ বিষযে সৎ চিন্তা কৰা বহুতো ছাত্ৰ-ছাত্ৰী আছে, এই সত্যটোৰ পৰা আমি এটা পজিটিভ শক্তি আহৰণ কৰি থকা উচিত। অনবৰত হতাশজনক কাহিনীক প্ৰশ্ৰয দি থাকিলে এটা দুৰ্বলতাযো প্ৰশ্ৰয পায। ছাত্ৰ-ছাত্ৰীৰ চৰিত্ৰৰ বিভিন্নতা অতীজতো আছিল এতিযাও আছে, আগলৈকো থাকিব কিন্তু ১৯৭৯-৮৫ কালছোৱাৰ পাছত স্বাভাৱিকতে এটা বিভ্ৰান্তিকৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। এই পৰিস্থিতিত জাতিৰ মংগল কামনা কৰা লোকসকলে বিশেষকৈ শিক্ষাবিদ আৰু শিক্ষকসকলে সুপৰামৰ্শৰ বাবে আগ্ৰহী ছাত্ৰ-ছাত্ৰীসকলৰ লগত ঘনিষ্ঠ আলোচনাৰ সম্পৰ্ক আৰম্ভ কৰা উচিত। জাতিটোক শক্তিশালী জাতি হিচাপে জীযাই ৰাখিবলৈ আমাক সুদক্ষ শাসনকৰ্তা লাগে জ্ঞানী লোক লাগে উচ্চ মানৰ সংগীতজ্ঞ লাগে সাহিত্যিক লাগে খেলুৱৈ লাগে ইঞ্জিনিযাৰ লাগে আৰ্মি নেভি এযাৰফ'ৰ্ছ সকলোতে আমাৰ মানুহ লাগে বিজ্ঞানী লাগে— কিমান কি হ'লেহে আমাৰ সামগ্ৰিক শক্তি বাঢে। অসংখ্য দিশত আমি এখোজো দিব পৰা নাই যিবোৰ দিশত খোজ দিছোঁ সেইবোৰৰ বহুততে মানৰ ফালৰ পৰা পিছপৰি আছোঁ। এতিযালৈকে যি হ'ল হ'ল কিন্তু এতিযাৰ পৰা গাত লাগি আৰম্ভ কৰিলেও বিছ বছৰৰ পাছত অন্তত কিছু ভাল ফল পোৱা যাব। আৰু আৰম্ভ কৰিলে বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীসকলক লৈযেই আৰম্ভ কৰিব লাগিব। এইটো হ'ল এটা দিশ। ইটো দিশ হ'ল— অসম চুক্তি ৰূপাযণৰ জৰিযতে জাতিটোক সুৰক্ষিত আৰু শক্তিশালী কৰা। এই দুটা দিশত সমান্তৰালভাৱে চলাই নিব পৰা কাৰ্যপন্থা যুগুত কৰাটো এতিয়া প্ৰযোজনীয কাম হৈছে।

(সমান্তৰালভাৱে শব্দটো গৈ থাকিলে কেতিযাও ক'তো লগ নলগা বুলি বৈজ্ঞানিক অৰ্থত ধৰিব নালাগে)। ছাত্ৰনেতাসকলে এতিয়া এই কথাটোৰ ওপৰত গুৰুত্ব আৰোপ কৰা উচিত।

গাখীৰ পানী বিজুলীশক্তি আদি অত্যাৱশ্যকীয় বস্তুৰ যোগান অব্যাহত ৰাখিও যেনেকৈ 'বন্ধ পালন কৰাটো সম্ভৱ তেনেকৈ ছাত্ৰ-ছাত্ৰীৰ বাবে অত্যাৱশ্যকীয় বস্তুৰ সোঁত অব্যাহত ৰাখিও নতুন আন্দোলনৰ কাৰ্যসূচী যুগুত কৰাটো সম্ভৱ।

২৪/২/৮৭

# যি খেলত অসমৰ সুনাম হৈছে

যিবিলাক সুফল আশা কৰি এখন দেশত একোখন আন্তঃৰাষ্ট্ৰীয় বা এখন ৰাজ্যত একোখন আন্তঃৰাজ্যিক প্ৰতিযোগিতা পতা হয় তাৰ ভিতৰত এটা হ'ল— স্থানীয় প্ৰতিযোগীসকল আৰু তেওঁলোকৰ লগত জড়িত সংগঠক প্ৰশাসক প্ৰশিক্ষক আদিয়ে নিজকে জুখি উৎকৰ্ষ সাধনৰ বাবে প্ৰত্যক্ষ অভিজ্ঞতা অৰ্জনৰ সুবিধা পায়।

অলপতে দিল্লীত হৈ যোৱা আন্তঃৰাষ্ট্ৰীয় টেবল টেনিছ প্ৰতিযোগিতা এটা ডাঙৰ ঘটনা আৰু এই ঘটনাটোৰ পৰা ভাৰতীয় টেবল টেনিছে সুফল আহৰণ কৰা উচিত। সমগ্ৰ পৃথিৱীত এতিয়া ভাৰতৰ পুৰুষ দলৰ স্থান ষোল নম্বৰত মহিলা দলৰ স্থান চাৰিছ নম্বৰত বুলি জোখ পোৱা গৈছে ভাৰতীয় শীৰ্ষস্থানীয় খেলুৱৈসকলে নিজে খেলি আৰু ওচৰৰপৰা খেলা চাই পৃথিবীৰ শীৰ্ষস্থানীয় খেলুৱৈসকলৰ কলা কৌশল লক্ষ্য কৰিছে হাজাৰ-হাজাৰ খেলুৱৈয়ে টেলিভিছনত কিছুমান খেলুবৈৰ খেল চাবলৈ পাই উপকৃত হৈছে। তাৰ পাছত এতিয়া কি হ'ব? কি হোৱা উচিত?

নানান খেলৰ আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ ভিতৰত টেবল টেনিছ খেলৰ কথাটো অসমত বিশেষভাবে আলোচনা কৰিবলৈ লোৱাৰ দেখদেখ কাৰণ আছে। এখন ৰাজ্যৰে চাৰিজন খেলুৱৈয়ে ভাৰতৰ হৈ আন্ত ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত খেলিবলৈ পোৱাটো ৰাজ্যখনৰ কাৰণে ডাঙৰ কথা আৰু এই খেলটোতেই অসমে সমগ্ৰ ভাৰতত অন্যান্য খেলৰ তুলনাত অধিক প্ৰতিপত্তি বিস্তাৰ কৰি আছে। এইবাৰৰ আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত ভাৰতীয় মহিলাসকলৰ ভিতৰত মনালিছা বৰুৱাই ভাল খেলিছে। মনালিছা বৰুৱা মদালসা হাজৰিকা অৰুণজ্যোতি বৰুৱা ৰাহুল দত্ত আদিৰ লগে লগে ৰাজ্যখনত পাপৰি হাজৰিকা প্ৰণামী দত্ত মজুমদাৰ ত্ৰিদিব দুৱৰা সোণেশ্বৰ ডেকা আদি মাজৰ চাম খেলুৱৈ সৰ্বভাৰতীয় স্বীকৃতি পাব পৰাকৈ ওলাই আহিছে। অসমৰ সৰু ল'ৰা ছোৱালীইঁতৰো (ছাব জুনিয়ৰ) কেইবাজনো খেলুৱৈ আজি ভাৰতত শক্তিশালী প্ৰতিদ্বন্দ্বীৰূপে স্বীকৃত হৈছে। মুঠতে আৰু বহু বছৰলৈ ভাৰতীয় টেবল টেনিছত প্ৰতিপত্তি বিস্তাৰ কৰি থাকিব পৰাকৈ অসমৰ সম্পদ আছে।

এতিয়া কথা হ'ল— কি কৰিলে এই সম্পদৰ যথাযোগ্য উৎকৰ্ষ সাধিত হ'ব?

ক'বলৈ গ'লে এই খেলুৱৈসকলৰ বেছিভাগেই গুৱাহাটীৰ ইনড'ৰ ষ্টেডিয়ামৰ বেডমিন্টন কৰ্ট দুখনৰ কাষৰ ঠেক খালী ঠাইডোখৰত অসুবিধাজনকভাৱে পতা চাৰিখন মেজৰপৰা ওলোৱা। সেই চাৰিখনৰ ভিতৰত মনালিছা-অৰুণজ্যোতিয়ে প্ৰেকটিছ কৰিব পৰা এখন মেজ আছে। সৰ্বভাৰতীয় পৰ্যায়ৰ প্ৰতিযোগিতামূলক খেল খেলা মেজ এখনো নাই।

অসম টেবল টেনিছ এছ'ছিয়েশ্যন আৰু চৰকাৰৰ ক্ৰীড়া বিভাগে এই সম্পদশালী বিভাগটোৰ বাবে অতি সোনকালে কিছু কাম কৰিব লাগে। গোটেই ৰাজ্যখনত প্ৰতিভা বিকাশৰ বাবে যি কৰিব লাগে সেয়া কৰা হওক কিন্তু গুৱাহাটীত কেন্দ্ৰীয়ভাৱে টেবল টেনিছৰ বাবে এটা সুকীয়া ইনড'ৰ ষ্টেডিয়াম সাজিব লাগে। তাত অন্তত দহখন উৎকৃষ্ট মেজ পাতিব লাগে। ন-শিকাৰুক শিকাবলৈ আৰু প্ৰতিযোগিতাৰ বাবে খেলুৱৈ প্ৰস্তুত কৰিবলৈ প্ৰযোজনীয় সংখ্যক প্ৰশিক্ষক নিযোগ কৰিব লাগে। কেন্দ্ৰীয়ভাৱে প্ৰশিক্ষণ-শিবিৰৰ আযোজন ঘনাই কৰিব লাগে। এইযে আন্তৰ্ৰাষ্ট্ৰীয় প্ৰতিযোগিতাখন হৈ গ'ল তাৰ ভাল খেলবোৰৰ ভিডিঅ কেছেট সংগ্ৰহ কৰিব লাগে সেইবোৰ সঘনে আমাৰ খেলুৱৈসকলক দেখুৱাব লাগে আৰু প্ৰশিক্ষকে খেলুৱৈসকলৰ লগত সেইবোৰত দেখা কৌশল সম্বন্ধে আলোচনা কৰিব লাগে। স্থানীয় প্ৰতিযোগিতাবোৰতো নিযমমতে হ'ব লাগেই তাৰ উপৰিও দুই-এখন সৰ্বভাৰতীয় পৰ্যায়ৰ প্ৰতিযোগিতা (অন্তত পূব-মাণ্ডলিক ইনটাৰ আদি) অসমত পাতিব লাগে।

টেবল টেনিছ খেলত বিশ্বত শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰা চীনদেশৰ খেলুৱৈসকলে দিনে হেনো ছঘন্টাকৈ অনুশীলন কৰে। আমাৰ যিকেইজন খেলুৱৈয়ে খেলাৰ বাবেই সংস্থান লাভ কৰিছে তেওলোকে হযতো দিনে ছঘন্টাকৈ অনুশীলন কৰাৰ সুবিধা কৰি লব পাৰে। (যদি খেলিবলৈ খালী মেজ পায। আমাৰ ষ্টেডিযামত তিনি ঘন্টা সময কটোৱা খেলুৱৈযে আচলতে খেলিবলৈ পায ৪০-৪৫ মিনিটমান বাকীখিনি সময বহি থাকি অপচয কৰে। খালী মেজ পোৱা টান।) কিন্তু বাকীসকলে? তেওলোকৰ সৰহ ভাগেই ছাত্ৰ-ছাত্ৰী। অত্যন্ত প্ৰতিভাশালী খেলুৱৈজনৰো পঢ়া শুনা পৰীক্ষা ভৱিষ্যতৰ সমস্যা আছে। এইবোৰ সমস্যাৰ লগত ছঘন্টীযা অনুশীলনক খাপ খুউৱাটো আমাৰ দেশত বৰ জটিল কাম। ভাৰত চৰকাৰে এখন আঁচনিৰে এই কামত হাত দিছে কিন্তু অসমৰ টেবল টেনিছ খেলুৱৈৰ ক্ষেত্ৰত আঁচনিখন কামত অহা

নাই। অসম চৰকাৰে দুটামান হোষ্টেল আৰু দুখনমান স্কুলৰ সহায় লৈ এখন আঁচনি কৰি চাব পাৰে। খেলুৱৈ কাৰণে পৰীক্ষা নিদিলেও তেওঁক পাছ কৰি দিয়াটো অতি সাময়িক ব্যৱস্থা, ভাল ব্যৱস্থা নহয়। খেলুৱৈক অসময়ত হ'লেও কোনোবাই বেলেগে পঢ়া-শুনাৰ ক্ষেত্ৰত সহায় কৰা কথাটোহে ভাবিব লাগে।

এইবোৰ কথা ক্ৰীড়া-সংগঠক ক্ৰীড়া-প্ৰশাসকসকলেও নিশ্চয় ভাবে। কিজানি কিবা উপকাৰ সহায় হয়েই— সেই ভাবিহে কথাখিনি কোৱা হৈছে। এইবাৰ বাৰু দিল্লীতে খেলখন হ'ল কাৰণে আমাৰ খৰ বেছি গাত নালাগিল কিন্তু ইয়াৰ পাছৰ আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনলৈতো অসমৰপৰা কমেও চাৰিজনে বিদেশলৈ যাবলৈ পাব লাগিব।

১১/৩/৮৭

# পদযাত্ৰা

এজন মানুহে বৃটিছ দ্বীপপুঞ্জৰ একেবাৰে উত্তৰৰ ঠাই এডোখৰৰ পৰা একেবাৰে দক্ষিণৰ ঠাই এডোখৰলৈ ইমান দিন ইমান ঘন্টা ইমান মিনিট খোজ কাটিলে বা অমুক বাইছাইকেলেৰে গুজৰাটৰ পৰা অসম পালেহি— এইবোৰ অভিযানমূলক কাম খেলা-ধূলাৰ লগৰ কাম। এইবোৰ কামৰ মহত্ত্ব সহজে উপলব্ধি কৰিব পৰা যায়। খোজ কঢ়া মানুহজনক বা বাইছাইকেল চলাঁওতাজনৰ যাত্ৰাৰ আৰম্ভণিৰ সময়ত বা শেষৰ সময়ত বা ওৰে বাটটোবে হাজাৰ-হাজাৰ মানুহে শুভেচ্ছা জনায় সম্বৰ্ধনা জনায় উৎসাহ দিয়ে। এই হাজাৰ-হাজাৰ লোকৰ মাজৰ দুই-এজন ঘটনাটোৰ দ্বাৰা উৎসাহিত হয় আৰু নিজেও তেনে কাম কৰাৰ চেষ্টা কৰে কিন্তু বাকী সকলো পাছ মুহূৰ্ততে নিজ-নিজ জীৱনলৈ উভতি যায়। প্ৰতিষ্ঠিত হয় সেই অভিযানকাৰীজনৰ কৃতিত্ব আৰু স্বীকৃত হয় অভিযানমূলক কামৰ প্ৰতি তেওঁৰ অৰিহণা।

কিন্তু ৰাজনৈতিক ধৰ্মীয় আদি কাৰণ জড়িত থকা এনে ধৰণৰ কিছুমান কামৰ চৰিত্ৰ একেবাৰে বেলেগ। এইবোৰ কামৰ কথা একান্তমনে ভাবি থাকিলে সেইবোৰৰ ফলাফল সম্পৰ্কে কিছুমান বিভ্ৰান্তিজনক কথা মনলৈ আহে। অৱশ্যে মহাত্মা গান্ধীৰ দাণ্ডি-যাত্ৰাৰ নিচিনা ঘটনা এই ভাবনা চিন্তাৰ বহু উৰ্ধ্বত। আগতেই কৈ লৈছো— এই ক্ষেত্ৰত আমাৰ চিন্তা-ভাবনাৰ ধৰণটো ভুল হ'ব পাৰে কিন্তু বিষয়টো আলোচনা কৰাৰ যুক্তিযুক্ততা আছে। ভাৰতত চলি থকা পদযাত্ৰাৰ নিচিনা কিছুমান ঘটনাই মূল উদ্দেশ্য কিমান সিদ্ধ কৰে সেই সম্পৰ্কে সন্দেহ হৈছিল। ভূমি বিতৰণৰ ক্ষেত্ৰত ভূমিহীনক ভূমি দিয়াৰ ক্ষেত্ৰত যাৰ হাতত ক্ষমতা আছে, যিসকলে আইন কৰি বিৰাট শাসন-যন্ত্ৰটো ব্যৱহাৰ কৰি ভূমি-সমস্যা সমাধান কৰিব পাৰে তেখেতসকল এৰোপ্লেন-মটৰ গাড়ীত দ্ৰুত গতিৰে অহা যোৱা কৰে কিন্তু বিনোবাভাৱেই ভূদানৰ বাবে ইমান কষ্ট কৰি খোজ কাটি ফুৰিব লাগে কিয়? ব্যক্তিগতভাৱে সৰ্বসাধাৰণৰ সান্নিধ্যলৈ আহি তেওঁলোকক উদ্বুদ্ধ কৰিব লাগে বা তেওঁলোকৰ মনত প্ৰভাৱ বিস্তাৰ কৰিব লাগে কাৰণে? মই এখন চহৰৰ কথা জানো— বিনোৱাভাবে আহিব কাৰণে সেইখনৰ প্ৰায়

চাৰিদিন অফিছ কাচাৰীৰ কাম বনৰ গতি অতি লেহেম বা বন্ধ স্কুল-কলেজৰ পঢ়া শুনা বন্ধ গোটেই বাটটোত হাজাৰ-হাজাৰ মানুহৰ ধন শ্ৰম আৰু সময় খৰচ। আৰু এতিয়া সেই অঞ্চলটোৰ মানুহে ভূদানৰ মাটি বুলিলে খাল পিতনি হোৱা বহুদিন ধৰি লেতেৰা মকৰ্দমাৰ মাজত সোমাই থকা মাটিৰ কথা বুজে। এতিয়াও তাত সকলোৰে সুবিধাৰ কাৰণে ৰাস্তাটো অলপ বহল হওক বুলি নিজৰ মাটিৰ দেৱালখন এফুট পিছুৱাই দিবলৈ কোনো ৰাজী নহয়।

ইমান দ্ৰুতগতিৰ দিন-কাল — ৰাজীৱ গান্ধীয়ে ধুমুহাৰ গতিৰে দেশখনৰ তিনিকোণৰ তিনিখন ৰাজ্যত দিনে কুৰি-পাঁচিছখনকৈ নিৰ্বাচনী সভাত বক্তৃতা দিয়ে সেই সময়তে পঞ্জাবত নিৰপৰাধ মানুহ হত্যা কৰি কি দ্ৰুতগতিৰে হত্যাকাৰী পলায — আৰু সেই সময়তে সংসদৰ সদস্য সুনীল দত্তই বোম্বাইৰপৰা অমৃতসৰলৈ খোজ কাঢ়ি আছে। এটা সমস্যাৰ প্ৰতি মানুহৰ মন আকৰ্ষিত হ'ব মানুহৰ মন সলনি হ'ব — এযেই উদ্দেশ্য। উদ্দেশ্য পূৰণ হ'বনে? চন্দ্ৰশেখৰৰ পদযাত্ৰাই কি সুফলৰ সৃষ্টি কৰিলে? যিসকলৰ মাজেদি সুনীল দত্তই পদযাত্ৰা কৰিছে, তেওঁলোকতো উগ্ৰপন্থী শিখ নহয়। তেওঁলোকেতো এনেযেও পঞ্জাবত অশান্তি কৰিবলৈ নাযায়। কিন্তু অইন নালাগে— এই পদযাত্ৰাত কেৱল পুলিছৰ সুৰক্ষা যান-বাহন নিয়ন্ত্ৰণ আদি কামতেই কিমান মানুহ ধন আৰু সময় খৰচ হৈছে তাৰ এটা অনুমান অন্তত টেলিভিছনৰ ছবি চাযেই কৰিবলৈ চেষ্টা কৰক। মাদাৰ টেৰেছাই গোটেই পৃথিৱীখন এৰোপ্লেনেৰেই ভ্ৰমি ফুৰে তেখেতৰ এৰোপ্লেনৰ ভাৰাৰ হিচাপ লোৱাৰ কথা কিন্তু আমাৰ মনলৈ নাহে। কাৰণ তেখেতৰ খৰচ সুফলদায়ক বুলি প্ৰমাণ পোৱা গৈছে।

এনেকুৱা লাগে— যেন দেশখনত পুৰীৰ ৰথযাত্ৰা কুম্ভমেলা সুনীল দত্তৰ পদযাত্ৰা বানপানীৰ সময়ত ট্ৰাক এখন সজাই-পৰাই সংগীত পৰিবেশন কৰি বৰঙণি তোলা বিকলাংগ দিবস পালন — এই এটাইবোৰ এক বিচিত্ৰ দৰ্শনৰ মাজত একাকাৰ হৈ গৈছে। দেশকৰ্মীয়ে নেতাই জনসাধাৰণৰ লগত পোনপটীয়া সম্পৰ্ক ৰক্ষা কৰাটো তেওঁলোকে নিজে জনসাধাৰণৰ সুখ দুখৰ খবৰ লোৱাটো জনসাধাৰণক ভাল কামৰ প্ৰতি উদ্বুদ্ধ কৰাটো তেওঁলোকে জনসাধাৰণৰ মাজতেই ঘূৰা-পকা কৰি ফুৰাটো ভাল কাম। কিন্তু কামবোৰ মেলামুখী হ'ব নালাগে। আমি পদযাত্ৰা দেখোঁ সভা দেখোঁ কিন্তু ছিটি বাছত এম এল এ এজন বহি ক'ৰবালৈ গৈ থকা নেদেখোঁ তেখেতক গাঁৱে-গাঁৱে খোজকাঢ়ি ঘূৰি ফুৰা নেদেখোঁ। বহুত কাম ব্যস্ত সময় নাই। সময় আছে কেৱল সুনীল দত্তৰ।

এনে অৱস্থাত সৌ সিদিনা ৰাজ্যসভাৰ সদস্যা বিজয়া চক্ৰৱৰ্তী ৰিক্সাত উঠি দিছপুৰলৈ আহোঁতে পুলিছে ধৰিলে বুলি শুনি আচৰিত হ'লো। পুলিছে ধৰাৰ কাৰণে যিমান আচৰিত হ'লো তেখেত ৰিক্সাত উঠি আহিছিল বুলি শুনি তাতকৈ বেছি আচৰিত হ'লো।

২৪/৩/৮৭

# টেলিভিছনৰ পৰ্দা ঃ জাতিৰ দাপোণ

কিছুমান বস্তু প্ৰয়োজনীয় বুলি ভবা হয়, সেইবোৰ পাবলৈ আগ্ৰহ প্ৰকাশ কৰা হয় বা দাবীও কৰা হয় কিন্তু বস্তুবোৰ পোৱাৰ পাছত পাওতাৰ দায়িত্বও বাঢ়ে সমস্যাও বাঢ়ে। এনে বস্তুৰ উদাহৰণ হ'ল— অনুষ্ঠান যুগুত কৰিব পৰা ষ্টুডিঅ আদিৰে সৈতে দূৰদৰ্শন কেন্দ্ৰ এটা। অসমত এনে এটা কেন্দ্ৰ স্থাপিত নোহোৱা হ'লে আমি আপত্তি কৰিলোহেঁতেন কিন্তু হোৱাৰ পাছত আমাৰ দায়িত্ব কি সমস্যা কি সেইবোৰলৈও চকু ৰাখিব লাগে। যদি কেন্দ্ৰটো কেৱল ৰিলে কৰা কেন্দ্ৰহে হ'লহেঁতেন অৰ্থাৎ দিল্লীয়ে যেতিয়া যি পঠিয়ায় তাকেহে পালোহেতেন চালো চালো নাচালো নাই ৰিলে কেন্দ্ৰৰ যন্ত্ৰকেইটা চলি থাকিলেই হ'ল অসমীয়া প্ৰগ্ৰেম্মো দেখুৱাব লাগে বুলি দিল্লীক কৈ থাকিলেই হ'ল। কিন্তু যেতিয়া আমাকে অনুষ্ঠান প্ৰস্তুত কৰিবলৈ দিয়া হৈছে, তেতিয়া আমাৰ দায়িত্বৰ পৰিমাণ বহু বেছি হৈছে। দূৰদৰ্শন কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিয়ন্ত্ৰিত গতিকে ৰাজনৈতিক কাৰবাৰবোৰৰ ধৰণ সুকীয়া হ'ব কিন্তু সাংস্কৃতিক দিশত সম্পূৰ্ণ দায়িত্ব আমাৰ। টেলিভিছনৰ এই পৰ্দাখন অতি আকৰ্ষণীয় বস্তু অসমতে বহি বিভিন্ন ভাষা-ভাষী বিভিন্ন কৃষ্টি-সংস্কৃতিৰ লগত সম্পৰ্ক থকা মানুহে আগ্ৰহেৰে এই পৰ্দাখনলৈ চাই থাকে। এই পৰ্দাখন কেৱল গান গাই বা নাচি থকা কোনোব' শিল্পী' ওলোৱা পৰ্দা নহয় কোনোবা প্ৰযোজকে প্ৰযোজনা কৰা এটা অনুষ্ঠান বহুতে দেখাকৈ থোৱা বাচন নহয় এই পৰ্দাখন হ'ল— আমাৰ কৃষ্টি-সংস্কৃতিৰ ৰূপ কি আমি তাৰ চচা কেনেদৰে কৰিছো কিমান দক্ষতাৰে সেইবোৰ বিশ্বৰ আগত উপস্থাপন কৰিব পাৰিছোঁ তাৰ হিচাপ নিৰ্ণয় কৰা দাপোণ। (অসমীয়া অনুষ্ঠান কেৱল অসমীয়া মানুহখিনিয়েহে চায— এই কথা সচা নহয় বুলিয়েই বিশ্ব'ৰ কথা কৈছো। যদি সেই কথা সঁচা তেনেহ'লে আমি সকলোৱে সেই সঁচা কথাটোৱে দিয়া লাজ নতশিৰে গ্ৰহণ কৰিব লাগিব।) এইখিনিতে এটা কথালৈ মন কৰাটো প্ৰয়োজনীয় কেৱল নৃত্য-গীত-নাটক আদিকে সংস্কৃতিৰ বস্তু বুলি ধৰাটো ভুল কাম। এইযে অমুক বিভাগৰ মুৰব্বী বিষয়াজনৰ সাক্ষাৎকাৰ এটা দেখুউৱা হৈছে,

সেই বিষয়াজন আৰু সাক্ষাৎকাৰ লওতাজনৰ মাজতো এক ধৰণৰ সংস্কৃতি প্ৰতিফলিত হৈ থাকে।

গতিকে সামগ্ৰিকভাৱে আমাৰ কৃষ্টি-সংস্কৃতিক কিমান দক্ষতাৰে আমি এই পৰ্দাখনত প্ৰতিফলিত কৰোঁ সেইটো এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন।

প্ৰথমতে আমি মন কৰিব লাগিব— টিভিৰ কাৰ্যসূচীখন কাগজত লিখি উলিওৱা কামতেই জ্ঞান বুদ্ধি অভিজ্ঞতা আৰু দক্ষতাৰ প্ৰয়োজন কিন্তু সেইবোৰক পৰ্দালৈ নিবৰ কাৰণে ব্যৱস্থাপনা পৰিচালনা আৰু নানান ধৰণৰ কাৰিকৰী কাণ্ডৰ প্ৰযোজন। এই সকলো দিশৰ জোৰা মাৰি উচ্চ নহলেও অন্তত প্ৰযোজনীয় মান ৰক্ষা কৰি কাম কৰিব পৰা কিমান মানুহ গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ লগত জড়িত হৈছে, সেইটো কেন্দ্ৰটোৰ কৰ্মকৰ্তাসকলেই নিৰপেক্ষভাৱে বিচাৰ কৰিব লাগিব। প্ৰশিক্ষণপ্ৰাপ্ত আৰু সৃষ্টি কৰিব পৰা প্ৰতিভাসম্পন্ন মানুহ যে সদায় একেজনেই নহয় এই কথাটো তেখেতসকলে স্বীকাৰ কৰি মনত ৰাখিব লাগিব। ধৰি লওক কাগজত কাৰ্যসূচী প্ৰস্তুত কৰোঁতে ভাবি-চিন্তি ঠিক কৰা হ'ল— সপ্তাহত এদিনকৈ যুবক-যুৱতীসকলৰ কাৰণে আধাঘন্টীযা অনুষ্ঠান এটাৰ ব্যৱস্থা কৰিব লাগে। ভাল কথা। সেই অনুষ্ঠানত কণ্ঠ-সংগীত যন্ত্ৰ-সংগীত আলোচনা আৰু সাক্ষাৎকাৰ থাকিব। ভাল কথা। কিন্তু কণ্ঠ-সংগীত পৰিবেশন কৰিবলৈ আপুনি মাতিব কাক? বৰ্তমান অসমৰ যুবক-যুৱতীসকলৰ ভিতৰত টিভিৰ পৰ্দাত ওলাই ন্যূনতম মান ৰক্ষা কৰি কণ্ঠ-সংগীত পৰিবেশন কৰিব পৰা লোক কিমান আছে, কোন-কোন আছে, সেই বিষযে প্ৰযোজকসকলৰ নিশ্চয় জ্ঞান থাকিব লাগিব আৰু মান সম্পৰ্কে তেখেতৰ নিজৰ ধাৰণাও মোটামুটি ঠিক হ'ব লাগিব। নে তেও বন্ধু-বান্ধৱসকলৰ মাজত 'আমাকো এটা চান্স দেনা ভাই — ভিত্তিত কাম কৰিব? মোটামুটিভাৱে অসমৰ গীত-মাতৰ জগতখনৰ লগত সম্পৰ্ক ৰখা মানুহো কেতিযাবা গুৱাহাটীৰ দূৰদৰ্শন কেন্দ্ৰৰ একোটা অনুষ্ঠান দেখি আচৰিত হয— কি-কি যোগ্যতাৰ বলত এও টিভিৰ পৰ্দাত ওলাবলৈ পালে? গুৱাহাটীত যেতিযা আকাশবাণীৰ কেন্দ্ৰ প্ৰতিষ্ঠিত হয তেতিযাও অসম পিছপৰা আছিল কিন্তু গীত-মাত চৰ্চাৰ ক্ষেত্ৰত চৰ্চাকাৰীসকলৰ এক ধৰণৰ সততা আছিল। (বেছি নালাগে কেৱল আধুনিক গীতৰ ক্ষেত্ৰত পঞ্চাছ আৰু ষাঠিৰ দশকত বীৰেন ফুকন ড ভূপেন হাজৰিকা দিলীপ শৰ্মা তাৰিকুদ্দিন আহমেদ ড বীৰেন্দ্ৰ নাথ দত্ত জ্যোতিৰ্ময় কাকতী মিহিৰ বৰদলৈ খগেন মহন্ত সুদক্ষিণা শৰ্মা গুণদা দাস দীপালী বৰঠাকুৰ আদিৰ গীত চৰ্চাৰ ধাৰাটো লক্ষ্য কৰক।) লাহে-লাহে অৱক্ষয় আৰম্ভ হ'ল আৰু যেতিযা এই অৱক্ষযে এক উদ্বেগজনক অৱস্থাৰ সৃষ্টি

কৰিছে, তেতিয়াই — সেই উদ্বেগজনক অৱস্থাৰ মাজতে গুৱাহাটীত দূৰদৰ্শন কেন্দ্ৰৰ জন্ম হৈছে। গতিকে আকাশবাণীৰ গুৱাহাটী কেন্দ্ৰ প্ৰতিষ্ঠা আৰু তাৰ পাছৰ সময়ছোৱাত কৰ্মকৰ্তা আৰু ৰাইজৰ দায়িত্ব যিমান আছিল দূৰদৰ্শন কেন্দ্ৰটোৰ ক্ষেত্ৰত দায়িত্ব তাতকৈ বহু বেছি হ'ল। কৰ্মকৰ্তা-প্ৰযোজকসকলৰ প্ৰতিভা দক্ষতা আৰু অনুষ্ঠানৰ মান সম্পৰ্কীয় ধাৰণাবোৰ যদি মোটামুটিভাৱে ঠিক হয় তেনেহ'লে তেখেতসকলে অনুষ্ঠান পৰিবেশন কৰোঁতাসকলৰ মানো নিৰ্দিষ্ট কৰিব পাৰিব অনুষ্ঠানবোৰৰ সামগ্ৰিক মানো নিৰ্দিষ্ট কৰিব পাৰিব দৰ্শকৰ মানৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰিব পাৰিব। আনহাতে দৰ্শকৰ বিচাৰ-বুদ্ধি যদি ভাল মানসম্পন্ন হয় তেখেতসকল যদি সচেতন হয় তেনেহ'লে কৰ্মকৰ্তা-প্ৰযোজকসকলৰ ওপৰতো এটা প্ৰভাৱ নিশ্চয় পৰিব। কিন্তু এটাইকেইটা পক্ষই যদি কথাবোৰ ঢিলাই দিয়ে টিভি পৰ্দাৰ গুৰুত্বটো উপলব্ধি নকৰে তেনেহ'লে বৰ্তমানৰ অসমৰ নিচিনা ঠাইত এই পৰ্দা কেৱল চেহেৰা দেখুউৱা নাম দেখুউৱা পৰ্দাত পৰিণত হ'ব।

ষ্টুডিঅ'ৰ স্থায়ী ঘৰ-দুৱাৰ সম্পূৰ্ণ হোৱাৰ পাছত গুৱাহাটীৰ দূৰদৰ্শন কেন্দ্ৰই বৰ্তমানৰ দৈনিক প্ৰায এঘন্টাৰ অনুষ্ঠানৰ ঠাইত দুই-তিনিঘণ্টাৰ অনুষ্ঠান পূৰ্বাঞ্চলৰ কেইবাটাও ৰিলে কেন্দ্ৰক দিব লাগিব। তেতিয়া সমস্যা এতিযাতকৈ বহু বেছি জটিল হ'ব। সেই অৱস্থাৰ সন্মুখীন হ'বলৈ এতিয়াই সাজু হ'বৰ হ'ল। দূৰদৰ্শনৰ নিযম-কানুনত ব্যৱস্থা আছে নে নাই নাজানো কিন্তু ইযাৰ গুৱাহাটী কেন্দ্ৰৰ বাবে এখন পৰামৰ্শদাতা সমিতিৰ প্ৰযোজন। আকাশবাণীৰ প্ৰগ্ৰেম এডভাইজৰি কমিটি আছে।

৬/৪/৮৭

শেঃ পৃঃ ১৭

# সাধাৰণ সৎ লোকৰ হতাশা

কিছুমান ভাৰতীয় কোম্পানি বা মানুহে বিদেশত অবৈধভাৱে বৃহৎ পৰিমাণৰ ধনৰ লেনদেন কৰিছে বা বৃহৎ পৰিমাণৰ ধন জমা কৰিছে,— এই কথাটো সঁচা নে মিছা যদি সঁচা তেনেহ'লে ক'ত কোনে কিমান কি কৰিছে, সেই বিষয়ে অনুসন্ধান কৰিবলৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ বেচৰকাৰী চোৰাংচোৱা প্ৰতিষ্ঠান এটাক গোপনে নিযোগ কৰা হ'ল। আমেৰিকাৰ প্ৰতিষ্ঠানক কিয়? বোধকৰোঁ ইয়াৰ প্ৰথম কাৰণ হ'ল ঘটনাবোৰ বিদেশত ঘটিছে কাৰণে বিদেশৰ মানুহেই অনুসন্ধানবোৰ অধিক সুকলমে কৰিব পাৰিব। দ্বিতীয় কাৰণটোৰ লগত দক্ষতা নিৰপেক্ষতা সততা আদিৰ প্ৰশ্ন জড়িত আছে। যি কাৰণত অসমত ঘটা ঘটনা এটাৰ তদন্ত ছি বি আইৰ হাতত দিবলৈ কোনো-কোনো মহলৰপৰা দাবী জনোৱা হয় যি কাৰণত এই ৰাজ্যৰ ন্যায়ালয়ত চলি থকা মকৰ্দমা এটা ৰাজ্যখনৰ বাহিৰৰ ন্যায়ালয়লৈ নিবলৈ দাবী জনোৱা হয় সেইটোৱেই বোধকৰোঁ দ্বিতীয় কাৰণ। আৰু আয়োজনটো গোপনে কৰা হ'ল কিয়? এই প্ৰশ্নৰ বোধকৰোঁ উত্তৰ হ'ব— গোপনে নকৰি কাৰ লগত আলোচনা কৰি কৰা হ'ব? যাৰ লগত আলোচনা কৰা হ'ব হয়তো তেওলোকৰ মাজতে অপৰাধী আছে, নাইবা তেওলোকেই অপৰাধীৰ ৰক্ষাকৰ্তা। বিত্তমন্ত্ৰী হিচাপে বিদেশী চোৰাংচোৱা নিযোগ কৰিবৰ সময়ত বিশ্বনাথ প্ৰতাপ সিঙে কথাবোৰ এনেকৈ ভাবিছিল বুলি ভবাৰ যুক্তি আছে।

তাৰ পাছত পশ্চিম জাৰ্মেনিৰ প্ৰতিষ্ঠান এটাই ভাৰতলৈ ছাবমেৰিন যোগান ধৰাৰ বন্দবস্তত মাজতে এটা পক্ষই ত্ৰিছ কোটি টকা কমিশ্যন ল'লে নে কি সেই বিষয়ে শ্ৰী সিঙে (এইবাৰ প্ৰতিৰক্ষা মন্ত্ৰী হিচাপে) এটা অনুসন্ধান চলোৱাৰ কথা ঘোষণা কৰিলে। এই ঘোষণাৰ সময় আৰু পৰিস্থিতি বৈশিষ্ট্যপূৰ্ণ আছিল।

শ্ৰী সিঙৰ এই কাণ্ড-কাৰখানাবোৰ দেখি শাসনত থকা দলটোৰ নেতা আৰু নেতৃস্থানীয় সদস্যসকলে এইদৰে চিন্তা-চৰ্চা কৰিব পাৰে এই মানুহজনে কিছুদিনৰপৰা কিছুমান চমক লগোৱা কাম কৰি নিজকে আমাৰ দলটোৰ ভিতৰত জনসাধাৰণৰ মানত শক্তিশালী মানুহ বুলি প্ৰতিষ্ঠা কৰিব

খুজিছে। হয়তো তেওঁ নিজকে দ্বিতীয়জন দলনেতা নাইবা বিকল্প দলনেতা হিচাপে প্ৰতিষ্ঠা কৰিব খুজিছে। এওঁক কি কৰা যায়? মন্ত্ৰীসভাৰ পৰা আঁতৰোৱা হওক দলৰপৰা বহিষ্কাৰ কৰা হওক, প্ৰণৱ মুখাৰ্জীৰ নিচিনা কৰা হওক।

আৰু ঠিক সেই সময়তে দুৰ্নীতি নিৰ্মূল কৰিব খোজা নিকা শাসন প্ৰবৰ্তন কৰিব খোজা দলনেতা বা সদস্যসকলে কোৱা উচিত আছিল— 'নহয় তেও কেইটামান কাম কৰিব খুজিছে যেতিয়া আৰু এই ঘটনাবোৰৰ কথা সমগ্ৰ পৃথিৱীতে ফাটি-ফুটি গ'ল যেতিয়া তেওক কামকেইটা শেষ কৰিবলৈ দিয়া হওক। আমি যদি এতিয়া এই কামত বাধা দিও তেনেহ'লে পৃথিৱীয়ে ধৰি লব— আমি দুৰ্নীতিক প্ৰশ্ৰয় দিছোঁ। আনহাতে এইবোৰ অনুসন্ধানৰ ফলস্বৰূপে যদি সঁচাকৈয়ে কিছুমান দুষ্কাৰ্য ধৰা পৰে যদি ভৱিষ্যতলৈ কিছুমান দুৰ্নীতি ৰোধ কৰিব পৰা যায় তেনেহ'লে মুষ্টিমেয় কিছু ধনী লোকে বেযা পালেও দেশখনৰ লক্ষ-লক্ষ সাধাৰণ মানুহে আমাক ভাল পাব ঘোষিত নীতি অনুসৰি কঠোৰভাৱে কাম কৰিছোঁ কাৰণে আমাৰ দলটোৰ ভাবমূৰ্তি (image) উজ্জ্বল হ'ব। বিশ্বনাথ প্ৰতাপ সিং কিয আচলতে আমি প্ৰত্যেকেই এনে কাম কৰিব লাগে। অৱশ্যে তেও যি ধৰণে কামবোৰ আৰম্ভ কৰিলে সি চৰকাৰখন আৰু দলটোক আচম্বিতে শ'লঠেকত পেলালে। এই বিষযে আমি আমাৰ ভিতৰতে গোপন আলোচনা কৰি সমুচিত ব্যৱস্থা লম কিন্তু বাহিৰত হুলস্থূল নকৰোঁ।

শাসনকাৰী দল আৰু সেই দলৰ নেতাসকলৰ বিচাৰ-বিবেচনা এনেকুৱা হোৱা হ'লে, সচাকৈয়ে কেইবাটাও দিশত দেশখনৰ উপকাৰ হ'লহেঁতেন। কিন্তু প্ৰথম অৱস্থাতে দলটোৰ এচামে উত্তেজিত হৈ এনে কিছুমান কথা ক'লে বা কাম কৰিলে যাৰ ফলত সাধাৰণ দেশবাসীৰ ধাৰণা হ'ল— এওলোকৰ লুকুৱাবলগীয়া কথা আৰু ঘটনা আছে। কিন্তু এওলোকে লুকুৱাব খুজিলেও যে কথা লুকাই নাথাকে তাৰ প্ৰমাণ ছুইডেনৰ চৰকাৰী অনাতাঁৰ মাধ্যমে দিবলৈ আৰম্ভ কৰিলে। যেতিযালৈকে সেই সংবাদ-মাধ্যমে সমগ্ৰ বিশ্বৰ আগত তেওলোকৰ ভুল হৈছিল বুলি স্বীকাৰ কৰি ক্ষমা নোখোজে তেতিযালৈকে বিশ্ববাসীয়ে বুজি থাকিব— বফৰ্চ কোম্পানিৰ পৰা কোটি-কোটি টকাৰ অস্ত্ৰ-শস্ত্ৰ কিনাৰ সময়ত শাসনত থকা ৰাজনৈতিক দলটোৰ মানুহ আৰু সৈন্য বিভাগৰ মানুহে বৃহৎ পৰিমাণৰ ধন ঘোচ হিচাপে লৈছে।

উচ্চস্থানত ঘটা এইবোৰ ঘটনাই তলৰ পৰ্যায়ত সাধাৰণ মানুহৰ নৈতিকতাক বৰ বেযাকৈ প্ৰভাৱান্বিত কৰে। ই-কংগ্ৰেছৰ শীৰ্ষস্থানীয মহলৰ পৰা কোৱা

হৈছে— এইবিলাক কু-চক্রান্তমূলক ঘটনা আমাৰ দেশখনৰ ৰাজনৈতিক প্ৰণালীটো নষ্ট কৰিবৰ কাৰণে এইবিলাক ঘটনাৰ সৃষ্টি কৰা হৈছে আমাৰ সৈন্যবাহিনীৰ মনোবল নষ্ট কৰিবলৈ চেষ্টা কৰা হৈছে। অসুবিধাজনক অৱস্থাত পৰিলেই যে শত্ৰু ভাবাপন্ন দেশৰ প্ৰতি দেশবাসীৰ দৃষ্টি আকৰ্ষণ কৰা সৈন্যবাহিনীৰ ওপৰত গুৰুত্ব দিয়া দেশৰ অখণ্ডতাৰ দোহাই দিয়া আদি কামবোৰ চৰকাৰে কৰি থাকে সাধাৰণ বুদ্ধি থকা মানুহেও আজিকালি সেইবোৰক ৰাজনৈতিক তালি-বাজি বুলিযেই ধৰে। তেওলোকে যে সৈন্যবাহিনীৰ মনোবলৰ কথা কৈছে, দেশখনৰ লক্ষ-লক্ষ অসামৰিক সৎ মানুহৰ মনৰ অৱস্থা কি হৈছে? কোটি-কোটি টকাৰ অবৈধ লেনদেনৰ বিপক্ষে যুজিবলৈ চৰকাৰৰ যি আন্তৰিকতা সাহস আৰু শক্তিৰ প্ৰকাশ হ'ব লাগে তাৰ অভাৱ দেখিলে দুৰ্নীতিৰ পৰা আঁতৰ হৈ থাকিবলৈ চেষ্টা কৰাসকলৰ মনোবল টুটে। এইবোৰ ঘটনাই দেশখনৰ লক্ষ-লক্ষ দুৰ্নীতিগ্ৰস্ত মানুহক যি সাহস আৰু প্ৰেৰণা দিযে তাক ৰোধিবলৈ দেশখনৰ দুৰ্নীতিমুক্ত বিষযা কৰ্মচাৰীসকলে বল পায ক'ৰপৰা? আজি দুশ টকা ঘোচ খোৱা কৰ্মচাৰী এজনক ধৰা পেলোৱা বিষযাজনৰ কৃতিত্বৰ ৰূপটো কি?

ৰাজনৈতিক ক্ষমতা হাতত ৰখাৰ বাবে নৈতিক অৱক্ষযলৈ পিঠি দিযাৰ প্ৰবণতা দেশখনত দিনে-দিনে বাঢ়িছে। এই অৱস্থাৰ বিৰুদ্ধে যুজি ৰাইজক নেতৃত্ব দিব পৰা এটা ব্যৱস্থাৰ আবিৰ্ভাৱৰ বাবে বাট চোবাৰ বাহিৰে সৎ লোকৰ উপায নোহোৱা হৈছে। হতাশা ইমানেই গভীৰ।

২৪/৪/৮৭

# শিক্ষক-সমাজৰ নেতৃত্ব

যি কামত আমাক নিযোগ কৰা হৈছে, সেই কাম সুচাৰুৰূপে দক্ষতাৰে কৰিবলৈ দেশখনৰ মানুহৰ সামগ্ৰিক আৰ্থিক অৱস্থাৰ লগত সংগতি থকা ধৰণৰ সা-সুবিধা আমি পাবই লাগিব। আজি যি পাইছোঁ তাক আমি সকলোৱে যথেষ্ট বুলি নাভাবোঁ আজি এইখিনিযেই যথেষ্ট বুলি কোনোবাই যদি ভাবেও কাইলৈ তেওলোকৰ কাৰণেও সেইখিনি যথেষ্ট নোহোৱা হৈ পৰে। আৰু যথেষ্ট হ'লেও আৰু বেছি সা-সুবিধা আজি কিমানক নালাগে? গতিকে চাকৰিত নিযুক্ত থকা লোকৰ সংগঠনসমূহে যুক্তিযুক্ত বা অযুক্তিকৰ — বিভিন্ন কাৰণত অধিক সা সুবিধাৰ কাৰণে অনুৰোধ-দাবী কৰা প্ৰক্ৰিয়াটো চলিযেই থাকে। আৰু অবিৰতভাৱে চলি থাকে কাৰণেই চাকৰি নকৰা এভাগ মানুহৰ দুটা চিন্তা হয় নিযুক্তসকলে যে সদায় দাবী কৰি থাকিব লাগে নিযোগকৰ্তাসকলে নিজৰ ফালৰপৰাই অবিৰতভাৱে অৱস্থাবোৰ পৰীক্ষা কৰি যথোপযুক্ত সময়ত যথোচিত নিৰিখত সা সুবিধা বঢ়াই থকাৰ ব্যৱস্থাটো নিৰ্ভৰযোগ্য আৰু গ্ৰহণযোগ্য কৰি নোতোলে কিয়? কিয় সংগঠনবোৰক কেৱল সা-সুবিধা বঢোৱাৰ কাৰণে আন্দোলন কৰি থকা'ৰ অপবাদৰ মাজলৈ ঠেলি থকা হয়? দ্বিতীয় চিন্তাটো হ'ল — এই সংগঠনসমূহে যিবোৰ প্ৰস্তাৱ বা দাবী গ্ৰহণ কৰে তাৰ ভিতৰত সদস্যসকলৰ কৰ্তব্যৰ প্ৰতি নিষ্ঠা নিয়মানুবৰ্তিতা সততা জনসেৱা আদি সম্পৰ্কীয় প্ৰস্তাৱ থাকেনে? 'আমাৰ সংগঠনৰ প্ৰতিজন সদস্যই সময়মতে কৰ্মস্থলীত উপস্থিত হৈ গভীৰ নিষ্ঠা আৰু সততাৰে নিজৰ কৰ্তব্য সমাপন কৰিব নিৰ্ধাৰিত সময়ৰ আগেযে কৰ্মস্থলী ত্যাগ নকৰিব আৰু কৰ্তব্যৰ কালত মুখামুখি হোৱা জনসাধাৰণৰ লগত সহায় সহানুভূতি সৌহাৰ্দ্যৰ সম্পৰ্ক ৰক্ষা কৰিব। — দৰমহাৰ নিৰিখ মৰগীয়া বানচ ঘৰ ভাৰা চিকিৎসা-বানচ ভ্ৰমণ বানচ আদিৰ প্ৰস্তাৱৰ লগতে এনেকুৱা এটা প্ৰস্তাৱো লোৱা হয়নে?

এক কথাত এইবোৰ অতি-আদৰ্শবাদী, utopian (সকলো ফালৰ পৰা নিখুঁত পূৰ্ণতাপ্ৰাপ্ত ৰাষ্ট্ৰ স্থাপনৰ স্বপ্নপূৰ্ণ, কাল্পনিক আৰু অসম্ভৱ) চিন্তা বুলি উৰাই দিব পাৰি। কিন্তু উৰাই নিদিলে কি হয়? একো লাভ নহয়নে?

এই প্ৰশ্নটো শিক্ষা-দীক্ষা বৃত্তি আদিৰ ফালৰপৰা সমাজত বিশিষ্ট স্থান অধিকাৰ কৰি থকা শিক্ষকসকলৰ সংগঠনসমূহেই প্ৰথমে বিচাৰ কৰি চাব পাৰে আৰু বিচাৰৰ ফলাফলৰ ওপৰত ভেটি কৰি অন্যান্য সংগঠনসমূহক বাট দেখুৱাব পাৰে। এই প্ৰসংগটো মনলৈ অহাৰ এটা কাৰণ আছে। যোৱা এপ্ৰিল মাহত নাৰায়ণপুৰত অনুষ্ঠিত অসম কলেজ শিক্ষক সংস্থাৰ বছৰেকীয়া অধিবেশনৰ বাতৰি এখন কাকতত পঢ়িলো। অধিবেশনত গ্ৰহণ কৰা প্ৰস্তাৱসমূহৰ পাৰস্পৰিক গুৰুত্বৰ কাৰণেই হওক বা বাতৰি পৰিবেশন কৰাৰ ধৰণটোক আজিকালি এক ধৰণৰ বতাহে কোবাই থকাৰ কাৰণেই হওক — বাতৰিটোৰ শিৰোনামাটো হ'ল— শিক্ষক সংস্থাটোৱে সৰ্বভাৰতীয় সংস্থাই দিয়া ধৰ্মঘটৰ আহ্বান সমৰ্থন কৰিছে। শিৰোনামাটো দেখিযেই হ'ল নহয অধিবেশনখন সম্পৰ্কে আপোনাৰ এটা ধাৰণা। ৯৬ শাৰীৰ বাতৰিটোৰ ৫১ শাৰীত চাকৰিৰ সা-সুবিধা নিৰাপত্তা আদিৰ কথা আছে, ৩৮ শাৰীত তিনি বছৰীযা ডিগ্ৰিৰ পাঠ্যক্ৰম পাঠ্যপুথি কৰ্মমুখী শিক্ষা পৰীক্ষা-ঘৰত পৰীক্ষাৰ্থীযে নকল কৰা পৰীক্ষা-ঘৰৰ তত্ত্বাৱধাযকক মাৰ-ধৰ কৰা ৰাজ্যৰ উদ্যোগসমূহত কৰ্মসংস্থান পাব পৰাকৈ থলুৱা যুবক-যুবতীক প্ৰশিক্ষণ দিবলৈ প্ৰতিষ্ঠান স্থাপন কৰা আদিৰ কথা আছে, আৰু এইবোৰ বিষযত বিহিত ব্যৱস্থা লবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষসমূহৰ ওচৰত দাবী উত্থাপন কৰা হৈছে। ঠিকেই আছে। আজিৰ অসমৰ শিক্ষাজগতৰ কঠিন সমস্যাসমূহ আৰু শিক্ষকসকলৰ নিজৰ সা-সুবিধা — এই সকলোৰে প্ৰতি সংস্থাটো সজাগ। কিন্তু বাতৰিটোৰ শিৰোনামা— পাঠ্যক্ৰম আৰু পাঠ্যপুথিৰ সমস্যা সমাধান কৰিবলৈ শিক্ষক সংস্থা বদ্ধপৰিকৰ' — এনে ধৰণৰ হ'ব নোৱাৰিলেহেতেন নে? হোৱাহেতেন পাৰ্থক্যটো কিমান গুৰুত্বপূৰ্ণ হ'লহেতেন।

শৈক্ষিক পৰিবেশ সৃষ্টি কৰা — এই বহুকথিত কামটো কোনে কৰে? কিহে কৰে? আমাৰ বোধেৰে এই সৰু-সৰু কথাবোৰেও কৰে।

চৰকাৰে ধনৰ যোগান ধৰিব পাৰিলে শিক্ষকৰ সা-সুবিধা বাঢ়িব কিন্তু শিক্ষকে নিজে নকৰিলে বা নিজে সহায নকৰিলে কোনখন চৰকাৰ কোনখন বিশ্ববিদ্যালয কোনখন বৰ্ডৰ সাধ্য আছে পাঠ্যক্ৰম-পাঠ্যপুথিৰ খেলিমেলি দূৰ কৰাৰ — পৰীক্ষাঘৰত নকল বন্ধ কৰাৰ — প্ৰাইভেট টিউছন সম্পৰ্কে এটা ব্যৱস্থা কৰাৰ — সময-সূচীমতে শ্ৰেণীত পঢ়া-শুনা কৰোৱাৰ?

আজি আমাৰ শিক্ষাৰ ক্ষেত্ৰত দেখা দিয়া সমস্যাবোৰৰ কথা জানিবলৈ স্কুলৰ ছাত্ৰ-ছাত্ৰীযে লিখা চিঠি একোখনেই যথেষ্ট। সেই চিঠিৰ কথাবোৰ বহুত ডাঙৰ বক্তৃতাতকৈও মৰ্মস্পৰ্শী। সমস্যাবোৰৰ কাৰণো যথেষ্ট পৰিমাণে ব্যাখ্যা কৰা হৈছে। কিন্তু সেইবোৰৰ সমাধান কৰে কোনে? এইখিনি কথাকে

ভাবি আমি শ্ৰদ্ধাৰে সৈতে স্কুল কলেজ বিশ্ববিদ্যালয় সকলো পৰ্যায়ৰে শিক্ষকসকলৰ মুখলৈ চাইছোঁ। তেখেতসকলে একো-একোটা সমস্যাৰ বিষয়ে নিজৰ ভিতৰত আলোচনা কৰি উপায় উলিয়াব পাৰে আৰু সেই উপায় মানি চলিব পাৰে। ক্লাছবোৰ ঠিকমতে নহয় কিয়? — এই বিষয়টো আলোচনা কৰিবলৈওতো এখন অধিবেশন অনুষ্ঠিত হ'ব পাৰে। এইটোতো এটা ডাঙৰ সমস্যা। পাঠ্যপুথি নাই যেতিয়া ক্লাছবোৰ ঠিকমতে হোৱাটোতো আৰু বেছি প্ৰয়োজনীয় কথা।

কোনোবাই আদৰ্শনীয় নেতৃত্ব দিলেই ৰাজ্যখনৰ বহু সংগঠন-সংস্থাই কাম আৰু দাবীৰ ক্ষেত্ৰত নতুন চিন্তা কৰিবলৈ লব। সেই নেতৃত্ব শিক্ষকসকলৰপৰা বিচৰাটো যুক্তিযুক্ত।

এই বিষয়ে আমি আৰু কিছু কথা আলোচনা কৰিম বুলি আশা কৰিছোঁ।

১১/৫/৮৭

# এটা দুৰ্ঘটনা আৰু সামগ্ৰিক পৰিবেশ

সভ্যতা সংস্কৃতি শিক্ষা অৰ্থনীতি আদি এক বিচিত্ৰ অবস্থাত থকা ভাৰতত ৰাজনৈতিক বা অৰাজনৈতিক জন-সংগঠনত টকা-পইচা আৰু বাহুবলী লোকে (muscle man) গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি থকা ঘটনাটোক সংগঠনসমূহৰ নেতাসকলেই প্ৰয়োজনীয় বুলি গোপনে স্বীকাৰ কৰি আহিছে। একোখন গাঁৱৰ বা একোটা অঞ্চলৰ অশিক্ষিত অৰ্ধশিক্ষিত মানুহবোৰে কি পঢ়া-শুনা ডাল কৰি বুজি-বাজি মেল-মিটিং জন-সমাবেশ নিৰ্বাচন আদিত যোগ দিব। কোনোবা এজন বলীয়ে— 'অ'ই তইঁত কাইলৈ ওলাবি। চবকে কৈ দিবি। — বুলি কৈ যোৱাৰ লগে-লগেই এইবোৰ মানুহৰ সিদ্ধান্ত লোৱাও হৈ যায়। বলীয়ে কৈছে যেতিয়া সেইমতে নকৰি তেওলোকে অইন কি কৰিব? কোনোবাই যদি ভয়ে-ভয়ে কয়— হেৰি নহয় অমুকে দেখোন এনেকৈহে কৈ গ'ল। আমি কাৰ কথা শুনো? — তেনেহ'লে লগে-লগে আমাৰ দেশৰ আচল ৰাজনীতি আৰম্ভ হৈ যায়। ঘটনাবোৰ টকা পইচাৰ বলত বলীয়ান লোকেও আৰম্ভ কৰিব পাৰে কিন্তু শেষ পৰ্যন্ত সেইবোৰৰ ফয়চলা কৰিবৰ কাৰণে বাহুবলী লোকৰো প্ৰয়োজন হয়।

শিক্ষিত আৰু ভবা-চিন্তা কৰিব পৰা লোকসকলৰো সকলো এই বলীসকলৰ প্ৰভাৱৰপৰা মুক্ত হৈ থাকিব নোৱাৰে। অপমান লাঞ্ছনা প্ৰহাৰ আদিৰ চোক এওলোকৰ বাবে স্বাভাৱিকতে বেছি।

গতিকে একোটা সংগঠনক বিৰাট আৰু শক্তিশালী কৰি তুলিবৰ বাবে এইখন দেশত সভ্যতা সংস্কৃতি শিক্ষা আদিৰ ওপৰত ভাৰসা কৰিব নোৱাৰি প্ৰথমতে টকা-পইচা আৰু শেষ পৰ্যন্ত বাহুবলীৰ ওপৰত ভাৰসা কৰিবই লাগে। এইয়ে একেবাৰে তলৰ পৰ্যায়ত অৰ্থাৎ গাঁও-চুবুৰি পৰ্যায়ত বাহুবলীসকলৰ অনুচিত কাৰ্য-কলাপ চলি থাকে সেই কথা সংগঠনৰ নেতাসকলেও জানে। এই নেতাসকলৰ বহুতো সৎ লোক হ'ব পাৰে অনুচিত-অসভ্য কাৰ্যকলাপৰ প্ৰতি তেওলোকৰ সমৰ্থন নাথাকিব পাৰে কিন্তু বাহুবলীসকলক দমন কৰিবলৈ বা বিসৰ্জন দিবলৈ তেওলোকৰ সাহসে নুকুলায়। তেনে কৰিলে সংগঠন ভাগি ডোখৰ-ডোখৰ হ'ব। ডোখৰ-ডোখৰ নহ'লহেঁতেন যদিহে সংগঠনটো

একেবাৰে তলৰ পৰ্যায়লৈকে মানুহক নীতি কাৰ্যসূচী আৰু পন্থা সম্পৰ্কে বুজাই-বঢ়াই পতিয়ন নিয়াই আকৃষ্ট কৰি গঢ়ি তোলা সংগঠন হ'লহেঁতেন। কিন্তু সিমানখিনি কৰিবলৈ আমাৰ ইমান সোপা সৎকৰ্মী ক'ত? সময় ক'ত? ভিতৰ গাঁৱৰ পঞ্চাছজন অবোধ মানুহক ট্ৰাকত তুলি মিটিঙলৈ অনাটো যিমান সহজ তেওলোকৰ এজনক সংগঠনটো সম্পৰ্কে শিক্ষিত কৰাটো তাতকৈ বহুগুণে কঠিন কাম। প্ৰথমটো কাম কৰিবলৈ গাঁৱৰ মূৰ্খ বাহুবলী এজনেই যথেষ্ট কিন্তু দ্বিতীয়টো কৰিবলৈ মানুহ ক'ত?

বাহুবলীসকলক অসন্তুষ্ট নকৰা বা বিসৰ্জন নিদিয়াৰ সপক্ষে একোটা 'তাত্ত্বিক' ব্যাখ্যাও দাঙি ধৰা হয়। অসন্তুষ্ট কৰিলে বা বিসৰ্জন দিলে তেওলোকে সংগঠনৰ বিৰোধিতাতো কৰিবই আনকি তেওলোক আৰু বেছি উগ্ৰপন্থী হৈ আৰু বেছি বেযা পথলৈ যাব দেশৰ আৰু বেছি অপকাৰ কৰিব। গতিকে তেওলোকৰ কামবোৰ নেদেখাৰ ভাও জুৰি থকাই ভাল সেইবোৰ কোনোবা দুষ্কৃতিকাৰী সমাজ বিৰোধী লোকৰ কাম বুলি বিবৃতি দি থকাই ভাল। দলৰ যুবক-সংগঠনটোক ৰক্ষণাবেক্ষণ দিবলৈ ভূতপূৰ্ব প্ৰধান মন্ত্ৰী ইন্দিৰা গান্ধীযেও তাকে কৰিছিল পশ্চিম বংগতো এতিয়াও তাকে কৰা হয়। (বৰ্তমানৰ প্ৰধান মন্ত্ৰীয়ে শেষ পৰ্যন্ত কৈছে বৰ্তমানৰ ৰাজনীতিৰ ভিত্তি দেহবল আৰু ধনবল। মই ইযাৰ বিৰুদ্ধে যুজ দিবলৈ দৃঢ় প্ৰতিজ্ঞ। ২৩।৫।৮৭)।

দেশখনৰ সামগ্ৰিক পৰিস্থিতিটো যেতিয়া এনেকুৱা তেতিয়া অসমৰ ক্ষেত্ৰত কথাবোৰ বেলেগ হ'ব বুলি ভাবিবলৈ টান। কিন্তু অসমৰ অত্যধিক জটিল অবস্থানলৈ চাই বেলেগ হোৱা উচিত বুলি ভাবিবলৈ আৰম্ভ কৰিব লাগে। অন্তত অৰাজনৈতিক বৃহৎ, শক্তিশালী সংগঠন সদৌ অসম ছাত্ৰসন্থাৰ নিচিনা সংগঠনৰ ক্ষেত্ৰত— এই সংগঠনটোৰ সকলো সদস্য পঢ়া-শুনা জনা লোক কাৰণে তেওলোকৰ বয়সত মানুহৰ টকা আৰু ক্ষমতাৰ খঁক থাকিব নালাগে কাৰণে।

এজন সদস্যৰ গৰ্হিত কাম সম্পৰ্কে এই সংগঠনটোৰ শীৰ্ষস্থানীয় নেতা দুগৰাকীয়ে দিয়া এটা বিবৃতিৰ দুটা বাক্য হ'ল এনে কাৰ্যকলাপক ছাত্ৰসন্থাই প্ৰশ্ৰয় দিযাৰ প্ৰশ্নই নুঠে। উক্ত সদস্যজনৰ কাৰ্যকলাপ সদৌ অসম ছাত্ৰসন্থাৰ সত্তা আৰু পৰিচয়ৰ প্ৰতিযেই অপমান। (বাতৰি কাকতৰ পৰা লোৱা।) এই দুটা বাক্য কেতিয়া উচ্চাৰণ কৰিবলগীয়া আছিল? ১৯৭২ চনত? ১৯৭৪ ৭৯ ৮০ ৮১ ৮২ ৮৭ চনত? যিমানে সঘনে ইয়াৰ দ্বিতীয় বাক্যটো উচ্চাৰিত হ'লহেতেন সিমানেই সংগঠনটোৰ উপকাৰ হ'লহেঁতেন।

(প্ৰথম বাক্যটো সাধাৰণ দ্বিতীয় বাক্যটো নিৰ্দিষ্ট। Specific)। এনে বাক্য উচ্চাৰণ কৰিবলৈ ৪৬ লাখ টকীয়া বেংক ডকাইতিলৈ বাট চাব নালাগে। (অন্য ভাষাত ক'বলৈ গ'লে ৪৬ লাখ টকীয়া বেংক ডকাইতিৰ পাছত এই বাক্যটো উচ্চাৰণ নকৰাকৈ থকাৰ উপায় ক'ত? এতিয়া এইষাৰ কথা নক'লে আৰু ক'বা কেতিয়া?)

অসমৰ ৰাজনৈতিক পৰিস্থিতিৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ পৰা শক্তিশালী বৃহৎ অৰাজনৈতিক অনুষ্ঠান কাৰণে সংগঠনটোৰ নেতাসকলে যেন গভীৰভাৱে এই কথাখিনি চিন্তা কৰি চায়। হঠাতে এটা বেংক ডকাইতি হ'ল হঠাতে খবৰ ওলাল — সদৌ অসম ছাত্ৰসন্থাৰ সদস্য এজনো ঘটনাটোত জড়িত তেতিয়া মানুহে হায়-হায় ছি-ছি কৰিলেহেঁতেন লাখ-লাখ যুবকৰ মাজত এনেকুৱা দুই-এজন থাকেই— বুলি সংস্থাটোৰ প্ৰতিহে সহানুভূতি প্ৰকাশ কৰিলেহেঁতেন। বাটে-ঘাটে অফিছে-কাছাৰীযে ক্লাছৰুমে-পৰীক্ষাই উৎসৱে-ফাংছনে যুৱকসকলৰ ভাবমূৰ্তিটো মোটামুটিভাৱে গ্ৰহণযোগ্য হৈ থকা হ'লে এইটো ঘটনাক দেশখনৰ অইন দহটা ডকাইতিৰ এটা বুলিযেই ধৰিলেহেতেন। কিন্তু দুখৰ কথা যিটো ভাবমূৰ্তি এচাম যুবকে ৰাস্তাত গাড়ী ৰখাই জোৰকৈ পইচা আদায় কৰাৰ পৰা আৰম্ভ কৰি হঠাতে একোটা অঞ্চলত বন্ধ ঘোষণা কৰালৈকে গঢ়ি তুলিছে, তাৰপৰা বহুতৰে ধাৰণা হৈছে— এই ডকাইতিৰ ঘটনাটোও সামগ্ৰিক পেটাৰ্ণ টোৰ এটা বিন্দুহে। দহ টকা আৰু ৪৬ লাখ টকাৰ মাজৰ পাৰ্থক্যটো পৰিমাণৰহে। চৰিত্ৰৰ পাৰ্থক্য কিমান?

এই প্ৰচণ্ড জোকাৰণিটোক এটা ডাঙৰ সুযোগ বুলি গ্ৰহণ কৰা উচিত — সুসন্তান বিদ্যাৰ্থীৰ বিৰাট সংগঠন এটা মোটামুটিভাৱে নিকা কৰাৰ সুযোগ বুলি।

২৪/৫/৮৭

# ফিজি, শ্ৰীলংকা আৰু আমি

ফিজি দ্বীপপুঞ্জ ক'ত আছে? সাধাৰণ ভাৰতীয় নাগৰিকৰ দেশ-বিদেশৰ খা-খবৰ ৰখাৰ ক্ষেত্ৰত যি দক্ষতা তালৈ চাই বিচাৰ কৰিলে এই প্ৰশ্নটোৰ উত্তৰ লগে-লগে বহুত ভাৰতীয়ই দিব নোৱাৰিব যেন লাগে। সৌ নিউগিনি অষ্ট্ৰেলিযাৰো পূবলৈ বহু দূৰত থকা এই দ্বীপপুঞ্জৰ ৰাজনৈতিক গণ্ডগোলৰ কথা বাতৰি কাকতত পঢ়িবলৈ পোৱাৰ পাছত মযো ভূচিত্ৰাৱলী চাইহে দ্বীপপুঞ্জটোৰ সঠিক অৱস্থানটো জানি ল'লো। মানচিত্ৰখনত শ্ৰীল‌ংকা দেশখন যদি পঁযা লগা বুটমাহ এটাৰ সমান তেনেহ'লে ফিজি দ্বীপুঞ্জৰ ডাঙৰ দ্বীপ দুটা চেনিৰ দানা দুটাৰ সমান।

কিন্তু সেই ফিজি দ্বীপপুঞ্জৰ উপপ্ৰধান মন্ত্ৰী আছিল হৰিশ শৰ্মা? তাৰ বাণিজ্য আৰু বিনিযোগ পৰিষদৰ চেয়াৰমেন হ'ল মমতাজ আলি নামৰ এজন ভাৰতীয? এইবোৰ কথা জনা নাছিলো।

এশ আঠ বছৰমান আগতে ভাৰতীযসকল বনুৱা হিচাপে ফিজিলৈ গৈছিল। এতিযা তাত থলুৱা ফিজি লোকৰ স‌ংখ্যা ৩ ৩০ ৪৪১ আৰু ভাৰতীযৰ স‌ংখ্যা ৩ ৪৭ ৪৫৫। দেশখনৰ প্ৰধান উৎপন্ন দ্ৰব্য চেনিৰ বাবে প্ৰযোজনীয কুঁহিযাৰ খেতিৰ গুৰি ধৰে ভাৰতীযসকলে। এই ১০৮ বছৰৰ ভিতৰত দেশখন ৯৬ বছৰ শাসন কৰিলে বৃটিছে, আৰু ১২ বছৰ শাসন কৰিলে ফিজিবাসীৰ স‌ংখ্যাগৰিষ্ঠতা থকা এটা দলে। তাৰ পাছত প্ৰথমবাৰৰ বাবে ভাৰতীযসকলৰ স‌ংখ্যাগৰিষ্ঠতা থকা এটা দলে শাসনভাৰ ললে আৰু ছদিনৰ পাছত সেনানাযক এজনে সামৰিক উপাযেৰে এই চৰকাৰ ওফৰাই দিলে। এতিযা থলুৱা লোক আৰু তেওলোকৰ নেতাসকলৰ সিদ্ধান্ত হৈছে, দেশখনৰ স‌ংবিধানকেই তেওলোকে এনেকৈ স‌ংশোধন কৰি লব যাতে সংখ্যাত সৰহ হোৱা সত্বেও ভাৰতীয়সকলে কেতিযাও চৰকাৰ গঠন কৰিবলৈ নাপায। নিৰ্বাচনত ভাৰতীয লোকৰ বাবে আসনৰ স‌ংখ্যা নিৰ্দিষ্ট কৰি দিয়া হ'ব। এযা হ'ব থলুৱা লোকৰ বাবে সা‌ংবিধানিক ৰক্ষণাবেক্ষণৰ ব্যৱস্থা।

এতিযা তাত ভাৰতীযসকলে অভিযোগ কৰিছে,— তেওলোকক দ্বিতীয শ্ৰেণীৰ নাগৰিক কৰি পেলোৱা হৈছে। আব্দুল আলি নামে ভাৰতীয নেতা

এজনে কৈছে,— আমি এশ বছৰতকৈও বেছি সময মিলা-প্ৰীতিৰে আছোঁ আৰু থাকিমো। কিন্তু তেওলোকে যদি আমাৰ ভোটৰ ক্ষমতা লৈ যায তেনেহ'লে আমি আমাৰ ব্যৱসাযো লৈ যাম। (ব্যৱসাযো লৈ যাম মানে— তেওলোকে নিযন্ত্ৰণত ৰখা কৃষিকৰ্ম ব্যৱসায-বাণিজ্যত বিজুতি ঘটাই দেশখনৰ আৰ্থিক অৱস্থাত আঘাত হানিব।)

এতিযা ভাৰতবাসী হিচাপে আমাৰ প্ৰবাসত থকা ভাৰতীযৰ প্ৰতি এটা সহানুভূতিৰ ভাব আছে। কিন্তু মূল ভাৰতৰ মানুহে আজি ফিজিৰ ভাৰতীযৰ কাৰণে কিমান কি কৰিব পাৰে? ইতিমধ্যে ভাৰত চৰকাৰৰ তৰফৰ পৰা ফিজিৰ ভাৰতীযসকলৰ স্বাৰ্থৰ হকে সামান্য কুৰু্ৎকাৰা্ কৰা হৈছে কিন্তু সেই প্ৰচেষ্টাই শক্তিশালী ৰূপ ধাৰণ কৰা নাই। ইযাৰ প্ৰধান কাৰণ্ৰকেইটা হ'ল— লোকৰ দেশৰ ভিতৰুৱা কথাত ভাৰতে দেখদেখকৈ হস্তক্ষেপ কৰিব নোবাৰে ফিজিৰ বৰ্তমান ঘটনাৱলীৰ ক্ষেত্ৰত ভাৰতে ফিজিৰ ভাৰতীযসকলৰ সপক্ষে পৃথিৱীৰ বিভিন্ন ৰাষ্ট্ৰৰ পৰা আশানুৰূপ সহাৰি পোৱা নাই আৰু— শ্ৰীলংকাৰ ক্ষেত্ৰত একে ধৰণৰ কাৰণতে ভাৰতৰ যি অৱস্থা হৈছে, সেই অৱস্থাত আকৌ ফিজিক লৈ হুলস্থূল কৰিবলৈ ভাৰতৰ উপায নাই। শ্ৰীলংকাৰ সীমাৰ পৰা তামিলনাডু যিমান দূৰত ফিজিৰ সীমাৰ পৰা বিহাৰ আৰু উত্তৰ প্ৰদেশো সিমান দূৰত হোৱা হ'লে অবশ্যে ঘটনা বেলেগ হ'লহেতেন।

সুদীৰ্ঘ কাল ধৰি অইন্ন এখন দেশত বসবাস কৰি থকা ভাৰতীয় বংশোদ্ভব লোকৰ প্ৰতি আমাৰ দৃষ্টিভংগী কেনেকুৱা হোৱা উচিত সেই সম্পৰ্কে এটা সুনিৰ্দিষ্ট নীতি থাকিব লাগে। আমাৰ বুলিলে যদি আমি অসমীযাক বুজাও তেনেহলে এই কথাটোৰ গুৰুত্ব আৰু বেছি। কাৰণ শ্ৰীলংকা আৰু ফিজিৰ ভাৰতীযসকলৰ ক্ষেত্ৰত আজি আমি যি ক'ম কাইলৈ বাংলাদেশৰ চৰকাৰে অসমত থকা বাংলাদেশীৰ বিষযেও সেই কথাকে ক'ব বুলি আমি সচেতন হ'ব লাগিব। মানৱীয দিশৰ পৰা ক'বলৈ গ'লে সকলো দেশত সকলো দেশৰে মানুহ বিধি অনুসাৰে মৰ্যাদা সহকাৰে জীযাই থাকক। সেই মৰ্যাদা ক্ষুণ্ণ হ'লে অকল মাতৃদেশখন কিয সভ্যতাই স্পৰ্শ কৰা সকলো দেশৰ সকলো মানুহে তাৰ প্ৰতিবাদ কৰিব। কিন্তু ৰাজনৈতিক দিশত কথাটো বেলেগ। ইংলেণ্ডৰ নিৰ্বাচনত কেইজনমান ভাৰতীয় লোক এম পি হিচাপে নিৰ্বাচিত হ'ব পাৰে কিন্তু যেতিযাই সেইখন দেশৰ পাৰ্লিযামেন্টত বৃটিছৰ বাহিৰে অইন দেশৰ নাগৰিকে সংখ্যাগৰিষ্ঠতা লাভ কৰাৰ সম্ভাবনাই দেখা দিব তেতিযাই বৃটিছসকলে সাংবিধানিক ৰক্ষণাবেক্ষণৰ

ব্যৱস্থা কৰিবই। তাকে কৰিব নোৱাৰিলে দক্ষিণ আফ্ৰিকাৰ নিচিনা ৰাষ্ট্ৰৰ সৃষ্টি হয়।

অসম ৰাষ্ট্ৰ নহয় ৰাজ্য। তথাপি সেই একে ধৰণৰ ভয়তেই এই ৰাজ্যখনৰ থলুৱা মানুহখিনিয়ে সাংবিধানিক ৰক্ষণাবেক্ষণৰ কথা কৈ আছে হ'বলা।

গতিকে ফিজি আৰু শ্ৰীলংকাৰ 'ভাৰতীয় বংশোদ্ভৱ" লোকসকলৰ কথা কওঁতে-ভাবোঁতে আমি সাৱধান হ'ব লাগে।

১২/৬/৮৭

# দিনটোৰ সৰু-সুৰা শাস্তিবোৰ

আমি দিনে-দিনে অসহিষ্ণু খিংখিঙীয়া হৈ আহিছোঁ যেন লাগিছে। দহটা কাম লৈ দিনটোলৈ বুলি ওলাই গ'লে দহখন ঠাইৰ সাতখনমান ঠাইতে হয় মই নিজে খিংখিঙীযা হও নহয় মোক কোনোবাই খেং-খেঙায়। কামবোৰ বৰ জটিল কামো নহয সৰু-সুৰা— বাছৰ টিকট এখন কিনা চিঠি এখন ৰেজিষ্ট্ৰাৰ কৰা চেক এখন ভঙোৱা ৰিক্সা বা অট'ৰিক্সা এখনত উঠি গৈ হস্পিটেলত মাহীৰ খবৰ কৰা এক মিটাৰ কাপোৰ কিনা ইলেকট্ৰিছিটিৰ বিলখনৰ খবৰ কৰা ঘড়িটো যে ৰিপেযাৰ কৰিবলৈ দিছিলো— হ'ল নে খবৰ কৰা— এইবোৰেই কাম। কামবোৰৰ কোনটো সমাধা হ'ল কোনটো নহ'ল সেইটো বেলেগ কথা কিন্তু লক্ষণীয কথা হ'ল— ঘৰ আহি পাওতে মনটোত এক ধৰণৰ উপৰুৱা বিৰক্তি লাগি আছে। কাউণ্টাৰৰ সিফালে বহি থকা মানুহজনে কথাষাৰতো অলপ ভালকৈও ক'ব পাৰিলেহেতন। দোকানীজনক মই কিয খং কৰিলো? তেওঁতো মোতকৈ আগতে যোৱা গ্ৰাহকজনক সোধ-পোছ কৰি আছিল। বাট এৰি দিবলৈ সিফালে যথেষ্ট ঠাই আছে, অথচ ৰিক্সাখন গাৰ কাষেদি যোৱাৰ কাৰণে ডেকাজনে যেনেকৈহে চালে যেন ৰিক্সাৱালাজন বা মইহে কিবা অপৰাধ কৰিলো।

কিয় মানুহবিলাক ইমান বিৰক্ত খিংখিঙীযা হৈ থাকে? বহুতো কাৰণ দেখুৱাব পাৰি। ভৰলুমুখৰ পৰা বাছত চেপেটা লাগি আহি চানমাৰিৰ অফিছত বহকহি তেতিযা গম পাব মেজাজৰ কি অৱস্থা হয। দৰমহাৰ এইকেইটা পইচাৰে ঘৰ চলাওক বুজিব— কিয মনটো ইমান বিৰক্ত হৈ থাকে। সেই ডেকাজনে চাকৰিৰ কাৰণে এতিয়ালৈকে আঠবাৰ লিখা-পৰীক্ষা দিছে, চাৰিবাৰ ইন্টাৰভিউ দিছে, ইন্টাৰভিউ দিবলৈ আহিবলৈ তেওঁৰ বাছ-ভাৰাৰ পইচা নোহোৱা হৈ আহিছে, আজি তেওঁৰ চতুৰ্থ ইন্টাৰভিউটো আছিল ইন্টাৰভিউ লোৱা ভদ্ৰলোক কেইজনে যা তা উল্টাপাল্টা প্ৰশ্ন সুধি তেওঁৰ মগজটো গৰম কৰি দিছে আজিলৈকে পৃথিৱীত কেইজনী তিৰোতা মানুহ প্ৰধান মন্ত্ৰী হৈছে? পলিযেষ্টাৰ ফাইবাৰ কি বস্তু ? ডেকাজনে গম পাই আহিছে— এইবাৰো তেওঁৰ নহ'ব। তেওঁ ৰাস্তাৰ কিমান মাজেদি খোজ কাটিছে তাৰ খবৰ তেওঁ কোনটো মগজেৰে ৰাখে।

কাৰণ আছে। মানুহৰ আচৰণৰ ক্ৰমবৰ্ধমান উগ্ৰতাৰ বহুত কাৰণ দেখুৱাব পাৰি। আপুনি কিয় তেনেকৈ কৈছে? ভালকৈ ক'ব নোৱাৰে? — বুলি সুধিলে— এনেযে ক'লো বুইছেনে মোৰ ভুল হ'ল। — বুলি কোৱা মানুহ বোধকৰোঁ এজনো পোৱা নাযাব। সকলোৰে নিজ-নিজ কাৰণ আছে।

আনকি শিক্ষা-দীক্ষা পদমৰ্যাদা-দৰমহা-সা-সুবিধা আদিৰ ফালৰ পৰা যথেষ্ট ওপৰ তাগত থকাসকলৰ ক্ষেত্ৰতো বহুতৰে আচৰণৰ মাধুৰ্য বোলা বস্তুটো কমি গৈছে। পদমৰ্যাদাৰ ফালৰ পৰা যাৰ উচ্চাৰিত বাক্যবোৰ লিপিবদ্ধ হ'বলগীয়া বাতৰি-কাকতত ওলাবলগীয়া সময়ত তাৰে কিছুমান সাহিত্য-সংস্কৃতি-ৰাজনীতিৰ বুৰঞ্জীত ঠাই পাবলগীয়া তেখেতসকলৰো বহুতৰে কথা-বতৰা আচৰণ আদি বাঞ্ছিত স্তৰৰ বহুত তলত। কিবা এটা অনুৰোধ কৰিবলৈ এজনৰ ওচৰলৈ কেইজনমান সাধাৰণ নাগৰিক গৈছে, তেখেতসকলে ক'লে অমুকৰ ওচৰলৈ কেইবাদিনো গ'লো কেইবাখনো দৰখাস্তও দিলো কৰিম-কৰিম বুলি তেখেতে আজিলৈকে একো নকৰিলে সেইকাৰণে আজি আপোনাৰ ওচৰলৈ আহিলো। এইজনে লগে-লগে ক'লে এ সেইজন একো কামৰ মানুহ নহয়। খালী কথা। কথা ক'বলৈ পালে তেওঁক আৰু একো নালাগে। কিন্তু এওঁ আৰু সেইজন পদবীৰ ফালৰ পৰা একে পৰ্যায়ৰ মানুহ। এওঁ বাটে-ঘাটে দোকানে-পোহাৰে পোৱা অইন সাতজনৰ নিচিনাকৈ খেং-খেঙাই উঠা নাই কিন্তু এওঁৰ আচৰণৰ চৰিত্ৰটোও মূলত একেই। এওঁ কিয় এনে কৰে? এওঁতো বাছত চেপা খাই অফিছলৈ নাহে। এওঁতো এইকেইটা পইচাৰে ঘৰ চলাবলগীয়া হোৱা নাই। এওঁতো বাৰে-বাৰে ইন্টাৰভিউত ফে'ল মৰা নাই। কিন্তু আপুনি প্ৰত্যাহবান জনালে এৱো এওঁৰ আচৰণৰ সমৰ্থনত শক্তিশালী কাৰণ দৰ্শাব।

আমাৰ অশোভনীয় আচৰণৰ বহুতো ব্যক্তিগত সামাজিক পাৰ্থিৱ কাৰণ আছে, কিন্তু সেইবোৰৰ প্ৰতিক্ৰিয়া ব্যক্তিগত পৰ্যায়ত প্ৰকাশ কৰিলে আমাৰ সকলোৰে মানসিক যন্ত্ৰণা বাঢ়ে। মযো বাছত ওলমি আহিছোঁ আপুনিও আহিছে, আপোনাৰ ওপৰত বিৰক্তিখিনি জাৰিলে মোৰ কি লাভ হয়? সমূহীয়া নীতি আৰু ব্যক্তিৰ আচৰণ দুটা বেলেগ বস্তু। নীতিত লাগি ছিটি বাছৰ ব্যৱস্থাৰ বিৰুদ্ধে দৰমহাৰ গাঁথনিৰ বিৰুদ্ধে নিবনুৱা সমস্যাৰ বিৰুদ্ধে প্ৰযোজন হ'লে আন্দোলন কৰিব বিদ্ৰোহ কৰিব নীতিয়ে যদি পতিযন নিয়াব পাৰে তেনেহ'লে আপুনি আগতে ঘোষণা কৰি চূড়ান্ত পথো লব কিন্তু তাকে নকৰি আপোনাৰ সমানে দুৰ্দশাগ্ৰস্তসকলৰ বিৰুদ্ধে অনবৰত এক অঘোষিত বিদ্ৰোহ কৰি থকা উচিত নে? তুমুল যুদ্ধত লিপ্ত থকা

দুখন দেশৰ মুৰব্বীসকল আলোচনাত বহিলেও তেওলোকৰ মাজত এক নম্রতা বিৰাজ কৰে। সেইটো ভণ্ডামি কপটালিৰ কথা নহয় সেইটো সভ্যতা ভদ্রতা, সংস্কৃতিৰ কথা।

গতিকে আমাৰ ক্রমবর্ধমান খিংখিঙীয়া স্বভাৱে আমাৰ প্রকৃত দুখ-দুর্দশাৰ কাৰণবোৰ প্রতিষ্ঠিত কৰা নাই আমাৰ সভ্যতা ভদ্রতা সংস্কৃতিৰ ক্ষেত্রৰ দৈন্যহে প্রকাশ কৰিছে। কাউন্টাৰৰ ওচৰৰপৰা অসন্তুষ্ট হৈ উভতি যোৱা মানুহবোৰে কাৰো ওচৰলৈ গৈ— এই মানুহজনৰ দৰমহা বঢ়াই দিব লাগে — বুলি দাবী নকৰেগৈ এনে অভদ্র এই মানুহটো! — বুলি গুজৰি-গুমৰিহে থাকে।

ৰাজহুৱা ঠাইত ব্যক্তিগত সকলো যন্ত্রণা হেঁচা মাৰি ৰাখি শান্ত নম্রভাৱে আচৰণ কৰিব পৰা শক্তি আহৰণ কৰিব পাৰিলে এক নির্মল আনন্দ পোৱা যায়। এজন মানুহক ভাল ব্যৱহাৰ কৰিলো এজন মানুহৰ বিষয়ে ভালকৈ ক'লো — এই ভাবটোৱে এই কামটোৱে মনলৈ যে কি আনন্দ আনে এনে কামে মনটো যে কিমান বহল কৰে সেই উপলব্ধি এক ডাঙৰ সম্পত্তি।

২৪/৬/৮৭

# ঘনিষ্ঠ শত্ৰু

এজন ৰাজনৈতিক নেতা'ই লগত কেইজনমান মানুহ লৈ এজন উচ্চপদস্থ বিষযাক লগ ধৰিলে ধৰি ক'লে— অমুক বিষয়াজনক বদলি কৰিব লাগে।

কিয়?

নেতাজনকে ধৰি এটাই কেইজনে লগে-ভাগে অমুক বিষয়াজনৰ দোষ-ত্ৰুটিবোৰ বখানিবলৈ ললে।

সেই সমযত স্ংশ্লিষ্ট বিষযাজন সেই ঠাইৰ পৰা বহুত দূৰত। এই মুহূৰ্তত যে তেওৰ বিৰুদ্ধে কোনোবাই মোক্ষম স্থানত কিবাকিবি কৈ আছে, তেও ক'ব নোৱাৰে।

জ্ঞান-বুদ্ধি-যুক্তি বিচাৰ-সততা আদিৰ লগত যদি কিবা সম্পৰ্ক ঘটিছে, তেনেহ'লে সেই উচ্চপদস্থ বিষযাজনে নিশ্চয সেই মানুহকেইজনৰ কথা শুনিযেই বিষযাজনক বদলি নকৰে। ইমান কাণ্ডজ্ঞানহীন বিচাৰ-বুদ্ধি-বিবেকহীন মানুহ নিশ্চয ইমান উচ্চ পৰ্যাযৰ আসনলৈ যোৱা নাই।

কিন্তু যদি কৰে? এই নেতাজনৰ সহাযত তেৰোঁ কিজানি কিবা ব্যক্তিগত লাভৰ বাট দেখিছে!

এনে পাকচক্ৰ আছেই কিন্তু ইযাৰ মাজত পৰি এজন মানুহে নিজৰ বক্তব্য দাঙি ধৰাৰ সুবিধা নাপাব নিজকে ৰক্ষা কৰাৰ সুবিধা নাপাব— এইটো বৰ বেযা কথা। এই মুহূৰ্তত কোনোবাই কাৰোবাৰ আগত আপোনাৰ কথা কৈ আছে। ভাল কথা কৈ আছে যদি ভালেই কিন্তু যদি এনেকুৱা কথা কৈ আছে যাৰ ফলত আপোনাৰ জীৱনৰ ক্ষতি হয় তেনেহ'লে? আপোনাৰ অজ্ঞাতে আপুনি ইমান অসহায হৈ পৰিবলগীযা হোৱাটো দুখৰ কথা।

আমাৰ দেশত শাসনযন্ত্ৰটো গতিশীল কাৰ্যক্ষম আৰু দক্ষ কৰি তুলিবলৈ মাজে-মাজে সেইটো নতুনকৈ স্ংগঠিত কৰাৰ কথা ওলায। নতুনকৈ স্ংগঠিত কৰা মানে স্ংশ্লিষ্ট মানুহবোৰক অধিক সততাৰে অধিক দক্ষতাৰে অধিক কাম কৰিবলৈ উদ্বুদ্ধ কৰা নহয— মানে হ'ল কিছুমান মানুহক বদলি কৰা। যি দেখা গৈছে,— এই মানুহ বদলি কৰি শাসনযন্ত্ৰটো দক্ষ কৰাৰ

চেষ্টাৰ সুফল সদায় আশানুৰূপ নহয়। কিছুমান মানুহে এই বদলিক শাস্তি বুলি ভাবে কিছুমানে এই বদলিৰ মাজত নিজৰ অযোগ্যতাৰ প্ৰতিফলন দেখা পায়। শাস্তি যাৰ প্ৰাপ্য তেও পাওক যাক অযোগ্য বুলি ঘোষণা কৰাৰ প্ৰয়োজন হয় তেওক তেনে কৰা হওক কিন্তু আমি যিটো কথাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব খুজিছোঁ সেইটো হৈছে— এই কামবোৰ কেৱল কোনোবাই কাৰোবাক লগোৱা কথাৰ ওপৰত ভিত্তি কৰি কৰিব নালাগে। এখন চৰকাৰৰ শুদ্ধ তথ্য-পাতি যোগাৰ কৰাৰ বহুতো উপায় আছে, সেইবোৰ উপায় কামত লগাব লাগে। দীৰ্ঘকালৰ অভিজ্ঞতাৰে পুষ্ট একো-একোজন জ্যেষ্ঠ দক্ষ বিষযাই যি মুহূৰ্ততে লগোৱা-যোজোৱাৰ বলি হ'লো — বুলি আক্ষেপ কৰিবলৈ লয় সেই মুহূৰ্ততে শাসনযন্ত্ৰটোৰ এক অপচয় আৰম্ভ হয়। সদ্যহতে এনে অপচয় চকুত পৰিছে।

যেতিয়া কিছুমান অসৎ দালাল জাতীয় মানুহে চৰকাৰখনৰ ওচৰে পাঁজৰে পিনপিনাই ফুৰিবলৈ লয় তেতিয়া সিদ্ধান্ত গ্ৰহণ কৰিব পৰা দাযিত্বশীল নেতা বা বিষযাসকল বেছি সাবধান হোৱা উচিত। এইখিনিতে দুটা প্ৰশ্ন বিচাৰ কৰিব লাগিব মন্ত্ৰী এজনক তেওৰ বন্ধু এজনে ভুনভুনকৈ কাৰোবাৰ বিষযে বেযাকৈ ক'লে। এতিযা — মন্ত্ৰীজনো মানুহহে' বন্ধুজনৰ সেইবোৰ কথা মনৰ পৰা উলিযাই দি মুক্ত হৈ থাকিব পৰা মহত্ত্ব তেওৰ আছেনে? কিন্তু আনহাতে ইমান দাযিত্বপূৰ্ণ জনসাধাৰণৰ সেবাৰ বাবে ইমান উচ্চ আসনত অধিষ্ঠিত এজন মানুহেনো বন্ধুৰ ভুনভুননি মতেই কাম কৰিব নে?

গতিকে মন্ত্ৰীযেই হওক উচ্চপদস্থ বিষযাযেই হওক— যোঁতয়াই তেওলোকক কোনোবাই কাৰোবাৰ বিষযে কিবা ক'ব বিশেষকৈ বেযা কথা ক'ব– তেতিযাই তেওলোকে সেইজন মানুহবে প্ৰথমে বিচাৰ কৰা উচিত। তেও যিমানেই ঘনিষ্ঠ নহওক— বিচাৰ কৰা উচিত— তেও সৎ নে? নিস্বাৰ্থ নে? তেও মানুহজনৰ বিষযে এইবোৰ কথা কোৱাৰ উদ্দেশ্য কি? এইবোৰ কথা তেও ৰাজ্যখনৰ জনসাধাৰণৰ মংগলৰ কাৰণে কৈছেনে? এইবোৰ বিচাৰ-বিবেচনাৰ পাছত যদি মন্ত্ৰী বা বিষযাজনে সেই মানুহজনৰ (বন্ধুৱে যাৰ কথা কৈছিল) বিষযে কিবা শাস্তিমূলক সিদ্ধান্ত লব খোজে তেন্তে তাৰ আগতে তেওৰ কাম হ'ব— মানুহজনক আত্মপক্ষ সমৰ্থনৰ সুবিধা দিযা।

ঘনিষ্ঠ সহযোগী ইনাৰ ছাৰ্কল ক'টেৰি আদিযে ভাৰতৰ দৰে বিশাল দেশ এখনৰ বহু অপকাৰ কৰিছে। বহু গুণী লোক এই দেশত হতাশ হৈছে। অসম প্ৰায সকলো ফালৰ পৰাই অভাৱৰ ঠাই। ইযাত এনে হতাশা শিপাবলৈ দিযাটো বৰ ক্ষতিকৰ।

১২/৭/৮৪

# সাঁজ লাগি ভাগিবৰ হ'ল

মানুহৰ বহুত ধৰণৰ কাম কৰিবলৈ মন যায় — "ভাল" কাম বেয়া কাম—। আদিম প্ৰবৃত্তি কিছুমানৰ তাড়না মানুহৰ মাজত থাকেই কিন্তু সেই তাড়নাৰ বশৱৰ্তী হৈ মানুহে কিছুমান বেযা কাম নকৰে সভ্যতা শিক্ষা সংস্কৃতিৰ কাৰণে। কিয় আমি বাটে-ঘাটে গৰু ঘোঁৰা কুকুৰ আদিৰ দৰে আচৰণ নকৰো? বা কৰোঁ? ইযাৰ উত্তৰটোৰ লগত জড়িত হৈ আছে সভ্যতা শিক্ষা সংস্কৃতিৰ কি পৰ্যাযত আমি নিজকে প্ৰতিষ্ঠা কৰিব পাৰিছোঁ — সেই কথাটো। স্বাভাৱিকতে আদিম প্ৰবৃত্তিযে এজন মানুহক যিবোৰ কামলৈ উদগায সেইবোৰ সেই মানুহজনৰ কাৰণে লোভনীয উত্তেজনাপূৰ্ণ সাময়িকভাৱে আনন্দময হ'ব পাৰে কিন্তু সেইবোৰ সভ্যতা শিক্ষা সংস্কৃতিৰ পটভূমিত সৌন্দৰ্যময হ'ব নোৱাৰে। বাটৰ কাষৰ ৰেলিঙত বহি গুমটিৰ সমুখত গোট খাই কেইজনমান ডেকা বা চেমনীযাই এজনী নিৰ্দোষ পথচাৰী গাভৰুক আমনি কৰি যি আনন্দ পায সেই আনন্দৰ কথাকে এই ক্ষেত্ৰত উদাহৰণ হিচাপে ব্যৱহাৰ কৰিব পাৰি।

আমি সততে এখন সৌন্দৰ্যময সমাজৰ কথা চিন্তা কৰি থকা উচিত। আমি প্ৰতিদিনেই ভবা উচিত— এতিযালৈকে যি হ'ল হ'ল পাৰ হৈ যোৱা সময়ৰ বুকুত আমি যেনেকৈ জাহ গ'লো গ'লো কিন্তু নতুন সময়ৰ লগত যিসকল আহিছে তেওলোকক যেন সৌন্দৰ্যৰ ধ্যান ধাৰণাৰ লগত সোনকালে মুখামুখি কৰাই দিব পাৰো।

যিটো সময়ত মানুহৰ বযস আৰু শিক্ষা দুযোটাই কেচা হৈ থাকে সেইটোৱেই তেওৰ বাবে দুৰ্যোগৰ সময়। সেই সময়ছোৱাতে তেওক সৎ সাৰথিৰ সৎ অভিভাৱকৰ প্ৰযোজন। এইবোৰ পুৰণি কথা বুলি কোৱা হয কিশোৰ-কিশোৰী চেমনীযা নতুন ডেকাৰ দেহ-মন-আচৰণ সম্পৰ্কে অলেখ তথ্য-পাতি সূত্ৰ তত্ত্ব আদি উদ্ভাৱন কৰা হৈছে, কিন্তু আমি যিখন দেশ বিশেষকৈ যিখন ৰাজ্যক লৈ চিন্তিত এই দেশ এই ৰাজ্যত সেইবোৰ সূত্ৰ-তত্ত্বক বৰ্তমানে ভিতৰ গাঁৱৰ স্কুলৰ কমপিউটাৰৰ লগত তুলনা কৰাই ভাল। আমেৰিকা-ইংলেণ্ডত শ শ চেমনীযাই

নিচা খাই নাচি-বাগি বেহুচ হৈছে— সেইবোৰৰ লগত তুলনা কৰি স্বস্তি অনুভৱ কৰাৰো আমাৰ উপায় নাই। সেইবোৰ দেশে এতিয়া এনে অৱস্থা পাইছেগৈ যে তাৰ শ-শ ল'ৰা ছোৱালী বেহুচ হৈ থাকিলেও হাজাৰ-হাজাৰ মানুহে এই পৃথিৱী আকাশ মহাকাশত মহা পৰাক্ৰমেৰে প্ৰভুত্ব বিস্তাৰ কৰি থাকিব। তেওলোকৰ উঠি অহা ল'ৰা-ছোৱালী কিছুমানৰ অৱক্ষয় অপচযক এক ধৰণৰ বিলাস বুলি ধৰিব পাৰি কিন্তু আমাৰ ইযাত পৰীক্ষাত নকল কৰি ধৰা পৰা ছাত্ৰই বজাৰত শিক্ষকক (তেওৰ পৰিবাৰৰ সম্মুখত ) ছিগাৰেট খোজাটো বিলাস বুলি গ্ৰহণ কৰিবলৈ আমাৰ ডপায নাই। আমাৰ জাতিটোৰ স্কুল-কলেজৰ শিক্ষা লাভ কৰা মানুহৰ সংখ্যাটোৱেই বৰ সৰু এওলোকৰ মাজৰ এভাগ ভৱিষ্যতে অপচযৰ ভাগত পৰিব পাৰে কিন্তু কিমান বেছি ল'ৰা-ছোৱালীক সেই ভাগটোত নপৰাকৈ ৰাখিব পাৰি সেই চেষ্টা আমি একাণপতীযাকৈ কৰিবই লাগিব। ইযাৰ বাবে আধুনিক বৈজ্ঞানিক সূত্ৰ তত্ত্ব আদিলৈ নগৈ এটা আওপুৰণি কথা আলোচনা কৰিব খুজিছো। ল'ৰা-ছোৱালীহঁতৰ মাক-দেউতাকৰ কথা।

আধুনিক যান্ত্ৰিক জটিল যুগত এখেতসকলৰো আজিকালি বহুত সমস্যা সেই কথা আমিও বুজো। কিন্তু সাধাৰণতে সন্তানৰ ভালৰ কাৰণে মাক দেউতাকতকৈ বেছি চিন্তা আৰু কাম যে পৃথিৱীত আজি কোনেও নকৰে সেইটো কথা এখেতসকলেও নিশ্চয বুজে। ৰাজ্যখনৰ প্ৰায সকলো অঞ্চলৰ পৰাই চিঠি-পত্ৰৰ জৰিযতে আমি গুমটি চাৰি-আলি ৰেলিঙৰ যিবোৰ ল'ৰাৰ বেদনাদাযক খবৰ পাও তেওলোকৰ মাক-দেউতাকে নিজৰ সন্তানৰ বিষযে একো খবৰ নাপায নে? কোনো কাম কৰিবলৈ দিযা হোৱা নাই অথচ ল'ৰাটো গধূলি ঘৰ সোমোবাহি নাই এইটো মাক-দেউতাকৰ কাৰণে চিন্তাৰ কথা হযনে নহয? আৰ্জি খুৱাব নালাগে কেৱল মাক দেউতাকৰ পইচাৰে পঢ়া-শুনা কৰিব লাগে— সেই ল'ৰাটো সাঁজ লগাৰ লগে-লগে ঘৰ সোমাবহি লাগে— এইবোৰ কথা আওপুৰণি হৈ একেবাৰে অপ্ৰচলিত হৈ গ'ল নে কি? বহু দিনৰ আগতে ঘৰত বা পৰিযালত কাৰোবাৰ যক্ষ্মা বেমাৰ হ'লে বাকী মানুহবোৰে কথাটো লুকুৱাই ৰাখিছিল। লুকুৱাওতে-লুকুৱাওতে বেমাৰী আওমৰণে মৰিছিল আৰু আনৰ গালৈও বেমাৰ সোঁচৰিছিল। এতিযা অন্তত চহৰবোৰত প্ৰত্যেক মাক-বাপেকে জানে ল'ৰাই কি চৰিত্ৰ লৈছে, আৰু এই কথাটো লুকুউৱাত তেওলোকেই আটাইতকৈ দক্ষ ভূমিকা পালন কৰে। এনে কৰাৰ সলনি নিৰ্বাচিত বন্ধু-বান্ধৱ, আত্মীয শিক্ষক আদিৰ লগত "আমাৰ ল'ৰাটো এনেকুৱা হৈছে কি কৰা যায? বুলি আলোচনা কৰিলে বেছি লাভ

নহ'বনে? নে সেই সকলো মানুহ হিংসাকুৰীয়া পেটকপটীয়া পৰশ্ৰীকাতৰ?

যোৱা আন্দোলনৰ সময়ত অসমৰ মহিলা সমাজৰ ভূমিকা সকলোৱে লক্ষ্য কৰিছে। নিৰ্বাচনৰ সময়তো বাটৰ কাষত হাতীৰ পুতলা এটা সমুখত লৈ নাম গাই থকা মহিলা দেখিছিলো। এখেতসকলৰ বহু কাম কৰাৰ শক্তি আছে, কৰিছে। এনেকুৱা এটা সংগঠনৰ সৃষ্টি হ'ব পাৰে নে কি

গধূলি আইসকল নাম ল'বলৈ যোৱাদি কেইগৰাকীমানে পাল পাতি কুখ্যাত গুমটি চাৰিআলি ৰেলি, অঞ্চললৈ যাব আৰু হাতযোৰ কৰি ক'ব—'বোপাইহঁত গধূলি হ'ল ঘৰলৈ যোৱাগৈ যোৱা।'

২৮/৭/৮৭

# মাৰ্কশ্বিট

কিমান নম্বৰ পাই এম এ এম এছ ছি এম কম আদি ডিগ্ৰিৰ বাবে হোৱা পৰীক্ষা পাছ কৰিলে এজন প্ৰাৰ্থী কলেজৰ শিক্ষক হ'ব পাৰে? এই প্ৰশ্নৰ লগত যিসকল জড়িত হৈছে, তেখেতসকলে বোধকৰোঁ উপলব্ধি কৰে— ইয়াৰ উত্তৰৰ বাবে হোৱা আলোচনা-তৰ্ক-বিতৰ্ক বৰ দীঘলীয়া। আলোচনা তৰ্ক বিতৰ্কৰ ঘাই যুক্তিবোৰৰ ডাল পাত কাটি লঠঙা কৰি পেলালে সেইবোৰ প্ৰায় এনেকুৱা হয় পৰীক্ষাত পোৱা নম্বৰৰ লগত মানুহজন ভাল শিক্ষক হ'ব নে নহয় তাৰ কি সম্পৰ্ক? পৰীক্ষাঘৰত বহি প্ৰশ্নৰ উত্তৰ লিখি থকা সময়খিনিত কম নম্বৰ পোৱা প্ৰাৰ্থীজনৰ কি বা অসুবিধা (পঢ়াশুনা বুদ্ধি বৃত্তিৰ লগত সম্পক নথকা) হৈছিল। তেওঁৰ গোটেই ছাত্ৰ জীৱনৰ (শিক্ষা-জীবনৰ?) সুদীৰ্ঘ সময়ৰ তুলনাত পৰীক্ষাঘৰৰ সেই ঘন্টাকেইটাহে বেছি মূল্যবান নে? তেও বহুত কথা জানে কিন্তু দুভাগ্যক্ৰমে তেও যিকেইটা কথা অলপ কম জানে সেইকেইটাযেই যে প্ৰশ্ন-কাকতৰ বেছি ঠাই আগুৰি আছিল। যোৱা বছৰৰ আগৰ বছৰৰ প্ৰশ্ন-কাকতখন পোৱা হ'লে তেওঁতো শতকৰা আশীভাগ নম্বৰ পালেহেতেন। তদুপৰি তেওঁযে ইমান কম নম্বৰ পালে সেই নম্বৰ তেওক দিলে কোনে? যিজনে বহী চাইছিল তেখেতৰ বিচাৰ-বুদ্ধি কেনে? এজন প্ৰাৰ্থীৰ ভৱিষ্যত নিৰ্ণয় কৰিব পৰাকৈ তেখেতৰ বিচাৰ-বুদ্ধি নিৰ্ভৰযোগ্য হয়নে? আমাৰ ইয়াত কিছুমান বিষয়ত শিক্ষকতা কৰিবলৈ প্ৰয়োজনীয়-সংখ্যক প্ৰাৰ্থীৰ অভাব তেনেক্ষেত্ৰত মাৰ্কশ্বিটৰ সীমাটো ওপৰত বান্ধি থ'লে শিক্ষক ক'ৰ পৰা আহিব? বিহাৰ-কেৰালা সেইফালৰ ক'ৰবাৰপৰা আহিব। কিন্তু সেইবোৰ ঠাইত কিজানি এনেযে সোপাসোপে নম্বৰ দি মাৰ্কশ্বিটবোৰ ভাল কৰা হয়। তদুপৰি ফাৰ্ষ্ট ক্লাছ পালে বুলিলেই প্ৰাৰ্থীজনে শ্ৰেণীত পঢ়াব পাৰিবনে? কত ফাৰ্ষ্ট-ক্লাছ-ফাৰ্ষ্ট প্ৰাৰ্থীযে কথা এষাৰ ভালকৈ ক'ব নোৱাৰে। স্নাতকোত্তৰ মহলাৰ ডাঙৰ ডাঙৰ কথাবোৰ জানিলেই নহ'ব নহয় প্ৰাক বিশ্ববিদ্যালয় মহলাৰ সৰু সৰু কথাবোৰ ছাত্ৰ ছাত্ৰীক বুজাব পাৰিব লাগিব তেহে।

কিন্তু— ইপক্ষৰ কথা— পৰীক্ষা বোলা ব্যৱস্থা এটা আছে যেতিয়া

মাৰ্কশ্বিট বোলা বস্তু এটা আছে যেতিয়া এই ব্যৱস্থা এই বস্তুৰ ওপৰতে ছিষ্টেমটো চলি আছে যেতিয়া নম্বৰ মতে চলাৰ বাহিৰে উপায় কি? যিটো প্ৰক্ৰিয়াৰ মাজেৰে এওঁ ফাৰ্ষ্ট ক্লাছ পাইছে, সেইটো প্ৰক্ৰিয়াৰ মাজেৰেই তেওঁ ছেকেণ্ড ক্লাছ পাইছে এওঁ যদি নকল কৰি হায়াৰ ছেকেণ্ড ক্লাছ পাইছে, তেনেহ'লে তেৰোঁ নকল কৰি ল'ৱাৰ ছেকেণ্ড ক্লাছ পাইছে। ইংৰাজীৰ নিচিনা দুটামান বিষয়ৰ কাৰণে শিক্ষক-প্ৰাৰ্থী পোৱা অলপ টান কিন্তু পলিটিকেল ছায়ন্স এডুকেশ্যন আদি কিছুমান বিষয়ৰ ক্ষেত্ৰতো অভাৱটো তেনেকুৱা নহয়। তেনেহ'লে সকলো বিষয়ৰ বেলিকাই নম্বৰৰ নিয়মটো সমানে ঢিলাই দিব কিয়? ইয়াৰ দ্বাৰা কলেজৰ শিক্ষকৰ চাকৰি দিয়া প্ৰক্ৰিয়াটোক লেতেৰা কৰা হ'ব। শান্ত শিষ্টভাবে পঢ়া শুনা কৰি ভাল নম্বৰ পোৱা নিৰ্জু প্ৰাৰ্থীসকল এনে এক শ্ৰেণীৰ প্ৰাৰ্থীৰ হেচাত পৰিব— যিটো শ্ৰেণীয়ে পঢ়া-শুনাৰ বাহিৰে অন্য কামৰ জৰিয়তে গা-কৰি আছে। শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীৰ সন্মুখত পাঠ্য বিষয়ৰ বক্তৃতা দিয়াৰ লগত অন্যান্য বক্তৃতাৰ পাৰ্থক্য আছে।— ইত্যাদি।

সচাঁকৈয়ে— এই বিষয়টোৰ আলোচনা তৰ্ক-বিতৰ্কৰ ৰূপ বিশেষকৈ বৰ্তমানৰ ভাৰতবৰ্ষৰ পটভূমিত বৰ জটিল। বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগে শিক্ষকৰ দৰমহা বৃদ্ধিৰ লগত অহ্ৰতাৰ (পৰীক্ষাত প্ৰাৰ্থীয়ে পোৱা নম্বৰৰ) যি সম্পৰ্ক ৰাখিব খুজিছে সিও জটিলতাৰ মাজত সোমোৱাৰ আশংকা আছে।

কিন্তু এই সকলো তৰ্ক বিতৰ্ক নিয়ম-কানুনৰ উৰ্দ্ধত কিছুমান পুৰণি কথা আছে, আৰু সেইবোৰ কথা আমি মাজে-মাজে মনত পেলাব লাগে। আমাৰ ইয়াত মাৰ্কশ্বিট ইন্টাৰভিউ বৰ্ড আদিৰ বাহিৰে শিক্ষকৰ অৰ্হতা বিচাৰ কৰাৰ আইন বিশেষ একো নাই বুলি ভবা হয় কিন্তু সঁচাকৈয়ে নাই নে? আমি ছাত্ৰ আছিলো আমি শিক্ষকক অৰ্হতা-যোগ্যতা-দক্ষতা-সামৰ্থ্যৰ নম্বৰ দিয়া নাছিলো কিন্তু প্ৰত্যেকজন শিক্ষক সম্পৰ্কে ছাত্ৰ-সমাজৰ একোটা মতামত আছিল আৰু সেই মতামত শিক্ষকজনৰ কাৰণে মূল্যবান সম্পদ বা ক্ষতিকৰ উপাদান আছিল। সেই অৱস্থা আজিও আছে, বৰ সময়ৰ সোঁতত ছাত্ৰ শিক্ষক-অভিভাৱকৰ চৰিত্ৰ সলনি হোৱাৰ কাৰণে সেই অৱস্থা আজি অধিক প্ৰকট হৈছে। অমুক ছাৰৰ ক্লাছটো কোনোমতে মিছ কৰিব নোৱাৰি ভাই। — এই কথাষাৰ হাজাৰ-হাজাৰ ছাত্ৰ-ছাত্ৰীৰ (প্ৰথম বেঞ্চৰ মাজৰ বেঞ্চৰ শেষৰ বেঞ্চৰ) মুখত আজিও শুনা যায়। 'ক্লাছ নকৰ? — কাৰ ক্লাছ? — অমুকৰ। — এ নকৰোঁ দে। বৰ'। — এই সংলাপ হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীৰ মুখত আজিও (আজি-কালিহে?)

শুনা যায়। যাৰ বিষয়ে এইবোৰ কথা কোৱা হয় তেও এই শব্দবোৰ নুশুনিব পাৰে কিন্তু তেওৰ অন্তৰে উপলব্ধি নকৰে নে ছাত্ৰ ছাত্ৰীৰ মাজত শিক্ষক হিচাপে তেওৰ অৱস্থান কেনেকুৱা? পঢ়াখিনি বুজাব পাৰিলোনে ল'ৰা-ছোৱালীবোৰে মন দিয়া যেন লাগিল নে ক্লাছটো কেতিয়া শেষ হয় তাৰ বাবে কিছুমানে উচপিচাই আছিল নে প্ৰশ্নকেইটাৰ সন্তোষজনক উত্তৰ দিব পাৰিলোনে— এইবোৰ প্ৰশ্ন এজন শিক্ষকৰ মনলৈ সদায় আহে নে নাহে? (তাৰ উত্তৰবোৰ কিন্তু ছাত্ৰ-ছাত্ৰীসকলে জানে।) প্ৰত্যেক বুদ্ধিমান শিক্ষকে জানে— এইবোৰ প্ৰশ্নৰ উত্তৰেহে তিলতিলকৈ এখন নতুন মাৰ্কশ্বিটৰ সৃষ্টি কৰে।

গতিকে ঘূৰি-ঘূৰি আমি আকৌ সেই পুৰণিকলীয়া কথা কিছুমানলৈ উভতি যাবলগীয়াত পৰো। মই পাছ কৰি ওলালো ব্যৱসায-বাণিজ্য বা উপাৰ্জনৰ অইন বাট বা জীৱন নিৰ্বাহৰ অইন বাট মোৰ ভাল নালাগে। গতিকে মোক এটা চাকৰি লাগে। কিহৰ চাকৰি? পুলিছৰ চাকৰি? সেইটো চাকৰিৰ কাৰণে মই যোগ্য নে? মোটামুটি যোগ্য পিছে ওপৰৱালা পাব্লিক চোৰ-ডকাইত প্ৰছেছন হৰতাল— বৰ অশান্তি হ'ব হ'বলা।

আৰু শিক্ষকৰ চাকৰি? মই যোগ্য নে? যোগ্য হও-নহও এইটো চাকৰিত মোৰ ওপৰত চকু ৰখা মানুহ আৰু বাহিৰা অশান্তি নাই হ'বলা গতিকে—

নহয় এইটো চাকৰিৰ ওপৰত সমগ্ৰ জাতিৰ উত্থান-পতনৰ ইতিহাসৰ চকু আছে এইটো চাকৰিত বিবেকৰ তীব্ৰ অশান্তিৰ প্ৰশ্ন আছে। এই কথা মনত ৰাখি দৰখাস্ত কৰা প্ৰাৰ্থীৰ এখন অতিৰিক্ত মাৰ্কশ্বিট থাকে।

১১/৮/৮৭

# ৰাজনৈতিক উদাৰতা

বানপানী আহিলে বোলে ছাগে বাঘে একেলগে উটে। পানীয়ে ছাগলীকো উটাই নিলে বাঘকো উটাই নিলে ছাগলী গ'ল এফালে বাঘ গ'ল এফালে — উক্ত কথাষাৰে নিশ্চয় এনেকুৱা ঘটনা বুজোৱা নাই বুজাইছে— বিপদত পৰি ছাগলী আৰু বাঘে ওচৰা-উচৰিকৈ আশ্ৰয় বিচাৰি গৈ আছে, ছাগলীও ভয়ত পলোৱা নাই বাঘেও ছাগলীটো খাবলৈ চেষ্টা কৰা নাই।

অলপতে এগৰাকী প্ৰবীণ ৰাজনৈতিক নেতা আৰু সমাজকৰ্মীৰপৰা ইয়াৰ বিপৰীত ধৰণৰ কাহিনী এটা শুনিলো। এটা অঞ্চলত নদীয়ে ভয়ানকভাৱে গৰা খহাই আছে। কেইবাখনো গাঁও বিপন্ন হৈছে। গৰাখহনীয়া প্ৰতিৰোধ কৰাৰ বাবে ব্যৱস্থা লবই লাগে এই বিষয়ে ক'বলৈ সেই অঞ্চলটোৰ চাৰি-পাঁচজনীয়া দল এটা চৰকাৰৰ শীৰ্ষস্থানীয় লোকৰ ওচৰলৈ যাবই লাগে। অঞ্চলটোৰ ৰাইজে এই সিদ্ধান্ত কৰি এটা প্ৰতিনিধি দলো গঠন কৰিলে। দলটোত সেই অঞ্চলৰ নেতৃস্থানীয় সমাজকৰ্মী এজনক যোগ্যতাৰ ভিত্তিত লোৱা হ'ল কিন্তু তেও যিটো ৰাজনৈতিক দলৰ সদস্য দলটোৰ বাকী কেইজন সেইটো দলৰ সদস্য নহয়। গতিকে তেওক লগত লৈ বাকী কেইজন চৰকাৰৰ ওচৰলৈ নাযায়। শেষত তেওক দলটোৰ পৰা বাদ দিয়া হ'ল।

দলীয় ৰাজনীতিত এনে ঘটনা ঘটিযেই থাকে। কিয় ঘটে? প্ৰথম কথা— তেওক প্ৰতিনিধি দলটোত লোৱা মানেই তেওক এক ধৰণৰ স্বীকৃতি দিয়া আৰু ৰাইজৰ আস্থাভাজন আৰু প্ৰিয় হোৱাৰ সুবিধা কৰি দিয়া। এইটো বাকী কেইজনৰ ভৱিষ্যতৰ দলীয় ৰাজনীতিৰ কাৰণে বিপদজনক কথা। দ্বিতীয় কথা — অঞ্চলটোত গৰাখহনীয়া প্ৰতিৰোধ কৰাত যদি কৃতকাৰ্যতা লাভ কৰিব পৰা যায় তেনেহ'লে তাৰ কৃতিত্বৰ ভাগ কিজানি সেইজন নেতালৈও যায়। সেই কৃতিত্বক মূলধন কৰিযেই বা তেও ভৱিষ্যতলৈ কি অঘটন ঘটায়।

গাঁও এখন যে নদীয়ে গ্ৰাস কৰি আনিছে, সেই মূল ভয়ংকৰ কথাটো এইবোৰ চিন্তা-চৰ্চাৰ মাজত তল পৰি থাকে। ফলত গাঁওখন নদীয়েও

খহায় দলীয় ৰাজনীতিযেও খহায়।

এইবোৰ ঘটনাৰেই ডাঙৰ ৰূপটো চাগে এনেকুৱা অমুক অঞ্চলত ৰাইজৰ বিপদ হৈছে, সেই অঞ্চলৰ প্ৰতিনিধিজন সিটো দলৰ গতিকে অঞ্চলটোৰ কাৰণে সাহায্য হাত ধৰি আগ বঢ়াবা। সেইজন প্ৰতিনিধিযে এঁকোডাল কৰিব পৰা নাই বুলি ৰাইজৰ মাজত তেওৰ বদনাম হওক। এখন ৰাজ্যত প্ৰাকৃতিক দুৰ্যোগ হৈছে, সেইখন ৰাজ্য অমুক দলে শাসন কৰিছে, গতিকে অইন এটা দলে অধিকাৰ কৰি থকা কেন্দ্ৰই সেইখন ৰাজ্যক যিমানখিনি নিদিলে বেযা দেখি সিমানখিনিহে দিযক চৰকাৰখনৰ ওপৰত ৰাইজৰ আস্থা কমক।

এইবোৰেই হেনো দলীয ৰাজনীতিৰ কৌশলৰ অংশ। মানুহ পশু পক্ষী গছ-গছনি আদিৰ প্ৰকৃত মংগলৰ বাবে কাম কৰিবলৈ যি উদাৰতাৰ প্ৰযোজন ইযাত সেই উদাৰতাৰ ঠাই নাই। মানুহৰ যোগ্যতাৰ সঠিক বিচাৰৰো ঠাই নাই।

অসমৰ ক্ষেত্ৰত অন্তত এটা দিশত এই উদাৰতা আৰু যোগ্যতাৰ ওপৰত গুৰুত্ব দিযাটো বৰ প্ৰযোজনীয। ৰাজ্যখনৰ উন্নতিৰ কাৰণে বিভিন্ন ক্ষেত্ৰত গুৰি ধৰিবলৈ আমাক যিমান সংখ্যক দক্ষতাসম্পন্ন গুণী লোক লাগে সিমান সংখ্যক লোক আমাৰ মাজত নাই। কেবল উচ্ছ্বাসৰ জোৰত এই কথা অস্বীকাৰ কৰিব নালাগে। যিসকল আছে তেখেতসকলৰো কিছু লোক যদি নিতান্ত দলীয ৰাজনৈতিক কাৰণত কৰ্মক্ষেত্ৰৰ পৰা বাদ পৰি থাকে তেনেহ'লে আমাৰ ক্ষতি হ'ব। অন্তত সংশ্লিষ্ট ৰাজনৈতিক দলটোৰ যিমান লাভ হ'ব ৰাজ্যখনৰ তাতকৈ বেছি ক্ষতি হ'ব। কথাটো উচ্চপদস্থ চৰকাৰী বিষযাসকলৰ লগত তুলনা কৰি চালেই হয। এখেতসকলৰ মাজতো বিভিন্ন ৰাজনৈতিক মতাৱলম্বী লোক থাকে। কিন্তু এটা নতুন ৰাজনৈতিক দল শাসনলৈ আহিলে এখেতসকলক বিসৰ্জন দিযা নহয বৰ বেছি কাৰোবাৰ পদবী সলনি কৰা হয কাৰোবাক বদলি কৰা হয ইত্যাদি। এখেতসকলে যদি নতুন দলে শাসনভাৰ লোৱাৰ পাছতো বিভিন্ন গুৰুত্বপূৰ্ণ ক্ষেত্ৰত কাৰ্যপৰিচালনা কৰি থাকিব পাৰে তেনেহ'লে সমাজৰ অন্যান্য গুণী দক্ষ যোগ্য লোকেও যথোপযুক্ত ক্ষেত্ৰত পাৰিব। শাসনাধিষ্ঠ দলটোৰ মুঠিৰ সামগ্ৰিক জোৰটোৰ ওপৰতহে ক'ত কোনে কেনেকৈ কাম কৰিছে সেইটো নিৰ্ভৰ কৰে। এই জোৰটো ঠিক থাকিলে নিজ দলৰ অসৎ অযোগ্য লোকেও ৰাজ্যখনৰ যিমান অপকাৰ কৰিব পাৰে দলৰ বাহিৰৰ সৎ যোগ্য লোকে সিমান নোৱাৰে (কাৰণ সৎ কাৰণে তেখেতসকলে অপকাৰখিনি নকৰে)।

কেতিযাবা একো-একোটা দিশত গুণ থকা (অন্তত আমাৰ ৰাজ্যখনৰ মানদণ্ডৰ জোখত) কিছু লোকৰ কথা মনলৈ আহে— এখেতক কিয় সেই দিশটোত কামত লগোৱা হোৱা নাই? উত্তৰ— তেখেতৰ অমুক ৰাজনৈতিক দলৰ লগত লেটি পেটি আছিল। এইটো কেনে কথা। তেখেতকতো এই দলটোৰ ৰাজনৈতিক সংগঠনৰ কামত লগোৱাৰ কথা হোৱা নাই। তেখেত অমুক দিশৰ অভিজ্ঞ গুণী যোগ্য লোক তেখেতক সেই দিশত কামত লগোৱাৰহে কথা হৈছে। কেৱল এই বিচাৰেৰেই বাদ দিবলৈ হ'লে এইখন ৰাজ্যত প্ৰযোজনীয-সংখ্যক যোগ্য লোক ক'ত পাব? দ্বিতীয কথা যিসকলক কামত লগোৱা হৈছে, তেখেতসকল তেনেহ'লে এইটো দলৰ লগত লেটি-পেটি থকা লোক? প্ৰকৃত গুণী যোগ্য লোকে এই বিশেষণ নিজৰ অন্তৰক নোসোধাকৈ গ্ৰহণ নকৰে। (তেখেত দলটোৰ সক্ৰিয় কৰ্মীও হৈ যাব পাৰে সেইটো বেলেগ কথা।) তেখেত নিজৰ গুণ আৰু যোগ্যতাৰ বলতহে বৰ্তি আছে। যি চৰকাৰে তেখেতক কামত লগোৱা নাই সেই চৰকাৰে ভুল কৰিছে, যি চৰকাৰে লগাইছে, সেই চৰকাৰে ভাল কৰিছে। আৰু চৰকাৰে যিমানে ভাল কৰে সিমানে ভাল।

২৬/৮/৮৭

# 'থলুৱাৰ ব্যৱসায়"

একো সময়ত এনেকুৱা লাগে — অসমীয়া মানুহে যেন জীবিকা নির্বাহৰ বাবে কিছুমান কাম নকৰে বা কৰিব নোৱাৰে। পিছে কৰিব নোৱাৰে বুলি যে কথা এটা নাই সেইটো দেখদেখ কথা। পঞ্চাছ বছৰৰ আগতে ৰেলত উঠা মানুহৰ হয়তো ধাৰণা হৈছিল — এই ৰেল চলোৱা কাৰবাৰটো — ইঞ্জিন চলোৱাৰপৰা টিকট গোটোবালৈকে গোটেই কাৰবাৰটোৰ লগত অসমীয়া মানুহৰ সম্পৰ্ক কেৱল বাহন আৰু যাত্ৰীৰ সম্পৰ্ক হৈয়েই থাকিব। পিছে সময়ত কথাবোৰ তেনে হৈ নাথাকিল। চিন্তা বুদ্ধি জ্ঞান কৰ্মক্ষমতা উদ্যম মানসিকতা আদিৰ ক্ষেত্ৰত আমি কি স্তৰত বাস কৰিছো তাৰ ওপৰত আমাৰ ধাৰণাবোৰ নিভৰ কৰে। ৰেলৰ চাকৰিৰ দিশত আমাৰ তাহানিৰ ধাৰণা সলনি হৈছে কিন্তু এতিযাও আমাৰ ধাৰণা হয — এইযে ব্ৰডগেজ লাইন বহুউবা হৈছে এইযে ষ্টেছনটোত এখন নতুন প্লেটফৰ্ম আৰু কাষেদি এখন লোহাৰ অ'ভাৰব্ৰিজ বন্ধা হৈছে, এইবোৰ অসমীয়া মানুহৰ কাম নহয়। সময়ত এই ধাৰণাও সলনি হ ব কিন্তু সদ্যহতে অসমীয়া মানুহে তেনে কামৰ ঠিকা লৈছে বুলি শুনিলে আনন্দ আৰু বিস্ময়ৰ উদ্ৰেক হ'বলগীয়া অবস্থা হৈয়েই আছে।

কিছুমান সৰু-সুৰা কামৰ ক্ষেত্ৰতো এই অৱস্থাটো বৰ্তি আছে। একোখন লক্ষ কোটি টকীয়া কাপোৰৰ দোকান — শাৰী পাতি আঠ দহজন কাপোৰ বেচা কৰ্মী — মাজতে দেখোন এইজন এজন অসমীয়া ডেকা। অসমীয়া ল'ৰাও তেনেহ লে এনেকুবা অনা অসমীয়াৰ ডাঙৰ দোকানত ছেলছমেন হৈ সোমাইছে। ভাল কথা।

কিন্তু এই ঘটনাটোৰ পম খেদিলে ভালেমান প্ৰতিষ্ঠানত নিযুক্তিৰ কাৰণ হিচাপে অইন কথা কেইটামানো ধৰা পৰে। এজন ছেলছমেন লাগে যোগ্য কাৰণে এওকে বাছি ল'লো — এইটোবেই যুক্তিযুক্ত আৰু সন্মানজনক কাৰণ হোবা উচিত। কিন্তু — চাৰিওফালে থলুবা লোক নিযুক্তি দিব লাগে বুলি দাবী উঠিছে গতিকে কাম আহক নাহক সেইকেইটা পইচা পানীত পৰা যেন হ'লেও এজন থলুৱা মানুহ ৰখা ভাল নাইবা — আন্দোলনমুখৰ

সময় কেতিয়া কি হয় ঠিক নাই চান্দাৰ নামতেই হওক অইন কিবা উদ্দেশ্যেই হওক হুৰহুৰকৈ এদল সোমাই আহিলে আগবঢ়াই দিবলৈকে ভিতৰত এজন থলুৱা মানুহ লাগে— এইবোৰ কাৰণ ব্যৱসায়ৰ ফালৰপৰা যুক্তিযুক্ত হ'লেও চাকৰি কৰা থলুৱাজনৰ কাৰণে অসন্মানজনক। বিশেষকৈ তেওঁ যেতিয়া জানে যে— ছেলছমেনৰ কাম তেওঁ একো নাজানে পুলুং পালাংকৈ দিনটো কটাই দিলেও তেওঁক মালিকে দৰমহা দিয়ে। এইবোৰ সৰু কথা বুলি বাদ দিব পাৰি কিন্তু এই ধৰণৰ কিছুমান ডাঙৰ ঘটনাৰ কথা বাদ দিব নোৱাৰি।

ব্যৱসায় কৰিবলৈ মূলধন লাগে লগতে বুদ্ধি, কৰ্মদক্ষতা আদিও লাগে। অজস্ৰ ডেকাই বুদ্ধি কৰ্মদক্ষতা আদিৰ বলত কষ্ট কৰি মূলধন সংগ্ৰহ কৰিছে, আৰু সেইবোৰৰ বলতে ব্যৱসায় কৰিছে। থলুৱা হিচাপে যিখিনি সুবিধা নিয়মমতে তেওঁলোকৰ প্ৰাপ্য সেইখিনিকে তেওঁলোকে আদায় কৰিছে আৰু ব্যৱহাৰ কৰিছে। কিন্তু কোনোবাই কেৱল থলুৱা হোৱাৰ সুবিধাখিনিকে মূলধন কৰি লৈ সেইখিনিকো টকা থকা ব্যৱসায়ীৰ হাতত সমৰ্পণ কৰাটো অসন্মানজনক আৰু ক্ষতিকৰ কাম।— এইজন থলুৱা ডেকাই চৰকাৰৰ পৰা পাৰমিটখন আনিব পাৰিব গতিকে এওঁক পাৰ্টনাৰ কৰি এখন ফাৰ্ম খোলা যাওক— এনে চিন্তা এজন চতুৰ ব্যৱসায়ীয়ে কৰিবই। তেওঁ দুয়োৰে নামত লেটাৰ-হে'ড ছপাবই। কিন্তু ডেকাজনে পাৰমিটখন আনি টকা থকা ব্যৱসায়ীজনক দি টকা পাঁচ হাজাৰ লৈ ব্যৱসায়ৰ পৰা অদৃশ্য হ'লে তেওঁৰ লগত সেই থলুৱা ছেলছমেনজনৰ কিমান পাৰ্থক্য থাকে? টকা নাথাকিলেও তেওঁ দৈহিক শক্তি বুদ্ধি আৰু পাৰমিটখনৰ জোৰতে ব্যৱসায়টোৰ ভিতৰত নোসোমায় কিয়? ৰেল লাইনত পৰা এহাজাৰ শ্লিপাৰৰ পাৰমিট এখন পাঁচ হাজাৰ টকাত লোকৰ হাতত তুলি দি ডেকাজনে কিছুদিন সুখেৰে কটালে কিন্তু শেষ পৰ্যন্ত একোডাল শ্লিপাৰৰ পৰা যে ষাঠি টকাকৈ মুঠতে ব্যৱসায়টোত ষাঠি হাজাৰ টকা লাভ হ'ল সেই খবৰটো তেওঁ নাৰাখিলে বা সেই হিচাপটো নকৰিলে। ক'ত গছ কটাব লাগিব কাঠ ক'ত ফলাব লাগিব শ্লিপাৰৰ জোখ কি ক'ৰ পৰা ট্ৰাক যোগাৰ কৰি ক'ত সেইবোৰ দিবগৈ লাগিব— বিলৰ টকা আদায়ৰ কাৰণে ক'ত কেনেকৈ ঘূৰা-পকা কৰিব লাগিব— এই জ্ঞান আৰু অভিজ্ঞতাখিনি আহৰণ কৰিলে কেতিয়াবা কিজানি তেওঁ নিজেই ব্যৱসায়টোৰ সচাসঁচি পাৰ্টনাৰ হোৱাৰ যোগ্যতা আহৰণ কৰিব পাৰে। সেইখিনিওতো কম শিক্ষা বা মূলধন নহয়। কত ছেলছমেনে ছেলছমেন হৈ থকা অৱস্থাতে ব্যৱসায়ৰ তলানলা বুজি শেষত নিজে সৰুকৈ দোকান এখন খোলে।

সুবিধা পায়ো বুদ্ধি আৰু কঠোৰ পৰিশ্ৰমেৰে কাম কৰিবলৈ নিশিকা মানুহে কোনো ধৰণৰ মূলধন (নগদ টকা পাৰমিট থলুৱাত্ব আদি) জাতিৰ উন্নতিৰ কাৰণে ব্যৱহাৰ কৰিব নোৱাৰে। এনে অৱস্থাত চতুৰ ব্যৱসায়ীয়ে থলুৱাৰ ব্যৱসায় কৰিয়েই থাকিব।

১০/৯/৮৭

# সাংস্কৃতিক সন্ধিযাৰ কথা

যোৱা দহ বছৰমানৰ ভিতৰত অসমত যিবোৰ শব্দৰ প্ৰচলন বেছি হৈছে, সেইবোৰৰ এটা হ'ল সংস্কৃতি। যিবোৰ শব্দ তাৰ অৰ্থৰ গভীৰতালৈ কমকৈ গৈ বেছিকৈ ব্যৱহাৰ কৰা হয় সেইবোৰৰো এটা হ'ল 'সংস্কৃতি। অপব্যৱহৃত শব্দবোৰৰো এটা হ'ল সংস্কৃতি।

সৰ্বসাধাৰণৰ বাবে বিশেষকৈ যিসকল সমাজৰ মঞ্চলৈ উঠি আহিছে আৰু যিসকলৰ সমুখত অতিক্ৰম কৰিবলৈ সুদীৰ্ঘ পথ পৰি আছে তেওলোকৰ বাবে অতি সাধাৰণভাৱে সংস্কৃতিৰ এটা দিশৰ কথা আলোচনা কৰাটো ভাল কাম হ'ব। এই আলোচনাত কিছুদিনৰ আগতে অইন এঠাইত কোৱা কিছু কথাৰ পুনৰুক্তি কৰা হ'ব।

কেৱল অভিধানৰ অৰ্থ অনুসৰিযেই সংস্কৃতিৰ লগত বিদ্যা বুদ্ধি শিল্প কলা ৰুচি আৰু নীতিৰ উৎকৃষ্টতাৰ কথা জড়িত আছে, আৰু আছে শিক্ষা আৰু চৰ্চাৰ কথা। এই অৰ্থ উপলব্ধি কৰিবলৈ চেষ্টা কৰিলেই সংস্কৃতিৰ এক মহান ৰূপ সংস্কৃতিবান মানুহৰ এক মোহনীয় ৰূপ আমাৰ চকুৰ আগত উদ্ভাসিত হ'বলৈ ধৰে। কিন্তু বৰ্তমানে সাংস্কৃতিক সন্ধিয়াৰ অভিধান মতে (সাংস্কৃতিক সন্ধিযাৰ অভিধান বুলিলে কালচাৰেল ফাংছনৰ অভিধানৰ কথাও বুজিব পাৰে সংস্কৃতিৰ বেলি দুবাৰ সময়ৰ অভিধানৰ কথাও বুজিব পাৰে) সংস্কৃতি মানে যি কোনো স্তৰৰ নাচ গান অভিনয় ৰচনা ছবি অকা আদিৰ কথা বুজোৱা হয় আৰু সেইবোৰ কাম কৰা লোকসকলকে সংস্কৃতিবান লোক বোলা হয়। তেও নাচে গতিকে তেও আৰ্টিষ্ট তেও সংস্কৃতিৰ পূজাৰী তেও সংস্কৃতিবান লোক। কিন্তু কথাটো সঁচানে? কথাটো সোনকালে উপলব্ধ হোবাৰ আশাৰে বিদেশী শব্দ এটাৰো আশ্ৰয লওঁ। সেই নচা বা অভিনয কৰা বা গান গোৱা ছোৱালীজনী cultured নে? সংস্কৃত নে? মঞ্চত যন্ত্ৰসংগীতেৰে শ্ৰোতাক মুগ্ধ কৰি আৰ্টিষ্ট জনে অলপ পাছতে যদি বাটত টেক্সি-চালকৰ লগত অশালীনভাৱে কাজিয়া কৰে তেনেহ'লে তেওৰ সামগ্ৰিক সংস্কৃতি সম্পৰ্কে আমাৰ ধাৰণা বেলেগ হ'ব। আনহাতে হাজাৰ হাজাৰ কালচাৰড মানুহ আছে— যিসকলে নানাচেও গানো গাগায অভিনযো নকৰে ছবিও নাআঁকে একো নবজাযো।

বৰ্তমান অৱস্থাত আমি সংস্কৃতিৰ আভাস পাবলৈ ৰভাতলী বা প্ৰেক্ষাগৃহত বহি মঞ্চৰ ফাললৈ চাই থাকোঁ। কিন্তু শিল্পী যে একোটা অনুষ্ঠান পৰিবেশন কৰোঁতে আমি কেনে আচৰণ কৰোঁ কেনেকৈ নিজৰ মনৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰোঁ সেইবোৰে আমাৰো সাংস্কৃতিক দিশৰ পৰিচয় বহন কৰে। ৰভাতলীৰ দৰ্শক-শ্ৰোতা আৰু মঞ্চৰ 'শিল্পী — এই দুয়োদলে একেলগেহে সমবেত সকলোৰে সামগ্ৰিক সাংস্কৃতিক চৰিত্ৰ উদঘাটন কৰে। গতিকে 'সংস্কৃতি চাবলৈ কেৱল ৰভাতলীৰ পৰা মঞ্চৰ ফালে মুখ কৰি থাকিব নালাগে মঞ্চৰ পৰা ৰভাতলীলৈও চাব লাগে।

ৰাজ্যখনলৈ এজন পৰ্যটক আহিল তেওঁ এসপ্তাহ ধৰি ৰাজ্যখন ঘূৰি-পকি চালে। ৰাজ্যখন এৰাৰ আগতে তেওঁৰ কাৰণে এখন কালচাৰেল ফাংছন আয়োজন কৰা হ'ল। ভবা হ'ল— মানুহজনে আমাৰ সংস্কৃতিৰো অলপ আভাস পাই যাওক। কিন্তু কথা হ'ল যিকোনো বুদ্ধিমান সংস্কৃতিবান মানুহে যোৱা সাদিনতেই ৰাজ্যখনৰ সংস্কৃতি সম্বন্ধে ধাৰণা পাই যায়। গতিকে এই দুঘন্টীয়া কালচাৰেল ফাংছনতকৈ সেই সাতটা দিন ৰাজ্যখনৰ সাংস্কৃতিক পৰিচয়ৰ কাৰণে বেছি গুৰুত্বপূৰ্ণ।

কি ঠিক— তেওঁক এই সাদিন ধৰি ৰাজ্যখন দেখুউৱা গাইড কেইজনৰ পৰাই কিজানি তেওঁ ইয়াৰ সংস্কৃতি সম্পৰ্কে ধাৰণা পাই গ'ল। কালচাৰেল ফাংছনলৈ কিজানি একো বাকীয়েই নাথাকিল।

সংস্কৃতিৰ ঐতিহাসিক তাত্ত্বিক গুৰু-গম্ভীৰ দিশবোৰৰ লগতে আমাৰ সৰ্বসাধাৰণ লোকে এই সৰু কথাটোলৈ মন দিয়াটো বৰ প্ৰয়োজনীয় হৈছে। কালচাৰেল ফাংছনৰ সত্ৰীয়া নৃত্যৰ অনুষ্ঠানে আপোনাৰ মন কিমান মুহিলে বা নুমুহিলে সেইটো যিমান ডাঙৰ কথা আপোনাৰ বোৱাৰী-জীয়াৰীয়ে সন্ধিয়াৰ পাছত কিমান শান্তি আৰু আনন্দেৰে ৰভাতলীলৈকে এই বাটছোৱা অহা-যোৱা কৰিব পাৰিলে সেইটোও সিমানে ডাঙৰ কথা। এগৰাকী শিল্পীয়ে গভীৰ সাধনাৰে সংস্কৃতিৰ এটা উপাদান (ধৰি লওক লোকগীত) কিছু পৰিমাণে আয়ত্ত কৰি গভীৰ নিষ্ঠাৰে শ্ৰোতাৰ সমুখত পৰিবেশন কৰাটো যিমান ডাঙৰ কথা কিমান কম শ্ৰোতাই সেইবোৰ বাদ দিয়ক জিলোলে গাওক বুলি চিঞৰে সেইটোও সিমান ডাঙৰ কথা।

কেৱল 'আৰ্টিষ্ট আৰু মঞ্চকহে জড়িত কৰা সংস্কৃতিৰ ধাৰণাটোক অযথা উৎসাহিত নকৰি ৰভাতলী বাট-ঘাট সকলোতে সকলো সময়তে যে সংস্কৃতিৰ এটা দিশ ব্যাপ্ত হৈ থাকে সেই ধাৰণাটোক উৎসাহিত কৰাটো বৰ্তমানে আমাৰ বাবে প্ৰয়োজনীয় হৈছে।

২২/৯/৮৭

# শিশু-বিজ্ঞান

এই মাহত ভাৰতত জন-বিজ্ঞান যাত্ৰা বোলা এক কাৰ্যসূচী আৰম্ভ কৰা হৈছে। এই কাৰ্যসূচীৰ থূলমূল উদ্দেশ্য হ'ল জনসাধাৰণৰ লগত বিজ্ঞানৰ সম্পৰ্ক ঘনিষ্ঠ কৰা জনসাধাৰণক বিজ্ঞান সম্পৰ্কে অধিক সচেতন কৰা ইত্যাদি। বৰ্তমানে বিজ্ঞানৰ কীৰ্তি বিস্ময়কৰ মানব জাতিলৈ আগবঢ়োৱা ইয়াৰ বৰঙণিৰ পৰিমাণ আৰু চৰিত্ৰও বিস্ময়কৰ। সাধাৰণ মানুহৰো এক বৃহৎ অংশই বিজ্ঞানৰ বৰঙণি এটা নহয় এটা ৰূপত নিজ-নিজ জীৱনৰ বৈষযিক দিশত গ্ৰহণ কৰিছেই তেনেস্থলত তেওলোকৰ মানসিকতা আৰু চিন্তাত বিজ্ঞানৰ প্ৰভাৱ পেলাবলৈ চেষ্টা কৰাটো যুক্তিযুক্ত কাম। বিজ্ঞানৰ জটিল তথ্য-সূত্ৰসমূহেৰে জনসাধাৰণক শিক্ষিত কৰাৰ প্ৰশ্ন নিশ্চয় এই কাৰ্যসূচীত উত্থাপিত হোৱা নাই বিজ্ঞান আৰু সত্যৰ যি সম্পৰ্ক সেই বিষযে তেওলোকৰ মনত শুদ্ধ চিন্তাৰ উদ্ৰেক কৰিবলৈ চেষ্টা কৰাহে এই কাৰ্যসূচীৰ মূল উদ্দেশ্য বুলি পৰিগণিত হোৱা উচিত।

এই বিচিত্ৰ দেশখনত এনে এক অভিযানে সতকাই শক্তি আৰু কৃতকাৰ্যতা আহৰণ কৰাটো বহু কাৰণত সম্ভৱ নহয। যোৱা দুই অক্টোবৰৰ দিনা আৰম্ভ হোৱা এই অভিযানৰ কথা কাকতে-পত্ৰই যি পৰিমাণে পঢ়িবলৈ পোৱা যাব বুলি আশা কৰা হৈছিল তাৰ তুলনাত এতিয়ালৈকে পঢ়িবলৈ পোৱাখিনি নগণ্য। অন্ততঃ এই যাত্ৰা প্ৰচাৰ মাধ্যমৰ কাৰণে সংসদী সদস্য চলচ্চিত্ৰ অভিনেতা সুনীল দত্তৰ অমৃতসৰ-যাত্ৰাতকৈ কম গুৰুত্বপূৰ্ণ হ'ব বুলি ধাৰণা কৰা নাছিলো। বোধকৰো অভিযানটো বেযা সমযত পৰিল। দুৰ্গাপূজা লক্ষ্মীপূজা দেৱালী ৰিলাযেন্স কাপ শ্ৰীলংকা ফিজি তিব্বত ভেংকুভাৰ ৰাজস্থানৰ সতী— এইবোৰৰ উখল-মাখলত জনবিজ্ঞানৰ কথা তল পৰিল যেন লাগে।

কিন্তু যেতিয়া এইবোৰ উখল-মাখল নাথাকিব তেতিয়া জনবিজ্ঞান যাত্ৰাৰ কি অৱস্থা হ'ব সেই সম্পৰ্কে চিন্তা কৰাটো প্ৰয়োজনীয। আমি ইযাৰ মাত্ৰ এটা দিশ আজি আলোচনা কৰিম। বাধা বিপদ আদি সাহসেৰে কষ্টৰে অতিক্ৰম কৰাটো যি কোনো অভিযান বা যাত্ৰাৰ উদ্দেশ্যৰ অংশ।

জনবিজ্ঞান যাত্ৰাৰ পথত যিবোৰ বাধা আছে, সেইবোৰৰ বহুখিনি সৃষ্টি হৈছে এই দেশখনৰ মানুহৰ ধৰ্ম সম্পৰ্কীয় ভুল আৰু অবৈজ্ঞানিক ধ্যান-ধাৰণাৰ পৰা। সাধাৰণতে একোখন আঁচনি প্ৰবৰ্তন কৰাৰ সময়ত ভবা হয় — এতিয়ালৈকে যি হ'ল হ'ল, এতিয়াৰ পৰা এই আঁচনিৰ অধীনত যেন এটা পৰিবৰ্তন হয়। জনবিজ্ঞান যাত্ৰাৰ বেলিকাও এটা কথা হয়তো ভাবিব পাৰি বয়সীয়াসকলৰ মানসিকতাই যি গঢ় ললে ললে এতিয়া অন্তত উঠি অহাসকলৰ মানসিকতাক বিজ্ঞানসুলভ কৰাৰ চেষ্টা কৰা হওক। ধৰি লওক এনেকৈয়ে ভবা হ'ল আৰু উঠি অহাসকলৰ ওপৰতে মনোনিবেশ কৰা হ'ল। এওলোকৰ ভিতৰতো বিদ্যালয়ৰ তল শ্ৰেণীৰ ল'ৰা-ছোৱালীৰ কথা ভবা হ'ল। এই বয়সৰ ল'ৰা-ছোৱালীৰ ঔৎসুক্য আৰু মনৰ বৈচিত্ৰ্যৰ বৰ্ণনা এই মুহূৰ্তত নিষ্প্ৰয়োজন। অইন এক কাৰ্যক্ষেত্ৰত এওঁলোকৰ বহু প্ৰশ্নৰ সন্মুখীন হৈছোঁ। এওলোকে ভূত-প্ৰেতৰ কথা চিন্তা কৰে কিন্তু ভূত সচাঁকৈ আছে নে বুলি প্ৰশ্নও কৰে। মানুহৰ চকু কিয় লৰে তাৰ বৈজ্ঞানিক উত্তৰ বিচাৰে লগতে চকু লৰাৰ লগত মংগল-অমংগলৰ কিবা সম্পৰ্ক আছেনে সেই প্ৰশ্নও কৰে। এইবোৰ প্ৰশ্নৰ মাজত সোমাই থাকিলে ধাৰণা হয় — এযেই বয়স এই বয়সতে এওলোকৰ চিন্তাৰ লগত বিজ্ঞানৰ সম্পৰ্ক ঘটোৱা উচিত। কিন্তু এওলোকৰ বহুতৰে প্ৰশ্ন ৰাৱণৰ সঁচাকৈয়ে দহটা মূৰ আছিল নে? দুৰ্গাৰ দহখন হাত? হনুমান সঁচাকৈযে উৰি গৈছিল নে? মহাভাৰতৰ কথাবোৰ সঁচা নে গল্প?

এইবোৰ প্ৰশ্নৰ কোনটো উত্তৰে জনসাধাৰণ আৰু বিজ্ঞান দুয়োকে সন্তুষ্ট কৰিব ভাবি উলিয়াবলৈ টান। ধৰ্মৰ ওচৰে-পাঁজৰে থকা কথা সম্পৰ্কেও আমাৰ বহু মানুহ মৰ্মান্তিকভাৱে অনুভৱশীল (sensitive) আৰু অসহিষ্ণু। দুৰ্গা গোঁসানীযে দহখন হাত থকা চোলাটো কেনেকৈ পিন্ধে গণেশে পানী লাগিলে (নাকটো দীঘল কাৰণে) কি কৰে এইবোৰ প্ৰশ্নৰে এজনে এটা ধেমেলীয়া পদ্য লিখিছিল পদ্যটো প্ৰকাশ হোৱাৰ পাছত আমাৰ দেৱ-দেৱীসকলক তুচ্ছ-তাচ্ছিল্য কৰা হৈছে বুলি লিখা যিখন চিঠি পালো পটি স্তব্ধ হৈ গ'লো (আনহাতে স্তব্ধ হ'বলগীয়া হৈছে ৰাজস্থানৰ সতীপ্ৰথাৰ সপক্ষে সমবেত হোৱা নেতৃস্থানীয় মানুহবোৰ দেখি।)।

গতিকে শিশুহঁতৰ সেইবোৰ প্ৰশ্নৰ সন্তোষজনক উত্তৰ সমাজৰ সহায়-সহযোগ নহ'লে দিব নোৱাৰি।

শিশুৱে মাকক সোধে ভাইটিটো ক'ৰপৰা আহিল? মাকে কয়— হস্পিটেলৰপৰা। ঈশ্বৰ ক'ত থাকে? সৌ ডাৱৰৰ ওপৰত থাকে। শিশুৱে

ডাঙৰ হৈ সম্পূৰ্ণ শুদ্ধকৈ বুজি পায — ভাইটিটো আচলতে ক'ৰপৰা আহিছিল। কিন্তু মাক দেউতাক বয়স গৈ থকাৰ লগে-লগে ঈশ্বৰ ক'ত থাকে সেই সম্পৰ্কে বেছি বিভ্ৰান্ত হৈ গৈ থাকে কিন্তু ঈশ্বৰৰ বেছি কাষ চাপিছোঁ বুলি ভাবি থাকে। বিজ্ঞানৰ সত্য আৰু বিশ্বাসৰ এইটো এটা আমোদজনক পাৰ্থক্যসূচক উদাহৰণ। এই পৰিবেশতে জনবিজ্ঞান যাত্ৰীসকল সোমাবহি লাগিব। গতিকে দেখা যায় বয়সীয়াসকলৰ মানসিকতাই যি গঢ ললে ললে বুলি যে তেওলোকক যাত্ৰাপথৰ পৰা বাদ দিযাৰ কথা এটা অলপ আগতে কোৱা হৈছিল সেইটো কৰিব পৰা নাযাব। এই যাত্ৰাই সকলোকে চুব লাগিব।

আনহাতে দেশখনত এটা কথা ওলাই আছে,— স্কুল-কলেজৰ শিক্ষাৰ লগত নীতি-শিক্ষাৰ ব্যৱস্থা কৰিব লাগে নৈতিকতাৰ স্খলনৰ বাবেই সমাজত দুৰ্যোগৰ সৃষ্টি হৈছে। কিন্তু চিন্তাৰ কথা হৈছে, নীতি-শিক্ষা বুলিলেই এচাম মানুহে ধৰ্মপুথিৰ অলৌকিক চৰিত্ৰৰ গল্প কেইটামান পাঠ্যপুথিত থকাটোকে বুজে।

এনে অৱস্থাত এটা কথা পৰিষ্কাৰ জনবিজ্ঞান যাত্ৰাৰ বৰ্তমানৰ কাৰ্যসূচীৰ যুক্তিযুক্ততা আছে, কিন্তু ঘোষিত উদ্দেশ্য পূৰণ কৰিবলৈ হ'লে ই এটা বছৰেকীয়া ঘটনা হৈ থাকিব নালাগিব। ই অহৰ্নিশে চলি থকা এটা শক্তিশালী প্ৰক্ৰিয়া হ'ব লাগিব আৰু এই প্ৰক্ৰিয়াই ঘৰে বাহিৰে ব্যাপ্ত হৈ থকা তথাকথিত ধৰ্মকৰ্মৰ অবৈজ্ঞানিক অংশটোৰ সাৱধান লব লাগিব।

১২/১০/৮৭

# পাতল কথা

কিছুমান কথা সেই কোন কাহানিৰে পৰা, কথা বুজা হোৱাৰে পৰা শুনিয়েই আছো এতিয়া সেইবোৰ কথা কোনোবাই উচ্চাৰণ কৰিলে তেওঁ বৰ পাতল কাম কৰিলে যেন লাগে। কিন্তু আমাৰ দেশত সেই কথাবোৰৰ মতে কাম হোৱা নাই, কথাবোৰৰ মূল্য তিলমানো কমা নাই, কেৱল কওতে-কওঁতে লঘু হৈছে। উদাহৰণ 'সময়ৰ মূল্য' সম্পৰ্কীয় কথাবোৰ।

এগৰাকী অতি উচ্চপদস্থ বিষযাৰ লগত দুটা গুৰুত্বপূৰ্ণ ৰাজহুৱা কামৰ কথা আলোচনা কৰিবলগীয়া আছিল। তেখেতক অতি উচ্চপদস্থ বোলাৰ কাৰণ হ'ল সেইটো বিভাগত তেখেতৰ মুখ, কলম, কাম আৰু চিন্তাৰেই ৰাজ্যখন চলে বুলিব পাৰি তেখেতৰ ওপৰত আছে যদি মন্ত্ৰীৰ পৰ্যায়টোহে আছে। আলোচনাটোৰ কাৰণে আগতীয়াকৈ তেখেতৰ লগত যোগাযোগ কৰিলো। লগ পোৱাৰ ঠাই আৰু সময় ঠিক কৰা হ'ল। ঠাই তেখেতৰ অফিছকোঠা সময় দিনৰএঘাৰ বজা। অনিবাৰ্য কাৰণ নহ'লে এক মিনিট পলম কৰাৰো প্ৰশ্ন নুঠে। আগতে গ'লেও তেখেতৰ অইন কামৰ অসুবিধা হ'ব পাৰে, গতিকে যিকণ অতিৰিক্ত সময় হাতত লৈ গৈছিলো, সেইকণ তেখেতৰ অফিচৰ বাহিৰতে ইফাল-সিফাল কৰি কটাই ঠিক এঘাৰ বজাত, পিয়নক সুধি সোমাই গ'লো। তেখেতৰ মেজৰ চাৰিওফালে ছখন চকী, প্ৰতিখনতে মানুহ। ঘণ্টী বাজিল পিয়ন আহিল, এখন চকী আহিল বহিলো। কিন্তু মই এতিয়া কৰোঁ কি? মোৰ কথা দুটাতো এনেকৈ আলোচনা কৰিব নোৱাৰি! ভাবিলো -- এখেতসকল অলপ পাছতে নিশ্চয় যাব, তেতিয়া আমাৰ আলোচনা আৰম্ভ হ'ব। কিন্তু ঘটনাটো সেইমতে নঘটিল। দুজন গ'ল যদি আৰু এজন আহিল, তাৰ পাছত এজন গ'ল যদি আৰু এজন আহিল, তাৰ পাছত এজন গ'ল যদি আৰু দুজন আহিল। উল্লেখযোগ্য কথা, -- এওঁলোক সকলো উচ্চপদস্থ বিষযা। কথা-বতৰাবোৰ শুনি বুজিলো -- তেখেতসকলৰ আলোচ্য বিষযবস্তুবোৰো গুৰুত্বপূৰ্ণ। এই সকলোৰে মাজতে গৃহস্থ বিষযাগৰাকীযে কিন্তু ফাইলত লিখা-মেলা কৰিয়েই আছে। প্ৰায় এঘণ্টাৰ পাছত মই উঠিলো। আমোদজনক কথা, ইয়াৰ মাজতে মোক, সকলোৰে

লগত, এপিয়লা বেয়া চাহো দিয়া হ'ল। মই চাহ খাওঁ নে নাখাওঁ, এইটো চাহ খোৱাৰ সময় হয়নে নহয়, কোনেও মোক নুসুধিলে।

দ্বিতীয় আৰু তৃতীয় যোগাযোগতো মোৰ প্ৰায় একে অভিজ্ঞতা হ'ল। শেষত এদিন বিষয়াগৰাকীক টেলিফোন যোগে ক'লো, "মোৰ কথাখিনিৰ বাবে দহমিনিট সময় লাগিব, কিন্তু সেই দহমিনিটত কোঠালিটোত কেৱল আপুনি আৰু মইহে থাকিব লাগিব। তেনেকুৱা সময় অকণমান উলিয়াব পাৰিবনে?' তেখেতে পুৱা চাৰে ন বজাত সময় দিলে। ঠিক চাৰে ন বজাত তেখেতৰ অফিছত উপস্থিত হ'লোগে। তেখেত আছে আৰু কোনো নাই। ভাল লাগিল। আলোচনা আৰম্ভ কৰিলো। দুই মিনিটমানৰ পাছত দুৱাৰখন কাণিদুৱৰীকৈ এজন মানুহে মূৰটো সুমুৱালে। "আহক, আহক"।– গৃহস্থ বিষয়াজনে তেখেতক সম্ভাষণ জনালে। 'থিয়ৈ-থিয়ৈ আপোনাক কথা এটা সুধি যাওঁ। আপুনি ইমান সোনকালে অফিছলৈ আহিছে বুলি ভবাই নাছিলো" – বুলি মানুহজন (তেৰোঁ উচ্চপদস্থ বিষয়া) চাপি আহিল আৰু বহিল। তেখেত মোৰো চিনাকি, গতিকে কথা আৰম্ভ হ'ল। এসময়ত দহ বাজিল, আৰু লাহে লাহে কোঠালিটোৰ সকলো চকী মানুহেৰে ভৰি পৰিল। সকলোৰে গৃহস্থ বিষয়াজনক "আগে-ভাগে" লগ ধৰি যাওঁ বুলি আহিছে।

সাধাৰণ মানুহৰ সময় ৰখাত বহুত অসুবিধা। সময়ৰ জ্ঞানৰ অভাৱ, সাংসাৰিক লেঠা যান-বাহনৰ বিজুতি আদি নানা কাৰণত এইবোৰ অসুবিধা হয়। কিন্তু এটা পৰ্যায়ৰ ওপৰৰ ৰাজহুৱা লোকসকলৰ ক্ষেত্ৰত কথাটোৰ বিচাৰ বেলেগ হ'ব লাগে। সাধাৰণ মানুহৰ সময়ৰ জ্ঞান থাকিলেও যিবোৰ অসুবিধাৰ বাবে সেই জ্ঞান কামত লগাব নোৱাৰে, এখেতসকলৰ ক্ষেত্ৰত তেনে অসুবিধাৰ পৰিমাণ বহুত কম। পদমৰ্যাদাৰ লগতে যিখিনি সুবিধা পায় সেইখিনিৰ সহায়তে তেখেতসকলে সময়ৰ মূল্য পৰিস্ফুট হোৱা এটা পৰিবেশ সৃষ্টি কৰিব পাৰিব লাগে। উক্ত বিষয়াগৰাকীৰ অফিছ-কোঠাত সোমোৱা চাৰিও দিনেই লক্ষ্য কৰিছিলো – তেখেত অসহায়। অৱস্থাটো তেখেতেও ভাল পোৱা নাই। যিহেতু অভ্যাগতসকলৰ সকলোৱেই টেলিফোন, পিয়ন গাড়ী আদিৰ সুবিধা থকা উচ্চপদস্থ বিষয়া গতিকে তেখেতে কৰে কি? খবৰ-বাতৰি নিদিয়াকৈ কোঠালিত সোমোৱাৰ পাছত তেখেতে খেদে কাক? আৰু খবৰ-বাতৰি পায়ো যদি তেখেতে মোক সময় দিছিল, তেন্তে তেখেতে ভুল কৰিছিল।

এই অতি উচ্চপদস্থ বিষয়াসকলে এনে পৰিবেশত কাম কৰা দেখি থাকিলে

চিন্তা হয়, -- ৰাজ্যখনৰ একো-একোটা বিষয়ৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত তেখেতসকলে সুচিন্তিতভাবে ঠাণ্ডা মগজেৰে লব পাৰিছেনে? এইযে ছজন মানুহৰ লগত সমানে কথা পাতি-পাতি তেখেতে ফাইলটোত চহীটো কৰিলে তাৰ ফলতেই এদিন চৰকাৰখন স্মাৰক পত্ৰ, প্ৰতিনিধি দল কৰ্মবিৰতি, ধৰ্মঘটৰ সম্মুখীন হ'ব নালাগিবটো? তাৰ ফলতেই কিছুমান মানুহৰ অপকাৰ নহ'বতো! আনহাতে, বিষয়াজনে 'ছিৰিয়াছ' কামবোৰ 'বজাৰ ভগাৰ পাছত' আৰম্ভ কৰি ৰাতি আঠ-ন বজালৈকে কৰিব, সেইটোওতো মানবীয় দিশৰ পৰা সমৰ্থনযোগ্য নহয়।

এনে অৱস্থাত সিদ্ধান্ত এটাই, সেইটোও কওঁতে-কওঁতে লঘু হৈ গৈছে -- 'ছিষ্টেমটোৰেই দোষ'। কিন্তু দোষ বুলি এৰি দিলেইতো নহয়। কাৰণ এই ছিষ্টেমটোৰ সময়-সংক্ৰান্ত দক্ষতাৰ ওপৰত সাধাৰণ মানুহৰ জীৱনৰ বহু কথা নিৰ্ভৰ কৰে। গতিকে ক'ৰবাত কোনোবাই শুধৰণীৰ কাম আৰম্ভ কৰিবই লাগিব। এই আৰম্ভ ওপৰ মহলতে হোৱাটো সম্ভৱ আৰু বাঞ্চনীয়। অন্ততঃ চৰকাৰী যন্ত্ৰটোত অভ্যাস আৰু স্বভাৱ ওপৰৰ পৰা তললৈ বিয়পে বুলি বিশ্বাস কৰা উচিত। এজন উচ্চপদস্থ বিষয়াই তেখেতৰ দক্ষতা, পদমৰ্যাদা এনগেজমেণ্ট পেড পি এ পিয়ন আৰু টেলিফোনৰ ব্যৱহাৰ সমুচিতভাৱে আৰু দৃঢ়তাৰে কৰি চাওক ফলাফল কি হয়। কিন্তু তেখেতসকলৰ সকলোৱেই যদি এ -- আমাৰ মানুহৰ কথা নক'ব দিয়ক' বুলি চলি থাকে তেনেহলে আমাৰ মানুহৰ অপকাৰ হৈয়েই থাকিব। ■

১২/১১/৮৭